


চতুৰ্থ বছৰ, অষ্টাদশ সংখ্যা
১-১৫ অক্টোবৰ, ১৯৯২

Homen Borgohain
*Editor*

Telephone:
off.44854
27823
Res.87737

**SUTRADHAR**

(ASSAMESE FORTNIGHTLY)
Monjera House
Motilal Nehru
Road
Panbazar
Guwahati-781001

*প্ৰিয়বৰেষু*

প্ৰথমে আমাৰ শ্ৰদ্ধাপূৰ্ণ নমস্কাৰ গ্ৰহণ কৰিব। অহা জানুৱাৰীত 'সূত্ৰধাৰে' ৪ বছৰ পূৰ্ণ কৰিব। আলোচনীখন যিমান ভাল হোৱা উচিত আছিল, সিমানখিনি হয়তো আমি কৰিব পৰা নাই। তথাপি এটা কথা আমি নিশ্চয় দাবী কৰিব পাৰো যে আমাৰ ফালৰ পৰা চেষ্টাৰ কোনো ত্ৰুটি হোৱা নাই। তদুপৰি অসমৰ শ্ৰেষ্ঠ লেখক-লেখিকাসকলে 'সূত্ৰধাৰত' নিয়মীয়াভাৱে লিখিবলৈ আৰম্ভ কৰিছে আৰু নানা পৰীক্ষা-নিৰীক্ষাৰ মাজেদি 'সূত্ৰধাৰে' নিজকে অসমত উচ্চ চিন্তা-চৰ্চাৰ শ্ৰেষ্ঠ মাধ্যম হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। কিন্তু ইমানখিনি কৰাৰ পিছতো আমি অতি দুখেৰে সৈতে লক্ষ্য কৰিছো যে আলোচনীখনে পাঠকসকলৰ পৰা যিমানখিনি সমাদৰ পাবলৈ আশা কৰিছিল সিমানখিনি পোৱা নাই– যাৰ ফলত আলোচনীখনৰ ভৱিষ্যত সম্পৰ্কেই আমি মাজে মাজে চিন্তান্বিত হব লগা হৈছে। সেইকাৰণে মই আপোনাসকলক অনুৰোধ কৰিব খুজিছো– আপোনালোকৰ যিসকলে অসমীয়া জাতিৰ স্বাৰ্থত 'সূত্ৰধাৰ'ৰ নিচিনা আলোচনীকেইখন জীয়াই থকাটো বিচাৰিছে তেওঁলোকে প্ৰত্যেকেই যেন কমপক্ষেও ১০জন নতুন গ্ৰাহক যোগাৰ কৰি আলোচনীখন জীয়াই ৰখাত আমাক সহায় কৰে। আপোনালোকৰ এই সহায়ৰ প্ৰতিদান স্বৰূপে আমি 'সূত্ৰধাৰ'ক এখন সৰ্বাঙ্গসুন্দৰ আলোচনী কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰিম।

ইতি
ভৱদীয়
হোমেন বৰগোহাঞি

ORKDISCD

# ব্ৰহ্মমুহূৰ্তৰ বিশ্বব্ৰহ্মাণ্ড

পবিত্ৰ বৰগোহাঞি

বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ বা সৃষ্টিৰ মুহূৰ্তৰ পৰা আজি পৰ্যন্ত এই সুদীৰ্ঘ সময়ছোৱাত হোৱা ইয়াৰ বিবৰ্তনৰ যিহেতু কোনো প্ৰত্যক্ষ দ্ৰষ্টা নাই এই সম্পৰ্কীয় আমাৰ সকলোবোৰ তথ্য পাতি বা জল্পনা কল্পনা প্ৰকৃত সত্যৰ সঠিক ৰূপ বুলি নিশ্চয় আশা কৰিব নোৱাৰি। প্ৰচলিত বিজ্ঞানৰ সামৰ্থ্য বা সাফল্যৰ যি মূলভিত্তি পৰীক্ষা নিৰীক্ষাৰ সহায়ত বৈজ্ঞানিক সিদ্ধান্তবোৰৰ যুক্তিযুক্ততাৰ নিৰ্ভৰযোগ্য প্ৰমাণ - বিশ্বব্ৰহ্মাণ্ডৰ ক্ষেত্ৰত সেইটো প্ৰায় অনুপস্থিত তথাপিও যেনেকৈ আদিম মানৱে ব্যৱহাৰ কৰা শিলৰ অস্ত্ৰ শস্ত্ৰ বা প্ৰস্তৰ খোদিত চিত্ৰ কলা আদিৰ পৰা মানৱ সভ্যতাৰ ইতিহাসৰ এটা অলিখিত অধ্যায় উদ্ধাৰ কৰাটো সম্ভৱ হৈছে বা আদিম প্ৰাণীৰ জীৱাশ্ম আদিৰ সহায়ত পৃথিৱীত জীৱ জগতৰ বিবৰ্তনৰ এটা নিৰ্ভৰযোগ্য চিত্ৰ অংকন কৰাটো সম্ভৱ হৈছে ঠিক তেনেকৈ সৃষ্টিৰ মুহূৰ্তত বা তাৰ ঠিক পিছৰ মুহূৰ্তবোৰত সংঘটিত ঘটনা প্ৰৱাহৰ পদচিহ্নৰ আৱিষ্কাৰে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি আৰু বিবৰ্তন সম্পৰ্কেও আমাক এটা গ্ৰহণযোগ্য কাহিনী দাঙি ধৰিবলৈ সক্ষম কৰিছে। এই কাহিনীৰ আৰম্ভণি হৈছে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিৰ ঠিক পিছ মুহূৰ্তৰ পৰাই। এই কাহিনীৰ প্ৰণেতাসকলে বিশ্বাস কৰে যে বিশ্বব্ৰহ্মাণ্ডৰ আজিৰ ৰূপ বা সম্প্ৰতি ইয়াত সংঘটিত সকলোবোৰ কাৰ্যকাৰণৰ মূল কাৰক হ'ল সৃষ্টিৰ ঠিক পিছ মুহূৰ্তেতে বিশ্বব্ৰহ্মাণ্ডত অতি দ্ৰুত বেগেৰে ঘটি যোৱা ঘটনাসমূহ। সেইবাবেই আধুনিক বিজ্ঞানী সকলে ধাৰণা কৰে যে প্ৰকৃতিৰ মূলনীতি সমূহ সঠিকভাবে বুজিবলৈ হলে আমি সৃষ্টিৰ সেই আদিম মুহূৰ্তটোলৈ আগুৱাই যাবই লাগিব। তেওঁলোক আগুৱাই গৈছেও। সময়ৰ সুদীৰ্ঘ নদীৰ সোঁতৰ বিপৰীতে গৈ তেওঁলোকে সৃষ্টিৰ সেই আদিম মুহূৰ্তটোৰ কাষ চাপিছেগৈ। তেওঁলোকে অনুভৱ কৰিছে যে সৃষ্টিৰ ঠিক পিছ মুহূৰ্তেতে বিশ্বব্ৰহ্মাণ্ডত সংঘটিত ঘটনা প্ৰৱাহৰ গতি ইমান দ্ৰুত আৰু এই ঘটনা সমূহ ইমান গুৰুত্বপূৰ্ণ আছিল যে সেই সময়তেই বিশ্বব্ৰহ্মাণ্ডৰ ভাগ্যলিপি খোদিত হৈ গৈছে বুলি কব পাৰি। এনেধৰণৰ গুৰুত্বপূৰ্ণ ক্ষণ মানুহৰ জীৱনলৈয়ো নহাকৈ নেথাকে। কেতিয়াবা কেতিয়াবা আমাৰ জীৱনৰ কেইটামান মুহূৰ্তৰ ভিতৰতে এনে কিছুমান সুদূৰ প্ৰসাৰী পৰিণতিৰ ঘটনা সংঘটিত হৈ যায় যে সিয়েই আমাৰ জীৱনৰ গতিপথ চিহ্নিত কৰি দিয়ে। ইয়াৰ আগে পিছে বহু বছৰ ধৰি সম্পাদন কৰি অহা সমস্ত কৰ্মৰাজিয়েও এই গতি পথত কোনো বিশেষ ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে। আমি এই প্ৰবন্ধত বিশ্বব্ৰহ্মাণ্ডৰ সেই ঘটনাবহুল আদিম মুহূৰ্তটোৰ কথাই আলোচনা কৰিম।

বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি সম্বন্ধীয় বিগ বেং তত্ত্বৰ মূল অনুপ্ৰেৰণা হ'ল মাৰ্কিন বিজ্ঞানী এডউইন হাবুলৰ বিশ্বব্ৰহ্মাণ্ডৰ সাধাৰণ প্ৰসাৰণ সম্বন্ধীয় আৱিষ্কাৰ আৰু এনে ধৰণৰ প্ৰসাৰণৰ তাত্ত্বিক ভিত্তি প্ৰদান কৰা আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ তত্ত্ব। উল্লেখযোগ্য যে যদিও আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বই বিগ বেং তত্ত্বক সমৰ্থন কৰে তথাপিও সৃষ্টিৰ এই বিশেষ মুহূৰ্তটোত বিশ্বব্ৰহ্মাণ্ডত সংঘটিত হোৱা ঘটনা প্ৰৱাহৰ বিশ্লেষণ দাঙি ধৰাত আইনষ্টাইনৰ এই তত্ত্ব সফল নহয়। ইয়াৰ কাৰণ হ'ল সাধাৰণ আপেক্ষিকতাবাদ সম্পূৰ্ণ ৰূপে এটা ক্লাচিকেল তত্ত্ব। আধুনিক কোৱাণ্টাম তত্ত্বৰ ধাৰণাসমূহৰ প্ৰভাৱৰ পৰা ই সম্পূৰ্ণ মুক্ত। সাধাৰণ আপেক্ষিকতাবাদ তত্ত্ব হ'ল মূলতে মহাকৰ্ষণৰ তত্ত্ব। এই তত্ত্বই মহাকৰ্ষণ ক্ৰিয়াৰ ব্যাখ্যা দিয়ে। মহাকৰ্ষণ বল প্ৰধানকৈ নিৰ্ভৰ কৰে পদাৰ্থৰ ভৰৰ ওপৰত আৰু সেইবাবেই বৃহদাকাৰ বস্তুৰ ক্ষেত্ৰতহে আইনষ্টাইনৰ আপেক্ষিকতাবাদ তত্ত্ব বিশেষভাবে কাৰ্যকৰী। আনহাতে কোৱাণ্টাম তত্ত্বৰ প্ৰয়োগক্ষেত্ৰ মৌলিক কণিকাবোৰৰ দৰে ক্ষুদ্ৰ আয়তনৰ বস্তুৰ মাজতে সীমিত। এই কণিকাবোৰৰ ভৰ নগণ্য বাবে এইবোৰৰ ক্ষেত্ৰত মহাকৰ্ষণৰ প্ৰভাৱ প্ৰায় উপেক্ষণীয় আৰু কোৱাণ্টাম তত্ত্ব জনিত বলেই এইবোৰৰ গতিবিধি প্ৰধানকৈ নিয়ন্ত্ৰিত কৰে। কিন্তু বিশ্বব্ৰহ্মাণ্ডৰ জন্ম মুহূৰ্তত ইয়াৰ আয়তন আছিল মৌলিক কণিকাবোৰৰ দৰেই ক্ষুদ্ৰ কিন্তু ইয়াৰ ভৰ আছিল অতি বৃহৎ। গতিকে এই ক্ষেত্ৰত কোৱাণ্টাম তত্ত্ব জনিত বল আৰু মহাকৰ্ষণ বল ইয়াৰ কোনোটোৱেই উপেক্ষণীয় নহয় আৰু বিশ্বব্ৰহ্মাণ্ডৰ এই সময়ৰ অৱস্থা নিৰ্ণয় কৰাত দুয়োটা বল সমানেই কাৰ্যকৰী। সেইবাবেই আদিম বিশ্বৰ বিষয়ে অধ্যয়ন কৰিবলৈ হলে আপেক্ষিকতাবাদ আৰু কোৱাণ্টাম তত্ত্বৰ মাজত সমন্বয় সাধন কৰাটো নিতান্ত প্ৰয়োজন। এনে ধৰণৰ সমন্বয় সাধনৰ প্ৰচেষ্টাৰ ফল স্বৰূপেই বৰ্তমান গঢ়ি উঠিছে পদাৰ্থ বিজ্ঞানৰ এটা নতুন শাখা কোৱাণ্টাম, মহাকৰ্ষণ (Quantum Gravity)। কিন্তু এই তত্ত্বদুটাৰ মৌলিক চৰিত্ৰ আৰু গাণিতিক গঠন ইমানেই ভিন্নসুৰী যে ইহঁতৰ মাজত যোগসূত্ৰ স্থাপন কৰাটোও সহজকাম নহয়। যোৱা দুই দশকৰো ওপৰকাল ধৰি বিজ্ঞানী সকলে অবিৰামভাবে কৰি অহা অহোপুৰুষাৰ্থৰ এতিয়াও কোনো উল্লেখযোগ্য ফল পোৱা হোৱা নাই। কোৱাণ্টাম মহাকৰ্ষণৰ কোনো সুস্পষ্ট সূত্ৰ বা কাৰ্যনীতি এতিয়াও আৱিষ্কৃত হোৱা নাই। সেইবাবেই আদিম বিশ্বৰ অধ্যয়নৰ সময়ত বিজ্ঞানীসকলে নানা ধৰণৰ পৰোক্ষ পন্থা অৱলম্বন কৰা দেখা গৈছে।

বৰ্তমানৰ বিশ্বব্ৰহ্মাণ্ডৰ গঠন প্ৰধানকৈ মহাকৰ্ষণ বলৰ দ্বাৰাই নিয়ন্ত্ৰিত। গ্ৰহ-নক্ষত্ৰৰ পৰা আৰম্ভ কৰি বৃহৎ বৃহৎ তাৰকাৰাজ্য থূপৈলকে সকলোবোৰ পদাৰ্থগোটৰ গঠন, গতিবিধি আৰু সুস্থিৰতা অস্থিৰতা নিয়ন্ত্ৰণ কৰিছে মহাকৰ্ষণ বলেই। সেইবাবেই বিশ্বতত্ত্ব বিজ্ঞানত সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বৰ প্ৰয়োগ অপৰিহাৰ্য। সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বত মহাকৰ্ষণক স্থানকালৰ জ্যামিতিৰ এটা স্বাভাৱিক পৰিণতি হিচাপে দেখুওৱা হৈছে। এই তত্ত্বমতে পদাৰ্থৰ উপস্থিতিয়ে স্থান কালৰ জ্যামিতিৰ পৰিৱৰ্তন ঘটায় আৰু এই জ্যামিতি পদাৰ্থটোৰ ধৰ্ম যেনে ইয়াৰ ভৰ, ঘূৰ্ণন বৈদ্যুতিক আধান, শক্তি বিকিৰণৰ হাৰ আদিৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণ ভাবে ইয়াকে কোৱা হয় যে পদাৰ্থৰ উপস্থিতিয়ে স্থান কাল বক্ৰ (Space time curvature) কৰি দিয়ে। যেনেকৈ হেলনীয়া পাহাৰৰ পৰা পাথৰৰ টুকুৰা আপোনা আপুনি নামনিলৈ বাগৰি আহে বা জান জুৰি ভৈয়ামলৈ বৈ আহে তেনেদৰে কোনো এটা বস্তুৱে সৃষ্টি কৰা এনে বক্ৰতলত দ্বিতীয় এটা বস্তু ৰাখিলে দ্বিতীয় বস্তুটোৱে প্ৰথম বস্তুটোৰ দিশত অৰ্থাৎ বক্ৰ তলৰ নামনিলৈ ধাবিত কৰিব বিচাৰে। সেইদৰে দ্বিতীয় বস্তুটোৱে সৃষ্টি কৰা বক্ৰতলখনে প্ৰথম বস্তুটোক দ্বিতীয় বস্তুটোৰ দিশলৈ ধাবিত কৰিব বিচাৰে। এয়েই হল দুটা বস্তুৰ মাজত আমি সাধাৰণতে লক্ষ্য কৰা মহাকৰ্ষণ বলৰ জ্যামিতিক প্ৰকাশ। আইনষ্টাইনৰ আপেক্ষিকতাবাদ তত্ত্বত কেইটামান সমীকৰণৰ সহায়ত স্থান কালৰ এই জ্যামিতি বৰ্ণনা কৰা হয়। বেলেগ বেলেগ ধৰ্মবিশিষ্ট পদাৰ্থৰ উপস্থিতিয়ে সৃষ্টি কৰা স্থান কালৰ বক্ৰতা বেলেগ বেলেগ। সেইবাবে বেলেগ বেলেগ ধৰ্মৰ তাৰকা বা তাৰকা সমষ্টিৰ বাবে সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বৰ এই সমীকৰণ কেইটাৰ সমাধানো বেলেগ বেলেগ। কিন্তু কোনো পদাৰ্থগোটৰ বাবে এই সমীকৰণ কেইটা লিখিবৰ সময়ত সেই পদাৰ্থ গোটটোৰ কিছুমান ভৌতিক ধৰ্মৰ কথা আগতীয়াকৈ জানিব লাগিব। যিহেতু বিশ্বব্ৰহ্মাণ্ডৰ প্ৰকৃত গঠন সম্পৰ্কে আমি সম্পূৰ্ণৰূপে অৱগত নহয় সেইবাবেই বিশ্বব্ৰহ্মাণ্ডৰ বিভিন্ন সম্ভাব্য গঠনৰ ভিত্তিত এই সমীকৰণ কেইটাৰ বহুতো সমাধান ইতিমধ্যে আৱিষ্কাৰ কৰা হৈছে। এইবোৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য আৰু সফল সমাধান হ'ল ফ্ৰিয়েডমান ৰবাৰ্টচন ৱাকাৰৰ সমাধান (Friedman Robertson Walker space-time)। বিশ্বব্ৰহ্মাণ্ডত পদাৰ্থৰ বিতৰণ সুষম আৰু ইয়াৰ ৰূপ সকলো দিশতে একে বুলি ধৰি লৈ ছোভিয়েত গণিতজ্ঞ ফ্ৰিয়েডমেনে ১৯২২ চনতে প্ৰথমে আইনষ্টাইনৰ সমীকৰণ কেইটাৰ এই সমাধান বাহিৰ কৰিছিল। ১৯৩৫ চনত দুজন মাৰ্কিন বিজ্ঞানী ৰবাৰ্টচন আৰু ৱাকাৰে এই একে সমাধানকে পুনৰ আৱিষ্কাৰ কৰিছিল। এই সমাধানেই বৰ্তমানৰ বিশ্বব্ৰহ্মাণ্ডৰ জ্যামিতি শুদ্ধকৈ বৰ্ণনা কৰে বুলি ধাৰণা কৰা হৈছে। সেইবাবেই ফ্ৰিয়েডমান ৰবাৰ্টচন ৱাকাৰৰ সমাধানৰ পৰা বিশ্বব্ৰহ্মাণ্ডৰ যি ৰূপ ঠাৱৰ কৰিব পাৰি তাকে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰমাণ আৰ্হি (standard model) বুলি কোৱা হয়।

কিন্তু ফ্ৰিয়েডমান ৰবাৰ্টচন ৱাকাৰৰ আৰ্হিৰ দুৰ্বলতাও নোহোৱা নহয়। বৰ্তমানৰ বিশ্বব্ৰহ্মাণ্ডৰ কেইবাটাও বৈশিষ্ট্যৰ কাৰণ এই আৰ্হিয়ে ব্যাখ্যা কৰিব নোৱাৰে। ইয়াৰে কেইটামান হ'ল ঃ (১) বিশ্বব্ৰহ্মাণ্ডত দৃশ্যমান পদাৰ্থবোৰ যদিও গ্ৰহ, নক্ষত্ৰ, তাৰকাৰাজ্য আদিৰ ৰূপত থুপাথুপিকৈ সিচঁৰতি হৈ আছে তথাপিও সামগ্ৰিকভাবে বিশ্বব্ৰহ্মাণ্ডত পদাৰ্থৰ বিতৰণ সুষম। ইয়াৰ কাৰণ কি ? (২) কোনো এখন ঠাইৰ পৰা নিৰীক্ষণ কৰিলে বিশ্বব্ৰহ্মাণ্ডৰ গঠন সকলো দিশতে একেই দেখি। ইয়াৰ কাৰণ কি ? (৩) আমি জানো যে সৃষ্টিৰ মুহূৰ্তৰ পৰাই বিশ্বব্ৰহ্মাণ্ডৰ আকাৰ অবিৰাম ভাবে বৃদ্ধি পাই আহিছে। বিশ্বব্ৰহ্মাণ্ডৰ এই প্ৰসাৰণ বন্ধ হৈ ইয়াৰ সংকোচন আৰম্ভ হব সেইটো নিৰ্ভৰ কৰিছে বিশ্বব্ৰহ্মাণ্ডত থকা পদাৰ্থৰ ঘনত্বৰ ওপৰত। বিশ্বব্ৰহ্মাণ্ডত থকা পদাৰ্থৰ ঘনত্ব এটা নিৰ্দিষ্ট মানতকৈ (প্ৰায় $১০^{-২৯}$ গ্ৰাম/ঘঃ ছেমি) বেছি হলে ইয়াৰ প্ৰসাৰণ এটা সময়ত বন্ধহৈ সংকোচন আৰম্ভ হব আৰু এই মানতকৈ কম হ'লে ইয়াৰ প্ৰসাৰণ অবিৰত ভাবে চলি থাকিব। বিশ্বব্ৰহ্মাণ্ডৰ ভৱিষ্যত নিৰ্ণয় কৰা এই ঘনত্বক সংকট ঘনত্ব (Critical density) বুলি কোৱা হয়। বিশ্বব্ৰহ্মাণ্ডত সম্প্ৰতি নিৰীক্ষণ কৰি পোৱা পদাৰ্থৰ ঘনত্বৰ মানো এই সংকট ঘনত্বৰ সমান। ইয়াৰ কাৰণ কি ? (৪) কি প্ৰক্ৰিয়াৰ ফলত বিশ্বব্ৰহ্মাণ্ডত তাৰকাৰাজ্যবোৰ এনেদৰে সৃষ্টি হ'ল ? প্ৰথমে গ্ৰহ নক্ষত্ৰবোৰ সৃষ্টি হৈ পাছত তাৰকাৰাজ্যবোৰ সৃষ্টি হ'লনে নে প্ৰথমেই তাৰকাৰাজ্যবোৰ পৃথক পৃথক হৈ পাছত এইবোৰৰ বিবৰ্তনৰ ফল স্বৰূপে গ্ৰহ নক্ষত্ৰবোৰ সৃষ্টি হ'ল ? এনেধৰণৰ আৰু কেইবাটাও প্ৰশ্নৰ সঠিক উত্তৰ ফ্ৰিয়েডমান - ৰবাৰ্টচন - ৱাকাৰৰ প্ৰমাণ আৰ্হিৰ পৰা পোৱা নেযায়। এই প্ৰশ্ন কেইটাৰ এটা সহজ সম্ভাব্য উত্তৰ হ'ল যে সৃষ্টিৰ মুহূৰ্তত বিশ্বব্ৰহ্মাণ্ডৰ অৱস্থাটো হয়তো এনে আছিল যে আমাৰ প্ৰমাণ আৰ্হিমতেই ইয়াৰ বিবৰ্তন ঘটাৰ ফলত ই আজিৰ ৰূপ ধাৰণ কৰিব পাৰিছে। কিন্তু এনে এটা উত্তৰ মানি লোৱা মানেই হ'ল কোনো কাৰণ নজনাকৈ কেৱল আমাৰ তত্ত্বৰ ৰক্ষণাবেক্ষণৰ খাতিৰত বিশ্বব্ৰহ্মাণ্ডৰ এটা বিশেষ আদিম অৱস্থাৰ কথা বিনা বাক্যব্যয়ে মানি লোৱা হ'ল। বৈজ্ঞানিক পৰম্পৰাত ই এটা নীতিবিৰুদ্ধ কথা। সেইবাবেই সৃষ্টিৰ ঠিক পিছ মুহূৰ্তৰ বিশ্বব্ৰহ্মাণ্ডৰ অৱস্থাৰ বিষয়ে বিভিন্ন দিশৰ পৰা অধ্যয়ন আৰম্ভ হ'ল। জ্যোতিপদাৰ্থবিজ্ঞানী, বিশ্বতত্ত্ববিদ সকলৰ লগত এই সমদলত যোগ দিলেহি কণিকা- পদাৰ্থবিদসকলে। এই কণিকা পদাৰ্থবিদ সকল পদাৰ্থৰ কণিকাসমূহৰ ধৰ্ম আৰু সিহঁতৰ মাজৰ বিক্ৰিয়াৰ অধ্যয়নতে ব্যস্ত থাকে। বহুদিন ধৰি তেওঁলোকক জুমুৰি দি থকা এটা সমস্যা হ'ল একীকৃত ক্ষেত্ৰতত্ত্বৰ নিৰ্ভুল ৰূপায়ণ। তেওঁলোকে বিশ্বাস কৰে যে প্ৰকৃতিত সততে দেখিবলৈ পোৱা সবল ক্ৰিয়া, দুৰ্বল ক্ৰিয়া, বিদ্যুৎ চুম্বকীয় ক্ৰিয়া আৰু মহাকৰ্ষণিক ক্ৰিয়া এই চাৰিবিধ ভিন্ন শ্ৰেণীৰ ক্ৰিয়া একেবিধ মূল ক্ৰিয়াৰে অৱস্থান্তৰত হোৱা বিভিন্ন ৰূপহে মাথোন আৰু একেটা মূল সূত্ৰৰ সহায়ত এই চাৰিওবিধ ক্ৰিয়াৰ কাৰ্যনীতি প্ৰকাশ কৰিব পাৰি। এইটোৱেই হ'ল তেওঁলোকে সপোনে সচিতে লগ পাই থকা একীকৃত ক্ষেত্ৰ তত্ত্ব। এই তত্ত্বটোৰ উদ্ভাৱনত তেওঁলোক ইতিমধ্যে আংশিকভাবে সফল হৈছেও। দুৰ্বল ক্ৰিয়া আৰু বিদ্যুৎ চুম্বকীয় ক্ৰিয়াক ইতিমধ্যে একীকৃত কৰা হৈছে। সবল ক্ৰিয়াক এই দুবিধ ক্ৰিয়াৰ লগত একীকৃত কৰাৰ কেইবাটাও সম্ভাব্য তত্ত্বৰ কথাও তেওঁলোকে ঘোষণা কৰিছে। এই শ্ৰেণীৰ তত্ত্ববোৰক সাধাৰণভাবে গ্ৰেণ্ড য়ুনিফাইড্ থিয়ৰি বা সংক্ষেপে GUT বুলি কোৱা হয়। এই তত্ত্বৰ উদ্ভাৱক সকলে গণিতৰ সহায়ত প্ৰমাণ কৰি দেখুৱাইছে যে যদি ক্ৰিয়া কৰা কণিকাবোৰৰ শক্তি $১০^{১৫}$ জি ই ভি (১ জি ই ভি = $১.৬ \times ১০^{-৭}$ জুল) বা তাতোকৈ বেছি হয় তেন্তে এই তিনিওবিধ ক্ৰিয়াকে একেটা মূল সূত্ৰৰ সহায়ত প্ৰকাশ কৰিব পাৰি। এনেক্ষেত্ৰত এই ক্ৰিয়াবোৰৰ নিজস্ব কোনো বৈশিষ্ট্য নেথাকে। কিন্তু পৰীক্ষাগাৰত ইমান উচ্চ শক্তি সম্পন্ন কণিকা এতিয়ালৈকে সৃষ্টি কৰিব পৰা হোৱা নাই বাবে এই তত্ত্ববোৰৰ সত্যাসত্যও সঠিকভাবে নিৰূপণ কৰিব পৰা হোৱা নাই। অদূৰ ভৱিষ্যতেও যে এনে উচ্চ শক্তিৰ কণিকা পৰীক্ষাগাৰত সৃষ্টি কৰিব পাৰিব সেই সম্পৰ্কেও বিজ্ঞানীসকল আশাবাদী নহয়। কিন্তু তেওঁলোকৰ জীৱনলৈ আশাৰ সঞ্জীৱনী সুধা কঢ়িয়াই আনিছে বিগ্ বেং তত্ত্বই। এই তত্ত্ব মতে সৃষ্টিৰ ঠিক পিছ মুহূৰ্ততে বিশ্বব্ৰহ্মাণ্ডৰ উষ্ণতা ইমান বেছি আছিল যে ইয়াত থকা পদাৰ্থ কণিকাবোৰৰ শক্তি $১০^{১৫}$ জি ই ভিত-কৈয়ো বেছি আছিল। গতিকে কণিকাতত্ত্ববিদ সকলে বিশ্বাস কৰে যে সেই সময়ত সবল ক্ৰিয়া আৰু বিদ্যুৎ চুম্বকীয় ক্ৰিয়াৰ মাজত কোনো পাৰ্থক্য নাছিল। বিজ্ঞানৰ ভাষাত ইয়াকে কোৱা হয় যে সেই সময়ত মৌলিক ক্ৰিয়াবোৰৰ মাজত সম্পূৰ্ণ সমহিতি (Perfect symmetry) বিৰাজ কৰিছিল। সৃষ্টিৰ পিছত হোৱা অবিৰাম প্ৰসাৰণৰ ফল স্বৰূপে বিশ্বব্ৰহ্মাণ্ডৰ উষ্ণতা কমি আহিবলৈ ধৰে আৰু লগে লগে ইয়াত থকা কণিকাবোৰৰ শক্তিও হ্ৰাস পাই আহিবলৈ ধৰে। কিন্তু যিমান সময়লৈকে এই কণিকাবোৰৰ শক্তি $১০^{১৫}$ জি ই ভিত-কৈয়ো বেছি হৈ আছিল সিমান সময়লৈকে এই সমহিতি অব্যাহত আছিল। বিজ্ঞানী সকলে আদিম বিশ্বৰ এই কালছোৱাক GUT ৰ যুগ বুলি কয়। কিন্তু এই যুগ অন্ত পৰাৰ পাছত যেতিয়া কণিকাবোৰৰ শক্তি উক্ত মানতকৈ কমি আহিল তেতিয়া সিহঁতৰ মাজত সংঘটিত বিক্ৰিয়াবোৰৰ মাজৰ সমহিতিও আপোনাআপুনি নোহোৱা হৈ পৰিল। বিজ্ঞানৰ ভাষাত ইয়াকে কোৱা হয় স্বতস্ফুৰ্ত সমহিতি বিভঙ্গন (spontaneous symmetry breaking)। এনেধৰণৰ প্ৰথমটো সমহিতি বিভঙ্গনত সবল ক্ৰিয়াৰ ধৰ্ম দুৰ্বল আৰু বিদ্যুৎ চুম্বকীয় ক্ৰিয়াৰ ধৰ্মতকৈ পৃথক হৈ পৰিল। তাৰ পাছৰ আৰু কম উষ্ণতাত দুৰ্বল ক্ৰিয়াৰ ধৰ্মও বিদ্যুৎ চুম্বকীয় ক্ৰিয়াৰ ধৰ্মতকৈ পৃথক হৈ পৰিল। এনেধৰণৰ স্বতঃস্ফুৰ্ত সমহিতি বিভঙ্গনৰ সময়ত বিশ্বব্ৰহ্মাণ্ডত থকা কণিকাবোৰৰ আচৰণ সলনি হোৱা প্ৰক্ৰিয়াটোক অৱস্থান্তৰ প্ৰক্ৰিয়া (phase transition) বুলি কোৱা হয়।

বিশ্বব্ৰহ্মাণ্ডৰ ব্ৰহ্মমুহূৰ্তত কেনেদৰে পদাৰ্থৰ অৱস্থান্তৰ ঘটি বিভিন্ন ক্ৰিয়াবোৰৰ মাজত সমহিতি বিভঙ্গন হৈছিল তাৰ এটা সম্ভাব্য আৰ্হি প্ৰথমে দাঙি ধৰিছিল বিখ্যাত মাৰ্কিন বিজ্ঞানী এলান গূথে (Alan Guth) ১৯৮১ চনত আগবঢ়োৱা ওফন্দি উঠা বিশ্বৰ আৰ্হি (Inflationery model of the universe) নামেৰে পৰিচিত এই তত্ত্বটোৰ যোগেদি আদিম বিশ্বৰ সমহিতি বিভঙ্গনৰ কাৰণ হিচাপে তেওঁ আগবঢ়ালে পদাৰ্থৰ অতিশীতলতা ধৰ্মটো।

কথাটো বুজিবৰ কাৰণে আমি বিজ্ঞানৰ ছাত্ৰসকলৰ পৰিচিত অতিশীতলতা নামৰ পৰিঘটনাটোলৈ আহো। আমি জানো যে স্বাভাৱিক চাপত $০^\circ$ ছেলচিয়াছ উষ্ণতাৰ পানী বৰফলৈ ৰূপান্তৰিত হয় আৰু এইদৰে তৰল অৱস্থাৰ পৰা কঠিন অৱস্থালৈ যাওঁতে পানীয়ে নিৰ্দিষ্ট পৰিমাণৰ শক্তি লীন তাপৰ ৰূপত এৰি দিয়ে। সেইদৰে $১০০^\circ$ ছেলচিয়াছ উষ্ণতাত থকা জলীয় বাষ্পই লীন তাপ এৰি দি $১০০^\circ$ ছেঃ উষ্ণতাৰ পানীলৈ ৰূপান্তৰিত হ'ব পাৰে। কিন্তু কেতিয়াবা কেতিয়াবা দেখা যায় যে স্বাভাৱিক চাপত পানীৰ উষ্ণতা $০^\circ$ ছেঃতকৈ কম হোৱা সত্ত্বেও পানী পানী হৈয়েই থাকে ই বৰফলৈ ৰূপান্তৰিত নহয়। সেইদৰে জলীয় বাষ্পৰ উষ্ণতা $১০০^\circ$ ছেঃ ত কৈ কম হোৱা সত্ত্বেও ই বাষ্প হৈয়েই থাকে- তৰল অৱস্থালৈ ৰূপান্তৰিত নহয়। তৰল আৰু বাষ্পৰ এই অৱস্থাটোক কোৱা হয় অতিশীতল অৱস্থা আৰু এই পৰিঘটনাটোক কোৱা হয় অতিশীতলতা (Super cooling)। এই অতি শীতল অৱস্থাটো এটা স্বাভাৱিক বা সুস্থিৰ অৱস্থা নহয়। সামান্য আলোড়নৰ প্ৰভাৱেও ইয়াৰ অৱস্থান্তৰ ঘটিব পাৰে। অতি শীতল অৱস্থাত থকা পানীৰ মাজে মাজে হঠাতে বৰফৰ টুকুৰাৰ আৱিৰ্ভাৱ হব পাৰে। এনেহলে পানীখিনি আগৰ দৰে সুষম ঘনত্বৰ সমাহিত তৰল হৈ নাথাকে। তৰল আৰু কঠিন পদাৰ্থৰ ই এটা মিশ্ৰণ হৈ পৰে। এয়ে হ'ল পানীৰ সমহিতি বিভঙ্গন। গূথৰ তত্ত্বমতে সৃষ্টিৰ ঠিক পিছ মূহূৰ্ততে (প্ৰায় $১০^{-৩৭}$ ছেকেণ্ডৰ ভিতৰত) বিশ্বব্ৰহ্মাণ্ডৰ প্ৰসাৰণৰ ফল স্বৰূপে ইয়াৰ উষ্ণতা কমি যোৱাৰ পৰিপ্ৰেক্ষিতত ইয়াত থকা পদাৰ্থৰ কণিকাবোৰৰ শক্তি যেতিয়া $১০^{১৫}$ জি ভি ইতকৈ কমি আহিল স্বাভাৱিকতে ইয়াত থকা পদাৰ্থৰ অৱস্থান্তৰ ঘটিব লাগিছিল। কিন্তু সেইটো হৈ নুঠিল। বিশ্বব্ৰহ্মাণ্ডত থকা পদাৰ্থবোৰে অতিশীতল অৱস্থা লাভ কৰিলে। উল্লেখযোগ্য যে অতিশীতল অৱস্থাত থকা পদাৰ্থৰ শক্তিৰ পৰিমাণতকৈ বেছি। উদাহৰণ স্বৰূপে শূন্য ডিগ্ৰী ছেঃ উষ্ণতাত থকা পানীত নিহিত হৈ থকা শক্তি একে উষ্ণতাত থকা বৰফত নিহিত হৈ থকা শক্তিতকৈ বেছি। কাৰণ পানীয়ে লীন তাপৰ ৰূপত শক্তি এৰি দিহে বৰফলৈ ৰূপান্তৰিত হয়। কণিকা পদাৰ্থবিজ্ঞান জগতত এই অতিশীতল অৱস্থাটোক মিথ্যা বা আপাত শূন্যতা (false vacuum) আৰু স্বাভাৱিক অৱস্থাটোক সত্য বা প্ৰকৃত শূন্যতা (true vacuum) বুলি কোৱা হয়। এই অৱস্থা দুটাক এটা সাধাৰণ উপমাৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। ধৰা হওক এটা ওখ পাহাৰৰ ওপৰত থকা সমভূমি অঞ্চলত এজন মানুহ জন্মৰ পাছৰ পৰাই বাস কৰি আছে। এই সমতলখন চাৰিওপিনৰ পৰা ওখ ওখ পাহাৰে আবৰি আছে আৰু এই সমতলৰ বাহিৰৰ পৃথিৱীখন দেখাৰ তেওঁৰ কোনো উপায় নাই। এনে অৱস্থাত এই মানুহজনে তেওঁ বাস কৰা সমতল ভূমিকে স্বাভাৱিক সমতল ভূমি বুলি ধাৰণা কৰিব। এয়ে হ'ল মিথ্যা শূন্যতা। স্বাভাৱিক ভূপৃষ্ঠৰ পৰা (সমুদ্ৰ পৃষ্ঠৰ পৰা) বহুত ওপৰত থকা বাবে এই মানুহজনৰ মহাকৰ্ষণিক স্থিতি শক্তি ভূপৃষ্ঠৰ স্বাভাৱিক সমতলত থকা মানুহ এজনৰ স্থিতি শক্তিতকৈ বহুতো বেছি হ'ব। কিন্তু এই সমতলক আগুৰি থকা পাহাৰ বগাই বা পাহাৰৰ মাজেদি সুৰঙ্গ কৰি যদি মানুহজন বাহিৰলৈ ওলাই আহে তেওঁ দেখিবলৈ পাব যে প্ৰকৃত সমতল বহুতো তলত। কণিকা পদাৰ্থ বিজ্ঞান জগতত এই ঘটনাটো কণিকাবোৰৰ কোৱাণ্টাম ক্ষেত্ৰ ইয়াৰ শক্তি আৰু বিভৱৰ সমাৰ্থক। আগেয়ে কৈ অহা হৈছে যে অতি শীতল অৱস্থাত থকা পদাৰ্থৰ শক্তি স্বাভাৱিক অৱস্থাত থকা পদাৰ্থৰ শক্তিতকৈ বেছি আৰু এই অৱস্থা সুস্থিৰো নহয়। এনে অৱস্থাত থকা পদাৰ্থৰ চাপ স্বাভাৱিক অৱস্থাত থকা পদাৰ্থৰ চাপতকৈ কম। এনে অৱস্থাত চাপ ঋণাত্মক বুলি কোৱা হয়। গূথৰ ওফন্দি অহা বিশ্বৰ আৰ্হি মতে সৃষ্টিৰ ঠিক পিছ মুহূৰ্ততে বিশ্বব্ৰহ্মাণ্ডৰ অঞ্চল বিশেষত পদাৰ্থ অতিশীতল অৱস্থাত আৰু অন্য কিছুমান অঞ্চলত স্বাভাৱিক অৱস্থাত আছিল। এই সময়ত হোৱা আলোড়নৰ ফল স্বৰূপে এই মিথ্যা শূন্য অৱস্থাত (অতিশীতল অৱস্থাত) থকা বিশ্বব্ৰহ্মাণ্ডৰ অঞ্চলবোৰ প্ৰকৃত শূন্য বা স্বাভাৱিক অৱস্থালৈ ৰূপান্তৰিত হবলৈ ধৰে। যিহেতু স্বাভাৱিক অৱস্থাৰ চাপ মিথ্যা শূন্য অৱস্থাৰ চাপতকৈ বহুতো বেছি এনেধৰণৰ অৱস্থান্তৰৰ সময়ত স্বাভাৱিক অঞ্চলটোৱে অতি দ্ৰুত বেগত প্ৰসাৰিত হৈ মিথ্যা শূন্য অঞ্চলটো গ্ৰাস কৰিবলৈ ধৰে। ইয়াকে কোৱা হয় Inflation। দ্ৰুত হাৰত প্ৰসাৰণ ঘটা এনেধৰণৰ স্বাভাৱিক অৱস্থাবোৰৰ একোটাইতক কোৱা হয় বুদবুদ। বিভিন্ন অঞ্চলত সৃষ্টি হোৱা এনেধৰণৰ বুদবুদ (Bubble)বোৰ লগ লাগিয়েই সৃষ্টি হৈছে আমাৰ বিশ্বব্ৰহ্মাণ্ড। এই সময়ত বিশ্বব্ৰহ্মাণ্ডৰ প্ৰসাৰণৰ হাৰ ইমান দ্ৰুত আছিল যে মাত্ৰ $১০^{-৩২}$ ছেকেণ্ডৰ ভিতৰতে বিশ্বব্ৰহ্মাণ্ডৰ আকাৰ প্ৰায় $১০^{৫০}$ গুণ বৃদ্ধি পাইছিল। এই অৱস্থান্তৰৰ ফল স্বৰূপে নিৰ্গত হোৱা প্ৰচুৰ শক্তিৰ এটা অংশই প্ৰসাৰণত ভাগ লৈছিল আৰু আনটো অংশ পদাৰ্থলৈ ৰূপান্তৰিত হৈ কণিকাৰ ৰূপত আত্মপ্ৰকাশ কৰিছিল। ওপৰত বিশ্বব্ৰহ্মাণ্ডৰ স্থান কালৰ জ্যামিতিৰ বৰ্ণনাৰ বাবে যি ফ্ৰিয়েডমান - ৰবাৰ্টচন ৱাকাৰৰ আৰ্হিৰ কথা কোৱা হৈছে সেই আৰ্হিৰ প্ৰয়োগ হয় ঠিক ওফন্দি অহা পৰ্যায়ৰ পিছৰ পৰাহে।


গূথৰ এই ওফন্দি অহা বিশ্বৰ আৰ্হিৰ সহায়ত ওপৰত উল্লেখ কৰা বৰ্তমানৰ বিশ্বব্ৰহ্মাণ্ডৰ আটাইকেইটা বৈশিষ্ট্যৰ কাৰণ ব্যাখ্যা কৰিব পাৰি। কিন্তু এই তত্ত্বৰ প্ৰধান দুৰ্বলতা হ'ল এয়ে যে এই তত্ত্বমতে ঘটা অৱস্থান্তৰ প্ৰক্ৰিয়া ইমান দ্ৰুত যে ইয়াত সৃষ্টি হোৱা বুদবুদ বোৰ লগ-লাগি এখন বিশ্বব্ৰহ্মাণ্ড গঠন হোৱাটো সম্ভৱ নহয়। গূথৰ তত্ত্বৰ এই দুৰ্বলতা প্ৰথমে আঙুলিয়াই দিয়ে বৃটিছ বিজ্ঞানী ষ্টিফান হকিঙে। এই অসুবিধা দূৰ কৰিবৰ কাৰণে গূথৰ তত্ত্বৰ এটা সংশোধনী আগবঢ়ায় ছোভিয়েত বিজ্ঞানী এন্দ্ৰে লিণ্ডে (Andrei Linde)। একে সময়তে প্ৰায় একেধৰণৰ এটা তত্ত্ব আগবঢ়ায় মাৰ্কিন বিজ্ঞানী প'ল ষ্টেইনহাৰ্ড (Paul Steinhardt) আৰু এন্দ্ৰিয়াচ এলব্ৰেষ্টে (Andreas Albreast)। মহাকৰ্ষণ আৰু কোৱাণ্টাম ক্ৰিয়াৰ সমন্বয়ত সৃষ্টি হোৱা একপ্ৰকাৰৰ বিকিৰণৰ (যাক হকিঙৰ বিকিৰণ Hawking radiation বুলি কোৱা হয়) অস্তিত্ব মানি লৈ তেওঁলোকে দেখুৱালে যে ওফন্দি অহা বিশ্বৰ আৰ্হিৰ বুদবুদ একোটাৰ মাজত ঘটা পদাৰ্থৰ অৱস্থান্তৰ প্ৰক্ৰিয়াটো অতি ক্ষিপ্ৰ নহবও পাৰে। কিন্তু এইবাৰো হকিঙেই পুনৰ হিচাপ কৰি দেখুৱালে যে তেতিয়া হলে এটা বুদবুদৰ আকাৰেই বিশ্বব্ৰহ্মাণ্ডৰ আকাৰতকৈ ডাঙৰ হৈ পৰে। গতিকে এই আৰ্হিও বেছিদিন নিটিকিল। ইয়াৰ পাছত লিণ্ডে ১৯৮৩ চনত পুনৰ আগবঢ়ালে এটা নতুন তত্ত্ব যাক কোৱা হয় খেলি মেলি বিশ্বৰ আৰ্হি (chaotic inflanationary model)। এই তত্ত্বত আগৰ তত্ত্ববোৰৰ দৰে আদিম বিশ্বৰ অতিশীতল অৱস্থাৰ কথা ধৰি লোৱা হোৱা নাই। এই তত্ত্বৰ এজন পৃষ্ঠপোষক হকিঙৰ মতে আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ বাহিৰতো এখন বৃহত্তৰ বিশ্বব্ৰহ্মাণ্ড (the infinite meta universe) আছে য'ৰ বিভিন্ন অংশৰ উষ্ণতা ভিন ভিন। এই অঞ্চলবোৰৰ কোনোটোত ঘটিছে দ্ৰুত প্ৰসাৰণ আৰু কোনোটোৰ ঘটিছে দ্ৰুত সংকোচন - সকলোবোৰ যেন খেলি মেলি। ইয়াৰে আমাৰ বিশ্বব্ৰহ্মাণ্ডখন হ'ল এনে এটা অঞ্চল য'ত দ্ৰুত প্ৰসাৰণ ঘটাটো সম্ভৱ হৈছিল। আমাৰ বিশ্বৰ এই দ্ৰুত প্ৰসাৰণৰ কাৰণ হ'ল সৃষ্টিৰ সময়ত কোৱাণ্টাম প্ৰক্ৰিয়াৰ ফলত সৃষ্টি হোৱা এখন শক্তিৰ ক্ষেত্ৰ যাক কণিকা বিজ্ঞানী সকলে কয় শূন্য ঘূৰ্ণনৰ হিগচ্ ক্ষেত্ৰ (Higgs field)। আদিম বিশ্বত পদাৰ্থৰ অৱস্থান্তৰৰ ক্ষেত্ৰত এই ক্ষেত্ৰই মুখ্য ভূমিকা গ্ৰহণ কৰিছিল বুলি ধাৰণা কৰা হৈছে। এই ক্ষেত্ৰৰ আচৰণ সম্পৰ্কে কণিকা বিজ্ঞান জগতত ইতিমধ্যে বিস্তৰ অধ্যয়ন হৈছে। অৱশ্যে এইখিনিতে এটা কথা পৰিষ্কাৰকৈ কৈ থোৱা প্ৰয়োজন যে ওপৰত আমি যিখিনি কথা আলোচনা কৰিলো আদিম বিশ্ব সম্পৰ্কে বিজ্ঞানী সকলৰ সেইখিনিয়ে শেষ কথা নহয়। বৰং এইবোৰ আদিম বিশ্বৰ সম্পৰ্কত বিজ্ঞানী সকলৰ চিন্তা জগতত সৃষ্টি হোৱা কিছুমান ঢৌৰ হেন্দোলনিহে মাথোন। অথবা কব পাৰি সৃষ্টিৰ মহাকাব্যৰ পাতনি। কিন্তু এই পাতনিৰ বুকুতে আছে পূৰ্ণতাৰ প্ৰতিশ্ৰুতি। ফাউষ্টৰ ভাষাত "Am anfang war der sinn _ In the beginning was the meaning."



# আম্বেদকাৰ আৰু গান্ধী

## এটি অল্পালোচিত অধ্যায়

প্ৰসেনজিৎ চৌধুৰী



লাহোৰৰ 'জাত-পাত তোড়ক মণ্ডল' ৰ বাৰ্ষিক অধিবেশনত বক্তৃতা দিবৰ কাৰণে ১৯৩৬ চনত আম্বেদকাৰ আমন্ত্ৰিত হৈছিল। এই উদ্দেশ্য আম্বেদকাৰে লিখি উলিয়াইছিল এটি চিন্তাগধুৰ আৰু বিশ্লেষণ সমৃদ্ধ ভাষণ। অৱশ্যে শেষ পৰ্যন্ত তেওঁ এই ভাষণটি লাহোৰৰ অধিবেশনত পাঠ কৰিব নোৱাৰিলে। ভাষণটোত আম্বেদকাৰে হিন্দু ধৰ্ম আৰু শাস্ত্ৰৰ প্ৰতি তেওঁৰ মতামত মুকলিকৈ সদৰি কৰা দেখা যায়। নিৰ্দ্বিধায় আৰু নিৰ্ভীকভাবে তেওঁ লিখিছে ঃ '......if you wish to bring about a breach in the [caste] system then you have to got to apply the dynamite to the **Vedas** and the **Shastras** which deny any part to reason, to the **Vedas** and **Shastras** which deny any part to morality' (B.R Ambedkar, **Annihilation** of **Caste** Bangalore, 1987, p. 71) হিন্দু সকলে পৰম পৱিত্ৰ জ্ঞান কৰা শাস্ত্ৰৰ ওপৰত এই প্ৰকাৰ একাধিক আক্ৰমণ ভাষণটোত আছে। দৃষ্টান্তৰ সংখ্যা নবঢ়াই আমি আৰু এটি উক্তিৰ উল্লেখ কৰিব পাৰো। ভাষণটোৰ শেহৰ পিনে হিন্দু ধৰ্মৰ সংস্কাৰৰ উদ্দেশ্যে আম্বেদকাৰে কেইটামান সুচিন্তিত পৰামৰ্শ আগবঢ়াইছে। এই পৰামৰ্শবোৰৰ প্ৰথমটোতেই আম্বেদকাৰৰ আপোচহীন মনোভাব বিদ্যমান। তেওঁ কৈছে যে হিন্দু ধৰ্মৰ মাত্ৰ এখন ধৰ্মগ্ৰন্থ থকা বাঞ্ছনীয়। তদুপৰি, পৱিত্ৰ বুলি বিবেচিত শাস্ত্ৰ সমূহৰ কৰ্তৃত্ব আইনৰ সহায়ত নাকচ কৰা আৰু শাস্ত্ৰীয় প্ৰচাৰক দণ্ডনীয় ঘোষণা কৰা উচিত। (Ibid, pp. 73-74)[১]

নাণ্ঠ ভাষাৰে আম্বেদকাৰে ব্যক্ত কৰা এই প্ৰকাৰ বৈপ্লৱিক মতামত 'জাত-পাত তোড়ক মণ্ডল'ৰ অভ্যৰ্থনা সমিতিৰ মনঃপুত নহ'ল। 'মণ্ডল'ৰ কৰ্মকৰ্তাসকলৰ বিচাৰ অনুযায়ী আম্বেদকাৰৰ ভাষণটো আছিল 'unnecessarily provocative and pinching' (Ibid, p.16) তেওঁলোকে অন্ততঃ বেদক সাময়িকভাবে আক্ৰমণৰ পৰা ৰেহাই দিবলৈ আম্বেদকাৰক অনুৰোধ কৰিছিল। (Ibid, p.14) লগতে অন্যান্য কেতবোৰ সংশোধনৰ প্ৰস্তাৱো তেওঁলোকে দিছিল। হিন্দু শাস্ত্ৰৰ অক্লান্ত সমালোচক আম্বেদকাৰে কিন্তু কোনোপধ্যেই আপোচ কৰিবলৈ মান্তি নহ'ল। ফলত 'জাত-পাত তোড়ক মণ্ডল'ৰ অধিবেশন বাতিল হৈ যোৱাত আম্বেদকাৰৰ ভাষণ প্ৰদান কৰাটো আৰু হৈ নুঠিল। প্ৰসংগতঃ উল্লেখ্য যে সেই বছৰতেই এই অপঠিত ভাষণটো কিতাপ আকাৰে ওলায় আৰু এইখনেই অধুনা প্ৰসিদ্ধ কিতাপ '**Annihilation** of **Cast** '।

আম্বেদকাৰৰ কিতাপখন প্ৰকাশ পোৱাৰ পিছত গান্ধীয়ে 'হৰিজন' পত্ৰিকাৰ দুটা সংখ্যাত (July 11 &18, 1936) আম্বেদকাৰৰ মতামত সম্পৰ্কে সমালোচনাত্মক পৰ্যালোচনা আগবঢ়ায়। নকলেও হ'ব যে গান্ধীয়ে শাস্ত্ৰদ্ৰোহী আম্বেদকাৰৰ বিচাৰ পদ্ধতি তথা সিদ্ধান্ত মুঠেও পছন্দ কৰা নাছিল। 'হৰিজন'ৰ পাতত তেওঁ নিজস্ব ভংগীৰে প্ৰমাণ কৰিবলৈ প্ৰয়াস কৰিছিল আম্বেদকাৰৰ যুক্তি-তৰ্কৰ

অসাৰতা। গান্ধীৰ এই সমালোচনাৰ যুক্তি-সমৰ্থিত প্ৰত্যুত্তৰ **Annihilation** of **Caste**'ৰ দ্বিতীয় সংস্কৰণত আম্বেদকাৰে সন্নিবিষ্ট কৰিছিল। পৰিতাপৰ কথা যে আম্বেদকাৰ আৰু গান্ধীৰ বিষয়ে আলোচনা কৰোতে সাধাৰণতে এই বিষয়ে বিশদ আৰু বিশ্লেষণাত্মক আলোচনা কৰা নহয়। বৰ্তমান আলোচনাত আমি কেৱল শাস্ত্ৰীয় ঐতিহ্যক কেন্দ্ৰ কৰি দুয়োৰে মাজত দেখা দিয়া মত বিৰোধৰ বিষয়ে থোৰতে কিছু আভাস দিবলৈ যত্ন কৰিম। হিন্দু শাস্ত্ৰ তথা গান্ধী আৰু আম্বেদকাৰৰ বিষয়ে পৰ্যাপ্ত অধ্যয়ন থকা লোকে এই সম্পৰ্কে বিতংকৈ আলচ কৰাৰ থল আছে।

মূল প্ৰসংগলৈ যোৱাৰ আগতে গান্ধীৰ শাস্ত্ৰ-বিচাৰৰ পদ্ধতি সম্পৰ্কে দুআষাৰ উল্লেখ কৰা সমীচীন হ'ব। আমি জানো, হিন্দু ঐতিহ্যৰ অমানৱিক দিশ কেতবোৰক সমালোচনা কৰিলেও গান্ধীৰ ঐতিহ্য-প্ৰীতি আছিল প্ৰবল আৰু গভীৰ। তেওঁ আনকি শাস্ত্ৰৰ সহায় নোলোৱাকৈ সামাজিক সাম্য প্ৰতিষ্ঠা কৰিব বিচৰা লোকসকলক হিন্দু নহয় বুলিও কৈছিল। (Ibid, p. 84) অৰ্থাৎ সংস্কাৰক সকলৰ শাস্ত্ৰ-নিৰপেক্ষ যুক্তি তৰ্কৰ প্ৰতি গান্ধীৰ অনীহা আৰু বিতৃষ্ণা আছিল সুস্পষ্ট। স্বাভাৱিকতে আম্বেদকাৰৰ মতামতক সমালোচনা কৰোতে নানা তৰহৰ যুক্তি তৰ্কৰ অৱতাৰণা কৰি গান্ধীয়ে চেষ্টা কৰিছিল শাস্ত্ৰীয় ঐতিহ্যক যথাসম্ভৱ সুৰক্ষা দিবলৈ। অৱশ্যে অন্ধ আৰু উগ্ৰ শাস্ত্ৰ-ভক্তৰ দৰে তেওঁ শাস্ত্ৰৰ প্ৰতিটো কথা বেদবাক্য বুলি মানি লোৱা নাই: 'My belef in the Hindu scriptures does not require me to accept every word and every verse as divinely inspired. (M. K. Gandhi, **Hindu Dharma**, Ahmedabad, 1958 p. 7) তেওঁ কৈছে যে সত্য আৰু অহিংসাৰ কষটি শিলত ঘঁহি পৰীক্ষা কৰিহে তেওঁ শাস্ত্ৰৰ ব্যাখ্যা কৰে। ৰামায়ণত আমি শম্বুক নামৰ এটা চৰিত্ৰ পাওঁ। শূদ্ৰ বৰ্ণভুক্ত হোৱা সত্বেও ধৰ্মানুৰাগী শম্বুকে তপস্যা কৰিছিল পৰম নিষ্ঠাৰে। কিন্তু ই আছিল দেখদেখকৈ শাস্ত্ৰৰ প্ৰতি অবাধ্যতা, কিয়নো শাস্ত্ৰৰ নিৰ্দেশানুযায়ী ত্ৰিবৰ্ণৰ পাদপীঠত অৱস্থিত শূদ্ৰৰ একমাত্ৰ কৰ্তব্য উচ্চ বৰ্ণৰ সেৱা, তপস্যা নহয়। ৰজা ৰামচন্দ্ৰই এই অপৰাধৰ শাস্তি হিচাপে শম্বুকৰ শিৰচ্ছেদ কৰিলে। সত্য আৰু অহিংসাৰ কষটি শিলত পৰীক্ষা কৰি গান্ধীয়ে কিন্তু এই ঘটনাটোক শাস্ত্ৰৰ অঙ্গ হিচাপে স্বীকৃতি দিব বিচৰা নাই। তেওঁৰ মতে ই 'interpolation' অৰ্থাৎ প্ৰক্ষিপ্ত অংশহে।

সহজেই অনুমান কৰিব পাৰি যে গান্ধী অনুসৃত এই পদ্ধতি অনুযায়ী শাস্ত্ৰ সাহিত্যৰ যিবোৰ অংশক প্ৰকৃত শাস্ত্ৰ বুলি স্বীকৃতি দিব পাৰি তাৰ সতে গান্ধীবাদৰ মূল নীতিৰ বিৰোধ থাকিব নোৱাৰে। কিয়নো বিৰোধ থাকিলেই গান্ধীয়ে সত্য আৰু অহিংসাৰ কষটি শিলত ঘঁহি পৰীক্ষা কৰি 'অশাস্ত্ৰীয়' শাস্ত্ৰ বাক্যক নাকচ কৰাটো খাটাং। পিছে এই পদ্ধতিৰে শাস্ত্ৰীয় ঐতিহ্যৰ বস্তুনিষ্ঠ আৰু নিৰ্মোহ মূল্যায়ন জানো সম্ভৱ? এই প্ৰকাৰ 'সত্যেন্বষণ'ৰ সহায়ত জানো প্ৰকৃত সামাজিক/ঐতিহাসিক সত্যৰ কাষ চাপিব পাৰি? আম্বেদকাৰে তেওঁৰ '**Annihilation** of **Caste**' বা অন্যান্য ৰচনা তথা ভাষণত যি বস্তুনিষ্ঠ পদ্ধতি অনুসৰণ কৰিছে বা কৰিবলৈ যত্ন কৰিছে তাৰ সতে গান্ধী-নিৰ্দেশিত পদ্ধতিৰ আকাশ-পাতাল ব্যৱধান।

১৯২৭ চনৰ ২৫ ডিচেম্বৰৰ দিনা হিন্দুৰ শাস্ত্ৰীয় ঐতিহ্যৰ বিৰুদ্ধে দলিতসকলৰ মনত সঞ্চিত থকা ক্ষমাহীন ক্ষোভৰ আটাইতকৈ উল্লেখযোগ্য প্ৰকাশ ঘটিছিল। সেইদিনা মাহাড়ত বিশেষভাবে খন্দা এটা গাঁতত 'পৱিত্ৰ' মুনসংহিতাখন স্থাপন কৰি প্ৰকাশ্যে তাত অগ্নিসংযোগ কৰা হৈছিল। (D. Keer, **Dr, Ambedkar : Life and Mission**, Bombay, 1990, pp. 100-101) বৈষম্যভিত্তিক হিন্দু সমাজ ব্যৱস্থাৰ শাস্ত্ৰাশ্ৰিত আদৰ্শগত ভিত্তিক আক্ৰমণ কৰাটোৱেই আছিল এই প্ৰতীকী প্ৰতিবাদৰ প্ৰধান উদ্দেশ্য। সমজাতীয় উদ্দেশ্যৰ দ্বাৰা উদ্বুদ্ধ হৈ আম্বেদকাৰে পৰৱৰ্তী কালতো যে হিন্দু শাস্ত্ৰক সমালোচনা তথা আক্ৰমণ কৰিছিল তাৰ প্ৰমাণ আমি ইতিমধ্যে উল্লেখ কৰিছোৱেই। মাহাড়ত ভস্মীভূত কৰা মনু সংহিতাৰ বিষয়ে তেওঁ '**Annihilation** of **Caste**'ত কৈছে: There isno code of laws more infamous reganding social right than the laws of Manu.' (B.R Ambedkar, o p cit, p. 56) কোৱা বাহুল্য যে বহুতে কৈফিয়তমূলক ব্যাখ্যাৰ সহায়ত মনুসংহিতাৰ দৰে শাস্ত্ৰৰ প্ৰকৃত সামাজিক চৰিত্ৰ ৰাখিবলৈ যত্ন কৰে। কেতিয়াবা মনুৰ মাজত অবিমিশ্ৰ সদিচ্ছা আৱিষ্কাৰৰ প্ৰয়াসো চকুত পৰে। জনৈক লেখকৰ মতে ' he [manu] was a with good intention' (S.V. Ketkar, **History** of **Caste** in India, Jaipur, 1979, p.74) 'নিম্ন' বৰ্ণৰ সামাজিক মৰ্যাদা আৰু স্বাৰ্থৰ কথা মনত ৰাখি মনুসংহিতাখন পঢ়িলে শাস্ত্ৰকাৰ গৰাকীৰ 'good intention'ৰ আচল চৰিত্ৰ সুন্দৰ ভাবে ওলাই পৰে। বিচ্ছিন্নভাবে দুই এটা 'উদাৰ' শ্লোক উদ্ধৃত কৰি এই সামগ্ৰিক চৰিত্ৰ ঢাকি ৰখা সম্ভৱ নহয়। হিন্দু সমাজৰ ওপৰত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰি মানুহৰ সামাজিক বিবেকক প্ৰায় শৃংখলিত কৰা এই বহুজন শ্ৰদ্ধেয় শাস্ত্ৰখনৰ প্ৰতি স্বাভাৱিকতে আম্বেদকাৰৰ বিৰাগ বিতৃষ্ণা আছিল তীব্ৰ আৰু তুলনাতীত।

আমি ইতিমধ্যে পৰোক্ষভাৱে উনুকিয়াই আহিছো যে যি পদ্ধতিৰে গান্ধীয়ে শাস্ত্ৰসমূহৰ বিচাৰ কৰিছিল সি বস্তুনিষ্ঠ আৰু নিৰ্মোহ নহলেও অন্ধ আনুগত্যৰ পৰা আছিল পৰ্য্যাপ্ত পৰিমাণে মুক্ত। মনু সংহিতাৰ বিচাৰ কৰোতে গান্ধীয়ে তেওঁৰ বিচাৰ পদ্ধতিৰ এই বৈশিষ্ট্য অটুট ৰখা দেখা যায়। অৱশ্যে মন কৰিবলগীয়া কথা যে মনু সংহিতাৰ আপত্তিজনক অংশবোৰক তেওঁ প্ৰকৃত শাস্ত্ৰ বোলা নাই আৰু সেইবোৰৰ পৰৱৰ্তী কালৰ সংযোজন হ'ব পাৰে বুলি পাকে প্ৰকাৰে ইংগিত দিছে। গান্ধীৰ কথাখিনি উদ্ধৃত কৰা যাওঁক:

Q. Do you approve the doctrise [of **Varna Dharma**] as given in the Manu Smriti?

A..... There are parts of the book [ie, **Manu Smriti**] which are open to grave objection, I hope that they are later interpolation.

Q. Does not the Mani smriti contain a lot of injustice ?

A. Yes, a lot of injustice to women and the so-called lower 'castes'. All is not **Shastra** that goes by that name (M K Gandhi, **op. cit**, p. 329)

তাৰমানে, গান্ধীৰ মতে শাস্ত্ৰৰ সকলো অংশ প্ৰামাণিক বা নিৰ্ভৰযোগ্য নহয়। শাস্ত্ৰৰ সাৰমৰ্ম উদ্‌ঘাটন কৰোতে গান্ধীৰ মনত সদায়ে এটা পূৰ্ব ধাৰণা বিদ্যমান: সেই ধাৰণাটো হ'ল, অন্যায় অবিচাৰ প্ৰকৃত শাস্ত্ৰৰ অকৃত্ৰিম অংগ হ'ব নোৱাৰে। এই দৃষ্টিভংগীৰে তেওঁ '**Annihilation** of **Caste**'ৰ শাস্ত্ৰ-সমালোচনাক 'হৰিজন' পত্ৰিকাৰ পাতত সমালোচনা কৰা দেখা যায়। : '.....Everything printed or even found hand written is not scripture. The **Smritis** for instance contain much that can never be accepted as the word of God, Thus many of the texts that Dr. Ambedkar quotes from the **Smriti** cannot be accepted as authentic.' (B.R Ambedkar **op. cit**, p. 81) এই সমালোচনাৰ প্ৰত্যুত্তৰত আম্বেদকাৰে কৈছিল যে গান্ধীয়ে তেওঁৰ উদ্ধৃত শাস্ত্ৰবাক্যৰ নিৰ্ভৰযোগ্যতা সম্পৰ্কে সংশয় প্ৰকাশ কৰিছে যদিও তেওঁ "**Annihilation** of **Caste**'ত ব্যৱহাৰ কৰা শ্লোকসমূহ সংস্কৃতজ্ঞ পণ্ডিত আৰু শাস্ত্ৰবিদ বাল গঙ্গাধৰ তিলকৰ পৰা লোৱা। (**Ibid**, p. 87) কোৱা বাহুল্য যে নিৰ্ভেজাল নিৰ্ভৰযোগ্যতাৰ কথা লিখোতে গান্ধীয়ে দৰাচলতে সংস্কৃত ভাষা বা শাস্ত্ৰ বিষয়ক জ্ঞানৰ কথা বুজোৱা নাই। তেওঁৰ মতে যিবোৰ বাণী ঐশ্বৰিক প্ৰেৰণাপ্ৰসূত অৰ্থাৎ যাৰ সতে সত্য আৰু অহিংসাৰ কোনো বিৰোধ নাই– তেনেবাণী বুলি যিবোৰ কথাত পতিয়ন যাব পাৰি সেইবোৰহে প্ৰকৃত শাস্ত্ৰ। শাস্ত্ৰৰ এই সংজ্ঞাৰ পটভূমিত আম্বেদকাৰ উদ্ধৃত শাস্ত্ৰীয় বচনবোৰ 'authentic' নহয় এইবাবেই যে সিবোৰে শাস্ত্ৰীয় ঐতিহ্যৰ এনে এটা অংশক প্ৰতিনিধিত্ব কৰিছে 'that can never be accepted as the word of God'। গান্ধীয়ে খুব সম্ভৱ শাস্ত্ৰীয় ঐতিহ্যৰ নিষ্ঠুৰ আৰু নিন্দনীয় দিশটোক অবাঞ্ছিত প্ৰক্ষিপ্ত অংশ বুলি ক'ব বিচাৰিছিল।

গান্ধীৰ সমালোচনাৰ মাজত নিহিত থকা এই ইংগিতটো সূক্ষ্মদৰ্শী আম্বেদকাৰৰ দৃষ্টি এৰাই নগ'ল। এই সন্দৰ্ভত '**Annihilation** of **Caste**;ৰ দ্বিতীয় সংস্কৰণৰ পৰিশিষ্টত তেওঁ নিজৰ মতামত মুক্ত আৰু যুক্তিযুক্তভাৱে ব্যক্ত কৰিলে। আম্বেদকাৰে জানিছিল যে পশ্চাদপদ হিন্দু সমাজত মূল শাস্ত্ৰৰ কথা সাধাৰণ মানুহে নাজানে আৰু সেইবাবে তেওঁলোকক যিহকে শাস্ত্ৰৰ শিক্ষা বুলি বুজোৱা হয় তাকেই তেওঁলোকে পৰম নিষ্ঠাৰে মানি চলে। গতিকে আম্বেদকাৰৰ মতে, শাস্ত্ৰৰ নিৰ্ভেজাল নিৰ্ভৰযোগ্যতা বা ভিন্ন ব্যাখ্যা লৈ তৰ্ক-বিতৰ্কৰ কোনো অৰ্থ নাই, কাৰণ 'the masses do not make any distinction between text which are genuine and texts which are interpolation. (**Ibid**, p. 87)

হিন্দুৰ শাস্ত্ৰীয় ঐতিহ্যৰ ওপৰত আম্বেদকাৰৰ আক্ৰমণক গান্ধীয়ে অন্য এক দৃষ্টিকোণৰ পৰাও প্ৰতিহত কৰিব বিচাৰিছিল। 'হৰিজন'ত প্ৰকাশিত সমালোচনাত গান্ধীয়ে কোনো লুকঢাক নোহোৱাকৈ কৈছে যে সংশোধিত শুদ্ধ শাস্ত্ৰৰ সন্ধান পোৱা গ'লেও সেইবোৰৰ ব্যাখ্যাৰ নিমিত্তে বিদ্বান লোকৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি। বিদ্যাৰ প্ৰয়োজন অৱশ্যে নোহোৱা নহয়। কিন্তু গান্ধীৰ মতে বিদ্যাৰ দ্বাৰা ধৰ্ম- বৰ্তি নাথাকে। ধৰ্ম জীয়াই থাকে সাধু-সন্তৰ অভিজ্ঞতা আৰু বাণীতহে। (**Ibid** p. 81) তাৰমানে শাস্ত্ৰৰ বিদ্বান ব্যাখ্যাকাৰৰ বক্তব্যতকৈ উদাৰ হিন্দু সাধু-সন্তৰ স্বকীয় ব্যাখ্যা অধিক নিৰ্ভৰশীল, ফলপ্ৰসু আৰু কল্যাণকৰ। (সম্ভৱতঃ শাস্ত্ৰৰ বুদ্ধি প্ৰধান ব্যাখ্যাৰ প্ৰয়োজন নাকচ কৰোতে গান্ধীয়ে আম্বেদকাৰৰ ব্যাখ্যা বক্তব্যকে অপ্ৰয়োজনীয় বুলি পাকে-প্ৰকাৰে ক'ব বিচাৰিছিল।)

প্ৰত্যুত্তৰত গান্ধীৰ এই যুক্তিও আম্বেদকাৰে খণ্ডন কৰিছে বিবল বলিষ্ঠ যুক্তিৰে। তেওঁ কৈছে যে সাধু-সন্ত সকলে প্ৰকৃততে জাত ব্যৱস্থাক আক্ৰমণ কৰা নাছিল। মানুহৰ সতে মানুহৰ যি সামাজিক সম্পৰ্ক সেই বিষয়ে দৰাচলতে সাধু-সন্তসকলে বৰকৈ চিন্তা কৰা নাছিল, চিন্তা কৰিছিল মানুহৰ সতে ঈশ্বৰৰ সম্পৰ্কৰ বিষয়েহে: 'They did not preach that all men were equal. They preached that all men were equal in the eyes of God...'(Ibid, p. 88) [৩] উল্লেখযোগ্য যে ভক্তি আন্দোলনৰ মধ্যযুগীয়া ধৰ্ম প্ৰচাৰক সকলৰ বিৰুদ্ধে ভাণ্ডাৰকাৰৰ দৰে পণ্ডিতেও এই প্ৰকাৰ অভিযোগ উত্থাপন কৰা দেখা যায়। (দ্ৰঃ H.A. Phadke, **R.G Bhandarkar**, New Delhi,1968 , p. 62)

আম্বেদকাৰৰ মতে সাধু-সন্তসকলৰ শিক্ষাই মানুহক প্ৰভাৱিত কৰিব নোৱৰাৰ আন এটা কাৰণ তেওঁলোকৰ 'মহাপুৰুষত্ব'ৰ মাজতেই নিহিত আছে। জনসাধাৰণক এই কথা বুজোৱা হয় যে সাধু প্ৰকৃতিৰ মহাপুৰুষে জাত-ধৰ্মৰ বিৰুদ্ধাচাৰণ কৰিলেও সাধাৰণ মানুহৰ ক্ষেত্ৰত তেনে অগতানুগতিক আচৰণ নিন্দনীয় আৰু নীতি-বহিৰ্ভূত। (B. R Ambedkar, **op. cit**, p. 81) এই মনোভাবৰ ফলত সাধু-সন্তসকল কেৱল শ্ৰদ্ধেয় ব্যক্তি হিচাপেই জন-স্মৃতিত জীয়াই থাকিল, অনুকৰণীয় আদৰ্শ ৰূপে প্ৰতিষ্ঠা নাপালে। আম্বেদকাৰৰ যুক্তিৰ বস্তুনিষ্ঠতা আৰু বলিষ্ঠতাৰ স্বৰূপ বুজিবলৈ আমি প্ৰসঙ্গত তেওঁৰ প্ৰত্যুত্তৰৰ পৰা দুআষাৰ উদ্ধৃত কৰিব পাৰো: 'That the masses have remained staunch believes in Caste and Untouchablity shows that the pious lives and noble sermon of the saints have had no affect on their life and conduct as against the teaching of the **Shastras**. (**Ibid**, p. 88) ইয়াতকৈ বঢ়িয়াকৈ জানো গান্ধীৰ যুক্তিৰ অসাৰতা প্ৰমাণ কৰিব পাৰি?

গান্ধীৰ যুক্তি বাস্তৱ-বিযুক্ত, আম্বেদকাৰৰ যুক্তিয়ে কিন্তু পুষ্টি আহৰণ কৰিছিল বৈষম্যভিত্তিক হিন্দু সমাজৰ ৰূঢ় বাস্তৱৰ পৰা। অভিজ্ঞতা আৰু অধ্যয়নৰ সহায়ত আম্বেদকাৰে বুজিছিল শাস্ত্ৰ-শাসিত হিন্দু সমাজৰ বাস্তৱ চৰিত্ৰ। সেইবাবে তেওঁ সামাজিক অসাম্যৰ অৱলুপ্তিৰ আলোচনা প্ৰসঙ্গত হিন্দু ঐতিহ্যৰ আপেক্ষিকভাবে উদাৰ দিশটোৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাছিল। অনৰ্থক যুক্তি তৰ্কৰ অৱতাৰণা কৰি মানুহক শাস্ত্ৰৰ বেলেগ ব্যাখ্যা বুজোৱাৰ প্ৰচেষ্টাকো তেওঁ অৰ্থহীন বুলি ভাবিছিল। অন্যহাতেদি, শাস্ত্ৰ ঐশ্বৰিক অনুপ্ৰেৰণাৰ ফচল– এই প্ৰকাৰ পূৰ্ব ধাৰণাৰ বশৱৰ্তী হৈ তেওঁ শাস্ত্ৰৰ মূল্য তথা মৰ্ম বিচাৰ কৰা নাছিল। সমাজত প্ৰাধান্য বিস্তাৰ কৰা যি শাস্ত্ৰীয় ঐতিহ্যই হিন্দুৰ সমাজ-চিন্তাক কম বেছি পৰিমাণে পঙ্গু তথা বিকৃত কৰি পেলাইছে তাৰ বিৰুদ্ধে দৰাচলতে আম্বেদকাৰে ঘোষণা কৰিছিল জঙ্গী জেহাদ। চিধা আৰু চমু কথাত, গান্ধীয়ে বিচাৰিছিল শাস্ত্ৰীয় ঐতিহ্যৰ সংৰক্ষণমূলক সংশোধন, আম্বেদকাৰে বিচাৰিছিল বৈষম্যমূলক ব্যৱস্থাৰ শাস্ত্ৰীয় ভিত্তিৰ মূলোৎপাটন।

## পাদটীকা:

১ আম্বেদকাৰৰ '**Annihilation** of **Caste**' নামৰ কিতাপখন অসমীয়ালৈ অনুবাদ কৰিছে কুঞ্জ মেধিয়ে। (**জাতিৰ বিলুপ্তি**, গুৱাহাটী, ১৯৯১) অসমীয়া পঢ়ুৱৈক আম্বেদকাৰৰ ভাবধাৰৰ পৰিচয় দিবলৈ কৰা এই চেষ্টা নিঃসন্দেহে প্ৰশংসনীয়। পিছে অনুবাদ কৰোতে কিছু ক্ষেত্ৰত আৰু সতৰ্কতাৰ প্ৰয়োজন আছিল বুলি মনে ধৰে। যেনে, আমি উল্লেখ কৰা পৰামৰ্শটোত আম্বেদকাৰে 'One and only one standard book of Hindu Religion' ৰ কথা কৈছে। অসমীয়া অনুবাদত কিন্তু ধৰ্ম গ্ৰন্থৰ কথা নাই, 'এটা আৰু একমাত্ৰ ধৰ্ম'ৰ কথাহে আছে। (উক্ত গ্ৰন্থ, পৃঃ ৮৫)

২ ৰামায়ণৰ এই আখ্যানটোক গান্ধীয়ে নিশ্চয় ইচ্ছাপূৰণমূলক অনুমানৰ ভিত্তিত প্ৰক্ষিপ্ত অংশ বুলি কৈছিল। উল্লেখযোগ্য যে এগৰাকী বস্তুনিষ্ঠ পণ্ডিতেও মনু সংহিতাৰ মনোভাৱ প্ৰতিফলিত কৰা এই আখ্যানটো সম্ভৱতঃ মৌৰ্য্য-উত্তৰ যুগৰ সংযোজন বুলিছে। (দ্ৰ R. S. Sarmah, **Sudras in Ancient India**, Delhi, 1958, p. 269) পিছে পৰৱৰ্তী কালৰ সংযোজন বুলিয়েই কোনো আখ্যান বা অনুশাসন শাস্ত্ৰৰ চাৰি সীমাৰ বাহিৰত ঠাই দিয়াৰ কি যুক্তি থাকিব পাৰে? যি গীতাৰ ওপৰত গান্ধীৰ সশ্ৰদ্ধ নিৰ্ভৰশীলতা সৰ্বজনবিদিত সেই গ্ৰন্থখনো দেখোন মহাভাৰতৰ প্ৰক্ষিপ্ত অংশ বুলি জনা যায়। (দ্ৰ D. D. Kosambi, **The Culture and Civilization of Ancient India in Historical Outline**, Delhi, 1972, p. 206)।

৩ উল্লেখযোগ্য যে ১৯৫৪ চনত দিয়া এটা ভাষণত বুদ্ধ আৰু ফুলেৰ লগতে ভক্তি আন্দোলনৰ অবিস্মৰণীয় নায়ক কবীৰকো আম্বেদকাৰে গুৰু হিচাপে স্বীকৃতি দিয়া দেখা যায়। 'In my opinion Kabir could understand the real significance of [the] philosophy of Buddha' (**Dalit Voice**, June 16-31, 1990) গান্ধীৰ যুক্তি খণ্ডন কৰিবলৈ আম্বেদকাৰে সাধু-সন্ত-সকলৰ বিষয়ে ব্যক্ত কৰা মতামতৰ সতে এই উক্তিৰ কিছু বিৰোধ থকা যেন লাগে। হয়তো এচাম সাধু সন্তৰ দাৰ্শনিক উপলব্ধি আৰু সফল তথা সুচিন্তিত প্ৰচাৰৰ মাজত আম্বেদকাৰে পাৰ্থক্য বিচাৰি পাইছিল। অথবা দেশীয় ঐতিহ্যৰ আপেক্ষিকভাবে উদাৰ আৰু উপকাৰী দিশটোক সপ্ৰশংস স্বীকৃতি দিবলৈ আম্বেদকাৰে কুণ্ঠাবোধ কৰা নাছিল– অৱশ্যে বিপক্ষক আত্মপক্ষ সমৰ্থনৰ সুযোগ নিদিয়াকৈ। প্ৰসঙ্গত: উল্লেখ্য যে উপনিষদৰ প্ৰতিও আম্বেদকাৰৰ মনোভাৱ আক্ৰমণাত্মক যেন নালাগে। (B. R. Ambedkar, **op. cit**, p. 75) ❑

## আমেৰিকান সাহিত্যৰ পিতৃপুৰুষ

# ৰালফ্ ওৱাল্ডু ইমাৰছন

কাব্যশ্ৰী মহন্ত

আমেৰিকান জাতীয় সাহিত্যৰ পূৰ্ণগতিত বিকাশ আৰম্ভ হয় উনবিংশ শতিকাৰ তৃতীয় দশকৰ পৰা। সাহিত্যৰ স্বকীয় জাতীয় সত্তাক বিকশিত কৰি তোলাৰ বাবে এই সময়ৰ যুক্তৰাষ্ট্ৰত বিশেষকৈ নিউ ইংলেণ্ড অঞ্চলত গঢ়ি উঠা এই বিকাশক 'আমেৰিকান ৰেনেচাঁ' বুলিও কোনো কোনো সমালোচকে অভিহিত কৰিব খোজে। আমেৰিকান সাহিত্যৰ পিতৃপুৰুষ, কবি, দাৰ্শনিক ৰালফ্ ওৱাল্ডু ইমাৰছনকে ধৰি সেইসময়ৰ প্ৰায়বোৰ বিশিষ্ট কবি সাহিত্যিকে নিউ ইংলেণ্ড অঞ্চলতে জন্মগ্ৰহণ কৰিছিল। সেয়ে হলেও নিউ ইংলেণ্ড অঞ্চলত আৰম্ভ হোৱা এই সাহিত্যিক আন্দোলনে সমগ্ৰ আমেৰিকাকে আলোড়িত কৰিছিল। উনবিংশ শতিকাৰ প্ৰথমভাগৰ এই সময়ছোৱা এতিয়ালৈকে আমেৰিকান সাহিত্যৰ বুৰঞ্জীত আটাইতকৈ উল্লেখযোগ্য সময় বুলি চিহ্নিত হৈ আছে। অকল সৃষ্টিশীল সাহিত্যৰ ৰচনাৰ ক্ষেত্ৰতে নহয়, দৰ্শন, সমাজ আৰু মানৱ জীৱনৰ বিভিন্ন ক্ষেত্ৰত এইসময়ৰ আমেৰিকান দাৰ্শনিকসকলে নতুন নতুন ধাৰণাৰ প্ৰসাৰ ঘটাইছিল। ধৰ্মৰ ক্ষেত্ৰত এই সময়ৰ চিন্তাবিদসকল পূৰ্বৰ কেলভিনিষ্ট মতবাদৰ পৰা কিছুদূৰ আঁতৰি আহিছিল। ৰক্ষণশীল, নীতিনিষ্ঠ ধ্যান-ধাৰণাৰ ঠাইত স্বাধীন ভাবধাৰা আৰু এক মুক্ত বাতাবৰণ নিউ ইংলেণ্ডক কেন্দ্ৰ কৰি সমগ্ৰ আমেৰিকাতে প্ৰসাৰ লাভ কৰিছিল। এইসময়ৰ অন্য এটা উল্লেখযোগ্য ঘটনা আছিল গণতান্ত্ৰিক ভাবধাৰাৰ প্ৰসাৰ। আমেৰিকাৰ মধ্যবিত্ত শ্ৰেণীৰ মাজত এই সময়ছোৱাত গণতন্ত্ৰৰ প্ৰতি এক হাবিয়াসে দেখা দিছিল। এই হাবিয়াসৰ দুটা উল্লেখযোগ্য কাৰণ আছিল ইংলেণ্ডৰ ৰোমাণ্টিক আন্দোলন আৰু ফৰাচী বিপ্লৱ। ইমাৰছনৰ "The American Scholar নামৰ ৰচনাত "auspicious signs of exploring and poetizing of the near, the low, the common" বুলি কওঁতে লেখকে ঘাইকৈ ইংৰাজ ৰমন্যাসিক কবিসকলৰ কথাকে বুজাইছিল। ইমাৰছনতকৈ এখোপ পিছৰ, ওৱাল্ট হুইটমেনৰ ৰচনাত গণতন্ত্ৰৰ এক দৃঢ়তৰ পৃষ্ঠপোষকতা লক্ষ্য কৰা যায়। আনহাতে শিল্প বিপ্লৱৰ ফলস্বৰূপেও নিউ ইংলেণ্ডলৈ এইখিনি সময়ত ভালেমান উল্লেখযোগ্য পৰিৱৰ্তন আহিছিল। ১৮৪০ চনলৈ আমেৰিকাত প্ৰায় বাৰশ কপাহী কাপোৰৰ উদ্যোগ স্থাপন হৈছিল আৰু ইয়াৰ দুই তৃতীয়াংশই আছিল নিউ ইংলেণ্ড অঞ্চলত। ঔদ্যোগিক ক্ষেত্ৰত এই উন্নতি একেদিনাই সাধিত হোৱা নাছিল। প্ৰায় ১৮২০ চন মানৰ পৰাই আমেৰিকাৰ দক্ষিণাঞ্চলৰ পৰা এই উদ্যোগ সমূহলৈ জনশক্তিৰ প্ৰৱজন এটা গতানুগতিক ঘটনা হৈ পৰিছিল। আৰু এক বিশেষধৰণৰ সামাজিক পটভূমি প্ৰস্তুত কৰি দিয়াত এই ঘটনাই যথেষ্ট পৰিমাণে ইন্ধন যোগাইছিল। কেৱল উদ্যোগ ক্ষেত্ৰতেই নহয়, শিল্প বিপ্লৱে আমেৰিকান ব্যক্তিমানসতো যথেষ্ট প্ৰভাৱ পেলাইছিল। ইমাৰছন, হথৰ্ন আৰু পিছলৈ থৰোৰ ৰচনাতো এই যন্ত্ৰনিৰ্ভৰতাৰ প্ৰতি বিষোদ্গাৰ প্ৰকাশ পাইছিল। সন্ধিক্ষণৰ সময়ত জন্মগ্ৰহণ কৰা বাবেই ইমাৰছনৰ ৰচনাত বিপৰীতধৰ্মী ভাবৰ সংমিশ্ৰণ ঘটিছিল। ব্যক্তিবাদৰ পোষকতা কৰিলেও তেওঁ নীতি আৰু গতানুগতিকতাৰ প্ৰতি অনুৰক্ত আছিল।

ইমাৰছনৰ জন্ম হৈছিল ১৮০৩ চনৰ মে মাহৰ ২৫ তাৰিখে। নিচেই চালুকীয়া অৱস্থাতে পিতৃহীন হোৱাত শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত তেওঁ যথেষ্ট আঁলৈ আহুকালত পৰিব লগা হৈছিল। কিন্তু পেহীয়েক মেৰী মুডি ইমাৰছনৰ তত্ত্বাৱধানত ইমাৰছনে সুখ্যাতিৰে স্কুলীয়া শিক্ষা শেষ কৰি চৈধ্য বছৰ বয়সত হাৰ্ভৰ্ডি বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে, আৰু বষ্টনৰ এখন স্কুলত শিক্ষকতা কৰিবলৈ লয়। হাৰ্ভৰ্ডত থকা সময়ৰ পৰাই ইমাৰছনে বিভিন্ন পত্ৰিকাত লিখিবলৈ অভ্যাস কৰিছিল। ১৮২৫ চনত তেওঁ শিক্ষকতা ত্যাগ কৰি কেমব্ৰিজৰ ডিভিনিটি স্কুলত (Divinity School)ত ভৰ্তি হয়। কিন্তু স্বাস্থ্যজনিত কাৰণত তেওঁ অতি সোনকালেই তাৰ পৰা ওলাই আহিব লগাত পৰে। তাৰ পিছৰ কেইবছৰমান সময়ৰ ভিতৰত তেওঁ কেইবাবাৰো সাময়িকভাৱে ধৰ্ম প্ৰচাৰৰ কাম হাতত লয়। ১৮২৯ চনত তেওঁ বষ্টন চাৰ্চত ইউনিটেৰিয়ান মিনিষ্টাৰৰ * এটা পদৱী লয়। সেই বছৰেই তেওঁ এলেন টাকাৰৰ লগত বিবাহপাশত আৱদ্ধ হয় যদিও দুবছৰ পূৰ নৌহওঁতেই এলেন মৃত্যমুখত পৰে।

ইউনিটেৰিয়ানিজমক দৰ্শন হিচাপে ইমাৰছনে গ্ৰহণ কৰিব পাৰিলেও সংস্কাৰ ৰক্ষাৰ বাবে কৰিবলগা হোৱা কিছুমান আচাৰ অনুষ্ঠানক তেওঁ অন্তৰেৰে আদৰণি জনাব পৰা নাছিল। ফলস্বৰূপে ধৰ্মীয় পদৱীধাৰী লোক হিচাপে কাৰ্যক্ষেত্ৰত সফলতা লাভ কৰিব পাৰিলেও নিজৰ মনৰ ভিতৰৰ সন্দেহ আৰু দোমোজাৰ ভাবৰ পৰা তেওঁ মুক্ত হ'ব নোৱাৰিলে। অৱশেষত ১৮৩২ চনত এটা সৰু ধৰ্মীয় অনুষ্ঠানক কেন্দ্ৰ কৰি হোৱা এটা ঘটনাৰ পিছত ইমাৰছনে সেই পদ ইস্তফা দিয়ে। এইদৰে ২৯ বছৰ বয়সত ইমাৰছন জীৱিকাৰ ক্ষেত্ৰত একপ্ৰকাৰ ব্যৰ্থ হয়। কিন্তু মনৰ ভিতৰত এক অদমনীয় ইচ্ছাশক্তি থকা বাবেই হয়তো ভৱিষ্যতৰ এই মহান সাহিত্যিক গৰাকী পৰিস্থিতিৰ ওচৰত নতজানু নহ'ল। ১৮৩৩ চনতে ইমাৰছনে ইউৰোপলৈ বুলি যাত্ৰা কৰিলে। এই যাত্ৰাতে তেওঁ ইটালীত লেণ্ডৰক, ইংলেণ্ডত ওৱৰ্ডচওৱৰ্থ আৰু ক'লৰিজক আৰু স্কটলেণ্ডত কালহিলক লগ পায়। কালহিলৰ লগত আৰম্ভ হোৱা ইমাৰছনৰ এই বন্ধুত্ব জীৱনজুৰি অক্ষয় আছিল। ১৮৫৬ চনত প্ৰকাশ পোৱা English Traits নামৰ গ্ৰন্থত কালহিলক লগ পোৱাৰ কথা বৰ্ণনা কৰি ইমাৰছনে লিখিছে "amid desolate heathery hills, where the lonely scholar nourished his mighty heart" অকল কালহিলৰ লগত হোৱা বন্ধুত্বই নহয়, এই ইউৰোপ ভ্ৰমণে সামগ্ৰিকভাৱে ইমাৰছনৰ চিন্তাজগতলৈ ভালেখিনি অৰিহণা আগবঢ়াইছিল। নিজদেশলৈ ঘূৰি আহি ইমাৰছন জনাজাত হৈছিল ঘাইকৈ এজন প্ৰবক্তা ৰূপে। তেওঁৰ স্বকীয় চিন্তা, যাৰ ফলত তেওঁ ইউনিটেৰিয়ান চাৰ্চৰ পৰা ওলাই আহিব লগাত পৰিছিল, তাৰ এই সময়ছোৱাতে সৰ্বাধিক স্ফুৰণ ঘটে। ১৮৩৫ চনৰ পৰা ইমাৰছনে মেচাচুচেটছ প্ৰদেশৰ কনকৰ্ড নামৰ অঞ্চলত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। ইতিমধ্যে লিডিয়া জেকছনৰ লগত তেওঁৰ দ্বিতীয় বিবাহ সম্পন্ন হৈ যায়। লাহে লাহে তেওঁ মাৰ্গাৰেট ফুলাৰ, হেনৰী ডেভিদ থৰো, নাথানিয়েল হথৰ্ন, এ ব্ৰনছন এলকট, জনছ ডেৰি ইত্যাদিৰ সান্নিধ্যলৈ আহে। আৰু এই আটাইকেইজন ব্যক্তিৰ স্বাধীন চিন্তাৰ দ্বিধাহীন প্ৰকাশে সেইসময়ৰ আমেৰিকাৰ জাতীয় জীৱনত এটা অতি প্ৰভাৱশালী গতিধাৰাৰ জন্ম দিয়ে। এই গতিধাৰাই হ'ল আমেৰিকান ট্ৰেনচেনডেণ্টেলিজম। এই ট্ৰেনচেনডেণ্টেলিষ্ট আন্দোলনৰ ইমাৰছনেই আছিল প্ৰধান গুৰি ধৰোতা। প্ৰত্যেক ব্যক্তিৰ মাজতেই ইন্দ্ৰিয়শক্তিৰ সৰ্বোৎকৃষ্ট ব্যৱহাৰৰ দ্বাৰা কোনো এটা নৈতিক বক্তব্য বা দাৰ্শনিক সত্যক পুংখানুপুংখভাৱে জনাৰ ক্ষমতা থাকে। ইমাৰছন আৰু তেওঁৰ অনুগামীসকলৰ চিন্তাত মানুহৰ সেই এক মূলগত শক্তিক মানি লোৱা হৈছিল। অকল মানি লোৱাই নহয়, তেওঁলোকৰ ৰচনাৰ মাজেদি তেওঁলোকে সেই শক্তিৰ উৎকৰ্ষ সাধন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। সমালোচকসকলৰ মতে ট্ৰেনচেনডেণ্টেলিজন হৈছে "The recognition in man the capacity of knowing truth intuitively or of attaining knowledge, transcending the reach of the senses." এক মহৎ অৰ্থত ব্যক্তিবাদী আন্দোলন হলেও এই কথা সঁচা যে এই আন্দোলন কেৱল সেই সময়ৰ আমেৰিকাৰ পটভূমিত গঢ়ি উঠা নাছিল। প্লেট'ৰ দৰ্শন, প্ৰাচ্যৰ চিন্তাবিদসকলৰ চিন্তা আৰু দৰ্শন, জাৰ্মানি দাৰ্শনিক ইমানুৱেল কাণ্টৰ দৰ্শনৰ যথেষ্ট প্ৰভাৱ ট্ৰেনচেনডেণ্টেলিষ্ট আন্দোলনৰ ওপৰত পৰিছিল। আগতে উল্লেখ কৰি অহা আমেৰিকান ইউনিটেৰিয়ানিজমৰ লগত জাৰ্মানি আদৰ্শবাদৰ এক মন কৰিবলগীয়া সংযোগ এই ট্ৰেনচেনডেণ্টেলিষ্ট দৰ্শনৰ মাজত পৰিলক্ষিত হয়। ইউনিটেৰিয়ানিজমৰ প্ৰবক্তা চেনিঙৰ মতে ব্যক্তিৰ স্বতন্ত্ৰ মন আৰু আত্মিক শক্তিৰ ওপৰত ৰখা ভৰসাই একান্ত আৰু অন্তিম। সেইদৰে ধৰ্মৰ ক্ষেত্ৰত মানুহৰ বিশ্বাসৰ গভীৰতা নিৰূপণ কৰে মানুহৰ যৌক্তিক আৰু নৈতিক সত্তাই। ব্যক্তিৰ স্বতন্ত্ৰ ধ্যান-ধাৰণাক ধৰ্মীয় সত্য হিচাপে প্ৰতিপন্ন কৰিবলৈ ব্যক্তি সম্পূৰ্ণৰূপে অধিকাৰৱদ্ধ। ইউনিটেৰিয়ানিজমৰ এই সত্যসমূহে যে ট্ৰেনচেনডেণ্টেলিজমৰ পথ প্ৰশস্ত কৰিছিল, এই কথা সত্য। কিন্তু এই দুয়োটা ধাৰাৰ কিছুমান বৈসাদৃশ্যও মন কৰিবলগীয়া। চেনিঙে গুৰুত্ব আৰোপ কৰিছিল যৌক্তিক প্ৰমূল্যসমূহৰ ওপৰত (our rational faculties)। আনহাতে ইমাৰছনে উপলব্ধি (understanding)কেই যৌক্তিক বুলি মানি তাৰ লগত অতি যৌক্তিক (super rational) বা ধী শক্তিক (intuitive faculty) পৃথক ৰূপে দেখুৱাইছিল। ধৰ্মীয় ক্ষেত্ৰত তেওঁ উপলব্ধিতকৈ ধী শক্তিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। ইউনিটেৰিয়ানসকলৰ লগত ইমাৰছনৰ চিন্তাধাৰাৰ আন এটা পাৰ্থক্য হ'ল যে ইমাৰছনে ব্যক্তিৰ স্বতন্ত্ৰ বোধ-শক্তি আৰু ধ্যান-ধাৰণাৰ ওপৰত অতীব আস্থা স্থাপন কৰিছিল। আনকি কোনো কোনো ক্ষেত্ৰত তেওঁ বাইবেলৰ একান্ততাক অস্বীকাৰ কৰিবলৈকো কুণ্ঠাবোধ নকৰিছিল। ব্যক্তিৰ আপোন মনৰ যুক্তি বুদ্ধিৰ পৰা উদ্ভূত চিন্তাজগতৰ ওপৰত বহিৰ্জগতৰ পৰা আৰোপ কৰা সকলো প্ৰভাৱকেই তেওঁ অস্বীকাৰ কৰিছিল। প্ৰবক্তা হিচাপে শ্ৰোতাৰ প্ৰতি তেওঁৰ বক্তব্য আছিল এনেধৰণৰ– "Select and collect all the words and sentences that in your reading have been to you like the blast of a trumpet, out of Shakespeare, Seneca, Moses, John and Paul........ Nothing is at last sacred, but the integrity of your own mind." এক কথাত ক'বলৈ গলে ট্ৰেনচেনডেণ্টেলিজমে মানৱ মনৰ স্বয়ংসম্পূৰ্ণতা আৰু সৃষ্টিশীল ক্ষমতাসমূহক স্বীকাৰ কৰি লয়। মানুহৰ বুদ্ধি আৰু ক্ষমতাৰ মাজতেই সৃষ্টিকাৰে থিতাপি লয়। এই ধাৰাৰ সকলো লেখক সাহিত্যিকতকৈ ইমাৰছনৰ ৰচনাৰ মাজতেই এই বিমূৰ্ত ধাৰণা আটাইতকৈ সুন্দৰভাৱে বোধগম্য হয়। ১৯৩৬ চনত তেওঁৰ 'Nature' নামৰ গ্ৰন্থখন প্ৰকাশ হৈ ওলায়। সৰ্বসাধাৰণৰ মাজত প্ৰচুৰভাৱে আদৃত নহলেও সমালোচক বা চিন্তাবিদসকলৰ মাজত এই গ্ৰন্থখনে যথেষ্ট উত্তেজনাৰ সৃষ্টি কৰে। হেনৰি চিডেল কেনবি নামৰ সমালোচকে এইখন গ্ৰন্থক "The most seminal of all the American books" বুলি মন্তব্য কৰিছে। ব্যক্তিচেতনা সম্পৰ্কে ইমাৰছনে নতুনকৈ উপলব্ধি কৰা সত্যসমূহ এই গ্ৰন্থত সন্নিৱিষ্ট। ইয়াৰ পিছতেই যথাক্ৰমে ১৮৩৭ আৰু ১৮৩৮ চনত ইমাৰছনৰ দুখন অতিশয় প্ৰতিবাদী ৰচনা "The American Scholar" আৰু "The Divinity School Address" প্ৰকাশ হৈ ওলায়। ইয়াৰে প্ৰথমখন আছিল আগষ্টৰ ৩১ তাৰিখে হাৰ্ভৰ্ডত অনুষ্ঠিত হোৱা এক বছৰেকীয়া অনুষ্ঠানত দিয়া ভাষণ, লৱেল, হমচ ইত্যাদি বিখ্যাত সমালোচকে এই ৰচনাৰ ভূয়সী প্ৰশংসা আগবঢ়াইছে। গতানুগতিক ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ প্ৰতি ইমাৰছনৰ অনাস্থাৰ গভীৰতা আৰু তীব্ৰতা দেখি শ্ৰোতা মুগ্ধ হৈ গৈছিল। এই ৰচনাত দাৰ্শনিক (Scholar) সকলক সম্বোধন কৰি তেওঁ কৈছিল যে বিশ্বকাৰৰ মহিমা হৃদয়ঙ্গম কৰাৰ বাবে কেৱল ধৰ্মগ্ৰন্থৰ অধ্যয়ন কেতিয়াও সফল প্ৰচেষ্টা নহয়। "Books are for the scholar's idle times." কাৰণ ইয়াৰ দ্বাৰা দাৰ্শনিকসকলে নিজৰ চেতনাৰ মাজত নিহিত মহৎ বীক্ষাক আওকাণ মাত্ৰ কৰে। ব্যক্তি মনৰ উপলব্ধিৰ মাজত যেতিয়া এক নৈৰ্ব্যক্তিক চেতনা মূৰ্ত হৈ উঠে, বহিৰ্জগতৰ সকলো প্ৰভাৱ তাৰ ওচৰত গৌণ হৈ পৰে। পিছৰখন ৰচনা হাৰ্ভৰ্ডি বিশ্ববিদ্যালয়ৰ ডিভিনিটি কলেজত দিয়া এক ভাষণ। এই ভাষণত তেওঁ সংস্কাৰ আৰু ৰক্ষণশীলতাক সজোৰে প্ৰত্যাহ্বান জনাইছে। গীৰ্জা অনুষ্ঠানক তেওঁ এই ৰচনাত নিৰ্জীৱ আৰু নিৰৰ্থক বুলি বৰ্ণনা কৰিছে।

১৮৪১ আৰু ১৮৪৪ চনত ইমাৰছনৰ গদ্য ৰচনাসমূহৰ দুটা সংকলন প্ৰকাশ হৈ ওলায়। সাহিত্যিক জগতত ইমাৰছনৰ বিৰল প্ৰতিভা বহুদূৰলৈকে এই ৰচনাসমূহৰ দ্বাৰাই স্বীকৃত হৈ আছে। এই সময়ছোৱাৰ ভিতৰতে ইমাৰছনে লেখাৰ মাজেদি এটা নিজস্ব কলাশৈলী আয়ত্ত কৰিবলৈকো সক্ষম হয়। তেওঁৰ এই কলাশৈলীক কালহিলে মন্তব্য কৰিছিল – "Strong and simple; of a clearness, of a beauty" বুলি। তেওঁৰ এই গদ্যৰীতি ঠিক ৰচনা আৰু বক্তব্যৰ সংমিশ্ৰণত উদ্ভূত এটা ৰীতি আছিল। বেকন বা মনটেইনৰ ৰচনাসমূহৰ গদ্যৰীতিৰ প্ৰভাৱো তাৰ ওপৰত পৰিছিল। ১৯৫৬ চনত প্ৰকাশ হোৱা English Traits নামৰ কিতাপখনে সামাজিক ক্ষেত্ৰত ইমাৰছনৰ বিশ্লেষণ প্ৰতিভাক উদঙাই দেখুৱায়। কাৰণ ইয়াৰ আগলৈকে ইমাৰছনৰ সকলোবোৰ ৰচনাই আছিল একান্ত ব্যক্তিগত চিন্তা আৰু উপলব্ধিৰ দ্বিধাহীন প্ৰকাশ। ১৮৬০ চনত প্ৰকাশ হোৱা Conduct of Lifeখন ইমাৰছনৰ গদ্যপ্ৰতিভাৰ সৰ্বোত্তম সৃষ্টি। ইয়াত তেওঁ অকল দাৰ্শনিকেই নহয়, এজন সামাজিক সমালোচক হিচাপেও নিজক থিয় কৰায়। এই গ্ৰন্থত তেওঁক মানৱ জীৱনৰ সামগ্ৰিক কিছুমান দিশৰ বস্তুনিষ্ঠ আলোচনা আগবঢ়াবলৈ তৎপৰ দেখা যায়। ইতিমধ্যে ১৮৬১ চনৰ পৰা আমেৰিকাত গৃহযুদ্ধ আৰম্ভ হয়। গৃহযুদ্ধৰ পিছত ইমাৰছনৰ লেখাত এটা পৰিৱৰ্তন অহা দেখা যায়। ১৮৭০ চনত তেওঁৰ দুখন গদ্য সংকলন প্ৰকাশ হয়। এই সংকলন দুখনত সন্নিৱিষ্ট ৰচনাসমূহ যদিও প্ৰায়ভাগ আগৰ বক্তব্য, ইয়াৰ প্ৰকাশভংগীত এটা নতুনত্ব দেখা যায়। গৃহযুদ্ধৰ সামৰণিয়ে যেন তেওঁৰ মনলৈ এক শান্ত, সমাহিত ভাব আনি দিছিল, যাৰ ফলত তেওঁ কৃষি, অধ্যয়ন, বন্ধু, বান্ধৱেৰে পৰিবেষ্টিত এক সন্তুষ্ট গৃহী জীৱনত আশ্বস্ত হ'ব পাৰিছিল।

গদ্যকাৰ বা দাৰ্শনিক ইমাৰছন প্ৰকৃততে ইমাৰছনৰ প্ৰতিভাৰ এটা দিশহে। ইমাৰছনৰ কবি প্ৰতিভাক আলোচনা নকৰিলে তেওঁৰ প্ৰতিভাৰ সঠিক মূল্যায়ন কেতিয়াও সম্পূৰ্ণ নহয়। ইমাৰছনৰ জীৱনকালত তেওঁৰ দুখন কাব্য সংকলন প্ৰকাশ হৈ ওলায়; যথাক্ৰমে ১৮৪৭ আৰু ১৮৬৭ চনত। দাৰ্শনিক হিচাপে ইমাৰছনে যেনেদৰে স্বতন্ত্ৰ চিন্তাৰ প্ৰসাৰ ঘটাইছিল, কাব্যচৰ্চাৰ ক্ষেত্ৰতো তেনেদৰে মৌলিক চিন্তা আৰু অনুশীলনৰ দ্বাৰা এটা নতুন


শাৰদীয় সূত্ৰধাৰ ০ ১–১৫ অক্টোবৰ, ১৯৯২

কাব্যিক ধাৰাৰ প্ৰৱৰ্তন ঘটাইছিল। সেই সময়ৰ আমেৰিকান কবি সকলৰ ভিতৰত স্বকীয় কাব্যিক ৰুচি আৰু ৰীতিৰ ফালৰ পৰা এডগাৰ এলেন পোৱেই আছিল অগ্ৰণী। ব্ৰাইয়ান্ট, ফ্ৰেনিউ, লংফেল, লৱেল, হমচ ইত্যাদি বহুতো আগশাৰীৰ কবিয়ে আমেৰিকাৰ জাতীয় সাহিত্য চহকী কৰিছিল যদিও স্বকীয় কাব্যৰীতিৰ উদ্ভাৱনতকৈ ইংৰাজ ৰমন্যাসিক কবিসকলক অনুকৰণ কৰাতহে এইসকল কবিক অধিক আগ্ৰহী দেখা গৈছিল। কেৱল পোৰ কবিতাতেই এটা কলাত্মক অনুশীলন পৰিলক্ষিত হৈছিল। কবি হিচাপে ইমাৰছনৰ মৌলিকত্বও পোৰ সমপৰ্যায়ৰে আছিল আৰু তেওঁলোক দুয়োৰে কাব্যজিজ্ঞাসা আছিল পৰস্পৰৰ পৰিপূৰক। পোৰ দৃষ্টি আছিল কবিতাৰ নন্দনতাত্ত্বিক দিশৰ ফালে। আনহাতে ইমাৰছনে কলাৰ নৈতিক ভিত্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। কাব্যৰীতিৰ ফালৰ পৰা চাবলৈ গ'লে পোৱে যেনেদৰে ছন্দৰ ওপৰত পৰীক্ষা নিৰীক্ষা চলাইছিল, ইমাৰছনৰ দৃষ্টি আছিল প্ৰতীকৰ ফালে। তেওঁলোক দুয়োৰো প্ৰচেষ্টাই আমেৰিকাৰ কাব্যসাহিত্যক এক মুক্ত বাতাবৰণৰ ফালে উলিয়াই অনাত অৰিহণা যোগাইছিল।

ইমাৰছনৰ সকলো গদ্য ৰচনাক বাদ দিও তেওঁক বিশ্ব সাহিত্যত অমৰ কৰি ৰাখিবৰ কাৰণে তেওঁৰ কাব্য-কৃতি যথেষ্ট। দাৰ্শনিক ইমাৰছনতকৈ কবি ইমাৰছন যেন পাঠকৰ বেছি নিবিড়। এই কথা সঁচা যে ইমাৰছনৰ কবিতাৰ মাজত এক সুসংহত কলাশৈলী পোৱা নগৈছিল। কিন্তু তেওঁৰ কবিতাৰ মাজত এক সামগ্ৰিকভাৱে সকলোবোৰ কাব্যগুণ পোৱা গৈছিল। তেওঁৰ 'Days' নামৰ এঘাৰশাৰীৰ কবিতাটোত ভাবৰ ঘনত্ব আৰু প্ৰকাশভংগীৰ গভীৰতাৰ উমান পোৱা যায়। কবিতাৰ ছন্দতকৈ ভাবক তেওঁ অধিক গুৰুত্ব দিছিল। 'Snow Storm' নামৰ আন এটা কবিতাত তেওঁৰ প্ৰকৃতি সম্পৰ্কে অনুসন্ধিৎসা আৰু পৰ্যবেক্ষণ শক্তিৰ উমান পোৱা যায়।

ইমাৰছনৰ মতে "Poetry must be as new as foam and as old as the rock." সেই সময়ৰ ইংৰাজী সাহিত্যৰ গতানুগতিক ৰমন্যাসিক ধাৰা ইমাৰছনৰ মনোমত নহৈছিল। স্বতন্ত্ৰতা তেওঁৰ জীৱন দৰ্শনৰ যেনেদৰে মূলমন্ত্ৰ আছিল, সেইদৰে কাব্যচৰ্চাৰ ক্ষেত্ৰতো মৌলিকত্ব আছিল তেওঁৰ লক্ষ্য। গতানুগতিক শব্দচয়ন, ছন্দ, চিত্ৰকল্প, একোতেই তেওঁক আগ্ৰহী যেন দেখা নগৈছিল। তেওঁৰ সমসাময়িক লংফেলই বিদেশী কবিতাৰ ছন্দৰ অনুকৰণৰ যোগেদি কবিতালৈ এক সজীৱতা অনাৰ প্ৰচেষ্টা চলাইছিল। লৱেলে অনুকৰণ কৰিছিল ইংৰাজ ৰমন্যাসিক কবি শ্যেলীক। কিন্তু ইমাৰছনকে আদি কৰি ট্ৰেনচেনডেন্টেলিষ্ট সকলে তেওঁলোকৰ নমুনা হিচাপে গ্ৰহণ কৰিছিল, ডান, মাৰভেল আদি কৰি মেটাফিজিকেল কবিসকলক। এই আকৰ্ষণৰ মূল কাৰণ আছিল এয়ে যে ডান বা মাৰভেলৰ কাব্যশৈলী সম্পূৰ্ণৰূপে সংস্কাৰমুক্ত আছিল।

ইমাৰছনে বিশ্বাস কৰিছিল যে কবিতা সদায় কবিৰ মনৰ এক বাধাহীন প্ৰেৰণাৰ ফলশ্ৰুতি। যি মুহূৰ্ততে কবিয়ে কোনো এটা ভাব বা বস্তুৰ প্ৰকৃত গুৰুত্ব উপলব্ধি কৰে, শব্দৰ সহায়েৰে সেই ভাবক ইন্দ্ৰিয়গ্ৰাহ্য কৰি তোলে। কিন্তু সেই সময়তো কবি প্ৰকৃততে সচেতন সৃষ্টিকাৰ নহয়। অন্তৰ্দৃষ্টিয়ে যেনেদৰে তেওঁক প্ৰতীক সমূহৰ সম্বন্ধে সজাগ কৰি তোলে, সেইদৰে বিমূৰ্ত ভাবেও ছন্দোৱদ্ধ শব্দৰ মাজেদি প্ৰাণ পাই উঠে। সাৰ্থক কবিতাৰ সেয়ে এক আধ্যাত্মিক আবেদন আছে আৰু দৃশ্য আৰু অদৃশ্য জগতৰ মাজত ই এক সংযোগৰ কাম কৰে।

ইমাৰছনৰ কাব্যিক দৰ্শনৰ আন এটা গুৰুত্বপূৰ্ণ উপাদান হ'ল প্ৰাচ্য দৰ্শনৰ প্ৰভাৱ। কিশোৰ অৱস্থাতে তেওঁ প্ৰাচীন ভাৰতীয় দাৰ্শনিক গ্ৰন্থসমূহৰ প্ৰতি আকৃষ্ট হৈছিল। এই আকৰ্ষণ বয়সৰ লগে লগে বাঢ়ি আহিছিল। Brahma, Hamatreya, Maia, ইত্যাদি কবিতাসমূহৰ সাৰবস্তুত হিন্দু দৰ্শনৰ প্ৰভাৱ বাৰুকৈয়ে আছে। সেইদৰে তেওঁৰ ৰচনাসমূহৰ ভিতৰতো 'Over Soul', 'Fate', 'Illusion', 'Compensation', ইত্যাদিত সেই প্ৰভাৱ পৰিলক্ষিত হয়। হিন্দু দৰ্শনৰ মায়াবাদে ঘাইকৈ ইমাৰছনক আকৰ্ষণ কৰিছিল। "আত্ম অবিনশ্বৰ", উপনিষদৰ এই তত্ত্বই মানৱ চেতনাৰ অমৰত্বৰ ওপৰত থকা তেওঁৰ আস্থাক দুগুণে উজ্জীৱিত কৰিছিল। 'Nature' গ্ৰন্থখনৰ এঠাইত তেওঁ লিখিছিল "I become a transparent eyeball. I am nothing. I see all. The currents of the universal being circulate through me. I am part and particale of God." উপনিষদৰ প্ৰভাৱ ইয়াত মন কৰিবলগীয়া। অকল হিন্দু দৰ্শনেই নহয়; পাৰ্চী সাহিত্য আৰু কনফুচিয়াচৰ দৰ্শনেও ইমাৰছনৰ চিন্তাজগতত অৰিহণা যোগাইছিল।

১৮৮২ চনত এইজনা মহান সাহিত্যিক, দাৰ্শনিক কবি, গদ্যকাৰ, যাক প্ৰকৃততে বুলিব পাৰি আমেৰিকান সাহিত্যৰ পিতৃপুৰুষ, ৰালফ্ ওৱাল্ডু ইমাৰছনৰ মৃত্যু হয়। ইমাৰছনৰ লেখাত আমেৰিকাৰ জাতীয় জীৱন দৰ্শন আৰু আমেৰিকান ব্যক্তি মানস মূৰ্ত হৈ উঠিছিল। তেওঁৰ মৃত্যুৰ বহুদিন পিছলৈকো তেওঁৰ লেখাৰ গুৰুত্ব কেৱল দাৰ্শনিক সমাজতেই আৱদ্ধ আছিল। তেওঁৰ কাব্য সাহিত্যৰ গুৰুত্ব বহু পলমকৈহে পাঠক সমালোচকসকলে উপলব্ধি কৰিছে। আমেৰিকান কবি সকলৰ ভিতৰত ৰবাৰ্ট ফ্ৰষ্ট আৰু ইংৰাজ কবিসকলৰ ভিতৰত টি এছ্ ইলিয়ট আছিল এই বিষয়ত অগ্ৰণী। ফ্ৰষ্টে তেওঁৰ 'Uriel' আৰু 'Brahma' কবিতা দুটাৰ ভূয়সী প্ৰশংসা আগবঢ়াইছিল আৰু ইমাৰছনক চাৰিজন মহান আমেৰিকানৰ এজন বুলি অভিহিত কৰিছিল। ইমাৰছনৰ আগলৈকে কোনো আমেৰিকান দাৰ্শনিকে আমেৰিকাৰ জাতীয় চেতনাক ইমান নিবিড়ভাৱে স্পৰ্শ কৰিব পৰা নাছিল। এক শক্তিশালী জীৱন দৰ্শন, মুক্ত, বিশাল চেতনা আৰু আবেগৰ দ্বিধাহীন প্ৰকাশে ইমাৰছনক বিশ্বমানসত অমৰ কৰি ৰাখিছে।

---

• 'ইউনিটেৰিয়ানিজম' প্ৰকৃততে এটা পৃথক ধৰ্মবিশ্বাস নহয়। মাত্ৰ তেওঁলোকে খ্ৰীষ্টান ধৰ্মৰ 'ত্ৰিনিটি'ৰ যি ধাৰণা, তাৰ ঠাইত ভগৱানৰ একক অস্তিত্বত বিশ্বাস স্থাপন কৰে। এইক্ষেত্ৰত ইউনিটেৰিয়ানসকলে কিছুদূৰলৈকে প্ৰাচ্য দৰ্শনৰো ওচৰ চাপিছে। খ্ৰীষ্টৰ অলৌকিক সত্তাতকৈ তেওঁৰ মহত্ত্বৰ মানৱ সত্তাক গ্ৰহণ কৰাৰ বাবে ইউনিটেৰিয়ানসকল অধিক আগ্ৰহী। পিছলৈ বহুতো ইউনিটেৰিয়ান দাৰ্শনিক খ্ৰীষ্টক সুকীয়া ব্যক্তিক অস্তিত্ব হিচাপে গ্ৰহণ কৰাতকৈ তেওঁলোকৰ দৰ্শনক সম্পূৰ্ণ নৈতিক প্ৰমূল্য, যেনে প্ৰেম, ভ্ৰাতৃত্ব ইত্যাদিৰ মাজেদিহে প্ৰকাশ কৰিবলৈ বিচাৰিছিল। এইখিনিতে এটা কথা উল্লেখযোগ্য যে ইংলেণ্ডত ইউনিটেৰিয়ানসকলক আইনসংগতভাৱে গ্ৰহণ কৰা নকৰা লৈ দীঘলীয়া সময় জুৰি যি বাদ বিবাদৰ সৃষ্টি হৈছিল, আমেৰিকাত তেনে হোৱা নাছিল। তাৰেই ফলস্বৰূপে উনবিংশ শতিকাৰ বষ্টন চাৰ্চত ইমাৰছন, লংফেল, লৱেল, হমচ ইত্যাদি প্ৰখ্যাত ইউনিটেৰিয়ান দাৰ্শনিকে প্ৰভাৱ বিস্তাৰ কৰিছিল। ▢

---

বিশেষ ঘোষণা

অহা নতুন বছৰৰ পহিলা দিনটোৰ পৰা সূত্ৰধাৰে নতুন ৰূপ লব।

*সেই সংখ্যাৰ প্ৰচ্ছদ কাহিনী* ▫

বিদায় ১১৯২ঃ
স্বাগতম ১৯৯৩



# টেনেচী উইলিয়াম্‌জৰ নাটক

পোনা মহন্ত

আধুনিক মাৰ্কিন যুক্তৰাষ্ট্ৰীয় নাটকৰ বিষয়বস্তু আৰু গতি-প্ৰকৃতিৰ বিষয়ে যুক্তৰাষ্ট্ৰৰে এজন আগশাৰীৰ নাট্যকাৰ এল্‌মাৰ ৰাইচে মন্তব্য কৰিছে এই বুলি ঃ "নিসংগতা, পিতৃ-মাতৃৰ অভিভাবকত্বৰ বিৰুদ্ধে বিদ্ৰোহ, অজাচৰণ কামনা, আবেগিক বুভুক্ষা, পলায়নবাদী কৌশল, তৰুণৰ দোষ-ত্ৰুটি আৰু কৰ্তব্যবিমুখিতা, ভয়ানক কাৰ্যকলাপ, সমকামিতা, ভয়ংকৰ আৰু উদ্ভট কল্পনা, নিষ্ঠুৰ প্ৰবৃত্তিৰ যৌন-বিকৃতি, চিন্তা, অনুভূতি আৰু কৰ্মৰ মাজত সংগাত নথকা মানসিক ব্যাধি এইবিলাকেই সম্প্ৰতি আমাৰ নাটকৰ পৌনঃপুনিক বিষয়বস্তু।" নাট্যকাৰ গৰাকীৰ এই মন্তব্য অতি গুৰুত্বপূৰ্ণ এই বাবেই যে এই কেইটা কথাৰ মাজেদি ভুৰুকাত হাতী ভৰোৱাৰ লেখীয়াকৈ তেওঁ দুয়োখন মহাযুদ্ধৰ মাজৰ কালছোৱাৰ আৰু যুদ্ধোত্তৰ যুগতে আমেৰিকান নাটকৰ সমগ্ৰ ছবিখনেই আমাৰ আগত দাঙি ধৰিছে। বিশেষকৈ টেনেচী উইলিয়াম্‌জৰ (জন্ম, ১৯১১) নাটকৰ বেলিকা ৰাইচৰ এই মন্তব্য অতি প্ৰণিধানযোগ্য, কাৰণ এইজন নাট্যকাৰৰ নাটকত যুদ্ধোত্তৰ যুগৰ আমেৰিকান জীৱন আৰু সমাজৰ নৈৰাশ্য আৰু মানসিক বিকাৰগ্ৰস্ততাৰ সুন্দৰ প্ৰকাশ ঘটিছে। সমসাময়িক আৰু সমানেই গুৰুত্বপূৰ্ণ নাট্যকাৰ আৰ্থাৰ মিলাৰৰ কথাও এইখিনিতে মনলৈ আহে। মিলাৰে পুঁজিবাদী, প্ৰতিযোগিতাসৰ্বস্ব আৰু প্ৰতিষ্ঠাপ্ৰয়াসী আমেৰিকান সমাজ জীৱনৰ ট্ৰেজিক দিশটো তেওঁৰ নাটকত সুন্দৰকৈ ৰূপায়িত কৰিছে। আধুনিক যুগৰ মধ্যবিত্ত বা নিম্ন-মধ্যবিত্ত শ্ৰেণীৰ জীৱনৰ নৈৰাশ্য, হতাশা আদি বিষাদময় দিশবোৰৰ আধাৰত এক প্ৰকাৰ কাব্যগন্ধী গদ্যত ট্ৰেজিক নাটক লিখাৰ ক্ষেত্ৰত মিলাৰ এজন বাটকটীয়া। এই ফালৰ পৰা তেওঁক ইব্‌চেনে দেখুৱাই যোৱাৰ পথৰে পথিক বুলিব পাৰি। অন্য হাতেদি অন্তৰ্মুখী, গীতিধৰ্মী, প্ৰতীকী আৰু বেলেই জাতীয় নাটক লিখোতা টেনেচী উইলিয়াম্‌জ চেখভ্, ডি এইচ লৰেঞ্চ আৰু লৰ্কাৰ বেছি কাষ চপা।

টেনেচী উইলিয়াম্‌জৰ নাটকৰ বিষয়বস্তু, গতি-বিধি, ধ্যান-ধাৰণা, বক্তব্য আদি অনুধাৱন কৰিবলৈ হ'লে নাট্যকাৰজনৰ জীৱন আৰু তেওঁ ডাঙৰ-দীঘল হোৱা সমাজখনৰ বিষয়ে কিছুমান কথা জনা দৰকাৰ। কাৰণ তেওঁৰ প্ৰায়বোৰ নাটকৰে মূল ভেটি হৈছে তেওঁৰ জীৱনৰ পুঞ্জীভূত অভিজ্ঞতা যিবোৰে তেওঁক সমসাময়িক আমেৰিকান সমাজ আৰু জীৱনৰ আভ্যন্তৰীণ আৰু আচল ৰূপটো উদঙাই দেখুৱাবলৈ বল আৰু সাহস দিলে। নাট্যকাৰ জনৰ প্ৰকৃত নাম টমাচ্ লেনিয়াৰ উইলিয়াম্‌জ। জন্ম মাৰ্কিন যুক্তৰাষ্ট্ৰৰ দক্ষিণাঞ্চলত অৱস্থিত মিচিচিপি ৰাজ্যৰ মিচৰৌ চহৰত। দেউতাক আছিল এজন ভ্ৰাম্যমান বিক্ৰেতা; পিছত তেওঁ এটা আন্তৰ্জাতিক জোতা কোম্পানীৰ কাৰ্যবাহী পৰিচালক হৈছিলগৈ। সেয়ে তেওঁ ঘৰ আৰু পৰিয়ালৰ পৰা প্ৰায়ে আঁতৰি থাকিব লাগিছিল। তেওঁৰ মাতৃ আছিল গীৰ্জাৰ ধৰ্মীয় আৰু শান্ত পৰিবেশত ডাঙৰ হোৱা পিতৃ-মাতৃৰ একমাত্ৰ সন্তান। টম্ (টেনেচী) আৰু তেওঁৰ বায়েক ৰ'জক লৈ তেওঁলোকৰ মাতৃয়ে ল'ৰাটিৰ সাত বছৰ আৰু ছোৱালীজনীৰ দহ বছৰ বয়সলৈকে তেওঁৰ পিতৃ-মাতৃৰ (অৰ্থাৎ টম-ৰ'জৰ ককাক-আইতাকৰ) গীৰ্জাৰ ঘৰতে কটাইছিল। ককাক যিহেতু সময়ে সময়ে বেলেগ গীৰ্জালৈ বদলি হৈ গৈছিল সেয়ে টেনেচীয়ে ল'ৰাকালত বেলেগ বেলেগ ঠাইত থাকিব লগা হৈছিল। দুৰ্ভাগ্যৰ কথা যে ক্লাৰ্কচ্‌ডেন চহৰত থকাৰ সময়ত পাঁচ বছৰ বয়সতে টেনেচী ডিপ্‌থেৰিয়া ৰোগত ইমান বেয়াকৈ আক্ৰান্ত হয় যে অতিপাত শাৰীৰিক দুৰ্বলতাৰ বাবে তেওঁ প্ৰায় দুবছৰকাল ঘৰৰ ভিতৰতে থাকি আইতাক, মাক আৰু বায়েকৰ সৈতে দিনবোৰ কটাবলগীয়া হৈছিল।



*উলিয়ামছ্ টেনেচীৰ 'এ ষ্ট্ৰিট্‌কাৰ নেমড্ ডিজায়াৰ' নাটকৰ এটি দৃশ্য*

ইতিমধ্যে তেওঁৰ দেউতাকে চেইন্ট লুই চহৰত এটা আৱাস কিনে আৰু তালৈ তেওঁৰ পৰিয়ালটোক লৈ যায়। টেনেচীক মহানগৰীৰ এখন বেচৰকাৰী বিদ্যালয়ত (পাব্লিক স্কুল) ভৰ্তি কৰোৱা হয়। পোনপ্ৰথমবাৰৰ বাবে এখন ডাঙৰ চহৰৰ বিভিন্ন ধৰণৰ ল'ৰা-ছোৱালীৰ সংস্পৰ্শলৈ অহা টমে স্কুলত বৰ নিঃসহায় আৰু অকলশৰীয়া যেন অনুভৱ কৰিছিল। তেওঁৰ লাজকুৰীয়া স্বভাৱ আৰু কথা-বতৰাত দক্ষিণৰ বা মিচিচিপিৰ উচ্চাৰণ-ভংগী থকাৰ বাবে স্কুলৰ লগৰীয়াবিলাকে তেওঁক "চিচি" বা ছোৱালীমতীয়া বুলি উপলুঙা কৰিছিল। টেনেচিয়ে পিছত নিজে স্বীকাৰ কৰিছে যে সেই স্কুলৰ অভিজ্ঞতা সেই সময়ত পাব্লিক স্কুলৰ ল'ৰা, শিক্ষক বা অধ্যক্ষ বুলিলেই ভয় খাই উঠিছিল।

কম বয়সতে বেমাৰে নিশকটীয়া কৰা টেনেচীৰ জীৱনৰ আচল সংগ্ৰাম আৰম্ভ হ'ল যেতিয়া তেওঁ মাক, বায়েক আৰু পিছত এজন ভায়েকৰ সৈতে পিতৃ-গৃহত থাকিব লগা হয়। জন্মৰে পৰা ককাক-আইতাকৰ ঘৰৰ শান্ত পৰিবেশত থাকি ডাঙৰ হোৱা টমৰ বাবে দেউতাকৰ সান্নিধ্য অসহনীয় হৈ উঠিল। ইমান দিনে ব্যৱসায়ৰ কামত পৰিয়ালৰ পৰা আঁতৰি থকা দেউতাকজন টম্ আৰু ৰ'জৰ বাবে এজন আচহুৱা মানুহৰ লেখীয়া আছিল। এতিয়া হঠাতে পৰিয়ালৰ লগত থাকিবলৈ লৈ নিজৰ ল'ৰা-ছোৱালীৰ কাম-কাজত সঘনে হস্তক্ষেপ কৰাটো আৰু তেওঁলোকৰ স্বভাৱ-চৰিত্ৰৰ ওপৰত মন্তব্য দিয়াটো টমে অলপো ভাল পোৱা নাছিল। বেমাৰৰ বাবে হোৱা দুৰ্বলতাৰ কাৰণে টমে দেউতাকে বিচৰা মতে শৰীৰ চৰ্চাৰ কামত আত্মনিয়োগ কৰিব নোৱাৰিছিল। ইয়াৰ সলনি তেওঁ নিজৰ কোঠাত সোমাই থাকি কিতাপ পঢ়ি আৰু নানা ধৰণৰ জল্পনা-কল্পনা কৰি সময় কটাইছিল। দেউতাকে পুতেকৰ এই ধৰণৰ স্বভাৱ সমূলি ভাল পোৱা নাছিল আৰু তেওঁ টেনেচীক 'মিচ্ নান্‌চি' বুলি ভেঙুচালি কৰিছিল। এইবোৰ কাৰণতে দেউতাকৰ লগত টেনেচীৰ অলপো ভাল সম্পৰ্ক নাছিল। পিতা-পুত্ৰৰ বাক্-বিতণ্ডাত টেনেচীৰ মাক সদায় টেনেচীৰ ফলীয়া হৈছিল। ইফালে আকৌ বৈবাহিক জীৱনৰ আৰম্ভণিৰ পৰাই টেনেচীৰ মাক-দেউতাকৰ মাজৰ সম্পৰ্কও মধুৰ নাছিল। টমৰ দেউতাকৰ অত্যধিক মদ্যপান আৰু লগৰীয়াৰ লগত নিজৰ ঘৰৰ ভিতৰত দিনে- ১৩

ৰাতিয়ে তাছ-জুৱা খেলা স্বভাৱৰ বিৰুদ্ধে আপত্তি কৰাত তেওঁৰ মাক-দেউতাকৰ সম্পৰ্ক দিনে দিনে বেয়া হৈ গৈছিল। দেউতাক-মাকৰ কাজিয়াত টম আৰু বায়েক ৰ'জে সদায় মাকৰ পক্ষ লৈছিল।

এই সময়ত টেনেচীৰ আৰু এটা নতুন অভিজ্ঞতা হ'ল। তেওঁৰ বায়েক ৰ'জ – যাৰে সৈতে খেলা-ধূলা কৰি, চিনেমা চাই – তেওঁ ল'ৰাকাল কটাইছিল – সেই গৰাকী বায়েক ডাঙৰ হৈ অহাত ভায়েকৰ পৰা লাহে লাহে আঁতৰি যাবলৈ ধৰিলে। টেনেচীয়ে বায়েকৰ ব্যৱহাৰৰ এই আকস্মিক পৰিবৰ্তনত পোনতে ক্ষুণ্ণ হৈছিল যদিও তেওঁ লাহে লাহে এই অৱস্থা মানি লবলৈ চেষ্টা কৰিলে। বায়েক-ভায়েক লগ হৈ মাজে-সময়ে চিনেমা চাবলৈ যোৱাৰ বাহিৰে তেওঁলোকৰ মাজৰ আগৰ সান্নিধ্য কমি আহিল। মাক-দেউতাকৰ কাজিয়া, ঘৰৰ ভিতৰত দেউতাকৰ উজ্ঞওালি, টমৰ প্ৰতি দেউতাকৰ তুচ্ছভাৱ, বায়েক ৰ'জৰ লগত হোৱা বিচ্ছিন্নভাব – এইবোৰে টেনেচীৰ ঘৰুৱা জীৱন অসহনীয় কৰি তোলে। আৰু এই অসহ্যকৰ অৱস্থাৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে দেউতাকৰ ঘোৰ বিৰোধিতা সত্ত্বেও তেওঁ নিজৰ কোঠাতে থাকি পঢ়া আৰু লেখাৰ কামত একাণপতীয়াকৈ মনোনিবেশ কৰিবলৈ বদ্ধপৰিকৰ হ'ল।

টেনেচীৰ ঘৰুৱা আৰু ব্যক্তিগত জীৱনৰ দুখ-বেদনাৰ সিমানতে অন্ত নপৰিল। দেউতাকৰ কঠুৱা ব্যৱহাৰ, সঘন কৰ্কথনা আৰু ঘৰৰ অশান্তিকৰ পৰিবেশৰ বাবে তেওঁৰ বায়েক ৰ'জে মানসিক ৰোগত ভুগিবলৈ ধৰিলে। ইতিমধ্যে টেনেচীৰ গল্প এখন নামজ্বলা আলোচনীত প্ৰকাশ পাইছিল আৰু লিখা-মেলা কৰি তেওঁ সামান্য আয় কৰিবলৈও সমৰ্থ হৈছিল। মাজে সময়ে তেওঁ এগৰাকী বান্ধৱীৰ লগত ফুৰিবলৈ আৰু বোলছবি চাবলৈ গৈছিল। কিন্তু তেওঁলোকৰ এই বন্ধুত্বতো টেনেচীৰ দেউতাকে বাধাৰ সৃষ্টি কৰিলে। তদুপৰি আন সকলো কথা বাদ দি কেৱল কিতাপ পঢ়ি আৰু গল্প-নাটক লিখি সময় কটোৱা কথাটো দেউতাকে সমূলি ভাল পোৱা নাছিল। সেয়ে খঙতে তেওঁ টমক কলেজৰ পৰা উলিয়াই আনি মাহে ষাঠি ডলাৰ দৰমহাত তেওঁ কাম কৰা জোতা কোম্পানীতে এটা চাকৰিত সুমুৱাই দিলে। তেতিয়া টেনেচীৰ বয়স আছিল মাত্ৰ ঐকেশ বছৰ। এইটো নাট্যকাৰজনৰ জীৱনৰ আন এটা তিতা অভিজ্ঞতা। এই বিষয়ে পিছত তেওঁ কৈছিল ঃ "মোক পাগল কৰিব পৰা সেয়া যেন এটা জীৱন্ত মৃত্যুহে আছিল।" কিছুদিনৰ পাছত অৱশ্যে আইতাকৰ সহায়ত টম পুনৰ কলেজলৈ উভতি গ'ল। এইবাৰ দুগুণ উৎসাহেৰে তেওঁ সাহিত্য চৰ্চাত লাগিল। সেই সময়ত টেনেচীয়ে অধ্যয়ন কৰা লেখক সকলৰ ভিতৰত প্ৰধান আছিল চেখভ্‌, লৰ্‌কা, ৱাইল্ড, ফক্‌নাৰ, মেলভিল, ষ্টীফেন ক্ৰেইন। ইতিমধ্যে টমে অনুভৱ কৰিলে যে তেওঁৰ দুৰ্বলতা নাটকৰ প্ৰতিহে আৰু সেয়ে তেওঁ নাটক চৰ্চা কৰাৰ উপৰিও নাটক লিখিবলৈ আৰম্ভ কৰিলে।

টেনেচীয়ে এই কথা ভালকৈ উপলব্ধি কৰিছিল যে স্বাধীনভাবে মুক্ত পৰিবেশত সৃষ্টিশীল ৰচনাৰ কামত মনোনিবেশ কৰিবলৈ হলে তেওঁ দেউতাকৰ চেইন্ট লুই চহৰৰ ঘৰ ত্যাগ কৰিবই লাগিব। শেষত মাকেও তেওঁৰ পুত্ৰই ইচ্ছা মতে বাট বুলিব খোজা পথত কোনো ধৰণৰ বাধাৰ খুঁটি নুপুতিলে। সেয়ে বাহিৰৰ বিশাল জগতখনৰ বিষয়ে অভিজ্ঞতা লাভৰ হেঁপাহ, বুকুত বান্ধি ডেকা টেনেচীয়ে জেপত এটাও পইছা নোহোৱাকৈ 'মাৰ্ডি গ্ৰাচ' (Mardi Grass) উৎসৱ আৰু জেজ্‌ সংগীতৰ বাবে বিখ্যাত নিউ অৰলিন্স মহানগৰীলৈ ৰাওনা হ'ল। মহানগৰীৰ জীৱনৰ বিভিন্নতা আৰু বিশালতাই টেনেচীক চমকিত কৰিলে আৰু লাহে লাহে তেওঁ অন্য এখন জগতৰ লগত পৰিচিত হ'ল। এইখন জগতৰ অধিবাসীবিলাক হৈছে পথৰ ভিক্ষাৰী, পতিতা, কুটনী, বিকৃত যৌন ৰুচিৰ আৰু সমকামী ব্যক্তি, মদাহী আৰু অন্যান্য অস্বাভাৱিক চৰিত্ৰ আৰু ধৰণ-কৰণৰ মানুহ। সুখৰ কথা যে পোন প্ৰথম বাৰৰ বাবে সম্পূৰ্ণ মুকলিমূৰীয়া হোৱা ডেকা টেনেচীয়ে নিজকে এই জগতৰ মাজত হেৰুৱাই নেপেলালে। কিন্তু নিউ অৰলিন্সৰ অভিজ্ঞতাই পূৰ্বৰ ৰক্ষণশীল স্বভাৱৰ টম্‌ আৰু পিছৰ উচ্ছৃংখল বা 'বহেমীয়ান' 'টেনেচী'ৰ (এই নামটো তেওঁ পিছতহে লেখকৰ ছদ্মনাম হিচাপে গ্ৰহণ কৰে) মাজত যি সংঘাতৰ সৃষ্টি কৰিছিল সেয়ে পিছলৈ বিখ্যাত নাট্যকাৰ টেনেচী উইলিয়াম্‌জৰ জন্ম দিছিল বুলিলে বঢ়াই কোৱা নহয়।

এই ধৰণে বিভিন্ন অভিজ্ঞতাৰে পুষ্ট হৈ টম্‌ বা টমাচ লেনিয়াৰ উইলিয়াম্‌জে এলানি একাংকিকা লিখে যিবোৰ পিছত টেনেচী উইলিয়াম্‌জৰ নামত American Blues (১৯৩৯) শিৰোনামাৰে প্ৰকাশ পায়। ব্যৱসায়িক ভিত্তিত অভিনীত হোৱা টেনেচীৰ প্ৰথম নাটকখনৰ নাম Battle of Angels (১৯৪০)। এইখনে অৱশ্যে তেওঁলৈ বিশেষ সুনাম কঢ়িয়াই আনিব নোৱাৰিলে। ১৯৪৩ চনত তেওঁ মেট্ৰ'গল্ডেন মেয়াৰ্চৰ বাবে কাম কৰি থকা কালছোৱাত The Gentleman Caller নামৰ এখন নাটকৰ পাণ্ডুলিপি প্ৰস্তুত কৰে। এয়ে পিছত The Glass Menagerie (১৯৪৫) নামে সুখ্যাতি লাভ কৰে। সেই বছৰতে নিউ ইয়ৰ্কত এই নাটকখন অতি কৃতকাৰ্যতাৰে অভিনীত হয় আৰু তেতিয়াৰ পৰাই টেনেচী উইলিয়াম্‌জে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এজন আগশাৰীৰ নাট্যকাৰ বুলি ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰে। ইয়াৰ পিছৰ পৰা তেওঁ একনিষ্ঠভাবে নাটক লিখিবলৈ লয় আৰু গড়ে বছৰেকত প্ৰায় এখনকৈ নাটক ৰচনা কৰে। ইবিলাকৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য আৰু মঞ্চত অভূতপূৰ্ব সাফল্য লাভ কৰা খনচেৰেক হ'ল The Glass Menagerie (১৯৪৫), A Streetcar Named Desire (১৯৪৭), The Rose Tattoo (১৯৫১), Cat on a Hot Tin Roof (১৯৫৫), Sweet Bird of Youth (১৯৫৯) আৰু The Night of the Iguana (১৯৬২)। প্ৰথম দুখন নাটকে টেনেচী উইলিয়াম্‌জলৈ ইমানেই যশস্যা কঢ়িয়াই আনে যে তেওঁ যুদ্ধোত্তৰ যুগৰ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এজন শ্ৰেষ্ঠ নাট্যকাৰ বুলি পৰিগণিত হোৱাৰ উপৰিও আন্তৰ্জাতিক স্বীকৃতিও লাভ কৰে।

"দা গ্লাছ মেনেজাৰি"খনক আত্মজীৱনীমূলক নাটক বুলিয়ে ক'ব পাৰি, কাৰণ ইয়াৰ প্ৰধান আহিলা হৈছে নাট্যকাৰৰ অশান্তি-অসূয়াপূৰ্ণ ঘৰুৱা জীৱন যি সময়ত তেওঁ আৰু বায়েক ৰ'জে দেউতাকৰ গালি-শপনি, ভৰ্ৎসনা-কৰ্কথনাৰ পৰা পৰিত্ৰাণ পোৱা নাছিল। নাটকখনৰ মুঠ চৰিত্ৰ চাৰিটা; নাট্য-ক্ৰিয়া সংঘটিত হৈছে উইংফিল্ড পৰিয়ালৰ বাসস্থানত। চৰিত্ৰ কেইটা হ'ল মাতৃ আমান্দা উইংফিল্ড, তেওঁৰ কন্যা-লোৰা, পুত্ৰ টম্‌ আৰু তৰুণ অতিথি জিম্‌ অকণৰ। ডেকা টমে এটা গুদামত চাকৰি কৰে আৰু মাজে সময়ে দুই এটা কবিতা লিখে। এওঁৱেই নাটকৰ কাহিনী বৰ্ণনাকাৰকৰ ভূমিকাতো অৱতীৰ্ণ হৈছে। নাটকৰ কাহিনী চমুতে এনে ধৰণৰ ঃ শ্ৰীমতী আমান্দা উইংফিল্ডৰ দুই সন্তান – কন্যা লোৰা আৰু পুত্ৰ টম্‌। ষোল বছৰমান আগতেই তেওঁলোকৰ দেউতাক ঘৰৰ পৰা নোহোৱা হ'ল; এতিয়া তেওঁৰ ফটো এখন বেৰত আঁৰি থোৱা আছে। মাহে ষাঠি ডলাৰ দৰমহাত টমে গুদামৰ চাকৰি কৰে আৰু কেতিয়াবা দুই-এটা কবিতা লেখে। সেয়ে বন্ধু অ'কণৰে টমক ধেমালিতে "শ্যেইক্‌চ্‌পিয়েৰ" বুলি মাতে। টমেই ঘৰখনৰ জীৱিকা উলিওৱা একমাত্ৰ ব্যক্তি। গতিকে তেওঁৰ দৰমহাৰে চাৰিজনীয়া সংসাৰখন টানি-টুনিহে চলে। লোৰা-গাভৰু; লাজকুৰীয়া আৰু নিৰ্জু স্বভাৱৰ। তাই শাৰীৰিকভাবে সামান্য বাধাগ্ৰস্ত; কিন্তু সামান্য হলেও তাই ইয়াৰ প্ৰতি বৰ সজাগ আৰু সেয়ে অনুভূতিপ্ৰৱণ। এইবোৰ কাৰণতে তাই পঢ়া-শুনাত বিশেষ পাৰদৰ্শিতা দেখুৱাব নোৱাৰে আৰু কিছুমান কাঁচৰ পুতলা জন্তুৰ লগত খেলা-ধূলা কৰি বেছিভাগ সময় নিজৰ কোঠাৰ ভিতৰতে সোমাই থাকে। মাকৰ চিন্তা যি বয়সত তাই কোনোবা ডেকা বন্ধুৰ লগত বাহিৰত ফুৰা-চকা কৰিব লাগিছিল সেই সময়ত তাই পুতলা কিছুমান লৈ ব্যস্ত থাকে। তেওঁৰ ইচ্ছা কোনোবা যুৱক তেওঁলোকৰ ঘৰলৈ ফুৰিবলৈ আহক যাতে তেওঁৰ লগত লোৰাৰ বন্ধুত্ব গঢ়ি তুলিব পাৰে। কিন্তু তেওঁৰ ইচ্ছা পূৰণ নহয়। সেয়ে পুতেকক প্ৰায়ে খাটনি ধৰে তেওঁৰ কোনোবা বন্ধু ঘৰলৈ নিমন্ত্ৰণ কৰি আনিব লাগে। শেষত টমে মাকৰ নেৰানেপৰা কথা এৰাব নোৱাৰি জিম নামৰ তেওঁৰ সহকৰ্মী এজনক গধূলিৰ আহাৰ সাজ খাবলৈ মাতে। শ্ৰীমতী উইংফিল্ডে ডেকা আলহীক আতিথ্যৰ আতিশয্যৰে বুৰাই পেলায় আৰু জীয়েকৰ লগত অকলশৰীয়াকৈ কথা-বতৰা পাতিবলৈ লগ লগাই দিয়ে। জিমে লোৰাৰ মাতৃৰ মনোভাব বুজিব পাৰি খোলাখুলিকৈ ব্যক্ত কৰে যে তেওঁ ইতিমধ্যে এজনী ছোৱালীৰ লগত বিবাহ চুক্তিত আৱদ্ধ হৈ আছে।

প্ৰবন্ধৰ আৰম্ভণিত চমুকৈ উল্লেখ কৰা নাট্যকাৰৰ ঘৰুৱা জীৱনৰ কাহিনী আৰু নাটকৰ কাহিনী এই দুয়োটা ৰিজাই চালেই ধৰিব পাৰি টেনেচীয়ে কি ধৰণে নিজৰ ব্যক্তিগত অভিজ্ঞতাক কলাসুলভ ভাবে প্ৰকাশ কৰিছে। সেয়ে নাট্যকাৰে নাটকখনক "স্মৃতি নাটক" (Memory Play) আখ্যা দিছে। শ্ৰীমতী উইংফিল্ড আৰু লোৰাৰ চৰিত্ৰ ৰূপায়ণৰ ক্ষেত্ৰত নাট্যকাৰৰ মনস্তাত্বিক বিশ্লেষণ মন কৰিবলগীয়া। ল'ৰাকালত দেউতাকৰ হুঁটা ব্যৱহাৰ সহিব নোৱাৰি টমে (টেনেচীয়ে) প্ৰায়ে ভাবিছিল এই মানুহজন ঘৰৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱা হ'লে! সেই ইচ্ছাকেই যেন নাট্যকাৰে প্ৰকাশ কৰিছে নাট্য-ক্ৰিয়াৰ সময়ত দৰ্শকে দেখি থকা তেওঁৰ দেউতাকৰ বেৰত আঁৰি থোৱা ফটোৰ মাজেদি। এই ফটো, লোৰাৰ কাঁচৰ পুতলা আৰু অন্যান্য প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰ নাটকখনৰ অন্যতম উল্লেখযোগ্য দিশ। নাটকখন নিৰাশা আৰু নিৰুৎসাহৰ মাজেদি শেষ হৈছে যদিও ইয়াক আৰ্থাৰ মিলাৰৰ নাটকৰ লেখীয়াকৈ ট্ৰেজিক নাটক বুলিব নোৱাৰি। ইয়াৰ নায়িকা শ্ৰীমতী উইংফিল্ডৰ চৰিত্ৰত কোনো ধৰণৰ ট্ৰেজিক গাম্ভীৰ্য নাই। থোৰতে ক'ব পাৰি, এই চৰিত্ৰত নাট্যকাৰে ট্ৰেজিক আৰু কমিক উপাদানৰ সংমিশ্ৰণ ঘটাইছে যাৰ যোগেদি তেওঁ সমসাময়িক আমেৰিকান সমাজ আৰু ব্যক্তিৰ দোষ-দুৰ্বলতা বিদ্ৰুপ, ব্যংগ আৰু সহানুভূতিৰ মাজেদি প্ৰকাশ কৰিছে। শ্ৰীমতী উইংফিল্ড আৰু লোৰা যেন পুৰুষপ্ৰধান আৰু শক্তিশালী সকলৰহে সমাজত স্ত্ৰীৰ নৈৰাশ্য আৰু হতাশাৰ প্ৰতীক। সেয়ে নাটকখনৰ বিশ্বজনীন আবেদন প্ৰশ্নাতীত।

টেনেচী উইলিয়াম্‌জৰ অন্য এখন বিখ্যাত নাটক "এ ষ্ট্ৰীটকাৰ নেইমড্‌ ডিজায়াৰ" (১৯৪৭) খনো নাট্যকাৰৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতা, বিশেষকৈ যুক্তৰাষ্ট্ৰৰ দক্ষিণ অঞ্চলৰ জীৱন আৰু সমাজ সম্পৰ্কে অভিজ্ঞতাৰ ভিত্তিত ৰচিত। নাট্য-ক্ৰিয়া সংঘটিত হৈছে নিউ অৰলিন্স চহৰৰ এটা পুৰণা অঞ্চলত অৱস্থিত দুমহলীয়া আৱাস এটাত। বগা আৰু ক'লা দুয়ো শ্ৰেণী লোকৰ বাসস্থান ঠাই ডোখৰৰ নিম্ন-মধ্যবিত্ত পৰিবেশ এটা নাট্যকাৰে সুন্দৰভাবে ফুটাই তুলিছে। এই নাটকখনত সমসাময়িক আমেৰিকান সমাজৰ নতুন আৰু পুৰণি, পুৰুষ আৰু স্ত্ৰী, কামাসক্ত প্ৰেম আৰু ৰক্ত সম্পৰ্কৰ টান, কল্পনা আৰু বাস্তৱ – এইবিলাকৰ মাজৰ বিৰোধ আৰু ইয়াৰ বেদনাদায়ক পৰিণতিৰ অতি সংবেদনশীল নাট্যৰূপ দিয়া হৈছে। ব্লাঞ্চ ডুবই নামৰ ত্ৰিশ বছৰমান বয়সীয়া মহিলা গৰাকী তেওঁলোকৰ মিচিচিপিৰ পুৰণি পৈতৃক বাসস্থানৰ পৰা নিউ অৰলিন্সত থকা ভনীয়েক ষ্টেলাৰ ঘৰত ফুৰিবলৈ আহিছে। পথৰ এছোৱা তেওঁ "ডিজায়াৰ" (Desire) আৰু বাকী ছোৱা "চেমিট্ৰিজ" (Cemeteries) নামৰ দুখন ট্ৰামগাড়ীত আহে। ষ্টেলাৰ স্বামীৰ নাম ষ্টেন্‌লি কোৱাস্কি; সুস্থ সুঠাম দেহৰ; বয়সত আঠাইশ বছৰমান হ'ব। তেওঁ প্ৰায়ে লগৰীয়া কেইজনমানৰ সৈতে নিজৰ ঘৰত তাছ আৰু জুৱা খেলি ঘণ্টাই ঘণ্টাই সময় কটায়।

নাট্য-ক্ৰিয়াৰ মূল ভেটি ব্লাঞ্চ আৰু ষ্টেন্‌লিৰ মাজৰ বিৰোধ। স্বভাৱ-চৰিত্ৰ, চাল-চলন, কথা-বতৰা, সামাজিক আৰু ঘৰুৱা পৰিবেশ একোটেই এই দুজন ব্যক্তিৰ মিল নাই। তেওঁলোকে ষ্টেলাৰ মনোযোগ আৰু ভালপোৱা লাভ কৰিবৰ বাবে এক প্ৰকাৰ যুঁজত অৱতীৰ্ণ হৈছে। ইফালে ষ্টেলা বায়েকৰ প্ৰতি কৰ্তব্যবোধ আৰু ষ্টেন্‌লিৰ দৈহিক প্ৰয়োজনীয়তা এই দুয়োটাৰ টনা-আঁজোৰাত শেষত স্বামীৰ শক্তিৰ ওচৰত পৰাজয় স্বীকাৰ কৰে। কোমল অন্তৰৰ, সূক্ষ্ম অনুভূতিশীল ব্লাঞ্চও দৈহিক বলেৰে বলিয়ান ষ্টেন্‌লিৰ আগত টিকিব নোৱাৰে। বিভিন্ন ব্যক্তিগত আৰু সামাজিক কাৰণত গভীৰ মানসিক সংঘাতত ভোগা এই মহিলা গৰাকী শেষত ভনীয়েকৰ মৰমৰ পৰা বঞ্চিতা হোৱাৰ উপৰিও ষ্টেন্‌লিৰ দৈহিক লালসাৰো বলি হয়। শেষত ব্লাঞ্চৰ মানসিক অৱস্থা এনে হয়গৈ যে তাইক মানসিকভাবে অসুস্থ লোকৰ আশ্ৰয়স্থানলৈ পঠাব লগা হয়।

ভিন্নসুৰীয়া চৰিত্ৰ সৃষ্টি, চৰিত্ৰৰ মনস্তাত্বিক বিশ্লেষণ, কাহিনীৰ গতি, সংবেদনশীল আৰু কাব্যময় গদ্যৰ সংলাপ, নাটকীয় বিৰোধ, প্ৰতীক আৰু চিত্ৰকল্পৰ আবেদনশীল ব্যৱহাৰ এইবিলাক গুণে "এ ষ্ট্ৰীটকাৰ নেইমড্‌ ডিজায়াৰ"ক এখন অতি উচ্চ পৰ্যায়ৰ নাটকলৈ উন্নীত কৰিছে। ১৯৪৭-৪৮ চনৰ পুলিটজাৰ বঁটা লাভ কৰাৰ পিছৰে পৰা বিভিন্নজনে এই নাটকখনক নানা ধৰণে প্ৰশংসা কৰিছে। নাটকখনৰ চৰিত্ৰৰ মনস্তাত্বিক ৰূপায়ণ অতি আকৰ্ষণীয়। তদুপৰি ইয়াৰ ট্ৰেজিক বা শোক নাটকীয় গাম্ভীৰ্য আৰু আবেদন স্বীকাৰ কৰিবই লাগিব।

টেনেচী উইলিয়াম্‌জৰ পিছৰ নাটকবিলাকত পঞ্চম দশকৰ উৎকৃষ্ট নাটক কেইখনৰ আটাইবোৰ গুণ পৰিলক্ষিত নহয়। কিন্তু থোৰতে ক'ব পাৰি যে তেওঁৰ নাটকবিলাকত সামগ্ৰিকভাবে বিষয়বস্তু আৰু বক্তব্যৰ সাদৃশ্য আছে। তেওঁৰ চৰিত্ৰবিলাকৰ বেছিভাগেই 'বহিৰাগত' (Outsider); তেওঁলোক যেন নিজৰ জগত আৰু সমাজৰ পৰা বিচ্ছিন্ন বা ইয়াৰ লগত তেওঁলোকৰ একাত্মবোধ নাই। এই চৰিত্ৰবিলাকক এক ধৰণৰ 'অঘৰী' বা 'পলাতক' (fugitive) চৰিত্ৰ বুলিও ক'ব পাৰি। এই চৰিত্ৰবিলাক গতানুগতিক মানুহতকৈ বহুত বেলেগ – অস্বাভাৱিক ধৰণৰ। কোনো কোনোক 'বলিয়া' (Insane) বুলিলেও অত্যুক্তি কৰা নহয়। যিহেতু ভালেমান চৰিত্ৰ কবি, কলাকাৰ বা শিল্পী এইখিনিতে কবি আৰু বাতুলৰ মাজৰ পৌৰাণিক সম্পৰ্কৰ কথা মনলৈ আহে।


নাট্যকাৰ হিচাপে টেনেচী উইলিয়াম্‌জে মানুহৰ বিষয়ে প্ৰকৃত সত্য উদ্‌ঘাটন কৰিবলৈ বিচাৰিছে। তেওঁ এইটো পোনপটীয়াকৈ বাস্তৱবাদী প্ৰণালীৰে কৰিব খোজা নাই। তেওঁ বিশ্বাস কৰে যে উন্মুক্ত বাস্তৱবাদৰ মাধ্যমেদি জীৱনৰ গূঢ় আৰু ৰহস্যময় সত্য উন্মোচন কৰিব নোৱাৰি। 'দা গ্লাচ মেনেজাৰি' নাটকৰ পাতনিত টেনেচীয়ে মন্তব্য কৰিছে যে কোনো এজন নাট্যকাৰে যদি বাস্তৱ জীৱনক অবিকল ভাবে মঞ্চত উত্থাপন কৰিবলৈ প্ৰয়াস কৰি নাটকীয় চৰিত্ৰবিলাকৰ মুখতো দৰ্শকে তেওঁলোকৰ মাজত যিধৰণে কথা-বতৰা পাতে ঠিক তেনে ধৰণৰ বচন দিলে তেনে হ'লে সেই নাটক বা তাৰ চৰিত্ৰবিলাক আলোকচিত্ৰৰ লেখীয়াহে হ'ব। জীৱনৰ সত্য বা বাস্তৱ এনে এটা বস্তু যাক আলোকচিত্ৰ বা ফটোগ্ৰাফিৰ সহায়েৰে প্ৰকাশ কৰিব নোৱাৰি।

ইয়াৰ বাবে প্ৰয়োজন কলাকাৰৰ কাব্যিক কল্পনাৰ যাৰ দ্বাৰা সত্যৰ ইংগিতসূচক প্ৰকাশহে কৰিব পাৰি। ফটোগ্ৰাফিৰ দৰে বাহ্যিক ৰূপটোৰ অবিকল প্ৰকাশৰ মাজত জীৱনৰ প্ৰকৃত সত্য ধৰা নপৰে। সেয়ে জীৱনৰ বাস্তৱ সত্য কলাসুলভ ভাবে প্ৰকাশ কৰিবলৈ তেওঁ কিছুমান দেখাত অবাস্তৱবাদী কৌশল গ্ৰহণ কৰিবলৈ চেষ্টা কৰিছে। অৱশ্যে এই প্ৰচেষ্টাত যে তেওঁ ভবা মতে সফল হৈছে সেই কথা ক'ব নোৱাৰি। কাৰণ তেওঁ নতুনত্ব কঢ়িয়াই আনিবলৈ চেষ্টা কৰিলেও এইটো স্বীকাৰ কৰিবই লাগিব যে যুগ যুগ ধৰি নাটকত ব্যৱহৃত হৈ অহা কৌশল আৰু কিটিপবোৰকে তেওঁ ব্যৱহাৰ কৰিছে। তদুপৰি মাৰ্কিন যুক্তৰাষ্ট্ৰীয় নাটক আৰু মঞ্চ পৰম্পৰাগত ভাবেই বাস্তৱবাদী আৰু টেনেচী উইলিয়াম্‌জো এই পৰম্পৰাৰে অংশীদাৰ।

টেনেচী উইলিয়াম্‌জৰ নাটকৰ কাব্যিক গুণ নাট্যকাৰজনৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। এওঁক প্ৰকৃতপক্ষে এজন ৰঙ্গমঞ্চৰ কবি বুলিলেও অত্যুক্তি কৰা নহয়। আচলতে এই গুণৰ অবিহনে কোনো নাটকেই মহৎ আৰু কালজয়ী সৃষ্টি বুলি পৰিগণিত হ'ব নোৱাৰে। গহীন, ট্ৰেজিকধৰ্মী গদ্য নাটক লিখি বিশ্বজোৰা খ্যাতি অৰ্জন কৰা নাট্যকাৰ আৰ্থাৰ মিলাৰে তেওঁৰ নাটকৰ বিষয়ে মন্তব্য কৰি লিখিছে যে গদ্যত ৰচিত হলেও নাটক এখনৰ কাব্যিক গুণ থাকিব লাগিব। ইব্‌চেনৰ বাস্তৱধৰ্মী গদ্য নাটকবিলাকো এই ক্ষেত্ৰত উল্লেখযোগ্য। এই কাব্যিক গুণ আৰু চৰিত্ৰৰ বিশ্বজনীন আবেদনে টেনেচী উইলিয়াম্‌জলৈ কম সময়ৰ ভিতৰতে আন্তৰ্জাতিক খ্যাতি কঢ়িয়াই আনে।

# গোহাঞি বৰুৱাৰ 'গাঁওবুঢ়া'

হেম বৰা



"জোনাকী-যুগ"ৰ অন্যতম সাহিত্য-সাধক ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱা (খৃঃ ১৮৭১-১৯৪৬) ডাঙৰীয়াৰ অসমীয়া নাট্য-সাহিত্যলৈ অৱদান অসামান্য। তেখেতে অসমীয়া সাহিত্যলৈ আঠখন নাটক দি গৈছে। ৰচনা কাল অনুযায়ী সেই নাটক সমূহ হ'ল-(১) গাঁওবুঢ়া-খৃঃ ১৮৯৭, (২) জয়মতী-খৃঃ ১৯০০, (৩) গদাধৰ-খৃঃ ১৯০৭, (৪) টেটোন তামুলী-খৃঃ ১৯০৯, (৫) সাধনী-খৃঃ ১৯১০, (৬) লাচিত বৰফুকন-খৃঃ ১৯১৫, (৭) ভূত নে ভ্ৰম-খৃঃ ১৯২৪ আৰু (৮) বাণৰজা-খৃঃ ১৯৩৩-ত ৰচিত হয়।

এই নাটক বিলাকৰ ভিতৰত বাণৰজা পৌৰাণিক নাটক। "জয়মতী", "গদাধৰ", "লাচিত বৰফুকন" আৰু "সাধনী" অসম বুৰঞ্জীৰ কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত নাটক। প্ৰথম তিনিখন আহোম শাসনৰ কাহিনী ওপৰত আৰু "সাধনী"খন দেওধাই বুৰঞ্জীৰ পৰা লোৱা চুটীয়া ৰজা বীৰ নাৰায়ণৰ জীয়ৰী "সাধনী"ক কেন্দ্ৰ কৰি সংঘটিত কাহিনীৰ আলমত ৰচনা কৰা হৈছে। গোহাঞি বৰুৱাৰ বাকী তিনিখন নাটক-"ভূত নে ভ্ৰম", "টেটোন তামুলী" আৰু "গাঁওবুঢ়া"ক সমালোচক সকলে প্ৰহসন বা ধেমেলীয়া নাটক বুলি অভিহিত কৰিছে। নাট্যকাৰৰ মতেই "টেটোন তামুলী' ধেমেলীয়া নাটক। চমুকৈ কাহিনীটো হ'ল গাঁৱৰ ধিতিঙা ল'ৰা টেটোন কথাই-বতৰাই সকলো ক্ষেত্ৰতে চতুৰ আৰু উপস্থিত বুদ্ধি সম্পন্ন ডেকা। কোনো কোনো বিষয়ত টেটোন মাত্ৰাধিক হৈ পৰাত বাপেকে ঘৰৰ পৰা খেদি পঠিয়ালে। খেদা খাই ঘৰৰ পৰা গৈ থাকোতে এহাল চোৰ ল'গ পাই সিহঁতৰ লগত চুৰি কাৰ্যত লাগিল। এদিন গৃহস্থৰ হাতত টেটোন ধৰা পৰিল। গৃহস্থই টেটোনক জৰি লগাই ৰজাঘৰলৈ বিচাৰৰ বাবে লৈ গ'ল আৰু চুৰি, ডকাইতি আৰু গো-বধৰ অভিযোগ উত্থাপন কৰিলে। কিন্তু বুদ্ধিত বৃহস্পতি টেটোনে তৰ্কৰ জাল ৰচনা কৰি একলাখ সোণৰ মোহৰ লাভ কৰিলে। সোণৰ মোহৰৰ লোভত পৰা মন্ত্ৰীৰ জীয়েককো টেটোনে লাভ কৰিলে; আনকি তামুলী উপাধিও লাভ কৰিবলৈ সক্ষম হ'ল। কাহিনীটো এটা জনপ্ৰিয় সাধু কথাৰ ওপৰত প্ৰতিষ্ঠিত কৰি বেজবৰুৱাৰ "লিতিকাই" নামৰ নাটিকা খনৰ দৰেই এইখন ৰচনা কৰা হৈছে।

"ভূত নে ভ্ৰম" নাটক খনক লেখকে সংস্কাৰমূলক নাটক বুলি কৈছে। গাঁৱলীয়া মানুহৰ মনৰ পৰা অন্ধ বিশ্বাস আঁতৰাবলৈ এই নাটকখনত "সমাজ সংস্কাৰ সমিতি" নামৰ এখন সমিতি পাতিছে কেইজনমান শিক্ষিত ডেকাই। "ভূত"ৰ প্ৰতি ভয় গুচাবলৈ নাটক খনত প্ৰচেষ্টা কৰা হৈছে। এই নাটক খন গোহাঞি বৰুৱাৰ পৈণত বয়সৰ ৰচনা কৰা হলেও সবাতোকৈ দুৰ্বল নাটক। এই নাটক খন সম্পৰ্কত ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই "অসমীয়া নাট্য সাহিত্য" গ্ৰন্থত লিখিছে-"নাটৰ শাৰীলৈ উঠা নাই বুলি কলেও বৰ বেছি অতিৰঞ্জিত কৰা নহ'ব বোধকৰো"।

গোহাঞি বৰুৱাৰ উল্লেখযোগ্য নাটক হ'ল "গাঁওবুঢ়া"। 'গাঁওবুঢ়া' নাট্যকাৰ জনৰ সৰ্ব-প্ৰথম ৰচনা (খৃঃ ১৮৯৭)। ওপৰুৱাকৈ ক'বলৈ গ'লে এইখনো হাস্যৰসাত্মক নাটক তথা প্ৰহসন। দৰাচলতে গাঁওবুঢ়া নাটক খন এখন সামাজিক নাটক। ঊনবিংশ শতিকাৰ শেষ সময়ছোৱাৰ অসমৰ সমাজ-জীৱনৰ এখন দলিলৰূপে এই নাটকৰ মূল্য অপৰিসীম। ধেমেলীয়াকৈ ৰচনা কৰা নাটখনত গাঁওবুঢ়া জাতীয় এশ্ৰেণী মানুহৰ কৰুণ অৱস্থাটোৰ কথা দুখ লগাকৈ দাঙি ধৰাত নাট্যকাৰ সফল হৈছে।

"গাঁওবুঢ়া" সকলৰ যোগেদি চৰকাৰৰ ঘৰৰ পৰা কেনেকৈ গাঁৱক শোষণ কৰা হৈছে তাৰ ইংগিত নাটকখনত পোৱা যায়। গাঁওবুঢ়া, মণ্ডল এই বিলাকৰ অত্যাচাৰ আৰু "বেগাৰী" খাটিবলৈ যাব লগা হোৱাৰ পৰা ৰক্ষা পাবলৈ বুলি ভোগমনে খাটি-খুটি গাঁওৰ গাঁওবুঢ়া পদবীটো গ্ৰহণ কৰিলে। লগে লগে ভোগমনৰ অন্য এক কৰুণ জীৱন আৰম্ভ হ'ল। গাঁওবুঢ়া হিচাপে সি ৰায়তৰ খাজানা তোলাত সহায়ক হ'ব লগাত পৰিল আৰু খাজানা তুলি দিব নোৱৰাত খেছখেচনি শুনিব লগা হৈছে। মৌজাদাৰৰ কাম কৰি থাকোতেই ঘৰৰ ফালে পৰালি পৰিছে। সেইবাবেই ঘৈণীয়েক ৰংদৈয়ে দুখ আৰু ক্ষোভত কৈছে-"চৰ্কাৰী কাম নকৰি নোৱাৰি হয়, পিছে আমি হ'বলা ইফালে নেখাই মৰিব পাৰো? তেন্তে চৰকাৰে আমাক এটা জীৱিকাৰ উপায় নিদিয়ে কিয়? ঘৰৰ খাই পৰৰ হৈ খাটি মৰা ক'ত আইন আছে।" দৰাচলতে ৰংদৈৰ মুখৰ এই সংলাপটো নাট্যকাৰৰ নিজস্ব ক্ষোভ বুলি কব পাৰি। নাট্যকাৰে ঠিক এইদৰে নিজস্ব বক্তব্য বিলাক চৰিত্ৰ সমূহৰ মাধ্যমেদি প্ৰকাশ ঘটাই দৰ্শকৰ দৃষ্টিগোচৰ কৰে আৰু ই নাটকৰ অন্যতম বৈশিষ্ট্য বুলিও কব পৰা যায়।

গাঁৱলৈ জিলাৰ চাহাব আহিলে ৰছদ পাতি যোগাৰ ধৰিব লাগে গাঁওবুঢ়াই। কিন্তু আচলতে আৰ্দালি, চৰ্দাৰ, খানচামা আদি মাজৰ মানুহবিলাকে গাঁওবুঢ়াই যোগাবলৈ অনা ভাৰ-ভেটি খাই তলি উদং কৰে। গাঁওবুঢ়াই সেইবাবে সৰহীয়া ভেটিৰ বাবে দিনৰ দিনটো তলৌ তলৌ কৈ ভেটিৰ বস্তু সংগ্ৰহ কৰিবৰ কাৰণে ঘূৰি ফুৰিব লগাত পৰে। আৰু সিফালে নিজৰ ঘৰত ঘৈণীয়েকে ধান বনা, পানী অনা এইবোৰ কামৰ ওপৰিও খৰি লুৰা আদি কামো কৰিব লগাত পৰে। ফলত দুপৰীয়া সময়মতে ভাত ৰন্ধা শেষ নহয়; আৰু খণ্ডত একো নাই হৈ ভোগমন পুনৰ ৰছদ পাতি যোগাৰ কৰিবলৈ ৰাহী-গাৱেই গুচি যায়। এনে কৰুণ মুহূৰ্তত ঘৈণীয়েক ৰংদৈয়ে কন্দা-কটাৰ বাদে একো কৰিব নোৱাৰে। আনহাতে সৰহকৈ ৰছদপাতি যোগান ধৰিব নোৱৰাৰ বাবে খানচামা, আৰ্দালিহঁতে গাঁওবুঢ়াক শাস্তি বিহে খৰি ফালিবলৈ দি। তাকে কৰিবলৈ অমান্তি হোৱাত সিহঁতে ভোগমনক কাণ চেপা দিয়ে। অন্যহাতে ৰায়তৰ খাজানা আদায় দিব নোৱৰাত মৌজাদাৰৰ টেকেলাই ভোগমনৰ ঘৰ ক্ৰোক কৰি লাম-লাকটু উলিয়াই লৈ যায়। ভোগমনৰ খং আৰু বেজাৰত একো নাই হৈ দুধাৰি চকুলো বৈ গ'ল। ভোগমনে ঘৈণীয়েকৰ আগত কৈছে,-"কুলী হোৱাৰ ভয়ত, মান ৰক্ষা কৰিবলৈ গৈ চৰ্কাৰী গাঁওবুঢ়া বিষয় খাওঁতে মোৰ এতিয়া এনে বিলায়।" তাৰ পাছত গাঁওবুঢ়া পদৰ পৰা কেনেকৈ নিষ্কৃতি পাই তাৰহে চিন্তা হ'ল ভোগমনৰ। ঘৈণীয়েকৰ কথাত হয় ভৰ দি ভোগমনে কৈছে,-"তোৰ কথাতে ভৰ দিলো। কাইলৈ মৌজাদাৰ হাকিমৰ ওচৰত আমাৰ মেট মৰা ভাৰখন শোধাই দি হে আহিবগৈ লাগে।" ভোগমনৰ যোগেদি গাওঁবুঢ়া বিলাকৰ বিলাই-বিপত্তি জানিব পাৰি জিলা চাহাব ইয়ং আচৰিত হৈছে। তেওঁ ওপৰলৈ এই বিষয়ে লিখিব বুলি গাঁওবুঢ়াক আশ্বাস দিছে। কিন্তু ভোগমনৰ শোকাবহ অৱস্থাত এই আশ্বাসে একো কাম দিয়া নাই।

গাঁওবুঢ়া পদবীৰ অন্তৰালত সোমাই থকা কৰুণতা আৰু অবৈতনিক এই পদবীৰ বাবে কোনো কোনো লোকৰ নিজৰ পৰিয়ালক দুৰৱস্থালৈ ঠেলি দিয়াৰ কৰুণতম প্ৰতিচ্ছবি নাটকখনত ফুটি ওলাইছে। ভোগমনৰ পৰিয়াললৈ এই পদবীটোৱে কঢ়িয়াই অনা কৰুণ অৱস্থাটোৱে নাটকখনৰ গাম্ভীৰ্যতা প্ৰদান কৰিছে। নাটক খনৰ হাস্য-ৰসিকতাত এইখিনিয়ে বাধা প্ৰদান কৰিছে যদিও কাহিনীৰ বাস্তৱতা আৰু অনুভূতি প্ৰৱণতা ৰক্ষা কৰাত সহায়ক ৰূপে পৰিগণিত হৈছে। গতিকে গাঁওবুঢ়া নাটক খন পাঁচ অঙ্কত ৰচিত এখনি কৰুণ ৰসসিক্ত সামাজিক নাটকৰূপে গণ্য কৰাই যুক্তিযুক্ত হ'ব। নাট্য-সাহিত্যৰ বুৰঞ্জীত গাঁওবুঢ়াক কেৱল ধেমেলীয়া নাটক ৰূপে ধৰাটো খুব সঠিক নহ'ব। গাওঁবুঢ়া দৰাচলতে সেই সময়ৰ এখনি সমালোচনা মূলক বাস্তৱবাদী নাটক। ৰচনাৰ ঠাঁচ ধেমেলীয়া বুলি কিন্তু স্বীকাৰ কৰিবই লাগিব।

দেশী-বিদেশী আমোলাৰে পৰিচালিত সেই সময়ৰ আমোলাতন্ত্ৰৰ স্বৰূপ এটা নাটক খনত পোৱা যায়। আৰ্দলি, চৰ্দাৰ আদিৰ পৰা আৰম্ভ কৰি মৌজাদাৰৰ মণ্ডললৈকে আৰু চৰকাৰৰ বৰ চাহাবলৈকে সকলোৱেই সৰ্ব-সাধাৰণক শোষণ কৰাৰ ছবি এখন নাটকত পোৱা যায়। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ ভাষাত "সমসাময়িক প্ৰশাসনীয় বেমেজালিক প্ৰকাৰান্তৰে ব্যঙ্গ কৰিছে যদিও, সেই ব্যঙ্গৰ আঘাত সুস্নিগ্ধ হাস্যৰসৰ প্ৰবাহত তীক্ষ্ণ হ'বলৈ সুবিধা পোৱা নাই। গাঁৱলীয়া মানুহৰ গ্ৰাম্য ভাষা, মুদ্ৰাদোষ আৰু নিৰ্বুদ্ধিতা আদিৰ নিদৰ্শন দাঙি ধৰি হাস্যৰসৰ সৃষ্টি কৰিছে যদিও, নাট্যকাৰ আৰু দৰ্শকৰ সহানুভূতিৰ পৰা সিহঁত বঞ্চিত হোৱা নাই।" (অসমীয়া নাট্য সাহিত্য)। ডঃ মহেশ্বৰ নেওগৰ ভাষাত "গাঁওবুঢ়া নামৰ সুলিখিত গ্ৰাম্য কমেডি খনিত ব্ৰিটিছ যুগৰ বেগাৰ ধৰা প্ৰথাৰ এটি কলা সুলভ সমালোচনা পৰিস্ফুট কৰি তুলিছে।" (অসমীয়া সাহিত্যৰ ৰূপৰেখা।) সমালোচক হেম বৰুৱাৰ ভাষাত- ...... it (গাঁওবুঢ়া) is better than L.N.Bezborua's light comedies or farces. The emphasis in GAONBURA is as much on situation as it is on characterisation".—(Assamese Literature.)

গাঁওবুঢ়া নাটকত ভোগমনৰ যোগেদি অসমীয়া মানুহৰ আত্মসন্মান দাঙি ধৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। এই আত্ম-সন্মান অক্ষুণ্ণ ৰাখিবলৈ যাওঁতেই নাটকখনৰ সংঘাত সৃষ্টি হৈছে। আত্ম-সন্মান বোধ থকা কোনো অসমীয়াই পৰৰ তলত "বেগাৰী" খাটিবলৈ ইচ্ছুক নহয়। সেইবাবে বেগাৰী খটাৰ পৰা হাত সাৰি থাকিবলৈকে ভোগমন গাঁওবুঢ়া হৈছিল। কিন্তু গাঁওবুঢ়া পদবীৰ কঠোৰতাই ভোগমনক কৰুণ অৱস্থালৈ লৈ গ'ল। ফলত চৰিত্ৰটোৱে দৰ্শক তথা পাঠকৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। নাৰী চৰিত্ৰ ৰংদৈ আৰু মৌজাদাৰণী ভোগমনৰ দৰেই বাস্তৱ আৰু সজীৱ। আৰ্দালি, খানচামা, পুলিচ, দাৰোগা আদি স্পষ্ট নহলেও শোষণত সিহঁতৰ স্থান ইঙ্গিতপূৰ্ণ। এই বিলাকে সুবিধা বুজি ডকা-হকা দি সাধাৰণ লোকৰ পৰা দু পইচা সৰকাইছিল।

গোহাঞি বৰুৱাই "গাঁওবুঢ়া" নাটক ৰচনাৰ সময়ত অন্য দুখন সংস্কাৰ ধৰ্মী ব্যঙ্গ নাটকৰ দ্বাৰা প্ৰভাবিত হ'ব পাৰে। গাঁওবুঢ়া নাটকত এই দুখন পূৰ্ব-প্ৰকাশিত নাটকৰ ৰচনা শৈলীৰ ক্ষীণ ইঙ্গিত আৰু সংলাপত সামান্য প্ৰভাৱ দেখা যায়। এই নাটক দুখন হ'ল অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ "কানীয়াৰ কীৰ্ত্তন" আৰু দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ "মহৰি"। বিষয়বস্তুৰ (Plot) ফালৰ পৰা 'মহৰি' আৰু গাঁওবুঢ়া প্ৰায় একেই। 'মহৰি' নাটকত ভাবিৰামে, জীউৰাম উকিলৰ সহায়ত মিঃ স্কট চাহাবক খাটি-খুটি মহৰি কামটো লৈছিল; কিন্তু খুব সোনকালে আমনি লগাত 'গাৰ ফালে লটি-ঘটি' হ'ব বুলি এৰি দিছিল। 'মহৰি'ত ভাবিৰামে চাকৰিৰ বাবে স্কট চাহাবক কোৱাৰ দৰেই গাঁওবুঢ়া নাটকত ভোগমনে ইয়ং চাহাবক গাঁখবুঢ়া পদবীৰ বাবে খাটিছে। চাহাবৰ ওচৰত দুয়োজনৰ অৱস্থা একেই হৈছে। এইদৰে চাহাবৰ সংলাপ দুইখন নাটকতে একে ঠাঁচৰ। এইদৰে অনেক মিলেই বিচাৰিলে পোৱা যাব নিশ্চয়। যিহেতু মহৰি নাটক গাঁওবুঢ়াতকৈ আগতে (ৰচিত ১৮৯৩, প্ৰকাশিত ১৮৯৬) ৰচিত আৰু প্ৰকাশিত; গতিকে প্ৰভাৱ পৰাটো একো অসম্ভৱ কথা নহয়।

"কানীয়াৰ কীৰ্ত্তন"ৰ প্ৰভাৱ বিশেষকৈ সংস্কাৰ ধৰ্মী নাটক ৰূপেহে। শেষৰ ফালে কানীয়াৰ গীতত কানি ভয়াবহতা ফুটাই তোলাৰ দৰে গাঁওবুঢ়া চাৰিজনৰ গীতত এই পদৰ ভয়াবহতা ফুটাই তোলা হৈছে। "কানীয়াৰ কীৰ্ত্তন" প্ৰকাশৰ পাছত (১৮৬১) চৰকাৰে কানি নিবাৰণৰ বাবে এটা তদন্ত আয়োগ গঠন কৰি দিছিল। সেইদৰে "গাঁওবুঢ়া" নাটক প্ৰকাশ হোৱাৰ পাছতে গাঁওবুঢ়া সকলৰ অৱস্থা সম্পৰ্কে অনুসন্ধান চলিছিল আৰু অৱশেষত গাঁওবুঢ়া সকলৰ অবৈতনিক কামৰ বাবে কিছু ভূমি সম্পত্তি বিনা খাজানাই ভোগ কৰিবলৈ নিয়ম বান্ধি দিছিল। জানিব পৰা গৈছে যে গোহাঞি বৰুৱাই "গাঁওবুঢ়া" সকলৰ কথা নাটকত লিখিয়েই ক্ষান্ত থকা নাছিল; তেখেতে ৰজা ঘৰলৈকো এই সংক্ৰান্তত সকলো আঁতিগুৰি মাৰি লিখিছিল। নাট্যকাৰৰ এই মনোভাব নাটক খনৰ ইয়ং চাহাবৰ সংলাপত প্ৰকাশিত হৈছিল-"গাঁওবুঢ়া কাম কৰিবে, টলব নাই পাবে, কুচ নাই মিলিব। কেইচা দস্তুৰ। এ চব হামি ওপৰতে লেকিব। (পঞ্চম অঙ্ক ২য় পট)। এইখন নাটকৰ সম্পৰ্কে ফনীধৰ চলিহাই কোৱা কথা এষাৰ তুলি দিব খুজিছো সামৰণিত-"গাঁওবুঢ়া অসমত বৃটিছ শাসনৰ আদি ছোৱাৰ নিভাঁজ চিত্ৰ।" নিৰ্বিবাদে আমিও এই মতটি মানি লৈছো আৰু লগতে যোগ দিওঁ যে "গাঁওবুঢ়া" গোহাঞি বৰুৱাৰ অন্যতম সৃষ্টি। ❑

## কবিতা

### অনুবাদ

# পুনৰ্ণবা
## (আকৌ নতুন)


*(চন্দ্ৰকান্ত অভিধান : এবিধ দৰবত লগা লতা; কাটিলে আকৌ নতুন যেন হয়)*

"পনৌনৌবা"–পুনৰ্ণবা ?

বাৰিষাৰ কোনটো মাহতনো তুমি আহি
আমাৰ জীৰ্ণ শেলুৰৈয়ে ধৰা চালে-বেৰে বগাই
ঘৰৰ মামৰে ধৰা টিনপাত পালাগৈ ।
আৰু আমাৰ উৰলি যোৱা ঘৰখনৰ ৰূপ
সেউজীয়া মখমলৰ নিচিনা কোমল কৰি পেলালা
সেইয়া আমি তত্ ধৰিব নোৱাৰিলো ।
যেতিয়া আমাৰ ঘৰৰ চালৰ কাষত
গলপতাৰ জলজলীয়া সেউজী বাখৰৰ দৰে
ওলমি থাকি গোটেই ঘৰখনকে তুমি
সুশোভিত কৰি পেলালা
তেতিয়াহে আমি বুজিলো বাৰিষাৰ
কোনোবা এটা মাহত নিশ্চয়
তুমি আমাৰ ঘৰলৈ আহিলা ।

বাৰমহীয়া ফুলি থকা মাধৱীলতা,
গোন্ধত আমোলমোলাই থকা
ৰাতিৰ ৰাণী হাচ্‌নাহানাৰ কথা
সকলোৱে জানিছিল ।
বনৰীয়া ছননীৰ দৰে আমাৰ চালত
অবাধে তুমি বাঢ়ি যোৱা দেখিহে
সকলো অবাক হ'ল
সেউজী মখমলৰ নিচিনা
আচহুৱা কোনেও চিনি নোপোৱা
তোমাক চিনি পাই আনন্দত
চিঞৰি উঠিলো "এইয়া পুনৌনৌবা– পুনৰ্ণবা" ।

তোমাৰ যে ঔষধি গুণ আছিল
তোমাৰ ৰসত যে সঞ্জীৱনী শক্তি আছে
আমি এইবোৰ কথা তেতিয়াহে গম পালো
যেতিয়া বৈদ্যই নিজৰ বনকৰা মানুহটো
আমাৰ তালৈ পঠিয়ালে
এক ছয়তান সি অতি সহজে আমাৰ
চালখন বগাই ......
চাদৰ এখনৰ দৰে আমাৰ চালখন ঢাকি ৰখা
কোনোবাই সেউজীয়া দহি বাতি থোৱা হেন
তোমাৰ কোমল সূতবোৰ
সেই ৰাক্ষসটোৱে এফালৰ পৰা
মহতিয়াই গ'ল ।
ক'তবাৰ যে আমি তোমাক লৈ
এনেকৈ উদ্বিগ্ন হৈছিলো,
আৰু তোমাক লৈ
ক'ত আশা যে আমি পুহিছিলো



অংকন □ চম্পক বৰবৰা

ধাৰাসাৰ বৰষুণত তিতি
আমি দৌৰি গৈছিলো
তোমাৰ বাঢ়ি যোৱা সূতবোৰ চাবলৈ
কুঁহিপাত বোৰ চাবলৈ
ক্ৰমে তুমি বাঢ়ি গৈ গোটেইখন চালকে
সেউজী কৰি পেলাইছিলা
আমাৰ ওপৰতে থাকি
তুমি হৈ পৰিছিলা
আমাৰ চিৰন্তন লগৰীয়া ।

সেই ঘৰ আমি এৰি আহিব লগা হ'ল
ওপজা নাড়ীডাল মটক কৰে
কাহানিবা ছিণ্ডি গ'ল
এতিয়া এক ৰিফিউজী, এক যাযাবৰ
তোমাক এতিয়াও মই বিচাৰি ফুৰো
ইয়াত হ'লে কোনেও তোমাক
চিনিকে নাপায় ।
ইয়াত কোনেও নাজানে কোমল
সেউজীয়া মখমলৰ দৰে
ঔষধি গুণৰ সেই লতাডালৰ কথা
মই তোমাক হেৰুৱাই পেলালো
পুনৰ্ণবা–
তোমাৰ শীতল ছাঁ,
তোমাৰ সেউজী লাস-বেশ
তোমাৰ উপশম ঘটোৱা যাদু । ▫

*মূল ৰচনা : শ্ৰীমতী ৰাজলক্ষ্মী দেৱী ভট্টাচাৰ্য (পুনা)*
*(প্ৰথম পুৰস্কাৰ : সৰ্বভাৰতীয় ইংৰাজী কবিতা প্ৰতিযোগিতা, ১৯৯১)*

অনুবাদ : অশোক ভাগৱতী

মূল ইংৰাজীৰ পৰা অনুবাদ কৰা হৈছে ।





# তোমাৰ ঘৰৰ পৰা ওভোতাৰ নাম

সনন্ত তাঁতি

তোমাৰ ঘৰলৈ গৈ উভতি আহো শূন্য হাতত । মাথো বুকুৰ ভিতৰতে এজাক আৰ্দ্ৰবতাহে হৃদয় তিয়ায় পেলায় । মাথো চকুযোৰক খুন্দা মাৰি থৈ যায় কিছু শোক ।

নগৰীৰ লেম্প পষ্টবোৰ এনেকি বিজুলী তাঁৰতো বাহিত হয় মোৰ মৰ্মবেদনা । তোমাৰ ঘৰৰ পৰা উভতি অহাৰ পিছত তোমাৰ পৰা একো নোপোৱাৰ পিছত তোমাৰ পৰা মোৰ বুকুতে কিছু উজ্জ্বল শব্দ প্ৰবাহিত নোহোৱাৰ পিছত যেতিয়াই আৰম্ভ কৰো যাত্ৰা মোৰ পথ ভুল হয় অজানিতে ।

তোমাৰ ঘৰলৈ গৈ উভতি আহো শূন্য হাতত । মাথো বুকুৰ ভিতৰতে কিছু শোক ওফন্দি উঠে বুকুৰ ভিতৰতে ।

তোমাৰ ঘৰলৈ অহৰহ যাত্ৰা কৰাৰ নামেই হয়তো বা জীৱন । তোমাৰ ঘৰৰ পৰা উভোতাৰ নামেই হয়তো বা জীৱন । ❑

# অবক্ষয়

ৰাজীৱ বৰুৱা


গছেৰে বয়স লেখি
চুলি মেলি
পিৰালিত বহি থাকে আইতা
চকুৰে সকলোতে দেখা পায়
শুভ্ৰ শূন্যতা

বাও ভগা চকিখনত বহি আছে
গধুৰ শিলৰ দৰে নিৰ্জনতা

এদিন আইতাৰ চুলিয়েদি বগাই আহিছিল
গো-ধূলিটো
দীঘল উশাহ লৈ সি আইতাক স্পৰ্শ কৰিছিল
আইতাই তাক কুঁজা হৈ পীৰা পাৰি দিছিল
ভঁৰালৰ গাধৈত ওলোমাই থোৱা
এটা সপোনে হামিয়াইছিল
সিদিনাৰ পৰা আইতাই চুলি বন্ধা নাই

বাও ভগা চকিখনক
সময়ে এটা প্ৰশ্ন কৰিছে
আইতাই সহিছিল বাৰু কিয়
আধা কুৰি প্ৰসূতি বেদনা ?

চকিখন নিৰুত্তৰ
আইতা নিৰ্বাক
হোকা টনাৰ শব্দৰ বাহিৰে কোনেও একো শুনা নাই
আচলতে চকিখন ঘুণে ধৰিছে । ❑ ❑ ❑



# ফুলবাৰী

কবীন ফুকন

জি সময়ত অসম হাবি গুচি ফুলবাৰী হ'ব, নৈত ডোঙা গুচি জাহাজ হ'ব, ঘৰ বাহঁৰ গুচি সিল ইটাৰ হ'ব, গাঁৱে গাঁৱে হেজাৰ পৰ্হাশালি, গিয়ানৰ সভা, চিকিৎসালয়, দুখিয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হ'ব, আৰু জি কালত লোক সকলে পৰস্পৰ হিংসা নকৰি আটায়ে আটাইকে ভাত্ৰিৱত চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাখি নিদি লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেটি পাইও কাৰো অইনাই নকৰিব; বেস্যা, কানি আৰু সুৰা–এই কথা দেশত লোকে ভু নোপোৱা হ'ব; সেই সময়, হে পৰমপিতা জগদিশ্বৰ, সিগ্ৰে মিলোআ।"

*–আনন্দৰাম ঢেকিয়াল ফুকন।*

জেওৰা নাছিল, জপনা নাছিল,
সমুখতে পৰি আছিল জৰায়ুজ এৰাবাৰী ......

তেওঁ আহি সুধিছিল ঃ
ক'ত ক'তনো পাতিলা
মোৰ পুৱতিৰ সপোনৰ ফুলবাৰী ?

নিশৱদ নামিছিল নিজম নিশা ......

তেতিয়া
ধূলিৰে ধূসৰ কাণি-মুনি বেলা ।
অনাখৰী গধুৰ প্ৰাণেৰে
শুকাই যোৱা দূবৰিত মুকলিত বহিছিলো,
গণিছিলো চিনাকি আতংকৰ অনন্ত উৎকণ্ঠাৰ ক্ষণ;
চকুৰেই যেন দেখিছিলো
আচম্বিৎ অলৌকিকৰ আগমন ......

ফুকন আহিছিল, ঢেকিয়াল ফুকন,
আনিছিল স্মৃতি আৰু দৃষ্টিৰ উপকৰণ ।
অঙ্গহীন ছায়া হৈ আহিছিল তেওঁ,
কোমল চকুযোৰে যেন অলপকৈ হাঁহিছিল,
ছায়া হৈ ফুকন আহিছিল ।
পৰিশীলিত উদ্বেগেৰে কোমলকৈ সুধিছিল তেওঁ ঃ
ক'ত ক'তনো পাতিলা তোমালোকে
জীৱনে মৰণে বিচাৰি ফুৰা
সপোনৰ সেই ফুলবাৰীখন ?
ফাট মেলি কিয় ভাঙিব খুজিছে
সিলৰ ইটাৰ ঘৰ,
ভাই ভনীৰ মাজতেই কিয়
জন্ম জাতৰ আপোন পৰ ?

তেজৰ চেকা থকা এৰাবাৰীখন
নিশৱদ হৈ ৰ'ল;
তেওঁৰ শেতা ওঁঠহালি অলপকৈ কঁপি
খন্তেক নিজম হ'ল ।

আচম্বিতে তেওঁ নিজকেহে যেন চিকুটিলে,
আবেগৰ সানমিহলিক নিদাৰুণ দৃষ্টিৰে
কেনেবাকৈ' চম্ভালিলে ।
এইবাৰ তেওঁ দৃঢ়তাৰে ক'লে ঃ
অলপ খাটিলেই
চিকুণাব পাৰি আগলি চোতালখনি,
বাঁহ খেৰেৰেও
সাজি লব পাৰি হেজাৰ পৰ্হাশালি;
কিয়, কিয় হ'ব লাগে
আপোনাৰ ওপৰতে এনেখন অতপালি;
জি আছে তাৰো
মুদা মাৰি থোৱা বাৰে–বাংকৰা বেজালি ?

অলপীয়া পোহৰত হেৰাই যোৱাৰ আগতে
দৃঢ়ভাৱে তেওঁ সুধিলে ঃ
গিয়ানৰ সভাতে কিয় তোমালোকে গোহালি পাতিছা ?
লাখটকীয়া মিচা সাখিৰে নৰকৰ ধৰম পালিছা ?
আখৰ নুবুজা অবুজৰ দৰে আধুনিক আখৰ লিখিছা ?
কি সপোনৰ উদধিত উটি
দুটকীয়া ফালেঙীৰ বেস্যা সাজিছা ?

নিচেই কাষতে মোৰ দূবৰিত বহিছিল তেওঁ ।
পটলুং পিন্ধি ছায়া হৈ ফুকন আহিছিল,
আপোনাকে দোষি
বহুক্ষণ তেওঁৰ যেন হৃদয় দহিছিল,
দূৰণিৰ জৰণিৰ থাউনিত ধৰি আনি
তেওঁক যেন ইতিহাসে পকনীয়া প্ৰবাহত পোনা মেলিছিল ।
ছায়া হৈ আহিছিল তেওঁ,
পৰিশীলিত উৎকণ্ঠাৰে তেওঁ সমিধান খুজিছিল,
মোক নিমাত দেখি
জানো তেওঁ কি বুজিছিল !

নিশৱদ নামিছিল নিজম নিশা
আপোন ভূমিকা তেওঁৰ
লেশমানো ক্ষমা নকৰাকৈ'
যি সময়ত তেওঁ নিশৱদ গুচি গৈছিল,
কুকুৰাই ডাক দিছিল অদূৰত ......
সংগ্ৰামবিমুখ এটি নিঃকিন পুৱতি
ক'লা মেঘৰ সিপাৰে বাগি দি ফুৰিছিল ......
ছায়া হৈ ফুকন আহিছিল ......

হে মোৰ সমুখৰ এৰাবাৰী,
ক'ত ক'ত ক'ত
সংগ্ৰামী সপোনৰ ফুলবাৰী ? ❑



# বৈজয়ন্তী

নৱ মালতী নেওগ চক্ৰৱৰ্তী

বাটৰ কাষৰ বিহমেটেকা
আৰু বোকাৰ গোন্ধ,
অচিনাকি ছোৱালীবোৰৰ
জাকৈ মৰা শব্দ
ৰেল গাড়ীয়ে উকি মৰাৰ
প্ৰতিধ্বনি বোৰ
আজি কলৈ গ'ল ?
পুখুৰীৰ পাৰত থকা তগৰ জোপাৰ
মৃদু গোন্ধ,
'ইউক্লিপটাচ' গছৰ পাতে পাতে
লুকাচুৰি খেলা -----
বৈজয়ন্তী ! তোমাৰ জানো মনত আছে ?
আমাৰ শৈশৱৰ
তোমাৰ সেই উজ্জ্বলতা
মাৰ হাতৰ ফুলগছৰ সুগন্ধ সঁফুৰা
বিয়পি পৰিছিল মোৰ মন প্ৰাঙ্গনত
বৈজয়ন্তী ! তোমাৰ জানো মনত আছে ?
বিহুৰ সন্ধিয়া
শেৱালি ফুলৰ স্নিগ্ধতাৰে ভৰা জোনাকত
অম্বিকা গিৰি ৰায়চৌধুৰীৰ ককাৰ লাখুটিৰ শব্দ
আৰু তেওঁৰ কবিতাৰ জুইৰ ফিৰিঙতি বোৰ
আমাৰ আবৃত্তিৰ প্ৰতিধ্বনিৰ বুকুত সোমাইছিল
বৈজয়ন্তী তোমাৰ জানো মনত আছে ?
সত্ৰৰ ভকতৰ মৰম চেনেহ বোৰ
তাল খোলৰ শব্দৰে মুখৰিত হোৱা
দিনবোৰ মোৰ ৰিণিকি ৰিণিকি কাণত বাজে
বৈজয়ন্তী ! তোমাৰ জানো মনত আছে ?
ভেলা ঘৰৰ পৰা
মাৰ হাতৰ তিল পিঠাৰ গোন্ধ
আৰু পঢ়া কোঠাত দেউতাৰ নীৰৱ অধ্যয়ন,
আমাৰ শৈশৱৰ স্মৃতিৰ আবেগত
আজিও জীয়াই আছে ।
বৈজয়ন্তী তোমাৰ মনত জানো পৰে ?
বাৰিষাৰ কান্ধুলি মাছৰ ইলুটি সিলুটি,
পুঠি মাছৰ খলখলনি,
ৰান্ধনি ঘৰৰ দুৱাৰ মুখত উজান উঠা
কাৱৈ মাছৰ শব্দ বোৰ ......
মোৰ আজিও মনত আছে ।
বৈজয়ন্তী তোমাৰ জানো মনত পৰে ?
এতিয়া ক্ৰিকেট পিচৰ তলত
কবৰ দিয়া পুখুৰীৰ হাহাকাৰ–
তুমি জানো শুনা পোৱা ?
মোৰ ভাৱ আবেগত
তোমাৰ সৌন্দৰ্য ম্লান হোৱা দেখি,
মোৰ মন কান্দি উঠে– ।
আজি কোনোবা দেৱতাৰ অভিশাপত
তগৰৰ সুৱাস নাই ।
তোমাৰ দুৱাৰ মুখত উপচি পৰিছে
সাপৰ মোঁট আৰু শামুকৰ খোলাবোৰে–
পথ ৰুদ্ধ কৰি–
বৈজয়ন্তী তুমি জানো দেখা পোৱা নাই ? ❑



# গ'ধূলি চয়তান আৰু গ'ধূলি

সৌৰভ শইকীয়া

সত্যই মোক প্ৰতাৰণা কৰিছে
ক'ত থাকে সেই সত্য
মই তাকে আজি বিচাৰি যাম
পোহৰ আৰু সংশয়
সংগীত আৰু অন্ধকাৰৰ সকলো সমাৰোহ চূৰমাৰ কৰি
ক'ত লুকাই থাকে সেই সত্য
তাকে আজি বখলিয়াই চাম

কোনেও নাজানে, তাৰ ঠিকনা
তিতি জুৰুলি জুপুৰি মেঘবোৰে ক'লে
এই পাহাৰত আজি বৰষুণ
নাচি বাগি আমাৰ সকলো লুটি
মাজ নিশা দুৱাৰ মেলি সত্য গুচি গ'ল
জাক পাতি টুনি চৰাইবোৰে ক'লে
নাজানো আমি নাজানো
এই পথাৰত নহয় সত্যৰ ঘৰ

চৰাইপুঙৰ পিনে যেতিয়া আৰম্ভ হয় প্ৰবল গ্ৰীষ্ম
বৰষুণ নাথাকে, শেলুৱৈৰ চেপাত মাছবোৰ মৰে
তেতিয়াও পোহৰলৈ ওলাই নাহে সত্য
সত্য পলাতক সত্য প্ৰবঞ্চক, কাঠচিতীয়া এন্ধাৰৰ চয়তান
মই তাকেই আজি বিচাৰি যাম
কি গছৰ ডালত সি বতাহৰ হাত হৈ কঁপে
কোন নাৰীৰ তেজত সি গ'ধূলিৰ মাত হৈ জ্বলে
আজি তাকেই মই ফালি চিৰি চাম

সত্যই মোক কাঢ়ি নিব খুজিছে, প্ৰবঞ্চক সেই চয়তান ❑



OKDISCD

## পৰ্যটক ঈশ্বৰ


অঞ্জন ভূঞা



সময় আহি পাবহি সন্ধিয়াৰ চিনাকি বাটেৰে, হাতত তুলি দিব
সকলো দেশৰ ঠিকনা
এখন সুকীয়া মানচিত্ৰত অঁকা থাকিব–
কণ-কণ ছাত্ৰবোৰৰ স্কুলঘৰবোৰ, নদী আৰু পাহাৰে আবৰি থোৱা শইচৰ পথাৰ,
পুথিভঁৰালবোৰ, চিত্ৰশালা আৰু সংগীতালয়বোৰ ......
তাত কিছুমান কঠিনতম শব্দৰ সহজ তৰ্জমা কৰা হ'ব
নীলিম উপত্যকা আৰু আকাশক শিকোৱা হ'ব মোৰ মৰমিয়াল ভাষাটো

এনে বহুদেশ পাৰ হৈ, এদিন তোমাৰ দেশ পামগৈ
অলেখ কয়লাৰ ৰেলগাড়ী, চিটিবাছ আৰু খোজৰ শেষত,
অলেখ প্ৰেমাস্পদ, গলি আৰু মৃত্যুৰ শোকাবহতাৰ শেষত,
তোমাৰ স'তে দেখা হ'ব পাৰে;
কিছুবছৰ আগতে তুমি আঁকি দিয়া ছবিৰ কাকতখন লৈ বিচাৰি যাম–
আবেলি এটা। এখন নিতাল চৰাইখানা। কৰুণতম, এটা পদ্য।
স্মৰণ কৰিম আজিৰ দিনবোৰৰ সপোন যেন লগা এচেৰেঙা ৰ'দ, বতাহ আৰু বৰষুণ
তুমি আঁকি দিয়া ছবিটো লৈ মই বিচাৰি ফুৰিম
এটা সেউজ উপত্যকা। এটা ৰঙা বেলি। মোৰ প্ৰিয়তম ৰাগৰ স্বৰলিপি।
মানুহবোৰ টোপনিৰ পাছতো বিচাৰি যাম নদীৰ ঘাটত,

এনে বহুদেশ পাৰ হৈ, এদিন তোমাৰ দেশ পামগৈ
বহু মৃত্যু আৰু জৰাৰ দেশ পাৰ হৈ, বহু শোষণ আৰু গোপনীয়তাৰ বাট পাৰ হৈ
চৰাইখানাৰ মাতাল নিশা এটাও তোমাৰ স'তে দেখা হ'ব;
মেনত পৰেনে, প্ৰথম পিয়লাই মোৰ জিভাখন হৰণ কৰিছিল, দ্বিতীয় পিয়লাই মোৰ স্মৃতি
তৃতীয় পিয়লাই মোৰ সমস্ত কিতাপ ......
মই ঠিক এই সময়টোৱেই বিচাৰি ফুৰিছো,
বিচাৰি ফুৰিছো প্ৰাপ্য শান্তিৰ জন্মসিদ্ধ দাবী)
চৰাইখানাত তোমাৰ অবাধ অহা-যোৱা, সীমাৰ সতে মোৰো দিয়া-লোৱা নাই



এনে বহু দেশ পাৰ হৈ, এদিন তোমাৰ দেশ পামগৈ
তোমাৰ ছবিটো লৈ বিচাৰি যাম প্ৰতিজোপা গছৰ ঠিকনা
উৰ্বৰতাৰ স্বাগতম শব্দ-স্বাদ
(এই দেশৰ সকলো গছৰ ঠিকনা তোমাৰ ওচৰত পামনে ?)
আৰু সেই পৰ্যটক কবিৰ সকলো দুখ আৰু সৰলতাৰ ৰহস্য
......কণ-কণ গছবোৰক; জান, জুৰি আৰু মলয়াক মোৰ পাঠশালত দাখিল কৰাবা
সৰু-সৰু হাতবোৰত তুলি দিবা শব্দ আৰু বৰ্ণৰ সহজ তুলিকা–
চাবা, সিহঁতে আকউ হাতে-হাতে তুলি ল'ব বিজয়ৰ সমাহিত স্বপ্ন, ৰচিব
শান্তিৰ সুশীলতা

এনে বহু দেশ পাৰ হৈ, এদিন তোমাৰ দেশ পামগৈ
প্ৰতিটো শিশুৰ মৃত্যুৰ প্ৰতিবাদত বিচাৰি ফুৰিম শৈশৱৰ গৌৰৱী সময়
এন্ধাৰ শীতল নিশাবোৰতো 'কিউ' কৰিম ঃ
এচেৰেঙা ৰ'দ, এছাটি বতাহ যাৰ জন্মচৰ্ত,
তুমি আনিবা গান, আনিবা
শিশুৰ সততা, শান্তিময় শব্দোচ্চাৰণ

এনে সকলো দেশ পাৰ হৈ, এদিন তোমাৰ দেশ পামগৈ। ❑


ছবি ❑ চম্পক বৰবৰা



উপন্যাস

# ইতিহাসে ৰিঙিয়াই

প্ৰফুল্ল মহন্ত



অংকন ▫ চম্পক বৰবৰা

গলিটোৰ মুখতে ক্ষন্তেক ৰৈ বিনোদে আকাশখনলৈ চালে। আকাশ ফৰকাল। তাৰ মনটো ভাল লাগি গ'ল। আজি ৰ'দ দিব। তিনিদিন একেৰাহে মেঘে ঢকা আকাশখন দেখি দেখি তাৰ আমনি লাগিছিল। –দত্তৰ দোকানতে সোমাই চাহ একাপ খাই যোৱাৰ কথা ভাবি সি কেইখোজমান গলিটোৰে আগবাঢ়ি গৈ আকৌ থমকি ৰ'ল। ডাক্তৰ অৰূপৰ কথা মনত পৰিল। বাগানলৈ যোৱা তিনিদিন হ'ল। আজিও যদি সি ঘূৰি নাহে, তেন্তে তালৈ খবৰ এটা দিব লাগিব– বিনোদে ভাবিলে। বাগানৰ পৰা অৰূপ নিশ্চয় গাঁৱলৈ গ'ল। গাৱঁত পৰহি ভাওনা আছিল। ভাওনা বুলি কলে সি পাগল।

বিনোদ আগবাঢ়িল অৰূপৰ চেম্বাৰৰ ফালে। –বলিষ্ঠ দেহ, সুদৰ্শন এই অৰূপটো বিনোদৰ কাৰণে নহলেও বহুতৰ কাৰণে এক বিস্ময়–এটা সাঁথৰ। ৰাজপদ, বংশগৌৰৱ, সামাজিক প্ৰতিপত্তি, যিবোৰলৈ তাৰ পৰিয়াল ব্যস্ত সেইবোৰ একোৰে প্ৰতি তাৰ মোহ নাই। ভনীয়েক মাধুৰীৰ বাহিৰে কাৰো লগত তাৰ সম্পৰ্ক নাই। কেতিয়াবা মন গ'লে মাধুৰ ঘৰলৈকে যায়। চাহ বাগানৰ মালিকৰ ল'ৰা অৰূপে জীৱনৰ অৰ্থ বিচাৰি পাইছে আশাহত মানুহৰ মাজত। –বিনোদৰ চকুৰ আগত অৰূপৰ জীৱনৰ ডুখৰীয়া ছবিবোৰ চিনেমাৰ ৰিলৰ দৰে এটা এটাকৈ জিলিকি উঠিল।

হাজাৰ হাজাৰ বনুৱাৰ জীৱন দুঃস্বপ্নত পৰিণত কৰি অৰূপৰ দেউতাক ৰতন বৰঠাকুৰে সম্পত্তিৰ দৌল বান্ধি তাৰ সুউচ্চ শিখৰত বহি ৰাজবিষয়াৰ পৰা আৰম্ভ কৰি মন্ত্ৰী মুদাগৰলৈ বহুতকে একেসময়তে টকাৰে কিনি ৰাখিছিল। সপোন দেখিছিল এদিন তেওঁ অসমৰ মুখ্যমন্ত্ৰীৰ আসন শুৱনি কৰিব। অখণ্ড প্ৰতাপী ৰতন বৰঠাকুৰৰ সেইদিনাহে এক অজান আশংকাত বুকুখন কঁপি উঠিছিল–যি দিনা তেওঁৰ সৰু পুতেক অৰূপে বাগানৰ চীফ্ মেডিকেল অফিছাৰৰ চাকৰি এৰি দি সশব্দে ঘৰৰ পৰা ওলাই আহিছিল। বাপেকে ভাবিছিল, সি ঘূৰি আহিব, কিন্তু নাহিল। ৰতন বৰঠাকুৰে ভাবিব পৰা নাছিল, অৰূপে বন্ধ কৰি যোৱা দুৱাৰৰ শব্দ মুহূৰ্তৰ ভিতৰতে সকলো বাগানতে প্ৰতিধ্বনিত হ'ব। –চকুত তাৰ স্বপ্ন, মানৱ মুক্তিৰ, বুকুত নিটোল আশা, মনত দৃঢ় প্ৰত্যয়, বাহুত বল। কোনোদিন তাৰ মুখত কোনেও ক্লান্তিৰ চিন দেখা নাই। সি কয়,– সকলো দুখ লাঞ্চনাৰ সমুখত মূৰ তুলি থাকিবি জয় আমাৰেই। মই জানো–

যি দুঃসহ যন্ত্ৰণা
আজিও শেষ হোৱা নাই
এদিন কিন্তু হ'বই।

এয়ে তাৰ আশা। তাৰ কথা হ'ল মানুহৰ কাৰণে জীৱনটোৱেই ডাঙৰ–মৃত্যু নহয়। মৃত্যুভয় থাকিলে মৃত্যুঞ্জয়ী হ'ব নোৱাৰি।

যি দিনা বাগানৰ বনুৱাই ৰতন বৰঠাকুৰক বাগানৰ বাসভৱনত বাৰঘণ্টা সময় ঘেৰাও কৰি ৰাখিছিল সেইদিনা অৰূপৰ ককায়েক জীৱনে বন্দুকটো লৈ অৰূপক য'তে পায় তাতেই গুলীয়াই হত্যা কৰাৰ প্ৰতিজ্ঞা কৰি ঘৰৰ পৰা ওলাই আহিছিল। বাট ভেটি ধৰা মাকক আচাৰ মাৰি পেলাই ওলাই যোৱা জীৱনলৈ মাধুৰীয়ে থৰ হৈ চাই আছিল, কাঠৰ পুতলাৰ দৰে। মাতৃ হৃদয় হাহাকাৰ কৰি উঠিল–কিয় বাৰু সোণৰ পুতলিহেন ৰূপে এই নৰক কুণ্ডখনত জন্ম লৈছিল; মাকৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিল। তাৰ পিছতেই মাকে বিছনা লৈছিল। মাকে তাক পিটিকি পিটিকি গঢ়িছিল। মাকৰ কাৰণেই সি ডাক্তৰী পঢ়িছিল। সেইকথা বাপেকেও জানে। পাছ কৰি ঘূৰি অহাৰ পিছত অৰূপক বাপেকে বাগানৰ দায়িত্ব লবলৈ কৈছিল। সি মান্তি নহল। এদিন মাকে মাধুৰীক মাতি নি কৈছিল–তোক এটা কথা কোৱা নাই মাধু, তহঁতৰ একমাত্ৰ মোমায়েৰটো ভৰ ডেকা বয়সতে মৰিল। এপালি দৰবো নাপালে সি। মৰাৰ পিছতহে মোক খন্তেক সময়ৰ কাৰণে ঘৰলৈ যাবলৈ দিছিল। তহঁতে ভাবিছিলি মই ইচ্ছা কৰিয়েই যোৱা নাছিলো। সেইদিনাই মোৰ বিহ খাই মৰি যাবৰ মন গৈছিল। নমৰিলো। তহঁত দুটাক মানুহ কৰিব লাগিব–মানুহৰ নিচিনা। গাঁৱৰ দৰিদ্ৰ পৰিয়ালৰ ছোৱালী মই। দেউতাৰে মোৰ পৰিয়ালৰ নাম শুনিলেই ফেট তুলি উঠে। জান, মাধু, মোমায়েৰৰ বেমাৰৰ খবৰ পাই বিয়াৰ আগতেই দেউতাই দিয়া কাণফুলিযোৰকে বিক্ৰী কৰি যি পাই তাকে দেউতাক দি আহিবলৈ মই অৰূপক পঠাই দিছিলো। মই জানো, দেউতাই মোৰ এইখন ঘৰৰ উপাৰ্জনৰ এপইছাও নোচোৱে। ৰূপে তেতিয়া কলেজত নাম লগাইছিলহে। সি এসপ্তাহ আমাৰ ঘৰত থাকি ঘূৰি আহিল। সেই অপৰাধতে দেউতাৰে তাক ঘৰৰ পৰা উলিয়াই দিছিল। সি ওলাই নগ'ল। আৰু এতিয়া তাক ঘৰত ৰাখিব খুজিও নোৱাৰিলে।

মাক মৰা৲ পিছৰ পৰা সি তাৰ ঘৰৰ কথা একেবাৰেই নকয়। গাঁৱত বহুতেই নাজানে তাৰ বংশ পৰিচয়। মাজে মাজে মাথো সি মাধুৰ ঘৰলৈ যায়। তথাপি কেতিয়াবা তাৰ মনটো মাকৰ কাৰণে হাহাকাৰ কৰি উঠে। সেইটো কেৱল বিনোদ আৰু ৰাধাইহে বুজি পায়। সেই হাহাকাৰেই তাৰ পাথেয়। হাৱাৰ্ড ফাষ্টে ঠিকেই কৈছিল –যুগে যুগে এই জগতত, কেইজনমান লোকে সমস্ত মানুহৰ মাজত ভ্ৰাতৃত্ববোধৰৰ সপোন দেখিছে আৰু সেই সপোনৰ মাজতেই বিচাৰিছে তেওঁলোকৰ জীৱনৰ সকলো সুখ, সকলো প্ৰেৰণা, ইয়াতকৈ আৰু ডাঙৰ বিস্ময় কি থাকিব পাৰে। যুক্তি-যুক্ত আৰু বিজ্ঞানসম্মত বিশ্লেষণৰ দ্বাৰা সকলো বিষয়েই ব্যাখ্যা কৰিব পাৰি কিন্তু এই বিস্ময়ৰ ব্যাখ্যা নাই।–গাঁৱত বহুতেই কেতিয়াবা বিস্ময় বিমুগ্ধ দৃষ্টিৰে তালৈ চাই থাকে।

বিনোদ গৈ বজাৰৰ ওচৰতে থকা এটা প্ৰকাণ্ড ঘৰৰ সমুখত ৰ'ল। তাৰে দুটা কোঠা অৰূপে ভাড়ালৈ লৈছে। সেইটোৱেই তাৰ চেম্বাৰো। তাৰ কোঠাৰ দুৱাৰত তলা এটা ওলমি থকা দেখি বিনোদৰ খং চুলিৰ আগ পালেগৈ।–সি বোধহয় আজিও নাহিব। খন্তেক ৰৈ বিনোদে কি কৰিব ভাবিলে। নিৰাকাৰৰ ওচৰলৈ সি আজি যাবই লাগিব। সি সিহঁতক বিশ্বাসঘাতকতা কৰিয়েই ক্ষান্ত থকা নাই–সংগোপনে নিৰাকাৰে সিহঁতৰ পথত কাঁইট পুতি ফুৰিছে।–বিনোদ ঘূৰিব খুজিছে, এনেতে কোনোবা এটাই তাক পিছফালৰ পৰা ঢকা এটা মাৰিলে। বিনোদ চক্ খাই উঠিল।

–কি হ'ল, ইমানদিন ক'ত আছিলি ? ভাওনা ?–বিনোদে মুখ ঘূৰাই কলে।

–আৰু কি ? বৰ ভাল লাগিল ভাওনা খন।

অৰূপ তাৰ কোঠাৰ ফালে আগবাঢ়িল। দুৱাৰ খন খুলি সি বিনোদক মাতিলে। বিনোদৰ বহাৰ ইচ্ছা নাছিল, কাৰণ বহিলেই সি গাঁৱৰ কথা কবলৈ আৰম্ভ কৰিব। বিনোদ গৈ তাৰ চিনাকি ঠাই বিছনাৰ এচুকত বহিল। অৰূপে বেগটো টেবুলতে থৈ তাৰ ওচৰতে বহিল।

–সঁচাই বিনোদ, ভাওনা মানে তোক কি কম ! তই নগৈ বৰ ভুল কৰিলি।

–বাদ দে তোৰ ভাওনাৰ কথা–বিনোদে তাক খং তোলাবলৈকে জোকাই চালে। ভাওনালৈ যাব নোৱাৰি তাৰো মনটো বেয়া লাগি আছে। কাৰণ প্ৰথমবাৰৰ কাৰণে দুয়োখন গাঁৱৰ প্ৰায় একুৰি পাঁচটা খেল লগলাগি ভাওনা খন পাতিছিল। ভাওনা ভাল হোৱা বুলি শুনি তাৰো মনটো ভাল লাগি গ'ল। হওক, সিহঁতৰ শ্ৰম সাৰ্থক হৈছে।

–কিয় বাদ দিম ? কি দিব পাৰিছ গাঁৱৰ মানুহক ? গাঁৱৰ মানুহে প্ৰাণ ঢালি আনন্দ কৰে ভাওনাত। ভাওনা সবাহ বুলিলে একেবাৰে কব নোৱৰা হয়। সেইটো নোমল সি অৰ্জুন আৰু আমাৰ কমল কৃষ্ণ। মইতো দেখি আচৰিত। কি অপূৰ্ব মিলন। নোমলে দেখোন সদায় আমাৰ শত্ৰুতা কৰি আছিল। বুজিছ এইবোৰ কামৰ মাজেৰেহে মানুহক লগ লগাব পাৰি। সৰুতে যে আমি চিঞৰি চিঞৰি গাইছিলো–

ভাওনা সবাহ গীত ভাল পোৱা
মধুৰ মুৰুলী তান
দহোটাৰ কাম একেজনে কৰে
চহাৰ সৰল প্ৰাণ

ইয়াত কবিয়ে এটা শব্দও বেছিকৈ লিখা নাছিল।

বিনোদে বুজিলে এইবাৰ সি গাঁৱত নতুন কিবা আনন্দ পাই আহিছে। সেইখিনি কবলৈ নিদিয়ালৈকে সি তাক এৰি নিদিয়ে। গাঁৱলৈ যাবলৈ পালে সি বৰ আনন্দ পায়। গাঁৱৰ প্ৰতি, গাঁৱৰ মানুহৰ প্ৰতি, তাৰ এটা স্বাভাৱিক দুৰ্বলতা আছে। চিকিৎসাও কৰেগৈ গাঁৱতেই। গাঁৱৰ মানুহে মৰমো কৰে সেইদৰে। বতৰৰ ফলমূলৰ এটা ভাগ সি পাবই। ন-চাউল খোৱাৰ সময়ত তাৰ আজৰি নাই। মৰম আকলুৱা তাৰ মনটোৱে সহজ সৰল মৰমৰ মাজত নিজকে বিচাৰে।

–বুজিছ বিনোদ–অৰূপে আকৌ আৰম্ভ কৰিলে–খোৱা-পিন্ধা-থকাৰ দৰে প্ৰেম-প্ৰীতি, দয়া-মৰমো জীৱনৰ মৌলিক প্ৰয়োজন।

জীয়াই থকাৰ মানৱীয় অধিকাৰৰ পৰা বঞ্চিত মানুহে দেৱতাৰ ওচৰত আত্মসমৰ্পণ কৰি সুখ-শান্তি বিচাৰে। নিবিচাৰিব কিয় ? –বিনোদে নিজকে কলে–এইখন কুৰি শতিকাৰ সভ্য জগত, ঠিকেই মানুহ সভ্য হৈছে। কিন্তু বিজ্ঞানে জানো আনন্দলোকৰ সন্ধান পাইছে ? আজিৰ সভ্যতাই জানো সকলোৰে মাজত আনন্দ বিলাব পাৰিছে ? সেইখন গাঁৱলৈকে গৈছিল, নতুন সভ্যতা সংস্কৃতিৰ পতাকা উৰুৱাই–এদল বিপ্লৱী যোদ্ধা, নতুন সমাজ গঢ়াৰ দৃঢ় প্ৰত্যয় লৈ। ৰাইজে আদৰি লৈছিল। সিহঁতৰ মুখত নতুন জীৱনৰ ৰাণী শুনি ৰাইজ অভিভূত হৈছিল। সকলো সিহঁতৰ পিছত থিয় দিছিল। তাৰ পিছত কি পালে ৰাইজে ? কলৈ গ'ল বিপ্লৱী যোদ্ধাৰ দল ? অতীতৰ বুভুক্ষা বুকুত লৈ তাতেই পৰি ৰল মাটিৰ মানুহ। বাচি থকাৰ কি একাগ্ৰ বাসনা–মানুহক মাটি লাগে। মাটিৰ আশা যেতিয়াই দুৰাশাত পৰিণত হৈছে আৰু যেতিয়াই বুজিছে নিজৰ শক্তি সীমাৰেখাৰ ভিতৰত ইয়াৰ সমাধান অসম্ভৱ, তেতিয়াই তেওঁলোকে দৌৰ মাৰিছে দেৱতাৰ ওচৰত শক্তি ভিক্ষা খুজিবলৈ। তাৰ মাজতেই বিচাৰি পাইছে সকলো সুখ আনন্দ আৰু বাচি থকাৰ প্ৰেৰণা।

–তই হবলা সেইটো এতিয়াহে বুজিলি ?

–নহয় অ বুজি পালেও উপলব্ধি কৰিব পৰা নাছিলো।

সকলোৱে বিচাৰে, প্ৰেম-প্ৰীতি, দয়া-মৰম, আৰু বিচাৰে নিজৰ জীৱনটোক সুন্দৰ ৰূপত চাবলৈ। কিন্তু পাৰিছে জানো ?

–নাই পৰা। তাৰ কাৰণে আমিবোৰেই দায়ী। মানুহৰ সুন্দৰ জীৱনৰ স্বপ্নক থান বান কৰা মানৱতাৰ জঘন্য শত্ৰুবোৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিলেই নহ'ব। একে সময়তে সুন্দৰ সুস্থ এখন সমাজৰ প্ৰতিচ্ছবি তুলি ধৰি মানুহক সংগ্ৰামৰ মাজেৰে আগবঢ়াই নিব লাগিব। সুন্দৰ জীৱনৰ সপোন তেওঁলোকৰ চকুত জিলিকাই তুলিব লাগিব বুজিছ–

যে সমুদ্ৰ সবথেকে সুন্দৰ
তা আজও আমরা দেখিনি।
সব থেকে সুন্দৰ শিশু
আজও বেড়ে উঠে নি।
আমাদের সব থেকে সুন্দৰ দিন গুলো
আজও আমরা পাইনি।
মধুৰতম যে কথা আমি বলতে চাই
সে কথা আজও আমি বলি নি।

অৰূপে ঠিকেই উপলব্ধি কৰিছে। তথাপি বাস্তৱ জীৱন ভালদৰে চিনি পাবলৈ এতিয়াও বাকী আছে। বাস্তৱক নিচিনিলে স্বপ্নই সত্য হৈ ধৰা নিদিয়ে। বাস্তৱৰ সমগ্ৰ ৰূপ যিদিনা তাৰ চকুত ধৰা পৰিব সেইদিনাহে সি বিচাৰি পাব সুন্দৰ জীৱনৰ সঁচাৰ কাঠি। এতিয়াও সি বাস্তৱৰ এটা দিশহে দেখা পাইছে।–বিনোদে ভাবিলে।

–বাৰু এতিয়া ক চোন গাঁৱৰ খবৰ ?

–মানুহবোৰ আগতকৈ সচেতন হৈছে যদিও অভাৱ অনাটনে মাজে মাজে কিছুমানক বিচলিত কৰে। তাৰ উপৰি আগৰ বিপ্লৱীসকলে কৰা বিশ্বাসঘাতকতাইও তেওঁলোকৰ মাজত মাজে মাজে দোলা দি যায় যেন অনুমান হ'ল। তথাপি কিন্তু ভাওনাত যি মিলন আৰু অফুৰন্ত প্ৰাণ শক্তিৰ পৰিচয় দিলে তাৰ তুলনা নাই।

–খাটিখোৱা মানুহৰ সৃষ্টিশীল আত্মপ্ৰকাশৰ বাবে এইটোৱেই বিশেষ মাধ্যম। এটা সময়ত কথা পাতি পাতি দুয়োটা ওলাই আহিল। বিনোদে বুজিলে অৰূপে তাৰ কবলগা সকলোখিনি খুলি কোৱা নাই। সময়ত সি নিজেই কব বুলি ভাবি বিনোদে আৰু নুখুচৰিলে। আজি দিনত বিনোদ প্ৰেছলৈ নাযায়। কৃষক বিক্ষোভৰ কাৰণে নগৰতো প্ৰস্তুতি চলাব লাগিব। নগৰত কৰ্মীৰ সংখ্যা কম। সেয়ে অৰূপে ঘূৰি আহোতে পলম কৰাত তাৰ খং উঠিছিল।

দত্তৰ দোকানতে দুয়োটাই চাহ খালে। কামবোৰ ভগাইলৈ অৰূপে বিক্ৰম সিঙৰ ঘৰৰ ফালে খোজ দিলে। ইঞ্জিনীয়াৰিং কাৰখানা কেইটাৰ ইউনিয়নৰ গোহাৰিখন আজিয়েই প্ৰেছত দিয়াৰ কথা। সেইটো অৰূপৰ দায়িত্বতে আছিল। বিনোদে অৰূপ যোৱাৰ ফালে খন্তেক চাই থাকি বিপৰীত ফালে খোজ দিলে। ক্ষুদ্ৰ ককাইদেউক সি আজিয়েই লগ ধৰিব লাগিব। নহলে আইনৰ দোহাই দি চৰকাৰে ৰাইজৰ ওপৰত আৰু অত্যাচাৰৰ চলাব। ক্ষুদ্ৰ বৰদলৈ উকিল। বিনোদহঁতৰ গাঁৱৰে। বিনোদে নিজৰ ককায়েকৰ নিচিনাই ভাবে। আজি দুবছৰমানৰ পৰা মানুহজনে কেৱল সিহঁতৰ পৰাই নহয় সকলোৰে পৰা সচেতনভাবে আঁতৰি ফুৰাটো বহুতেই লক্ষ্য কৰিছে। তেওঁ কাছাৰীত থকাৰ কাৰণেই যে গাঁৱৰ মানুহ নিৰ্ভয়ে কাছাৰীলৈ আহে সেইকথা তেওঁ ভাবি নাচায় কিয় ? গাঁৱত ক্ষুদ্ৰ বৰদলৈক উকিল বুলিয়েই নহয় এজন সৎ মানুহ হিচাপেও সকলোৱে বিশ্বাস কৰে। ভাল পায়। অথচ তেওঁ সেইমানুহ বোৰৰ পৰাও পলাই ফুৰিবলৈ বিচাৰে। বিনোদহঁতৰ ৰাজনৈতিক জীৱনৰ পথ প্ৰদৰ্শক আছিল ক্ষুদ্ৰ। আজিও বিনোদহঁতৰ বহুতৰে তেওঁ কৰ্মপ্ৰেৰণাৰ উৎস।

–বিনোদ দা।–বিনোদে ঘূৰি চালে। আলিটোৰ বিপৰীত ফালে পলাশ গোহাঁই থিয় দি আছে। বিনোদে কিবা কোৱাৰ আগতেই পলাশ আলিটো পাৰ হৈ তাৰ ওচৰ পালেহি। পলাশ স্থানীয় কলেজ এখনৰ ৰাজনীতিৰ শিক্ষক। কামত সোমোৱা বেছি দিন হোৱা নাই।

–পাঁচ তাৰিখে সাংস্কৃতিক সংঘই দেখোন অসম বন্ধৰ আহ্বান দিছে। আজি ন-বজাৰ নিউজত শুনিলো।

–ন-বজাত–বিনোদ চক্ খাই উঠিল। সি তেতিয়া অৰূপৰ লগত কথাত ব্যস্ত আছিল। নিৰাকাৰহঁতে বাধা দিব বুলি বিনোদে আগতেই সন্দেহ কৰিছিল। কিন্তু হঠাতে অসম বন্ধৰ আহ্বান দিব বুলি ভবা নাছিল। সিহঁতৰ আন্দোলনৰ কাৰ্যসূচী সকলো বাতৰি কাকতত ওলোৱাৰ পিছত, আজি নিৰাকাৰহঁতে এনে এটা সিদ্ধান্ত ঘোষণা কৰাৰ নেপথ্যত যে চৰকাৰো আছে সেইটো বিনোদৰ বুজিবলৈ বাকী নাথাকিল।

–আপোনালোকে পিছে কি কৰিম বুলি ভাবিছে।–পলাশে সুধিলে

–চিন্তা কৰিব লাগিব পলাশ। আমি আন্দোলনৰ কাৰ্যসূচীহে প্ৰচাৰ কৰিছিলো নিৰ্দিষ্ট দিন মুকলিভাবে ঘোষণা কৰা নাছিলো। কেনেকৈ জানিলে সিহঁতে ?

–বিনোদদা, স্মৃতিৰেখা বাইদেউ আপোনালোকৰ লগত নাইনে কি ?

–কিয় সুধিলা ?–বিনোদে তাৰ প্ৰশ্নটোত বিশেষ গুৰুত্ব দিবলৈ বিচৰা নাছিল। তথাপি কিয় জানো মন গ'ল, স্মৃতিৰ বিষয়ে জানিবলৈ। স্মৃতিৰেখা, ক্ষুদ্ৰৰ ঘৈণীয়েক জীৱন বীমাৰ উন্নয়ণ বিষয়া।

–সুধিলো, এই কাৰণেই যে, ইয়াৰ জীৱন বীমা কৰ্মী ইউনিয়নৰ নেতৃত্বত ক্ষুদ্ৰদাই আছিল। অথচ স্মৃতিৰেখাই নিৰাকাৰ আৰু বিজয়ৰ লগ লাগি এখন নতুন ইউনিয়ন গঠন কৰাৰ কাৰণে প্ৰস্তুতি চলাইছে।

–কথাটো মইও শুনিছিলো। কিন্তু বিশ্বাস হোৱা নাই। তুমি কেনেকৈ জানিলা ?

–কথাটো সঁচা। মোৰ সম্পৰ্কীয় ভাই এটাই তাতেই কাম কৰে।–পলাশে ভালদৰে জানে বিজয়,নিৰাকাৰহঁতৰ কোনো দল নাই, সিহঁত সুবিধাবাদীৰ দল। কাৰ্তিকহঁত ৰোমাণ্টিক বিপ্লৱী। নিজকে বিপ্লৱী বুলি প্ৰতিষ্ঠা কৰাতেই ব্যস্ত। সেয়ে সিহঁতৰ প্ৰয়োজন দুই এজনী সুন্দৰী নাৰীৰ। পাইছেও।

–স্মৃতিৰেখাৰ পৰা তাতকৈ বেছি কি আশা কৰিবা ? এইবোৰত বিচলিত নহবা। প্ৰচুৰ মান সন্মান, সুখ-সম্পদৰ অধিকাৰী এটা প্ৰাচীন অভিজাত পৰিয়ালৰ পৰা আহিছে স্মৃতি। বঞ্চিত চেতনাই বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰিব পাৰে।

পলাশে কথাটো সেইধৰণে ভবা নাছিল। সি ভাবিছিল স্মৃতিয়ে ৰাজনীতি কৰে, এটা নিৰ্দিষ্ট আদৰ্শত বিশ্বাস কৰে। হয়তো পথ সুকীয়া। সি নাজানে স্মৃতিয়ে সংস্কৃতি সাধনাৰ নাম বিচাৰিছে কেনেকৈ দহোটা ডেকা ল'ৰাক নচুৱাই ফুৰাব পাৰে। চেহেৰাও আছে, বাসনাও আছে, গতিকে ক্ষুদ্ৰৰ সমুখতে ডেকা মানুহকে নহয়, ল'ৰাকো নচুৱাইছে আৰু নিজেও নাচিছে। ক্ষুদ্ৰ নামৰ মানুহ এটা যে আছে সেইটো স্মৃতিয়ে কোন কাহানিতেই পাহৰি গৈছে যেন লাগে পলাশৰ।

–আন এটা কথাও হ'ব পাৰে যে, যিহেতু সেইটো সাংস্কৃতিক সংগঠন, গতিকে ভূমি সংস্কাৰৰ দৰে এটা ৰাজনৈতিক সমস্যাক গুৰুত্ব দিয়া নাই।–পলাশে কলে।––বাচি থকাটোৱেই মানুহৰ মূল প্ৰেৰণা। মানুহৰ ইতিহাস বাচি থকাৰ কাৰণে কৰা সংগ্ৰামৰ ইতিহাস। ইতিহাস মানুহৰ ক্ৰমবিকাশৰ ইতিহাস, ভগৱানৰ আত্মজীৱনী নহয়। প্ৰকৃতিক জয় কৰি, মানুহৰ দৰে বাচি থাকিবলৈ কৰা প্ৰচেষ্টাই জানো সংস্কৃতি নহয় ? সংস্কৃতি শিল্প বাস্তৱ জগতৰে প্ৰতিভাসিত ৰূপ। গতিকে সাংস্কৃতিক



OKDISCD

কৰ্মীয়ে, সংস্কৃতিৰ স্ৰষ্টা, কৃষকৰ সমস্যাক অস্বীকাৰ কৰাৰ অৰ্থ হ'ব বাস্তৱকে অস্বীকাৰ কৰা ।

—পলাশে নিজকে এবাৰ কথাবোৰ সুধি চালে ।

পলাশে এবাৰ বিনোদৰ মুখলৈ চালে । নিৰ্বিকাৰ, খং বিৰক্তিৰ চিন লেশমানো নাই । হঠাতে পলাশৰ মনটো উৰা মাৰিলে মাকৰ ওচৰলৈ । ৰ'দে পোৰা মাকৰ মুখখন তাৰ চকুৰ আগত জিলিকি উঠিল । বাপেকে এতিয়াও গোলোক মহাজনৰ আধিলৈ লোৱা মাটি কেইডৰা এৰি দিব পৰা নাই । দিব কেনেকৈ ? সি দিয়া টকা কেইটাৰে ছটা মানুহ পোহ যাব নোৱাৰে । সিহঁতৰ নিজৰ মাটিকে নিজে আধিলৈ লব লগা হৈছে । পাঁচ বছৰৰ আগতেই দুশ টকাত দুবিঘা মাটি গোলোক মহাজনৰ ওচৰত বন্ধক দিছিল । সেই মাটি আজিও মোকলাব পৰা নাই । এই বছৰ মুকলি কৰিব নোৱাৰিলে সেই মাটি মহাজনৰ নামলৈ যাব হেনো । এইবোৰ জানো সামন্তীয়া শোষণেই নহয় ?—পলাশে নিজকে সুধিলেই ? নিৰাকাৰ, সি গাঁৱৰ ল'ৰা হৈ নিজৰ ককাই-ভাইক কেনেকৈ প্ৰতাৰণা কৰিব পাৰিছে ? স্মৃতিৰ কথা সুকীয়া, তাইৰ তেজতেই আছে প্ৰাচীন ভুৱা আভিজাত্য আৰু আছে পুঁজিবাদী অৱক্ষয়ী সভ্যতাৰ ব্যক্তিকেন্দ্ৰিক ৰোমাণ্টিক বিলাসিতা । বিশ্ববিদ্যালয়ৰ পৰা স্বৰ্ণপদক লাভ কৰি সন্মান অৰ্জন কৰা ক্ষুদ্ৰ উঠি অহা চামৰ ৰাজনৈতিক দিগদৰ্শক হলেও, তেওঁ গাঁৱৰ আধিখোৱা খেতিয়ক কণল'ৰা কেওঁটৰ ল'ৰা । তেওঁৰ সৰলতাৰ মাজত, আদৰ্শ নিষ্ঠাৰ মাজত স্মৃতিয়ে একো বিচাৰি নোপোৱাটো কোনো অস্বাভাৱিক নহয় । সেইবুলি ক্ষুদ্ৰই কাৰো ওচৰত নিজক বিক্ৰী কৰা নাই । নিৰাকাৰহঁতে স্মৃতিক লৈ সংস্কৃতিৰ চৰ্চা কৰিছে,—সংস্কৃতি মনৰ বিলাস নহয় । বাস্তৱ প্ৰয়োজনতে তাৰ জন্ম । অথচ সুন্দৰ জীৱন আজিও অজ্ঞাত ৰহস্য হৈয়ে আছে । সেই সুন্দৰ জীৱনৰ প্ৰতিচ্ছবি বঞ্চিত আশাহত জনসাধাৰণৰ সমুখত তুলি ধৰিব লাগিব শিল্পীয়ে । বিনোদহঁতৰ সংগ্ৰামৰ অনুকূলেই সৃষ্টি কৰিব লাগিব শিল্প-সাহিত্য, প্ৰতিষ্ঠা কৰিব লাগিব জনমানসত সংস্কৃতিৰ আদৰ্শ, ব্যৰ্থ কৰিব লাগিব নিৰাকাৰহঁতৰ দুষ্কৃতিৰ ছলনা । পলাশে ভাবিলে । পলাশ যোৱাৰ ফালে এবাৰ চাই বিনোদ আগবাঢ়িল । সি এতিয়া যাব কোনফালে—মনটো তাৰ খেলি-মেলি লাগি গ'ল । নিৰাকাৰ শইকীয়াকেই প্ৰথমে লগ ধৰা ভাল । সিয়েই সাংস্কৃতিক সংঘৰ সম্পাদক ।—বিনোদৰ মনত পৰিল এৰি অহা দিনবোৰলৈ, মনত পৰিল গাঁও কেইখনলৈ । আন্দোলনটো যদি বন্ধ কৰি দিয়া হয়, তেন্তে ৰাইজে কি ভাবিব ।—যি খন গাঁৱত তাৰ জন্ম, যিবোৰ মানুহে তাৰ মুখলৈ চাই আছে, সেইখিনি মানুহৰ জীয়াই থকাৰ যুঁজখন ব্যৰ্থ কৰিবলৈ নিৰাকাৰে সংগোপনে কাম কৰি আছে । ইহঁতক ক্ষমা কৰাটো সামাজিক অন্যায়ৰ সমতুল্য । পেটৰ তাগিদাত তাৰ বাপেকেও চৰকাৰী মাটি দখল কৰিছিল । বৃকোদৰ আৰু ৰমেশ মহাজন ইহঁতেই চৰকাৰৰ সহযোগত সেই মাটিৰ পৰা ৰাইজক উচ্ছেদ কৰিছিল । আৰু এতিয়া সিহঁতেই আধি মাটিৰ পৰাও ৰাইজক বঞ্চিত কৰিবলৈ উঠি পৰি লাগিছে । নিৰাকাৰে সিহঁতৰেই লগ লাগি সংস্কৃতি সংৰক্ষণ, ঐতিহ্য প্ৰচাৰত লাগিছে ।

—আহ, আহ, সাংবাদিক, আজি ভাল মনত পৰিল । (নিশ্চয় আজি নিউজটো শুনিয়েই ই আহিছে । মজা দিম) আহ্ বহুদিনৰ মূৰত দেখা পাইছো ।—নিৰাকাৰৰ মাতত বিনোদ চক্ খাই উঠিল । কথাবোৰ ভাবি আহি থাকোতে কোন মুহূৰ্তত তাৰ পদুলিমুখ পালেহি সি গমেই নাপালে । নিৰাকাৰ বাৰান্দাত থিয় দি আছে । বিনোদে লোহাৰ জপনাখনত ধৰি খন্তেক ৰৈ ঘৰটোত চকু ফুৰালে । এৰা, সি এইফালে বহুত দিন অহা নাই । জপনা খন খুলি সি লাহে লাহে সোমাই গ'ল ।

ড্ৰয়িং ৰুমত সোমাই বিনোদৰ চকু থৰ হ'ল । গাঁৱত তাৰ মাক-বাপেক যিটো ঘৰত আছে তালৈ মনত পৰাত বিনোদে আকৌ এবাৰ নিৰাকাৰৰ মুখলৈ চালে । নিৰাকাৰে ঘৰ সাজিলে তাৰ কি হ'ল ? তাৰ ঘৰ সজাৰ কাহিনী বহুতৰ মুখত বহুত ধৰণে শুনিছে, আজি সি সেইবোৰ কাহিনীৰ কথা সুধিবলৈ অহা নাই । অপৰাধীৰ দৰে সেমেনা-সেমেনিকৈ থিয় দি থকা নিৰাকাৰৰ চকুত চকু থৈ বিনোদ খন্তেক ৰ'ল ।

—বেচ ডাঙৰ ঘৰ সাজিলি—বিনোদৰ মুখৰ পৰা ওলাই গ'ল ।

—এইবোৰ নকবি—নিৰাকাৰ বিনোদৰ মুখা মুখিকৈ বহিল—বিয়া বাৰু কৰালে নিজৰ ইচ্ছাৰ বিৰুদ্ধেও কিছুমান কাম কৰিব লগা হ'য় । (মূৰ্খ ! তহঁতৰ দৰে ভিক্ষাৰীৰ নিচিনাকৈ থাকিব নোৱাৰো । ধন ঘটিব জানিব লাগে) । তই আচৰিত হৈছ বুলি বুজিছো । (আচৰিত নহবি কিয়—তোৰ সাত পুৰুষেও এনে এটা ঘৰ দেখা নাছিল । তোৰ জীৱনত এনে এটা ঘৰহে নালাগে চালি এখনো নহ'ব ।) মই নিজেও ভাবিব পৰা নাছিলো ঘৰটো হবগৈ বুলি । (বৃকোদৰে মাটি দুকঠা দিছে । এইবাৰ তহঁতক এশিকনি দিয়াব পাৰিলে চৰকাৰে কমেও এক লাখ দিব । তাৰে আৰু এটা ঘৰ সজাম ।) ধাৰ বহুত হ'ল বিনোদ । জীৱনটো ধাৰ মাৰোতেই যাব যেন পাইছো । (মূৰ্খ ! গাড়ীখনৰ কথা শুনিলে তই পাগল হবি । জীৱনটো কেনেকৈ উপভোগ কৰিব লাগে তাক মই ভালদৰে জানো ।) বাৰু এতিয়া তোৰ খবৰ ক ।

—কি খবৰ লাগে নো ? সকলো দেখোন তই জানই । কথা এটা আলোচনা কৰিবলৈ তোৰ ওচৰলৈ আহিলো ।

—কি কথা ?

—অহা পাঁচ তাৰিখে তহঁতে অসম বন্ধৰ আহ্বান দিছ ।

—ঘোষণা কৰা কেইবাদিনো হ'ল ।

—ফাকি দি লাভ নাই । গাঁৱৰ মানুহে আন্দোলন আৰম্ভ কৰাৰ বাতৰি প্ৰচাৰ হোৱাৰ পিছত কালি তহঁতে ঘোষণা কৰিছ ।

—তই ভুল বুজিছ । কালি ৰেডিঅ'ই নিউজটো প্ৰচাৰ কৰিছে । সিদ্ধান্ত গ্ৰহণ কৰা বহুত দিন হ'ল (ইমান সংগোপনে কামটো কৰাৰ পিছতো ইহঁতে গম পালে কেনেকৈ ? যি হওক উঠিব নোৱৰাকৈ তহঁতক এশিকনি দিম । বিপ্লৱ কৰ !)

—দুদিন পিছলৈ নিলে তহঁতৰ কিবা অসুবিধা হ'ব নে কি ?

—তহঁতেই দেখোন দুদিন পিছলৈ নিব পাৰ ।

—নিশ্চয় পাৰো, কিন্তু কথা হ'ল অযথা তহঁতে ৰাইজক জুলুম দিব খুজিছ কিয় ?

—জুলুম—নিৰাকাৰে আচৰিত হোৱাৰ ভাও জুৰি কলে—ৰাইজৰ কাৰণে কাম কৰিবলৈ যাওঁতে ৰাইজক জুলুম দিয়া বুলি যদি ভাব, তেন্তে মোৰ উপায় নাই ।

—তাৰিখটো সলনি কৰিব পাৰিবিনে নোৱাৰ সেইটো কলেই হ'ল ।

—মই কেনেকৈ কম । ৰাজ্যিক কমিটিৰ সিদ্ধান্ত ।

—নিৰাকাৰ আৰু কিমান দিন ফাকি দিবি ? ক'ত আছে তহঁতৰ ৰাজ্যিক কমিটি—বিনোদৰ খং উঠা দেখি নিৰাকাৰ মনে মনে থাকিল ।

—তোক দোষ দি কি লাভ—তইয়ো এই ক্ষয়িষ্ণু সমাজৰে ফল ।—বিনোদে ভাবিলে—তথাপি তোৰ ওচৰলৈ আহিছিলো, কাৰণ তই মোৰ বাল্যকালৰ বন্ধু । তোক লগ পাইছিলো ভাদ মহীয়া পলসুৱা বোকাত, আঘোণৰ সোণালী পথাৰত । লগ পাইছিলো স্কুলত কলেজত সহপাঠী হিচাপে ।—বিনোদৰ মন দৌৰ মাৰিলে এৰি অহা দিনবোৰলৈ । —শৈশৱ পাৰ কৰি কৈশোৰত ভৰি দি প্ৰতিজ্ঞা কৰিছিলো আমি—তই মই বলীন দেবেন, বলো—আজলী আমাৰ গাঁও খনলৈ হাঁহিৰ ঢল বোৱাম, ৰাইজৰ মাটি ৰাইজৰ হাতত তুলি দি, গাঁৱত নতুন জীৱনৰ বাতৰি বিলাম, আমাৰ হাতত ৰাইজৰ আশা-আকাঙ্ক্ষা ফুল হৈ ফুলি উঠিব । আজি তই আমাক নহয় তোৰ নিজ শ্ৰেণীক বিশ্বাসঘাতকতা কৰি শ্ৰেণী শত্ৰুৰ হাত মিলাইছা ।

—কি ভাবিছ বিনোদ । (ভাবিছ, এসময়ত আমি যিবোৰ আদৰ্শৰ কথা কৈছিলো । টকা ন'হলে সকলো মিছা । বিপ্লৱ আদৰ্শ সকলো ভুৱা । টকা, নাৰী-এইবোৰহে সঁচা । মই জানো ভাল মানুহ নাছিলো । কিন্তু বি হ'ল, সঁচা কথা কোৱা আৰু সৎহৈ থাকিব খোজাৰ কাৰণে চাকৰি এৰিবলগীয়া হ'ল । এতিয়া মোৰ কি নাই—টকা, সুন্দৰী পত্নী, ঘৰ-গাড়ী সামাজিক প্ৰতিষ্ঠা-সকলো পাইছো । অশান্তিও নাই ।)

—ভাবিছো তই কেনেকৈ আমাক বিশ্বাসঘাতকতা কৰিব পাৰিলি ।

—বিশ্বাসঘাতকতা ! জাতীয় সাহিত্য-সংস্কৃতিক ৰক্ষা কৰাটোক তহঁতে তেন্তে বেয়া বুলি ভাব । দোষ তহঁতৰ সেইখিনিতেই ।

—মানুহৰ জীয়াই থকাৰ প্ৰশ্নতকৈ তোৰ সাহিত্য-সংস্কৃতি ডাঙৰ নহয় । সাহিত্য-সংস্কৃতিৰ নামত ৰাজনীতিৰ জুৱা খেলিছ কিয় ?

—ৰাজনীতি—নিৰাকাৰৰ মুখত এটা ব্যংগ হাঁহি বিৰিঙি উঠিল । (এইবাৰ হয় শিক্ষা মন্ত্ৰী নতুবা এম, পি, হ'বলৈ গৈ আছো । মূৰ্খহঁত তহঁত এনেকৈয়ে জহন্নামে যাবি ।) ৰাজনীতি মই কৰা নাই, নকৰো । কিন্তু আমি বুদ্ধিজীৱীবোৰ জাতিটোৰ ওচৰত দায়বদ্ধ । সেয়ে জাতিটোৰ অস্তিত্ব যাতে বিপন্ন নহয়—

—জাতিৰ কথা নোকোৱাই ভাল—বিনোদে তাৰ কথাৰ মাজতে ক'লে—বুদ্ধিৰ বেশ্যামী কৰি জাতিৰ সতীত্ব ৰক্ষা কৰিব নোৱাৰ । এটা কথা কৈ থওঁ, জাতি জাতি বুলি চিঞৰ বাখৰ কৰি নাথাকিবি । বৃকোদৰ, ৰমেশ মহাজন, তই এইবোৰ এটা শ্ৰেণীহে—এটা জাতি নহয় । জাতিটোৰ নামত, ভাষা-সাহিত্যৰ ঠিকাদাৰী কৰি ধন ঘটাতকৈ দেখাদেখিকৈ পি, ডব্লিউ, ডিৰ ঠিকা লৈ ধন ঘটা হ'লে মোৰ কব লগা একো নাছিল । কথা আৰু নাপাতো । এতিয়া যাওঁ ।

নিৰাকাৰৰ উত্তৰলৈ অপেক্ষা নকৰি বিনোদ ওলাই আহিল ।

বিনোদে আহি কাছাৰীত ক্ষুদ্ৰৰ খবৰ ললে । কাছাৰীত নাই, কেতিয়াবাই ঘৰলৈ গ'ল । সি ঘৰলৈ যোৱাৰ কথা ভাবি সেই ফালে খোজ দিলে । আজিকালি ক্ষুদ্ৰই কাৰো লগত কথা নাপাতে । কাছাৰীতো বেছি সময় নাথাকে । ক্ষুদ্ৰৰ এই পৰিবৰ্তন বিনোদে লক্ষ্য নকৰা নহয় । কিন্তু সি ক্ষুদ্ৰক সুধিবলৈ ভাল পোৱা নাই । সংগ্ৰামী বিবেক যুৱকৰ দুদিন পিছত কিয় এনে হয় । বিপ্লৱীয়ে আজিকালি বাণী শুনাবলৈ লৈছে । মৰেলিটিৰ কথাও বৰকৈ কয় । চল্লিশৰ ডেওনা পাৰহোৱাৰ লগে লগেই প্ৰায়বোৰ বিপ্লৱীয়েই নীতিবাগীশ হ'বলৈ ধৰিছে সি ভাবিলে । বিপ্লৱ হ'ব কেনেকৈ ? ডেকা বয়সৰ আবেগ উত্তেজনাত বিপ্লৱৰ কথা কোৱাটো এটা ফেশ্যন্ হৈ পৰিছে । এই ৰোমাণ্টিক বিলাসিতাক প্ৰতিহত কৰিবই লাগিব । কিন্তু ক্ষুদ্ৰ ককাইদেউতো ৰোমাণ্টিক বিপ্লৱী নহয়—তেন্তে কিয় তেওঁ মানুহৰ পৰা পলাব খুজিছে ? নাই আজি সুধিবই লাগিব । আজি কালি বসন্ত, কাৰ্তিক, গোপী, ফটিকহঁত যায় আৰু যায় বিজয় বৰুৱা । অৱশ্যে এইবোৰ যায় স্মৃতি বৌৰ ওচৰলৈ, ককাইদেউৰ ওচৰলৈ নহয় । তাৰ কাৰণেই মানুহটো অসন্তুষ্ট নে কি ? বিজয়—সেই ভণ্ডটোৱে টকাৰ জোৰত বহুতকে নচুৱাই আছে । কিহৰ অভাৱ ককাইদেউ । ঘৰ হ'ল, বৌৰ চাকৰি হ'ল, ল'ৰা এটা, কোনো জঞ্জাল নাই তথাপি মানুহটো গাঁৱলৈ নাযায়, ইয়াতো কলৈকো ওলাই নাহে—হয়তো কিবা কামত নিজক নিয়োগ কৰিছে । যদিহে কৰা নাই এই মানুহটোক উলিয়াই আনিবই লাগিব ।

পোনা, হেৰৌ বোপাই পোনা

বিনোদ চক্ খাই উঠিল । কোনে মাতিলে তাক । ইফালে সিফালে চাঁওতেই আলিৰ আনটো দাঁতিত লব দাইটিক দেখা পালে । মূৰত বেণ্ডেজ ।—কি হ'ল দাইটিৰ ?—নকবি বোপাই বিনোদে কিবা সোধাৰ আগতেই লব দাইটিয়ে আলিটো পাৰ হৈ আহি তাৰ ওচৰতে থমকি ৰল ।—ভোগৰাম মণ্ডলৰ পুতেক পুতুকণ আৰু দুটামান ল'ৰা লগ লাগি সৰু কথা এটাতে লাগি মোক উৰাই ঘূৰাই মৰিয়ালে । ধৰিবলৈ যাওঁতে ৰূপহীকো মৰিয়ালে ।

ৰূপহী কলৈ গল ?

—হাস্পাতালতে আছে । দেবেনহঁতো আহিছে । ৰূপহীক নমৰিওৱাহেঁতেন ময়ো দিলোহেঁতেন ভালকৈ । তাইৰ ওচৰলৈ তই এবাৰ যা বোপাই । মই ক্ষুদ্ৰ উকিলৰ ওচৰৰ পৰা আহো ।

—আপুনি কিবা খালে জানো—দাইটিক কিবা এটা খুৱাই পঠোৱাই ভাল । নিজতকৈ জীয়েক ৰূপহীৰ কাৰণে মানুহ জন কিবা হৈ গৈছে । বিনোদে ভাবিলে ।

—সেইবোৰ হ'ব । কমলে কিবা এটা আনি দিলে, খালো । তই সোনকালে হাস্পাতাললৈ যা ।

—কমল ক'লৈ গ'ল—কমল বিনোদৰ ভায়েক ।

—তাক সেই যে তোৰ লগৰ ডাক্তৰজন তেওঁৰ ওচৰলৈকে পঠাইছো । তোক ঘৰত নাপাই তাত আছে বুলি তাক তালৈকে পঠালো । আহিবৰ হ'ল ।—কথা পাতি থাকোতেই কমল আৰু অৰূপ ৰিক্সা এখনত আহি সিহঁতৰ ওচৰতে ৰ'ল ।

—মই হাস্পাতাললৈকে যাওঁ । তই দাইটিৰ লগত থাক । কমলক লৈ যাওঁ দৰ্কাৰ হ'ব পাৰে ।—দাইটি চিন্তা নকৰিব আমি আছো ।—ডাক্তৰে এবাৰ দাইটিৰ মুখলৈ চাই ৰিক্সাত উঠিল ।

মাটিৰ মমতা—জীয়াই থকাৰ একাগ্ৰ বাসনা । মাটি কেইডৰা এৰি দিলে খাব কি ? খেতি কৰাৰ আগতে একো নকৈ এতিয়া মাটি এৰি দিবলৈ কলেই এৰি দিব কিয় ?—আচলতে পুতুকণৰ খং—ৰূপহীয়ে তাক অকণো আঁসে নিদিয়ে ।—অৰূপৰ চকুত ৰূপহীৰ ছবিখন জিলিকি উঠিল । এই মোহনীয় পৃথিৱীত সুন্দৰ জীৱন কেতিয়া দেখা পাব দাৰিদ্ৰ্য লাঞ্চিত নিঃস্ব মানুহখিনিয়ে । বেচেৰী ৰূপহী জনী—তাইৰ দুচকুৰ স্বপ্ন দুঃস্বপ্নত পৰিণত হ'ল । মনোহৰৰ লগত বিয়াৰ ঠিক হৈছিল—দিনবাৰো । বিয়াৰ দহ দিনৰ আগত দুৰ্ঘটনাত মনোহৰ মৰিল । নহয় তাক পুতুকণহঁতেই মাৰিলে । ৰূপহীয়ে তেতিয়াই মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছিল—এতিয়া যদি বেছিকৈ আঘাত পাইছে—নাই তাইক বচাবই লাগিব । তাইৰ স্বপ্নই ৰূপ লাভ কৰিব । আমাৰ সংগ্ৰামৰ পথত তাই ফুল ছটিয়াব ।—সি ভাবিলে । আঠ/ন বছৰৰ আগৰ সেই দিনটোৰ কথা তাৰ মনত পৰিল । মনটো তাৰ উৰি গ'ল সেই দিনটোলৈ ।—ৰূপা তেতিয়া যৌৱনৰ দুৱাৰ ডলিত আৰু সি চাকৰিত মানে নিজৰ বাগানতে সোমাইছেহে মাথোন । এদিন পুৱা তাক বিচাৰি গাঁৱৰ পৰা এজন মানুহ আহিল, লগত এজনী ছোৱালী । দৃশ্যটো তাৰ চকুৰ আগত ভাহি উঠিল ।

"কাক বিচাৰিছ তহঁতে । ইয়াত বাহিৰৰ ৰোগী নাচায় । বাহিৰ হ, ইয়াৰ পৰা ।" মই ওলাই অহাৰ লগে লগে দেউতা সোমাই গ'ল । দেউতাই মোৰ চকুলৈ কোনো দিনেই চোৱা নাই ।—দেউতা সাধাৰণতে বাগানত নাথাকে । কালি, ৰাতি হোৱাৰ কাৰণে ঘূৰি নগ'ল ।

'হেৰি শুনক চোন—এইফালে'—মই মোৰ ফালে দৃষ্টি আকৰ্ষণ কৰিবলৈ জোৰেৰে মাতি আগবাঢ়ি গলো । মানুহজনে ঘূৰি চাই থমকি ৰ'ল । ছোৱালী জনী স্বৰগ পৰা মানুহৰ দৰে বাপেকলৈ চাই থৰ হৈ ৰ'ল ।

"কাক বিচাৰিছিল আপোনালোকে ।"

"নাই আমাৰ ভুল হ'ল । ডাক্তৰ এজন আহিছে বুলি খবৰ পাই আহিছিলো"—মানুহ জনে হাত দুখন মোহাৰি মোহাৰি ভয়ে ভয়ে কলে ।

"আহক মইয়ে ডাক্তৰ"—মানুহ জনে এবাৰ মোৰ মুখলৈ এবাৰ ছোৱালীজনীৰ মুখলৈ, এবাৰ ঘৰৰ দুৱাৰ মুখলৈ মূৰ ঘূৰাই চালে ।

"একো নহয় আহক"—আহো নাহোকৈ মানুহজন মোৰ পিছে পিছে আহিল । পদুলি মুখতে ছোৱালী জনী ৰৈ থকা দেখি বাপেকে চকু ঘোপা কৰি তাইক মাতিলে ।—ছোৱালী জনীৰ বেমাৰ । মই ইয়ালৈ অহা গম পাই বিনোদেই পঠাই দিছে । —খবৰটো মানুহজনৰ পৰা ললো ।

বহা কোঠাৰ লগতে লাগি থকা ৰোগী চোৱা কোঠাটোলৈ ছোৱালীজনীক লৈ আহিবলৈ কলো । তাই বাপেকৰ মুখলৈ চাই ৰৈ আছে । বাপেকে তাইক লাহৈকৈ ঠেলা মাৰি কলে, 'নাযাব কেলেই ?'—তাই বাপেকৰ ফালে এবাৰ চাই ফ্ৰকটো ঠিক কৰি, লাহে লাহে সোমাই গ'ল ।

"কি নাম"

"ৰূপহী"

"ধুনীয়া নাম"—তাই হাঁহো-নাহাঁহোকৈ হাঁহিলে । যেন সদ্য প্ৰস্ফুটিত এপাহ ফুলহে । নিয়ৰে ধুৱাই থোৱা গোলাপৰ কলি যেন ছোৱালীজনীৰ চকু দুটা দেখি এনে লাগিল, তাই যেন বহু দিনৰ চিনাকি । (*বেছিকৈ দুখ পাইছে নেকি বাৰু ! ডাঃ ৰহমান নিশ্চয় মোৰ কাৰণে ৰৈ থাকিব ।*)—তাই ক্ষন্তেকতে মোৰ অন্তৰখন জোকাৰি দিলে । আবেগত মনটো তোলপাৰ লাগিল ।

মই বাহিৰলৈ ওলাই আহিলো । পিছে পিছে ৰূপহী । মানুহজন একে ঠাইতে তলমূৰকৈ বহি আছে । নিশ্চয় দেউতাৰ ব্যৱহাৰৰ কথাকেই ভাবি আছে ।

—দেউতাৰ কথাত আপুনি বেয়া নাপাব ।

—নাই নাই কিয় বেয়া পাম । দুখীয়া হৈ জন্ম লৈছো যেতিয়া, মান-সন্মানৰ কথা ভাবিলে কেনেকৈ হ'ব ? (*বহু সহিছো জীৱনত । দৰিদ্ৰ হোৱাটো পাপ । পাপৰ ফল ভোগ কৰিবই লাগিব । মান-সন্মান সেইবোৰ*

*তোমালোকৰ বন্ধু ।।*

মানুহজনে মোৰ পিঠিত যেন চাবুকৰে কোব এটাহে মাৰিলে । মোৰ মুখৰ মাত হেৰাই গ'ল । প্ৰসংগ সলনি কৰি আৰম্ভ কৰিলো ছোৱালীজনীৰ বেমাৰৰ কথা ।

–আগতে ডাক্তৰক দেখুৱাইছিল নে নাই ?

–নাই বোপাই । গাঁৱলীয়া দেৱাইকে খুৱাই আছিলো । বেমাৰটো ধৰিব পাৰিলেনে বাৰু ? টান বেমাৰ নেকি ?–একে উশাহে সুধি মানুহজনে মোৰ মুখলৈ চালে ।

–বেমাৰটো ধৰিব পাৰিছো । কিছু দিন দৰৱ-পাতি খাব লাগিব ।

–কিমান দিন ? আকৌ আহিব লাগিবনে কি ?–মই বুজিলে মানুহজনে আকৌ আহিব লাগিব বুলি ভয় খাইছে ।

–বেছি দিন নালাগে । মই কোৱা মতে দৰৱ খুৱাব ।

–দৰৱ পিছে ক'ত পাম ?

–সেইবোৰ হব বাৰু ।–মই ভিতৰলৈ গৈ প্ৰয়োজনীয় গোটেইখিনি দৰৱ আনি টেবুলতে থৈ, এটা এটাকৈ কেনেকৈ খাব লাগে ৰূপহীক বুজাই দিলো । ইতিমধ্যে তাই আগতকৈ অলপ সহজ হৈছে ।–দৰৱখিনি বান্ধি ৰূপহীৰ হাতত দি, ভিতৰৰ টেবুলত উলিয়াই থৈ অহা গাখীৰৰ টিন দুটা আনি মানুহজনৰ হাতত দিলো ।

–ঘৰত কেতিয়াবা গাখীৰ নাথাকিলে ৰূপহীক ইয়াকে দিব পাৰিব ।–মানুহজনে এবাৰ মোৰ মুখলৈ এবাৰ ৰূপহীৰ মুখলৈ চাই লাহেকৈ জেপত সোঁহাত খন ভৰাই কিবা এটা উলিওৱা দেখিলো । নিশ্চয় ডাক্তৰৰ ভিজিট । মই কিবা কোৱাৰ আগতেই মানুহজনে মোৰ ফালে হাতখন আগবঢ়াই দি কলে–কিবা এটা আছে লওক ।–নেলাগে, ছোৱালীজনীকে মাছ-গাখীৰ অকণ মান খুৱাব ।–মানুহজনে মোৰ মুখলৈ চাই লাহেকৈ গাখীৰৰ টিন দুটা টেবুলতে থলে ।

–ভিজিট বুলি কব নোৱাৰো, তথাপি তাইৰ চিকিৎসাৰ কাৰণে গোটাই থোৱা পইছা কেইটা আন কামত খৰচ কৰিব নোৱাৰো ।

–আন কামত নহয় তাইৰ কাৰণেই খৰচ কৰিব ।

–বুজিছো বোপাই, দেউতাৰাই মুখেৰে আৰু তুমি কামেৰে মোক একেখিনি দুখকেই দিলা । মই কাৰো কৰুণা নিবিচাৰো বোপাই । মোৰ হাতত যি আছে তাকহে দিছো । হয়তো দৰৱৰ দামেই নহ'ব । তোমালোকৰ কৰুণা লৈ মোৰ নিজকে অপৰাধী অপৰাধী যেন লাগিব ।

–মানুহজনৰ মুখলৈ মই চাব নোৱাৰিলো । মোৰ বিদ্যা বুদ্ধি ধন সম্পদ বংশ গৌৰৱ সকলোখিনি যেন ধূলিৰ লগত মিহলি হৈ গ'ল । আধাপেটীয়াকৈ থাকি খুব বেছি ৰূপ একুৰি আনিছে । অথচ তাকে লৈ তেওঁ মূৰ দাঙি মোৰ সমুখত থিয় দি আছে আৰু মই অতুল সম্পদৰ অধিকাৰী হৈ তেওঁৰ ওচৰত মূৰ তুলিব পৰা নাই ।

–ভুল নুবুজিব । মই কৰুণা দেখুওৱা নাই । মই অসহায় । আপোনাতকৈ মই নিঃস্ব । দিয়ক মোৰ ভিজিট মই লম ।–এই বুলি মানুহজনৰ হাতৰ পৰা টকাকেইটা খুজি ললো ।–মামাৰ মৃত্যুৰ সময়ত ককাদেউতাৰ হাতত বোধকৰো ৰূপ এটকাও নাছিল । এপালি দৰৱৰ অভাৱত মামাৰ মৃত্যু হৈছিল । তথাপি দেউতাই দিয়া টকা তেওঁ গ্ৰহণ কৰা নাছিল । মেডিকেল কলেজত পঢ়ি থাকোতেই এদিন ককাক চাবলৈ মনে মনে গৈছিলো । আহিবৰ সময়ত ককাক টকা কুৰিটা দি সেৱা এটা কৰিছিলো । ককাই মোক বুকুত সাবটি লৈ টকা কেইটা মোৰ জেপত গুজি দি কৈছিল "তোৰ এই তপত মৰম খিনিয়েহে মোক শক্তি দিছে । সেইখিনিকে সকলোৰে মাজত বিলাই দিবলৈ ঈশ্বৰে তোক শক্তি দিয়ক ।"–মোৰ গাটো জিকাৰ খাই উঠিল । ককাদেউতাই ঘূৰাই দিছিল, আৰু আজি মই খুজি লৈছো । মোৰ মৰমত নিশ্চয় কৰবাত ভেজাল আছে ।

–দাদা নামক–কমলৰ মাতত অৰূপ চক্‌খাই উঠিল ।

ডঃ ৰহমানক লগ ধৰি প্ৰথমে সি খবৰটো ললে । আঘাত বেছি পোৱা নাই যদিও ঘৰৰ পৰা আঁতৰাই বেলেগ পৰিবেশত কিছুদিন ৰাখিবলৈ নিউৰলজিষ্ট ডঃ দত্তই পৰামৰ্শ দিছে যেতিয়া কিছু সাৱধান হোৱা ভাল । অৰূপে ভাবি ভাবি ৱাৰ্ডৰ ফালে খোজ দিলে । বাহিৰৰ মানুহক সোমাবলৈ দিয়া নাই । অৰূপ ডাক্তৰ, গতিকে তাৰ কাৰণে অসুবিধা নহ'ল ।

ৰূপহীয়ে কিয় বাৰু মোৰ খবৰ লৈ আছে ? তাই তেনে মোক পাহৰি যোৱা নাই । মই জানো পাহৰিছো ? নাই তাইক এইবাৰ কিছুদিন ইয়াতে ৰখাৰ ব্যৱস্থা কৰিম । নহলে তাই পগলা হৈ যাব ।– কথাবোৰ ভাবি ভাবি সি সোমাই গ'ল । সি লক্ষ্য কৰিলে, ৰূপহীয়ে একে থৰে দুৱাৰমুখৰ ফালে চাই আছে ।

শেঁতা পৰা মুখখনলৈ কিছুপৰ চাই থাকি সি তাইৰ মূৰত হাত বুলাই দিলে । তাই চিত্ৰৰ পুতলীৰ দৰে থৰ হৈ তাৰ মুখলৈ চাই থাকিল । হাত-ভৰি আৰু কপালত বেণ্ডেজ ।

–ভয় কৰিছা একো নহয় । মই মানে আমি আছো নহয় ।

তাইৰ দুচকুৰে দুধাৰ লোতক বৈ গ'ল । অৰূপে জেপৰ পৰা ৰুমালখন উলিয়াই লাহেকৈ চকুপানীখিনি মচি দিলে ।

–কালৈ ভয় কৰিম অৰূপ দা ভয় কেতিয়াবাই শেষ হ'ল । মৰিবলৈও ভয় নাই ।

–মনে মনে থাকা ৰূপা ।

–মূৰটো বিষাইছে ।

–ভাল পাবা । আধাঘণ্টামান কষ্ট হ'ব ।–সি লাহে লাহে মূৰত হাত বুলাই দিলে ।

–বৌ, পিতাই ক'ত আছে ?

–মোৰ ঘৰত থৈ আহিছো । তুমি মনে মনে শুই থাকা ।

–ঘৰ–আপুনিতো ঘৰত নাথাকে ।

–ঘৰত নাথাকি ক'ত থাকিম ?

–নহয় মানে নিজৰ ঘৰত–তাই অলপ অপ্ৰস্তুত হ'ল ।–কোনখিনিত আপোনাৰ ঘৰটো ?

–কিয় লাগে তোমাক

–এনেয়ে সুধিছো । আজি মোৰ ওচৰত কোন থাকিব ?

–মই, কমল, বিনোদ সকলো থাকিম ।

–গোটেইবোৰ থাকিব নালাগে ।–তাই কব খুজিও বৈ গ'ল– আপুনিয়েই থাকক ।

–সেইবোৰ চিন্তা কৰিব নালাগে । শুই থাকা এতিয়া ।

–তোমাৰ কিবা হয় বোপাই–অৰূপে ঘূৰি চাওঁতেই ওচৰৰ বুঢ়ী মানুহ গৰাকীয়ে মাত লগালে ।

–ওঁ–সি আৰু একো কব নোৱাৰিলে । ৰূপহীৰ মুখলৈ চালে । তায়ো তাৰ ফালে একে থৰে চাই আছে ।–কি বুলি কম, তাই মোৰ নিচেই আপোন-সহযাত্ৰী সংগ্ৰামৰ শকতি–সকলো । তাই মোৰ কি নহয় ? কেনেকৈ বুজাম আইতা তোমাক তাই মোৰ কি হয় ? তাই তোমাৰ যি হ'য়, মই তোমাৰ যি হওঁ, তাই মোৰো সেয়ে হয়–আমি যে একেডাল সূতাৰে বান্ধ খাই আছো আইতা ।–অৰূপে নিজকে কলে ।

–দাদা মই যাওঁগৈ । খুৰীক বাছত উঠাই দি, পাৰিলে এবাৰ আহিম ।–কমল সোমাই আহি কলে–ৰূপা মই আকৌ আহিম গৈ ।– কমলে কাৰো উত্তৰলৈ বাট নাচাই ওলাই গ'ল ।

কমলে পোনে পোনে কাছাৰীৰ ফালে খোজ দিলে । সি আজি লক্ষীৰাম গাঁওবুঢ়াৰ ঘৰৰ পৰা ধান অলপ আনি ৰ'দত দিয়াৰ কথা আছিল । ঘৰত চাউল আৰু এসাজৰ জোখাৰেহে আছিল বুলি মাকে কৈছিল । এটা দিন চলক । কালিলৈ কিবা এটা কৰিব লাগিব ।–কমলে ভাবিলে ।

কমলে কাছাৰীৰ চোতালত থিয় দি ইফালে-সিফালে চালে । কাকো নেদেখি সি ৰাস্তাৰ ফালে খোজ দিওঁতেই বিনোদক দেখিলে । লগত লৱকান্ত ।

–খুৰীয়েৰক পঠাই দিলো ।–লৱকান্তই কমলৰ ফালে চাই কলে ।

বিনোদে কমলৰ পৰা ৰূপহীৰ সকলো খবৰ ললে । অৰূপ হাস্পাতালত থকা বুলি শুনি সি নিশ্চিন্ত হ'ল । কমলহঁতক ঘৰলৈকে যাবলৈ কৈ বিনোদে কাছাৰীৰ ভিতৰলৈ খোজ দিলে । যদুৰ দেউতাক আহিছে কাছাৰীলৈ । যদুৱে প্ৰেছত কাম কৰে । মাটি এডোখৰৰ নামজাৰি লৈ কিবা খেলি মেলি লাগিছে । আজি ডেৰ বছৰ অহাযোৱা কৰিছে কাছাৰীলৈ–একো হোৱা নাই । কালি হেনো, যি জনৰ পৰা কিনি লৈছিল তেওঁ মাটি দখল কৰিবলৈ গৈছিল । মাটিয়েই জীৱন' । আজি দুবছৰ হৈছে যদু চাকৰিত সোমোৱা । মাটি ডোখৰ যদি যায় পৰিয়ালটোৰ হাহাকাৰ লাগিব । মাটি ডোখৰ কিনিছিল গাঁৱৰে সত্ৰ-সভা চলাই থকা গোঁসাইৰ পৰা । কিনা আঠ বছৰ হ'ল । ভাবিছিল গোসাঁই মানুহ, অন্যায়-অনীতি এইবোৰৰ পৰা তেওঁলোক আঁতৰত আছে । এতিয়াহে গম পাইছে তলে তলে গোঁসায়ে মাটি ডোখৰ নিজৰ নামলৈ নিবলৈ দৰ্খাস্ত দিছে ।–মানুহ কিছুমান আছে যি শান্তিৰে থাকিবলৈ নিবিচাৰে । ধৰ্মই তেওঁলোকৰ মনৰ পৰা হিংসা বিদ্বেষ এইবোৰ আঁতৰাব পৰা নাই কিয় ? জীৱনৰ লগত ধৰ্মৰ কোনো সম্পৰ্ক নাই অথচ ধৰ্মৰ নামতে মানুহ পাগল ।–বিনোদ ভিতৰলৈ সোমাই গৈ ইফালে সিফালে চাই কাকো নেদেখি নিৰ্দিষ্ট কোঠাটোৰ ফালে যাওঁতেই এটা কোঠাৰ দুৱাৰমুখত ছয়া ময়াকৈ যদুৰ দেউতাকক দেখা পালে । হয় যদুৰ দেউতাক । বিনোদ নিশ্চিন্ত হ'ল । সি কোঠাটোৰ ফালে লাহে লাহে আগবাঢ়ি গ'ল ।

–আপুনি মোক মিছাতে জুলুম কৰি নাথাকিব–ওলাই যাওক ।

–হেৰৌ বোপাই, মোক নামাৰিবা । এডোখৰ মাটিৰ লগত কঁকাল বেঁকা হ'ল । এই ডোখৰতো যদি কেচ্‌ মামলা লাগে তেনে চিপজৰি লব লাগিব ।–বিনোদে তেওঁলোকে নেদেখাকৈ শুনি থাকিল । কথাবোৰ তাৰ গাত শিল গুটি পৰাদি পৰা যেন লাগিল । সি লক্ষ্য কৰিলে–নাই তাক কোনো এজনেও দেখা নাই ।

–চিপ লয়, নদীত জাঁপ দিয়ে যি মন যায় কৰি থাকক । মই আইনমতেহে কাম কৰিম । এনেতে ওচৰতে সৰু টুল এখনত বহি থকা আদহীয়া মানুহ এজনে থিয় হৈ যদুৰ দেউতাকক বিনোদ থিয় হৈ থকাৰ বিপৰীত ফালে মাতি লৈ গ'ল । বিনোদে লাহেকৈ সিহঁতৰ পিছ ললে । দুৱাৰ এখনৰ আঁৰলৈ সি চাই থাকিল–কি কৰে ।

–আপুনি ৰূপ দুকুৰি দিয়ক ।–মানুহজনে যদুৰ দেউতাকলৈ চাই লাহেকৈ কৈ ইফালে সিফালে চালে । এবাৰ ডিঙি মেলি ভিতৰত বহি থকা কৰ্মচাৰীজনলৈকো চালে ।–তেওঁ কবলৈ বেয়া পাইছে । যদি নিদিয়ে তেন্তে আপোনাৰ মাটি এইমাহতে গোঁসাইৰ নামলৈ যাব ।

–গোঁসাইৰ নামলৈ ! যদুৰ দেউতাক চকখাই উঠিল । পেটে পেটে খঙো উঠিল । খংটো দমাই কলে–হেৰৌ বোপাই । তুমি মোৰ ভাইৰ লগৰ হ'বা । সেইটো কৰিলে পৰিয়ালটোৰ বধৰ ভাগী হবা ।

–কি কৰিম উপায় নাই । মই আপোনাৰ ভালটো ভাবিহে কৈছো ।

–আমিয়েই তেওঁক ৰূপ একুৰি দিছো । বেলিটো ঘূৰোতেই আকৌ দুকুৰি লগা হ'ল । মই ক'ত পাঁও হোঁ ।–মৰক ল'ৰা-তিৰোতা সকলো মৰক । মোক মাটি নালাগে ।

–শুনক, তেওঁৰ গাত দোষ নাই । আমি কেৰাণী মহৰিয়ে কি কৰিম । হাকিমে ইমান কম পইছাত মান্তি নহয় ।–গোঁসায়ে মাটি ডোখৰৰ কাৰণে টকাই-পইছাই গাখীৰে গুড়ে খুৱাইছে হাকিমক । আপুনি ৰূপ দুকুৰি দিবলৈ পাই জিভা উলিয়ালে কেনেকৈ হ'ব ?

–কেনেকৈ দিওঁ । কেঞ্চাৰ গোলাতো দুকুৰি দিব লাগিব । নহলে কেঞ্চাই হালৰ গৰুকে লৈ আহিব । কি কৰো এতিয়া ।–যদুৰ দেউতাকে ভাবিলে ।

–শুদা হাতে কাম নিসিজে ।–এই বুলি উচাট মাৰি মানুহটো যাব খোজোতেই বুঢ়াই থাপ মাৰি ধৰিলে ।

–হেৰৌ বোপাই ৰূপ একুৰি আছে, তাকে দিওঁ । ল'ৰা ছোৱালী কেইটাৰ জীৱন ৰক্ষা কৰা ।–বুঢ়াই জেপৰ পৰা টকা কেইটা উলিয়াই দিব খোজোতেই বিনোদে মাত লগালে–'ৰবচোন, বৰ পিতাই টকা নিদিব ।'

বুঢ়াই স্বৰগ পৰা মানুহৰ দৰে হাতৰ মুঠিত টকা কেইটা লৈ বিনোদলৈ চাই থাকিল । বিনোদক দেখি ইটো মানুহ আঁতৰি গ'ল । বিনোদে এবাৰ কোঠাটোত ঘূৰি-পকি চালে । নাই মানুহটো পলাল । বৰবাবুৰ চকীও খালি । ওচৰৰ মেজখনৰ মানুহজনক সুধিলে ।

–বৰ বাবুৰ গা ভাল নহয়, ঘৰলৈ গ'ল ।–ওপৰলৈ মূৰ নোতোলাকৈয়ে তেওঁ উত্তৰ দিলে ।

–কেইমিনিট মানতে মানুহজন অন্তৰ্ধান হ'ল । কি কৰা যায় এতিয়া বিনোদ ।

–আপোনালোকে কেইদিন মান পিছত আহিব ।–আনখন মেজৰ পৰা এজনে মাত লগালে ।

–আৰু কিমান আহিম হয়নে ? কেইদিন মানে কেতিয়া আহিম ?– যদুৰ দেউতাকৰ খং উঠিল ।

–আমি কেৱল আপোনাৰ কাম কৰিবলৈকে ইয়াত বহি থকা নাই নহয় । চৰকাৰী কাম এনেকুৱাই । আহিব কেতিয়া আহে ।

ঠিকেই এওঁলোকে সকলোৰে কথা ভাবিব লাগে । এজনৰ কথা ভাবিলে কেনেকৈ হ'ব । প্ৰতিজন সাধাৰণ মানুহ সেই একেটা উত্তৰকে লৈ বছৰৰ পিছত বছৰ অহা যোৱা কৰি আছে তথাপি কাৰো একো কাম হোৱা নাই । কাৰ কাম কৰে এওঁলোকে–গাখীৰে-গুৰে, টকাই-পইছাই দিয়া বোৰৰ ।–বিনোদে ভাবিলে । ইতিমধ্যে যদুৰ দেউতাক বাহিৰলৈ ওলাই গৈ বাৰাণ্ডাতে বেৰত আউজি মূৰে কপালে হাত দি বহি কিবা ভাবি আছে । বিনোদ ওচৰতে থিয় হ'ল । হঠাতে তাৰ বগাবেৰখনত জিলিকি থকা ক'লা ৰঙৰ আখৰবোৰলৈ চকু পৰিল–

মৰে অসম জীয়ে কোন
জীয়ে অসম মৰে কোন
তেজ দিম, দেশ নিদিওঁ ।
অসম অসমীয়াৰ ।–

–কি চাইছ বিনোদ । লাভ নাই সেইবোৰ পঢ়ি ।–বিনোদে বুজিলে সি পঢ়াৰ আগেয়েই বুঢ়াই পঢ়িলে । যদুৰ দেউতাক সোমনাথ হাজৰিকাক গাঁৱত সোমনাথ পণ্ডিত বুলি জানে । কিছুদিন এল্‌ পি স্কুলত শিক্ষকতা কৰিছিল । আইন অমান্য আন্দোলনত যোগদান কৰিবলৈ ওলাই আহি ঘূৰি নগ'ল । বাপেক মৰাৰ পিছতহে সি ঘৰলৈ আহিছিল । বাপেক ব্ৰিটিছৰ তলত পুলিচ আছিল । মাক সৰুতে মৰিল । বায়েক এজনী সি ঘূৰি অহাৰ আগতেই বিয়া দিলে । স্বাধীনতা লাভৰ পিছত, বহু দিন সেৱা শ্ৰমৰ এজন কৰ্মী হিচাপে দুৰ্গত সকলৰ সেৱাত নিজক নিয়োগ কৰিছিল । বাপেকৰ মৃত্যুৰ খবৰ পাই ঘৰলৈ আহোতে সকলোৱে তাক ঘৰত থাকিবলৈ কোৱাত সি আৰু উভতি নগ'ল । ককাকৰ দিনৰ ভেটি মাটি ডোখৰৰ বাহিৰে বাপেকৰ কোনো সম্পত্তি সি নললে । কৰ্মঠ সোমনাথে সৰু-সুৰা বেপাৰ কৰি চলি থাকে । আকালো নাই ভঁড়ালো নাই । বয়স বাঢ়ি যোৱাৰ কাৰণে বিয়াৰ কথা সি বাদেই দিছিল । গাঁৱৰ ডেকাবোৰৰ মৰম উপেক্ষা কৰিব নোৱাৰি সি মান্তি হ'ল এটা চৰ্তত । সি নিজ ইচ্ছামতে বিয়া পাতিব তাত সকলোৱে সন্মতি জনাব লাগিব ।–তেতিয়া গাঁৱত ক্ষুদ্ৰহঁতৰ কৃষক আন্দোলন আৰম্ভ হৈছিল । সোমনাথ আছিল সিহঁতৰ পৰামৰ্শদাতা । এদিন গাঁৱত হুলস্থূল লাগিল । সোমনাথ, সেই আধাবুঢ়াটোৱে লোকনাথ গোঁসাইৰ বিধৱা ভনীয়েকক পলুৱাই নিলে ।–বয়সত ডাঙৰহে হ'ব ।–তাইৰো কিবা লাজ-কাজ নাই । গোঁসাইৰ জীয়ৰী হৈ অজাতিলৈ যাবলৈ ভাল সাহ কৰিলে ।–কিবা লেঠা বাঢ়িল চাগৈ ।–সম্পত্তিৰ ভাগ দিব বুলি, গোঁসায়েই মাজত থাকি দিলে যেন পাইছো ।

–পিছে এতিয়া গোঁসাইৰ লগত কেনেকৈ খাবা ?

–বিচাৰ হ'ব । সত্ৰ-সভা আছে । নিজে ধৰ্ম গুৰু । চাওঁ কি কৰে । দেদায়েক সত্ৰাধিকাৰ ।

–তাক কি কৰিবা ?

–গাঁৱৰ পৰা বাদ হৈ থাকিব । পৰিষ্কাৰ কথা । লোকৰ বাঁৰী তিৰোতা পলুৱাই নিয়া অধৰ্মীৰ গাঁৱত কোনো স্থান নাই ।

বিচাৰ হ'ল । ৰায় দিলে গোঁসায়ে নিজে । দণ্ড দি গোঁসাই মুক্ত হ'ল, মুক্ত হ'ল সোমনাথক এঘৰীয়া কৰি, কণমাইক মাটিৰ ভাগ দিয়াৰ পৰা ।–কোনেও খবৰ নললে কণমাই কিয় সোমনাথলৈ পলাই যাব লগা হ'ল । মৰিবৰ সময়ত বাপেকে বিধৱা জীয়েকৰ নামত খেতি মাটি ছবিঘা আৰু বাৰী মাটি এবিঘা লিখি দিছিল । মাটিৰ মোহে লোকনাথ

গোঁসাইক অন্ধ কৰি পেলালে। আৰম্ভ হ'ল কণমাইৰ ওপৰত অত্যাচাৰ।

সোমনাথে গোঁসাইৰ মাটি দুবিঘাত কুহিয়াৰ খেতি কৰে। গোঁহাইৰ ঘৰলৈ গৈ ইটো সিটো সহায় কৰি দিয়ে।

–সোমনাথ কাই তুমি বিয়া নকৰোৱা কেলেই।

–কি খুৱাম ?

–কিয়, এতিয়া দেখোন খেতি কৰিছাই।

–এটা মানুহেই পোহ যাব নোৱাৰো।

–মিছা কথা নকবা। গাৱঁৰ ল'ৰাবোৰক দেখোন তুমিয়েই খুৱাই থাকা।

–সিহঁতে ৰাইজৰে কাম কৰিছে। মই কৰিব পৰা নাই গতিকে কেতিয়াবা সেইদৰে সহায় কৰি দিওঁ।

–সিহঁতে তোমাক বৰ ভাল পায়। তুমি হেনো বহুত কথা জানা। মোকো কবাচোন।

সোমনাথে তাইৰ মুখলৈ চালে। তাইও। তাইৰ যেন বহুত কিবা কবলগা আছে কাৰোবাক, কবলৈ যেন ছল বিচাৰি ফুৰিছে এনে হেন লাগিল সোমনাথৰ। বয়স হলেও কণমাইৰ কমনীয়তাই সকলোকে মুগ্ধ কৰে। গোসাঁইৰ ছোৱালী হৈ তাই ধান দাবলৈ আহে। লাজ নকৰে। লোকনাথ গোসাঁয়েও বেয়া নাপায়।

–তোমাক কথা এটা সোধো বেয়া পাবা নেকি ?–সোমনাথে ভয়ে ভয়ে সুধিলে

–কিয় বেয়া পাম, যি মন যায় সুধিব পাৰা।

–কালি ৰাতি মই যাওঁতে, গোসাঁই আৰু আয়ে কাক গালি পাৰি আছিল ?

কণমায়ে থৰ হৈ তাৰ মুখলৈ চাই থাকিল।

–বেয়া পালে নালাগে কব। তোমালোকৰ ঘৰুৱা কথা। মই সোধা বুলি গোসাঁইক নকবা আৰু।–সোমনাথে তাইলৈ চালে। কণমাইৰ দুইগালে দুধাৰ লোতক বৈ আছে।

–কি হ'ল কণ, বেয়া।

–নাই নাই সোমনাথ কাই মই বেয়া পোৱা নাই। কম, কম সকলো কম তোমাক। তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে।

–তুমি সদায় মন মাৰি থাকা সদায় সুধিবৰ মন যায়, নোৱাৰো।

–সোমনাথ কাই। শহুৰৰ ঘৰৰ পৰা উকা কপালখন লৈ ঘৰলৈ ঘূৰি আহোতে দেউতাই সাবট মাৰি ধৰি কৈছিল মোক তই চিতা জুইত তুলি দিলি। দেউতা থকা দিন কেইটাত, দেউতাৰ মুখলৈ চাই কটাইছিলো। মই নাখালে দেউতাই নাখায়-খাইছিলো। আৰু এতিয়া মই নাখালে ঘৰখনে ভাল পায়।–দেউতাই মোৰ নামত কেইবিঘামান মাটি দিছিল।–মাটিৰ সলনি মোক দেউতাই লগতে লৈ যোৱা হলেই ভাল আছিল।

–সেইদৰে কেলেই কোৱা কণ বেয়া লাগে নহয়। আমিবোৰ মৰি যোৱা নাই।

তোমাৰ বেয়া লাগে সোমনাথ কাই ? তেন্তে পৃথিৱীত মোৰ প্ৰতি মৰম থকা মানুহ আছে ?–কণমায়ে চোঁ মাৰি তাৰ ওচৰ চাপি, হাত এখনত ধৰিলে।

–কোনোবাই দেখিলে কি হ'ব বাৰু ?–সোমনাথে হাতখন এৰুৱাই আনিব খুজিও ৰৈ গ'ল। কণমায়ে তাৰ হাতখনত ধৰিয়েই সকলো কলে। আজি এসপ্তাহ ধৰি লোকনাথ আৰু বৌয়েকে তাইক মাটিখিনি তেওঁলোকৰ নামত লিখি দিবলৈ লাগি আছে। কালি তাইক নগৰলৈ লৈ যাব খুজিছিল নগ'ল। সেই খঙতে ৰাতি গালি পাৰিছিল। কথা খিনি গম পাই সোমনাথৰ গোঁসাইৰ ওপৰত খং উঠিল। এই ডেকা বয়সতে মাটিৰ কাৰণে ইমানটো থক কিয় ?

–মোৰ নামৰ মাটিখিনিত খেতি কৰিলে–দুটা মানুহ পোহ যাব পৰা ধান পামনে ?

–কিয় ? সোমনাথে তাইলৈ চালে। তাই তলমূৰ কৰিলে।

–তোমালোক পুৰুষবোৰে এই অন্যায় অনীতিবোৰ কেনেকৈ চাই থাকিব পাৰা বাৰু ?


সোমনাথে কোনো উত্তৰ নিদিলে।–মোৰ নামত মাটি থকা বুলি জানি এজনে মোক বিয়া কৰাব খুজিছিল। কিন্তু মই বিধৱা বুলি জানি ল'ৰা আঁতৰি গ'ল। মই জানো মাটিৰ কাৰণে সিহঁতে মোক এদিন মাৰি পেলাব। তাৰ আগতে মই নিজেই এদিন ওলাই যাম। সেয়ে তোমাক কথাবোৰ কলো। বেয়া নাপাবা।–কণমাই লাহে লাহে তাৰ পৰা আঁতৰি গ'ল।

সময়ৰ লগে লগে সোমনাথৰ গাৰ পৰা আঁতৰি গ'ল অপবাদৰ চেকা। আঁতৰি নগল সমাজৰ ধৰ্ম-অৰ্থৰ গৰাকী প্ৰভু শ্ৰেণীটোৰ মনৰ পৰা সম্পত্তিৰ মোহ। সোমনাথে মাটি দুবিঘা কিনিছিল স্বয়ং মৌজাদাৰ দিগম্বৰ বৰুৱা বাহাদুৰৰ পৰা। মাটিখিনি একালত আছিল লোকনাথৰ পৰিয়ালৰ কোনোবা এজনৰ। মৌজাদাৰ মানুহ, সোমনাথে কিয় অবিশ্বাস কৰিব–দলিল এখন লিখি দিছে যেতিয়া হ'ব। চাৰি বছৰ পাৰ হ'ল, সোমনাথৰ নামত মাটি নামজাৰিয়েই নহয় এতিয়া। কথাটো গম পাই গোসাঁই উঠি পৰি লাগিছে পুৰণি সম্পদ উদ্ধাৰৰ কাৰণে। গোসাঁইৰ পিছত আছে মৌজাদাৰ গতিকে মাটিৰ হাকিমে সোমনাথক মানুহ বুলিয়েই গণ্য নকৰে।

সোমনাথৰ পৰা কাগজ-পাতিখিনি লৈ বিনোদে তেওঁক ঘৰলৈ উভতি যাবলৈ কলে। সি এই সপ্তাহতে কিবা এটা কৰি দিব। যদি নোৱাৰে তেন্তে মানুহ লৈ গৈ হলেও মাটি খিনি ৰখাব। সোমনাথ আশ্বস্ত হৈ ঘৰমুৱা হ'ল বিনোদে ক্ষুদ্ৰক কাছাৰীত খবৰ কৰিলে–নাই। বোধকৰো ঘৰলৈ গ'ল বিনোদে ভাবিলে। বিনোদে ক্ষুদ্ৰৰ ঘৰৰ ফালেই খোজ দিলে।

কোনেও ভবা নাছিল ক্ষুদ্ৰ উকিল হব। চাকৰি বাদ দি ওকালতি কৰাৰ পিছৰ পৰাই ক্ষুদ্ৰই সকলোৰে পৰা বিশেষকৈ বিনোদহঁতৰ পৰা আঁতৰি থাকিবলৈ লৈছে। গাঁৱৰ ৰাইজৰ পৰা আঁতৰি থাকো বুলিলেও নোৱাৰে কিবা কাম এটা ওলালেই ক্ষুদ্ৰৰ ওচৰ চাপিবই। একালত ক্ষুদ্ৰই গাঁৱৰ মানুহক নতুন জীৱনৰ বাট দেখুৱাইছিল। আবেদন-নিবেদন নহয় আন্দোলনৰ মাজেৰে দাবী পূৰণ কৰিবলৈ শিকাইছিল। ৰাইজ ওলাই আহিছিল। মাজ বাটতে ৰাইজক এৰি সি চাকৰিত সোমাল। মানুহৰ ওপৰত তাৰ আস্থা হেৰাই গ'ল, যি দিনা তাৰ সপোনৰ সমাজখনক বাস্তৱত ৰূপ দিব খোজা তাৰ দলটোৰ স্বৰূপ তাৰ সমুখত উন্মুক্ত হ'ল। ৰাইজক সি ফাকি দিব নোৱাৰে। তাৰ পিছতো সি ভাগ ভাগ হোৱা দলটোক ঐক্যবদ্ধ কৰাত মনোযোগ দিছিল। কিন্তু শেষত এটা বিৰোধী দলৰ প্ৰতীক লৈ ক্ষুদ্ৰই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলে। সকলো আচৰিত হ'ল, তাৰ এই দুৰ্মতি দেখি। ক্ষুদ্ৰই জনা নাছিল যে যিটো দলে তাক প্ৰাৰ্থী মনোনীত কৰিছিল, সেই দলক, বিখ্যাত ঠিকাদাৰ দেউৰাম হাজৰিকা আৰু কিং মেকাৰ বিকাশ বৰাই চৰকাৰী দলৰ প্ৰাৰ্থীৰ জয় সুনিশ্চিত কৰিবৰ কাৰণে প্ৰচুৰ টকা দিছিল, যাতে এজন প্ৰাৰ্থী থিয় কৰায়। ক্ষুদ্ৰই ভাবিছিল দলটোৱে নিৰ্বাচনক ৰাজনৈতিক সংগ্ৰাম হিচাপে গ্ৰহণ কৰিছে। নিৰ্বাচনত ক্ষুদ্ৰৰ সকলো শেষ হ'ল। দলটোৱে বিশেষ আৰ্থিক সাহায্য নিদিলে। ধাৰ পৰিশোধৰ নামত গাঁৱৰ মাটিও বিক্ৰী কৰিব লগা হ'ল। আত্মীয় স্বজন সকলোৱে মুখ ভেঙুচাই তাৰ ওচৰৰ পৰা আঁতৰি গ'ল। ওচৰত থাকিল মাথোন, তাৰ অক্ষমতাক সোঁৱৰাই থাকিবলৈ, নিৰ্বাচনী অভিযানৰ নামত গোটাই অনা ডেকা সংগী বৃন্দৰে, স্মৃতিৰেখা বৰুৱা আৰু থাকিল, আলিৰ দাঁতিত কমৰেড্ সৌৰভ কলিতাই, নিৰ্বাচনৰ পিছত সজা প্ৰকাণ্ড ঘৰটো। কলিতাক এজন প্ৰবীণ বিপ্লৱী বুলিয়েই নগৰত সকলোৱে চিনি পায়। নিৰ্বাচনৰ নামত চৰকাৰী দলৰ পৰা পোৱা আৰু ব্যৱসায়ীৰ পৰা সংগ্ৰহ কৰা ধনৰ স্মৃতি হিচাপে ঘৰটো সাজিলে। নহলে কলিতাই যে একালত ৰাইজৰ কাৰণে সকলো ত্যাগ কৰি শ্ৰেণীহীন সমাজ ৰচনাৰ কাৰণে বিপ্লৱ কৰিছিল সেইকথা পিছৰ চাম মানুহে পাহৰি যাব। নগৰখনৰ মানুহৰ কথা সি নাজানে সি নিজে কিন্তু পাহৰা নাই। ঐক্য আৰু সংগ্ৰামৰ মাৰ্ক্সীয় নীতিৰ এনে ট্ৰেজিক পৰিণতিত ক্ষুদ্ৰ ক্ষুৰ্ব্ধ হৈ পৰিল।

একালৰ পথভ্ৰষ্ট বিপ্লৱী নবীন আজি হতাশাগ্ৰস্ত প্ৰবীন বৈষ্ণৱ। কিন্তু ক্ষুদ্ৰৰ মানস জগতলৈ সেই গৰাখহনীয়া এতিয়াও অহা নাই। নিশ্চয়



ঘূৰাই আনিব পৰা যাব। বিনোদে ভাবিলে। কথাবোৰ ভাবি ভাবি আহি থাকোতে কোন পৰত বিনোদ ক্ষুদ্ৰৰ ঘৰ পাৰ হৈ আহিল গমেই নাপালে। সমুখৰ দোকানখন দেখিহে তাৰ মনত পৰিল। উভতি আহি সি লাহে লাহে সোমাই গ'ল।–দুৱাৰত টোকৰ মৰাৰ আগতেই এজন সুদৰ্শন ডেকা ল'ৰাৰ এখন হাতত ধৰি স্মৃতিৰেখা ওলাই আহি বিনোদক দেখি থমকি ৰ'ল। ল'ৰাজনৰ নাকটোত চেপা মাৰি দুষ্ট ল'ৰা, গধূলি নাহিলে মজা পাবা বুলি এটা দুষ্টামি হাঁহি মাৰি বিদায় দি বিনোদলৈ চালে–বলা বিনোদ। আলহীৰ দৰে ইয়াতে ৰলা যে।–বিনোদৰ কিবা এটা বেয়া লাগি গ'ল। স্মৃতিৰেখাৰ অসংযত কাপোৰ-কানি, নহয়, ল'ৰাজনৰ লগত কৰা আচৰণ নহয়, ল'ৰাজনক গিলি পেলাব খোজা দুচকুৰ কামনাৰ জুই,–নহয়। তেন্তে কি ? বিনোদে নিজকে সুধিলে। আত্মপ্ৰবঞ্চনা। আত্মপ্ৰবঞ্চনাৰ ভিত্তিত প্ৰতিষ্ঠিত কোনো তৃপ্তিয়েই দৃঢ় নহয়।–সচেতন আত্মপ্ৰবঞ্চনাই মানুহক নিজৰ সম্পৰ্কে মনোযোগী হ'বলৈ শিকায়।'–ৰাচেলৰ কথা কেইষাৰ বিনোদৰ মনত পৰিল–স্মৃতিৰেখাই মনত পেলাই দিলে। অৰূপ ইয়ালৈ আহিবলৈ এৰিলে, স্মৃতিৰ পৰা সি আঁতৰি থাকিবলৈ বিচাৰে। তাৰ কথা হ'ল প্ৰচলিত সমাজ সম্পৰ্ক ছিন্ন কৰি নতুন সমাজ সম্পৰ্ক প্ৰতিষ্ঠাৰ কাৰণে সংগ্ৰাম নকৰি নাৰী মুক্তিৰ নামত আস্ফালন কৰি ফুৰিলে একো লাভ নহয়। উচ্চ সংস্কৃতিৰ নামত, মধ্যযুগৰ সামন্তীয় মূল্যবোধ–নৈতিকতাৰ, প্ৰশংসা মুখৰ সাংস্কৃতিক আন্দোলনৰ নেপথ্যৰ ছাবিখন অৰূপে দেখিছে। য'ত এচাম মানুহে সামাজিক প্ৰতিপত্তি-মৰ্যাদা হানি হোৱাৰ ভয়ত–বেয়া মানুহ হোৱাৰ ভয়ত, বুৰ্জোৱা নৈতিকতাক আধুনিক সংস্কৃতিৰ সাজপাৰ পিন্ধাই সামন্ত সংস্কৃতিৰ কোলাত তুলি সমাজৰ সাংস্কৃতিক ৰূপান্তৰৰ নামত, নিজৰ গোপন কামনা-বাসনা চৰিতাৰ্থ কৰিছে।–বিনোদে অৰূপৰ কথাবোৰ নিজৰ মনৰ ভিতৰত যুকিয়াই আছে। এনেতে স্মৃতি সোমাই আহি তাৰ সমুখৰ চকীখনতে বহিল।

–কি হ'ল ডেকা ল'ৰা মন মাৰি বহি আছা দেখোন।

–বহি নাথাকি কি কৰিম ? ককাইদেউ বোধকৰো নাই।

–নাই। কেনি গ'ল নাজানো। আজি কাছাৰীলৈ যোৱা নাই দেখোন। কিবা কলেহে।

–কিমান সময় হ'ল যোৱা।–বিনোদে জানে ক্ষুদ্ৰই ক'তো মেল মাৰি বহি নাথাকে।

–সেইবোৰ মোক সুধি বিৰক্ত নকৰিবা। ক্ষন্তেক বহা। মই অফিছৰ পৰা আহি কাপোৰ সলোৱাই নাই। আহি থাকোতেই বাটত, আমাৰ ঘৰৰ ওচৰৰ বিপুল বৰুৱা যে,–স্মৃতিয়ে বিনোদৰ মুখলৈ চালে–তেওঁৰ সৰুটো ল'ৰা মোৰ ভনীজনীৰ লগতে এম, এ, পঢ়ে। হিষ্ট্ৰিত অনাৰ্চ লৈ পাছ কৰিছে। সি যে মোৰ লগ নেৰেই। নিজৰ বায়েকতকৈ মোক বেছি ভাল পায়।

–এবাৰ বি, এ, ফেল কৰিছিল নহয় ?

–ফেল নহয় দুখন পেপাৰ নিদিলে ।–আৰু কিবা কথা ওলায় বুলি স্মৃতিয়ে কলে তাক ঘৰত ময়েই দেখুৱাই দিব লাগে ।–তুমি বহা মই কাপোৰ সলাই লওঁ । স্মৃতি ভিতৰলৈ সোমাই গ'ল । এনেতে ক্ষুদ্ৰ সোমাই আহিল । নিৰ্বিকাৰ বিনোদৰ ফালে এবাৰ চাই ওচৰৰ চকী খনতে বহিল ।

–তই অহা কিমান সময় হ'ল ?

–আধা ঘণ্টামান হ'ল ।

–মই হাস্পাতালৰ পৰা আহিলো । সকলো ঠিকে আছে যদিও, ৰূপহীক কিছুদিন ঘৰৰ পৰিবেশৰ পৰা আঁতৰাই ৰাখিবলৈ ডাক্তৰে পৰামৰ্শ দিছে । পাৰিলে চিন্তা কৰি চাবি ।

বিনোদে এবাৰ তাৰ ফালে চালে । ক্ষুদ্ৰই চাপৰি, চেণ্ডেল এপাটৰ পৰা ওলাই আহিব খোজা সৰু গজালটো একৱাবলৈ চেষ্টা কৰি আছে । মাজে মাজে এবাৰ ভৰিৰ তলুৱা খন চায় । গজালটোৱে নিশ্চয় ঘা লগালে । গজালটো উলিয়াবলৈ কৰা ব্যৰ্থ চেষ্টা এৰি দি চেণ্ডেল পাট আগৰ ঠাইত থৈ পোন হৈ বহিল । আকৌ চকুত পৰিল, পায়জামাটোৰ পাতলিৰ পৰা প্ৰায় চাৰি ইঞ্চিমান ওপৰলৈকে চাইকেলৰ চেইনৰ তেলৰ দাগ । মেজৰ ওপৰত পৰি থকা বাতৰি কাগজ এখন টান মাৰি নি দাঁতিৰ পৰা অকণমান কাগজ ফালিলে ক্ষুদ্ৰই । লাহে লাহে ডাঠ হৈ লাগি থকা বোকাৰ নিচিনা হৈ পৰা তেলবোৰ মোহাৰি আঁতৰাবলৈ চেষ্টা কৰিলে । তেলবোৰ বিয়পি পৰি বেছিহে লেতেৰা হ'ল । ক্ষুদ্ৰই মোহাৰি থাকোতেই স্মৃতিয়ে চাহ একাপ আৰু এখন প্লেটত দুখন মান বিস্কুট লৈ সোমাই আহিল ।

–খোৱা বিনোদ

–ককাইদেউলৈ আনক

–ওলাই যাওঁতে, খাই গৈছে । আকৌ খাব নালাগে ।

–তই খা বিনোদ । ক্ষুদ্ৰই গৈ খিৰিকিয়েদি হাতৰ কাগজ টুকুৰা বাহিৰলৈ পেলাই দি আকৌ বহিল ।

–আজি কাছাৰীলৈ যোৱা নাছিলা নে কি ?–বিনোদে সুধিলে

–গৈছিলো সোনকালে গুচি আহিলো ।

–খোৱা বিনোদ, বিস্কুট খোৱাই নাই দেখোন । দিবলৈ আৰু একো নাই । মই অকলে কিমান চিন্তা কৰিম ।

বিনোদে একো নামাতিলে । ক্ষুদ্ৰৰ মুখলৈ চালে । এখন শুকান মুখ । টানি আজুৰি যেন দেহাটো লৈ ফুৰিছে । নিৰ্বিকাৰ সকলোৰে পৰা যেন নিৰ্লিপ্ত এনে যেন লাগে । সি স্মৃতিৰ ফালে মুখ ঘূৰালে । হাত নথকা চাৰি আঙুল মান বহল ব্লাউজটোৱে বহল ওখ বুকুখন ঢাকি ৰাখিব পৰা নাই । চাদৰখনে সেই একেটা কামকে কৰিবলৈ ব্যৰ্থ চেষ্টা চলাই আছে । সুন্দৰ স্বাস্থ্য-দেহটো সজাইছেও সেইদৰে । স্মৃতিয়ে হেনো এদিন ক্ষুদ্ৰক ব্যঙ্গ কৰিছিল তাৰ বৌদ্ধিক দক্ষতাৰ লগতে ৰূপ যৌৱনো একো নাই বুলি । তাই নিজে যৌৱনক হেনো হাতৰ মুঠি ধৰি ৰাখিছে, বহুত ডেকাক নচুৱাই থাকিব পাৰে ।–কথাকেইষাৰ বিনোদক অৰূপেই কৈছিল । সি ক'ত শুনিছিল বিনোদে সোধা নাছিল । প্ৰয়োজনো বোধকৰা নাছিল ।–কথা কেইষাৰ বিনোদৰ মিছা যেন নালাগিল ।–স্মৃতিয়ে বাৰে বাৰে পদূলি মুখলৈ ব্যগ্ৰহৈ চাই আছে । নিশ্চয় কোনোবা অহাৰ কথা আছে–বিনোদে ভাবিলে ।

–বিজয় দা অহাৰ কথা আছে । স্মৃতিয়ে ক'লে–আজি গধূলি এফালে যোৱাৰ কথা । এফালে মানে নিৰাকাৰ শইকীয়াৰ ঘৰত আলোচনা চক্ৰ আছে । বিজয়দাৰ লগত অলপ বজাৰো কৰিব লাগে । তুমি চিনি পোৱা নহয় বিজয়দাক ?–বিনোদে কিবা সোধাৰ আগতেই স্মৃতিয়ে সুধিলে ।

–পাওঁ । কথা পতা নাই ।

–বৰ ভাল ল'ৰা জানা । ল'ৰা মানে এতিয়াও ল'ৰা হৈয়ে আছে । এই ঘৰ খনক যে মানুহটোৱে ইমান সহায় কৰিছে কি কম ।

–ঘৰ মানে আপোনালোক চাৰিজন । প্ৰশান্ত ডাঙৰেই হ'ল, দুমাহৰ পিছত চাকৰি কৰিব পাৰিব । সি এইবাৰ এম, এ, দিয়া নাই জানো ?

–ওঁ ।–স্মৃতিয়ে শলাগিলে । প্ৰশান্তৰ কথা ওলোৱাৰ লগে লগে স্মৃতিৰ মুখৰ বৰণ বিনোদৰ চকুত পৰাকৈ সলনি হৈ গ'ল । প্ৰশান্ত সিহঁতৰ প্ৰথম সন্তান । বিয়াৰ দুবছৰৰ পিছত জন্ম হৈছিল । স্মৃতিয়ে হেনো ইচ্ছা কৰা নাছিল । প্ৰশান্তই ঘৰত থাকিবলৈ মুঠেই ইচ্ছা নকৰে । ক্ষুদ্ৰৰ মোমায়েক এজনৰ ঘৰ তাতে । প্ৰশান্ত প্ৰায়েই তাত থাকেগৈ । ককাকেও তাক বৰ মৰম কৰে ।

–ঘৰত কাম কৰিবলৈ ল'ৰা এটাও আছে । ঘৰখনৰ কাৰণে ইমান চিন্তা কৰিব লগা কি আছে নো ?–বিনোদে সুধিলে ।

–অকল বজাৰ কৰি দিয়াটোৱেই নহয় । সুন্দৰ এটা পৰিয়ালৰ স্বপ্ন এওঁ কেতিয়াবা দেখিছিল নে ? আইন লৈয়ে ব্যস্ত । মক্কেলৰ নামত গাঁৱৰ খাবলৈ নোপোৱা কেইটামান আহিব, পইছা নিদিয়াকৈ কাম কৰাই নিব । থকা-মেলাৰ গত সেইটোহে । প্ৰশান্ত–সিও সেই বাটকে লৈছে । (এইটোৱেই মোৰ জীৱন ধ্বংস কৰিলে । গাঁৱৰ চহা মানুহ, চহা মানুহ হৈয়ে থাকিল । নাই নোৱাৰো, ইয়াক মনৰ মাজত কেনেকৈ লওঁ কি আছে তাৰ মোক দিব পৰা ।–ধেৎ কিবোৰ যে ভাবিছা ।)

–আপুনি ভুল বুজিছে । এইখন সমাজত কোনেও সুন্দৰ জীৱনৰ সপোন সাৰ্থক কৰিব নোৱাৰে ।

–থোৱা তোমালোকৰ সেই তত্ত্ববোৰ । ইয়াৰ মাজতেই বহুতে ভালদৰে আছে ।–স্মৃতিয়ে কলে

–বহুতেই সকলোৱে নহয় ।–বিনোদে হাঁহি হাঁহি কলে

–বাদ দিয়া সেইবোৰ । বিজয়দাই সমাজৰ ইমানবোৰ দায়িত্ব পালন কৰিও, তিনিখন কিতাপ লিখিলে । সেইখিনি কৰিও কি সুন্দৰ জীৱন কটাইছে দেখা নাই তোমালোকে ? এতিয়া এখন আলোচনীও প্ৰকাশ কৰিব ।–আমাৰ কি হ'ল ? (মোৰ কি নাই সকলো আছে । ঘৰ মাটি সঞ্চয়, ইচ্ছা কৰিলে মই গাড়ী কিনিব পাৰো । কিন্তু ইয়াক টেটুত গছকি ধৰি থাকিব নোৱাৰিলে মোৰ বাসনা অপূৰ্ণ হৈ ৰব । জীৱন এবাৰেই পায় ।) ঘৰ দুটাই সকলো নহয় । ল পৰীক্ষাটো দিম বুলি ভাবিলো খবৰেই নাই কাৰো । বিজয় দা আৰু বসন্তহঁতে কিতাপ কেইখনমান গোটাই দিছিল । মনৰ শান্তি হলেহে ? কেৰাণী কৰি, ঘৰৰ গোলামী কৰাটোকেই তোমালোকে বিচৰা । দেউতা সেই কাৰণেই ইয়ালৈ আহিবলৈ বেয়া পায় । মোৰ ভনীজনী ছমাহ থাকি গুচি গ'ল । আনন্দ নাই, ফূৰ্তি নাই কি থাকিব ইয়াত । এতিয়া মাতিলেও নাহে ।–পদুলি মুখলৈ মাজে মাজে চাই চাই স্মৃতিয়ে কৈ গ'ল । বিনোদ নীৰৱ শ্ৰোতা হৈ বহি আছে ।

ক্ষুদ্ৰই ইতিমধ্যে ভিতৰলৈ গৈ হাতত আলোচনী এখন লৈ ওলাই আহি আকৌ বহিল । বিনোদৰ হঠাতে স্মৃতিৰ ভনীয়েক বন্দনাৰ কথা মনত পৰিল । তাই বায়েকৰ লগতে থাকি কলেজত পঢ়িছিল । ঘৰত মানুহ বেছি তাই আমনি পাই । ইয়াত মানুহৰ উৎপাততকৈ বায়েকৰ উৎপাততেই কেইদিন থাকি গুচি গ'ল হেনো । তাইৰ লগৰ ল'ৰা গলেই বায়েক আহি বহি লব, তাই কথা পাতিবলৈকে নাপায় । বায়েক যেনেকৈ থাকে তাইৰ হেনো নিজৰে লাজ লাগি যায় । তাতোকৈ ডাঙৰ কথা বন্দনাক, বিনোদৰ বন্ধু অসীমে ভাল পায় । এই মাহতে বোধহয় সিহঁতৰ বিয়া হব । সি স্থানীয় কলেজখনৰ অৰ্থনীতিৰ শিক্ষক । সি মাজে মাজে বন্দনা থাকোতে ইয়ালৈ আহিছিল । স্মৃতিয়ে তাৰ লগেই নেৰা হ'ল হেনো । এদিন মৰম কৰাৰ চলেৰে স্মৃতিয়ে অসীমক বুকুৰ মাজলৈ টানি নিছিল, সি উচাট মাৰি উঠি আহিল । সি ওলাই আহোতে দুৱাৰ মুখত তাৰ কাণত পৰিছিল, স্মৃতিৰ মুখৰ পৰা হঠাতে সুলকি পৰা এটা শব্দ 'কাপুৰুষ' । বন্দনাক সি একো নকলে, মাথোন তাই বায়েকৰ লগত থকাটো সি নিবিচাৰে তাকে কলে । সেইদিনাই বন্দনায়ো স্মৃতিৰ ঘৰ ত্যাগ কৰিলে । অসীমে বিনোদক গোটেই কথাবোৰ কৈছিল । লগতে বিজয়, বসন্ত, কাৰ্তিকহঁতৰ লগত সংস্কৃতি চৰ্চাৰ লগতে স্মৃতিয়ে জীৱনটো কেনেকৈ উপভোগ কৰিছে তাকো কৈছিল । অসীমৰ এষাৰ কথা বিনোদৰ কাণত আজিও বাজি আছে । সি কৈছিল –বুজিছ বিনোদ বয়স যিমানেই নহওক, ৰূপ স্বাস্থ্য থাকিলে এজনী নাৰীয়ে বিচাৰিলে যি কোনো বয়সৰ এজন পুৰুষক প্ৰলোভিত কৰিব পাৰে, কামনা চৰিতাৰ্থ কৰিব পাৰে কিন্তু এজন পুৰুষে বিচাৰিলেই যি কোনো এজনী নাৰীক প্ৰলোভিত কৰিব





নোৱাৰে ।–আজিৰ মধ্যশ্ৰেণীৰ সমাজত এনে উশৃঙ্খলতা চলি থকাটো বিনোদ কিয়, সকলোৱে লক্ষ্য কৰিছে । সমাজত আজিও প্ৰাধান্য বিস্তাৰ কৰি থকা সামন্তীয় মূল্যবোধ যি বোৰে নাৰীৰ সামাজিক মৰ্যাদা ক্ষুণ্ণ কৰিছে অথচ তাৰ প্ৰভাৱৰ পৰা নিজক আঁতৰায়ো ৰাখিব নোৱাৰে, সেই মূল্যবোধ আৰু বুৰ্জোৱা নৈতিকতা দুয়োটাৰে সংঘাতৰ ফলশ্ৰুতি এই গোপন ব্যভিচাৰ ।–বিনোদে ভাবিলে । অবক্ষয়ী সমাজ খনে ধৰি ৰাখিব খোজা জীৱন বিধ্বংসী সেই প্ৰমূল্যবোৰক বুকুত সাৱটি আজিৰ শিক্ষিতা নাৰীয়ে নাৰী মুক্তিৰ নামত সভা-সমিতি পাতি বক্তৃতাৰ ফুলজাৰি মাৰি ফুৰা দেখিলে বিনোদৰ হাঁহি উঠে ।

–আপোনাৰ অসুখ বুলিতো নাজানো । কি অসুখ হৈছে ।–বিনোদে সুধিলে

–সেইবোৰ সুধি একো লাভ নাই । বাদ দিয়া ।–আকৌ পদুলি মুখলৈ চালে

–বিনোদ এইবোৰ শেষ নোহোৱা কথা । এইবোৰকে পাগুলি থাকিবিনে ?–ক্ষুদ্ৰ বিৰক্ত হ'ল

–শুনিলা বিনোদ । মোৰ কথাৰ মূল্য নাই ।–স্মৃতিৰ খং উঠিল

–মূল্য নাই বুলি কোৱা নাই

–হ'ব হ'ব মনে মনে থাকা । স্মৃতিয়ে ক্ষুদ্ৰৰ কথা শেষ হ'বলৈ নিদিলে–কোনো এটা কামৰ কাৰণে যোগ্যতা নাই মুখত যিহকে আহে তাকে বলকি ঘৰ একেবাৰে নষ্ট কৰিলে । ইলেকশ্যন খেলি কি হ'ল, দেউতা নোহোৱা হলে ঘৰে মাটিয়ে গ'লহেঁতেন । নাক উলিয়াব নোৱৰা হলো ।

–বৌ আপুনি এইবোৰ কি কৈছে ?–বিনোদে প্ৰতিবাদৰ সুৰত কলে

–কিয় নকম, তোমালোকে কেৱল আদৰ্শৰ কথা কৈ ফুৰা । কামৰ বেলিকা ফুটুকাৰ ফেন । আমি কৰাবোৰ বেয়া । হাঁহি আনন্দ, চিনেমা থিয়েটাৰ ভালপোৱাটোক তোমালোকে বুৰ্জোৱা মানসিকতা বুলি কোৱা ।–

–কোনে কৈছে, আমি আপোনালোকৰ সকলো কামকে বেয়া বুলি কৈছো ? যিবোৰ সমাজৰ প্ৰগতিশীল বিকাশৰ পৰিপন্থী সেইবোৰক বেয়া বুলি কোৱাই নহয় তাৰ বিৰোধিতাও কৰিছো আৰু কৰিম ।–বিনোদে প্ৰতিবাদৰ সুৰত কলে ।

–আনে কৰা কামৰ বিৰোধিতা কৰাৰ বাহিৰে, তোমালোকে কি কৰিব পাৰিছা নো ?

–তাৰ হিচাপ আপোনাক দিব লাগিব নে কি ? শুনক, বৌ আমি ৰোমাণ্টিক বিপ্লৱী নহওঁ । আমাৰ ৰাজনৈতিক আৰু সাংস্কৃতিক কৰ্ম কোনো ৰোমাণ্টিক বিলাসিতা নহয় । সেইখিনিতে আপোনালোকৰ লগত আমাৰ পাৰ্থক্য । –বিনোদে ক্ষুদ্ৰৰ মুখলৈ চালে

–তাৰ মানে আমাৰবোৰ ৰোমাণ্টিক বিলাসিতা ?–স্মৃতি ফেট তুলি উঠিল

–তাতকৈ বেছি বুলি মই ভবা নাই । নহলে ককাইদেউৰ দৰে এজন প্ৰকৃত ৰাজনৈতিক-সাংস্কৃতিক যোদ্ধাক বাদ দি বিজয় বৰুৱাক বাচি নলয় ।

–তোমালোকে লাজ পোৱা উচিত বিনোদ–কি দিব পাৰিছা সমাজক ? গালি পাৰিছা কেৱল ।

–আপোনাৰ চকুত বোধকৰো সেইখিনিয়েই পৰিছে । পৰিবই কাৰণ আপোনালোক নিজৰ কপটতা সম্পৰ্কে সচেতন । আৰু শুনক–আপুনি কি দিছে ঘৰখনক ?

–বিনোদ অযথা তৰ্ক কৰিছ কিয় ?–ক্ষুদ্ৰই মাত লগালে ।

–চুপ মনে মনে থাকা । তুমি, তুমিয়েই পিছত থাকি এই ল'ৰাবোৰক নষ্ট কৰিছা । লগতে ঘৰ খনো ধ্বংস কৰিছা ।–স্মৃতিয়ে স্থান কাল পাহৰি ক্ষুদ্ৰক সৰ্তক কৰি দিলে কথা নকবলৈ । বিনোদে একেথৰে স্মৃতিৰ ফালে চাই থাকিল ।

–আমি কেঁচুৱা ল'ৰা নহয় যে কোনোবাই ফুচুলালেই আমি ভোল যাম । জীৱনৰ অভিজ্ঞতা অধ্যয়ন আৰু সমস্যা সমাধানৰ কাৰণে সকলোৱে মিলি কৰা কামৰ মাজেদিহে ৰাজনৈতিক সাংস্কৃতিক জগতলৈ ওলাই আহিছো সমাজখনৰ ৰূপান্তৰ বিচাৰি ।–বিনোদে কলে

–বিনোদ, সমাজৰ চৰিত্ৰ, দ্বন্দ্ব আৰু বিকাশৰ সঠিক পথ নিৰ্ণয়ত ভুল হৈছে । সেই সুবিধা আনে গ্ৰহণ কৰি ৰাইজক ভাগ ভাগ কৰি বিপথে পৰিচালিত কৰিছে ।–ক্ষুদ্ৰই নিৰ্বিকাৰভাবে কলে । কেই মুহূৰ্তমান আগতে যে স্মৃতিয়ে তাক ভেকাহি মাৰি দিছিল সেইটো যেন সি গমেই পোৱা নাছিল ।

–সেইবোৰকে বলকি পাগুলি থাকোতেই দিন গ'ল ।–স্মৃতিয়ে নিজকে কোৱাদি কলে । কথাষাৰ বিনোদৰ কাণত পৰাৰ লগে লগে সি স্মৃতিলৈ চালে । তাই তাৰ ফালে চাই আছিল, সি মূৰ তোলাৰ লগে লগে তাই আনফালে মুখ ঘূৰালে । তাৰ স্মৃতিৰ প্ৰতি হঠাতে এক গভীৰ সহানুভূতি উপজিল । স্মৃতিয়ে সুদীৰ্ঘ কাল একেলগে থাকিও ক্ষুদ্ৰৰ সম্পূৰ্ণ বিপৰীত এক জীৱন কটোৱাৰ বাবে কাক দোষ দিব সি ? বিনোদহঁতৰ নিজৰে দোষ, যাৰ ফলত স্মৃতিক সিহঁতে সিহঁতৰ মাজলৈ আনিব নোৱাৰিলে । নাৰীৰ দুচকুত সুন্দৰ নতুন জীৱনৰ স্বপ্ন, অথচ সেই স্বপ্নক ৰূপায়িত কৰাৰ সঠিক পথ এতিয়াও তেওঁলোকৰ দৃষ্টিৰ সীমাৰেখাৰ বাহিৰত । সেই স্বপ্নওযে সত্যৰ অগ্ৰদূত সেইটো ঠিক ভাবে উপলব্ধি কৰিব নোৱৰাৰ ফলতেই তেওঁলোক আঁতৰি গ'ল । ভুল পথত তাক ৰূপ দিয়াৰ কাৰণে খোজ দিলে । কিন্তু নাৰীৰ প্ৰকৃত মুক্তিৰ প্ৰশ্নটো প্ৰচলিত সমাজ সম্পৰ্কৰ লগত জড়িত । গতিকে ৰাজনৈতিক আন্দোলনৰ সমান্তৰাল ভাবে গঢ়ি তুলিব লাগিব এক সাংস্কৃতিক আন্দোলন–বিনোদে তন্ময় হৈ কথাবোৰ ভাবি আছে ।

–বিনোদ বহা বুলি কৈ স্মৃতি ভিতৰলৈ গ'ল ।

–বুজিছ, হাস্পাতালতে সোণপাহীহঁতক পালো ।–ক্ষুদ্ৰই বাতৰি কাগজৰ পৰা মূৰ নোতোলাকৈয়ে কলে,

–সোণপাহীও আহিছে নে কি ?–কথাটো সুধি অপ্ৰস্তুত হ'ল । নাই ক্ষুদ্ৰই মন কৰা নাই সি ভাবিলে,

–ওঁ । মোৰ ওপৰত অভিযোগ মই হেনো সকলোৰে পৰা আঁতৰি থাকিবলৈ বিচাৰো ।

–সেইটো সকলোৱে কয় ।–বিনোদে কওঁ নকওঁকৈ কলে

–ঠিকেই । পিছে ভৰি মাটিতে দিব লাগিব–শূন্যত থিয় হ'ব নোৱাৰি । তহঁতে দেখা পাইছ মানুহৰ এটা দিশ–সম্পূৰ্ণকৈ দেখিবলৈ এতিয়াও বাকী । সঁচা কথা সৰুকণ, ৰূপহীহঁত অনাহকত এদল দস্যুৰ বলি হৈছে, মাটিয়েই যাৰ জীৱন সেই মানুহৰ পৰা মৃত্যুৱে বুকুৰ সন্তান কাঢ়ি নিয়াৰ দৰে কাঢ়ি নিছে মাটি–তহঁতে সেইবোৰ দেখিছ, কিন্তু মনত ৰাখিবি সেই নিষ্ঠুৰ সত্যই নতুন এক সত্যৰ জন্ম দিছে, সেই সত্য এতিয়াও তহঁতৰ কাৰণে অজ্ঞাত নতুবা অস্বীকাৰ কৰিছ । সোণপাহীহঁতৰ চকুৰ স্বপ্নক অস্বীকাৰ নকৰিবি সিহঁতক সেই নতুন সত্যই সৃষ্টি কৰিছে । সোণপাহীহঁতৰ সহযাত্ৰী সহকৰ্মী হৈ মানুহৰ মাজত মানুহৰ দৰে জীয়াই থকাৰ একাগ্ৰ বাসনা চৰিতাৰ্থ কৰিবলৈ গৈ উজুটি খাইছো, পথ এৰি বিপথে গৈ । তহঁতৰ ওপৰত বিশ্বাস জন্মিছে, সেয়ে সিহঁত ওলাই আহিছে । গতিকে পথ সম্পৰ্কে সাৱধান হবি ।

সোণপাহীৰ নামটো শুনি বিনোদৰ চকুৰ আগত তাইৰ মুখখন জিলিকি উঠিল । তাৰ মনটো উৰা মাৰিলে গাঁৱলৈ । ভালেমান দিন হ'ল সি গাঁৱলৈ যোৱা নাই । সোণপাহীহঁত নিশ্চয় মোৰ কাৰণে হাস্পাতালত ৰৈ থাকিব । শৈশৱতে পোৱা বুকুৰ সেই আঘাত তাই পাহৰিব পৰা নাই । কেনেকৈ পাহৰিব ? সৰুকণ দাইটিৰ কঁকালৰ বিষটোৰ দৰে তাইৰ বুকুতো থাকি গ'ল শৈশৱৰ সেই দাগ । আহিল জীৱনৰ সুন্দৰ প্ৰভাত, উজ্জ্বল দিন কেইটা জীৱনৰ প্ৰভাত যৌৱন এবাৰেই পায় । প্ৰকৃতিয়ে এবাৰতকৈ বেছি নিদিয়ে । প্ৰকৃতিৰ কি অপাৰ কৰুণা । যৌৱনৰ পৃথিৱী, সূৰ্যৰ আলোকে ভৰা মন নীল আকাশ, শ্যামল পৃথিৱী আগতেতো তাই দেখা নাই । পৃথিৱীখন ইমান ধুনীয়া ! যৌৱনৰ সেই স্বপ্ন দুঃস্বপ্নত পৰিণত কৰি জীৱনৰ ঐশ্বৰ্য কোনোবাই কাঢ়ি নিলে ।–বিনোদৰ মন উৰি গ'ল শৈশৱ আৰু কৈশোৰৰ সেই সোণালী দিনবোৰলৈ ।–মই তেতিয়া দশম মান শ্ৰেণীৰ ছাত্ৰ । গাঁৱৰ ভালেমান মানুহে গাঁৱৰ পৰা আঠ-ন মাইল মান দূৰত থকা চৰকাৰী ৰিজাৰ্ভৰ মাটি দখল কৰি খেতি কৰিছিল । প্ৰথমে ৰাইজে চৰকাৰৰ ওচৰত মাটিৰ





DISCARD

কাৰণে আবেদন কৰিছিল। ক্ষুদ্ৰ ককাইদেউ নিৰাকাৰহঁতেই দৰ্খাস্ত লিখি, ৰাইজক কাছাৰীলৈ লৈ গৈছিল। মাটি দিম দিম বুলি, এবছৰ পাৰ কৰিলে, চৰকাৰৰ কোনো খবৰেই নাই। শেষত এদিন ৰাইজে দলে বলে গৈ হাল জুৰিলে। ক্ষুদ্ৰই চৰকাৰৰ লগত যোগাযোগ কৰিলে। খেতি কৰাত চৰকাৰে আপত্তি নকৰা দেখি ৰাইজে লগ লাগি সৰু পাম ঘৰ দুটামান সাজি পাল পাতি তাত থাকিবলৈ ললে। মনত অপাৰ আনন্দ এইবাৰ যেনেকৈয়ে হওক এমুঠি ধান পাম। ধান দাই উঠি নাম ঘৰত ভাওনা পতাও ঠিক কৰিলে। ধান পকিবলৈ আৰম্ভ কৰিছে এনেতে এদিন এদল পুলিচ গৈ ঘৰ দুৱাৰ ভাঙি খেদি পঠিয়ালে–দুটামানক বান্ধি গাড়ীত তুলি ললে। সোণপাহীৰ বাপেক সৰুকণ দাইটিয়ে দুটামানক লগত লৈ পুলিচক ফেপেৰি পাতি ধৰিছিল। সেয়ে পুলিচে দাইটিক বেয়াকৈ মাৰিলে।–গাঁৱত খবৰটো পাই বৰপিতাই আৰু দুজনমান ওলাল। দুটামান চাইকেল লৈ আগতেই। বৰপিতায়ে কণলৰাক তাৰ গাড়ীখন লবলৈ কলে। তাৰ গৰুহাল বৰ চোকা। চাইকেলৰ সমানে সমানে যাব পাৰে। সকলো ওলোৱাত মই আৰু বলীনো ওলালো। ঘৰত কোনেও বাধা নিদিলে। সোণপাহী তেতিয়া গাভৰু হওঁ হওঁ। মোতকৈ বয়সত তাই তিনি বছৰ মানৰহে সৰু। তাইও যাবলৈ ওলালত মই বাধা দিছিলো, খুৰীয়েও।–দাইটিক কোনোবা দুটা মানে দাং-কোলা কৰি আনি ওচৰৰ গাঁওখনৰ মানুহ এঘৰতে ৰাখিছিল।–গধূলিৰ লগে লগে আমি দাইটিক লৈ ঘৰ পালোহি। বাকীবোৰ যেনি তেনি আহি ঘৰ পালেহি। ৰাতি সকলো ঘৰা ঘৰি গ'ল। বৌ আৰু কমল তেতিয়াও যোৱা নাই। মোকো লগতে লৈ যাব বুলি ভাবিয়েই বোধকৰো বৌ ৰৈ আছিল। খুৰীয়ে যেতিয়া কলে–পোনা এতিয়া যাব নালাগে, ইয়াতে থাওক। কোনোবা এটা নাথাকিলে মোৰ বেয়া লাগিব।–তেতিয়াহে বৌ যাবলৈ উঠিল। সি যাব বুলিহে মই বহি আছিলো। থাওক সি ইয়াতে–বুলি বৌ ওলাই গ'ল। সোণপাহীয়ে বাহিৰত ভাত দুটামান ৰান্ধি ভায়েক নৰেণক খুৱাই শুৱাই থলে। খুৰীয়ে জলপান দুটামানকে খাই দাইটিৰ ওচৰতে মাটিতে বিছনা এখন কৰি, ভিতৰৰ বিছনা খনতে মোক শুবলৈ কলে। ডাঙৰজনী ছোৱালী সৰুমাইক বিয়া দিয়াৰ পিছত প্ৰায়েই মই ৰাতি থাকো তাত। দাইটি জীয়েকৰ ঘৰলৈ যাওঁতে আমাৰ ঘৰত সোমাই কৈ যাব পোনাক যাবলৈ কবি অ' কমল। আগতে কেতিয়াবা সোণপাহীও ৰাতি ভাতপানী খাই আমাৰ ঘৰতে শুই থাকে, আমি গোটেই কেইটা একেলগে শোওঁ ধেমালি কৰো, সাধু কওঁ। আজি তাইৰ ওচৰত শুবলৈ মোৰ কিয় জানো লাজ লাগিল–ভয়ো। ডাক্তৰে বেজী এটা দিয়াৰ পিছত দাইটি টোপনি গ'ল। মোক শুবলৈ কৈ খুৰীও বিছনাত পৰিল। মোক লাজ-ভয় সংকোচে আগুৰি ধৰিলে। উপায় নাপাই নৰেণৰ নেওঁতা কিতাপ খনকে লৈ পাত লুটিয়াই আছো। "নোশোৱা নেকি" সোণপাহীয়ে লাহেকৈ কলে। তাইয়ো যেন লাজ কৰিছে। তাই সোধাৰ লগে লগে মোৰ গাটো সিৰসিৰাই গ'ল। নৰেণৰ ওচৰতে তাই লাহেকৈ শুলে তাইৰ ওচৰতে মোলৈ ঠাই উলিয়াই কলে পিছত ঠাই নাপাবা কিন্তু। মোৰ বুকুখনত আকৌ কিবা এটাই ধমহকৈ মাৰিলে। কি কৰো এতিয়া ? এইদৰে ভালে মান সময় পাৰ হ'ল। চাকিটো নুমাব খোজা দেখি মই লাহেকৈ উঠি চাকিটো ফুমাৰি নুমাই, লাজে ভয়ে তাইৰ ওচৰতে দীঘল দিলো। তাইৰ টোপনি গ'ল যেন অনুমান হ'ল। মোৰ ফালে কাটি হৈ শুই থকা সোণপাহীৰ হাত আৰু মুখত মোৰ বাহুটো লাগিল। চকু দুটা মুদি ইমান চেষ্টা কৰিছো টোপনি নাহেহে নাহে। আন্ধাৰতে এবাৰ তাইলৈ চালো তাই নিশ্চয় টোপনি গ'ল। দাইটিৰ লগত গৈ একেলগে বিলত গা-ধোৱা, লুকা ভাকু খেলা সোণপাহীজনীলৈ কিয় ইমান ভয় লাগিছে বাৰু ? খুৰীয়ে মোক ইয়াত কিয় শুবলৈ কলে বাৰু ? তাইতো সৰু হৈ থকা নাই–ময়ো। তাই বুকুত মৰম সাঁচিব পৰা হৈছে।–মোৰ চেঙেলীয়া মনটো বান্ধ ছিগি ওলাই গ'ল। তাইৰ গালে মুখে হাত বুলাই দিলো ইমান কোমল ইমান মিহি। মনটো আৰু আগবাঢ়ি গ'ল, বাধা দিছিলো–নামানিলে। তাইৰ কোমল বুকুখনত আল ফুলে হাত বুলাই দিলো। তাই মোৰ বেছি ওচৰ চাপি অহা যেন লাগিল। তাইৰ মূৰটো বুকুৰ মাজত সুমুৱাই ললো। প্ৰেম্ চেম্ কি বুজি পোৱা নাছিলো তাইলৈ মাথো মৰম লাগিছিল।–কৈশোৰৰ সেই স্মৃতিবোৰ আজিও সজীৱ হৈ আছে। এদিন আহি তাই মোৰ মনৰ মণিকোঠাত সোমাল। নাজানো তাই সেই কোঠাত কি. বুটলিছে। তাই নাজানে–তাইয়েই মোৰ সংগ্ৰামৰ পথত ফুল ছটিয়াইছে। ভালেকেই বছৰ পাৰ হ'ল। সৰুকণ দাইটিৰ কঁকালৰ বিষটোৰ দৰে গাঁৱৰ ৰাইজৰো মাটিৰ সমস্যা একেদৰে আছে। সকলো একেই আছে মাথো সোণপাহী ৰূপহী মালতীহঁতৰ দেহলৈ সময়ে পৰিবৰ্তন অনাৰ দৰে, নিষ্ঠুৰ দাৰিদ্ৰ্যই সিহঁতৰ মনলৈও পৰিবৰ্তন আনিছে। আমাৰ কথাবোৰ শুনিবলৈ সিহঁতে হেঁপাহ কৰে–বুজিও পায়। চাকৰিটো পোৱাৰ পিছত গাঁওখন এৰি আহিবৰ দিনা তাই কৈছিল "গাঁৱতে থাকি কিবা এটা কৰিব পাৰা দেখোন ?" তাইক কি কৈছিলো গোটেইবোৰ মনত নাই। তাই বোধকৰো মোৰ কথাবোৰ বিশ্বাস কৰিব পৰা নাছিল। মই কৈছিলো মাজে মাজে আহি থাকিম। তাকে লৈয়ে জানো তাইৰ গাভৰু মনটো সন্তুষ্ট থাকিব পাৰিব ? তাইতো মোৰ দৰে জীৱনৰ মুক্ত ক্ষেত্ৰলৈ ওলাই আহিব পৰা নাই, যত ব্যক্তিৰ অপূৰণ বাসনাই হাজাৰ জনৰ অপূৰণ বাসনাৰ লগত মিলি পূৰ্ণ কৰাৰ পথত অগ্ৰসৰ হব পাৰে। যি পথে শেষত মানৱ মুক্তিৰ সঠিক পথৰ সন্ধান দিব পাৰে। সোণপাহীয়ে নাজানে যে এইখন অৱক্ষয়ী বিষাক্ত সমাজত প্ৰকৃত প্ৰেমৰ মূল্য নাই, ইয়াত যে প্ৰেম, নাৰীৰ সৌন্দৰ্য বজাৰৰ পণ্য,–ব্যক্তি প্ৰেমে দুখন হৃদয়ৰ মিলন ঘটালেও চিৰ দিনৰ কাৰণে সুখ শান্তি দিব নোৱাৰে। চকুৰ আগত খুৰী-দাইটি আৰু পোনা দুটাই যেতিয়া এমুঠি পেটপূৰাই খাবলৈ নাপাই হাহাকাৰ কৰিব–ধাৰ পৰিশোধ কৰিব নোৱৰাৰ কাৰণে, বৃকোদৰ মহাজনে যেতিয়া গোহালিৰ পৰা হালৰ গৰু হাল কাঢ়ি লৈ যাব, তেতিয়া, তেতিয়া জানো মোৰ এবুকু তপত মৰমে তাইক আনন্দ দিব পাৰিব, সুখী কৰিব পাৰিব ? তাই নাৰী, তাই বুজি পোৱা নাই এই নাৰীও যে নিষ্পেষিত। পৱিত্ৰ প্ৰেমক জীয়াই ৰাখিবলৈ ইহঁত এদিন ওলাই আহিব। যিখন সমাজে মানুহৰ মানৱীয় মূল্যবোধক হত্যা কৰি, প্ৰেম-প্ৰীতিৰ দৰে পৱিত্ৰ অনুভূতিক বজাৰৰ পণ্যত পৰিণত কৰিছে–সেই সমাজখন সলনি কৰাৰ যুঁজখনলৈ সিহঁতক উলিয়াই আনিব লাগিব। ৰাজপথৰ পদধ্বনি এতিয়াও সিহঁতৰ কাণত পৰা নাই। ছদ্মবেশী মানৱতাৰ শত্ৰুক সিহঁতে এতিয়াও চিনি পোৱা নাই। জীৱনৰ সুন্দৰ ৰূপটোৰ ছবি সিহঁতৰ সমুখত এতিয়াও তুলি ধৰিব পৰা নাই–দোষ সিহঁতৰ নহয়। সিহঁতৰ লগত স্মৃতিৰ তুলনা নহয়। যি সামন্তীয় সামাজিক বান্ধোনৰ মাজত সোণপাহীহঁত আৱদ্ধ তাৰ মাজত থাকিয়েই সিহঁতে প্ৰেমৰ পৱিত্ৰতা ৰক্ষা কৰি্ প্ৰেম আৰু যৌৱনক মুক্তি দিয়াৰ সংগ্ৰাম কৰিব পাৰে। আৰু স্মৃতিহঁতে প্ৰেম আৰু যৌৱনক মুক্তি দিয়াৰ নামত বুৰ্জোৱা নৈতিকতাৰ বলিশালত ডিঙি পাতি দি, সামন্তীয় মূল্যবোধক নতুন ৰূপত জীয়াই ৰাখিছে। সেইদিনা সোণপাহীক প্ৰতিশ্ৰুতি দিছিলো সিহঁতক বিশ্বৰ নতুন খবৰ দিম। মই নতুন খবৰ দিম, সিহঁতে পুৰণি পৃথিৱীত নতুন জীৱনৰ সপোন দেখিব, বলীন, দেবেন বলোহঁতৰ কঁকালত টঙালি বান্ধি দিব, আমি সকলো মিলি আগবাঢ়ি যাম সোণপাহীহঁতৰ যৌৱনৰ স্বপ্ন সত্য হৈ উঠিব।

–শুন বিনোদ–ক্ষুদ্ৰৰ মাতত, বিনোদ চক্খাই উঠিল, যেন সি টোপনিৰ পৰাহে সাৰ পালে।–সমাজৰ মূল দ্বন্দ্ব নিৰ্ণয় কৰোতেই আমাৰ খেলি মেলি হৈছে। গতিকে সংগ্ৰামে সফলতা কঢ়িয়াই আনিব কেনেকৈ ?

–সংগ্ৰামৰ মাজেদিয়েইতো ৰাইজৰ পৰিচয় ঘটে সমাজৰ আচল ৰূপটো লগত।

–সংগ্ৰাম–ক্ষুদ্ৰই হাঁহিলে। সকলোৱেই সংগ্ৰামৰ কথা কয়, কিন্তু কাৰ বিৰুদ্ধে তই প্ৰথমে সংগ্ৰাম কৰিবি। সেই সম্পৰ্কেই যেতিয়া বিপ্লৱী সকল এটা সিদ্ধান্তলৈ আহিব নোৱাৰিলে তাৰ পিছতো যেতিয়া শত্ৰু মিত্ৰ নিৰ্ণয় নকৰাকৈ সংগ্ৰাম আহ্বান কৰ, তেতিয়া নীৰৱে নাথাকি কি কৰিম। (খেতিয়কৰ ল'ৰা। নিজে খেতি কৰিছিলো তাৰ মাজতেই ৰাজনীতিৰ প্ৰথম পাঠ গ্ৰহণ কৰিছিলো। নাঙল এৰি মধ্য শ্ৰেণীলৈ প্ৰমোচন পালো নগৰলৈ আহিলো। বিপ্লৱৰ মেড্ ইজি নগৰত প্ৰস্তুত হৈ আছিল। প্ৰকাশক বিক্ৰেতা সকলে ভাল গ্ৰাহক পালে। ছিঃ।)

–নীৰৱতা, নিৰপেক্ষতা এইবোৰতো সুবিধাবাদী অৱস্থান। তুমি সঠিক পথৰ অনুসন্ধান নকৰা কিয় সমাজৰ দ্বন্দ্ব সমূহৰ মাজত।–বিনোদে কলে

–সময় লাগিব। বিনোদ সৌ সিদিনালৈকে ভাৰতৰ বুকুত নতুন সমাজ প্ৰতিষ্ঠাৰ সংকল্প গ্ৰহণ কৰা সকলৰ মাজত ভাৰতীয় সমাজত প্ৰধান দ্বন্দ্ব সম্পৰ্কে কোনো চিন্তা চেতনাৰ উদয় হোৱা লক্ষ্য কৰা নাছিল। তেওঁলোকে বিপ্লৱৰ মে'ড ইজি, নোটচ্ লিখি আমাক দিছিল। যাৰ ফলত আন্দোলন থান বান হ'ল। কৃষকৰ সংগ্ৰামী চেতনাইহে সংগ্ৰামৰ সঠিক পথৰ সন্ধান দিব পাৰে। সেইটো বুজি পাওঁতে বহুত পলম হ'ল। তথাপি বিতৰ্ক আৰম্ভ হ'ল দ্বন্দ্ব সম্পৰ্কে। পিছে এতিয়া সংগ্ৰাম গেঠেলা মাৰিলে বিতৰ্ক আগবাঢ়িল। আজিও সেই বিতৰ্কৰ শেষ হোৱা নাই এটা সঠিক পথ ৰাইজৰ সমুখত তুলি ধৰিব পৰা নাই। সংগ্ৰামহীন তাত্ত্বিক বিতৰ্কৰ কিবা মূল্য আছে বুলি মই নাভাবো।–ক্ষুদ্ৰৰ কথাবোৰ বিনোদে মনোযোগেৰে শুনি গ'ল।

–তেন্তে ভাৰতীয় সমাজত প্ৰধান দ্বন্দ্ব কি ?–বিনোদে সুধিলে

–অৰ্ধ সামন্তীয় অৰ্ধ-ঔপনিবেশিক চৰিত্ৰৰ ভাৰতীয় সমাজত, আজিও সামন্তীয় ভূমি ব্যৱস্থা আৰু উৎপাদন ব্যৱস্থাই চলি আছে। গতিকে কৃষকৰ সমস্যাই প্ৰধান সমস্যা।–ক্ষুদ্ৰই কলে

–বিজুদা ইমান পলম কৰিলা ?–বাহিৰত স্মৃতিৰ মাত শুনি বিনোদে বাহিৰলৈ চালে। পদুলিমুখলৈ দৌৰি গৈ স্মৃতিয়ে বিজয় বিকাশ বৰুৱাৰ হাত এখনত ধৰি টানি অনাদি অনা তাৰ চকুত পৰিল। এবাৰ স্মৃতিয়ে কিবা এষাৰ কৈ বিনোদহঁত বহি থকা কোঠালৈ আঙুলিয়াই দেখুৱালে। দুয়ো আগবাঢ়ি আহিল।

–আৰে বিনোদ দেখোন। তোমাক নেদেখাই হলো।–বিজয়ে সোমাই আহি কলে (বৰ বেয়া সময়ত আহিলো। স্মৃতিজনী যে এনে মৰম লগা হৈছে। উস্ কি কৰা যায়।)

–কথাটো পাৰস্পৰিক বিজয়দা।–বিনোদে হাঁহি হাঁহি কলে

–তুমি ইমান পলম কৰিলা কিয় ?–স্মৃতি প্ৰায় বিজয়ৰ গাতে গা লগাই ডিভানখনতে বহিল বিনোদে মূৰ তুলি স্মৃতিৰ মুখলৈ চালে। শৰতৰ নিৰ্মল আকাশৰ দৰে এখন সুন্দৰ মুখ অলপ আগতে যে গাজনি-গোমৰণিৰে ক'লা কৰি আহিছিল তাৰ লেশমানো চিন নাই। একেবাৰে ৰোমাণ্টিক চকুত একুৰা কামনাৰ জুই–বিজয়ক যেন গিলি পেলাব।

–এফালে গৈছিলো পলম হ'ল সেই কাৰণে।–বিজয়ে স্মৃতিলৈ চালে। বিজয় স্মৃতি দুয়োটা একে বয়সৰে–পঢ়িছিলো একেলগে। স্মৃতিহঁতৰ ঘৰত থাকিয়েই বিজয়ে কলেজত পঢ়িছিল। দেউতাকৰ দূৰ সম্পৰ্কীয় ভায়েক এজনৰ ল'ৰা বিজয়। আগতে বিজয়ক তাই নাম কাঢ়ি মাতিছিল। আজি কালি বেয়া পায়।

–আপোনাৰ কিতাপখন পাইছো।–বিনোদে কলে

–অ'–কোৱাচোন কেনে পালা।–বিজয় চক্ খাই উঠিল

–ভালদৰে পঢ়া নাই। তথাপি কৈছো–গতানুগতিক। নতুন কথা একো নাই।

–নতুন আৰু কি লিখিবা ?– ফৰ্মটো লক্ষ্য নকৰা কিয়–নতুন ফৰ্ম।

–চিন্তালৈ নতুনত্ব নাহিলে–নতুন ফৰ্মে মানুহক আনন্দ দিব পাৰে জানো ?

—তোমাৰ কথাটো অৱশ্যে সত্য। প্ৰকাশকৰ তাগিদাত বৰ লৰা লৰিকৈ লিখিব লগা হ'ল।

যেন সময় পোৱা হ'লে এখন অপূৰ্ব উপন্যাস লিখিলেহেঁতেন এনে এটা ভঙ্গীত কলে–তুমি আকৌ লিখিবলৈ লোৱা বিনোদ। এইবোৰ ৰাজনীতি কৰি কাৰো একো উপকাৰ কৰিব নোৱৰা নিজৰতো একো নহয়েই।

–আপুনি কোৱা মতে কৰিব পৰা হ'লে নিশ্চয় আপোনাৰ দৰে কিছু সংখ্যকে ভাল পালেহেঁতেন মোৰ যশস্যাও বাঢ়িলহেঁতেন কিন্তু সমাজৰ প্ৰতি থকা দায়িত্ব–মানুহৰ প্ৰতি থকা ভালপোৱাই, তেনে বাসনাক মোৰ মনৰ ভিতৰত সোমাবলৈ দিয়া নাই।

–তোমাৰ লগত আৰু নোৱাৰি।

–বিজুদা তুমি যে কি–পেণ্টত এইবোৰ কি লগালা।–স্মৃতিয়ে কোৱাৰ লগে লগে বিনোদে সেইফালে মুখ ঘূৰালে। বিজয়ৰ পেণ্টৰ তল ফালে চূনৰ ছিটিকনি দুটামান লাগি আছে। স্মৃতিয়ে চাপৰি শাৰীৰ আশৰে মোহাৰি দিওঁতে বুকুৰ গোপন অংশ লাজ লগাকৈ ওলাই পৰিল। বিজয়ে লোলুপ দৃষ্টিৰে সেইফালে চাই থাকি ক্ষুদ্ৰৰ ফালে মুখ ঘূৰালে। স্মৃতিয়ে নিশ্চয় আমনি পাইছে। সি ভাবিলে।

–জীয়াই থকাটোৱেই মূল কথা বুজিছা বিজয়।–ক্ষুদ্ৰই মাত লগালে, মানুহৰ দৰে জীয়াই থাকিবলৈ সাহিত্যই সকলোকে সাজু কৰিব পাৰিছে জানো বা তেনে উদ্দেশ্য আছে জানো ?

–সাজু কৰা মানে, আপুনি কিহৰ কাৰণে সাজু কৰাৰ কথা কৈছে ?–বিজয়ে সুধিলে

–যিবোৰ শক্তিয়ে মানুহৰ জীয়াই থকাৰ মানৱীয় অধিকাৰ কাঢ়ি নিছে, সিবোৰৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ কাৰণে বুজিছা ?–ক্ষুদ্ৰই কাঠ হাঁহি এটা মুখত আনি কলে।

–স্থান-কাল-পাত্ৰৰ লগত আলোচনাটো খাপ খোৱা নাই।–ভুল হৈছে নেকি বিনোদ।–দুৱাৰ মুখৰ পৰা কৈ কৈ হুৰমুৰকৈ অৰূপ সোমাই আহিল।

স্মৃতি চক্ খাই উঠিল।

–ক্ষুদ্ৰদা বেয়া পালে নেকি ? মাজতে মাত মতাত ?–অৰূপে সুধিলে

–বেয়া কিয় পাম ঠিকেই কৈছা ?–ক্ষুদ্ৰই হাঁহিলে। অৰূপে ক্ষুদ্ৰলৈ চালে, গাতত সোমাই থকা চকু দুটাই যেন অৰূপক কলে–তুমি নুবুজিবা অৰূপ ! বিজয়হঁতৰ দৰে এই ছদ্মবেশী ৰাৱণ আৰু পুতনাৰ দলে কি কৰি আছে।

–বিনোদ তৌলৈ বাট চাই মই গুচি আহিলো।–অৰূপে কলে,–বৰুৱা ভালে আছে। আপোনালোকে কিবা সাংস্কৃতিক সংগঠন এটা গঠন কৰিছে বুলি শুনিছো হয় নে কি ?

–হয় নেকি মানে ? বাতৰি কাকতত ওলাই আছে আমাৰ খবৰ। আলোচনী এখনো এই মাহৰ পৰা ওলাব।–স্মৃতিয়ে মাত লগালে

–তাৰ মানে সংগঠনৰ আপুনিও এগৰাকী উদ্যোক্তা।

–নিশ্চয়।

–উদ্দেশ্য–

–উদ্দেশ্যৰ বিষয়ে আমি বাতৰি কাকততে লিখিছিলো।–বিজয়ে অৰূপৰ প্ৰশ্ন সম্পূৰ্ণ হোৱাৰ আগতেই উত্তৰ দিলে–অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি সংৰক্ষণ আৰু বিকাশ। আপোনালোকতো ৰাজনীতিতে ব্যস্ত।

–বৰুৱা আমি দুয়ো পক্ষই ব্যস্ত পাৰ্থক্য মাথোন,–আপোনালোকৰ বিশুদ্ধ সংস্কৃতিয়ে প্ৰচলিত ৰাজনৈতিক মতবাদ প্ৰচাৰ কৰে আৰু আমাৰ ৰাজনীতিয়ে, নতুন এক সমাজ ব্যৱস্থাৰ অনুকূলে এক সাংস্কৃতিক ঐতিহ্য সৃষ্টিৰ প্ৰয়াস কৰে।–অৰূপে কলে

–অৱশ্যে অসমীয়া ভাষা-সংস্কৃতি সংৰক্ষণৰ দায়িত্বও আপোনালোকক চৰকাৰে দিছে। গতিকে সেইফালৰ পৰা আপোনালোকৰ কাম অলপ বেছি।

–জধে মধে এটা ভাব গভীৰ অনুষ্ঠানৰ ওপৰত মন্তব্য কৰাটো কোনো ভদ্ৰলোকৰ কাম নহয়।–স্মৃতি ফেট্ তুলি উঠিল

–মই ভদ্ৰলোক নহওঁ। সেইটো শ্ৰেণী কেতিয়াবাই ত্যাগ কৰিলো কাৰণেহে সঁচাটোক সঁচা আৰু মিছাটোক মিছা বুলি কব পাৰিছো। আপুনি বোধকৰো জানেই বৰুৱা ডাঙৰীয়া আৰু মই উভয়েই নিজ শ্ৰেণী ত্যাগ কৰিছো।

–ত্যাগ নহয় অৰূপ বিশ্বাসঘাতকতা–ক্ষুদ্ৰই মাজতে বাধা দিলে

–ঠিক কথা বিশ্বাসঘাতকতা।–অৰূপে শলাগিলে

–কেনেকৈ ?–বিজয়ে অৱজ্ঞাৰ সুৰত সুধিলে

–মানে মোৰ ককা আছিল চৰকাৰী বিষয়া, দেউতা চাহখেতিয়ক মালিক, মধ্যশ্ৰেণীৰ পৰা নাম কাটি মই নাম লগালো খেতিয়ক খাটিখোৱা শ্ৰেণীত, আৰু আপুনি হ'ল গজপুৰীয়া গাঁৱৰ দেউৰাম বৰুৱা খেতিয়কৰ ল'ৰা, এতিয়া আপুনি হ'ল অসমীয়া বুদ্ধি শ্ৰমিক মধ্যশ্ৰেণীৰ মধ্যমণি। মই মোৰ মালিক শ্ৰেণীক আপুনি আপোনাৰ খেতিয়ক শ্ৰেণীক বিশ্বাসঘাতকতা কৰি দুয়ো দুটা পথ লৈছো।

–হাঁহি, হাঁহি সেই একে তত্ত্বকেই মুখস্থ মাতিছে বৰঠাকুৰ ।

–ভাল শিক্ষক পাইছো কাৰণেহে মুখস্থ মাতিবলৈ সাহস কৰিছো ।

–পেংলাই নকৰিব । মই চিৰিয়াচলি কৈছো আপুনি মোক অপমান কৰিছে । মই উচ্চ শিক্ষা লৈ উচ্চ চাকৰি কৰা মানে খেতিয়কক বিশ্বাসঘাতকতা কৰা হয়নে কি ?

–অপমান কৰিছো বুলি ভাবিছে যদি মোৰ প্ৰতি অবিচাৰ কৰিছে । মই সঁচাটোহে কৈছো । চাওক বৰুৱা, আপুনি আজি যিটো শ্ৰেণীক প্ৰতিনিধিত্ব কৰিছে সেইটো নিশ্চয় খেতিয়ক শ্ৰেণী নহয়, আপুনি যি উচ্চ সংস্কৃতি কৰিছে, খেতিয়কৰ জীৱনৰ লগত তাৰো কোনো সম্পৰ্ক নাই–যি মূল্যবোধ আপোনাৰ সংস্কৃতিয়ে প্ৰতিষ্ঠা কৰিব খুজিছে–সিবোৰ প্ৰকৃততে সমাজ বিকাশৰ পৰিপন্থী । গতিকে আপুনি খেতিয়ক শ্ৰেণীটোৰ বিকাশৰ পৰিপন্থী শিবিৰত আছে । বেয়া নাপাব ।

–হ'ব অৰূপ । এইবোৰ আলোচনাৰ ঠাই এই বন্ধ কোঠা নহয় । তদুপৰি বিজয় বৰুৱা মোৰ ইয়াত বৰ্তমান আলহীৰ দৰে নহয় জানো বিনোদ ?

–ঠিকেই, অৰূপ

–আগতেই কব লাগিছিল ।–বিনোদে মুখ মেলোতেই অৰূপে কলে ।

–বিজয় কিবা কামত আহিছিলা ?–ক্ষুদ্ৰই প্ৰসংগ সলনি কৰি সকলোকে বিদায় দিয়াৰ কথা ভাবিলে ।

–আগে পিছে, বিজুদা কিবা কামলৈহে ইয়ালে আহে নেকি ?–স্মৃতিয়ে মুখ পাতি ধৰিলে–আহা বিজুদা ভিতৰলৈকে । তোমাৰ লগত কথা পতাই নাই । বিশ্ব প্ৰেমিক সকলে কি কথা পাতে পাতক ।–বিজয়ক প্ৰায় টানি নিয়াৰ দৰে লৈ গ'ল ।

অৰূপ আৰু বিনোদক বিদায় দি, ক্ষুদ্ৰই বাৰান্দাতে থিয় দি আকাশখনলৈ একেথৰে চাই ৰ'ল । বিনোদক বলীন অহাৰ খবৰটো দিবলৈ পাহৰিয়েই গ'ল । বিনোদ বলীন, দেবেন, বলো এইবোৰ ল'ৰাক সি নিজহাতে গঢ়িছিল । সিহঁতে আজি সকলো ত্যাগ কৰি ওলাই আহিছে আৰু সি একালৰ ত্যাগৰ মূল্য আদায় কৰাত ব্যস্ত হৈছে । ছিঃ কি জীৱন । স্মৃতিয়ে এখন মাৰুটি কাৰ বুক কৰিছে ।–এই ঘৰটোত সোমালেই ক্ষুদ্ৰৰ উশাহ বন্ধ হৈ যাব খোজে । স্মৃতিৰ দেউতাক, তাৰ শহুৰ ধনেশ্বৰ বৰুৱাৰ ঘোচৰ টকাৰ এটা অংশ এই ঘৰটোত আছে । তাৰ অক্ষমতাৰ প্ৰতিদিন সোঁৱৰাই থকা ঘৰটোৰ পৰা ওলাই যোৱাৰ বাসনাই তাক খুলি খুলি খাইছে অথচ পৰা নাই ।

কিমান হেঁপাহ, আশাৰে সি স্মৃতিক আদৰি লৈছিল–সপোন দেখিছিল, সিহঁতৰ প্ৰেমে সংগ্ৰামৰ পথত ফুল ছটিয়াব । মানুহৰ সহযাত্ৰী হৈ দুয়োটা সংগ্ৰামৰ মাজত জীয়াই থাকিব । সি স্মৃতিৰ বুকুত মূৰ থৈ পাহৰি যাব সকলো দঃ যন্ত্ৰণা । কিন্তু আজি স্মৃতিয়ে তাৰ ব্যক্তিত্ব পৌৰুষত্বক ভৰিৰে গছকি মে.. ৰি তাক পৰিণত কৰিলে এটা যন্ত্ৰত । আজি ওচৰত থাকিও স্মৃতি তাৰ পৰা বহুদূৰত । তাৰ বুকুৰ মাজত সমস্ত নিষ্ফল বাসনাৰ ইতিমধ্যে মৃত্যু ঘটিছে ।

তাৰ মনত পৰিল মাৰ্ক্সৰ পত্নী জেনীৰ অপূৰ্ব আত্মনিবেদনলৈ । দয়িতাৰ প্ৰেমৰ অসামান্য মাধুৰ্যৰ উজ্জ্বল স্বাক্ষৰ জেনী । যি প্ৰেম আছিল মানুহৰ কৰ্ম প্ৰেৰণাৰ উৎস যি প্ৰেমে মাৰ্ক্সক মানুহৰ জীৱন হৰ্ষমুখৰ কৰি তোলাৰ সংগ্ৰামত যোগাইছিল উৎসাহ । জীৱনৰ প্ৰভাত, যৌৱনৰ মধুৰ স্বপ্ন জেনীকলৈ সপোন সাৰ্থক কৰাৰ বাসনা কিন্তু সময়ৰ আহ্বান, নতুন দিনৰ পদধ্বনি কাণত পৰাৰ লগে লগে মাৰ্ক্স আঁতৰি যাব লগা হ'ল প্ৰিয়তমা জেনীৰ ওচৰৰ পৰা । জেনীয়ে মাৰ্ক্সলৈ লিখিছিল তুমি যলৈকে যোৱা কিয়, মোৰ উদ্বেগাকুল হৃদয়ে তোমাকেই অনুসৰণ কৰিব । যিমান দূৰলৈকে নোযোৱা লাগিলে, মই তোমাৰ লগতে আছো । মই যদি তুমি আগবাঢ়ি যোৱাৰ পথ সমান আৰু মসৃণ কৰি দিব পাৰিলোহেঁতেন, নিৰ্মাণ কৰি দিব পাৰিলোহেঁতেন তোমাৰ পথ, যদি পাৰিলোহেঁতেন তোমাৰ পথৰ সমস্ত বাধা দূৰ কৰিব ।–মাৰ্ক্সৰ সীমাহীন কষ্ট আৰু ত্যাগৰ পিছত আছিল জেনীৰ প্ৰেম । পৃথিৱীখন সুন্দৰ বাসোপযোগী কৰাৰ একাগ্ৰ বাসনা আশাবাদী এটা মন আৰু কঠোৰ সংগ্ৰামে কঠোৰ দুখ-দাৰিদ্ৰ্যৰ মাজতো, মাৰ্ক্স-জেনীক সুখৰ স্বৰ্গ ৰচনাৰ প্ৰেৰণা যোগাইছিল । আৰু ওৰে জীৱন, তেওঁলোকৰ হৃদয়ত উভয়ৰে প্ৰতি যুৱসুলভ প্ৰেম অন্তঃসলিলা ফল্গু ধাৰাৰ দৰে প্ৰবাহিত আছিল । জীৱনৰ বিয়লি বেলিকা মাৰ্ক্সে জেনীলৈ লিখিছিল–পৃথিৱীত বহু নাৰী আছে, তাৰ ভিতৰত কিছুমান অত্যন্ত সুন্দৰীও । কিন্তু ক'ত মই এনে এখনি মুখ পাম যাৰ মুখৰ প্ৰতিটি ৰেখা আৰু প্ৰতিটি বৈশিষ্ট্যই মোৰ জীৱনৰ শ্ৰেষ্ঠ আৰু মধুৰতম স্মৃতিবোৰ সোঁৱৰাই দিয়ে । তোমাৰ মৰম কোমল মিঠামুখখনি দেখিলে মই আনকি মোৰ সীমাহীন দুখ কষ্ট আৰু অপূৰণীয় ক্ষয় ক্ষতিও যেন সহ্য কৰিব পাৰো । সেয়ে তোমাৰ মিঠা মুখখনিত চুমা খাই, সমস্ত দুখ বেদনা মই আলফুলে মচি দিবলৈ বিচাৰো ।–সাতটা সন্তানৰ মাতৃ জেনী আছিল এটা সম্ভ্ৰান্ত ধনী পৰিয়ালৰ আদৰৰ জীয়ৰী ।–অথচ হাঁহি মুখে বৰণ কৰি লৈছিল অবৰ্ণনীয় দুখ কষ্ট । জেনীৰ যৌৱনৰ আদৰ্শ পুৰুষ মানৱ মুক্তিৰ বিপ্লৱী নেতা মাৰ্ক্সৰ বিপ্লৱী চেতনাই উদ্বুদ্ধ কৰিছিল জেনীক । সমস্ত দুখ হাঁহি মুখে কান্ধ পাতি লৈ মাৰ্ক্সৰ সহযাত্ৰী হৈছিল জেনী পাথেয় আছিল অমৰ প্ৰেম ।

ক্ষুদ্ৰ লাহে লাহে ভিতৰ সোমাই গ'ল । বলীনক লগ ধৰি ঘৰলৈ টকা কেইটামান দি পঠোৱাৰ কথা ভাবিলে । সি তাৰ কোঠাত সোমাই কাছাৰীলৈ পিন্ধি যোৱা পেণ্টৰ জেপত থকা টকাখিনি উলিয়াই পিন্ধি থকা চোলাটোৰ জেপত ভৰাই ক্ষুদ্ৰ ওলাই আহিল । শোৱা কোঠাত ভুমুকিয়াই চালে । আঠুত মূৰ গুজি স্মৃতি বহি আছে ।

–মই অকণমান ওলাই যাওঁ ।–ক্ষুদ্ৰই লাহেকৈ কলে । স্মৃতি মূৰ তুলি চোৱা অথবা কিবা কোৱাৰ প্ৰয়োজনবোধ নকৰিলে । ক্ষুদ্ৰ নিঃশব্দে ওলাই গ'ল ।

ক্ষুদ্ৰ যোৱাৰ পিছত, স্মৃতিয়ে সেইফালে কিছুপৰ অপলক দৃষ্টিৰে চাই থাকিল ।–কিয় বাৰু তাই সুখী হ'ব নোৱাৰিলে ক্ষুদ্ৰৰ ওচৰত । সুখ মানুহে নিজৰ ঘৰৰ মাজতহে বিচাৰিব লাগে, বাহিৰত নহয় । তেন্তে তাই কিয় সুখ বাহিৰত বিচাৰিছে ? নাই তাই ভুল কৰা নাই । জোৰ কৰিও তাই ক্ষুদ্ৰক মহৎ কৰি লৈ আঁকোৱালি লব নোৱাৰিলে । তাৰ বাবে তাই দায়ী নহয় । আধুনিক শিক্ষিতা এজনী ৰোমাণ্টিক নাৰীক দিব পৰা একো নাই ক্ষুদ্ৰৰ মাজত । যৌন জীৱন সিও এটা আৰ্ট । তাকেই নুবুজাৰ কাৰণে ক্ষুদ্ৰক তাই একো দিব নোৱাৰিলে । বিজয়ে বুজি পায় । অথচ তাই ক্ষুদ্ৰক গোটেই জীৱন শাৰীৰিক অসুস্থতাৰ নামত ফাকি দি আহিছে । তাৰ বাবে জানো অকল ক্ষুদ্ৰই দায়ী ? এৰা যুগে যুগে নাৰীয়ে পুৰুষক এইদৰে ফাকি দি আহিলেও বৰ্তমান যুগত নাৰীয়ে বহুখিনি সুবিধা পাইছে স্বাধীনতা পাইছে তথাপি কিন্তু এটা সুস্থ যুগ্ম জীৱনৰ কাৰণে নিজকে প্ৰস্তুত নকৰি একেই লুকাভাকু খেলি আছে ।–নাই তাই কিবা এটা কৰিবই ।–উন্মাদৰ দৰে স্মৃতিয়ে বিছনাখন লুটিয়াই তুলিৰ তলত লুকুৱাই ৰখা বিজয়ৰ চিঠিবোৰ উলিয়াই আনিলে । চিঠিবোৰ বুকুৰ মাজত লৈ কিছুপৰ বাহিৰলৈ চাই থাকিল । তাৰ পিছত এখন এখনকৈ চিঠিবোৰ ফালি খিৰিকিৰে বাহিৰলৈ পেলাই থাকিল । চিঠিবোৰ পেলাই শেষ হোৱাৰ পিছত তাই খিৰিকি খনৰ ওচৰলৈ উঠি গ'ল । একে থৰে কাগজৰ টুকুৰাবোৰলৈ চাই থাকিল । তাইৰ অজ্ঞাতেই দুইগালে দুধাৰ লোটক বৈ গ'ল ।–মা, মই আজি বৰুণদাহঁতৰ ঘৰত থাকিম ।–প্ৰশান্তৰ মাতত স্মৃতি চক্ খাই উঠিল । তাই কিবা কোৱাৰ আগতেই প্ৰশান্ত ওলাই গ'ল । এৰা কোনেও আজি কালি তাইৰ সন্মতি অসন্মতিলৈ মূৰ নঘমায় ।

প্ৰশান্ত পোনে পোনে দীপহঁতৰ ঘৰৰ ফালে খোজ দিলে । যেনেকৈয়ে নহওক সিহঁতে বিনোদহঁতৰ আন্দোলনত সহায় কৰিবই লাগিব । দীপহঁতে বুজি পোৱা নাই নিৰাকাৰ বিজয়হঁতৰ চক্ৰান্ত । সিহঁতক অকলে বলে পৰাটোযে মুঠেই সম্ভৱ নহয়, সেইটো প্ৰশান্তই বুজি পাইছে । গতিকে বিনোদহঁতৰ আন্দোলনক সহায় কৰাটো হ'ব নিৰাকাৰহঁতৰ চক্ৰান্ত ব্যৰ্থ কৰা । গণতন্ত্ৰৰ জঘন্যতম শত্ৰু নিৰাকাৰ বিজয়হঁতৰ মুখা খুলি দিব পাৰিলে ৰাইজৰ চকু মুকলি হ'ব ।–প্ৰশান্তই ভাবিলে । বিপৰীত ফালৰ পৰা কোনোবা এটাই তাৰ ফালে চাই হাঁহি হাঁহি আহি থকা দেখি সি আচৰিত হ'ল । কোন ল'ৰা সি ধৰিব পৰা নাই ।

–প্ৰশান্ত কেনি যোৱা ।–ল'ৰাজনে ওচৰ চাপি আহি তাক মাত



লগালে ।

–অ' বলীন খুৰা, তোমাক মই চিনিবই পৰা নাছিলো । কিমান দিন দেখা নাই–ভাবা চোন ।–প্ৰশান্তই হাঁহি কলে

–কেনি যোৱা । ডেকাই হ'লা । দেউতা আছে নে নাই ?

মই ককাইঁতৰ ঘৰলৈ যাওঁ । দেউতা ঘৰত নাই । বোধকৰো হাস্পাতাললৈ গৈছে ।

বলীন আৰু আগ নাবাঢ়িল । প্ৰশান্তৰ লগতে, উভতি বজাৰৰ ফালে খোজ দিলে ।

–বলীন খুৰা, তোমালোকৰ আন্দোলনৰ দিনটো সলনি কৰিছে, খবৰটো পাইছানে নাই ।

–ভালকৈ গম পোৱা নাই যদিও চিন্তা কৰি থকাৰ কথা জানো ।

–সলনি নকৰি, ভালকৈ যুঁজ এখন নিদিয়া কিয় ?

–সময় হোৱা নাই, সংগঠনবোৰ গঢ়ি উঠিছেহে মাথোন । মানুহৰ উৎসাহ, চেতনা, একেটা আন্দোলনতে শক্তিত পৰিণত নহয় । গতিকে ইয়াৰ পিছত, পৰিস্থিতিয়ে ৰাইজক সংগ্ৰামী পথ লবলৈ বাধ্য কৰিব প্ৰশান্ত ।

–গাঁৱৰ মানুহক যে জাত-পাতৰ বিচাৰে ভাগ ভাগ কৰি ৰাখিছে, সেইবোৰ দূৰ কৰিব নোৱাৰিলে তেওঁলোকৰ অন্তৰত সংগ্ৰামী চেতনা কেনেকৈ তুলিবা ?

–প্ৰশান্ত, তুমি জানাই মই পঢ়া-শুনা নজনা ল'ৰা । যি খিনি শিকিছো সেয়া অভিজ্ঞতা আৰু ৰাইজপৰা । বাকী বিনোদ, ক্ষুদ্ৰ ককাইদেউ এইবোৰৰ পৰাই আদৰ্শ তত্ত্বৰ সামান্য কথা শিকিছো । মোতকৈ তুমি বেছি জানা–পঢ়া শুনা কৰিছা, কাগজে-পত্ৰে লিখিছা বুলি শুনিছো ।

–কোনে কলে ? মালতীয়ে ?–প্ৰশান্তই হাঁহিলে ।

–মালতী ?–বলীন চক্‌খাই উঠিল–মালতীক তুমি জানো চিনি পোৱা ?

–নিশ্চয়, আমাৰ ঘৰলৈ আহিছে । জানা বলীন খুৰা, দেউতা মই আৰু বহু পঢ়া শুনা জনা মানুহতকৈ তুমি বেছি জানা, অভিজ্ঞতাই শিকাইছে ।

–তুমি এইবোৰ কি কৈছা প্ৰশান্ত ?

–সঁচা কৈছো, সেয়ে তোমাক মই ভালপাওঁ শ্ৰদ্ধা কৰো জানা । মই মাজতে গাঁৱলৈ গৈছিলো, গাঁৱৰ মানুহে কি গভীৰ আস্থাৰে তোমাৰ কথা কৈছে ? গাঁৱৰ মানুহৰ আশাদীপ্ত চকুত তোমাৰ প্ৰতিবিম্ব দেখিলো । কিন্তু জানা খুৰা, তথাপি তেওঁলোকৰ মন মুকলি নহয়, জাত-পাতে বেৰাদি থৈছে । সেইবোৰ জানো সমস্যা নহয় ?

–প্ৰশান্ত ঠিকেই কৈছা । ভাবাচোন কেনেকৈ দূৰ কৰিব পাৰি । দুই এটা কাম কৰিলেই সমাজৰ পৰা সেই ব্যাধিবোৰ দূৰ কৰিব নোৱাৰি ।

–কেনেকৈ পাৰি ? তোমাকহে সুধিব পাৰো, কিয় জানা কামৰ ওলোটা পিঠিটোৱেই জ্ঞান,তুমি সেই জ্ঞানৰ অধিকাৰী ।

–সংগ্ৰামৰ মাজেৰে তেওঁলোকে উপলব্ধি কৰিব পাৰিব লাগিব যে, তেওঁলোকৰ আদৰ্শ সমাজ ৰচনাত এইবোৰ অন্যতম বাধা ।

–তোমাৰ লগত বহুত কথা পাতিব লগা আছে, ইয়াতে কেইদিনমান থাকা যদি আহিবা এদিন ।

–মই তোমাক কি কমনো, বিনোদ, দেউতাৰা আছে, তেওঁলোকেই মোক পথ দেখুৱাইছে ।–তেওঁলোকে তোমাক সকলো কথা বুজাই কব পাৰিব ।

–খুৰা, তোমালোকৰ ভুল সেইখিনিতেই । তুমি গাঁৱত থাকা, গাঁৱৰ ৰাইজৰ অভাৱ অভিযোগৰ লগত তোমাৰহে সম্যক পৰিচয় আছে । সংগ্ৰামৰ পথ–কৌশল কি হব সেইটো তুমিহে ঠিক কৰিব পাৰিবা ।–সিদিনা মালতী আহিছিল আমাৰ ঘৰলৈ । তাইৰ লগত কথা পাতি ভাল লাগিল । সেই অৱহেলিত গাওঁখনৰ পৰা মালতীৰ দৰে ছোৱালী ওলাব বুলি কোনোবাই ভাবিব পাৰিছিলনে ? চাৰি বছৰ ঘৰতে থাকি এতিয়া তাই হেনো পৰীক্ষা দিব । তোমালোকৰেই সৃষ্টি নহয় জানো ?–প্ৰশান্তই কলে

দুয়োটাই কথা পাতি আহি আহি বিনোদৰ মেচলৈ সোমোৱা আলিটোৰ মূৰ পালেহি । সেইখিনিতে বলীনে প্ৰশান্তক বিদায় দি, বিনোদৰ মেচৰ ফালে খোজ দিলে । মালতী তাৰ মানে ক্ষুদ্ৰৰ ওচৰলৈ আহিছিল । তাই নিশ্চয় সিহঁতৰ বিয়াখনৰ কথা সুধিবলৈ আহিছিল । সেইটো কথাকে সুধিবলৈ আহিব লাগেনে ? নাই নহয় তাই নিশ্চয় গাঁৱৰ খেলি-মেলিবোৰৰ কথা কবলৈ আহিছিল । তাইক এবাৰ লগ ধৰি যোৱাৰ কথা ভাবিলে । তাই এইবাৰ বি, এ, দিব । মাহীয়েকৰ ঘৰতে থাকি কেইদিন মান ভালদৰে পঢ়া শুনা কৰাৰ কথা ভাবি ইয়ালৈকে আহিছে । ইফালে গাঁৱত উলিয়াইছে বলীনে মালতীক নি নগৰত ৰাখিছে । এফালে পৃথিৱীখন দুচকু মেলি চোৱাৰ আৰু তাক ভালকৈ জনাৰ তীব্ৰ হেঁপাহ, আনফালে যৌৱনৰ স্বপ্নক সাৰ্থক কৰাৰ অভিলাষ । এতিয়া পৃথিৱীত সকলোতকৈ মূল্যবান প্ৰেম । তথাপি সি ঘৰৰ পৰা আঁতৰি থাকিব লাগিব লক্ষ্য এতিয়াও বহু যোজন দূৰত । লক্ষ্যত উপনীত হবই লাগিব ।

মালতীক ককায়েক মহেশে নিজেই নগৰত থৈ গৈছেহি, অথচ গাঁৱত নানা কথা কাৰ মুখত সোপা দিব । মহেশক কোনেও কথা কবলৈ সাহস নকৰে । বলীনৰ মাকক গাঁৱত সকলোৱে মিলি নাকনি-কাননি কৰিছে । বলীন উপায়হীন । গাঁৱত খেতিৰ কাম পাতল হোৱাৰ লগে লগে বলো, দেবেন বলীনে ওচৰৰ গাঁও কেইখন ভগাইলৈ নিজৰ নিজৰ কামতে সোমাই পৰিছে । এই সুযোগতে ডম্বৰু গোসাই, কণবাপু শৰ্মা, মণ্ডল এওঁলোকে বলীনহঁতৰ বিৰুদ্ধে বহুত কথা উলিয়াই ফুৰিছে । বলীনৰ পুৰণি কথাবোৰ মনত পৰিল ।–বলীনহঁতৰ দুপুৰুষ হেনো ডম্বৰু গোসাই ঘৰৰে শিষ্য । বলীনে কাৰো ওচৰত এতিয়াও শৰণ লোৱা নাই । বলীনে কৈবৰ্তৰ ছোৱালী মালতীক বিয়া কৰাব বুলি শুনি গোসাই অগ্নি শৰ্মা হৈ পৰিছে । বাহিৰত অৱশ্যে গোসায়ে কথাবোৰ উলিয়াবলৈ সাহস কৰা নাই কাৰণ, গোসাইৰ সৰহ ভাগ মাটি কৈবৰ্ত গাঁৱৰ মানুহেই খাই আছে ।–সময় মতে আধিৰ ধান দি থাকে । গোসাই বুলি, সিধা-পাতিও দিয়ে । গতিকে গোসায়ে কণবাপু শৰ্মাকে সাৰথি হিচাপে লৈ যুঁজখন তলে তলে চলাই আছে ।

বলীন, দেবেন, বলো, বিনোদ এইদৰে সিহঁত সাতোটা ল'ৰাই একেলগে এল্ পি স্কুলত নাম লগাইছিল । বিনোদৰ বাহিৰে বাকী কেইটা আধা বাটতে ৰ'ল । বলীনে এল্ পি স্কুলতে পঢ়া এৰি নাঙলত ধৰিলে । দেবেন, বলো এইদৰে দুটামানে হাইস্কুলত দুশ্ৰেণীমান পঢ়ি, এৰিব লগা হ'ল । ল'ৰালি আৰু শৈশৱৰ মধুৰ সম্পৰ্কক যৌৱনৰ স্বপ্নই আৰু মধুৰ কৰি তুলিলে । নগৰত থাকি বিনোদ কলেজত পঢ়িবলৈ গ'ল ঘৰখনৰ দায়িত্ব সিহঁতে কান্ধ পাতি ললে ।–সি পঢ়ি শুনি আহক । তাকে আগতলৈ গাওঁখনত কিছুমান কাম কৰিব লাগিব । নহলে সদায় আনৰ ভৰিৰ তলত কিমান দিন থাকিবি–নহয় বুজিছ, সি আহক, গাৱঁত এটা লাইব্ৰেৰী আৰু এটা ক্লাব ঘৰ পাতিব লাগিব ।–গৰু বুকুত কুঠাৰ মাৰিলেও 'ক'টোৰ কেইটা চুক চিনি নাপাব লাইব্ৰেৰী সাজ । তাৰ সলনি আমি এখন কৃষক সভা গঠন কৰা ভাল হব । বুজিছো কৃষক সভা লাগে, কিন্তু আমি পঢ়িব নাজানিলো বুলি বাকী বোৰক কণা কৰি ৰাখিম নে কি ? লাইব্ৰেৰীটো হলে জনাবোৰে পঢ়িব আমি সময়ত ক্লাৱত বহি তাচ পাশা খেলিম দুআষাৰ কথা পাতিম । কিবা এটা হলে মানুহ গোট খাবই । তেতিয়া কৃষক সভা পাতিবলৈ বেছিহে সুবিধা হ'ব ।–ল'ৰা কিবা এটা সোনকালেই কৰিব লাগিব ।–শুনিছনে নাই এইবাৰ বোলে বৃকোদৰ মহাজনে আমাৰ গাঁৱৰ মানুহক মাটি নিদিয়ে নিজে খেতি কৰিব । গোসাই, মণ্ডলো তাৰ লগ লাগিছে ।–বাদ দে সেইবোৰ মাৰৰ কোবত ঢোলো যাব তেমেকাও যাব সিপুৰীলৈ । গমেই নাপাব কোনে পঠালে । সদায় সহি থকা যেন পাইছে । যৌৱনৰ সচেতনতাই সিহঁতক এদিন বাট দেখুৱালে । ডাঙৰৰ বাধা নেওচি, মহাজনৰ লগত ফেপেৰি পাতিলে । মাটি এৰি নিদিলে । দুদিন পিছত কৃষক সভা পাতিলে–ৰাইজে আপত্তি নকৰিলে ।–বলীনৰ মনৰ পৰ্দাত সেই দিনবোৰ জিলিকি উঠিল ।

তাৰ হালৰ গৰু নাছিল । লোকৰ মৰগীয়া হালোৱা নহলে মাক আৰু ভায়েকে তাৰ মুখলৈ চাই থাকিব । বলীনৰ বাপেক সৰুতে মৰিল । মাকে লোকৰ ঘৰত ধান বানি কেইবছৰ মান চলালে । বলীন ডাঙৰ হৈ অহাৰ লগে লগে মাকৰ মনলৈও আনন্দ আহিল । ঘৰখনক ৩৭

বিপদে আপদে কৈবৰ্ত গাঁৱৰ মহেশে সহায় কৰিছিল। বলীনৰ বাপেকে হেনো মহেশহঁতক আগতে বহুত সহায় কৰিছিল। বলীনে নাজানে কি সহায় কৰিছিল। সি মাথো মহেশহঁতৰ ঘৰৰ ফালে গলে মহেশৰ মাকে কোৱা শুনে-বোপাই-সেই পোনা দুটা আৰু মাক জনীক তই চাবি-নহলে পাপে চুব। মহেশ বলীনহঁততকৈ দহবছৰ মানৰ ডাঙৰ।

মৰগীয়া হালোৱা হোৱাতকৈ এদিন বলীনে মহেশৰ লগত কাঠ ফলা কামত লগাৰ কথা ভাবিলে। মহেশে খেতি কৰে যদিও বৰ কৰট দুখন যোগাৰ কৰি আৰু দুটামানক লগতলৈ গাঁৱত কাঠফলা কামো কৰে। বলীনে তাকো লগত লবলৈ বৰকৈ ধৰাত মহেশে ভালপোৱা নাছিল যদিও আপত্তি নকৰিলে। কাঠ ফলা কামত ওচৰৰ গাঁৱৰ মানুহবোৰৰ লগত বলীনৰ চা-চিনাকি হৈ ভাল লাগিল-ভাল লাগিল মানুহবোৰৰ সুখ দুখৰ ভাগ লৈ। মহেশৰ লগত কাম কৰিবলৈ যোৱাৰ পিছত বলীনৰ, সেই ঘৰ খনলৈ যাবলৈ সংকোচ নাইকিয়া হ'ল। লাহে লাহে মহেশৰ ঘৰত বলীনে কোনেও গম নোপোৱাকৈ ভাতো খোৱা হ'ল।-বৌ বলীন কায়ে ভাত খালে তই আগফালৰ দুৱাৰ খন বন্ধ কৰি কিয় বাহিৰত থিয় হৈ থাক।

-মালতীৰ মুখত হাতেৰে সোপামাৰি ধৰি মাকে মালতীক মনে মনে থাকিবলৈ কয়।-ভালে মান দিন পাৰ হ'ল। বলীন ডেকা হ'ল। মহাজনৰ মাটি দুবিঘা আধি লৈ চলি আছে। অভাৱ কোনো দিনেই নুগুচে।

বিনোদে বি, এ, পাছ কৰিলে। ঘৰতে থাকি ওচৰতে নতুনকৈ পতা স্কুলখনতে সোমাল। দৰ্মহাৰ নামত টকা এশ দিয়ে। তথাপি তাৰ আনন্দ সি গাঁৱতে থাকি যৌৱনৰ সপোনক বলীনহঁতৰ লগৈহে ৰূপ দিব। বহু কষ্টেৰে লাইব্ৰেৰী এটা সাজিলে। কৃষক সভা খন ডাঙৰ কৰিলে। মালতীক আনি লাইব্ৰেৰীয়ান কৰিলে। বহুতেই বেয়া পালেও নতুন কামবোৰে ৰাইজক উৎসাহ যোগালে। বলীন মন পুতি লাগিল ৰাইজৰ কামত। ডেকা হোৱাৰ পিছত বলীনে মহেশহঁতৰ ঘৰত ভাত খোৱা নাই। মহেশেও তাক ভাত খাবলৈ কবলৈ বেয়া পায়। সি গৈ যে সিহঁতৰ ভিতৰত বহে সেইখিনিয়েই তাৰ কাৰণে যথেষ্ট। মালতীৰ পৰা লাইব্ৰেৰীৰ চাবি আনিবলৈ, মহেশৰ লগত কৃষক সভাৰ কথা পাতিবলৈ সি প্ৰায়েই যায় তালৈ। দিন নাই ৰাতি নাই গাঁৱে গাঁৱে ঘূৰি ফুৰি বলীন যেতিয়া আহি মহেশহঁতৰ ঘৰ সোমাই তেতিয়া মাক আৰু মালতীয়ে উচ্পিচাই থাকে তাক একো এটা খাবলৈ দিব নোৱাৰি। বলীন এতিয়া ডাঙৰ ল'ৰা কেনেকৈ দিওঁ। গাঁৱত শুনিলে ঘাটে-পানীয়ে এঘৰীয়া কৰিব। আগতে ল'ৰা মানুহ আছিল বেলেগ কথা।-মাকৰ কথা শুনি মালতীৰ অন্তৰখন মোচোকা খাই যায়।

মালতীহঁতৰ ঘৰত ভাত খোৱা সেই প্ৰথম দিনটোৰ কথা বলীনৰ মনত পৰিল। ৰাতিপুৱা কৰবাৰ পৰা ঘূৰি আহি বলীনে দেখিলে মাকৰ ওচৰত মহেশ বহি আছে। ওচৰতে ভায়েক। সি একো নামাতিলে-তাৰ কোঠালৈ সোমাই গ'ল। পিছে পিছে মাক।-বুজিছ সোণ, মহেশটোৰ সঁচাকৈয়ে আমালৈ বৰ মৰম। কালি গধূলি চাউল নাই বুলি শুনি আজি ধান এবস্তা দিছেহি। তাক পৰ বা অজাতি যেন নালাগে অ' সোণ।-মাকে মহেশক ভিতৰত বহিবলৈ দিয়াৰ নৈতিক যুক্তি এটাৰ পিছত এটাকৈ দাঙি ধৰিলে।-বলীন ওলাই গ'ল। দুপৰীয়া ঘূৰি আহি মহেশে তাক তাৰ ঘৰত সোমাবলৈ কলে।-ৰাতিপুৱা একো নোখোৱাকৈ ওলাই যোৱা বলীনৰ মুখখন, ভোকত শুকাই গ'ল। ঘৰলৈ গলেও কি পাবনো। সি মহেশহঁতৰ ঘৰতে সোমাল। বলীন মই অথনি পাহৰিলোৱেই দুপৰীয়াৰ কাৰণে বাইদেউক চাউল কেইটামান দি আহিবলৈ। এতিয়া দি আহি ঘৰ সোমাইছোহি। তই বেয়া নাপাৱ যদি ইয়াতে ভাত ........। মহেশে কথাযাৰ শেষ কৰিব নোৱাৰিলে কিবা এটাই যেন বাধা দিলে।-মই একো নামানো বলীনদা তুমি মুখ খন ধুই জলপান কেইটা খাই লোৱা পিছত ভাত খাবা।-ৰ চোন অ' মনে মনে ক, কোনোবাই শুনিলে কি হ'ব। মালতীৰে পিছে পিছে মাক।-হৈছে তোৰ সেই বৰ হাতৰ মানুহবোৰৰ কথা। সিহঁতে মানুহৰ মোল নুবুজে, বুজে জাতৰ মোল।

বলীনক ভিতৰত ভাত দি আগফালে চোতালত মহেশৰ মাকে তামোলৰ বটাটো লৈ বহিল। মাৰল ঘৰত মহেশে আধা কৰা খৰাহীটোকে উলিয়াই লৈ তমাল কেইদাল লিৰিকি বিদাৰি আছে।-কিমান দিন এই অভিনয় চলিব বাৰু, শেষ কেতিয়া হ'ব-সি ভাবি আছে। পিছ চোতাললৈ মালতীয়ে ওলাই ভুমুকিয়াই চাই যায় কোনোবা আহিছে নে কি.?-বলীনে সকলো লক্ষ্য কৰি আপোন মনে ভাত খাই আছে।-হঠাতে মালতী আহি তাৰ সমুখতে বহিল,-ই জাত গ'ল, এতিয়া পিছে কি হ'ব?-বুলি তাৰ চুলি কেইডাল মান আঁজুৰি আঁতৰি গ'ল। ভাত খাই উঠি বলীনে মাৰল ঘৰতে বহি তামোল এখন মুখত ভৰালে। মাকে পদূলিমুখৰ পৰা ঘূৰি আহি দীঘলকৈ উশাহ এটা লৈ তাৰ ওচৰতে বহিল।-এতিয়া সোনকালে যাগৈ বোপাই। বাটত সেই শেন চকুৱা কেইটা নাই যেন পাইছো।-মাকে কলে। এতিয়া নাযাবা। কাপোৰ যোৰ সলাই যোৱা। ইসাজ কাপোৰ কালি মই মাহীক খুজি আনি ধুই থৈছো।-মালতীয়ে মাত লগালে। মহেশে বলীনৰ মাকক বাইদেউ বোলে, মালতীয়ে মাহী বোলে।-বলীন নীৰৱে থাকিল। জীৱনৰ প্ৰভাতত পোৱা এই আজলি ছোৱালী জনীয়ে মোৰ পথ অনুসৰণ কৰি কি পাইছে বাৰু? মালতী-দয়িতাৰ অপূৰ্ব আত্মনিবেদন।

তাৰ মনত পৰিল বিনোদে বাতৰি কাকতৰ চাকৰিটো লৈ গাওঁ এৰি অহাৰ সেই দিন কেইটালৈ। মালতীৰ হৃদয়ৰ উত্তাপ নিজৰ ভিতৰত অনুভৱ কৰাৰ পিছৰ পৰা সি কোনো দিন থমকি ৰোৱা নাই। বিনোদ যাবলৈ ওলাল। ইফালে চাৰি পাঁচ খন গাঁৱৰ আধিয়াৰ মাটিহীন আৰু অন্যান্য কৃষকক লৈ সিহঁতে গঠন কৰিছিল কৃষক সভা। আৰম্ভ কৰিছিল এটা ৰাজনৈতিক দলৰ শাখা-অতি সংগোপনে। তাৰ দায়িত্বত আছিল বিনোদ আৰু বলীন। বিনোদ আঁতৰি যাব খোজাত বলীন বিমোৰত পৰিল। ৰাইজে কৃষক সভাৰ দায়িত্ব বলীনক দিলে। বিনোদে নগৰৰ কামবোৰ কৰিব। বলীনে জানে সিয়েই সেই দায়িত্ব লব লাগিব, তথাপি তাক ৰাইজে কথাটো কোৱাৰ লগে লগে তাৰ বুকুখন মোচোকা খাই গ'ল। গধূলি সি ওলাই গ'ল মালতীহঁতৰ ঘৰৰ ফালে।

দুৱাৰ মুখত থিয় হৈ সি ইফালে সিফালে চালে। কাৰো মাত বোল নাই।-

-মালতী ল'ৰাটো অহা দেখা নাই নে? বহিবলৈ নিদিয় কেলেই?-পুখুৰীৰ পাৰৰ পৰাই মালতীৰ মাকে মাত লগালে

-বলীন দা আমি লাইব্ৰেৰীতে গোট খাম। আপুনি মহেশকাই আৰু মালতীকো যাবলৈ কব। বাকীসকলোকে খবৰ দিয়া হ'ল।-জয়ন্তই ৰাস্তাৰ পৰা দৌৰি আহি বলীনক কথাষাৰ কৈ উভতি গ'ল।

-কি হ'ল বাহিৰত আছা যে-মালতী ওলাই আহি তাৰ ওচৰত থিয় হল।-বলীনে একো নমতা দেখি মালতীয়ে তাৰ বাহু এটাত ধৰি জোঁকাৰি দি কলে-কি হ'ল মাতিব নোৱৰা নে কি?-বলীন ভিতৰ সোমাই গৈ মহেশৰ বিছনাতে বহিল। মালতীয়ে ভাবিলে তাৰ গা ভাল নহয় নাইবা ক'ৰবাত কিবা লাগি আহিছে।-কোঠাটো আন্ধাৰ। মালতী তাৰ ওচৰতে থিয় দি থাকিল। আন্ধাৰতে মালতীয়ে এবাৰ তাৰ হাত এখন, খামোচ মাৰি ধৰিলে।-কি হৈছে নোকোৱা কিয়? এনেতে হাতত চাউলৰ খৰাহীটো লৈ মাক সোমাই আহিল।

-চাকিটো জ্বলাই ল'ৰাটো জুহালৰ ওচৰতে বহিবলৈ দে। লেম্ জ্বলাবলৈ কেৰাচিন এটোপাও নাই। সি বিচাৰি গৈছেহে। আন্ধাৰখনত নবহিবি বোপাই জুহাললৈকে যা।-মাক ভিতৰলৈ গ'ল।

মালতীয়ে চাকিটো জ্বলাই তাক বহিবলৈ দিলে। জুইকুৰা জ্বলাবলৈ ঠিক কৰি তাই তাৰ নিচেই কাষতে বহিল।-জুই কুৰা জ্বলাই পানী এটোপাকে তুলি দেচোন। কথা পিছতো পাতিবি। কিবা মিটিং আছে নহয় যাবৰে হ'ব দেখোন। কৰ পৰা ঘূৰি পকি আহিছে কি ঠিক। কিবা খালি জানো? কেনি গৈছিলি নো?-মাকে সুধিলে।

-বাগানলৈ গৈছিলো। ঘূৰি আহি ঘৰত সোমালো। বৌ নাই কেনিবা গৈছে দেখি ইয়ালৈকে আহিলো।

-মই ভৰি হাত কেইটা ধুই আহি জলপান উলিয়াই দিম তই পানী অকণ তপতা। বুলি মাক ওলাই গল।

-কি হৈছে নোকোৱা কিয়?-মালতীয়ে তাৰ মূৰত হাত ফুৰাই দিলে। তাই যেন তাৰ সমস্ত দুখ-যন্ত্ৰণা দুৰ্ভাৱনা আলফুলে মচিহে দিলে। তাইৰ বুকুত মূৰ সুমাই সৰু ল'ৰাৰ দৰে তাৰ কান্দি দিবৰ মন গ'ল। কি কব এতিয়া সি। কালিলৈ বিনোদ যাবগৈ। সি অকলে কেনেকৈ লব সেই দায়িত্ব।

-ইয়ালৈ অহাৰ কাৰণে কোনোবাই কিবা কৈছে?-তাই ভয়ে ভয়ে সুধিলে

-নাই কোৱা, কলেও মই ভয় নকৰো।

-তেন্তে কি হ'ল নো?

-কালিলৈ বিনোদ যাবগৈ।

-সেইটো সকলোৱে জানে। আজিৰ মিটিঙত সকলো দায়িত্ব ৰাইজে তোমাক দিব।

-মোক-বলীন চক্ খাই উঠিল

-কি হ'ল চক্ খাইছা কিয়? তুমি দেখোন জানাই।

-ৰাইজে ভুল কৰিছে, মই সেই দায়িত্ব নলওঁ। মই কাম কৰি যাবলৈ বিচাৰো মালতী মই কাম কৰি যাবলৈ বিচাৰো, নেতা হবলৈ নিবিচাৰো।

-লিখা-পঢ়া নাজানিলেও ৰাইজে বহুত কথা জানে। সেয়ে যোগ্যজনক দায়িত্ব দিছে।

-যোগ্য। মই যে ভালদৰে লিখিব-পঢ়িবকে নাজানো-মই কি কৰিম মালতী তইঁতে নুবুজ কিয়?

তুমি এইবোৰ কি কৈছা বলীনদা, তোমাৰ মুখলৈ চাহ শ শ খেতিয়ক লগ লাগিছে, মাৰ বান্ধি যুঁজিবলৈ ওলাইছে তোমালোকক অনুসৰণ কৰিছে এতিয়া-মালতীৰ চকু চলচলীয়া হ'ল

-জান মালতী আমি যিবোৰ কাম গোপনে কৰি থাকো, সেইবোৰ আগতে বিনোদেই লিখি পঢ়ি দিছিল। এতিয়া মই কি কৰিম?

-বিনোদদা নাই, মই আছো নহয়, মই যে তোমাৰ পথেই অনুসৰণ কৰিছো সেইটো কি তুমি নাজানা। মোক বিশ্বাসত লবলৈ টান পাইছা নহয়!

-মালতী, তই আছ, তই আছ মালতী-তই জানো মোৰ লগত ৰাতি বাগানলৈ যাব পাৰিবি।

-কিয় নোৱাৰিম তুমি থাকিলে সকলো পাৰিম।-লিখা পঢ়া কামখিনি মই কৰি দিম তুমি কৈ যাবা। তোমাৰ আৰু মোৰ মাজত মানুহে সজা জাতৰ বাহিৰে কোনো প্ৰভেদ নাই বলীনদা।-

-পাৰিবি জানো?

-কিয় সুধি আছা একেটা কথা।

-সুধিছো মালতী-পঢ়া শুনা কৰিছ দুদিন পিছত বি, এ, পাছ কৰিবি। তোক জানো মোৰ লগত ফুৰিবলৈ দিব। দিলেই যেনিবা দুদিন পিছত কোনোবা হাকিম মুন্সিফলৈ বিয়া দিব। তেতিয়া আমালৈ মনত পৰিব জানো।



–বগা ভাত দেখিলে কাউৰীহে যায় আমাকো তুমি কাউৰী বুলিয়েই ভাবিছানে কি ? হাকিম মুন্সিফৰ গোলামি কৰিবলৈ পঢ়া নাই বলীনদা পঢ়িছো তোমাৰ পথৰ বাধা দূৰ কৰাত সহায় কৰিম বুলিহে ।–বিশ্বাস কৰিব পৰা নাই যেতিয়া নালাগে । মালতীয়ে উচুপি উচুপি কান্দিবলৈ ধৰিলে । বলীনে আলফুলে তাইৰ মূৰটো বুকুত সুমুৱাই মূৰত হাত বুলাই দিলে ।–তই নাজান মালতী তোৰ মুখখন দেখিলে মই সকলো দুখ পাহৰি যাওঁ । তোৰ ওচৰলৈ দৌৰি আহো অনাথ শিশুৰ দৰে অকণমান মাতৃস্নেহ বিচাৰি ।

–তুমি দুখ নকৰিবা মই তোমালোকৰ লিখা পঢ়া কামবোৰ কৰি দিম তুমি বাহিৰৰ কামবোৰ কৰিবা হব ?–তাই তাৰ দুই গালত তাই হাত দুখনেৰে হেঁচা মাৰি ধৰি সুধিলে ।–বলীনে একো নকলেও তাইৰ মুখলৈ চাই থাকিল ।

–তই হ'বলা জুইকুৰা জ্বলোৱাই নাই ?–মাকে মাত লগালে । মালতীয়ে লৰালৰিকৈ জুই কুৰা জ্বলাবলৈ খৰি কেইডাল ঠিক কৰিলে ।

–ইমানতো যদি তুমি সন্তুষ্ট হ'ব পৰা নাই বা মোৰ ওপৰত বিশ্বাস ৰাখিব পৰা নাই তেন্তে তুমি আঁতৰি যাব পাৰা । মাথোন মোৰ অলপ কষ্ট হ'ব । মই বিচাৰো তোমাৰ কাৰণে কিছু কৰিবলৈ ।

–হেৰৌ, এইটো বলীন নহয়নে ?–কাৰোবাৰ মাতত বলীন চক্ খাই উঠিল । সি যেন এটা সুন্দৰ সপোনহে দেখি আছিল । মূৰ তুলি চাই দেখিলে অকণ । ক'ৰপৰা আহিল আপুনি–বলীনে সুধিলে

ঘৰৰ পৰাই আহিলো । ৰূপহী জনীৰ খবৰ এটা লোৱাও হওক লগতে মোৰ কাম এটা হওক । এই বুলিয়েই আহিলো । গধূলিৰ বেলখনতে যাওঁ বুলি সিহঁতক মাত লগাই ওলাই আহিছো ।

–ঘৰত ভাল ?-বলীনে সুধিলে

–ভাল । তই পিছে এতিয়া কেনি যাৱ ?

–বজাৰৰ ওচৰ পামগৈ ।

–বল তেনে ।–দুয়োটা আগবাঢ়িল । অকণ বলীনহঁতৰ ঘৰৰ ওচৰৰে ।–হেৰি নহয় বলীন–অকণে কও নকওঁকৈ কলে–তোৰ কথা গাওঁখনত বৰ বেয়াকৈ উলিয়াইছে । কথাটো পিছে কি ?

–আপুনি মালতীৰ কথা কোৱা নাই জানো ?

–ওঁ । হওঁতে একো নাই । কোনে আজি কালি জাতটোত ধৰি থাকে । পিছে আমি মানি ললেই হ'ব জানো ?

–মই তাইক এতিয়াও বিয়া কৰোৱা নাই । পৰীক্ষা দিবলৈ আহি মাহীয়েকৰ ঘৰতে আছে বুলি শুনিছো । অকণকাই তাইক বিয়া কৰালে নো আপোনালোকৰ কি অসুবিধা হ'ব ।

–একো নহয় বোপাই, একো নহয় । এতিয়া তহঁতবোৰ সিহঁতৰ লগ লগাত দেখিছো আমাতকৈ সিহঁতেহে ভালকৈ থাকিবলৈ লৈছে । বেয়া মাত সিহঁতৰ মুখত নুশুনাই হলো ।

–বৌয়ে নিশ্চয় মোৰ কাৰণে চিন্তা কৰি আছে । আপুনি কবগৈ মই ভালে আছো ৰাইজৰ কামতহে যাব পৰা নাই । এই দুদিনতে কাম শেষ কৰি যাম ।

–যাবি, নহলে, গোসাই, মণ্ডল, কণ বাপুয়ে মাৰক বৰ শিকাইছে । ভয় নকৰিবি ৰাইজে সময়লৈ বাট চাই আছে ।

–যি কৰে আপোনালোকেই কৰিব ।

–তহঁতৰ জহতে আধিৰ ধান দুমুঠি বেছিকৈ পাইছো । ৰাইজে দুটা কথা নতুনকৈ শিকিছেও । এতিয়া ৰাইজে তোক এৰি নিদিয়ে বোপাই ।

কথা পাতি পাতি দুয়োটা আহি বজাৰৰ ওচৰ পালেহি । বলীনৰ ভোকো লাগিছিল । অকণ থকাৰ কাৰণে সি কথাটো কবলৈও বেয়া পাইছে । দত্তৰ দোকানৰ মুখতে সি থমকি ৰ'ল । সি লক্ষ্য কৰিলে, অকণৰ মুখখনো শুকাই আছে ।

–তোৰ কাম আছে যদি মই যাওঁহে ।

–কাম নাই । চাহ এটোপা খাওঁ বুলি ভাবিছিলো । বেয়া নেপায় যদি আপুনিও বলক ।

–বেয়া পাবলৈ কিটো আছে ? চকুটো লগত লৈ ইমান বছৰে কি পালো দেখিছই নহয় । সেইবোৰ ভেশচন ধৰি থাকিবৰ দিন নাই আৰু ।–দুয়ো দত্তৰ চাহৰ দোকানত সোমাল ।

–বলীন, তোক ইয়াতে এৰো, মহাজনক ৰূপকেইটকা মান আছে দি যাওঁ ।

–বাৰু তেন্তে যাওক ।–বুলি বলীনেও বজাৰৰ ফালে খোজ দিলে । অকণে ক্ষন্তেক বলীন যোৱাৰ ফালে চাই থাকি, মহাজনৰ দোকানৰ ফালে মুখ ঘূৰাই দেখে, মালিক হনুমান দুৱাৰ মুখত থিয় দি আছে । সাধাৰণতে এইসময়ত হনুমান মহাজন দোকানত নাথাকে ।–হনুমানৰ অকণহঁতৰ গাঁৱত ভালেখিনি মাটি আছে । গাঁৱত দোকান এখনো আছে । বৃকোদৰ অসমীয়া মহাজন আৰু হনুমান মাৰোৱাৰী মহাজন । এই দুই মহাজনৰ হাতত অঞ্চলটোৰ মাটি কেন্দ্ৰীভূত হোৱাত প্ৰায়বোৰ মানুহেই মহাজনৰ ওচৰলৈ নগলেই নহয় ।

–আহক আহক বৰুৱা বাবু । কি খবৰ ।–মহাজনে মুখত হাঁহি এটা আঁকিবলৈ চেষ্টা কৰিলে । (ৰহ্ এইবাৰ মজা পাবি । চাওঁ বলীন বিনোদে কেনেকৈ ৰক্ষা কৰে । বলীনক এঘৰীয়া কৰিব পাৰিলেই হ'ল ।)

–নগৰলৈ আহিছিলো । গাঁৱৰ ঘটনাটোৰ খবৰ পাইছেনে নাই ?

–কি ঘটনা ?–মহাজন আচৰিত হোৱাদি হ'ল (উৎপাত কৰ পাবি মজা । এয়া আৰম্ভ কৰিছোহে ।)

–লৱকান্তক মণ্ডলৰ পুতেকহঁতে কালি মাৰপিট কৰিলে । জীয়েক ইয়াৰ হাস্পাতালত আছে ।

–মই নাজানো । খবৰ এটা লব লাগিব । মোৰ বৰ আপোন মানুহ ।–পিছে মণ্ডলৰ পুতেক নহয় । সি কালি গোটেই দিনটো ইয়াতে আছে । আন কোনোবা দুষ্ট ল'ৰা ।

–কেলেই হ'ব বাবুজী লৱকান্তই নিজেই দেখিছে । দিন দুপৰৰ ঘটনা । মাৰ পিট কৰি সি টাউন পালেহি বোধহয় ।

–তেন্তে পুলিচে এৰেষ্ট নকৰিলে কিয় ? এইবোৰ লৱকান্তই মিছাই কৈছে । বিশ্বাস নকৰিব বাৰু কওকচোন কিয় আহিল ?

–আপোনাক দিঘলগীয়া ৰূপ ডেৰকুৰি দি যাওঁ বুলি সোমালো । (নাই ইয়াৰ দোকান বাদ দিব লাগিব । মাৰধৰ এইবোৰ ইহঁতৰ কাম যেন পাইছো । নহলে ই কিয় মণ্ডলৰ পুতেকৰ হৈ মুখপাতি ধৰিব ।)

–এতিয়া নিদিয়া হলেও হয় । আপোনালোকৰ পইছা কলৈ যাব ?–মহাজনে হাত পাতি টকা খিনি লৈ মুনিবৰ ফালে আগবঢ়াই দিলে ।–এটা কথা হ'ল বৰুৱা ?

–কি কথা ?–(বোধকৰো লৱকান্তৰ কথাই কব,)

–এইবাৰ ৰাস্তাৰ ওচৰত থকা মাটি খিনিত ইটাৰ ভেটা দুটা খুলিম বুলি ভাবিছো । নহলে ব্যৱসায় বৰ বেয়া হৈছে ।–মহাজনে বিড়ি এটা জুইশলাটোৰে অকণলৈ আগবঢ়াই দি কলে ।

–কি, আলি দাঁতিৰ মাটিত ইটাৰ ভেটা পাতিব,–বিড়িলৈ বুলি মেলা হাত কোঁচ খাই আহিল ।–মানুহখিনিক মৰিয়াই মাৰিব খুজিছে ? আপোনাৰ কি নাইকিয়া হৈছে কওকচোন । সেইমাটিৰ পৰা সময়মতে দোকানত ধান দি আছো । সেইবোৰ উপাৰ্জন নহয় জানো । (ইয়াৰ মতলব বেলেগ । সোনকালে কিবা এটা কৰিবই লাগিব ।)

–মই চিন্তা কৰিহে আছো । এতিয়াই আৰম্ভ নকৰো ।–আপুনি কি লাগে নিয়ক মই যাওঁ বুলি মহাজন ওলাই গ'ল ।

–হনুমান মহাজনে,–ড্ৰাইভাৰক নিৰ্দেশ দি গাড়ীৰ দুৱাৰ খন বন্ধ কৰি, গাদীৰ ওপৰত বহি থকা অকণলৈ এবাৰ চালে । গাড়ী চিনাকি ৰাস্তাৰে আগবাঢ়িল । বৃকোদৰ মহাজনৰ ঘৰ পাওঁতে পাঁচ মিনিটো নালাগিল । গাড়ী গৈ বৃকোদৰ মহাজনৰ চোতালত ৰ'ল । হনুমানে গাড়ীৰ পৰা নামি বাহিৰত কাকো নেদেখি কল বেলৰ চুইচ্‌টোৰ ওচৰলৈ যাব খোজোতেই নিৰাকাৰ শইকীয়াক দেখি থমকি ৰ'ল ।

–আহক, আহক নিৰাকাৰে মহাজনক লৈ গ'ল । ভিতৰত এম, এল, এ বৰবৰুৱা, ৰমেশ শৰ্মা বহি আছে । আধিয়াৰ আৰু মাটিহীন কৃষকৰ ভূমি সমস্যা সমাধানৰ কাৰণে বিনোদহঁতে স্থানীয় ভাবে আন্দোলনৰ আহ্বান জনাইছে । খবৰটো পাই বৃকোদৰ, হনুমান, ৰমেশ শৰ্মা ৰাজধানী পালেগৈ । আন্দোলনটো বন্ধ কৰিব নোৱাৰিলে মহাজন দুজনৰ আৰ্থিক ক্ষতি, ৰমেশ শৰ্মা, নিৰাকাৰ শইকীয়াৰ, এম, এল, এ আৰু এম, পি ৰ টিকেট্ পোৱাত অসুবিধা ইত্যাদি । সেয়ে সকলো গোট খাইছে ।

–আমি যদি সিহঁতৰ কিছুমান দাবীকো সামৰি 'অসম বন্ধ'ৰ আহ্বান জনাওঁ । তেতিয়া হলে আন্দোলন আপোনা-আপুনি বন্ধ হ'ব ।–নিৰাকাৰে মাত লগালে

–সিহঁতৰ আন্দোলন কেৱল এখন জিলাক কেন্দ্ৰ কৰি, গতিকে

–শুনক, আপুনি একো নাজানে–ৰমেশ শৰ্মাৰ কথাৰ মাজতে নিৰাকাৰে কলে,–স্থানীয় ভাবে হলেও গোটেই অসমতে তাৰ প্ৰভাৱ পৰিব । ইতিমধ্যে সিহঁতে ৰাজ্যিক ভিত্তিত আন্দোলন কৰাৰ সিদ্ধান্ত কৰিছে ।

–সমান্তৰাল ভাবে, সকলো মানুহক চুই যোৱা সমস্যা কিছুমান লৈ আমি এটা আন্দোলনৰ আহ্বান জনাওঁ ।–বৃকোদৰ মহাজনে কলে ।

–দাদাই ঠিকেই কৈছে,–নিৰাকাৰে আৰম্ভ কৰিলে, কৃষক, দল এইবোৰৰ বেনাৰত নকৰি এটা সাংস্কৃতিক সংগঠনৰ নামত আন্দোলন কৰিলে আমি সকলোৰে সমৰ্থন পাম ।

–কথাটো মোৰ মনে ধৰিছে ।–ৰাজনীতি-ফাজনীতি এইবোৰ উলিয়াব নালাগে আন কিবা চাহিত্য-চভা-তভা এটা লওক । তাৰ বেনাৰত ভাল হ'ব ।–হনুমানে কলে ।

–আমাৰ আগৰ যিটো 'জাতীয় উন্নয়ন সভা' আছিল তাকেই 'মহা সভা' নাম দি, তাৰ বেনাৰত কৰিলে আৰু বিভিন্ন সাংস্কৃতিক সংগঠনৰ সহযোগ পাম ।

–শইকীয়া আমাৰ হাতত তেনে সংগঠন আছে জানো যি আমাক চকু মুদি সমৰ্থন কৰিব ।–ৰমেশ শৰ্মা নিশ্চিন্ত হ'ব পৰা নাই ।

–নিশ্চয় আমাৰ সাংস্কৃতিক সংঘটো আছে, মহিলা সন্থা আছে, এতিয়া আমি উলিয়াব খোজা অসম মাতৃ গোষ্ঠী আছে । তাৰ উপৰি শুনক–নিৰাকাৰে চাপৰি ৰমেশ শৰ্মাৰ মুখৰ ওচৰলৈ নিজৰ মূৰটো চপাই নি কলে কিছুমান মানুহ, সংগঠন, ছাত্ৰ-ছাত্ৰীৰ নাম দি দিলেই হ'ল । কোনে খবৰ কৰিব সেইবোৰ মানুহ বা সংগঠন আছে নে নাই ।

–চাৱাচ প্ৰফেচাৰ, এইটো কৰাই ভাল হ'ব বুলি ভাবো–বৃকোদৰ মহাজনে নিৰাকাৰৰ পিঠিত চপৰিয়াই কলে ।

–নহয় মানে মই কথাটো ভাবিছোহে ।–বৈফৱী বিনয়েৰে নিৰাকাৰে কলে (বৃকোদৰ মহাজনে কোনটো প্ৰফেচাৰক আজিলৈকে পিঠিত চপৰিয়াই কথা কৈছে । এইবাৰ কিবা এটা হ'বই হ'ব ।) তেওঁলোকে কথা পাতি থাকোতেই বিজয় বৰুৱা আৰু ধৰণী গোস্বামী সোমাই আহিল ।

–বৰ পলম কৰিলে আপোনালোকে ? বৰুৱাৰ আক্ আজি কালি মহিলাৰ লগত হলি গলি বেছি–বৃকোদৰে কথাষাৰ কৈ হাঁহি দিলে,–মহিলাও পাইছেগৈ বিপ্লৱী বৰদলৈৰ ঘৈণীয়েকক । মহাজনৰ কথা শুনি সকলোৱে হাঁহিলে,–পিছে বৰুৱাই সেইটো ভাল কাম কৰিছে । আলোচনী খন যদি তেওঁৰ নামত উলিয়াব পাৰে তেন্তে, বিপ্লৱীহঁতৰ বিষ দাঁত ভাঙিব ।

–গোস্বামী বাবু,–অ' বাবু নহয় প্ৰফেচাৰ বাবু–আপোনাৰ কাৰবাৰ কেনে চলিছে ?–হনুমানে ধৰণী গোস্বামীক সুধিলে ।

–আৰে, গোস্বামীয়ে কিবা কাৰবাৰ কৰেনে কি ?–নিৰাকাৰ আচৰিত হ'ল ।

–আপোনালোকে একো নাজানে । আজি কালি আমাৰ মাৰোৱাৰীতকৈ প্ৰফেচাৰ লোকে বেছি ভাল ব্যৱসায় কৰে ।–হনুমানে ধৰণীৰ হাত এখনত ধৰি ওচৰলৈ চপাই আনিলে ।

–কি ব্যৱসায়–বিজয়ে সুধিলে

–টিউশ্যনী–হনুমানৰ কথা শুনি সকলোৱে হাঁহিলে । ধৰণী গোস্বামী বিজ্ঞানৰ শিক্ষক । দিনটো টিউশ্যনতে ব্যস্ত থাকে । কলেজৰ ক্লাচ কেইটা কৰি বাকী গোটেই সময় খিনি প্ৰাইভেট্ টিউশ্যন কৰে । ককায়েক নৰপতি গোস্বামীয়ে আন এখন কলেজত ভাষা-সংস্কৃতিৰ ব্যৱসায় কৰে ।–কথা পাতি থাকোতেই 'অসম জননী' দৈনিক বাতৰি কাকতৰ মালিক ভাগৱতী সোমাই আহিল ।

–আহক ভাগৱতী, আপুনি নাহিব বুলিহে ভাবিছিলো–বৃকোদৰে থিয় হৈ ভাগৱতীক বহিবলৈ কলে ।

–ভাগৱতী, আপোনাক কেইটামান কথা কবৰ কাৰণেই মাতি পঠালো-এম, এল্এ বৰ বৰুৱাই কলে

–কি কথা ?

–বিনোদ বলীনহঁতে কৃষক সভাৰ নামত আৰম্ভ কৰিব খোজা আন্দোলনৰ বিষয়ে আপোনাৰ কাকতত যাতে সাৱধানে বাতৰি উলিয়াই তাৰ প্ৰতি লক্ষ্য ৰাখিব । পৰা পৰত ফ্ৰন্ট্ পেজত যাতে সিহঁতৰ কোনো বাতৰি নুলিয়ায় ।–বৰুৱাই কলে

–চাওক বৰবৰুৱা মই মালিক, কাকতৰ এজন সম্পাদক আছে আৰু আছে কিছুনীতি তাত হস্তক্ষেপ নকৰাকৈ মই কৰিব পৰা খিনি কৰি দিম ।–ভাগৱতীয়ে কলে

–সম্পাদক আপোনাৰ কৰ্মচাৰী আৰু নীতি নিৰ্ধাৰক আপুনি গতিকে কৃষি মন্ত্ৰীয়ে যাতে বিধান সভাত অপ্ৰস্তুত হ'ব লগা নহয় ।

–আপোনালোকে এই বিষয়ে সম্পাদকৰ লগতে কথা পাতিব । মই যাওঁ । বেয়া নাপাব ভাগৱতী ওলাই গ'ল ।

–বৰ বৰ কথা দেখোন ।–হনুমানে মাত লগালে

–ভুল নুবুজিব, তেওঁক এনেকৈ কলে নহ'ব । নিৰাকাৰ বিজয় ধৰণী এওঁলোকে তেওঁৰ লগত সুকীয়াকৈ কথা পাতিব ।–বৃকোদৰে সেই প্ৰসংগৰ সামৰণি মাৰিলে ।

–শুনক,–বৰবৰুৱাই কলে–অকল আন্দোলন কৰিলেই নহ'ব । দুটামানক জেলত ভৰাব লাগিব ।

–পাৰিলে সিপুৰীলৈকে পঠাব লাগে ।–বৃকোদৰে মাত লগালে

–সেইটো কৰিব পাৰিলেতো একেবাৰে ঠাণ্ডা হৈ যাব ।

–বিজয় বৰুৱা আপোনালোকে ৰাজনীতি কৰিছে গতিকে এই খন যুদ্ধতো ন্যায় অন্যায় নাই । অৰূপ ডাক্তৰ, বিনোদ, বিক্ৰমসিং এই কেইটাই ইয়াত আমাৰ প্ৰধান শত্ৰু । গাঁৱৰ দায়িত্ব শইকীয়াই লওক । মুঠতে কেইটামানক ঠাণ্ডা বনাব লাগে । আমি আছো আপোনালোকৰ পিছত ।–বৃকোদৰ মহাজনে বিজয়হঁতক অভয় দিলে ।

–মনত ৰাখিব শইকীয়া বৰুৱা, আপোনালোকৰ ৰাজনৈতিক ভৱিষ্যত নিৰ্ভৰ কৰিছে এই আন্দোলনৰ ওপৰতে । মাটি চৰকাৰে এতিয়াই কাকো নিদিয়ে । গতিকে কৃষকেও থিয় যুঁজ দিব । আপোনালোকে টকাৰ কাৰণে চিন্তা নকৰিব ।–

–টকাৰ কাৰণে আমি আছো নহয় ।–হনুমানে বৰুৱাৰ কথাৰ ওপৰতে কলে ।

–মই যাওঁ । যেতিয়াই যি সহায় বিচাৰে মই দিম । মিলত ষ্ট্ৰাইক চলি আছে ।–ৰমেশ শৰ্মাই সকলোৰে পৰা বিদায় লৈ ওলাই আহিল ।

আগতে দুদিন ষ্ট্ৰাইক কৰাৰ কাৰণে শৰ্মাই প্ৰায় বিশ হাজাৰ টকাৰ লাভ হেৰুৱালে । আকৌ যদি ষ্ট্ৰাইক কৰে তেন্তে এইবাৰ ক্ষতি হ'ব । শৰ্মাই অতি কৌশলেৰে দিন মজুৰি আজি চাৰি বছৰ ধৰি একেটা হাৰতে ৰাখিছে । এইবাৰ ইউনিয়নে তলা বন্ধৰ ভাবুকিলৈও ভয় নকৰাত শৰ্মা চিন্তিত হৈছে ।–ফেক্টৰীৰ অফিচৰ মুখতে গাড়ীখন ৰ'ল । মালিকক দেখি বৃন্দাবন উধাতু খাই গাড়ীৰ ওচৰলৈ দৌৰি আহিল ।

–বেগেতে ৰঘুক মাতি আন ।–শৰ্মাই চকিদাৰ বৃন্দাবনক নিৰ্দেশ দিলে ।

সি ফেক্টৰীৰ ভিতৰলৈ দৌৰ মাৰিলে । ৰঘুৱেই শৰ্মাৰ একমাত্ৰ বিশ্বাসী । তাক টকা কেইটামান দিলেই গুণ্ডা আনি কেইটামানক ঠাণ্ডা কৰিব পাৰিব । ইতিমধ্যে ইউনিয়ন খনে কৃষক আন্দোলনত সমৰ্থন দিয়াৰ কথা শৰ্মাই খবৰ পাইছে । সেই বিষয়ে সবিশেষ জানিবৰ কাৰণে শৰ্মা উদ্‌গ্ৰীব হৈ পৰিল ।

–চালাম হজুৰ–ৰঘু উপস্থিত হ'ল

–অফিচলৈ বল ।–দুয়ো অফিচৰ ফালে আগবাঢ়িল । মালিকৰ অফিছ সুকীয়া ।

–ৰঘু তই বিক্ৰমসিঙৰ ঘৰলৈ যাৱ নহয় ।

–যাওঁ হজুৰ ।

–সি তোক বিশ্বাস কৰেনে নকৰে ।

–সেইটো কেনেকৈ কম হজুৰ ।

–তই তেতিয়া হলে লক্ষণৰ লগত ইউনিয়নৰ কথা পতাৰ চলেৰে তাৰ তালৈ যাবি কৃষক সভাই যে আন্দোলন কৰিব খুজিছে শুনিছ নহয় ?

–হয় হজুৰ ।

–তাৰ কথা বিক্রমে কি কয় তই মোক আজি ৰাতিয়েই কবগৈ লাগিব ।

–হজুৰ, গধূলি যামহে,

–মই কোনো কথা নুশুনো, ল লক্ষণকো অলপ দিবি ।–শৰ্মাই এশ টকীয়া নোট এখন ৰঘুৰ ফালে আগবঢ়াই দিলে ৰঘুৱে নোট খন হাততলৈ শৰ্মাৰ মুখলৈ চালে ।

–হজুৰ, ৰাতি ঘৰত চকিদাৰক কৈ থব । নহলে কুকুৰ কেইটা–বুলি সি শৰ্মালৈ চালে ।

–হ'ব ভয় কৰিব নালাগে মই চকিদাৰক কৈ থম ।–আৰু শুন এইবোৰ যাতে আনে গম নাপায় । ৰাতি বাবুলাল, প্ৰতাপসিং, মুহিধৰক মোৰ তালৈ যাবলৈ কবি ।

শৰ্মা ওলাই আহিল । বাবুলালহঁতৰ দৰে গুণ্ডা পুহি ৰখাৰ কাৰণেই ফেক্টৰীৰ শ্ৰমিক কিয়, বাহিৰৰ বহুমানুহেই ৰমেশ শৰ্মাক ঘিণ কৰে । মাৰ পিট কৰাতেই সিহঁতৰ কাম সীমাৱদ্ধ নহয়, শৰ্মাক মদ, মঙহ মাইকী সকলো যোগান দিয়ে সিহঁতেও অৱশ্যে তাৰ ভাগ লয় ।

গাড়ীত উঠিব খুজি শৰ্মাই আকৌ ভৰিখন নমাই আনিলে । বিপৰীত ফালৰ পৰা আহি থকা বৰঠাকুৰক দেখি আত্মীয়তাৰ হাঁহি এটা মাৰি দুখোজ মান আগুৱাই গ'ল ।

–বৰঠাকুৰ আপোনাক একেবাৰেই ল'গ নোপোৱা হলো । বাগানৰ ফালে থাকেনে কি ?

–বাগানৰ লগত সম্পৰ্ক কাহানিবাই ছেদ কৰিলো ।

–প্ৰেক্‌টিচ কেনে চলিছে । (কি প্ৰেকটিচ কৰ সকলো খবৰ ৰাখিছো । মজা পাবি ।)

–প্ৰেকটিচ নামতহে ।

–আজি কালি আপুনিতো ট্ৰেড্‌ ইউনিয়ন কৰে , কৃষক সভাও কৰে ।

–চিকিৎসা কৰিবলৈ যাওঁতে ৰাইজৰ খবৰো লওঁ ইমানেই ।

–ভাল কৰিছে । আপোনালোকৰ নিচিনা জনা শুনা আন প্ৰফেশ্যনৰ মানুহ থাকিলে ৰাইজে কিছু কথা শিকিব পাৰিব ।

–শৰ্মা মই কি শিকাম । ৰাইজৰ পৰাহে বহুত শিকিব লগা আছে । ভাল বাৰু আপুনি যাব । মোৰ এটা জৰুৰী কাম আছে । বেয়া নাপাব ।–উত্তৰলৈ বাট নাচাই অৰূপ আগবাঢ়িল । বিক্ৰমসিংৰ ঘৰৰ ফালে ।

সৰু গলিটোৰে গৈ সি বনুৱা বস্তিত সোমাল । এইখন এখন বেলেগ জগত । নগৰৰ বুকুতে নগৰ–ৰাজ্যৰ ভিতৰতে ৰাজ্য । ইয়াৰ শাসন, সমাজ ব্যৱস্থা সকলো বেলেগ । নগৰখনৰ কেইবাটাও কাৰখানাৰ বনুৱা ইয়াত থাকে । মাছ-শাক-পাচলিৰ পৰা আৰম্ভ কৰি সকলো ধৰণৰ বস্তুৰ বজাৰ ইয়াৰ ভিতৰতে আছে । সকলো ধৰণৰ ব্যৱসায়ো ইয়াত চলে । দিনৰ পোহৰত নাক কোঁচাই দেখুওৱা নগৰৰ বিখ্যাত ব্যৱসায়ী, মালিক, ধনপতি আৰু সিহঁতৰ সন্তানবোৰ আহে ৰাতিৰ আন্ধাৰৰ সুযোগলৈ । সমাজৰ দাপোণ, এই বনুৱা বস্তিতেই আৰম্ভ হয় অৰূপৰ ৰাজনৈতিক জীৱন ।

তিনি নম্বৰৰ ঘৰটোৱেই বিক্ৰমসিঙৰ ঘৰ । বিক্ৰম ৰমেশ শৰ্মাৰ প্ল ইউড্‌ ফেক্টৰীৰ ফ'ৰ মেন । শ্ৰমিক ইউনিয়নৰ পিতৃ । নগৰৰ নিচেই ওচৰতে ঘৰ যদিও বিক্ৰম ঘৈণীয়েকক লৈ বস্তিতেই থাকে । বিক্ৰমৰ মতে, শ্ৰমিক কৃষকৰ মাজত থাকি তেওঁলোকৰ সমস্যাৰ লগত নিজক জড়িত কৰিব নোৱাৰিলে, বাহিৰৰ পৰা তেওঁলোকক প্ৰভাৱিত কৰি আন্দোলন সফল কৰাটো সম্ভৱ নহয় । যুগ যুগ ধৰি নিপীড়িত এই খাটিখোৱা শ্ৰেণীটো নিজে নিজে ওলাই নাহে তেওঁলোকৰ মাজলৈ যাব লাগিব । বিক্ৰমে হিন্দী, বঙলা, অসমীয়া ভালকৈ কব পঢ়িব জানে, কিছু পৰিমানে ইংৰাজীও কব পাৰে । অসমীয়া শিখ হলেও মাক-বাপেক দুয়ো হিন্দু ধৰ্মহে মানি চলিছিল ।–অৰূপৰ চকুত জিলিকি উঠিল, বিক্ৰমৰ উজ্জ্বল চকু যুৰি, আৰু ৰাধাৰ মিঠা হাঁহিটো । যোৱা প্ৰায় তিনিটা দশকৰ শ্ৰমিক সংগ্ৰামৰ জীৱন্ত ইতিহাস বিক্ৰম-ৰাধা ।–জীৱনত অৰূপে বহু মানুহ পাইছে কিন্তু হৃদয় আৰু মনৰ মানুহখিনিক সি ৰাজপথটো লগ পাইছে । কলিজা ক'লা পেলাই দিনটো শ্ৰম কৰে–পৃথিৱীৰ ৰূপ সলনি কৰে, অথচ নিজৰ জীৱনৰ ৰূপ সলনি কৰিব পৰা নাই । যন্ত্ৰৰ ঘৰ্ ঘৰ্ শব্দত কয়লাৰ ধোঁৱাৰ মাজত সুন্দৰ জীৱনৰ সঁচাৰ কাঠি সিহঁতে বিচাৰি প্যাইছে । কয়লাৰ ধোঁৱাই জীৱনৰ আচল ৰূপ সিহঁতৰ পৰা লুকুৱাই ৰাখিব পৰা নাই । বিক্ৰমে প্ৰায়েই অৰূপক কয়–ইমান কষ্ট অথলে নাযায় । নিশ্চয় আমাৰ ক'ৰবাত ভুল হৈছে, হয়তো আমি ধৰিব পৰা নাই । তথাপি আমি যি সত্য প্ৰতিষ্ঠা কৰিম সিয়েই এদিন সকলোকে বাট দেখুৱাব ।–বৈজ্ঞানিক বস্তুবাদে কয়–পৃথিৱীখনক জয় কৰাৰ লগে লগে তাক চিনিও পোৱা হ'য় । কৰ্মৰ ওলোটা পিঠিয়েই জ্ঞান । সংগ্ৰাম অবিহনে পৃথিৱী খনক চিনি পোৱাটো টান ।–বিক্ৰম ৰাধাই বুজি পায় মানুহ অকলে বাচি থাকিব নোৱাৰে । মানুহৰ মনৰ পৰা অশুভ বুদ্ধি দূৰ হলেই পৃথিৱী খন সুন্দৰ হৈ নপৰে । যুগৰ সংঘাত সিহঁতে দেখা পাইছে । হাড় ভগা শ্ৰমৰ পিছতো ৰাধাই নতুন জীৱনৰ সপোন দেখিছে সংগ্ৰামৰ পথত হিয়াৰ তপত মৰমৰ ফুল ছটিয়াইছে ।

সোণপাহী, মালতী, নয়নতৰাহঁতে হৃদয়ৰ ভাষা বুজি পায়, কিন্তু বুজি নাপায় মৰম চেনেহ, প্ৰেম-প্ৰীতি এই পৱিত্ৰ অনুভূতিবোৰ সমাজত কিয় লাঞ্চিত হৈছে । সিহঁতে ভাবে বেয়া মানুহবোৰ আঁতৰি গলেই–ভাল হলেই, পৃথিৱী খন সুন্দৰ হ'ব ।

অৰূপ পদুলিমুখতে থমকি ৰল ।–আৰে-ডাক্তৰ ভাইয়া আহা আহা ।–ৰাধাই দুৱাৰ মুখৰ পৰাই মাতিলে । ৰাধাৰ হাতৰ পৰশ পাই এই পঁজা ঘৰটো দিনে দিনে ধুনীয়া হৈ পৰিছে । অৰূপে চাৰিওফালে এবাৰ চাই ভিতৰ সোমাই গ'ল । বিছনা খনতে সি দীঘল দি পৰিল । বিক্ৰম নাই বজাৰৰ ফালে গৈছে । অৰূপে এবাৰ ৰাধাৰ মুখৰ ফালে চালে । শান্ত গহীন অথচ মুখত এমোকোৰা হাঁহি । হৃদয়ৰ ভাষা চকুত জিলিকি আছে ।–কত বিপ্লৱীক এই খন হৃদয়ে আশ্ৰয় দিছে তাৰ হিচাপ ৰাধাই ৰাখিছে জানো ?–অৰূপে নিজকে সুধিলে ।

–তোমাৰ নিশ্চয় ভাগৰ লাগিছে । ৰবা মই চাহ একাপ কৰি আনো ।–ৰাধা ভিতৰলৈ গ'ল ।

কি আছে এই মানুহ জনীৰ ভিতৰত ।–অৰূপে আকৌ ভাবিলে । দুখ নাই, ভাগৰ নাই কামৰ মাজত ডুব গৈ থাকিও, সকলোৰে মাজত আনন্দ বিলাই ফুৰে । কি অফুৰন্ত প্ৰাণ শক্তি ।

–ৰূপাক মাধুৰীৰ ঘৰলৈকে কেইদিন মানৰ কাৰণে লৈ যোৱা ভাল হ'ব । বৰ মৰম লগা ছোৱালী ।–ৰাধাই ভিতৰৰ পৰা আহি মাত লগালে ।

–কি হ'ল হঠাতে ৰূপাৰ কথা মনত পৰিল যে ?–অৰূপৰ জানো মনত পৰা নাই । ৰূপায়ো দেখোন তাৰ খবৰ ৰাখিছে । মাধুৰীয়ে অৰূপৰ মানসিক অৱস্থাটো বুজি নোপোৱাকৈ থকা নাই । সেয়ে তাই ৰূপাক তাইৰ ঘৰলৈকে লৈ যোৱাৰ কথা তাক কৈছে । মণিৰামে কিয় বাৰু তাইৰ বিয়াৰ বন্দৱস্ত কৰিছিল । তাই হেনো তালৈ বহুদিন বাট চাইছিল । যিটো ল'ৰাৰ লগত তাইৰ বন্দৱস্ত হৈছিল বিয়ালৈ দহ দিন মান থাকোতেই সি মৰিল । বহুতেই কয় মাৰিলে । তাই পাগল নহৈ কোন হ'ব ?

–ডাক্তৰ বাবু দেখোন । মই বলীন বুলিহে ভাবিছিলো ।–বিক্ৰমৰ হাতৰ পৰা মোনাটো ৰাধাই লাহেকৈ ললে ।

–বহা, মই দুয়োলৈকে চাহ আনো ।

চাহ খাই উঠি বিক্ৰম-অৰূপে কথা পাতি আছে । ৰাধাই তামোলৰ বটাটো উলিয়াই আনি সিহঁতৰ ওচৰতে বহিল । ৰাধাই এবাৰ অৰূপৰ মুখলৈ চাই আকৌ তামোল কটাত মন দিলে । অৰূপে বুজিলে ৰাধাই কিবা এটা কব খুজিও কব পৰা নাই ।

–এইদৰে অঘৰী হৈ ফুৰিলেই নহব । সোনকালে কিবা এটা কৰা ।–তামোল এখন অৰূপৰ ফালে আগবঢ়াই দি ৰাধাই কলে ।

–ৰাধাই ঠিকেই কৈছে কমৰেড । বয়স ঘূৰাই নোপোৱা ।–বিক্ৰমে



শলাগিলে । ঠিকেই বয়স ঘূৰি নাহে । যৌৱনক ধৰি ৰাখিব–অৰূপে ভাবিলে ।

–মনে মনে থাকিলা যে ?–ৰাধাই সুধিলে । অৰূপে হাঁহিলে ।–হাঁহিলেই নহ'ব । তোমাক এটা লগৰ প্ৰয়োজন হৈছে ।

–কিয়, তোমালোক নাই জানো ?

–আছো, থাকিম, সেইবুলি তুমি জীৱনটোক আধৰুৱাকৈ ৰাখিবা কিয় ?

ঠিকেই পৰিপূৰ্ণ এটা জীৱনৰ আনন্দৰ অভিজ্ঞতাও সংগ্ৰামৰ কাৰণে প্ৰয়োজনীয় । সি নিজেও জানো এজনী নাৰীৰ অভাৱ অনুভৱ কৰা নাই ? কৰিছে ।

–ভয় হয় দিদিমনি, পাৰিম জানো ওৰে জীৱন যৌৱনৰ এই প্ৰেমক জীয়াই ৰাখি মানুহৰ মাজত জীয়াই থাকিব ।–অৰূপে লাহে লাহে মূৰ তুলি ৰাধাৰ মুখলৈ চালে ।

–ভয়, কিহৰ ভয়, সমস্যাৰ সমুখীন হবলৈ সংগ্ৰামীয়ে ভয় নকৰে । জীৱন সংগ্ৰামৰ পথত পোৱা সকলো সত্য বুটলি জেপত ভৰাই যাবা এদিন আমি নোৱাৰিলেও আনে কামত লগাব । জীৱনটোক তুমি এতিয়াও সম্পূৰ্ণকৈ দেখা নাই ভাইয়া ।–ৰাধাৰ কথাৰ মাজতে ৰঘু আৰু লক্ষণ সোমাই আছিল । দুয়োটাই ফেক্টৰীত কাম কৰে ।

–প্ৰডাকশ্যন্ কমি যোৱাৰ কাৰণে আজি মেনেজাৰে মোক মাতি নি টান কথা কৈছে ।–ৰঘুৱে বহাৰ আগতেই আৰম্ভ কৰিলে ।

–টান কথা কবই ৰঘু ।–(ইয়াক বেছি কথা কৈ লাভ নাই । মালিকেই ইয়াক পঠাইছে)

–সেইটো কবলৈকে আহিলা নে কি ?

–নাই নহয় মানে এদিন ষ্ট্ৰাইক কৰাৰ কথা আছে যে সেইটোকে সুধিবলৈ আহিলো ।

–শুনা, আমাৰ প্ৰায় সৰহখিনি শ্ৰমিকেই গাঁৱৰ ।

–হয় ।

–গাৱঁৰ মাটিৰ মালিকে খেতিয়কৰ পৰা মাটি কাঢ়ি নিব খুজিছে । আধিয়াৰৰ ওপৰতো মাৰ-ধৰ কৰিছে । গতিকে ৰাইজে আন্দোলন কৰিব খুজিছে । এতিয়া আমি যদি খেতিয়ক ৰাইজক সমৰ্থন নকৰো তেন্তে আমাৰ আন্দোলনো অকলেই কৰিব লাগিব ।

–সেইটো ঠিক কথা ।–ৰঘুৱে শলাগিলে ।

–ইয়াত যি দিনা কৃষক সমাবেশ হ'ব সেইদিনা টাউনৰ আমাৰ সকলো ইউনিয়নৰ কৰ্মীয়ে কৰ্ম বিৰতি পালন কৰি তেওঁলোকৰ লগত সহযোগ কৰিব লাগিব ।

–কিছুমানে মানি নলব । তাৰ উপৰি প্ৰডাকশ্যন্ কমি গৈছে । ফেক্টৰী বন্ধ কৰি দিব পাৰে । লক্ষনে মাত লগালে ।

–শুনা লক্ষণ । প্ৰডাকশ্যন্ কিয় কমি গৈছে শ্ৰমিকে ভাল দৰে কাম কৰাৰ কাৰণে নে আন কাৰণে ? তাৰ কাৰণে তোমালোক দায়ী নেকি ?

–কামটো আমি ঠিক মতেই কৰি আছো । তথাপি প্ৰডাকশ্যন কমিছে ।

–জানা, টুকুৰা ভঙা ভেনিয়েৰ জোৰা লগাওঁতে সময় লয় । হয় নে নহয় ?

–হ'য় ।

–ক'ৰ্ ভেনিয়েৰ নিদিয়ে কিয় ? সেইবোৰ কিয় আন ফেক্টৰীলৈ পঠাইছে ? প্ৰডাকশ্যন্ কমি গৈছে বুলি শ্ৰমিকৰ মজুৰি নবঢ়াবলৈ আৰু শ্ৰমিক কিছুমানক কামৰ পৰা আঁতৰ কৰিবলৈ এয়া মালিক আৰু মেনেজাৰৰ চক্ৰান্ত ।–অৰূপৰ কথা শুনি দুইটাই তলমূৰ কৰিলে

–গতিকে আমি কৃষক সভাৰ আন্দোলনক সমৰ্থন কৰা মানে আমাৰ শক্তি বঢ়োৱা । বিক্ৰম সিঙে কলে । বিক্ৰমে নিৰ্দিষ্ট কৈ তাৰিখটোৰ কথা কব নোৱাৰিলে । অৰূপেও নকলে

–আমাৰ ইউনিয়নে সিদ্ধান্ত ললেই বাকীবোৰে মানি লব জানো ?–ৰঘুৱে কলে

–আজি আকৌ তুমি সেইটো সুধিছা কিয় ? সেইদিনা সকলো বহি সিদ্ধান্ত লৈছো । তুমিও আছিলা দেখোন ।–বিক্ৰমৰ খং উঠিছিল যদিও নিজকে সংযত কৰিলে ।

–নহয়, মই মানে ভাবিছিলো আমাৰ ফেক্টৰীৰ ইউনিয়নেহে কেৱল কৰিব । ঠিক আছে । যাওঁ । খবৰটো লবলৈকে আহিলো ।–ৰঘু আৰু লক্ষণ ওলাই গ'ল ।

–ৰঘুৰ মালিকৰ লগত সম্বন্ধ আছে ।–অৰূপে কলে

–সকলো বনুৱাৰ মই চৰিত্ৰ চিনি পাওঁ । কিমান দিন থাকিব মালিকৰ হাতৰ মুঠিত ?

–ভাইয়া তুহি সোনকালে যোৱা ৰাতি হ'ব । কিবা অলপ দিছো খাই লোৱা ।–ৰাধাই অৰূপক ভিতৰলৈ লৈ গ'ল । দুখন ৰুটি অলপ ভাজি আৰু দুটা সিজোৱা কণী । খোৱা কোঠাটো সুন্দৰকৈ সজোৱা । চাৰিও ফালে এবাৰ চালে । বেৰত আঁৰি থোৱা বিক্ৰম-ৰাধাৰ যুগল ফটোখনলৈ । যৌৱনৰ সেই হাঁহিটো আৰু এতিয়াৰ হাঁহিটো মনৰ ভিতৰতে তুলনা কৰিলে অৰূপে । একেই আছে । একেই আছে বিক্ৰমৰ আৰ্থিক অৱস্থা । আকালো নাই ভড়ালো নাই । অথচ মানুহৰ প্ৰতি কি গভীৰ সহানুভূতি ।

খোৱাৰ টেবুলত বহি হঠাতে অৰূপৰ চকু দুটা সেমেকি গ'ল । আগতে সদায় মাকে তাৰ খোৱাবস্তু বাঢ়ি দিব লাগে । কণী সি ভাল পায় । দুটা কণী নহলে সি নাখাইছিল । মাকে কেতিয়াবা অন্য কামত ব্যস্ত থাকিলে মাধুৰীক চিঞৰি চিঞৰি কয়–তাক দুটা কণী দিবি অ' ।–ৰাধাক নিশ্চয় মাধুৰীয়ে এইবোৰ কথা কৈছে । ৰাধাৰ মৰমৰ সাগৰত ডুব গৈ সি দুখ অনুভৱ কৰিছে ।

–খোৱা ভাইয়া, তুমি পেট পূৰাই খাই গলে আমি শান্তিৰে খাব পাৰো ।–ৰাধাই লক্ষ্য কৰিলে অৰূপৰ চকু দুটা সেমেকি গৈছে । ৰাধাই তাক ভাইয়া বুলি মাতে । সেই বুলি মাতিলে সি বৰ ভাল পায় ।

–ভাইয়া কি হ'ল ? এইবোৰ সকলো তোমাৰেই । তোমাৰ ঘৰখন যে ইমান ডাঙৰ মই ভাবিবই পৰা নাছিলো । এইখন ঘৰ তুমিয়েই তৈয়াৰ কৰিছা ?

মই, দিদিমনি এইবোৰ কলে মই একো নাখাম কিন্তু ।–

–ভাইয়াৰ খং উঠিল । মই মিছা কোৱা নাই শুনা, বলীন, নৰেণ, বলো, দেবেনহঁতৰ ঘৰ, এইবোৰ ঘৰ তোমাৰ ঘৰ নহয় ? ভাইয়া শ্ৰমিক কৃষকৰ এই পৰিয়ালবোৰে তোমাক সদায় বিচাৰে । ৰাধাই তাৰ ওচৰ চাপি গৈ মূৰত হাত বুলাই দিলে–এইবোৰ তোমাৰেই ঘৰ ।–অৰূপে ৰাধাৰ মুখলৈ চাই থাকিল । শাৰীৰ আঁচলেৰে ৰাধাই তাৰ ওলাই আহিব খোজা চকুপানী খিনি মুচি দিলে ।–তোমালৈ এজনী ছোৱালী চাইছো । এইবাৰ এৰি নিদিওঁ । মই তোমাৰ কাপোৰ-কানি সদায় ধুই থাকিব নোৱাৰো ।

পৰম তৃপ্তিৰে খালে অৰূপে । দিনটো সি একো খোৱা নাছিল । সি প্ৰায়েই তাতে গা ধোৱে । কেতিয়াবা নগলে ৰাধা নিজে যায় তাৰ চেম্বাৰলৈ । কাপোৰ কানি ধুই থৈ আহেগৈ নিজৰ কথা ভাবিবলৈ অৰূপৰ সময় নাই । সকলো থাকিও তাৰ আজি একো নাই । অথচ এই সৰু সৰু ঘৰবোৰৰ ভিতৰলৈ আহি আনন্দ পায়, সেইবোৰ মানুহে তাক বিচাৰে । ৰাধাৰ লগত সোণপাহী, দৰিকা, মালতী, বলীনহঁতৰ বিষয়ে কথা পাতে । কথা পাতে ৰাজপথত লগপোৱা মানুহবোৰৰ বিষয়ে ।–এই মানুহবোৰে মানুহৰ বন্দী বেদনা অনুভৱ কৰিব পাৰে–মনৰ মণি কোঠাৰ দুৱাৰ খুলিব পাৰে । মাকৰ মৰম দিব পাৰে । সহযোদ্ধা হৈ তাৰ লগত যাব পাৰে ।

অৰূপ যাবলৈ ওলাল ।

–তোমাৰ চাৰ্ট পেণ্ট্‌ আজি দিব । মই অনাই ইস্ত্ৰি কৰি থম । তোমাৰ চাবি মোক দি যোৱা । ঘৰটো কি হৈ আছে কি ঠিক ।–ৰাধাৰ কথাৰ উত্তৰ সি নিদিলে দিব নোৱাৰে । সি জেপৰ পৰা চাবি কোচা উলিয়াই ৰাধাৰ হাতত দিলে ।

–পলম নকৰিবা । যদি ৰাতি হয় তেন্তে ঘূৰি আহিবা ।–ৰাধাৰ নিৰ্দেশ

–মই সৰু ল'ৰা নহয়, কিয় ভয় কৰিছা । কোনোবাই মাৰিব ? মৃত্যু এদিন হবই । সময়ৰ আগ পিছ হ'ব ।–



OKDISD

-চুপ্ সেইবোৰ কথা নকবা। অদৃশ্য মই বিশ্বাস নকৰো, মৃত্যুলৈ ভয় নকৰো, কিন্তু সেই বুলি কিছুমান মাতালৰ ওচৰত কিয় ডিঙি পাতি দিবা ?

-ৰাধাই ঠিকেই কৈছে। কিছুমান আদৰ্শহীন উন্মত্ত বলিয়াৰ ওচৰত কিয় ডিঙি পাতি দিম, জীয়াই থকাৰ কিঁ একাগ্ৰ বাসনা। পৃথিৱীখন সুন্দৰ হ'ব ৰূপ ধনৰ যৌৱনে ঘৰ খনলৈ শান্তি আৰু আনন্দ কঢ়িয়াই আনিব-ৰাধাৰ স্বপ্নক দুঃস্বপ্নত পৰিণত কৰি ভায়েক ৰূপধনক যেতিয়া ৰমেশ শৰ্মাই বলিয়া কুকুৰ মৰাদি মাৰিছিল, সেইদিনা মাকক সাৱট মাৰি বুকু ভাঙি যোৱা বেদনাৰে হেঁচা মাৰি ধৰি ৰাধাই চিঞৰি চিঞৰি কৈছিল মা তই দুখ নকৰিবি নাকান্দিবি। সি মৃত্যুলৈ ভয় নকৰে।- সেইজনী ৰাধাই কোন সতে অৰূপক ৰাতিখন অকলে অকলে গাঁৱলৈ পঠাব পাৰে ?

অৰূপৰ মনত পৰিল তুৰস্কৰ বিপ্লৱী কবি নাজিম হিক্মতৰ কবিতালৈ। সি মনৰ ভিতৰতে গালে--

দিনগুলি মেঘাচ্ছন্ন
মৃত্যুৰ খবৰ দিছে দিনগুলি
নিজেৰ হাতে আমৰা সুন্দৰতম পৃথিবীগুলোকে পুড়িয়েছি
কেঁদে কেঁদে চোখে আৰ কান্না নেই
আমাদেৰ খানিক বিষণ্ণ, খনিক ৰুক্ষ কৰে ৰেখে
চোখেৰ জল শুকিয়েছে।

-কমৰেড্ পৰিবেশ দিনে দিনে বিষাক্ত হৈ আহিছে। আমি সাৱধান হোৱা উচিত।-বিক্ৰমে অৰূপৰ মুখলৈ চালে

-এইবোৰতো থাকিবই। বাচি থকাৰ কাৰণে সংগ্ৰাম কৰোতে যদি মৰিব লগা হয় তাত ক্ষতি কি ? যাওঁ দিদিমনি।-ৰাধাৰ চলচলীয়া চকুযুৰিয়ে অৰূপক বাধা দিলে। সি ৰাধাৰ ওচৰ চাপি গৈ থুঁতৰিত চেপা মাৰি ধৰি মুখখন ওপৰলৈ তুলি কলে-ভয় নাই দিদিমনি-

আমি মৰতে চাইনা।
যদি আমি খুন হই
তবু তোমাদেৰ মধ্য বেচে থাকব আমি জানি
সহযোদ্ধাৰ বিজয়ী হাসিৰ মধ্যে আমি থাকব
থাকব মাসাইয়েৰ ডক্ মজুৰদেৰ মধ্যে
অকপটে আমি বলছি ভাই
আমি সুখী, নব বধূৰ মত সুখী।

ৰাধাই সিহঁতক পদূলি মুখলৈকে আহি বিদায় দিলে। বিক্ৰম আৰু অৰূপ হাস্পাতালৰ ফালে খোজ দিলে। তাৰ পৰা সিহঁত বিনোদৰ ওচৰলৈ যাব। অৰূপে আজি গাঁৱলৈ বিনোদকো লৈ যাব। সি ঘৰলৈও বহু দিন যোৱা নাই।

হাস্পাতালৰ গেটতে ডাঃ ৰহমানে খবৰ দিলে ৰূপহীক অলপ আগতে অলক আৰু মাধুৰীয়ে তেওঁলোকৰ ঘৰলৈ লৈ গ'ল। অৰূপ বিক্ৰম এটা চিন্তাৰ পৰা মুক্ত হৈ বিনোদৰ ঘৰৰ ফালে খোজ দিলে। দুয়োটা গৈ দত্তৰ চাহৰ দোকানৰ মুখতে থমকি ৰ'ল। বিনোদ ওলাই আহিব পাৰে। বিক্ৰম, দত্তৰ দোকানলৈ সোমাই গ'ল খবৰ এটা লৈ যাওঁ বুলি। বিনোদক চাহ খাই থকা দেখি বিক্ৰমে অৰূপক মাতিলে। বিনোদ গৈ ঘৰ সোমাইছিল হে এনেতে নৰেণে উধাতু খাই গৈ তাক খবৰ দিলে দৰিকা আৰু ঘৈণীয়েকক পুলিচে এৰেষ্ট কৰি থানালৈ আনিছে। খবৰটো পাই বিনোদ ৰৈ নাথাকিল। তাক থানালৈ যাবলৈ কৈ সি দত্তৰ দোকানতে সোমাই চাহত মুখ দিওঁতেই অৰূপহঁত উপস্থিত হ'ল। সি অকণ মান সকাহ পালে-সিহঁতক পায়।

ৰমেশ শৰ্মাৰ প্ৰায় বিশ্ পূৰা মান মাটি সেই ফালে আছে। তাৰে কেইপূৰা মান মাটিত বিনোদহঁতৰ গাঁৱৰ কেইঘৰ মানে খেতি কৰে আধি হিচাপত। দৰিকাই বিলৰ পাৰৰ মাটি দুবিঘাত বড়ো ধান ৰুবলৈ গৈছিল। ৰমেশ শৰ্মাই পুলিচ লগাই দুয়োটাকে একেবাৰে সদৰ থানালৈ লৈ আহিল। কথাটো বিনোদে সহজভাবে লব পৰা নাই। ৰমেশ শৰ্মাহঁতে নিশ্চয় এইদৰে ৰাইজক জোকাই লব খুজিছে। বিনোদে অৰূপহঁতক গোটেই ঘটনাটো কলে। অৰূপ বিনোদ আজি গাঁৱলৈ নোযোৱাটোৱেই ভাল হ'ব।-বিক্ৰমে ভাবিলে। থানালৈ গৈ প্ৰথমে সিহঁতে ঘটনাটো ভালদৰে বুজিলৈ তাৰ পিছত আগবঢ়া ভাল হ'ব।

তিনিওটা থানাৰ ফালে আগবাঢ়িল। বিনোদৰ মাকে নিশ্চয় আজি পদূলিমুখলৈ ওলাই আহি চাই থাকিব সি যাব বুলি। প্ৰায় এমাহেই হ'ব সি ঘৰলৈ নোযোৱা। বাঁহ বেত আওৰি থকা সৰু গাঁওখনে তাক কিয় বাৰু ইমান আকৰ্ষণ কৰে। যিখন গাঁৱৰ বহুতেই নগৰ খনকে দেখা নাছিল। সিহঁতৰ সংগ্ৰামে বহুতকে নগৰ খন দেখুৱাইছে। এসময়ত গাওঁকেইখন্ নদন বদন আছিল। মাণিক সাতোলাক গোঁসায়ে খাবলৈ দিয়া মাটিৰ সাতোলাই গাঁৱৰ বহুতক ভগাই দিছিল। সকলো বস্তুৰে উভৈনদী। হঠাতে সেই গাওঁ এৰাবাৰীত পৰিণত হ'ল। ব্ৰিটিছৰ অত্যাচাৰত থাকিব নোৱাৰি বহুতেই গাওঁ এৰি আঁতৰি গ'ল। খাজানা আদায়ৰ নামত চলা ব্ৰিটিছ বৰ্বৰতাই বহুতকে বাটৰ ভিক্ষাৰীত পৰিণত কৰিলে। দৰিকা মাণিক সাতোলাৰ নাতি। আজি মৰকীয়া হালোৱা হৈ জীৱন কটাব লগীয়া হৈছে। কথাবোৰ বিনোদক বাপেকে কৈছিল-গাঁৱতো বহুতৰ মুখত শুনিছিল। সেইখন গাঁৱৰ পৰা ওলাই আহি সি যে এদিন নগৰত থাকি চাকৰি কৰিব সেইটো সি ভাবিবই পৰা নাছিল। ডাক্তৰ পুলিচ দেখিলে দৌৰ মাৰি ঘৰ সোমাই দুৱাৰ বন্ধ কৰা সেইখন গাঁৱৰে মানুহে আজি পুলিচৰ লগত, মাটিৰ মালিকৰ লগত থিয় যুঁজ দিছে। বিনোদ যেন সেই যুঁজৰে সন্তান।-কথাবোৰ ভাবি বিনোদৰ ভাল লাগিল।

তিনিওটা থানাৰ ভিতৰলৈ সোমাই গ'ল। পিছে পিছে পুলিন।- দৰিকা আৰু ঘৈণীয়েক দুয়োটা লক্-আপৰ ভিতৰত মাটিতে তলমূৰকৈ বহি আছে। লাহে লাহে বিনোদ লোহাৰ গেটখনৰ ফালে আগবাঢ়িল। কোনোবা অহাৰ গম পাই দৰিকাই মূৰ তুলি চাই বিনোদহঁতক দেখি চক্খাই উঠিল। একেথৰে কিছুপৰ বিনোদহঁতৰ মুখলৈ চাই থাকি সি থিয় হ'ল। এখোজ দুখোজকৈ সি লোহাৰ গেটখনৰ ওচৰলৈ আহিল। ৰহিলাই বিনোদক দেখি উচুপি উচুপি কান্দিবলৈ ধৰিলে। অৰূপৰ চকু দুটা সেমেকি গ'ল। কাৰো মুখত মাতবোল নাই। দৰিকাই গেটৰ লোহা ডালত খামোচ মাৰি ধৰি, কপালখন গেটত লগাই বিনোদলৈ চাই ৰ'ল। বিনোদ ওচৰ চাপি গ'ল।

-দৰিকা কাই-সি লাহে লাহে মাতিলে। কোনো উত্তৰ নাই। তাৰ চকুলৈ চাব নোৱাৰি।-সঁচাই দৰিকাৰ এই দুটাতো চকু নহয়; অৰূপো ওচৰ চাপি গ'ল নাই দৰিকাৰ চকুলৈ সি চাব নোৱাৰিলে। চকু নহয় যেন দুকুৰা জুই। দৰিকাৰ এই দুটা চকুতো সি কোনো দিন দেখা নাই। দৰিকাৰ চকুত জুই জ্বলিছে। অৰূপৰ চিঞৰি চিঞৰি কবৰ মন গ'ল-'জুইকুৰা মোক দিয়া
মোৰ আন্দোলিত তেজত এই জুইকুৰাই
দাউ দাইকৈ উজ্জ্বল হৈ আৰু এবাৰ জ্বলি উঠক'

অৰূপে বেছিপৰ তাৰ চকুলৈ চাই থাকিব নোৱাৰিলে। কাৰো মুখত মাত নাই। বোধহয় কথা শেষ হৈ গৈছে। ৰহিলাই কান্দিছে।-কান্দ তহঁতৰ এই চকুৰ পানীয়েই এদিন আমাৰ পথৰ বাধা উটুৱাই নিব।- কাকো ক্ষমা কৰা নাযায় ৰহিলা। আমাৰ বহু যুগৰ প্ৰাপ্য আমি আদায় কৰিম।

-অৰূপে নিজকে কলে।

লক্-আপৰ লোহাৰ জালানাত কপাল খুন্দিয়াই বিনোদহঁতলৈ চাই থকা দৰিকাৰ নিচেই ওচৰ চাপি গৈ বিনোদে কলে।-দৰিকা কাই, হাকিমৰ লগত কথা পাতি আজিয়েই উলিয়াই নিম। মই হাকিমৰ ওচৰৰ পৰা আহো। তুমি কিবা অলপ খাই লোৱা। পুলিনে আনিবলৈ গৈছে।

-জামিনত।-দৰিকা গৰজি উঠিল-হাকিম, হাকিম নহয় ৰমেশ মহাজনহঁতৰ গোলাম। নাযাবি সিহঁতৰ ওচৰলৈ। এইবাৰ ইয়াৰ শোধ লৈহে যাম। সুদে মূলে আদায় কৰিম।-দৰিকাই ফোপাবলৈ ধৰিলে- বিনোদ তহঁতে মোৰ এই আজলী মানুহজনীক লৈ যা। মই নাযাওঁ।- দৰিকাৰ দুচকুৰে দুধাৰি লোটক বৈ আহিল।-কি দোষ কৰিছিল এই মানুহজনীয়ে। তাই মোৰ লগত আছিল।-দৰিকাৰ চকুৰ আগত ৰমেশ শৰ্মাৰ কদৰ্য ৰূপটো জিলিকি উঠিল। মনত পৰিল সেই দিনটোৰ কথা।



ৰমেশ মহাজন সেইদিনা আধিৰ ধান আনিবলৈ নিজেই গৈছিল। মহাজনৰ পৰা কাতি মাহত ধান এবস্তা আনিছিল। আধিৰ ধানৰ লগতে সেই বস্তা ধানো দিবলৈ দৰিকাৰ বাপেকক নিৰ্দেশ দি শৰ্মা আন এঘৰলৈ গ'ল। দৰিকাই একো নকলে, বাপেক থকাৰ কাৰণে। কিছু সময়ৰ পিছত ৰমেশ মহাজন ঘূৰি আহিল। দৰিকাৰ বাপেকে মহাজনক কাকূতি মিনতি কৰিলে গোটেইখিনি ধান একেলগে নিনিবলৈ। প্ৰতিশ্ৰুতি দিলে ধানৰ সলনি মিলত হাজিৰাকে কৰি দিব। মহাজনে কাৰো কথালৈ কাণ নিদি ট্ৰাকৰ লগত অহা ৰাম কেৱলক চোতালত উলিয়াই থোৱা ধানখিনি বস্তাত ভৰাবলৈ নিৰ্দেশ দিলে। হুকুম পাই সি ধান ভৰাবলৈ ধৰিলে। দৰিকাই একেথৰে এফালৰ পৰা খহাই নিয়া ধানৰ দমটোলৈ চাই থাকিল। মহাজনৰ প্ৰাপ্য বস্তাত সোমোৱাৰ পিছত চোতালত সিঁচৰতি হৈ এপাচি মান ধান পৰি থাকিল।-ইমান কষ্ট কৰি, দেহা মাৰি কৰা খেতিৰ ধান তাকো দুটা মৰণাৰ ধান। তাৰ ভাগলৈ থাকিল কেৱল খেৰ কেইডাল। দৰিকাৰ গাটো কঁপিবলৈ ধৰিলে। ৰামকেৱলে দুবস্তা ধান নি ট্ৰাকত তুলি বাকী দুটাৰ কাৰণে আহি চোতালত থিয় দি ৰৈ থকা দেখি মহাজন আগবাঢ়ি আহিল।-ধান উঠাগৈ। কি চাই আছ বুৰ্বকৰ দৰে।- মহাজনৰ ধমকি খাই ৰাম কেৱল বস্তা দুটাৰ ওচৰ চাপি গ'ল।

-তাৰ গাত দোষ নাই মইহে মানা কৰিছিলো।-এইবাৰলৈ ৰেহাই দিয়ক-। দৰিকাৰ বাপেকে মহাজনৰ ভৰিলৈ হাত মেলিলে।

-সেইবোৰ কৈ লাভ নাই। ৰামকেৱল, বেগেতে উঠা। তোমালোকক মৰম কৰি লাভ নাই। মহাজনৰ কথা শেষ নহলেই দৰিকাই একেকোবে মানুহটোৰ পিঠিৰ পৰা ধানৰ বস্তাটো টানি আনি মাটিত পেলাই, বেৰত আউজাই থোৱা ওখোনটো আনি মহাজনৰ পিঠিত এটা পূৰ্ণ হতীয়া কোব মাৰিলে। মহাজনে মৰিলো ঔ বুলি ৰাস্তাৰ ফালে দৌৰ মাৰিলে। 'তোক একেবাৰে সিপুৰীলৈকে পঠাই দিওঁ ৰহ্-বুলি দৰিকাও দৌৰি গৈ আৰু এটা কোব মাৰিব খোজোতেই কোনোবা এটাই থাপ মাৰি ধৰিলে।

-তেতিয়াৰে পৰা ৰমেশ মহাজনৰ দৰিকাৰ ওপৰত খং।-ইমানেই নহয় ৰমেশ শৰ্মাৰ আচল ৰূপটো দৰিকাইহে দেখিছে। গাঁৱত বহুতেই নাজানে ৰমেশ শৰ্মা মাৰোৱাৰী বুলি। গাঁৱৰ তিথি-সবাহত সময় মতে দান বৰঙণি দিয়ে। ঘৰে ঘৰে গৈ ভাল বেয়া খবৰ লয়। মানুহ চাই দুই এঘৰত যি দিয়ে তাকে খায়। গতিকে মহাজনৰ এই কপট ৰূপটোকে বহুতে আচল ৰূপ বুলি ভাবে। গাঁৱত এটা ধানকল আৰু তাৰ লগতে এখন দোকানো আছে। দোকানৰ লগতে থকা ঘৰ এটাও আছে। গাঁৱত মাজে মাজেহে থাকে। আধিৰ ধান সংগ্ৰহ কৰাৰ সময়ত মহাজন প্ৰায়েই গাঁৱৰ ঘৰতে থাকে। মিলত ধান জৰা, চাউল বছা আৰু অন্যান্য সৰু সুৰা কামৰ কাৰণে নিজেই গাঁৱলৈ গৈ দুখীয়া ঘৰৰ জীয়ৰী বোৱাৰী, বিশেষকৈ গাভৰু বিধৱা মানুহ বিচাৰি আনে। নিজে আগত থাকি কাম কৰায়।

দৰিকাৰ গাড়ী এখন আছে। গাঁৱৰ টনকিয়াল মানুহখিনিয়ে ধান কুটাবলৈ হলে দৰিকাকে কয়। তেতিয়া লগত মানুহ নগলেও হয়। দৰিকাৰো লাভ হয়। গাড়ীখনৰ ভাড়াৰ লগতে হাজিৰাটো পায়, গৰু হালৰ কাৰণে তুঁহখিনিও আনিব পাৰে। দৰিকাই আৰ তাৰ ধানলৈ প্ৰায়েই কল ঘৰলৈ যায়। কেতিয়াবা যাওঁতে পলম হলে তাৰ পাল নপৰালৈকে বহি থাকিব লগীয়া হয়।-এদিন দৰিকাই গাড়ীৰ পৰা ধানৰ বস্তা ননমোৱাকৈ গৰুহালক খেৰ কেইডাল মান দি ৰাস্তাৰ দাঁতিৰ গছজোপাতে বান্ধি থৈ আহি কল ঘৰত খবৰ ললে কিমান ধান আছে। ডেৰ ঘণ্টামান বহিব লাগিব। কি কৰে এতিয়া সি। দোকানলৈ গৈ তামোল-বিড়ি খাই কিছু সময়ৰ পিছত সি ঘূৰি আহিল। পুহ মহীয়া ৰ'দটো পিঠিত লৈ সি তাৰ ধানৰ বস্তাৰ আঁৰতে পৰি থাকিল। সময়বোৰ তাৰ নাযায় নুপুৱায় যেন লাগিল। একে ঠাইতে পৰি থাকিলেও চকু দুটা চাৰিও ফালে গ'ল। এবাৰ তাৰ চকু গ'ল পিছ চোতাললৈ। গাড়ীৰ ওপৰৰ পৰা চোতাল খন ভালকৈ দেখি। সি মনে কৰা নাছিল। থকা ঘৰটোৰে সৈতে পিছ চোতালখন আঁৰ কৰি থোৱা চকোৱা খন যথেষ্ট ওখ। আগ চোতালত থিয় দিলে একো দেখা নাপায়। সেয়ে সি আগে পিছে মন কৰা নাছিল। গাড়ীৰ ওপৰত থকা ধানৰ বস্তাত বহি সি চোতালত কোনে কি কৰিছে এবাৰ চালে। তিনিজনী জীয়ৰী আৰু দুজনী আদহীয়া মাইকী মানুহে ধান জাৰি আছে। দুজনী ছোৱালীয়ে চাউল বাছি আছে। সি চকু ঘূৰাই আনিলে যদিও ছোৱালীকেইজনীনো কোন চাবলৈ মন গ'ল। হঠাতে তাৰ চকুত পৰিল মহাজনলৈ। ৰমেশ মহাজন আহি সিহঁতৰ মাজতে বহি এজনীৰ পিঠিত থাপৰ এটা মাৰি মোহাৰি দি হাঁহি হাঁহি কিবা এটা কলে। তাৰ কৌতূহল বাঢ়ি গ'ল। সি লাহেকৈ ধানৰ বস্তা এটাৰ আঁৰ লৈ চাই থাকিল।-কিছু সময়ৰ পিছত আদহীয়া মানুহ এজনীয়ে কাম শেষ কৰি ডলা খন বেৰত আউজাই উঠি গ'ল। পিছে পিছে মহাজন। কিছু সময়ৰ পিছত মহাজন ভিতৰৰ পৰা ওলাই আহিল। মানুহজনী কেনি গ'ল দৰিকাই মন নকৰিলে। ইতিমধ্যে বাকী কেইজনীও যাবলৈ উঠিল।

-এতিয়াই ঘৰলৈ গৈ নো কি কৰিবি! বহচোন বহ, চাহ অনাওঁ খাই যাবি।-কৈ কৈ মহাজনে কাৰোবাৰ বাহুত ধৰি, কাৰোবাৰ চাদৰত ধৰি বহিবলৈ জোৰ কৰি আছে। ইজনীয়ে সিজনীৰ মুখলৈ চাই ছোৱালী কেইজনীয়ে চকুৰে কথা পাতি চোঁ মাৰি ওলাই আহিল। গোলাপীৰ তেতিয়াও জাৰিবলৈ অলপ ধান বাকী আছে। তাই সিহঁতক বাহিৰতে ক্ষন্তেক ৰবলৈ কৈ ধান জৰাত মন দিলে।

-গোলাপী তই এতিয়াই নাযাবি। বাপেৰ অহাৰ কথা আছে। যদি নাহে তইয়ে টকা খিনি লৈ যাবি।-বুলি কৈ মহাজন ভিতৰলৈ গ'ল। গোলাপীয়ে ইফালে সিফালে চাই লৰালৰিকৈ আধাজৰাকৈ ডলাৰ ধান বস্তাত ভৰালে। চাওঁ গোলাপী এই কটা ঘা ডোখৰ বান্ধি দে চোন।- মহাজনে ওলাই আহি গোলাপীৰ ফালে বগা কাপোৰ এডোখৰ আগবঢ়াই দিলে। তাই কি কৰে এতিয়া। ইফালে সিফালে চালে কোনো নাই। তাই কাপোৰ ডোখৰ লৈ মহাজনৰ বাওঁ হাতৰ কিলাকুটিৰ সৰু ঘা ডোখৰ বান্ধিব খোজোতেই মহাজনে তাৰ সোঁহাত খন তাইৰ ব্লাউজৰ ভিতৰেদি ভৰাই দিলে। তাই হাত খন আঁতৰাই দিবলৈ যিমানে জোৰ কৰিছে মহাজনে সিমানে তাইক জোৰেৰে নিজৰ ফালে টানিছে।-নিলাজ, একে গোৰে মুখ ভাঙিম-হেৰৌ গোলাপী বাপেৰে জানেই সকলো। টকাৰ কাৰণেই তোক ইয়াত থৈ গৈছে। নহলে মই সদায় টকা দি থাকিম কিয় ?

-পিতায়ে জানে ?-তাই তাৰ চুলি কোচাত সজোৰে খামোচ মাৰি ধৰি, হাত খনত কামুৰি ধৰিলে।-দৰিকাই চকুৰে যেন একো নেদেখা হ'ল,-কাণেৰে একো নুশুনা হ'ল সি একে জাঁপেই গাড়ীৰ পৰা নামি মাজৰ চকোৱাৰ জপনা গোৰ মাৰি ভাঙি মহাজনলৈ খেদা মাৰি গ'ল-কুকুৰ ৰাইজৰ তেজ খাই হেঁপাহ পলোৱা নাই এতিয়া গাভৰু ছোৱালীৰ দেহৰ সোৱাদ লবলৈ আহিছ। পিঠি ফালি দিম, চিনি পোৱা নাই ?-মহাজন দৌৰ মাৰি ভিতৰ সোমাই দুৱাৰ খন বন্ধ কৰি দিলে।-কথাবোৰ মনত পৰাৰ লগে লগে দৰিকাৰ গাটো কঁপিবলৈ ধৰিলে।

অ, চি, আৰু মেজিষ্ট্ৰেটক লগ ধৰি সিহঁতক আজিয়েই জামিনত লৈ নগলে গাঁৱত হুলস্থূল লাগিব। অৰূপ আৰু বিনোদে আজি গাঁৱলৈ যোৱাটো বাদ দিলে। অৰূপক ঘৰলৈ যাবলৈ কৈ বিক্ৰম আৰু বিনোদ মেজিষ্ট্ৰেট্ৰ ওচৰলৈ খোজ দিলে।

অৰূপে দৰিকা আৰু ৰহিলাক কিবা অলপ খাবলৈ দি থানাৰ পৰা ওলাই আহিল। কালিলৈ পুৱাই ইউনিয়নৰ অফিচলৈ গৈ ঘটনাটোৰ বিষয়ে আলোচনা কৰিব লাগিব। তাৰ পিছত বা কেনি যাব লগা হয় কি ঠিক। গতিকে সি আজিয়েই মাধুৰীহঁতক লগ পাই অহাৰ কথা ভাবিলে।

ৰিক্সাৰ পৰা নামি সি লাহে লাহে সোমাই গ'ল। আন দিনাৰ দৰে আজি সি সহজ হ'ব পৰা নাই। আগতে সি পদূলি মুখৰ পৰাই ভাগিন মণিক চিঞৰি আহে। আজি তাৰ কাকো মাতিবৰ মন যোৱা নাই। সি ভিতৰ সোমাই গ'ল। একেবাৰে নিজ্জাল। এনেতে দেহজুৰ ওলাই আহিল।

-ঔ আই আজি দেখোন মাত বোল নাই
-ৰ চোন সোমাইছোহে মাত বোল কৰিম নহয়।
-হ'ব, হ'ব ৰূপা বাইদেৱে খবৰ লৈ আছে। সেইকাৰণেহে

আহিছে।
-তই জানো মোৰ খবৰ লৈছ।
-আহিছে নহয়, লব এতিয়া।-দেহজুৱে হাঁহি হাঁহি পাক ঘৰলৈ দৌৰ দিলে।
দেহজুৰ সঁচাই দেহজুৰ, সি থাকিলে ঘৰখন হাঁহিৰে উপচি থাকে। সি যেন ঘৰ খনৰ আনন্দৰ নিজৰা।
-অ' তইহে।-মাধুৰী ওলাই আহি অৰূপৰ মুখলৈ চালে-দুপৰীয়া ভাত খালি জানো! তই আহিবি বুলি মই বাট চাই আছিলো।
-মণি কলৈ গ'ল ?
-দেউতাকে ফুৰাবলৈ লৈ গৈছে। বজাৰো কৰি আহিব। তই মুখ হাত ধুই ল। ৰূপা টোপনি গৈছে।-বুজিছ তাই আঘাত বেছি পোৱা নাই, আচলতে মানসিক ভাৰসাম্য বেচেৰীয়ে হেৰুৱাই পেলাইছে।
-আগতেও এবাৰ মূৰত আঘাত পাইছিল।
-ছোৱালী জনী পিছে বৰ মৰম লগা। কিছুদিন ইয়াতে ৰাখিম। মই ককায়েকক কৈছো। অৰূপে একো নকলে। সি বিচাৰে ৰূপা সদায় ইয়াতে থাওক। ঘৰলৈ গলেই তাই বাচি নাথাকে। ইয়াত থাকিলে তাই পাহৰিব পাৰিব মনোহৰৰ করুণ মৃত্যু, পাহৰিব পাৰিব মাকৰ বুকু ভাগি যোৱা দুখৰ চকু পানী।
-তঁহতৰ অসুবিধা নহব জানো ?-অৰূপে লাহেকৈ কলে
-কি কৈছ, তই এইবোৰ ? তাইক একেবাৰে ইয়াতে ৰাখিবৰ মন মোৰ। অলকেও আনন্দ পাইছে। এতিয়া তাইৰ কাৰণে নিজে বজাৰ কৰিবলৈ গৈছে। তোৰ লগতে মইও এজনী ভনী পাম।-(অৰূপ তই কিয় নিজক ফাকি দিছ, তই জানো নিবিচাৰ তাই ইয়াত থকাটো ? তোৰ কাৰণেই ৰূপাক মই ইয়াত ৰাখিম। নহলে তই কাহানিবা মানুহৰ মাজত একেবাৰে হেৰাই যাবি।)
মুখ হাত ধুই অৰূপ ৰূপাৰ কোঠালৈ গ'ল। অকণো শব্দ নকৰাকৈ দুৱাৰ খন খুলি হাতত সাৰে ভৰিত সাৰে তাইৰ বিছনাৰ ওচৰ চাপি গ'ল।-অপলক দৃষ্টিৰে সি তাইৰ মুখলৈ চাই থাকিল। বহু দিনৰ আগতে দেখা সেই একেখন মৰম কোমল মুখ।-সি বিচাৰিছিল তাইৰ বুকুত মূৰ গুজি সমস্ত দুখ-যন্ত্ৰণা পাহৰিবলৈ। সেই সুখ স্বপ্নই তাক ধৰি ৰাখিব নোৱাৰিলে। সি আঁতৰি আহিল কিন্তু পাহৰিব নোৱাৰিলে।
হঠাতে ৰূপাই চকু মেলি তাক দেখি আচৰিত হ'ল। ওঁঠ দুখন অকণমান লৰাই তাই হাঁহিব খুজিলে।
-বহক। কেতিয়া আহিল।-অৰূপ তাইৰ বিছনাতে বহিল।
-মণিকাই গ'ল নে কি ?-তাই তাৰ মুখলৈ চালে
-মই গম নাপাওঁ। বোধহয় গ'ল। কিয় লাগে ?
-গ'ল। ক্ষন্তেক তাৰ মুখলৈ চাই থাকি তাই উচুপিবলৈ ধৰিলে। (ইয়ালৈ কিয় আনিলে। কোনে চাব মোক। আমি পাপ কৰিছিলো অৰূপদা পাপ। দৰিদ্ৰ হোৱাটো পাপ। বৌটিয়ে নিশ্চয় মোৰ কথা কৈ কৈ কান্দি আছে। মই ইয়াত ইমান আৰামত কেনেকৈ থাকিম ?)
-ছিঃ ৰূপা, নাপায় নহয়। মণিৰাম নাথাকিলেও আমি আছো নহয়। মই জানো পৰ ৰূপা ? সি তাইৰ নিচেই ওচৰ চাপি গ'ল। লাহে লাহে মূৰত হাত বুলাই দি কলে তোমাক ইয়ালৈ আনিবলৈ ময়েই কলো।
-কিয় ইয়ালে আনিলে ? মই যামগৈ।
-যাবা। কেইদিনমান চাই লওঁ। হাস্পাতালত কষ্ট পাবা বুলি ভাবিয়েই ইয়ালৈ আনিলো।
-মই কষ্ট পালে আপোনাৰ কি হ'ব নো ?-বৈ যোৱা চকু পানীখিনি তাই মচিব খোজোতেই অৰূপে চাদৰৰ আগেৰে মচি দিলে
-মোৰ কি হ'ব নহ'ব সেইবোৰ ভাবি লাভ নাই ৰূপা। তুমি ভাল হৈ উঠিলে হাঁহি মাতি ফুৰিলে মোৰ মনটো ভাল লাগিব ইমানেই।
-বাচি থাকি কি লাভ হ'ব ?-তাই কব নোৱৰাকৈয়ে তাৰ হাত এখন তাইৰ দুই হাতৰ মাজত সুমুৱাই ললে।
-মৰিলে লোকচান হ'ব কাৰণেই জীয়াই ৰাখিম তোমাক।-সি
৪৬ প্ৰেচক্ৰিপশ্যন খনত চকু ফুৰাই সুধিলে-মূৰত বিষ আছে নে কি!

-এতিয়া নাই।
-বুকুত!
-নাই। (আছে, কিন্তু তোমাক কেনেকৈ বুজাম।)
অৰূপ বাহিৰলৈ গৈ বেগটো আনি টেবুলত থলে। ৰূপাই বুজিলে সি এতিয়া তাইক পৰীক্ষা কৰিব।
-নালাগে এতিয়া চাব। আপুনি কিবা খালে জানো ? আগতে খাই লওক।
-খাম। ইয়াতে। তুমিও খাবা মইও খাম।
চাহ খাই উঠি মাধুৰীয়ে অৰূপক ৰূপাৰ ওচৰতে বহিবলৈ কৈ পাক ঘৰলৈ গ'ল। অৰূপে ৰূপাক ভালদৰে পৰীক্ষা কৰি চালে। বুকু আৰু কঁকালত কিছু আঘাত পাইছে। অৰূপে তাইৰ দুখ পোৱা হাত খন তুলিলৈ ঘা ডোখৰ এবাৰ চালে।
-বাচি থকাৰ একেবাৰে ইচ্ছা নাই।
-কিয়! আমাক বেয়া পোৱা ?-অৰূপে তাইৰ হাতখনৰ ঘা ডোখৰত মলম এটা ঘঁহি দিলে।
-ভাল পাওঁ, মানুহক ভাল পাওঁ কাৰণেই বাচি থকাৰ ইচ্ছা নাই।
-বাচি থকাৰ কাৰণেইতো আমি সংগ্ৰাম কৰিছো।
-মই যদি কওঁ সংগ্ৰাম কৰিবৰ কাৰণেই আপোনালোক বাচি আছে ?
-ঠিকেই তাৰ কাৰণেই আমি বাচি থাকিব লাগিব।
-মইতো আপোনালোকৰ সংগ্ৰামত ভাগ লব পৰা নাই তেন্তে বাচি থাকি কি হ'ব ?
-এদিন আমাৰ লগত ওলাই আহিবা। (আমি হাতত হাত মিলাই আগবাঢ়ি যাম সোণজনী।-জীয়াই থকাৰ বাসনাক, পাই হেৰুওৱাৰ বেদনাই নিঃশেষ কৰি দিব নোৱাৰে। ৰূপাই জীয়াই থাকিবলৈ বিচাৰে। যৌৱনৰ এবুকু মৰম, মনৰ মানুহটোক ঢালি দি জীৱনটোক পৰিপূৰ্ণ ৰূপ দিবলৈ বিচাৰে। কিয় তাই নিজক লুকুৱাব খুজিছে ?)
-আজি ইয়াত থাকিব ?-ৰূপাই সুধিলে
-নাথাকো কাম কেইটামান আছে। পিছত আহি কেইদিনমান ইয়াতে থাকিম।
-আজি থাওক। অচিনাকি ঘৰখনত মোৰ বেয়া লাগিব।
-মই থাকিলে নালাগে হবলা ?-অৰূপৰ বুকুখন চিৰিং কৈ গ'ল। (ৰূপা তই নুবুজিবি, তোৰ ওচৰতে ৰহি থাকিবলৈ মন যায়, কিন্তু নোৱাৰো এতিয়াও বহুত কাম বাকী। প্ৰেম প্ৰীতি এই পৱিত্ৰ অনুভূতিবোৰক জীয়াই ৰাখিবলৈকে তোৰ পৰা আঁতৰি যাব খুজিছো।-ভালপাওঁ মানুহক, এই সুন্দৰী পৃথিৱীক। কিন্তু সেই ভালপোৱাই জানো সকলোকে সুখ শান্তি দিব পাৰিব যদি সংগ্ৰামৰ পৰা আঁতৰি থাকো। মন যায় তোৰ কোমল বুকুত মূৰ থৈ ক্ষন্তেক জিৰণি লবলৈ, সময় নাই, এই প্ৰেমক অমৰত্ব দান কৰাৰ সংগ্ৰামে হাত বাউল দি আছে।)-আজি নাথাকো। গাৱঁৰ পৰা দুদিনতে ঘূৰি আহিম।
-নাই, আজি নাযাব।-তাই তাৰ হাত এখনি টানি বুকুৰ মাজত লৈ তপত ওঁঠ দুটা লগাইছিল।
সিও চাপৰি তাইৰ কপালত এটা চুমা খালে।-কোনো দিন নোপোৱা বুজাব নোৱৰা এক তৃপ্তিত তাৰ চকু মুদ খাই গ'ল। পৃথিৱীখনলৈ তাৰ নতুনকৈ মৰম লাগি গ'ল, পৃথিৱীখন যেন আগতকৈ ধুনীয়া হৈ পৰিল তাৰ তেনে যেন লাগিল।
বাহিৰত কাৰোবাৰ মাত শুনি অৰূপ ওলাই আহিল।
-মণিৰাম তুমি যোৱা নাই ?-মণিৰাম ৰূপহীৰ কাণ সমনীয়া ককায়েক।
-নাই যোৱা। কাছাৰীৰ কামবোৰতে পলম হ'ল।
মণিৰামক দেখি ৰূপাৰ চকু দুটা চলচলীয়া হ'ল। সি তাইৰ ওচৰতে থিয় হ'ল। মোনাৰ পৰা সৰু কাগজৰ পেকেট এটা উলিয়াই তাইৰ ফালে আগবঢ়াই দিলে।
-তই আৰু' কেতিয়া আহিবি ?
-সদায় আহিম।-সি আৰু কিবা কব খুজি ৰৈ গ'ল।
-আমি আছো। তুমি আহি থাকিব নালাগে।-অৰূপে মাত



লগালে।
মণিৰামে ৰূপাক মাত লগাই যাবলৈ ওলাই আহিল। পিছে পিছে অৰূপ।
-কিবা ভগৱানৰ শাও-পাত লাগিছে যেনহে পাইছো।-মণিৰামে অৰূপৰ মুখলৈ চালে
-সেইবোৰ একো নহয়। দুৰ্বলীৰ ওপৰত সদায়েই অত্যাচাৰ চলি আছে। মাৰ বান্ধি থিয় দিব লাগিব।-অৰূপে কলে (সান্ত্বনা লৈ লাভ নাই মণিৰাম। জীয়াই থকাৰ অধিকাৰ কাঢ়ি আনিবৰ কাৰণে নিজক সাজু কৰ।)
-ককাইদেউ, তাইভাল হ'বনে ?-মণিৰামে অৰূপৰ চকুলৈ চালে
-ছিঃ মণিৰাম তুমি কান্দিছা। নাপায়। ৰূপাই শুনিলে, অস্থিৰ হৈ পৰিব। তাই ভাল হ'ব, মই ডাক্তৰ মই কৈছো মণিৰাম।-অৰূপে তাৰ মূৰত হাত বুলাই দিলে।
-ভাল হ'ব আকৌ মোক মণিকাই বুলি মাতিব-তাৰ মাতটো কঁপি গ'ল (তাই বাচি থাকিব নালাগে, তাই মৰক। এদিন কান্দিম দুদিন কান্দিম। তুমি নাজানা ককাইদেউ তাইক কোনেও বিয়া নকৰায় তাই হেনো বিধৱা-বিয়া হোৱাৰ আগতেই বিধৱা। আচলতে তাই দৰিদ্ৰ।-মাজনী তোক এৰি থৈ মই কেনেকৈ যাওঁ ? বৌক কি বুলি কম ?-থাক ইয়াতে থাক, জীৱনত আন নহলেও দুদিন সুখত থাকিবলৈ পাবি।)
অৰূপৰ পৰা বিদায়লৈ মণিৰামে ষ্টেচনৰ ফালে খোজ দিলে। সি নাজানে, দৰিকাক পুলিচে ধৰি অনাৰ কথা। সি যাওঁতে দত্তৰ দোকানত বিনোদ আছেনে কি মন কৰিলে। সিও তাৰ লগতে যোৱাৰ কথা। ষ্টেচন পাই মণিৰামে ইফালে সিফালে চালে। বিনোদ নহা দেখি সি অলপ আচৰিত হ'ল। ৰেল আহিবলৈ আৰু ভালেমান সময় আছে। মণিৰাম প্লেটৰ্ফমৰ বেঞ্চ এখনতে বহিল। দুখ ভাগৰ বেজাৰ সকলোবোৰ তাৰ গাত উবুৰি খাই পৰিল। লাহে লাহে তাৰ চকু দুটা মুদ খাই গ'ল।
-মণি, তই কেতিয়াবাই পালিহি নেকি ?-বিনোদৰ মাতত সি চক্ খাই উঠিল
-অলপ সময় হ'ল।-সি চকুদুটা মোহাৰিলে। বিনোদৰ মুখে দৰিকাইঁতক ধৰি অনাৰ খবৰটো পাই সি আচৰিত নহ'ল। সি আজি আহোতে বৃকোদৰ মহাজনৰ দোকানৰ মুখতে মণ্ডলৰ পুতেকহঁতক দেখি আহিছিল। মণিৰামহঁত টাউনলৈ অহাৰ গম পাই সিহঁতে সুবিধাটো ললে।-দৰিকাইঁতক জামিনত এৰি দিলে। পিছে সিহঁত ঘৰলৈ নাহিল। বিনোদেও জোৰ নকৰিলে। সিহঁত টাউনতে থকা সম্বন্ধীয় মাহীয়েকৰ ঘৰলৈকে গ'ল। আচলতে বিনোদেই তাক থৈ আহিল। নহলে দৰিকাই আহিয়েই বাটতে ৰমেশ মহাজনৰ দোকানত কি কৰিব ঠিক নাই।
ৰেলৰ পৰা নামি দুয়োটাই খোজ দিলে। গাঁৱলৈ ষ্টেচনৰ পৰা আঢ়ৈ মাইল মান হ'ব। কাৰো মুখত মাতবোল নাই। সিহঁতৰ মুখৰ ভাষা যেন হেৰাই গৈছে। কি কব, সেই একেবোৰ কথা। সিহঁতৰ খোজৰ গতি খৰ হ'ল। বিনোদে এবাৰ আকাশলৈ চালে নিৰ্মল যদিও দুই এঠাইত ক'লা ডাৱৰ দুই এচপৰা ইফাল সিফাল কৰি আছে।
-মণিৰাম-বিনোদে মাতিলে
-কিবা কবা বিনোদ কাই ?
-তহঁতৰ ওপৰত বাৰুকৈয়ে অত্যাচাৰ চলিছে নহয় ?
-কি কৰিবা, আমি গোটেইবোৰ লগ লাগি থকাটো মহাজনহঁতে ভাল পোৱা নাই।
-তই কেনেকৈ জানিলি ?
-বৃকোদৰ, ৰমেশ মহাজনে সদায় গাঁৱলৈ আহি কিছুমানক সংঘলৈ নাযাবলৈ উচটাই থাকে, সংঘটো ভাঙিবলৈ সিহঁতে বৰ চেষ্টা চলাইছে।
-সেইবোৰ সিহঁতৰ কামেই। তহঁত হতাশ নহবি। মূল কথাটোৰ পৰা আঁতৰি নাহিবি।
-এইটো মণিৰাম নহয়নে ?-পিছফালৰ পৰা কোনোবাই মতা শুনি দুয়োটাই ঘূৰি চালে।
-থানুকাই দেখোন, ক'ৰ পৰা আহিলা ?-বিনোদে সুধিলে



-হেৰি নহয় মণি, এইৰ কেনেকুৱা হৈছে অ'।-থানুৰামে মণিৰামক সুধিলে।
-মই সেই তিনি আলিৰ পৰা গুড় অকণ আনো বুলি গৈছিলো।
-ভাল হৈছে। কেইদিন মান থাওক তাতে।-গুড় নাপালেনে কি ?
-পাইছিলো ভাল নহয়। মহাজনৰ দোকানৰ পৰাই লৈ যাব লাগিব।-(গুড় বিচাৰি যোৱা নাই। কলৈ গৈছিলো তহঁতক কৈ মৰিলেহে হ'ব। মহাজনহঁতে যিখন জাল পাতিছে তহঁত গোটেইবোৰ মৰিবি এইবাৰ। কিহে পাইছে মহাজনৰ লগত কাজিয়া কৰিবলৈ।-পিছে ভালেই হৈছে, মণ্ডল, গোসাঁই, মই, দেউ, আমাক বাদ দি মহাজনে একো কৰিব নোৱাৰে। সংঘৰ কথাবোৰ সময় মতে মহাজনক জনাই থাকিব পাৰিলে আঁহতৰ তলৰ মাটি দুবিঘা মোক দিয়াৰ কথা। আজি যেতিয়া বিনোদো আহিছে ইহঁতৰ কিবা মিটিং বহিব। ভালদৰে খবৰবোৰকে লওঁ। দ'লৰ পূজাৰীৰ ঘৰতে কণবাপু আৰু মণ্ডলে ৰমেশ মহাজনৰ লগত কিবা ৪৭

আলোচনা কৰ্‌ব্যৰ কথা। সেইফালে এতিয়া নাযাওঁ, পলমো হ'ল। বৃকোদৰ মহাজনৰ তাতে সোমাই খবৰ এটা লৈ যাওঁ।)—থানুৰামৰ ঘৰ মহেশ্বৰৰ ঘৰৰ ওচৰতে। মহাজন, মণ্ডল আৰু কণবাপু শৰ্মাৰ মাটিত থানুৰামেই খেতি কৰে।

বিনোদহঁতক এৰি থানুৰাম বৃকোদৰ মহাজনৰ দোকানৰ ফালে খোজ দিলে। আন্ধাৰতে থানুৰামে সিহঁতলৈ এবাৰ চালে।—মহাজন ঘৰৰ বাৰান্দাতে থিয় হৈ আছে। দোকানত নোসোমাই থানুৰামে মহাজনৰ ঘৰৰ ফালে পোনালে।

—দেউ আৰু মণ্ডল কেনি গ'ল।—মহাজনে সুধিলে

—মই সেইফালে যাবলৈ নহ'ল। পলম হোৱাত আপোনাৰ ইয়াতে সোমালো।—মহাজনে থানুৰামক দূত হিচাপেহে পঠাইছিল পূজাৰীৰ ঘৰলৈ।

বাৰু তই এইফালে আহ।—মহাজনে থানুৰামক ভিতৰলৈ মাতিলে। থানুৰাম হতভম্ব হ'ল। দুকুৰি বছৰ পাৰ হ'ব এতিয়া বৃকোদৰ মহাজনৰ পিছ চোতালত ভৰি দি পোৱা নাই। বাহিৰৰ বাৰান্দাৰ পৰা সিফালে এখোজ আগবঢ়োৱাৰ অধিকাৰ কৈৱৰ্ত গাঁৱৰ কাৰো নাই। সুৰেণ গাওঁবুঢ়াৰ নিচিনা মানুহেও মহাজনৰ চ'ৰাঘৰত ভৰি দিয়াৰ অধিকাৰ পোৱা নাই। এনেস্থলত থানুৰামক মহাজনে ভিতৰলৈ মতাত তাৰ সন্দেহ হ'ল।—আন কিবা বেয়া- মতলবো মহাজনৰ থাকিব পাৰে। হওঁতে থানুৰামে দুই মহাজনৰ অহিত আজিলৈকে চিন্তা কৰা নাই। তথাপি কোনোবা খলুৱাই তাৰ ভালটো দেখিব নোৱাৰি কিবা কথা লগাবও পাৰে।

—তই ৰৈ আছ কিয়, আহ ভিতৰলৈকে। সদায় তহঁত বাহিৰত থাকিবিনে ? আহ্ বোপাই।

—(ইয়াক ভিতৰলৈকে লৈ যোৱা ভাল। সাত জনমত এনেকুৱা ঘৰত সিহঁত সোমাই পোৱা নাই।)—থানুৰাম ভয়ে ভয়ে ভিতৰত সোমাই গ'ল।

—বহ সেই মূঢ়াটোতে।—মহাজনে মাজৰ শোৱনি কোঠালৈ গৈ নিজে বিছনাত বহি তাক আগতেই ঠিক কৰি থোৱা মূঢ়াটোতে বহিবলৈ কলে।—থানুৰামে এবাৰ মহাজনৰ মুখলৈ চাই সেমেনা সেমেনি কৰি মূঢ়াটো অকণমান লৰাই লাহেকৈ বহিল। লাজ ভয়ত তাৰ মুখৰ বৰণ সলনি হ'ল।

—শুন থানুৰাম। দেউ অহাৰ আগতে তোক কেইটামান কথা কওঁ।—মহাজন উঠি গৈ দুৱাৰ খন বন্ধ কৰি দিলে।—তহঁতেই মোৰ বেছি মাটি খাই আছ। নিজৰ মাটি থাকিলেও তহঁত তিনিটা ভাই ককাইৰ মাজত ভগালে এচাইকৈও ভাগত নপৰিব। গতিকে তোক এটা ভাল পৰামৰ্শ দিওঁ শুন।

—কওক।

—তহঁতৰ পৰা মাটি খিনি এৰুৱাই আনিবলৈ মোৰ ল'ৰা কেইটাই কৈ আছে। মই সিহঁতৰ কথা মতে চলা মানুহ নহয়।

—মাটিখিনি নিলে কেনেকৈ খাম ?—থানুৰামৰ ডিঙি শুকাই গ'ল।

—ভয় নাখাবি। মই তহঁতক বিপদত নেপেলাওঁ। কিন্তু কথা হ'ল তোৰ ভায়েৰ দুটাক তই চম্ভালিব লাগিব।

—সিহঁতেনো কি জগৰ লগালে ?

—জগৰ ?—মহাজন দাংখাই উঠিল—বলীন বিনোদহঁতৰ লগ লাগি সিহঁতে আধিৰ ধান চাৰি ভাগৰ এভাগ দিবলৈ ঠিক কৰিছে। আৰু কৈছে দহ বছৰ একেৰাহে যি খেতি কৰি আছে সেই মাটি হেনো এৰি নিদিয়ে।

—কথাবোৰ ৰাইজৰ মুখত ময়ো শুনিছো।—থানুৰামে ভয়ে ভয়ে কলে।

—পাৰিবা জানো মাটি এৰি নিদিয়া কৈ থাকিব ? দেখিলি নহয় আজি দৰিকাৰ অৱস্থা ?—আইন আছে, চৰকাৰ আছে বুজিছ। চৰকাৰো মোৰ হাতৰ মুঠিত।

থানুৰামৰ মুখৰ মাত হৰিল।—থানুৰাম নিজে ৰাইজৰ লগত ওলাই যোৱা নাই হয় কিন্তু ভায়েক দুটা বিনোদহঁতৰ লগতে আছে। ৰাইজে সিহঁতৰ কথামতেই চলিছে।—থানুৱে ভাবিলে—তহঁত কেইটামান মানুহকহে মই বিশ্বাস কৰো। গতিকে তহঁতে এটা কাম কৰি দিব লাগিব।

—কি কাম বা ?

—সিহঁতৰ মানে বলীনহঁতৰ দুটামানক ভালদৰে দুমাৰ মান দিব লাগে, যাতে সিহঁতে জীৱনলৈ আৰু এইবোৰ বদমাইচী নকৰে। নহলে তহঁতক সিহঁতে সুখেৰে ভাত খাবলৈ নিদিয়ে।—মহাজনৰ কথা শুনি থানুৰামে মূৰে কপালে হাত দিলে। কি কৰে এতিয়া সি। মহাজনৰ লগত থাকিলেও সি এনেটো অন্যায় কৰিব নোৱাৰে।

—শুন তই একো কৰিব নালাগে, কেৱল আমাৰ ললিতহঁতৰ লগত থাকি গাঁৱৰ খবৰ বোৰ দি থাকিবি। সেইটো সৰুকণ, তই জান, সি মোৰ সোঁহাত অথচ সি বলীনহঁতৰ সংঘৰ লীডাৰ। (মূৰ্খ, তহঁতক এইদৰে ৰাখিব লাগিব। সৰুকণেই এতিয়া মোৰ প্ৰধান শত্ৰু। তহঁতৰ হাততে তাক শেষ কৰাম, গমেই নাপাবি।) তাক মই বিশ্বাস কৰো, ঠিক তোক যেনেকৈ কৰো। সৰুকণে আজিলৈকে পেটৰ কথা কোৱা নাই। তইও এইবোৰ কথা কাকো নকবি, সৰুকণকো। কবি নে কি ?

—নাই দেউতা কেলেই কবলৈ যাম।

—কালিলৈ মিটিঙত কি আলোচনা কৰে, বিনোদহঁত কলৈ যায় সকলো খবৰ তই মোক দিব লাগিব। অৱশ্যে সৰুকণো আহিব।

—এটা কথা দেউতা

—কি ?

—বৰ অন্যায় হ'ব নে কি ? মোৰ নিজৰ কথাহে কৈছো।

—অন্যায় কিহৰ অন্যায় ? প্ৰেম আৰু যুদ্ধত বোলে ন্যায় অন্যায় নাই এয়া ধৰ্মৰ কথা বুজিছ। আমাৰ এইখনো এখন যুদ্ধই ধৰচোন। মোৰ মাটি, মোৰ সম্পত্তি, তাৰ ওপৰত সিহঁত বৰমতা ওলাবলৈ আহিছে। ভালেৰে কলেই দেখোন মই তহঁতক এভাগ মাটি এৰি দিম। তাকে নকৰি সিহঁতে আন্দোলন কৰি ৰাইজক পুলিচৰ মাৰবোৰ খুৱাইছে। এইবোৰ অন্যায় নহয় ?

মহাজনৰ লগত থাকিলে থানুৰামে মাটি টকা পইছা সকলো পাব। কিন্তু ৰাইজখন আঁতৰি যাব। টকা পইছা মাটিয়ে নামাতে মানুহেহে মাতে। থানুৰাম বিবুধিত পৰিল। বাপেকে তাক সদায় কয় মানুহেই ভগৱন্ত বস্তু, মানুহক বেয়া দেখিব নাপায়। ৰাইজৰ দ্ৰোহ আচৰাৰ সমান পাপ নাই ?—তেন্তে সি কেনেকৈ এই পাপ কৰিব।—সি কথাবোৰ ভাবি থাকোতেই বাহিৰৰ পৰা কোনোবা এটাই দেউ অহাৰ খবৰটো মহাজনক দিলে। মহাজনে উঠি গৈ দুৱাৰ খন খুলিছিল।—কণবাপু শৰ্মাক দেখি থানুৰামে সেহা-বেঙা লগালে।

—তই এতিয়া যা।—মহাজনে থানুৰামক যাবলৈ কলে।

—অ' তইহে। পূজাৰীৰ ঘৰলৈ যোৱাৰ কথা আছিল নহয়, নগলি কিয় ?—কণবাপুয়ে সুধিলে

—পলম হ'ল—তাকে দেউতাক কৈছো।—থানুৰামে হাত দুখন মোহাৰি মোহাৰি কৈ ওলাই গ'লি। মহাজনে উঠি গৈ দুৱাৰখন বন্ধ কৰি দেউলৈ চকী এখন আগবঢ়াই দি আন এখনত নিজে বহিল।

—বহক দেউ। আপুনি বহুত পলম কৰিলে।

—এৰা। পিছে এইটোক ভিতৰত বহিবলৈ দিলে কিয় ?—দেউৰ কপালৰ শিৰ কেইডাল কোঁচ খাই গ'ল।

—সেইবোৰ বহুত কথা। এতিয়া, ভেম, ধৰ্ম এইবোৰ ধৰি থাকিলে নহ'ব। সেইবোৰ ধৰি থাকিলে সকলো যাব।

—কথাটো মিছা নহয়। (এইটোক অসন্তুষ্ট কৰিলে বেয়া হ'ব। সি যিকয় শলাগি যোৱাই ভাল।) এতিয়া আমি সকলোকে সামৰি লোৱাটোহে ভাল।

কথা পাতি থাকোতেই উঠিগৈ কাম কৰা ল'ৰা এটা মাতি মহাজনে তামোল পাণৰ বটাটো আনিবলৈ নিৰ্দেশ দিলে। ভিতৰফালৰ দুৱাৰেদি আহি ঘৰত কাম কৰা ল'ৰা এটাই ক্ষন্তেক পিছতে কটাৰী এখনৰ সৈতে তামোল-পাণৰ বটাটো আৰু পানী এঘটি আনি টেবুলতে থলে। দেউক কেনেকৈ বস্তু দিব লাগে সেই অভিজ্ঞতা তাৰ আছে।

—শইকীয়া, এটা কথা—কণবাপুয়ে ঘটিটোৰ পৰা পানী অকণমান হাতত সানি কলে—এতিয়া আপুনি নামাতিলে গাওঁ একেবাৰে তললৈ যাব। মাটি দখলৰ নামত পকা পিৰীতি। ৰাম ভাল, ৰাম ৰাম ভাল নহয়, যমকাল। আপুনি বুলিহে সিহঁতৰ দৰে কুকুৰ ধূলিবোৰক মাটি খাবলৈ দিছে। মই এইবাৰ কাকো নিদিও মাটি। দিয়কচোন কৈবৰ্তত খোৱা বলীনে মাটি দিয়ক। উস্‌ৰাম্ ধৰ্ম গ'ল, জাত গ'ল,—কি থাকিল। গাওঁ ধ্বংস হ'ল।—কণবাপুৱে বটাৰ পৰা তামোল এখন লৈ মহাজনক দিলে।

—দেউ বহুত পলমকৈ বুজি পালে। মই জানি শুনিয়ে ল'ৰাকেইটাক ইয়াত ৰখা নাই।—মহাজনে তামোলখন মুখত ভৰাই তৃপ্তিৰ হাঁহি এটা মাৰি কলে।—সিহঁতে আপোনালোকৰ পৰা লাই পাইহে ইমানখিনি কৰিব পাৰিছে।—আঙুলিৰ মূৰত লাগি থকা চূন খিনিৰ অকণমান দাঁতত লগাই, বাকীখিনি ক'ত সানিব ইফালে সিফালে চালে চকী টেবুলত সানিবলৈ সত নগ'ল। উপায় নাপায় বুঢ়া আঙুলিটোৰে টিপা মাৰি ধৰি চূনখিনি আচাৰ মাৰি দিলে মজিয়াতে ছিটিকি পৰক এনে এটা ভাবেৰে। ছিটিকনি এটা গৈ শৰ্মাৰ গালত পৰিল। (ভাল কথা হ'ল, এতিয়াহে মৰিলো।) ভয় লাজত মহাজনে আনফালে মুখ ঘূৰালে।

—সেইদৰে নো কিয় কৈছে ?—কথাৰ লাচতে শৰ্মাই গাত লৈ থকা চাদৰ খনেৰে মুখ খন মোহাৰি ললে।—আমি লাই দিয়া নাই। আছে নহয় দুটামান বুঢ়া।

—আগতে মই এদিন কথাটো উলিয়াওঁতে লখাই সাতোলাই জাঁপ মাৰি যেন মোৰ নেলুতে ধৰিব। এতিয়া পিছে, খাওক অজাতিৰ লগত। মই একো নামাতো। (ইহঁত গোটেই বোৰকে এটা এটাকৈ মোৰ হাতৰ মুঠিলৈ আনিব লাগিব। তইতো মোৰ মুঠিৰ পৰা সুলকি যাব নোৱাৰ জীয়েৰৰ বিয়াত দি থোৱা দুহেজাৰ টকা এতিয়াও দিবলৈ আছে।)

—আপুনি অভিমান কৰি আঁতৰি গলে, আমি নিগমে মৰিম। সিহঁতক কোনে চিনি পায়। আপোনাক দহজনে জানে। সমাজত এখন আসন আছে। ইফালে মই হলো কুলীন ব্ৰাহ্মণ, আপুনিতো জানেই সমাজে আমাক কেনেকৈ মানে।

—দেউ এইবোৰ ভালেই হৈছে।—মহাজন, শৰ্মাৰ ওচৰ চাপি গ'ল—বলীনে যদি মালতীক লৈ আনে (উস্ বৰ পাহোৱাল ছোৱালী। তাই বেটীক ইমান মাতিলো এদিনো নাহিল। অজাতি হ'ল কি হ'ল।)—আমাৰ সম্মান সিহঁতে নষ্ট কৰিব নোৱাৰে। এই সুবিধাতে আমি সিহঁতৰ সংঘটো থান বান কৰিব লাগিব।

—ঠিক কথা কৈছে শইকীয়া।—শৰ্মা উৎফুল্লিত হৈ পৰিল—এইটোৱেই ভাল সুযোগ। কালিলৈ মেল বহিব—আপুনি থাকিব।

—মই নাথাকো, আপুনিও পৰাপক্ষত আঁতৰি থাকি গনেশকে পঠাব।—আপুনি এটা কাম কৰিব।

—কি কাম।

—তেনেই উজু। কৈৱৰ্ত গাঁৱৰ দুটামানক লগ ধৰি কৈ যাব যে বলীনে মালতীক বিয়া কৰালে একো মহাভাৰত খন অশুদ্ধ নহয়। পিছে গাঁৱত কৃষক সংঘ কৰা মখাইহে বাধা দি আছে।

—সেইটো মই পাৰিম। উফৰি যাব সংঘ ফংঘ।

—মুঠতে আপুনি মুঠিটো ঢিলাই নিদিব। মই আছো।

—কণবাপু শৰ্মাৰ গাত ব্ৰাহ্মণৰ এটোপাল তেজ থকাকৈ বলীনক গাওঁ সোমাবলৈ নিদিওঁ। গোসাঁই মোৰ হাতৰ মুঠিত।

মহাজনৰ পৰা বিদায়লৈ কণবাপু শৰ্মা ওলাই আহিল। মনটো ডাঠ কৰি শৰ্মাই খোজ দিলে। কিবা বিপদ হলেও দুইজন মাটিৰ মালিক মহাজন শৰ্মাৰ পিছত আছে। গাঁৱত সাতোলা, সৰুকণ গাওঁবুঢ়াহঁতক আঙুলি দেখুৱাব পাৰিব।—কণবাপু শমহি কৰো বুলিলে এতিয়া বহুত কৰিব পাৰে।—ভাবৰ উত্তেজনাত শৰ্মাৰ খোজৰ গতি খৰ হ'ল।

—দেউ কেনি গৈছিল নো ?—লখাই সাতোলাই পিছ ফালৰ পৰা মাত লগালে। (বোধকৰো, দেউৱে আজি কিবা ভাল খবৰ পাই আহিছে নাইবা কোনোবাই কিবা বেয়াকৈ কলে। নহলে মাত এষাৰ নমতা কৈ গাৰ ওচৰেদি পাৰ হৈ নাযায়।)

—এ সাতোলা। মই কিবা এটা ভাবি আহিছিলো। মনেই কৰিবলৈ নহ'ল। দ'লৰ পূজাৰীৰ তালৈ গৈছিলো।

—অসময়ত পূজাৰীৰ ওচৰলৈ ?

—এ, নকবা (দেখিলেনে কি আক' মহাজনৰ ঘৰ পৰা ওলাই অহা ?)—মনুসংহিতাৰ শ্লোক এটা আলচ কৰিবলৈ গৈছিলো। তত্ত্ব কথা দুজন নহলে বুজি পোৱাত বৰ অসুবিধা হয়। গাঁৱত আজি কালি ধৰ্ম চৰ্চা বুলিবলৈ নাইকিয়াই হ'ল।

—কি কৰিব দেউ, ধৰ্ম কৰি কৰি যি হ'ব লগা হৈছে। পেটৰ ভাত মুঠিহে প্ৰথম। সেইটো নহলে সকলো মিছা। পেটৰ কথা চিন্তা কৰোতেই তত্ নাই ধৰ্মৰ কথা চিন্তা কৰে কেনেকৈ ?

—সেইদৰে নকবা। মনুষ্য জনম লৈ পেটৰ চিন্তাতে কটোৱাটোৰ সমান ডাঙৰ পাপ নাই। শৰ্মাই বুজনি দিয়াৰ সুৰত আৰম্ভ কৰিলে।

—পেটত জুই একুৰালৈ পুণ্যৰ নামত কি ধৰ্ম কৰিব ৰাইজে। ধৰ্ম শাস্ত্ৰতে থকাই ভাল। যাৰ খোৱা পিন্ধাৰ চিন্তা নাই তেওঁলোকেই ধৰ্ম কৰক দেউ।

—পশু পক্ষীৰ দৰে মানুহে কেৱল খোৱাৰ চিন্তাতে কাল নকটায় সাতোলা। প্ৰকৃত মানুহে সাংসাৰিক কামৰ মাজতো ধৰ্ম চৰ্চা বাদ নিদিয়ে। কলে বেয়া শুনি, মৌলৈকে মন কৰাচোন, ক্ষন্তেক আজৰি পাই বিজ্ঞজনৰ ওচৰ পালোগৈ। দুটা নতুন তত্ত্ব কথা শিকিলো। কি বেয়া হ'ল ?

—আমাৰ বা কি লাভ হ'ল তাৰ পৰা এখেতৰে বা কি লাভ হ'ল সেইটোহে বুজি নাপালো।

—সাতোলা তুমি লাভৰ কথা কৈছা, শুনা,—মনুসংহিতাত কৈছে তুষে সম্যগ্বৰ্তমানো গচ্ছত্যমৰলোকতাম যথাসংকল্পিতাং শেহ সৰ্বান্ কামান্ সমশ্ন তে॥—অৰ্থাৎ ফল আশা নকৰাকৈ শাস্ত্ৰীয় কৰ্ম কৰিলেহে মানুহে মুক্তি লাভ কৰে আৰু তেতিয়াহে মানুহৰ অভিলাষ পূৰ্ণ হ'য়।—শমহি সুৰ লগাই শ্লোক ফ'কি গাই, ব্যাখ্যা কৰি গ'ল।

—দেউ এই মুক্তিৰ কথা যে কলে সেইটো কি ?

—তুমি ভাল কথাটো সুধিলা—তুমি বহু কথা জানা কাৰণেহে সুধিব পাৰিছা। যেয়ে সেয়ে নোৱাৰে—নোসোধে (এঃ কি কওঁ এতিয়া। যদি ওভোটাই ধৰে ?)—শুনা সাতোলা, এই যে আমাৰ মোহ যেনে ল'ৰা-ছোৱালী, সা-সম্পত্তি এইবোৰ লাগিবই কিন্তু ইবোৰৰ প্ৰতি কোনো মোহ থাকিব নালাগে। মায়া মোহ আসক্তিৰ পৰা মুক্তি নাপালে পৰম পুৰুষক কেনেকৈ পাবা।

—তাৰ মানে দেউ সংসাৰ খন মিছা, ভগৱানেইহে সঁচা। তেনে হলে আপোনালোকে মাটি বাৰী সম্পত্তি ল'ৰা-ছোৱালীৰ কাৰণে হামৰাও কাঢ়ি মৰিছে কিয় ?

—ভুল আমাৰ সেইখিনিতেই। আচল সত্যটো বুজিব নোৱৰাৰ কাৰণেই সমাজত ইমান খেলি-মেলি—(ইয়াক আজি কিছু জ্ঞান দি পাৰো যদি হাতলৈ আনো ৰহ।)—শাস্ত্ৰৰ সকলো বিধান মানি চলি যেতিয়া তত্ত্ব জ্ঞান লাভ কৰিবা তেতিয়াহে সেই আচল সত্য বুজি পাবা। কথা হ'ল, সেই তত্ত্ব সকলোৱে লব নোৱাৰে মানে, নিজে নিজে লব নোৱাৰে কোনোবাই বিলাই দিব লাগিব। সেইকাম আমাৰ মানে ব্ৰাহ্মণৰ। শাস্ত্ৰই কৈছে জগতত যি য'ত সম্পত্তি আছে সকলো ব্ৰাহ্মণৰ নিজৰ ধনৰ তুল্য। কাৰণ সকলোৰে ধৰ্ম ৰক্ষাৰ কাৰণেই ব্ৰাহ্মণৰ জন্ম। শুনা, ভগৱান মনুৱে কৈছে সৰ্বং স্ব ব্ৰাহ্মণস্যেদং যৎ কিঞ্চিজ্জগতী গতম। শ্ৰেষ্ঠ্যনাভিজনেনেদং সৰ্বং বৈ ব্ৰাহ্মণোহ ৰ্হতি॥ অৰ্থাৎ জগতত যি আছে সকলো সম্পত্তি ব্ৰাহ্মণৰ নিজৰ ধনৰ তুল্য বৰ্ণত শ্ৰেষ্ঠ কাৰণে ব্ৰাহ্মণে সকলো সম্পত্তি পাবৰ যোগ্য।—এইবোৰ মোৰ কথা নহয় ভগৱানৰ মুখ নিসৃত বাণী।

—দেউ,—সাতোলাই এন্ধাৰতে কণবাপুলৈ চাই হাঁহি এটা মাৰিলে—এইবোৰ আপোনালোকেই লিখা কথা। যদি সকলোবোৰ আপোনালোকৰে হয় তেন্তে আমালৈ থাকিল কি ?

—সেই কাৰণেই শাস্ত্ৰ অধ্যয়ন বৰ প্ৰয়োজন। শুনা সকলো সা-সম্পত্তি তোমালোকৰ, তোমালোকেই অৰ্জন কৰিবা যি পাৰা ভোগ কৰিবা কিন্তু, মোৰ অৰ্থাৎ নিজৰ বুলি নাভাবিবা। সেই বুলি ভাবিবৰ অধিকাৰ আমাৰ হে আছে।

—দেউ, বেয়া নাপাব। এইবোৰ কথাকৈ আমাৰ দৰে ইতৰ

মানুহখিনিক ঠগি খোৱাৰ দিন উকলিল। সম্পত্তিৰ ওপৰত আমাৰ মানে, যি উপাৰ্জন কৰে তাৰ অধিকাৰ নাই যি একো নকৰে তাৰহে অধিকাৰ আছে এইবোৰ ধৰ্ম নহয় দেউ। এই ধৰ্মৰ নামত ৰাইজে কিমান গঞ্জনা সহিব ? এইবোৰ নকব বৰ দুখ পাওঁ।

–তোমালোকৰ শংকৰদেৱেও দেখোন কৈ গৈছে পুত্ৰ কন্যা এই সকলোবোৰ মিছা, বিষ্ণুয়েই মাথোন সঁচা।

–সেইটো যুগত সেইটোৱেই সত্য আছিল দেউ। ইমানবোৰ বুজি নাপাওঁ তথাপি কওঁ, সেই যুগ আৰু নাই নতুন যুগৰ কাৰণে নতুন বেদ লিখিব লাগিব নতুন শংকৰদেৱ লাগিব। (এই ল'ৰাকেইটাৰ লগত থাকি দেখোন মই বহুত কথা জনা হলো। দেউৰ লগত তৰ্ক কৰিবলৈও ভয় লগা নাই।)

–নতুন যুগৰ লগত খাপ খুৱাই চলিলেও ধৰ্ম বাদ দিব নোৱৰা মৰিবা।–দেউৱে চাপৰি সাতোলাৰ মুখৰ ওচৰলৈ মুখ খন চপাই কলে।

–ধৰ্ম ধৰিলেও নধৰিলেও মানুহ জন্মিলে এদিন মৰিবই। জীয়াই থাকিবলৈ ভাত মুঠি লাগিবই, তাকে নাপালে মানুহক ধৰ্মই জীয়াই ৰাখিব নোৱাৰে, দেউ।

–সেই বুলি মানুহে ভাত মুঠিৰ কাৰণে অন্যায় কৰিব নাপায়। আমি তোমালোকৰ ওচৰত কিবা দাবী কৰিছোনে ? যি খিনি আছে তাকো যদি কাঢ়ি নিবলৈহে বিচাৰে তেন্তে ধৰ্ম থাকিল ক'ত ?

–সেইটোৱেই ধৰ্ম। নিজৰ প্ৰাপ্য মানুহে আদায় কৰিবই লাগিব।

–তেতিয়া হলে মোৰ প্ৰাপ্যৰ পৰা মোক বঞ্চিত কৰাৰ অধিকাৰ ক'ত পালা তোমালোকে ?

–আপোনালোককতো বঞ্চিত কৰা নাই।

–কিয় কৰা নাই ! মোৰ মাটি মোৰ সম্পত্তি, মোকে কৈছা ধান নিদিওঁ, মাটি এৰি নিদিওঁ। আগতে আইন নাছিল। ধৰ্মই আইন। এতিয়া ধৰ্ম আইন দুয়োটা থাকোতেও আমাৰ এই দুৰ্গতি। তোমালোকে একোকে মানিব নোখোজা। সমাজ ৰসাতলে যাব।–দেউৰ খং উঠিল

–দেউ আপোনাক বঞ্চিত কৰা নাই। আপোনাৰ পাবলগীয়া ধান আপোনাক দিছে। আপুনিহে প্ৰাপ্যতকৈ বেছি বিচাৰিছে। ইমানবোৰ মাটি আপুনি নিজে জানো খেতি কৰে ?

–সাতোলা, তোমালোক জনাবুজা মানুহ খিনিয়েই যদি তেনেকৈ কোৱা ল'ৰাবোৰলৈ থাকিল কি ? ক'ত শুনিছা ব্ৰাহ্মণে হাল বাই খেতি কৰা। ব্ৰাহ্মণক আনে খুৱায় এনেস্থলত তোমালোকে কৰিছা কি আমাৰ মাটিখিনিও কাঢ়ি লব খুজিছা। ধৰ্ম আছে, আইন আছে, এদিন দেখিবা সিহঁতৰ কি গতি হয়। তোমাৰ মাটি দুবিঘা মান আছে খাব পাৰিবা বাকীবোৰে কি কৰিব ধান নিদিয়ে, বাপ বুলি দিব লাগিব।

–সেইবোৰ নকব। ৰাইজে মাৰ বান্ধি কিবা এটা ভাল চিন্তা কৰিহে কৰিছে। বিলৰ পাৰৰ সেই পথাৰ খনৰ চকুৰে মনিব নোৱৰালৈ বৃকোদৰ ৰমেশ মহাজনহঁতৰ মাটি। আপোনাৰো নাই নাই বুলি ডেৰকুৰি পূৰা মাটি, গোসাঁই মণ্ডল এই গোটেইবোৰৰে অভগন মাটি। এইদৰে যদি কেইজন মান মানুহৰ হাততে মাটিবোৰ থাকে তেন্তে বাকীবোৰে খাব কি। তাৰ উপৰি আপোনালোক এজনেও তাত খেতি নকৰে চাকৰি ব্যৱসায় আছে। তথাপি যদি আপোনালোকে গঞা জাতি বুলি মৰম অকণ নেদেখুৱাই টেঁটুত চেপা মাৰিবলৈ আহে তেন্তে ৰাইজে উভতি ধৰিবই।

–সাতোলা, সেইবোৰ নকবা। মাটি-ভেটি নাইকিয়া কেইটামানে জোৰ কৰি কাৰোবাৰ পৰা দুবিঘা মাটি লোৱাৰ ফান্দ পাতিছে, তাত তুমি ভৰি সুমুৱাইছা কিয় ?

–ফান্দ পতা নাই ৰাইজে চৰকাৰী মাটিহে বিচাৰিছে আৰু কাৰোবাৰ যদি বেছি মাটি আছে নিজেও খেতি নকৰে তেনে মাটি যাৰ দখলত আছে সি পাবই। সেয়ে ৰাইজ মাৰ বান্ধি ওলাইছে।

–মাটি পাবই। মাৰ বান্ধি ওলাইছে।–শমহি মুখ ভেঙুচাই কলে, কেইদিন থাকিব মাৰ বান্ধি কোনে খুৱাব ?

–ৰাইজৰ অসীম শকতি। কৰো বুলিলে সকলো কৰিব পাৰে। তাকে ভাল বাট দেখুৱাই লৈ যাওঁতা ওলালেই হ'য়। হওঁতে ল'ৰা কেইটামান ওলাইছে। বিনোদ ক্ষুদ্ৰও আছে। চাওঁ কি হয়।



–নাও ডুবু ডুবু অৱস্থা, জেদ ধৰি নাথাকিবা। আধি মানে আধা মালিকৰ, পুৰুষে পুৰুষে এই নিয়ম চলি আহিছে।–সেই খাবলৈ নোপোৱা জাত-পাতৰ বাছ বিচাৰ নকৰা মখাৰ সঙ্গ এৰা। আমি সেইবোৰৰ লগৰ নহয়।

–ৰাইজ এৰি যাব নোৱাৰো দেউ। সকলোবোৰ গঞা-জাতি ভাই-ককাই, তেওঁলোকৰ পৰা আঁতৰি ক'ত থাকিম। ভূমি এৰি পাৰ কত দিব নো ?

–এতিয়া ভাই ককাই চিনি পালা। ইমান দিন কত আছিলা ?

–চকুগজা নাছিল। এতিয়াহে বুজিছো এইবোৰত ভগৱানৰ হাত নাই। আমাৰ নিচিনা নৰ মনিচৰে কাম। ৰাইজৰ ভৰিত কুঠাৰ মৰাটোহে মহাপাপ।

–থোৱাহে পাপ পুণ্যৰ কথা নকবা। মনোহৰক সিপুৰীলৈ পঠালা কিছুমান জীৱনৰ কাৰণে ঘৃণীয়া হ'ল। তোমালোকৰ উচটনিতে এইবোৰ হৈছে। এতিয়া দোষ দিছা মাটি থকা মানুহকেইটাক। মহাজনহঁতে কিয় সহি থাকিব ?

–উস্ উস্ দেউ মনোহৰক আমিহে মাৰিলো ? কি শুনালে দেউ ?– সাতোলাৰ বুকু খন মোচোকা খাই গ'ল। মনোহৰলৈ বুলি সাতোলাই নিজেই ৰূপহীক চাইছিল। বিয়াৰ বন্দবস্ত হ'ল। বিয়ালৈ কেইদিনমান থাকোতেই মনোহৰক বজাৰৰ পৰা ঘূৰি আহোতে দুটামানে ধৰি আধা মৰাকৈ ৰাস্তাত পেলাই থৈ গ'ল। দুদিনৰ পিছত সি চকু মুদিলে।

–এইবাৰ ময়ো মাটি নিদিওঁ কাকো। চাওঁ কি কৰে। বৃকোদৰ ৰমেশ এওঁলোকে তো পুলিচ সাজু কৰি ৰাখিছেই। চাওঁ কোনকেইটা বৰমতা ওলায়। সাত পুৰুষ মোৰ ঘৰত ভিক্ষা খুজি খাওঁতেই গ'ল এতিয়া আকৌ মোক ৰঙা চকু দেখুৱায়।–কণল'ৰাই সিদিনা দেউক ঘৰতে গৈ গালি পাৰিলে। সি নথকাত দেউ গৈ ধান নিদিয়াৰ কাৰণে ঘৈণীয়েকক বেয়াকৈ কথা শুনাই আহিছিল। দেউৰ কথাবোৰ মনত পৰি খঙৰ মাত্ৰা বাঢ়ি গ'ল।

–হাত জোৰ কৰিছো দেউ মনে মনে যাওক। কোনোবাই শুনিলে ৰঙা-ৰাঙলী খন হ'ব।–সাতোলাই দেউক কাকূতি কৰাদি কৰিলে। কোনোবাই শুনিলে কাজিয়া হ'ব। বিনোদহঁতৰ লগত কালিলৈ ৰাইজে আলোচনা কৰাৰ কথা। এইবোৰ কাজিয়া-পেচাল হলে মূল কামটো তল পৰিব।–সাতোলাই ভাবিলে

–দেখিলো নহয় বৰমতা কেইটাৰ সাহস। দিন দুপৰতে এটা ডেকা ল'ৰাক শেষ কৰি থৈ গ'ল, কাৰো খবৰেই নাই। এতিয়া কৈছে বৃকোদৰ ৰমেশ মহাজনহঁতে মানুহ লগাই মৰালে। সেইহেন সাধু মহাজন দুজনক এই অপবাদটো দিবলৈ ভাল সত্ গ'ল তোমালোকৰ। দৰিকা গৈছিল নহয় ধান ৰুবলৈ। পুলিচে হালকে বান্ধি লৈ গ'ল কি কৰিব পাৰিলা। এতিয়া চাগৈ সিহঁত ৰঙা ঘৰত।–বৃকোদৰ ৰমেশ মহাজনৰ জহতে, নামঘৰ, পূজাঘৰ, স্কুল সকলো হ'ল অথচ তেওঁলোকৰ ওপৰতেই লাখুটি জোকাৰে। পাব মজা।

–হেৰৌ তই চিনি পোৱা নাই। ধৰ্ম বেচি খাই হেঁপাহ নপলাল এতিয়া ৰমেশৰ তলপোনত ধৰি ৰাইজৰ তেজ খাবলৈ আহিছ। মুখ বন্ধ কৰি থকা যেন পাইছ। মুখ বন্ধ কৰ মই পিছে পিছে সকলো শুনিহে আহিছো। মুখ বন্ধ কৰিবিনে নকৰ।–সাতোলাৰ পিছে পিছে আহি থকা কমলে খেদা মাৰি গৈ দেউৰ বহুত ধৰিলে–তোক দিওঁৱেই এসেকা।– বুলি দেউক জোকাৰি দিলে। সাতোলাই কোন তলকত কমলে দেউ বাহুত ধৰিলে গমেই নাপালে। দেউৱে সাতোলাৰ গাত ধৰিলে।

–হেৰৌ বোপাই কমল নাপায়, এৰি দে। তোৰ গুৰু।–সাতোলাই ঠেলিয়াই কমলক আঁতৰাই দেউক নিজৰ গাৰ আঁৰ দি ৰাখিবলৈ চেষ্টা কৰিলে।

–বৰপিতাই মোক একো নকব। ইয়াৰ গাত হাত দিলো যেতিয়া যি পাপ হয় হব ভালকৈ দিমেই। দুটামানক একেবাৰে শেষ কৰি জেলত থাকিম।–কমলে আকৌ খেদা মাৰি গ'ল। দেউৱে সাতোলাৰ গাত বাগি দি সাৰিবলৈ চেষ্টা কৰিলে। কমলে দেউৰ চাদৰ খনত ধৰি টানি আনি চুলি কোঁচাত ধৰিলে–ক, আৰু এইবোৰ বলকিবিনে। বৃকোদৰ বাপেৰৰ ভৰিত পৰি থাকগৈ।

–উস্ ৰাম, মই কৰো কি এতিয়া, হেৰৌ বোপাই মই তোৰ বাপেৰৰ নিচিনা তোক কাবৌ কৰিছো একো নকৰিবি। মোৰ চকুৰ আগত তই একো নকৰিবি।–যুঁজি বাগৰি সাতোলাই কমলক আঁতৰাই পঠালে। দেউৱে মাটিৰ পৰা চাদৰ খন বুটলি লৈ গাত ললে।

–বৰ পিতাই ঘৰ সোমাওক। আজি তোৰ লগুন চিঙি, পিঠিত ডবা বাম। তেতিয়াহে গম পাবি গাঁৱত বৰ মতা আছে নে নাই।–কমলৰ খং কমা নাই। দেউ থক্ থক্কৈ কঁপিবলৈ ধৰিলে। ভয়ত সাতোলাৰ হাত এখনতে খামোচা মাৰি ধৰি গাৰ আঁৰ লৈ ৰৈ থাকিল। কমল আগবাঢ়িল।

–সাতোলা গ'লনে সি ?–দেউৰ কথা শুনি সাতোলাই এবাৰ গাৰ ইফালে সিফালে চালে। নাই সি আগবাঢ়িল।–দুয়ো লাহে লাহে খোজ দিলে। কাৰো মুখত মাতবোল নাই।

–সি বোধকৰো কাৰোবাৰ ঘৰ সোমাল।–কিছুদূৰ গৈ সাতোলাই কলে।–এৰা কিহৰ পৰা কি খন হলগৈ।

–তুমি আছিলা বুলিহে ? (গাঁৱত কথাটো ওলালে কি হ'ব ? নাই নহয় ইয়াক এমজা ভালকৈয়ে দিম।) মোক একেবাৰে ঘৰত থৈ আহা। ডেকা ল'ৰা বিশ্বাস নাই।

–নাই সি আৰু নাহে।

–সাতোলা কথাবোৰ গাঁৱত নুলিয়াবা। যি হ'ল হ'ল।

দেউক ঘৰত থৈ সাতোলা ঘৰলৈ উভতিলে। দেউৰ ঘৰ গাঁৱৰ সিটো মূৰতে। পদূলি মুখ পাইহে সাতোলাৰ মনত পৰিল, হাতত অনা মচুৰ মাহৰ টোপোলাটোলৈ। টনা-আঁজোৰাত টোপোলা কত পৰিল সাতোলাৰ খবৰেই নহল। ঘৰত সাতোলাই ভাল ফাকি এটা দিব লাগিব।– দোকানত মচুৰ মাহ নাই। পিছে কালিলৈ কোনোবাই যদি মোৰ গামোচা খন চিনি পাই ঘৰত দি যায়হি–মহা বিপদখন হ'ল। সাতোলাই কথাবোৰ ভাবি থমকি ৰ'ল।

–বৰ পিতাই, এন্ধাৰ খনত কি কৰিছে ?

–বিনোদ দেখোন, কৰ পৰা আহিলি ? (কমলাৰ কথা বোধকৰো ই নাজানে।)

–টাউনৰ পৰা আহি আছো।

–মই লৱৰ খবৰ এটা লৈ দৰিকাহঁতৰ ঘৰ পালোগৈ। ইহঁতক এৰি দিলেনে ?

–দিলে। সিহঁত মাহীয়েকৰ ঘৰতে থাকিল।

বিনোদক সাতোলাই ঘৰলৈকে মাতিলে। ঘৰত মাকৰ জ্বৰ। খাবলৈ বা কিবা আছে নে নাই। ইয়াতে জলপান অকণ মান খুৱাই পঠোৱাৰ কথা ভাবিলে সাতোলাই।

সাতোলাৰ ঘৰৰ পৰা ওলাই বিনোদ ঘৰ পালেহি। কাৰো মাত বোল নাই। একেবাৰে নিজান পৰি আছে। সি এবাৰ চাৰিও ফালে চালে। জেওৰাবোৰ সিবাৰ আহোতেই নতুনকৈ দিব লগা হৈ আছিল দিলে বা নাই ?

–বৌ অ বৌ–সি বন্ধ দুৱাৰ খনৰ মুখত ৰৈ মাতিলে। সি সদায় কৰবাৰ পৰা আহি মাকক মাতে। অমিয়াই হাতত লেম্পটো লৈ দুৱাৰ খন খুলি দিলে।

–বৌৰ জ্বৰ।–অমিয়াই কোৱাৰ লগে লগে মাকে ভিতৰতে ভোৰ ভোৰাই উঠিল 'কিহে পাইছে তোক দুৱাৰ মুখতে খবৰটো দিবলৈ। আহ পোনা।'–মাকে মাতিলে।

–মই মুখ ধুই বৰপিতাইহঁতৰ ঘৰতে জলপান খাই আহিছো। মোক এতিয়া একো নালাগে। বৌক খাবলৈ কি দিছনো।

–পিতাইক বাৰ্লি এটা আনিবলৈ কৈছো।–তাই বিনোদে মোনাত কি আনিছে এটা এটাকৈ উলিয়ালে। হৰলিক্স এটা, সৰু টোপোলাটো খুলি চালে–পিতাইৰ চুৰিয়া। (মোৰ বস্তুটো নানিলে।) তাই বাকীবোৰ বস্তু উলিয়ালে। দাইল, আলু, চেনি, মিঠাতেল সকলো সি লৈ আহে। তাই টোপোলাৰ মাজতে কাগজৰ পেকেট এটা দেখিলে।

–বৌ তোলৈকো আনিছে।–অমিয়াই আনন্দতে চিঞৰি দিলে। তাই উলৰ স্কাৰ্ফ এখনৰ কথা বিনোদক কৈ আছিল। এইবাৰ সি মাকলৈকো এখন কিনিলে।

. –চা-চোন চা। ইমান ধুনীয়া।–তাই উলাহতে জ্বৰীয়া মাকৰ গাত দি চালে।

–ইমানবোৰ পইছা কিয় খৰচ কৰিলি। মোলৈ ননা হলেও হয়। পিতায়েৰৰ চুৰিয়া নাই।

–আনিছে নহয় পিতাইলৈ চুৰিয়া।

জীৱনত তাই প্ৰথম চুই পাইছে উলৰ কাপোৰ। সেয়ে তাইৰ আনন্দৰ সীমা নাই।

–ভালকৈ চা। তাতে তোৰ ব্লাউজ আৰু চেণ্ডেল আছে।

–হয়নে কি ?–তাই উধাতুখাই গৈ মোনাৰ পৰা বাকী দুটা টোপোলা উলিয়ালে।

–তই কেতিয়া পালিহি ?–সিহঁতে কথা পাতি থাকোতেই বাপেকে মাত লগালেহি।–অমি কম্পাউণ্ডাৰ জনক লগ নাপালো। ঘৈণীয়েকক কৈ আহিছো। পঠাই দিব।–জ্বৰ কমিছে নে ? বাপেকে কপালত হাত দি চালে। কমা নাই।–ডাক্তৰ জন ইয়াত নাথাকে। ঘৰৰ পৰা অহা যোৱা কৰে। গতিকে কম্পাউণ্ডাৰ ৰবীন বৰুৱাই ডাক্তৰৰ কাম খিনি চলায়। গাঁৱত মানুহে বৰুৱাক ডাক্তৰ হিচাপেই মানে। মানুহ জন ভাল। জানেও। নজনা কথাটো নাজানো বুলি কয়। ডাক্তৰতকৈ ৰাইজে তেওঁকহে বেছিকৈ বিচাৰে।

বিনোদ ওলাই যাব খোজোতেই কম্পাউণ্ডাৰ বৰুৱা সোমাই আহিল।

–আপুনি, কেতিয়া আহিল ?–কম্পাউণ্ডাৰে সুধিলে

–এঘণ্টামান হৈছে। বহক।

বৰুৱাই ৰোগীক এবাৰ চাই, বেজী এটা দিলে। বেগৰ পৰা দৰব এটা উলিয়াই ওচৰতে থিয় দি থকা অমিয়াৰ ফালে আগবঢ়াই দি কলে,– এতিয়াই এটা খুৱাই দিয়া। হাত ধুই বৰুৱা বিনোদৰ ওচৰতে বহিল। অমিয়াই দুয়োকে চাহ দিলে।

–তেখেতৰ কাৰণে চিন্তা নকৰিব। আমি আছো। টাইফয়েড্ বুলি সন্দেহ হৈছিল, পিছে নহয়। কালিলৈৰ মানৰ পৰা ভাল হ'ব লাগে।– এটা কথা কালি আপোনাৰ কথা ওলাইছিল, মোৰ তাতে। আপুনি আহি ভালেই কৰিলে। (কালিলৈ মেল বহিব। বলীনক ৰাইজে এৰিব। মাকক উদ্ধাৰ পৰাচিত কৰিব। ইমানেই নহয়, মৰিল বুলি পুতেকক ত্যাগ কৰিব লাগিব। ধৰ্ম ৰক্ষক সকলৰ মত। বিনোদ বলীন, মোক সোধ মই কম বিচাৰ কৰাৰ অধিকাৰ সিহঁতৰ আছেনে নাই। তাৰ আগতে আৰু বহুত বিচাৰ হব লাগিব গোসাঁয়ে, গনেশ বাপুয়ে কৈবৰ্ত গাঁৱৰ কাৰ লগত কি সম্পৰ্ক কৰিছিল মই জানো। কিন্তু সিহঁতে টকাৰে সকলোকে কিনি থৈছে। নিশ্চয় এতিয়া সিহঁতে-মনোমতী, বগীতৰাই আসৈ মাতিব, বাপেকহঁতেও। মই জানো, গনেশ বাপু, গোসাঁই–এইবোৰ কি ভাবিছো মই।)

–কিয় কিবা আছে নেকি ?–বিনোদে সুধিলে

–কালিলৈ বলীনৰ ওপৰত ৰাইজে নিজেই মেল চপাইছে।–বৰুৱাই কলে (সেইজন ডম্বৰু গোসাঁই, আজি নৈতিকতাৰ কথাকৈ দপ দপাই ফুৰিছে। তেওঁক চিনি পায় বলীনৰ মাকে। নিজৰ গুৰু গোসাঁই বুলি মনে মনে নথকা হলে আজি ডম্বৰু গোসাঁই হৈ থাকিবলৈ নাপায়। ধাননী পথাৰত চোপ লৈ গোসাঁয়ে বলীনৰ মাকক হাতত ধৰি কুহিয়াৰনীলৈ টানি নিছিল। কোনো ৰকমে নিজক ৰক্ষা কৰি সাৰি আহিল। উধাতু খাই দৌৰি আহোতে পথাৰৰ আলিত খুন্দা খাই ভৰিৰ নখ এটা এৰাই গৈছিল। মই ভালে কেইদিন চিকিৎসা কৰিহে ভাল কৰিলো। কটিয়াক, জীয়েকৰ কাৰণে এঘৰীয়া কৰা হ'ল। মনবৰীয়ে হেনো তিনিমাহ গা ধোৱা নাই। কথাটো সঁচা প্ৰমাণ কৰি ৰাইজে দণ্ড বিহিলে কটীয়াক। মোৰ আগত মনবৰীয়ে কান্দি কান্দি কৈছিল দোষী ডম্বৰু গোসাঁই। ধান দাবলৈ বুলি মাতি নি তাইক সৰ্বনাশ কৰিলে। পিছত কটীয়াক ৰূপ দুশ দি কথাটো নুলিয়াবলৈ কলে। মণ্ডল সি জানো কম খন কৰিছে।)

চাহ খাই, বৰুৱা যাবলৈ উঠিল। বিনোদে জেপৰ পৰা টকা দহোটা উলিয়াই বৰুৱাৰ ফালে চালে।




শাৰদীয় সূত্ৰধাৰ ◦ ১–১৫ অক্টোবৰ, ১৯৯২

-দৰবৰ দাম কিমান কৈছিল ? আপুনি নিশ্চয় কিনিহে আনিছে ।-বিনোদে সুধিলে । কিছুমান দৰব কিনি আনি ৰাখো । পিছে বৌটিক দিয়া দৰব চৰকাৰী হে দাম নালাগে । বেজী কেইটাৰ দাম এতিয়া নলওঁ । কালিলৈ থাকিব ময়ো আহিম ।-বৰুৱা গলগৈ । বিনোদৰ বাপেকে একেথৰে বৰুৱা যোৱাৰ ফালে চাই থাকিল । 'বৰ উপকাৰী ল'ৰা ।-মুখৰ ভিতৰতে কলে ।

ৰাতি ভালেমান হ'ল । কমল তেতিয়াও টাউনৰ পৰা ঘূৰি নহা দেখি মাকৰ চিন্তা লাগিল । বাপেকে এমুঠি খাই বিনোদ থকা দেখি বিছনা খনতে পৰি আছে । অমিয়া পাক ঘৰত । কমললৈ ভাত বাঢ়ি তাই বাচনবোৰ ধুবলৈ উলিয়াই লৈছে ।

-ই আহি পালেনে অমি ?-মাকে সেহাই সেহাই সুধিলে ।

-আহিলো, আহিলো তই শুই থাক ।-কমলে চোলাটো সোলোকাই থাকোতেই মাত দিলে ।

-তাক ভাত দিলিনে ?

-তই শুই থাক বৌ অমিয়ে দিব নহয় ।-বিনোদে মাকৰ মূৰটো পিটিকি পিটিকি কলে

-তইও শুই থাকগৈ, মই ভাল পাইছো । দিনটো ঘূৰি পকি আহিছ । ক্ষন্তেক বৈ কলে সদায় ভাবো তিনিওটা গোট খালে মাছ-পুঠি কিবা এটা আনি বাপেৰৰ ওচৰতে বহুৱাই এসাজ খুৱাম । পিছে আজি আক পৰিলো জ্বৰত । পাপী জীৱ ।

-সেইবোৰ নো কিয় চিন্তা কৰি থাকা । পোনা কিবা আকৌ নাহিব নে ?-বিছনাৰ পৰাই বাপেকে মাত লগালে ।-এনেতে পদুলি মুখত মটৰ গাড়ী এখন ৰোৱা শব্দ শুনি বাপেকে সেই ফালে কাণ দিলে ।

-হাজৰিকা আছে নে ?-বাহিৰত কাৰোবাৰ মাত শুনি বাপেক একে চাবে উঠিল । কেইবাজনো মানুহ অহা যেন অনুমান হ'ল ।

-পোনা, মই গৈছো, তই যাব নালাগে । (বৃকোদৰ মহাজনৰ মানুহো হ'ব পাৰে । পোনা অহাৰ খবৰ পাই ভু-লবলৈ পঠাব পাৰে ।)-বাপেক উঠি গ'ল । পিছে পিছে বিনোদ ।

-তই নাযাবি বাপেৰ গৈছে নহয় ।-মাকে কলে

-একো নহয় ।-(কৌলৈ ভয় কৰিব লগীয়া আছে নো । কাৰো অপকাৰ কৰা নাই ।)

বাপেকে লাহেকৈ দুৱাৰ খন খুলি দিলে চাৰিজন পুলিচ চোতালত থিয় দি আছে ।

-কমল হাজৰিকা আছে নে নাই ?-পুলিচ অফিচাৰে জনে সুধিলে

-কিয় লাগে ?-বিনোদে সুধিলে

-তেওঁক এতিয়াই থানালৈ নিবলৈ অ' চিয়ে হুকুম দিছে । মানে এৰেষ্ট্ । এইখন অৰ্ডাৰ ।-

এচ্ আই জনে বিনোদৰ ফালে কাগজ এখন আগবঢ়াই দিলে ।

-অপৰাধ-বিনোদে কাগজ খন হাতত নললে ।

-বহুত । এতিয়া পলম নকৰি উলিয়াই দিয়ক । ৰাস্তাত নিৰপৰাধী মানুহক মৰিয়াই অপমান কৰি আহিছে ।-পুলিচ অফিচাৰ জনে গহীনাই কলে ।

-মানুহ মৰিয়াইছে-বিনোদ আচৰিত হ'ল । কমল গোটেই দিনটো টাউনত ।

-মই ভাবিছিলো আপোনালোক আগতেই আহি বহি আছে বুলি ।-কমলে চোলাৰ বুটাম মাৰি মাৰি বাহিৰলৈ ওলাই আহিল ।-সকলো হতভম্ব হ'ল । ঘটনাটো কি ?

-ককাইদেউ মই যাওঁ । বৰপিতায়ে সকলো জানে ।-কমলৰ কথা শেষ নহওঁতেই সাতোলা হাজিৰ । মটৰৰ মাত শুনি ওচৰৰ প্ৰায়বোৰ মতা মাইকী উঠি আহিল ।

-পুলিচ হলেও আমিও মানুহ হাজৰিকা দেউ । ন্যায়-অন্যায় বুজি পাওঁ কিন্তু আমাৰ হাত-ভৰি বন্ধা ।-হঠাতে পুলিচ এচ্ আই জনে বিনোদৰ ওচৰলৈ আহি কলে ।

-বিনোদ অথনি তই ভাগৰত অহাৰ কাৰণে একো নকলো ।-সাতোলাই বিনোদক সকলো কলে ।-সেইটোৱেই কচুৰ যেন পাইছো ।

-কি কৰিবা, ৰাইজ আছে ।-সভাৰামে মাত লগালে । এনেতে মটৰ চাইকেলেৰে আৰু এজন পুলিচ অফিচাৰ আহি হাজিৰ ।

-বৰা আপুনি এখন ৱাৰেণ্ট এৰি থৈ আহিল ।-লখাই সাতোলা হাজৰিকাৰ ঘৰ কোনটো ?-পুলিচ অফিচাৰ জনে সুধিলে

-কিয় মইয়ে লখাই সাতোলা ।-সাতোলা আগবাঢ়ি আহিল । সুদৰ্শন, সুস্বাস্থ্যৰ সাতোলা আগবাঢ়ি যোৱাত পুলিচ জন দুখোজ মান পিছুৱাই গ'ল ।

-মানে, আপোনাকো লৈ যাবলৈ কৈছে ।-অফিচাৰ জনে লেনিয়াই কলে

-দাৰোগা বাবু মটৰ গাড়ী খন দেখোন বৃকোদৰ মহাজনৰ হে ।-সভাৰামে আগলৈ আহি সুধিলে , এচ্ আই দুজনে বিনোদৰ মুখলৈ চাই তলমূৰ কৰিলে । হাতত বন্দুক লৈ থকা পুলিচ এজনে তপৰাই মাত লগালে-আপোনাৰ কি হানি হ'ল ?

-একো হানি হোৱা নাই, সাতোলাই মুখ পাতি ধৰিলে-পাপ-পুণ্যৰ বিচাৰ ৰাইজেই কৰিব লাগিব । মইয়েই ৰক্ষা কৰিলো মোকেই আক' থানাত ভৰায় ।-যা সভাৰাম মোৰ ভাল চাদৰ খন লৈ আন ।

কমল আৰু সাতোলাৰ লগত বিনোদো গ'ল । পিছত চাইকেল লৈ সভাৰাম, দেউকণহঁত ওলাল । বিনোদৰ বাপেক বগীৰাম চিত্ৰৰ পুতলাৰ দৰে একে ঠাইতে বহি থাকিল ।-আপুনি শুই থাকক । সিহঁতৰ ওপৰত খং নকৰিব ।-মাকে বিছনাৰ পৰাই বগীৰামক কলে ।- (বেচেৰা মানুহটোৱে এই বয়সতো জিৰণি লবলৈ সময় নাপায় । কি পালে জীৱনত । সোণৰ পুতলি হেন তিনিটা ল'ৰা-ছোৱালী, হওঁতে সিহঁতে ভালেই হৈছে, কিন্তু মানুহটোক যে সকাহ দিব পৰা নাই । ময়েই বা কি দিলো ?)-ৰঙিলীৰ মনটো উৰা মাৰিলে একুৰি আঠ বছৰৰ আগলৈ । কিমান সপোন দেখিছিল ৰঙিলীয়ে-জীৱনৰ সেই প্ৰভাতত । বগীৰাম তেতিয়া চফল ডেকা । ৰঙিলীক বাপেকেই পছন্দ কৰি বগীৰামলৈ আনিলে । ঘৰ বেছি দূৰত নহয় । বগীৰামৰ ভাই ককাই বুলিবলৈ কোনো নাই । দেদাই বৰবাপেকৰ ল'ৰা লখাই, সভাৰামহঁতৰ বাহিৰে আপোন বুলিবলৈ কোনো নাই । বিয়াৰ কেইমাহ মানৰ পিছতেই বাপেক ঢুকাল । মাক সৰুতেই ঢুকাল । লখাই সাতোলাৰ বাপেকেই ডাঙৰ কৰাৰ নিচিনা । বগীৰাম-ৰঙিলী দুয়োটা কোনো দিন এৰা এৰি নহয় । খেতিৰ বতৰত বগীৰামে হাল বাই থাকে ৰঙিলীয়ে কিবা এটা চেলু উলিয়াই পথাৰলৈ যায় । খন্তেক কথা পাতি আহে । ৰঙিলী নামটো বগীৰামেই দিছিল । তাইৰ আচল নাম আছিল, জেউতী । বিনোদ পথাৰলৈ যাব পৰা হ'ল, তথাপি ৰঙিলীয়েই যায় বগীৰামক চাহ তামোল দিবলৈ । বছৰৰ ভাত মুঠি পায় । বাকী ইটো সিটো কৰি তেল নিমখ, কাপোৰ-কানিৰ খৰচ উলিয়ায় । বিনোদ ডাঙৰ হৈ অহাৰ লগে লগে ৰাতি বগীৰামে ৰঙিলীক কয়-ইয়াক পঢ়ুৱাম বুজিছ মোৰ দৰে লোকৰ গোলামি কৰিবলৈ নিদিওঁ । লখাই ককাইৰ বাহিৰে গাওঁখনত আৰু জনা বুজা মানুহ নাই ।-তেতিয়া আমাৰ অময়া সুখ হ'ব । তাক কলেজত পঢ়ুৱাবলৈ বগীৰামে কম কষ্ট কৰা নাই । বৰবাপেক লখাই সাতোলাই নিজে টাউনলৈ গৈ তাক চাউল পাত দি আহে । লখায়ে তাক নিজৰ ল'ৰাৰ দৰে মৰম কৰে ।-তিনিটা ল'ৰা ছোৱালী হোৱাৰ পিছত ঘৰখনৰ অৱস্থা পৰি আহিল । ৰঙিলীৰ মুখৰ হাঁহি ভাত-কাপোৰৰ চিন্তাই কাঢ়ি নিলে । ইচ্ছা থাকিলেও মুখত মৰমৰ মাত এষাৰ নোলোৱা হ'ল । তাই বগীৰামক কেনেকৈ বুজাব সেই গাভৰু মনটো আৰু মৰমখিনি যে একেই আছে ।

-খং কাৰ ওপৰত কৰিম হুঁ ! পোনা, কমলৰ ওপৰত ? ৰঙিলী, সিহঁত মানুহৰ দুখ বুজা ল'ৰা সিহঁতৰ ওপৰত খং মোৰ কাহানিও উঠা নাই, নুঠে দুখ লাগিছে, খং উঠিছে নিজৰ ওপৰত । জীৱনত তোক অকণমান সুখ দিব নোৱাৰিলো । ৰাইজৰো একো কাম কৰিব নোৱাৰিলো । পোনাহঁতে কৰা কামৰ বাট যদি আমি আগতেই পোনাই থলো হেঁতেন ।-বগীৰাম কেতিয়া উঠি ৰঙিলীৰ বিছনা পালেগৈ কবই নোৱাৰিলে । বগীৰামে ৰঙিলীৰ কপালত হাতখন দি চালে । জ্বৰ নাই যেন অনুমান হ'ল । ৰঙিলীয়ে দুই হাতেৰে বগীৰামৰ হাত খন খামোচ মাৰি ধৰিলে । যেন দুইজনেই যৌৱন ঘূৰাই পালে ।



কমল হত্যাকাৰীৰ অপৰাধত অপৰাধী । তাক এৰি নিদিলে । লখাই ..তোলাক থানাত দুটামান কথা সুধি এৰি দিলে । টাউনলৈ খবৰ এটা দিবৰ কাৰণে বিনোদে মানুহ বিচাৰিলে কাক পঠাব এতিয়া । তাতে আজি মেল বহাৰ কথা । এইবোৰ ঘটনাৰ কথাও ওলাব পাৰে । বিনোদে মানুহৰ কথা ভাবি থাকোতেই সাতোলাৰ ডাঙৰ ল'ৰা গোবিন্দই মাটিৰ পট্টা এখন কাগজেৰে মেৰিয়াই লৈ তাৰ ওচৰত থিয় হ'ল ।

-ককাইদেউ ?-বিনোদ বহাৰ পৰা উঠিল । গোবিন্দক দেখি বিনোদ আচৰিত হ'ল । ভাল দৰে কাপোৰ কানি পিন্ধি আহিছে । কেনিবা যাব বোধহয় বিনোদে ভাবিলে । গোবিন্দ সাধাৰণতে গাঁৱৰ পৰা দূৰলৈ নাযায় । সৰুতে বসন্ত ওলাইছিল হেনো তেতিয়াই চকু দুটাই কম দেখা হ'ল । তাৰ উপৰি মাজে মাজে মূৰ ঘূৰাই অচেতন হৈ পৰি যায় ।-বেমাৰৰ কাৰণেই সি বিয়াও নকৰালে । সাতোলাৰ তাকলৈ মহাচিন্তা । পিছত বিপদ হয় বুলি তাৰ নামত মাটি দুবিঘা সুকীয়াকৈ লিখি দিছিল ।

-মইয়ে যাওঁ কাছাৰীলৈ । পট্টাখন লৈ আহিছো । তই ক্ষুদ্ৰলৈ চিঠি এখন লিখি দে ।

-তুমি ?-কেনেকৈ যাবা । নাই ককাইদেউ মই নিজে যাম তুমি নালাগে ।

-বিনোদ । কথা শুন । মৰিব লগা থাকিলে মৰিম । ভাল কাম এটাতে মৰিম । গাঁৱত যাব পৰা মানুহ গোটেই কেইটা আজি মেলত নাথাকিলে নহব । ৰাইজৰ কাৰণে কিবা অলপ কৰিবলৈ মোক সুবিধা দেচোন ।

গোবিন্দক কাছাৰীলৈ পঠাই বিনোদে ঘৰতে ইটো সিটো কৰি আছে । গা ধুই একেবাৰে ওলাই যাব । তিনিও খন গাঁৱতে কৃষক সভা আছে । কিন্তু সকলোকে বিনোদে লগ পোৱা নাই । আজি বিলৰ পাৰৰ মাটি খিনি চাই সি তিনিও খন গাঁৱত এপাক মাৰি অহাৰ কথা ভাবিলে । অৰূপ আহিলে দুয়োটাই ৰিৰ্জাভৰ মাটি দখল সম্পৰ্কে আলোচনা কৰিব । বিনোদে গাঁৱত দিবলৈ লৈ অহা গোহাৰি এখন উলিয়াই পঢ়িব খোজোতেই মাকে মাতিলে ।

-তই এতিয়া কেনিবা যাবি নে কি ?

-যাম । কিয় সুধিলে ?

-দুখ ভাগৰ একো নাই কেৱল কাম কাম ?

-সোনকালে ঘূৰি আহিম ।-বিনোদে লাহেকৈ কলে ।

-কামতেই ডুব গৈ আছ । নিজৰ কথা ভাবিবলৈ তহঁতৰ সময় নাই ।-মাকে কলে-জানো তহঁতে অবাটে নাযাৱ, তথাপি মনটোৱে হাহাকাৰ কৰে বোপাই । তহঁতে সংসাৰ খনকে নিজৰ বুলি লব পাৰিছ কাৰণে তহঁতকো ৰাইজে পো বুলি মৰম দিছে । দেখি শুনি ভাল পাইছো ।-ডাঙৰ হৈছ তথাপি ওচৰতে বহুৱাই মৰম কৰিবলৈ মন যায় । পিছে তহঁতৰ ঘৰ খন বৰ ডাঙৰ ঘৰে ঘৰে ভাই-ভনী, ভাই-ককাই । তথাপি মোৰ মনটোৱে বুজনি নামানে । গা দিনে দিনে বেয়াহৈ আহিছে বাপেৰৰ দেহাৰ অৱস্থা নাই । অমি এঘৰলৈ ওলাই যাব । তহঁতকে চাবলৈ মানুহ এজনী লাগে ।

বিনোদে বুজিলে মাকে তাৰ বিয়াৰ কথাকে কৈ আছে । সি নামাতিলে ।

-কালি সৰুকণ দাইটিয়েৰ আহিছিল । সোণপাহী এই দুদিন ইয়াতে আছিল বুলিব পাৰি ।

হেৰি নহয় পোনা ?

-'কি' (নিশ্চয় সোণপাহীৰ কথা কব । আগতে এবাৰ অমিয়েই কথাটো মোক কৈছিল ।)

-সৰুকণক তহঁতে যেনি তেনি নপঠাবি ।

-কিয় ?-বিনোদৰ বুকুখন চিৰিং কৈ গ'ল ।

-সিদিনা জেঠায়েৰৰ ঘৰতে বহুত কথা শুনি আহিছো ।

-কি কথা ?

-সৰুকণ দাইটিয়েৰক ৰাতি-বিয়লি তহঁতৰ কামত যেনি তেনি নপঠাবি ।

-কিয় ?

-মহাজনৰ মানুহে মাৰিবলৈ চল চাই ফুৰিছে । তহঁত নাথাকিলে, তেৱেঁই এইবোৰ কামত ঘূৰে । সিদিনা জেঠায়েৰৰ ঘৰলৈ যাওঁতে শুনি আহিছো ।

বৃকোদৰ মহাজনৰ ডেৰপূৰা মাটিত সৰুকণে খেতি কৰে । আলিৰ দাঁতিত মাটি দুবিঘা এৰি দিবলৈ মহাজনে যোৱা বছৰেই কৈছিল ।-কি কৰিব, ভাল খেতি হয় সেইখিনি মাটিতেই । সৰুকণে এৰি দিলেই তাত মহাজনে ইটাৰ ভেটা পাতিব ।-সৰুকণৰ ওপৰত বৃকোদৰৰ পুতেক ললিতৰ খঙৰ আচল কাৰণটো বিনোদে নজনা নহয় । ললিত সোণপাহী ওচৰলৈ আহিছিল । বাপেকে আহিবলৈ মানা কৰি দিলে । বিয়া কৰোৱাৰ কথা কৈছিল কোনেও তাৰ নামেই নুশুনে ।

-তই চিন্তা নকৰিবি মই সকলো ঠিক কৰিহে যাম ।-বিনোদে বুজিলে মাকৰ ইচ্ছা যি সোণপাহীকে বিয়া কৰাওক ।

মাকক মাত লগাই বিনোদ বিলৰ পাৰৰ ফালে ওলাই গ'ল । সেইখিনি মানুহ একেবাৰে নিঃস্ব । আনৰ মাটি আধিলৈ লোৱাৰ উপৰিও বিলৰ গাতে লাগি থকা প্ৰায় ত্ৰিশ চল্লিছ বিঘা চৰকাৰী মাটি আছে, সেইখিনিতো তেওঁলোকে খেতি কৰিছে ।

গাঁৱৰ মাজৰ আলিটোৰ পৰা ফাটি এটা আলি বিলৰ পাৰৰ গাঁওলৈ গৈছে । সেইটো আলিতে সোণপাহীহঁতৰ ঘৰ । বিনোদে যাওঁতেই সিহঁতৰ ঘৰত সোমাই যোৱাৰ কথা ভাবিলে । কালিয়েই আহিল অথচ আজি দুপৰীয়ালৈকে সি যোৱা নাই । সোণপাহীয়ে নিশ্চয় বেয়া পাইছে ।

বিনোদে ইঘৰ সিঘৰ কৈ প্ৰতি ঘৰ মানুহৰ যাকে য'ত পালে মাত লগাই গ'ল । মাত এষাৰ মাতিলে হ'ল তাতেই তেওঁলোকে আনন্দ পায় ।-বিনোদ গৈ সোণপাহীহঁতৰ ঘৰত সোমাল । সি যোৱা দেখি তাই ওলাই আহিল ।

-বাট ভুল হ'লনে কি ? বিলৰ পাৰলৈহে যোৱাৰ কথা আছিল ?-তাই মাত লগালে বিনোদ আচৰিত হ'ল । তাই কেনেকৈ জানিলে । সি বৰবাপেকৰ তাত সোমাওঁতেই বোধহয় তাই খবৰ লৈ গ'লহি ।

-ভুল হোৱা নাই, ঠিকেই আহিছো ।-বিনোদ সোমাই গ'ল । ঘৰ খন নিজান পৰি থকা দেখি সুধিলে-দাইটি, খুৰী কোনো নাই নে কি ?

-পিতাই পথাৰলৈ গৈছে । বৌটি নাম ঘৰলৈ গ'ল । আজি হেনো সৰুল'ৰাৰ মাকে নাম ঘৰত শৰাই এখন দিছে ।

-তই নাম ঘৰলৈ নাযাৱ নে কি ?

-ভাওনা হলে যাওঁ এনেয়ে কিয় যাম ?

-নামঘৰটো কেৱল ভাওনা কৰিবলৈকে নহয় ভগৱানৰ নাম লবলৈহে নাম ঘৰলৈ যায় ।

-তই ভগৱানৰ নাম নলৱ নেকি ?

-কেলেই লাগে তোমাক-(ভগৱানতকৈ তুমি সত্য মই তোমাক বিচাৰো দেহলাৰু ।)

-তহঁতৰ ভাল ?

-ভাল । তোমাৰ ?

-ভালেই, মোৰনো কোন্ দিনা বেয়া দেখিছ ?

-ভাল বেয়াৰ খবৰ এটা দিবলৈকো তোমাৰ সময় নহয়নে ? কেইদিন মান থাকিবা ?

-নাথাকো কালিলৈ যাম গৈ ।

-আকৌ কেতিয়া আহিবা ?

-কব নোৱাৰো । আমাৰ আন্দোলনটোৰ পিছত হে আহিম । এনেয়ে আহিবলৈ সময় ক'ত ?

-আমাৰ খবৰ লোৱাটো কামৰ ভিতৰত নপৰে নেকি ?-সোণপাহীয়ে তাৰ চকুলৈ চালে,-সিও ।

-নিশ্চয় আহিম সোণ, নাহিলেও আক্ষেপ নকৰিবি ?

-মুখ খন শুকাই আছে কিবা এটা খোৱা । ৰাতি টোপনিও খতি হ'ল নহয় ?

-এতিয়া একো নাখাওঁ-পলম হ'ব ।

-মই কোনো কথা নুশুনো ।-সোণপাহী ভিতৰলৈ গ'ল ।-যেন,

হাবিত ফুলা এপাহ ফুল, অথচ পাহাৰী নিজৰাৰ দৰে দুৰ্নিবাৰ তাইৰ প্ৰাণ স্ৰোত। আমাৰ লগত সমানে খোজ মিলাই যাব খোজে। অথচ আজিও সিহঁতে নাৰীৰ পূৰ্ণ মৰ্যাদা পোৱা নাই। পুৰণি দিনৰ সেই পোতাশালত বন্দী সিহঁত।

বিনোদক চাহ দি তাই তাৰ নিচেই ওচৰতে মাটিতে বহি তামোল কাটি আছে।

–তোমালোক বিপ্লৱীবোৰে কৃষকৰ গোপন বেদনা বুজি পোৱা অথচ নাৰীৰ গোপন বেদনা বুজি নোপোৱা কিয় ? আমিবোৰ মানুহ নহওঁ নে কি ?

–এইবোৰ কি কৈছ তই।

–ঠিকে কৈছো তোমালোকেই আমাক বাহিৰলৈ উলিয়াই আনিলা, পৃথিৱীখনক নতুনকৈ চাবলৈ শিকালা। এতিয়া কিয় মাজবাটত এৰি দিছা ?

–এৰি দিয়া নাই সোণ।–সোণপাহীয়ে বিচাৰে তাৰ সহযাত্ৰী সহকৰ্মী হ'বলৈ।

–আগতে ভগৱানৰ নামলৈ নিজক সান্ত্বনা দিছিলো। তোমাৰ লগত ওলাই গৈ ভগৱানক মনৰ পৰা বিদায় দিলো। মনৰ মাজত থাকিলা তুমি।–তাইৰ মাতটো থোকাথুকি হ'ল। বিনোদে তাইৰ মুখলৈ চালে। দুইগালে বৈ যোৱা চকুপানী দুধাৰ চাদৰৰ আগেৰে মোহাৰি তাই তাৰ মুখলৈ চালে। সি উঠি গৈ আলফুলে তাইৰ বাহু দুটাত ধৰি থিয় কৰাই দিলে।

–ভুল বুজিছ সোণপাহী। কামবোৰ আৰম্ভ কৰিছোহে মাথোন। ইয়াতে থাকি নিজক সাজু কৰ বৃহত্তৰ সমাজৰ মাজলৈ ওলাই যাবলৈ সংগ্ৰাম আগবঢ়াই নিবলৈ। তোৰ অভাৱ বৰ অনুভৱ কৰো। কেনেকৈ বুজাম তোৰ মৰম কোমল মুখখন মনত পৰাৰ লগে লগে সমস্ত দুখ যন্ত্ৰণা নিমিষতে আঁতৰি যায়।

–সঁচা ?–তাই মুখখন ঘূৰাই তাৰ বুকুৰ মাজত মূৰটো সুমুৱাই দিলে। (মোৰ সোণটো মোৰ প্ৰিয়তম, তুমি ইমান সুন্দৰ।)

সোণপাহীৰ পৰা বিদায় লৈ বিনোদে বিলপাৰৰ, কৃষক সভাৰ দুজনমানক লগ ধৰি খা-খবৰ ললে। মাজতে দুবাৰ পুলিচ লৈ মাটিৰ হাকিম আহিছিল। ৰাইজে চৰকাৰী মাটিখিনিৰ কাৰণে দৰ্খাস্ত কৰাৰ কথা কোৱাত একো নকৈ প্ৰথম বাৰ গুচি গ'ল। পিছৰ বাৰ মাটিৰ হাকিমৰ লগত ৰমেশ শৰ্মাও আহিছিল। সেই মাটি হেনো চৰকাৰে চৰণীয়া পথাৰৰ কাৰণে ৰাখিছে। গতিকে সোনকালে ৰাইজে মাটি এৰি নিদিলে হেনো বিপদ হ'ব।–প্ৰায় বাইশ তেইশ ঘৰ মানুহ। কি খাব এওঁলোকে, গ্ৰেজিং ৰিজাৰ্ভৰ কাৰণে পাহাৰৰ দাঁতিত যথেষ্ট পৰিমানৰ মাটি ৰাখিছে। বৃকোদৰ ৰমেশ হঁতে বিভিন্ন নামত শ শ বিঘা মাটি ৰাখিছে সেইবোৰ হলে খবৰ নাই।

–নাই মাটি এৰি নিদিওঁ।–বিনোদে ভাবিলে।

বিনোদ পোনে পোনে ঘৰলৈ আহিল। দূৰৰ পৰাই সি লক্ষ্য কৰিলে, সিহঁতৰ পদূলিমুখত এম্বেছেদৰ গাড়ী এখন ৰৈ আছে। নিশ্চয় পুলিচ আহিছে। কমলক বোধহয় এৰি দিয়া নাই। ভাবি ভাবি সি পদূলি মুখ পালেহি। গাঁৱৰ ভালেমান ল'ৰা ছোৱালীয়ে গাড়ীখন আগুৰি আছে। কোনোবা এটাই লাইটটোকে, কোনোবাই আইনা এখনকে চুই চুই কিবা কৈ আছে সিহঁতৰ ভাষাত। বিনোদে চোতাললৈ চালে। চোতালত কাকো নেদেখি তাৰ সন্দেহ হ'ল। কমলৰে কিবা হ'ল নেকি ? সি লৰা লৰিকৈ সোমাই গ'ল।

–অ' তই। কেতিয়া আহিলি।–বিনোদৰ বিছনাতে দীঘল দি পৰি থকা অৰূপক দেখি সি সকাহ পালে।

–পোন্ধৰ মিনিট মান হৈছে।

–কমলহঁতক পাইছিলিনে ?

–সিহঁতো আহিছে মোৰ লগতে। সি বৰদেউতাৰ ঘৰলৈ গৈছে।

–ইমান সোনকালে কামটো হ'ল নে ?

মই গম নাপাওঁ। তাক কালি ৰাতিয়েই সদৰ থানালৈ আনিলে। ৰাতিপুৱা মই গৈছিলো থানালৈ মানে অ' চিৰ ঘৰলৈ। ঘৈণীয়েকৰ বেমাৰ। তাতে তেওঁ মোক কথাটো কলে। মই লৰালৰিকৈ ক্ষুদ্ৰদাৰ ওচৰলৈ গৈ তেওঁক লৈ আহি কামটো কৰি শেষ কৰিছো ঠিক তেতিয়া গৈ গোবিন্দ কাই পাইছে। ইমানেই। তই এৰি অহা, দাইটিয়েৰৰ টোপোলা সৌটো মই খোলাই নাই।–সৰুকণ দাইটিৰ কাৰণে বস্তু কেইটামান আনিবলৈ কৈছিল বিনোদক খুৰীয়েকে। বিনোদে টোপোলাটো আনিবলৈ পাহৰিলে।

–তোৰ কাগজ বোৰ লৈ আহিছো। গাড়ীতে আছে। লৈ আহো ৰহ।–অৰূপ উঠিল

–গাড়ী ক'ৰ পালি ?

–ৰহমানৰ গাড়ীখন কেইদিন মানৰ কাৰণে দিছে।–ৰহমান ব্যৱসায়ী, অৰূপহঁতৰ লগৰ, বি, এচ, চি পাছ কৰি আৰু নপঢ়িলে। চাকৰি পাইছিল নকৰিলে মানে বাপেকে নিদিলে। বাপেকৰ কথা–মোৰ কিছু সম্পত্তি আছে তই তাকে চাই মেলি থাক।–ৰহমানে চাকৰি নকৰিলে কিন্তু বাপেকৰ সম্পত্তিৰ প্ৰতি মোহ নাৰাখি সি ব্যৱসায় আৰম্ভ কৰিলে। এটা মটৰ গেৰেজ আৰু এখন চাইকেলৰ দোকান। কোম্পানীৰ পৰা পোনপটীয়াকৈ চাইকেল আনি সি গাঁৱৰ দোকানবোৰত যোগান ধৰে। যাতে উচিত দামত গাঁৱৰ মানুহে কিনিব পাৰে। তাৰ উপৰি সামান্য পৰিমাণৰ কিস্তিত খেতিয়কক চাইকেল যোগান দিয়ে। গাড়ীখন লৈ সি গাঁৱৰ যত যত দোকান আছে সেইবোৰলৈ যায়। প্ৰায়বোৰ গাঁৱৰ মানুহেই তাক ভাল পায়। পৈত্ৰিক সম্পত্তিৰ মানে দুটা ভাড়া ঘৰ আৰু গাঁৱত প্ৰায় দহপুৰা মান মাটি আছে।–গাঁৱৰ আধামাটি যি যি খাই আছিল তেওঁলোককে আধা দামত বিক্ৰী কৰি সি গেৰেজটো আৰম্ভ কৰিছিল। দেউতাক আহিজুৰ ৰহমানে আপত্তি কৰা নাছিল। ল'ৰা এটা। গতিকে সি ঘৰত থকাটোকে বিচাৰিছিল। চাইকেলৰ ব্যৱসায়ৰ নামত সি গাঁৱৰ মানুহৰ প্ৰতিটো সমস্যাৰ লগত জড়িত। বিনোদৰ লগত একেলগে থাকি এটা ৰাজনৈতিক দলৰ হৈ কাম কৰিছিল। পিছত সি ওলাই আহিল। তাৰ কথা হ'ল–তহঁতে বাহিৰত থাকি কাম কৰ। মোক টকা ঘটিবলৈ দে, ৰাইজে কিমান পইছা দি থাকিব। মোৰ কাম তহঁতে কৰিবি আৰু মই টকা-পইছা দি সহায় কৰি থাকিম। চাবি কিন্তু সৌৰভৰ দৰে ৰাইজক ফাকি নিদিব।–হবিবুৰ ৰহমানে ৰাইজক যিমান চিনি পায় অৰূপ বিনোদেই সিমান নাপায়। গাঁৱৰ প্ৰায়বোৰ খবৰেই সি দি থাকে। অৰূপে গাড়ীৰ দুৱাৰ খন খোলাৰ লগে লগে ওচৰত থকা ল'ৰা-ছোৱালীবোৰ কেইখোজ মান আঁতৰলৈ গৈ মনে মনে থিয় দি থাকিল। অৰূপে কাগজ কেইখন লৈ দুৱাৰ খন বন্ধ কৰাৰ লগে লগে সিহঁত আকৌ ওচৰ চাপি আহিল। অৰূপ যোৱাৰ ফালে চাই থাকি ডাঙৰ ল'ৰা এটাই হাত খন দাঙি বাকীবোৰক মনে মনে থাকিবলৈ কলে মনে মনে থাক। আকৌ আহিব এতিয়া। কোন জান ডাঙৰ মানুহ। পোনা খুৰাৰ লগৰ।

–অই, অই, কিয় আহিছে অ'।

–তই নাজানই হবলা। এইবাৰ গাঁৱৰ চব মানুহ যাব পুলিচৰ লগত কাজিয়া কৰিবলৈ।

–তোক কোনে কলে ?

–কোনে কলে ? বিলৰ পাৰৰ মানুহক তাৰ পৰা খেদি দিব হেনো।

–কালি কমল দাইটিক পুলিচে নিওঁতে মইও পিতাইৰ লগত ইয়ালৈ আহিছিলো। তেতিয়া কলিমনৰ বাপেকে কৈছে মহাজনেহে খেদিব খুজিছ। বিনোদ দাইটিহঁত সেই কাৰণেহে আহিছে।

–চবেই এইবাৰ লাখুটি লৈ যাব পথাৰলৈ। আমিও যাম।

–মইও যাম, এইবাৰ মহাজনৰ মূৰকে ভাঙিম।–কেইটামানে কথা পাতি থাকোতেই কেইটামানে ধূলিৰে বগা হৈ থকা গাড়ী খনত আঙুলিৰে নিজৰ নিজৰ নাম লিখিবলৈ লাগিল।–বলো বৰা, হেম, নবীন,–আমাৰ গাওঁ, নামঘৰ।


কিবা এটা নিবলৈ আহি অৰূপ থমকি ৰল। ল'ৰা কেইটা লিখাত মগ্ন।

–একেবাৰে টাউন পাবগৈ আমাৰ নাম।

–চবেই জানিব আমাৰ নাম–বাঃ।–বুলি মুখ ঘূৰাই অৰূপক দেখি



OKDISCD

আপুনি আপোনাৰ ৰাজ্যখন চাইছেনে ?
আপুনি দেখা বহু ঠাইতকৈও আকৰ্ষণীয় ঠাই আছে
হয়তো সেই কথা জনাৰ পাছতো আপুনি ক'লৈকো
ওলাই যাব পৰা নাই ।
তেনেহলে শীতৰ ফৰকাল বতৰ আৰু উমাল ৰ'দত
আবিষ্কাৰ কৰক এই মোহনীয় ৰাজ্যৰ
আকৰ্ষণীয় ঠাই আৰু তাৰ অনুপম সৌন্দৰ্য্যৰাশিয়ে
আজিও আপোনাক হাত বাউলি মাতে
কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বনৰীয়া জীৱ-জন্তু
শিৱসাগৰৰ প্ৰাচীন কীৰ্তি চিহ্ন, চান্দডুবি
আৰু ভালুকপুঙৰ নৈসৰ্গিক শোভা
হাজো, মদন কামদেৱৰ অতুলনীয় সম্পদ
অথবা চিলংলৈ সহজ ভ্ৰমণ ॥



বিতং তথ্যৰ বাবে যোগাযোগ কৰক ঃ–

ASSAM TOURISM

পৰিচালন সঞ্চালক
অসম ৰাজ্যিক পৰ্য্যটন উন্নয়ন নিগম
ষ্টেচন ৰোড, গুৱাহাটী-১
ফোন-৪৭১০২, ৪৪৪৭৫

দৌৰ মাৰিলে, পিছে পিছে বাকী কেইটা । গাড়ীখনত লিখি থৈ যোৱা নামবোৰ অৰূপে মনোযোগেৰে পঢ়িলে ।–কি ফূৰ্তি সিহঁতৰ নামবোৰ সকলোৱে জানিব । গাঁৱৰ এই অবোধ ল'ৰা কেইটাৰ উদ্দেশ্যহীন আত্মপ্ৰচাৰৰ লগত, এচাম নাম কিনিব খোজা বুদ্ধিজীৱীৰ কি পাৰ্থক্য আছে ? সিহঁতেও বিচাৰে সিহঁতৰ নাম বাতৰি কাকত আলোচনীত ওলাওক, সকলোৱে সিহঁতক একোজন বিশেষ মানুহ হিচাপে জানক । এই শিশু কেইটাৰ মটৰৰ পিঠিত লিখা শব্দ কেইটা কোনেও নপঢ়ে কাৰো চকুত নপৰে । কাৰো ক্ষতি কৰা নাই । কিন্তু চিন্তা চৰ্চাৰ নামত বুদ্ধি শ্ৰমিক এচামে নিজৰ নামত জুই লগাবলৈ সমাজৰ যথেষ্ট ক্ষতি কৰিছে ।– অৰূপে ভাবিলে

অৰূপ আহি বিনোদৰ ওচৰতে বহিল । পঢ়ি থকা আলোচনী খন জপাই বিনোদে অৰূপৰ মুখলৈ চালে । বিনোদৰ খং উঠিছে । কাৰ ওপৰত ? লেখক কেইজন ? নহয় তাৰ নিজৰ ওপৰতেই । কি লিখিছে এইবোৰ ? বৌদ্ধিক জগতৰ পৰা এই বালসুলভ উশৃঙ্খলতা কেতিয়া দূৰ হ'ব ? বিনোদে আলোচনীখন মেলি প্ৰবন্ধটোত আকৌ চকু ফুৰালে । খং উঠা বাক্য কেইটা সি ডাঙৰকৈ গাই গল–মনত ৰখা ভাল মানৱ বুদ্ধিৰ কথা কোৱা এই ৰঘূমলাবোৰে উচ্চ সংস্কৃতি বৰগছ জোপা নষ্ট কৰিছে । মনোযোগী পাঠকে নিশ্চয় লক্ষ্য কৰিছে যে জনসংস্কৃতি কৰা সেইচাম ৰঘূমলাৱ মানসিক স্তৰ আমাতকৈ বহু তলত । সেয়ে সিহঁতে উচ্চ সংস্কৃতিৰ মোল বুজি নাপায় । সেয়ে আমাৰ লিখা এটা বিশেষ শ্ৰেণীৰ কাৰণেহে ।

–হ'ব, সেইবোৰ মোক শুনাই নাথাকিবি ।–অৰূপৰো খং উঠিল । প্ৰবন্ধটো লিখিছে অধ্যাপক শংকৰ বৰুৱাই । বিশ্ববিদ্যালয়লৈ যাওঁ যাওঁ বুলি ভৰি দাঙি থকা বৰুৱাক কলেজত বহুত ছাত্ৰ-ছাত্ৰীয়ে চিনিয়েই নাপায় । চিনি পাবলৈ, ক্লাচ লবলৈ তেওঁৰ সময় নাই । অধ্যয়নত ব্যস্ত–অসমীয়া জাতিক তেওঁ এনে এক বৌদ্ধিক সম্পদ দি যাব হেনো, জাতিটোৱে যুগ যুগলৈ তাকে ভাঙি খাই বাচি থাকিব পাৰিব । শংকৰ বৰুৱাই 'প্ৰজা' নামৰ তেওঁ নিজেই প্ৰকাশ কৰা আলোচনী খনত প্ৰকাশিত প্ৰবন্ধটোৰ নাম–'উচ্চ সংস্কৃতি বনাম জনসংস্কৃতি' । বিনোদৰ খং উঠিছে, লেখকৰ বিকৃত ইতিহাস চেতনা আৰু বিষয়ৰ ভুল ধাৰণা দেখি ।

–কি কব খুজিছেনো বিনোদ ।–অৰূপে সুধিলে

–কব খুজিছে ব্ৰাহ্মণ্যবাদৰ পৰাই মাৰ্ক্সবাদ অৰ্থাৎ দ্বন্দ্ববাদৰ জন্ম আৰু বৈষ্ণৱবাদৰ পৰা ভাববাদৰ জন্ম । প্ৰথমটোত বিশ্বাসী সকলেই উচ্চ সংস্কৃতি বুজি নাপায় ।



OKDISCD

-মূৰ্খ হুয়া বোলৈ মক্ৰি পণ্ডিত । নষ্ট কৰি ফুৰৈ আনৰো চিত্ত ।'- অৰূপে মুখৰ ভিতৰতে গালে ।-"অসম জননী" খন দেখিছনে নাই ?- অৰূপে আলোচনীখন তাৰ ফালে আগবঢ়াই দিলে। মুখ্য সম্পাদক নিৰাকাৰ শইকীয়া, সম্পাদক, শংকৰ বৰুৱা,, সহযোগী সম্পাদক বিজয় বৰুৱা, স্মৃতিৰেখা বৰুৱা । বিনোদে পাত লুটিয়ালে । প্ৰস্তাৱনা সংখ্যা । তাৰ পিছত সম্পাদকীয় ঘোষণা । বিনোদে পঢ়ি গ'ল-শুভ বুদ্ধি সম্পন্ন ব্যক্তি মাত্ৰেই নিশ্চয় লক্ষ্য কৰিছে যে আজি অসমৰ সাহিত্য সংস্কৃতিৰ জগতত এক অৰাজকতাৰ সৃষ্টি হৈছে। প্ৰগতিৰ কথা কোৱা এচাম ঠেকছিগা, উচ্চ সংস্কৃতিৰ মোল নুবুজা মানুহে বৌদ্ধিক জগতত মিছা আস্ফালন কৰি, গভীৰ চিন্তা চৰ্চাত ব্যাঘাত ঘটাইছে । সিহঁতে অসমীয়া জাতীয় জীৱনৰ মূল ধাৰাটো চিনি নাপায়, সিহঁতৰ মানসিক সংস্কৃতিৰ স্তৰটোও নিম্ন খাপৰ । আমি সেই বিলাকৰ উৎপাতৰ পৰা জাতীয় সংস্কৃতিক ৰক্ষা কৰাত বদ্ধ পৰিকৰ । উল্লেখযোগ্য যে আমাৰ দৰে চিন্তা জগতত প্ৰবেশ কৰাৰ দক্ষতা সকলোৰে নাই । গতিকে আমাৰ বৌদ্ধিক ফচল নিৰ্বাচিত ব্যক্তি সমষ্টিৰ কাৰণেহে। সকলোৰ কাৰণে মুকলি নহয় ।-অসমৰ বুকুত জন্ম লাভ কৰা বিজতৰীয়া বিজাতীয়, বিদেশী ভাবাদৰ্শৰ বিহমেটেকাই অসমৰ সাংস্কৃতিক জীৱন ছাটি ধৰিছে । আমাৰ জাতীয় ঐতিহ্য আৰু সাংস্কৃতিক জীৱন বিপন্ন কৰি তোলা এই ধাৰাটোৰ বিৰুদ্ধে উচ্চ চিন্তা চৰ্চাৰে আমি সংগ্ৰাম কৰিম ।

-জাতি প্ৰেমৰ -ঠিকাদাৰ শংকৰে একেখিনি কথাকেই লিখিছে। সিহঁতৰ মতে বিদেশী বিজাতীয় ভাবাদৰ্শাই হ'ল, অসমীয়া সংস্কৃতি তথা জাতিৰ প্ৰধান শত্ৰু ।

-শুন আনৰ চোৰা বুটলি বুটলি তাত সোৱাদ নাপাই আগৰ কাঁহুদি-খাৰলিৰ জুতি লব খুজিছে ।-অৰূপে কলে-বুজিছ জাতি প্ৰেমৰ ঠিকাটো যেতিয়া লৈছেই গতিকে প্ৰেমৰ আলিত দুটামান শিলগুটি নছটিয়ালে বিল পাছ হ'ব কেনেকৈ ?

বৌদ্ধিক জগতত অৰাজকতা ঠিকেই । সংস্কৃতিৰ স্ৰষ্টা কৃষক বনুৱাই নিকা কৰি থোৱা সংস্কৃতিৰ থলীত এইবোৰ গহৰা গজিছে। সেইবুলি ইহঁতক এৰি দিয়া উচিত নহ'ব ।-বিনোদে ভাবিলে-জ্ঞানৰ বিপৰীত পিঠিটো যে কৰ্ম সেই সত্য ইহঁতে কেতিয়া উপলব্ধি কৰিব ? নিৰ্দিষ্ট আদৰ্শ আৰু সমাজৰ ছবি আগত ৰাখি, নিৰ্দিষ্ট কাৰ্যসূচীৰ ভিত্তিত এটা সাংস্কৃতিক আন্দোলন গঢ়ি তুলিব পাৰিব লাগিব । ইহঁতক প্ৰতিহত কৰাৰ সেইটোৱেই হ'ব উপযুক্ত পথ ।

-এতিয়া ভাত খাই মেলৈ ওলা ।-অৰূপে তাক কলে। মেলৰ কথা বিনোদে পাহৰিয়েই গৈছিল ।

-তই নাখাৱ নে কি ?

-মই খাই আহিছো ।-অৰূপে নাখাওঁ বুলি কোৱাত বিনোদ লৰা লৰিকৈ উঠি গ'ল ।

ভাত খাই উঠি বিনোদ যাবলৈ ওলাল । অৰূপ ইতিমধ্যে টোপনি গ'ল । বিনোদে তাৰ গাত ধৰি জগাই দিলে। খক মক কৈ উঠি সি বিনোদলৈ চালে ।

-কি হ'ল ?

-ভাল সপোন এটা দেখিছিলো । শুন !-অৰূপে কলে

-বাদ দে তোৰ সপোন ?

-শুন চোন ভাল লাগিব । কাছাৰী ঘৰৰ ৱালত, আমি যে আমাৰ দাবীবোৰ লিখিছিলো, সেইবোৰৰ লগতে কিছুমান ছাত্ৰই, আমাৰ সমৰ্থনত কেইটামান দাবী লিখি আছে। সিহঁতে লিখি যোৱাৰ পিছতে শংকৰ বিজয় আৰু স্মৃতি আহি তাত উপস্থিত । সিহঁত দুটাৰ হাতত দুডাল ব্ৰাচ আৰু স্মৃতিৰ হাতত ওলোমাই লব পৰা এটা আলকটৰাৰ টিন্ । সিহঁত দুটাই ব্ৰাচ দুডাল টিনত জুবুৰিয়াই আখৰবোৰ মচি গৈছে । এনেতে এদল ছাত্ৰই আহি সিহঁতক ঘেৰি ধৰিলে ।-ঠিক সেই সময়তে তই মোক জগাই দিলি ।

-হ'ব হ'ব,-বুলি বিনোদে হাঁহিলে ।

অৰূপ মেলৈ যাব খোজা নাছিল । বিনোদে জোৰ কৰি লৈ গ'ল ।- বৰনামঘৰৰ ভগা বাৰান্দাৰ পৰা ৰাস্তালৈকে মানুহ শাৰী পাতি বহি আছে । নামঘৰীয়াই বহিবৰ বাবে কাটি থোৱা কল পাতৰ দমটোৰ পৰা পাত নি নি মানুহ বহি আছে । অৰূপে আগে পিছে এনেকুৱা মেল দেখা নাই । সি ৰাইজৰ মেলৰ কথা শুনিছে হে । একালত এই ৰাইজ মেল বোৰেই বৰ্তমানৰ বিধান সভা স্বৰূপ আছিল । ৰাইজ মেলৰ বিধান, নিৰ্দেশ উলঙ্ঘা কৰিব এনে শক্তি কাৰো নাছিল । ৰাইজৰ মেলৰ নেতৃত্বতে একালত অসমৰ কৃষকে ব্ৰিটিছ শোষণ-শাসনৰ বিৰুদ্ধে সশস্ত্ৰ প্ৰতিৰোধ ৰচনা কৰিছিল । অৰূপৰ মনত পৰিল ১৮৬১ চনৰ নগাঁৱৰ ফুলগুৰি ঢেৱা লৈ । ৰাইজৰ অসীম শকতি, মাথোন সঠিক পথ দেখুৱাই লৈ যাব পাৰিব লাগে । উনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ অসমৰ ইতিহাস কৃষক বিদ্ৰোহৰ ইতিহাস । সেই বিদ্ৰোহৰ নেতৃত্ব দিছিল ৰাইজ মেলে । কিন্তু ব্ৰিটিছৰ অনুগ্ৰহপুষ্ট মাটিগিৰী, সত্ৰাধিকাৰ পুৰোহিত, পণ্ডিত, মৌজাদাৰ, মণ্ডল আদি গাঁৱৰ এই পুৰণি অভিজাত শ্ৰেণীটোৱে ব্ৰিটিছক জোকাই ললে নিজৰ স্বাৰ্থ হানি হ'ব জানি, ৰাইজ মেলৰ পৰা নিৰাপদ দূৰত্বত থাকি গঠন কৰিছিল, সাৰ্বজনীন সভা, ৰায়ত সভা । সেয়ে হলেও, আজিও অসমৰ সাধাৰণ কৃষকৰ ওপৰত ৰাইজ মেলৰ প্ৰভাৱ সুস্পষ্ট । যি ৰাইজ মেলৰ সংগ্ৰামী চেতনাই অসমৰ ইতিহাসত এক মৃত্যুহীন ঐতিহ্য সৃষ্টি কৰি গৈছিল সেই মেলৰেই এয়া জানো নতুন সংস্কৰণ নহয় ? এনে মেলত উপস্থিত থাকিব পৰাটো গৌৰৱৰে কথা ।-অৰূপে ভাবিলে ।

প্ৰায়বোৰ মানুহেই উপস্থিত আছে। বিনোদে চাৰিও ফালে এবাৰ চালে ।-মহেশহঁতৰ গাঁৱৰ মানুহো ভালে মান আহিছে। এই প্ৰথম দুয়োখন গাঁৱৰ মানুহ নাম ঘৰৰ চোতালত একেলগে বহিছে । গোসাঁই, মণ্ডল, ৰূপাই এওঁলোকে প্ৰথমে আপত্তি কৰিছিল মহেশহঁতক মতাত, ল'ৰাবোৰে নামানিলে ।

বিনোদহঁতৰ পিছে পিছে মহেশ আৰু লোকেন গৈ কলপাত দুখন হাততলৈ সিহঁতৰ গাঁৱৰ মানুহ বহাৰ ফালে গৈ ওচৰতে বহিল । মহেশ যোৱা দেখি বাৰান্দাত বহি থকা নিৰাকাৰ শইকীয়াৰ বাপেক ৰূপাই বৰাই, কণ পাচনীৰ কাণৰ ওচৰলৈ মুখখন নি কিবা এষাৰ কলে। গোঁসায়ে চকুৰ ইঙ্গিতেৰে ৰূপাইক ওচৰলৈ মাতিলে । ৰূপায়ে আঠু কাঢ়ি বগুৱা বাই যোৱাদি গোঁসাইৰ ওচৰলৈ গ'ল । বিনোদে এবাৰ সেই ফালে চাই নামঘৰ লৈ মুখ ঘূৰালে । চাল দুখন উৱলি গৈছে। মনিকূটটো নথকা হলে মূল ঘৰটো কেতিয়াবাই ভাগি পৰিলহেঁতেন। বৃকোদৰ শইকীয়া আৰু ৰমেশ শমহি পুণ্য অৰ্জন কৰি মনিকূটটো সজাই দিছিল ।

মেল আৰম্ভ হ'বৰ হ'ল । বলীনৰ মাক তেতিয়াও পোৱাহি নাই । নামঘৰীয়াৰ গাত তত্ নাই এবাৰ ইফালে গৈছে, এবাৰ সিফালে গৈছে । গোসাঁই আৰু মণ্ডলে বাৰে বাৰে আনন্দ আৰু ভোলাহঁতৰ চোতাললৈ চাই থকা দেখি প্ৰশান্তই সেই ফালে মুখ ঘূৰাই দেখে দুই ঘৰৰ চোতালত জীয়ৰী বোৱাৰী এজাক থিয় দি আছে। সি কিলাকুটিৰে ঠেলা মাৰি মদনক দেখুৱালে ।-নিজৰ চৰিত্ৰ বুলিবলৈ একো নাই আনৰ চৰিত্ৰৰ বিচাৰ কৰিবলৈ আহিছে ।-সি ভোৰ ভোৰাই উঠিল ।

বলীনৰ মাক তেতিয়াও পোৱাহি নাই । নামঘৰীয়াই মুখৰ ভিতৰতে কিবা এষাৰ কৈ তামোল কটাত লাগিল । লোকেন বাপু আৰু মণ্ডল আহি গোঁসাইৰ পৰা অলপ আঁতৰত পাৰি থোৱা পাটীঢৰা দুখনত বহিল । নামঘৰীয়াই বটাটো অকণ মান ঠেলিয়াই তামোলৰ বাকলিবোৰ হাতেৰে গোটাই ললে । বাকলিবোৰ পেলাই পানীৰ লোটাটো নি হাত দুখন ধুই বহিব খুজি দেখিলে বলীনৰ মাক আহিছে ।-প্ৰভু আহিছে। বুলি কৈ নামঘৰীয়া লেপেটা কাঢ়ি বহিল-নাহি কলৈ যাব, আঠুৱা তলৰ মহ ।-কৈ কৈ নামঘৰীয়াই কটা তামোল খিনি বটাটো সজাই দি, গোসাঁইৰ সমুখৰ ঠাইকণ হাতেৰে মোহাৰি, বটাটো থৈ সেৱা জনালে ।

দীঘলকৈ ওৰণি খন টানি বলীনৰ মাক নামঘৰৰ চুকতে বহিল । লগত সভাৰামৰ ঘৈণীয়েক ।

-গোলোক, কণবাপু শৰ্মা অহা নাইনে কি ?-বিনোদে ওচৰতে থিয় দি থকা গোলোকক সুধিলে । কেনেকৈ আহিব ? মাৰ খাব নহয় ?- প্ৰশান্তই তপৰাই মাত লগালে । বিনোদ মনে মনে থাকিল ।

-ৰাইজ আমি পলম নকৰো । সকলো আহিছেই ।-গোঁসায়ে আৰম্ভ কৰিলে । নামঘৰীয়াই তামোলৰ বটাটো আগবঢ়াই দি ৰাইজৰ ওচৰত আঠুলৈ কলে-গোঁসাই ঈশ্বৰৰ নিৰ্দেশ মতে মই আপোনাসবক মাতি আনি ইয়াত একত্ৰ কৰিছো । এতিয়া ঈশ্বৰে ইয়াৰ উদ্দেশ্য আদিৰ কথা আপোনা সবক জনাব ।

গোসাঁয়ে বটাৰ পৰা তামোল এখন লৈ মুখত ভৰালে, এখন হাতত লৈ ৰূপাই সাতোলাক দিলে ।

-ৰাইজ

-আৰম্ভ কৰা হওক ।-গোসাঁয়ে মণ্ডল আৰু ৰূপাইৰ ফালে চাই সুধিলে । তেওঁলোকে মূৰ জোকাৰি সন্মতি জনালে ।

-ৰাইজ-গোঁসাইৰ মাতটো কঁপি গ'ল-আমি ইয়াত কিয় গোট, মানে,-মানে (ভাল শব্দ এটাও সময়ত বিচাৰি নাপাওঁ ।) সমবেত মানে একত্ৰিত হৈছো, সেইটো আপোনালোকে জানে । ৰাইজ ময়েই গোটাবলৈ কৈছিলো পাচনী, বাপু, সাতোলা সকলোৰে লগত আলোচনা কৰি । ধৰ্ম গুৰু হিচাপে, অধৰ্ম, অন্যায় অনীতি দেখিলে, ৰাইজ গোটাই বিচাৰ কৰাটো মোৰ দায়িত্ব কৰ্তব্যও ।-বলীনে ধৰ্মৰ দ্ৰোহ আচৰিছে, গাঁৱৰ নামত কলংক সানি এটা গুৰুতৰ কাম কৰিছে । কূলীন ব্ৰাহ্মণ, বেদত পাৰ্গত, সৰ্বজন শ্ৰদ্ধেয় লোকেন শৰ্মা দেৱে সকলো কব আৰু আপোনাসবে চিন্তা কৰি এটা সিদ্ধান্তত উপনীত হ'ব । শাস্ত্ৰৰ বিধানো বাপুৱেই দিব ।

-এহ, মোলৈহে ঠেলিলে-বাপুৱে ওলাই অহা হাঁহিটো, ৰাইজে দেখিলে বেয়া হ'ব বুলি গিলি আৰম্ভ কৰিলে-আপোনালোকে জানে যে আমি ধৰ্ম মতে চলো । ধৰ্মৰ নীতি নিয়ম কোনেও উলঙ্ঘা কৰিব নোৱাৰে মানে নকৰে । বলীন কলিতাই অজাতিৰ লগত সম্পৰ্ক কৰিব খুজিছে ।

-খুজিছে নহয়, কৰিলেই । মই গম পাই আহিছো ।-ৰূপাই সাতোলাই মাজতে মাত লগালে ।

-সি বোলে সম্পৰ্ক কৰিলেই । জাত কুল এইবোৰ আমাৰ কথা নহয়, বেদৰ কথা, ভগৱানৰ কথা । ভগৱানৰ নিৰ্দেশ । বলীনে বেদ ধৰ্ম উলঙ্ঘা কৰি মহেশৰ ভনীয়েক মালতীক লৈ টাউনত আছে গৈ ।-

-কি কলে-গোঁসাইৰ কথাৰ মাজতে মহেশে থিয় হৈ কলে ।

-মহেশ কাই বহাচোন, আমি আছো নহ'য় ?-গোটেইখিনি ল'ৰাই প্ৰায় একে সময়তে কলে । মহেশ বহি থাকিল । ল'ৰাকেইটাই লাহে লাহে কোৱাত আগৰ মানুহখিনিয়ে সিহঁতে মহেশক কি কলে ধৰিব নোৱাৰিলে ।

-যিয়েই নহওক বলীনে আমাৰ ধৰ্মত হাত দিলে। সত্য লুকাই নাথাকে ।

নাথাকে প্ৰভু, নাথাকে। ওলালেই সত্যটো ।-ৰূপাই সাতোলাই শলাগিলে

আপুনি মাজতে কিয় টেপ টেপাই থাকে ?-কোনোবা এটাই পিছৰ পৰা মাত লগালে । কণল'ৰাৰ মাক, এতিয়া তুমি ৰাইজৰ আগত কোৱা তুমি এইবোৰ কথা আগতে গম পাইছিলানে নাই ? সি এতিয়া ক'ত আছে ? যদি সি ছোৱালী নিয়াই নাই তেন্তে সি ঘৰলৈ অহা নাই কিয় ? ধৰ্মৰ দোহাই সঁচা কথা কোৱা ।-গোসাঁইৰ কথা শুনি ওৰণিখন টানি চুচৰি দুখোজ মান আগবাঢ়ি আহিল । আঠুলৈ, কিবা এটা কব খোজোতেই গোসাঁইয়ে আকৌ সুধিলে-তুমি আগতে গম পাইছিলা নে নাই ?

-নাপাবলৈ কিটো আছে । ভিতৰত সুমুৱাই লৈ তেওঁ নিজেই মেল মাৰি থাকে ।-মণ্ডলে কথাষাৰ কৈ সাতোলাৰ মুখলৈ চালে ।

-মনে মনে থাকক, বুঢ়া হলহি, সমাজত কেনেকৈ কথা কব লাগে তাকো নাজানে ?-সৰুকণ দাইটিৰ খং উঠিল ।

-প্ৰভুসকল,-বলীনৰ মাকে কবলৈ আৰম্ভ কৰোতেই ওৰণি খন অকণ মান খহি গ'ল । লাহেকৈ মাটিৰ পৰা হাত এখন তুলি ওৰণি খন ঠিক কৰি লওঁতেই মানুহ জনীৰ মুখ খন গোসাঁইৰ চকুত পৰিল ।-(উস্ কতা ল'ৰাই ছোৱালী আনিলে এতিয়াও এইৰ চেহেৰাটো একেই আছে ।)- গোসাঁয়ে নিজৰ মুখ খনকে মোহাৰি নোপোৱাৰ সন্তাপ দূৰ কৰিবলৈ চেষ্টা কৰিলে ।

-প্ৰভু সকল,-বলীনৰ মাকৰ মাতটো থোকা থুকি হ'ল-মই আগতে একো গম নাপাওঁ । যোৱা দেওবাৰৰ দিনা সি মাথোন তাই পৰীক্ষা দিবলৈ টাউনলৈ যোৱাৰ কথাহে কৈছিল। ৰলোৰ মুখেহে এদিন শুনিছিলো সি হেনো বিয়া কৰিলে তাইকে কৰিব ।

-প্ৰভু সকল, সি বিয়া পতা নাই । মোক নোসোধাকৈ সি সেইটো কেতিয়াও নকৰে ।

-শুনিলে ৰাইজ সি কুকুৰে বলোক কৈছে ।

-বদমাইচ, ৰাইজৰ কাম কৰে ?. চৰিত্ৰহীন-সমাজ নষ্ট কৰিব সি ।-মণ্ডলে ভোৰ ভোৰাই উঠিল ।

-মণ্ডলে মুখৰ ভিতৰত কি ভোৰভোৰাই আছে মুখ ফুটাই নকয় কিয় ?-কোনোবা এটাই চিঞৰি কলে ।

-চৰিত্ৰৰ কথা বৰকৈ নকবা । নিজৰ ফালেও চাবা । বলীন চৰিত্ৰহীন নহয় ।-সৰুকণে কলে

-হ'ব, হ'ব সৰুকণ, বলীনৰ হৈ নকলেও হ'ব । সমাজ গ'ল, ধৰ্ম গ'ল এতিয়াও চেতনা অহা নাই । কণলৰাৰ মাক, এতিয়া কোৱাচোন সি তাইক লৈ ক'ৰবাত থকাটো হয়নে নহয় ?

গোসাঁয়ে সুধিলে ।

-মই একোকে নাজানো প্ৰভু ঈশ্বৰ । সি তাইৰ লগত যোৱাও নাছিল । আন কামতহে গৈছে । দুদিনমান পলম হব খবৰ হে দিছে ।

-ৰাইজ, সি মালতীক নিয়াটো সত্য ।-ৰূপায়ে মাত লগালে ।

-সেইটো ঠিকেই-শমহি শলাগিলে ।

-ৰাইজ, আপোনালোকে সেইটোকে মানি লব নে কি ? মহেশ আছে । গতিকে ৰাইজে তেওঁক সুধি লওক ।-সৰুকণে কলে

-তাক সুধিবলৈ কিটো আছে ? মিছা হোৱা হলে সি কলেহেঁতেন ।-গোসাঁয়ে কথাষাৰ কৈ বটাৰ পৰা তামোল লৈ মুখত ভৰালে ।

-গোসাঁই প্ৰমুখ্যে ৰাইজ,-মহেশে সকলোলৈকে চাই আঠুলৈ কলে- মোক ইয়ালৈ মাতিছিল কাৰণহে আহিছিলো । পিছে মোক একো নোসোধাকৈ এগৰাকী বিধৱা মানুহক শাস্তি দিবলৈ আয়োজন কৰা দেখি মনে মনে থাকিব নোৱাৰিলো । দোষ হলে ক্ষেমিব ।-ৰাইজ মালতী মোৰ ভনী, তাইক বলীনে বিয়া কৰিব খোজে, মই এতিয়াও একো কোৱা নাই । পৰীক্ষাটো হৈ যোৱাৰ পিছত যি হয় হ'ব এইটোকে ভাবি তাইক পৰীক্ষা দিবৰ কাৰণে মাহীয়েকৰ ঘৰত থৈ আহিছো । কথা ইমানেই । বলীনে বিয়া কৰিলেও লুকাই চুৰকৈ নকৰে । ইয়াৰ কাৰণে নিৰপৰাধী এগৰাকী মানুহক এইদৰে আনি লঘু লাঞ্চনা কৰাটো আপোনালোকৰ দৰে উচ্চ জাতিৰ মানুহে মানি ললেও মই মানি নলওঁ । এইটোহে আচলতে অৰ্ধম-ধৰ্মৰ দ্ৰোহ গুৰুৱেহে আচৰিছে। তাৰ বিচাৰ কোনে কৰিব ৰাইজ ?

-মহেশ কাইয়ে ঠিক কথা কৈছে-কোনোবা এটাই শলাগিলে ।

-ৰাইজ, এইবোৰ কি শুনিছো ? মোৰ সত্ৰত ৰাইজৰ নামঘৰত বহি আমাকেই ধৰ্ম দ্ৰোহী বুলি কব পাৰে ? এইবোৰ কথা-ৰাইজ ভালদৰে বিচাৰ কৰক । মহেশে আমাৰ সকলোকে অপমান কৰিছে ।-গোঁসাই গৰ্জি উঠিল ।

-ৰাইজ, দোষ হৈছে যদি ক্ষমা কৰিব । কথা কব নাজানো । যিটো সত্য তাকেহে কৈছো । মালতীক বলীনে বিয়া কৰোৱা নাই । ডেকা-গাভৰু ল'ৰা-ছোৱালী ইটোৱে সিটোক ভাল পায় । বিয়া হলে পতা নাই । পিছে এটা কথা, সি তাইকেই বিয়া কৰিব ।

-শুনিলে ৰাইজ, তাৰ ইমান সাহ, মোৰ শিষ্যৰ ল'ৰালৈ তাৰ ভনীয়েকক বিয়া দিব । শুনাও পাপ । এতিয়া কথা পৰিষ্কাৰ হ'ল । সিহঁতৰ মাজত সম্পৰ্ক ঘটিছে । আমি আগতেই বলীনহঁতক এঘৰীয়া কৰিব লাগিছিল । কি কয় দেউ ?

-ঠিকেই, বিয়া কৰাওক নকৰাওক দুয়োঘৰৰ মাজত সম্পৰ্ক আছে ।-শমহি আৰম্ভ কৰিলে-গতিকে এইটো ব্যভিচাৰ । তাৰ পিছতো গাঁৱৰ মানুহৰ লগত থাকি গোটেই গাওঁ খনকে অশুচী কৰিলে । তাৰ বাবে সুকীয়া দণ্ড হব লাগিব ।

উপযুক্ত কথা কৈছে দেউৱে ।-ৰূপাই বুঢ়াই শলাগিলে ।

-এতিয়া, বলীনৰ মাক উদ্ধাৰ পৰাচিত হব লাগিব। তাৰ আগতে বলীন ঘৰলৈ আহি ৰাইজৰ আগত আঠুলৈ বিয়া মালতীক কৰোৱা নাই বলি শপত খাই কব লাগিব। সি যেতিয়ালৈকে নাহে তেতিয়ালৈকে তেওঁলোক এঘৰীয়া হৈ থাকিব লাগিব। মহেশ তুমি বেয়া নাপাবা। বেদৰ নিয়ম। দেউতাৰা থকা হ'লে এইটোকেই পৰামৰ্শ দিলেহেঁতেন।

-প্ৰভু সকল ভূমি এৰি পাৱ ক'ত দিম,-দুখুনী বিধৱাৰ চকু মেলি চাওক। ৰাইজ এৰি মই ক'ত থাকিম ?-বলীনৰ মাকে মাত লগালে।

-তেতিয়া হলে তুমি চক পেলাই বলীন মৰিল বুলি তাক ত্যাগ কৰিব লাগিব। শাস্ত্ৰৰ নিয়ম মানি চলিবই লাগিব।-গোঁসায়ে কলে

-ৰাইজ মনে মনে আছে কিয় ?

-গোসাঁই, দেউ, আপোনালোকে বলীনক কি কাৰণত দোষী সাব্যস্ত কৰিছে সেইটো কওক। তাৰ পিছত দণ্ড। বলীনে কি দোষ কৰিছে-কওক, মনে মনে আছে কিয় ?-সৰুকণ উত্তেজিত হ'ল-

-সৰুকণ মনে মনে থাক, তোৰ গৰম কথা শুনিবলৈ আমি অহা নাই ?-গোসাঁয়ে কলে

-ভাবিছে নে কি আপোনালোকৰ গৰম কথা শুনিবলৈ আমি আহিছো।-সৰুকণেও মুখ পাতি ধৰিলে। চাওঁতে চাওঁতে তৰ্কখন ডাঙৰেই হ'ল। গোসাঁয়ে ভৰালী, মণ্ডলৰ লগত কথা পাতিলে। ৰূপাই বুঢ়াই মূৰ জোঁকাৰি গোসাঁইক কিবা এষাৰ কৈ ৰাইজৰ ফালে চালে।

-দোষৰ কথা কৈ থাকিলে কি হ'ব সি অজাতিত খাইছে, অজাতিৰ লগত লেটি-পেটি কৰিছে তাতকৈ আৰু ডাঙৰ পাপ আছেনে ? নিজৰ লগতে গাঁৱৰ ৰাইজখনকো পাপত ডুবালে। আমি নাজানি সিহঁতৰ লগত খাই আছো। গতিকে হয় বলীনক উদ্ধাৰ পৰাচিত কৰি শুচী কৰি লব লাগিব নহয় তাক মৰিল বুলি এৰি মাকে উদ্ধাৰ পৰাচিত হৈ ৰাইজৰ ওচৰত আঠু লব লাগিব। আমাৰ কথা সিমানেই।-ৰূপায়ে কলে

-ভাল কথা, পিছে তেতিয়া বলীনে মালতীক লৈ ঘৰতে থাকিব পাৰিব নহয় ?-নবীনে মাত লগালে

-উস্ কতা, নবীন মুখ চণ্ডালি কথা কবি-গোসাঁই দাংখাই উঠিল-গুৰু গোসাঁইৰ সমুখতে তেনে পাপ কথা উচ্চাৰণ কৰিবলৈ লাজ লগা নাই। সেইটো কৰিবলৈ হলে উদ্ধাৰ পৰাচিত প্ৰশ্নই নুঠে গাঁৱৰ পৰা বাহিৰ কৰি দিব লাগিব।

পাৰিব বাহিৰ কৰি দিব ? আছে সাহস ? বলীন এঘৰীয়া হ'ব লগীয়া হলে, আপোনালোকো যাব লাগিব গাওঁ এৰি।-নবীনক কোনোবা এটাই টানি লৈ গ'ল।

-ল'ৰাৰ উজ্জ্বালিক লাই নিদিব ৰাইজ। ধৰ্মমতে বলীনে দোষ কৰিছে গতিকে, দণ্ড প্ৰায়শ্চিত্ত হৈ ৰাইজৰ ওচৰত আঠু লব লাগে।-শৰ্মাই থিয় হৈ কথা কেইষাৰ কৈ বহিল।

-ৰাইজ, কথা চমু কৰক, শৰ্মাই বিধান দিছে। সি যদি তাইক ইতিমধ্যে বিয়া কৰালে তেন্তে সি গাওঁ সোমাব নোৱাৰিব। যদিহে সেইবোৰ একো নাই তেন্তে ঘৰলৈ আহি পৰাচিত হব লাগিব। অন্যথা পৰিয়ালটো গাঁৱৰ পৰা এঘৰীয়া হৈ থাকিব। এতিয়া ৰাইজে দিন বাৰ ঠিক কৰক আৰু বলীনক মতাই অনাৰ ব্যৱস্থা কৰক।-গোসাঁয়ে সামৰণি মৰাৰ সুৰত কলে।

-প্ৰভু ভাবি চাওক, মুখ মেলিলে বিপদ হব। নবীনে হ'ক কথাকে কৈছে।-সৰুকণে মাত লগালে।

তৰ্ক খন বাঢ়ি গল। কাৰো কথা কোনেও নমনা হ'ল। বিনোদে নীৰৱে চাই থাকিল। হৈ চৈৰ মাজতে বিনোদৰ কাণত পৰিল ফাগুনাৰ কথাষাৰ।-প্ৰভু নিজৰ ফালে চাওক মনে মনে থকা যেন পাইছেনে কি ?-লগে লগে গোঁসাই ফেট তুলি উঠিল-

-কি কলি, মোৰ দোষ উলিয়াবলৈ আহিছ লাজ লগা নাই ?-গোসাঁই থিয় হ'ল। অলপ দূৰত বহি থকা লখাই সাতোলা গোসাঁইৰ ওচৰ চাপি গল। পাত খন পাৰি বহি গোসাঁইৰ ফালে চাই কলে-'শান্ত হওক প্ৰভু-, ডেকাহঁতৰ কথাত নালাগিব। পিছে এটা কথা, ৰাইজ বুলিলে ডেকাহঁতহে আগ। সেইবুলি, অযুক্তিকৰ কথা আমি মানি নলওঁ। ৰাইজ, ভালেই বোলক বা বেয়াই বোলক ডেকাহঁতে যিটো খোপনি ধৰিছে সেইটো সঁচা। ডেকাহঁতেই এতিয়া আমাক বাট দেখুৱাই লৈ ফুৰিছে। বলীন-সি গাঁওখনৰ কাৰণেই ঘূৰি ফুৰিছে। সিহঁতৰ জৰিয়তে আমিবোৰে দুটা নতুন কথা শিকিছো। গতিকে এতিয়া সেই জাত কুলকে সাবটি ধৰি থকাৰ দিন নাই। ৰাইজে চিন্তা কৰি ল'ৰাটোক সামৰি লব লাগে। এই সৰু কথাটোতে লাগি তিনি চাৰি খন গাঁৱৰ মাৰ ভাঙিলে ৰাইজে এইবাৰ চিপ লব লাগিব। শাস্ত্ৰৰ দোহাই দি, একগোট হোৱা সমাজ খন থান বান নকৰিব।'-সকলোৱে মনে মনে শুনি গ'ল।

-'মোৰ বোধেৰে দোষ বলীনৰ নহয়,-শাস্ত্ৰৰ বিধানতে খুঁত আছে।'

-মই উঠোহে শাস্ত্ৰৰ খুঁত উলিয়ালে যেতিয়া ইয়াত থকাটো উচিত নহব। মই বেদ শাস্ত্ৰ বাদ দি চলিব নোৱাৰো।-শৰ্মা যাবলৈ উঠিল। সকলো বহি থাকক, যাব নোৱাৰে, বুলি কৈ চিঞৰ-বাখৰ কৰিলে। গোঁসায়েও চকুৰ ইঙ্গিতেৰে বহিবলৈ কলে। শৰ্মা বহিল। মুখত বিৰক্তিৰ চিন।

-ৰাইজ, এতিয়া শাস্ত্ৰৰ দোহাই দি লাভ নাই। যি বিশ্বাস কৰি আছে তেখেত সকলে মানি চলক, আমাক নতুন শাস্ত্ৰ মতে চলিবলৈ এৰি দিয়ক। বলীনে মালতীক বিয়া কৰালে মহাভাৰত খন অশুদ্ধ নহয় বৰং আমাৰ শক্তি বাঢ়িবহে। আমি দলে বলে মাটিৰ কাৰণে যুঁজিব পাৰিম। কিন্তু ৰাইজ, আমি সকলো একগোট হৈ থাকিলে বৃকোদৰ, ৰমেশ মহাজন আৰু সৰহ মাটি থকাবোৰৰ বিপদ। গতিকে বলীনৰ এই সৰু কথাটোকে লৈ ইমান খন হৈ চৈ লগাইছে। ধৰ্মৰ দোহাই দি, সমাজ ভাঙিবলৈ চেষ্টা কৰিছে।-পলাশে সকলোৰে মাজত থিয় হৈ কৈ গ'ল। সি এইবাৰ বি, এ, দিব। বলীনহঁতৰ কামত সি বেছিকৈ নুঘূৰে, সেয়ে বাপেক ৰূপায়ে ভাবিছিল সি এইবোৰত নাই। তাৰ কথা শুনি ৰূপাই বুঢ়া জ্বলি পকি উঠিল।

-হেৰৌ কুকুৰ, তোক মই ইয়ালৈকেহে পঢ়ুৱাইছিলো। দুছেও কৰি কাটি কুকুৰ শগুনক দিম চিনি পোৱা নাই বাপেৰক।

-মনে মনে থাকক, এইখন ঘৰ নহয়।-কোনোবা এটাই মাত লগোৱাৰ লগে লগে সকলোৱে চিঞৰি ৰূপাই বুঢ়াক বহি থাকিবলৈ কৈ পলাশক আকৌ কবলৈ কলে।

-যি সকলে ধৰ্ম ৰক্ষা কৰিছো বুলি কৈছে, তেখেত সকলে কি ভাবে ৰক্ষা কৰিছে আমাক কবনে ? নিজৰ দোষ ঢাকিবলৈ এইবোৰ একোটা সুবিধাহে। মই ভাবো বলীনদাৰ কথাটো মেল বহুৱাই বিচাৰ কৰিব লগীয়া কথা নহয়।

-পলাশৰ কথাই কথা। লখাই দাইটি-আপুনি মোখনি মাৰক।-ফাগুনাই কলে

-মই ইয়াত নাথাকো-গোঁসাই থিয় হ'ল-মোক ৰাইজ নালাগে। মই অকলে থাকিম ধৰ্মত কুঠাৰ মাৰিব নোৱাৰো। মোক ইয়ালৈ মাতি আনি অপমান কৰিছে-দেউ উঠক। দেখিম ইহঁতক-।-ডম্বৰু গোঁসায়ে ইফালে সিফালে নোচোৱাকৈ চুৰিয়াৰ খোৰটোত ধৰি গপ্ গপ্ কৈ ওলাই যাওঁতেই, তলপোনত লাগি, নামঘৰীয়াৰ সমুখত থকা বটাটোৱে উবুৰি খাই পৰি ৰাইজক সেৱা জনালে। কাটি থোৱা তামোলবোৰ সিঁচৰতি হৈ পৰিল।

-এহ এইখন (কোনেও ধৰিব নোৱাৰাকৈ অবাইচ্ শব্দটো মাতিলে), গোটেই সোপা পেলালে নামঘৰীয়াই মুখেৰে ভোৰভোৰাই বহাৰ পৰাই চুচৰি তামোল বোৰ বুটলি থলে।

-থং বুলিও একেবাৰে অমূৰ্তক। পিছে কি হ'ব আমিহে জানো, কি ধৰ্ম পালন কৰিছে।

নামঘৰীয়াই ভোৰভোৰাই থাকিল। গোসাঁইৰ পিছে পিছে শৰ্মা, মণ্ডল, ওলাই গ'ল। ৰূপাই বুঢ়াই-তোক আজি কি কৰিম দেখিবি।-বুলি দাঁত কৰচি ওলাই গ'ল। বলীনৰ মাকে ওৰণি খন অকণমান টানিলৈ বহা ঠাইতে বেঁকা হৈ দিলে।

লখাই সাতোলা, নামঘৰীয়াৰ বাহিৰে বুঢ়া মানুহ সকলো গ'ল। ফাগুনা, সৰুকণহঁত একেবাৰে বুঢ়াৰ শাৰীত পৰা নাই। ডেকাখিনি সাতোলাৰ ওচৰ চাপি আহিল। নামঘৰীয়াই তামোল পাণখিনি ধুই আনি বটাটোতে থৈ সাতোলাৰ ফালে আগবঢ়াই দিলে। সাতোলাই সকলোকে



বহিবলৈ কলে।

-ইমানবোৰ মানুহে মাতিবলৈ কৈ মোক মিছাতে গোসাঁইজনে কষ্টখন খুৱালে।-নামঘৰীয়াই কাকো সম্বোধন নকৰাকৈ কলে।

-ভালেই হ'ল দাইটি-সকলোৱে গম পালে।

-হওঁতে ভালেই হ'ল। পিছে বিনোদৰ লগত অহা আলহী বোপাই হে চাগে সাধুসন্তৰ ৰূপ দেখি আচৰিত হৈছে।-নামঘৰীয়াই অৰূপৰ ফালে চাই কলে। সকলোৱে হাঁহিলে।

মেলত কোনো সিদ্ধান্ত নহ'ল যদিও, গাওঁকেইখনৰ মাজত যাতে ভুল বুজাবুজি নহয় তাৰ কাৰণে, কথাবোৰ বুজাই কবৰ কাৰণে বিনোদে দুজন মানক দায়িত্ব দিলে। এইবোৰ যে মহাজনহঁতৰে চক্ৰান্ত সেইটো সকলোকে বিনোদে বুজাই দিলে। বিক্ষোভ আৰু কৃষক সমাবেশ প্ৰথম বাৰৰ কাৰণে হ'ব, কৃষক সভাৰ নেতৃত্বত। উদ্দেশ্য অদূৰ ভৱিষ্যতে এই ক্ষুদ্ৰ তিনি চাৰি খন গাঁৱৰ পৰা বিয়পি সকলোকে সামৰি এটা ৰাজনৈতিক সংগঠন গঢ়ি তোলা। সেয়ে প্ৰতিজন মানুহক কামত লগাবলৈ বলো দেবেনহঁতৰ তৎপৰতাৰ সীমা নাই।

আলোচনা শেষ হ'ল। বলীনৰ ওপৰত কোনেও শাস্তি বিহিব নোৱাৰিব। পৰীক্ষাৰ পিছত সি মালতীক বিয়া কৰাব। তাৰ কাৰণে কোনোবাই যদি সমাজ এৰি যায় যাব। ৰাইজ একগোট হৈ থাকিব। আগৰ দৰে নাম ঘৰত সকলো লগ লাগি ভাওনা সবাহ পাতিব। সভাৰ ভিতৰত প্ৰতিজনেই যাব।

আলোচনা শেষ হওঁতে প্ৰায় এন্ধাৰ হ'ল। নামঘৰীয়াই নাম ঘৰত চাকি দি ডবাত কোব দিলে। বিনোদহঁতে ঘৰৰ ফালে খোজ দিলে। লগত অসীম, পলাশ, দেবেনহঁতো আহিল। গোটেই কেইটাই কথা পাতি পাতি আহি আছে। গাওঁখনৰ ল'ৰাবোৰ খেতিয়কৰ পিছত থিয় দিয়া দেখি বিনোদৰ ভাল লাগিল। বলীন দেবেন বলোহঁতৰ অক্লান্ত শ্ৰমৰ ফলশ্ৰুতি। ৰূপাই সাতোলাৰ পুতেক পলাশে পৰিয়ালটোৰ বহুযুগীয়া ভেমটোৰ ওপৰত ৰাম টাঙোন মাৰি ওলাই আহিব পাৰিব বুলি কোনেও ভবা নাছিল।-কথা পাতি সিহঁত আহি আছে। এনেতে বিপৰীত ফালৰ পৰা মহেশ উধাতু খাই আহি সিহঁতৰ ওচৰতে ৰ'ল।

-বিনোদ ঘটনা ডাঙৰেই, বলাচোন বেগেতে।-মহেশে উশাহবোৰ ঘনকৈ লবলৈ ধৰিলে।

-কি হ'ল।-বিনোদে সুধিলে

-কথা ডাঙৰেই সৰুকণ দাইটিক দোকানৰ পৰা আহোতে কোনোবাই পিছ ফালৰ পৰা মৰিয়াই খালত পেলাই দিলে।-তোমালোক বলা মই বীৰেণৰ পৰা চাইকেলখন লৈ যাওঁ।-বুলি মহেশ প্ৰায় দৌৰি গল বীৰেণহঁতৰ ঘৰলৈ।

যেয়ে যিহকে পালে তাকে লৈ তিনি আলিৰ ফালে আগবাঢ়িল। অৰূপে প্ৰায় দৌৰি যোৱাদি গৈ গাড়ীখনকে উলিয়াই আনিলে। বাট বেছি দূৰ নহয় ডেৰ কিলোমিটাৰ মান হ'ব। বিনোদে ভয় খালে সিহঁতে গৈ ৰমেশ মহাজনৰ দোকান ভাঙে বুলি।

তিনি আলিত বহুত মানুহ গোট খাই আছে। ওচৰৰ মানুহ এঘৰৰ চোতালতে সৰুকণক চাবি এখন পাৰি শুৱাই থৈছে। কোনোবা এটাই ফটাকানি এখনেৰে মূৰৰ ঘাডোখৰ বান্ধি আছে। কম্পাউণ্ডাৰ বৰুৱাই বেজী এটা দি ; সৰুকণৰ হাত এখন নিজৰ হাতত তুলি লব খোজোতেই অৰূপে গৈ ধৰক বুলি মূৰটোৰ ফালে ধৰিলে। দুজনে ধৰি গাড়ীত তুলি দিলে। এতিয়া নিব কলৈ ? মূৰত বাৰুকৈয়ে আঘাত পাইছে। বাগানৰ হাস্পাতাললৈকে লৈ গ'ল। ওচৰো হ'ব। দুজন মান চাইকেলেৰে গ'ল আৰু দুজনমান গাড়ীতে উঠিল। বাকীখিনি মানুহ তিনি আলিতে জুম বান্ধি থিয় হৈ থাকিল।

হাস্পাতাললৈ আৰু আধা কিলোমিটাৰ মান আছে। বিনোদৰ ভাল লাগিল। হাস্পাতাল পালেগৈয়ে হয়, অৰূপ আছে যেতিয়া লগে লগে চিকিৎসা আৰম্ভ কৰিব পৰা যাব। অৰূপে গাড়ীখন আনি বৰ ভাল কামেই কৰিলে।-বিনোদে ভাবিলে।

-হাজৰিকা,-কম্পাউণ্ডাৰ বৰুৱাই বিনোদলৈ চালে। বিনোদৰ বুজিবলৈ বাকী নাথাকিল দাইটি আৰু নাই-তাৰ গাটো জিকাৰ খাই উঠিল।-দাইটি-তাৰ মুখৰ পৰা ওলাই আহিল।

হাস্পাতালৰ পৰা বিনোদহঁত টাউন পালেগৈ। পুলিচৰ নিৰ্দেশ মৰণোত্তৰ পৰীক্ষা কৰিবই লাগিব। বিনোদ অৰূপ উপায়হীন।

পুৱা চাৰি মান বজাত সৰুকণৰ মৃতদেহ লৈ অৰূপহঁত গাঁও সোমাল। কি আচৰিত নাম ঘৰৰ মুখত আৰু সৰুকণ দাইটিৰ চোতালত মানুহ। নাম ঘৰৰ মুখতে মৃতদেহ নমাই আগতে সাজু কৰি ৰখা চাঙীত তুলিলে। নামঘৰীয়াই লৰালৰিকৈ কপালত এটা চন্দনৰ ফোট দিলে। সকলো দাইটিৰ ঘৰৰ ফালে আগবাঢ়িল। মুহূৰ্ততে গাওঁখনত হুলস্থুল লাগিল।-ক'ত আছিল ইমানবোৰ মানুহ ? কিয় আহিছে বাৰু ?-কিয় মাৰিলে বাৰু এই নিঃকিন, সৰল মানুহটোক ?

বিনোদক দেখি সোণপাহীৰ মাক দৌৰি আহি পদূলি মুখতে ধাচ কৰে পৰি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে-পোনা দাইটিয়েৰক আনি দে, মই কেনেকৈ জীয়াই থাকিম, এতিয়াই আনিদে ?-কান্দোনৰ ৰোল উঠিল। বিনোদৰ গাটো থক্ থক্ কৈ কঁপিবলৈ ধৰিলে।-সত্যৰ পিছত থিয় হ'বলৈ গৈ পুৰস্কাৰ পালে সৰুকণে, কিন্তু খুৰীয়ে ?-বিনোদৰ কাণৰ ওচৰত যেন দাইটিয়ে কৈ আছে মই মৰিবলৈ নিবিচাৰো পোনা, বাচি থাকিবলৈ বিচাৰো-বাচি থকাৰ কাৰণেই আমি সংগ্ৰাম কৰিছো।-কি দুৰ্জয় শক্তি ?-অৰূপ তোৰ খুৰাৰ মৃত্যু হ'ল।-বিনোদে নিজকে কলে।

সোণপাহী আৰু মাকে সৰুকণৰ শীতল দেহাটো আঁকোৱালি ধৰিলে।-অৰূপে একেথৰে সেইফালে চাই থাকিল-খুৰীৰ দুখৰ ভাৰ কোনেও লব নোৱাৰে। দাইটিৰ অভাৱ কোনেও পূৰাব নোৱাৰে। কান্দা খুৰী, কান্দা, যিমান পাৰা কান্দা, তোমাৰ চকুৰ পানীয়ে আমাৰ পথৰ বাধা উটুৱাই লৈ যাব এদিন।-অৰূপৰ দুই গালে দুধাৰ লোটক বৈ গ'ল। ওচৰৰ বাঁহনিডৰাত প্ৰতিধ্বনি উঠিল-অ' পোনা দাইটিয়েৰে কি দোষ কৰিছিল কিয় মাৰিলি-কিয় মোৰ বুকু উদংকৰি মানুহটোক মাৰিলি। আৰু কিমানে প্ৰাণ দিব লাগিব কি ঠিক-অৰূপে ভাবিলে। তুমি কৈছিলা বাচি থকাৰ কাৰণেই আমাৰ সংগ্ৰাম আৰু তুমি, আমি বাচি থকাৰ কাৰণেই মৃত্যুক সাবটি ললা। সোণপাহীয়ে কান্দিছে, খুৰীয়ে কান্দিছে, ইহঁতৰ জন্ম কান্দিবলৈকে নে কি ? নহয় তহঁতৰ সেই চকুপানী জুই হৈ জ্বলি উঠিব লাগিব। সেই অগনিত প্ৰথম আহুতি হ'ব এন্ধাৰৰ পুত্ৰ সেই প্ৰবঞ্চকৰ দল।-সমদলটো লাহে লাহে আগবাঢ়িল বিলৰ পাৰৰ মুকলি পথাৰ খনৰ ফালে। চৈধ্য-পোন্ধৰ বছৰীয়া নৰেণে পাৰি নথকা চুৰিয়া এখন পিন্ধি বাপেকৰ শটোৰ পিছে পিছে গৈ আছে। গাত এখন বগা কাপোৰ আৰু হাতত জ্বলি থকা জোঁৰ।-অৰূপে এবাৰ তাৰ ফালে চালে। সি মাজে মাজে জোঁৰডালৰ পৰা জ্বলি জ্বলি খহি পৰা বাঁহ খৰি আঙঠাবোৰলৈ চায় আকৌ একোবাৰ তাৰ পিছে পিছে আহি থকা মানুহবোৰলৈ চায়। কিশোৰ মনত কিহৰ ধুমুহা বৈছে, অৰূপে বুজিবলৈ চেষ্টা কৰিলে।-নৰেণৰ হাতৰ জোঁৰ এদিন সকলোৱে হাতে হাতে লৈ এই পুৰণি সমাজক কাঠ সংস্কাৰ কৰিব লাগিব।-অৰূপে কথাবোৰ ভাবি ভাবি নৰেণৰ ওচৰত বহিল। মানুহবোৰ সৎকাৰৰ আয়োজন কৰাত ব্যস্ত। ইতিমধ্যে পলমকৈ খবৰ পোৱা মানুহ আহি মৃতদেহৰ চাৰিও ফালে আগুৰি ধৰিছে। এনেতে বিনোদ আহি অৰূপ আৰু নৰেণৰ মাজত থিয় হ'ল। তই তালৈ যা। খুৰীক এবাৰ পৰীক্ষা কৰি কিবা আছে যদি দিবি। মই ইয়াতে আছো।- বিনোদে কলে। অৰূপে কোনো উত্তৰ নিদি লাহে লাহে থিয় হ'ল। সি যে ডাক্তৰ সেইকথা সি পাহৰিয়েই গৈছিল।

অৰূপক পঠাই বিনোদ নৰেণৰ ওচৰতে বহিল। তাৰ চকুৰ আগত সৰুকণ দাইটিৰ মুখখন জিলিকি উঠিল। তাৰ চকুৰ পৰ্দাত জিলিকি উঠিল সি দেখা পোৱা দাইটিৰ সৰু সংসাৰ খনৰ বিভিন্ন ঘটনা। সৰুকণ দাইটিয়ে সকলো কামেই জানিছিল। ভাওনাত ভাও নলয় কিন্তু সদায় আগভাগ লয়। দাইটি নাথাকিলে ল'ৰাবোৰে উৎসাহ নাপায়। কিছু বছৰৰ আগতে তেতিয়া বিনোদ এল পি স্কুলৰ ছাত্ৰ, এটা বিপ্লৱী ৰাজনৈতিক দলে মাটি দখল আন্দোলন এটা ইয়াত কৰিছিল, দলটোৰ শাখা এটা গঠন কৰাৰ দায়িত্ব দিছিল সৰুকণক। কেইবছৰ মানৰ পিছত সেই দলৰ মানুহক চৰকাৰী দলৰ লগত দেখা পোৱাৰ পিছত দাইটিৰ

মোহভংগ হ'ল । সেই ৰাজনৈতিক অভিজ্ঞতাকে মূলধন হিচাপে লৈ বিনোদহঁতৰ লগ লাগিছিল । দাইটিয়ে বিনোদক কৈছিল, তহঁতেও নিৰাকাৰ শইকীয়াৰ দৰে বিশ্বাসঘাতকতা কৰিবি নে কি ?–বিনোদে তেতিয়া একো কোৱা নাছিল । ভাবিছিল সময়ত প্ৰমাণ পাব । কিন্তু এতিয়া তাৰ আগতেই আঁতৰি গ'ল ।–এটা এটাকৈ সকলো কথা বিনোদৰ মনত পৰিল , কাক কব এতিয়া সি;–কঠোৰ শ্ৰম কৰিছিল সৰুকণে পৰিয়ালটোক এমুঠি শান্তিৰে খুৱাবলৈ । নিজৰ বুলিবলৈ ভেটিটোৰ লগতে লাগি থকা মাটি দুবিঘাৰ বাহিৰে খেতিৰ মাটি বুলিবলৈ দ–মাটি ডেৰ বিঘামান ভাগত পাইছিল । বাৰী মাটিৰ আধা বিঘা মান জুৰি থকা বাঁহখিনিয়ে সৰুকণক যথেষ্ট সহায় কৰিছিল । আধি মাটিৰ ধানেৰে কোনো ৰকমে বছৰটো জোৰে । বাকী খৰচ-পাতি, বাঁহৰ কাম কৰিয়েই উলিয়ায় । দিনটো ব্যস্ত থাকে খেতিৰ কামত, গধূলি পাচি খৰাহী সাজে, তাৰ উপৰি বাৰীৰ তামোল-পাণৰ উপৰিও শাক-পাচলিও বজাৰলৈ নি বিক্ৰী কৰে । তথাপি জোৰা নমৰে । খুৰীয়ে কৈ পঠোৱা তিনি মুঠি সূতাৰ ঠাইত দুমুঠিহে আনিব পাৰে ।

তাৰ মাজতে সৰুকণে, টেমা এটাত এটকা দুটকাকৈ কিছু পইছা গোটাই গৈছিল । সোণপাহীৰ মাকে গম পোৱা নাছিল । গম পোৱাৰ কথাও নহয় । এদিন ঘৰত কোনো নোহোৱা ছেগতে সৰুকণে টেমাটো উলিয়াই আনি লেখি চালে, দুশতকৈ কেইটামান বেছি । বেছি হোৱা কেইটা জেপত ভৰাই ৰূপ দুশ আকৌ লেখি লেখি টেমাটোত ভৰালে । মাকে দি থৈ যোৱা সোণৰ গেজেৰাটোও তাতে থলে । বিনোদ ঘৰলৈ আহোতে এদিন তাক সৰুকণে নিজে আহি মাতি লৈ গ'ল ।

–বিনোদৰ মনত পৰিল সেই দিনটোৰ কথা । বেছি দিন হোৱা নাই । বিনোদে মনতে হিচাপ কৰিলে । এমাহ চাৰিদিন ।–বিনোদে ভাবিছিল সোণপাহীৰ বিয়া নাইবা নৰেণৰ পঢ়াৰ বিষয়ে কব । বিনোদক বহিবলৈ দি সৰুকণে নিজেই দুৱাৰ খন বন্ধ কৰি দিলে । সোণপাহীৰ নিশ্চয় বিয়াৰ কিবা বন্দৱস্ত হৈছে বিনোদে ভাবিলে–নহ'লে আন কি গোপনীয় কথা থাকিব পাৰে যিটো খুৰী সোণপাহীয়ে শুনিলে বেয়া হ'ব । সৰুকণ ভিতৰলৈ গ'ল । বিনোদ বহি থাকিল । ক্ষন্তেক পিছতে ভিতৰত থকা কাঠৰ পেৰাটো বন্ধ কৰাৰ শব্দটো বিনোদৰ কাণত পৰিল ।

সৰুকণ ওলাই আহিল । হাতত কাপোৰেৰে মেৰিয়াই থোৱা সৰু এটা টোপোলা । বিনোদৰ নিচেই ওচৰ চাপি সৰুকণ বহিল । কাৰো মুখত মাত বোল নাই । বিনোদে পৰিবেশটো পাতল কৰি লবৰ কাৰণে লাহেকৈ সুধিলে খুৰীহঁত নাই নে কি ?

–নাই, বিলৰ পাৰলৈ গৈছে । সেইকাৰণেই তোক মাতি আনিছো । সিহঁত অহাৰ আগতেই তোক কথা কেইটামান কওঁ ।

–কি কথা–বিনোদে সুধিলে ।

–শুন পোনা, তই এই ঘৰ খনৰ বৰ আপোন, বৰ ল'ৰা হেন ।–সৰুকণে লাহে লাহে কৈ তাৰ আৰু ওচৰ চাপি আহিল । বিনোদৰ গাটো হঠাতে সিৰ সিৰাই গ'ল । সোণপাহীক নিশ্চয় বিয়া দিব খুজিছে কোনোবা ভাল ল'ৰা ওলাইছে বোধহয়–বিনোদে ভাবিলে । বুজিছ পোনা, আয়ে মোক বৰ মৰম কৰিছিল । মোৰ ওপৰৰ দুয়োটাই বিয়া পাতি বেলেগ হৈ গ'ল । মই বিয়া পতাৰ বহুকাল আগতেই পিতাই ঢুকাল । সেউতীক ময়েই পছন্দ কৰিছিলো যদিও আয়ে নিজে গৈ বিয়াৰ বন্দৱস্ত কৰিছিল । মৰিবৰ কেইদিনমান আগতে কি ভাবি জানো, আইয়ে খুৰীয়েৰক ওচৰলৈ মতাই আনিলে, মই তেতিয়া, আইৰ শিতানতে বহি আছো । আইয়ে খুৰীয়েৰৰ হাত এখনত ধৰি সেহাই সেহাই কৈছিল ইয়াক মৰম কৰিবি আই, ই মোৰ বৰ আদৰৰ ল'ৰা । তাক আদৰ যতন কৰিলেই মোৰ আত্মাই শান্তি পাব । বেলেগে আৰু মোৰ কাৰণে একো নকৰিলেও হ'ব । সি মোৰ কাৰণে বহুত কৰিলে ।–তাৰ পিছত মোক ওচৰ চপাই লৈ দুয়োটাৰে গালে মুখে হাত ফুৰাই দি ডিঙিৰ পৰা গেজেৰাডাল সোলোকাই মোৰ হাতত দি কলে মই নাথাকিলেও বিপদত পৰিলে ৰইখা কৰিব ।–সৰুকণৰ চকুদুটা চলচলীয়া হ'ল । বিনোদে তললৈ মূৰ কৰিলে । সৰুকণে আকৌ আৰম্ভ কৰিলে আই ঢুকুৱা বহুবছৰ হ'ল, মই কোনো দিনেই আইৰ অভাৱ অনুভৱ কৰা নাই । খুৰীয়েৰৰ হাতৰ কাণৰ সকলো বিকিলো, কিন্তু লগত লৈ অহা সেই মিঠা হাঁহিটো বেচা নগল সেয়া বুকুতে গুপুতে ৰাখিলে । তোৰ আগত লাজ কৰিবলৈ কিটো আছে একেলগে যুঁজলৈ ওলাইছো যেতিয়া শুন মৰমো একেই থাকিল । ছোৱালী গাভৰু হ'ল, ল'ৰা ডেকা হ'ল।, কিন্তু তাইৰ মৰম সেই আগৰ দৰেই আছে । নাজানো আইৰ আত্মাই শান্তি পাইছে নে নাই মই হ'লে পৰম শান্তিত আছো ।–সৰুকণ ক্ষন্তেক ৰ'ল । বাহিৰত কাৰোবাৰ খোজৰ শব্দ শুনি সেইফালে কাণ উনালে । কোনো নহা যেন দেখি কলে দেহৰ অৱস্থা ভাল নহয়, কোন দিনা চকু মুদিম ঠিক নাই । সেয়ে তোক মাতিছো নহলে মনৰ আশা মনতে মাৰ যাব । মৰমৰ আইৰ বস্তু মোৰ মৰমৰ মানুহকে দিম বুলি ইমান দিনে সাঁচি থৈছিলো ।–সৰুকণে লাজ লাজ কৈ কাপোৰৰ ভাজঁবোৰ একৱাই টেমাটো উলিয়ালে । অকণো শব্দ নকৰাকৈ টেমাটো খুলি গেজেৰা ডাল উলিয়াই তাৰ ফালে আগবঢ়াই দি কলে খুৰীয়েৰক কাণ ফুলি এযোৰ আৰু চেইন এডাল কৰাই দিবি । আৰু দুটামান মণি আছে–এইবুলি বান্ধি থোৱা মণিকেইটা তাক দিলে–ইয়াৰে সোণপাহীলৈ কাণফুলি এযোৰ কৰাবি । গঢ়নিৰ কাৰণে ৰূপ দুশ গোটাই থৈছো । তাকে গোটাব পৰা নাছিলো কাৰণে ইমান দিনে তোক কোৱা নাছিলো । হাতত থাকিলে খৰচ হে হ'ব ।–বস্তু কেইপদ কৰাই দিব নোৱাৰি মোৰ কলিজা খন সদায় দেই পুৰি থাকে ।

সেই দিনাৰ গোটেই দৃশ্যবোৰ তাৰ চকুৰ আগত চিনেমাৰ ৰিলৰ দৰে এটাৰ পিছত এটাকৈ ভাহি উঠিল ।–খুৰীয়ে দাইটিলৈ এখন পোচাকী চুৰিয়া আনিবলৈ কৈছিল ।–বিনোদে নিজকে কলে । বিনোদে বস্তুকেইটা কৰাই দাইটিৰ চুৰিয়া খনেৰে সৈতে একেলগে বান্ধি থৈছিল । আহিবৰ সময়ত আনিবলৈ পাহৰি আহিল । সেইটোকে অৰূপে লৈ আহিছিল । বিনোদে ভাবিছিল, গধুলি গৈ সি বস্তু কেইটা দি আহিব । দাইটিৰ বহু দিনৰ এটা আশা পূৰণ হ'ব ।–আজি দিম কাক, কোনে হাত পাতি লব, কোনে পিন্ধিব ?–দাইটি সোণাৰীয়ে গঢ়া অলংকাৰ নহয় তোমাৰ কলিজাৰ তেজেৰে তুমি আমাক অলংকাৰ পিন্ধাই গলা ।–বিনোদৰ দুইগালে দুধাৰ লোটক বৈ গ'ল । কান্দি কান্দি ক্লান্ত হৈ পৰা নৰেণৰ চকুত পৰে বুলি সি লাহেকৈ চকু পানীখিনি মচি সমুখৰ ফালে চালে । কাৰো মুখত মাত বোল নাই ।

বিনোদে নৰেণক লগত লৈ বাকীবোৰতকৈ আগতে আহিল । লগত আৰু দুজন মান আহিল । নৰেণে ক'ৰবাত ভয় খাব পাৰে । পদূলি মুখত নৰেণৰ মাত শুনি মাকে আকৌ হৃদয় বিদাৰি যোৱা চিঞৰ মাৰিলে দেউতাৰক ক'ত থৈ আহিলি অ' নৰেণ ।

–আই তই ভাগ্যৱতী নাৰী সকলোৰে হৈ জীৱন দিয়া জনহে বীৰ পুৰুষ দেৱতা । কান্দিলে সি ঘূৰি নাহে আই ঘূৰি নাহে ।–লখাই সাতোলাৰো মাতটো থোকাথুকি হ'ল–বুজিছ আই বীৰে মৃত্যুলৈ ভয় নকৰে ।

ঠিক কথা বীৰে মৃত্যুলৈ ভয় নকৰে । দাইটি তুমি বীৰ, কাপুৰুষৰ ভয়ত তুমি নপলালা–কিন্তু সিহঁত পলাল ।

সকলো কাম শেষ কৰি বিনোদ ঘূৰি আহিল । পদূলি মুখত ৰৈ সি এবাৰ উভতি চালে । গাওঁ খন একেবাৰে নিজান পৰি আছে । সি বাহিৰে বাহিৰে পুখুৰীৰ পাৰলৈ গ'ল । সি অহা দেখি অমিয়াই, চুৰিয়া গামোছা নি জেওৰা খনতে থলে । কাৰোমুখত মাত-বোল নাই । সকলোৰে বোধহয় কথা শেষ হৈছে, নাই শেষ হোৱা নাই, কবলৈ বহুত বাকী আছে বিনোদে ভাবিলে ।–দাইটি আঁতৰি গ'ল, মনে মনে নহয়, সশব্দে, এয়াতো মৃত্যু নহয়, অন্যায়ৰ প্ৰতিবাদ প্ৰতিৰোধ । হৈ যোৱা ঘটনাটোৰ কথা তাৰ মনত পৰিল ।–সৰুকণে, কেৰাচিন তেলৰ বটলটো এহাতে আৰু মচুৰমাহ আধাকিলো, আলুকেইটামানেৰে গামোচা খনতে বান্ধি এহাতে লৈ আহি আছে । বৃকোদৰ মহাজন দোকানৰ পৰা অলপদূৰ আহিয়েই সৰু আলিটো বিনোদহঁতৰ গাঁৱৰফালে সোমাই আহিছে । সেইখিনিত কোনো মানুহ নাই । এখন প্ৰকাণ্ড এৰা বাৰী । জাতি বাঁহে ৰাস্তাডোখৰ দিনতে এন্ধাৰ কৰি ৰাখে । সেইখিনিতে তাৰ পিছে পিছে কোনোবা অহা যেন পাই এবাৰ এন্ধাৰতে ঘূৰি চালে । ঠিক সেই মূহুৰ্ততে কোনোবা এটাই আহি সৰুকণক পিছফালৰ পৰা ডিঙিটোত খাপ মাৰি ধৰিলে ।

ক, বিনোদ, বলীনহঁতৰ লগ এৰিবিনে নেৰ ?–এৰাবাৰীতে প্ৰাকৃতিক কাম ফেৰা সমাধা কৰো বুলি জাতি বাঁহ এজোপাৰ আঁৰলৈ, ৰামধন দৰ্জি বহিছে মাথোন । ৰাস্তাত কথাৰ কটা-কাটি শুনি সেইফালে কাণ উনালে । এবাৰ বহাৰ পৰাই ডিঙি মেলি চালে । তাৰ কাণত সিহঁতৰ কথাবোৰ স্পষ্ট ভাবে পৰিল ।

–সিহঁতে কি দোষ কৰিলে ?–সৰুকণৰ মাতত কোনো ভয় নাই

–চালা, কুকুৰ, সিহঁতে কি দোষ কৰিলে–আন এটাই সৰুকণৰ চুলিত ধৰি জোকাৰি দিলে ।

–মাটি এৰি দিবি নে নিদিয় ?

–তোক বহুদিনৰ পৰা চাই আছো !

–তোমালোকক লাগে কি ? মাটি যদি পাবলগীয়া হয় পাবা । ৰাস্তাত ধৰি মাটি বিচাৰিলেই–কি কোনোবাই মাটি দিব ?

–বৰ বৰ কথা নকবি–মুখ বন্ধ কৰ । আজিৰ পৰা আধি মাটিত ভৰি নিদিবি ।

–আন্দোলন বন্ধ কৰিবি নে নকৰ ? বলীন মহেশহঁততকৈ গাঁৱত তোৰ উৎপাতহে বেছি ।

–চাই থাকিলে লাভ নাই দুমাৰ দি পেলাই থোৱাই ভাল ।

–যি ইচ্ছা কৰিব পাৰা মই কাৰো ভাবুকিলৈ ভয় কৰি কাম নকৰো । কাৰো অন্যায় কৰা নাই আৰু নকৰো । অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ গৈ মৰিব লগা আছে যদি মৰিম । পিছে মোক মাৰি তোমালোকৰ কি লাভ হ'ব ?

–বৰ বৰ কথা দেখোন তোৰ–এই বুলি এটাই ঘোচা এটা মাৰি সৰুকণক মাটিত পেলাই দিলে ।–ৰামধনে লৰা-লৰিকৈ পোনটো মাৰি হাতৰ ঘটি পেলাই দৌৰ মাৰি আহি সিহঁতক ধৰি আঁতৰাব খুজিলে–নাপায় বোপাইহঁত এইবোৰ বেয়া হৈছে ।

–কুকুৰ তইও বিনোদহঁতৰ দালাল । আঁতৰ হ বুলি ৰামধনৰ পিঠিত লাখুটিৰে কোব এটা মাৰি গটিয়াই আঁতৰাই দিলে । ৰামধন দৰ্জি আঁতৰি গ'ল । ল'ৰা কেইটাক চিনি নাপালে মুখত কাপোৰ মেৰিয়াই লৈছিল । মাতবোৰ চিনাকি এটা মহাজনৰ পুতেক অনিল বাকী দুটা তাৰ লগৰে ।

ৰামধনে পুলিচৰ আগত সকলো কথা কৈছে । সৰুকণেও বিনোদহঁত গৈ পোৱাৰ আগতেই কিছু কথা কৈছিল । এইবোৰ ভাবি আৰু লাভ নাই দাইটিয়ে মাথোন ইয়াত এক মৃত্যুহীন ঐতিহ্য সৃষ্টি কৰি গ'ল বিনোদে ভাবিলে ।

গা ধুই বিনোদ সোমাই আহিল । অৰূপ বিছনাত দীঘল দি পৰি আছে । টেবুলৰ ওপৰত সৰু কাগজৰ পেকেটটো তেতিয়াও আগৰ ঠাইত পৰি আছিল । বিনোদে এবাৰ পেকেটটোলৈ চালে । হঠাতে তাৰ মনটো সেমেকি গ'ল ।–মৃত্যুৰ আগতে যদি দিব পাৰিলোহেঁতেন সি নিজকে ভয়ে ভয়ে কলে ।

ৰাতিপুৱা শোৱাৰ পৰা উঠি বিনোদে অৰূপক বিছনাতে এৰি গাঁৱলৈ ওলাই গ'ল । দেউকণ, ভোলা, অসীমহঁত ইতিমধ্যে তিনিও খন গাঁৱতে খবৰ দিবলৈ গলেই,–আজি দুপৰীয়া স্কুলৰ খেল পথাৰতে ৰাজহুৱা সভা বহিব । নিৰ্বাচনৰ ভোট বিচৰা সভাৰ বাহিৰে খেল পথাৰত ৰাইজৰ সমস্যাৰ বিষয়ে আলোচনা কৰা কোনো জনসভা আজিলৈকে অনুষ্ঠিত হোৱা নাই । বিনোদ কৃষক সংঘৰ অফিচটোৰ ফালে গ'ল । পতাকা খন অৰ্ধনমিত হৈ আছে । মহেশটো বৰ সচেতন বিনোদে ভাবিলে ।

বিনোদ ঘূৰি আহিল । অৰূপক সভাৰ পিছত যাবলৈ কলে । ৰাইজৰ সিদ্ধান্ত সমূহ সি জানি থোৱাটো ভাল । অৰূপ মান্তি হ'ল । সি আজি যাবই লাগিব গণ হত্যাৰ প্ৰতিৰোধ ৰচনা কৰিবলৈ হ'লে সিহঁতে এতিয়া প্ৰতিটো মুহূৰ্ত কামত লগাব লাগিব ।–এই খবৰটো পাইছে যদি ৰাধাই তাৰ কাৰণে চিন্তা কৰি থাকিব অৰূপে ভাবিলে । সি কালিয়েই যোৱাৰ কথা আছিল ।

দুপৰীয়া কিবা অকণমান খাই বিনোদ আৰু অৰূপ ওলাই গ'ল । এই প্ৰথম, বিনোদৰ মনটো উৰুঙা উৰুঙা লাগিল । ৰাইজৰ কিবা সভা বা আন কাম ওলালে সৰুকণ দাইটি আগতে ওলাই আহি বিনোদহঁতৰ ঘৰত বহে । তাৰ পিছত বিনোদক লগতলৈ লখাই সাতোলাক মাত এযাৰ দি লক্ষ্য স্থানলৈ খোজ দিয়ে ।

খেলপথাৰত বহুত মানুহ গোট খাইছে । বাগানৰ ভালেখিনি বনুৱাও আহিছে । বিনোদৰ মনটো ফৰকাল হ'ল । সভা থলীত সংঘৰ পতাকাখন অৰ্ধ-নমিত কৰি ৰাখি সকলো চাৰিওফালে থিয় হ'ল ।

ৰাইজ পৰকালত আমাৰ বিশ্বাস নাই আমাৰ বিশ্বাস মানুহৰ কৰ্মতহে । আমাৰ কৃষক সংঘৰ সভাপতিক মাটিৰ মালিক মহাজন দস্যুবোৰে পৰহি হত্যা কৰিলে–লখাই সাতোলাই কঁপা কঁপা মাতেৰে কৈ গ'ল–আমি তেওঁৰ কৰ্ম, সাহস, আৰু আমাৰ প্ৰতি আস্থা সকলোৱে ক্ষন্তেক সুঁৱৰি, তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাওঁ ।–ক্ষন্তেক সময় সকলো মৌন হৈ থাকিল ।–অৰূপকে আলোচনা আৰম্ভ কৰিবলৈ কলে । সি বিমোৰত পৰিল ।

ৰাইজ আমি ইয়াত কিয় গোট খাইছো সেইটো জনোৱাৰ আগতে মই জনাব খুজিছো যে আজি আমি ইয়াত আমাৰ সকলো কথা খৰছি মাৰি আলোচনা কৰিম, কাম ভগাই লম, আৰু সেইমতে কৰি যাম , নহলে, সৰুকণ দাইটিৰ দৰে আমি বহুতেই জীৱন দিব লাগিব ।–অৰূপে আৰম্ভ কৰিলে মাটিৰ মালিক, বাগানৰ মালিক, শিল্প উদ্যোগৰ মালিক, মহাজন, আদি এই শোষক শ্ৰেণীটোৱে চৰকাৰৰ আৰ্শীবাদ লৈ আমাৰ ওপৰত নিপীড়ন চলাই আছে, অথচ আমি সিহঁতকেই সমাজত ভাল মানুহ বুলি ঠাই দি আছো । বাহিৰত ভাল মানুহ বোলাই ভিতৰত বলিয়া কুকুৰ লগাই দুখীয়া ৰাইজক মাৰি ফুৰিছে । আপোনালোকে সেই শোষকবোৰৰ আজ্ঞাবাহী ভৃত্য বলিয়া কুকুৰ বোৰৰ ওচৰত অযথা ডিঙি পাতি নিদিব মানে সিহঁতৰ লগত যুঁজ নকৰিব । আমি যুঁজ কৰিব লাগিব সিহঁতৰ প্ৰভুবোৰৰ বিৰুদ্ধে । কেইটামান বলিয়া কুকুৰে আমাৰ মাজৰ পৰা দাইটিক কাঢ়িলৈ গ'ল । ই আমাৰ দুৰ্বলতাকে প্ৰমাণ কৰিলে । দাইটিৰ সংগ্ৰামী ঐতিহ্যক জীয়াই ৰাখিব পাৰিম যদিহে আমি সকলোকে এক গোট কৰি আমাৰ মহান লক্ষ্য শোষণ মুক্ত সমাজ এখন গঢ়াৰ ফালে লৈ যাব পাৰো । বৰ কষ্টকৰ হলেও তাত আনন্দ আছে সৃষ্টিৰ আনন্দ ।

অৰূপে লাহে লাহে কথাবোৰ ফঁহিয়াই কৈ গ'ল । সকলোৱে নিমাতে শুনি গ'ল । ৰাইজৰ প্ৰধান সমস্যা মাটি । মাটি কেন্দ্ৰীভূত হৈছে এমুঠি মানুহৰ হাতত ফলত ভূমিহীন মানুহৰ সংখ্যা দিনে দিনে বৃদ্ধি পাইছে । তাৰ ওপৰত মাটিৰ মালিকৰ নিষ্ঠুৰ শোষণ । এই শোষণৰ বিৰুদ্ধে সকলো একগোট হৈ থিয় হোৱাত বাধা দিছে পুৰণিকলীয়া নীতি নিয়মবোৰ জাত-পাতৰ বিচাৰে । সেই বিধি-বিধানৰ ৰক্ষক সকলে ৰাইজৰ হাত শক্তিশালী কৰা নাই কৰিছে সেই শোষক শ্ৰেণীটোৰ ।–অৰূপে ঠিকেই কৈছে বিনোদে ভাবিলে আমি সেই বিধি–বিধানৰ বিপক্ষেও থিয় দিব লাগিব ।–বিনোদে এবাৰ চাৰিওফালে চালে–এটা অঞ্চলক কেন্দ্ৰ কৰি গঢ়ি তোলা কৃষক সংঘটোক ৰাজ্যিক ভিত্তিত গঢ়ি তুলিব পাৰিলে নিশ্চয় কিছুকাম আগবাঢ়িব–সি ভাবিলে বিক্ষোভ আৰু সমাবেশলৈ যদি আন অঞ্চলৰো মানুহ আনিব পৰা যায় তেন্তে এইবাৰ চৰকাৰে চৰকাৰী মাটিৰ পৰা কাকো উচ্ছেদ কৰিব নোৱাৰিব–কাৰণ প্ৰায়বোৰ অঞ্চলতে সেই একে সমস্যা ।

ৰাইজে ঠিক কৰিলে, সকলোৱে মিলি ৰাজহুৱা ভাবে সৰুকণ বৰুৱাৰ শ্ৰাদ্ধ পাতিব আৰু তাৰ পিছত আগতে ঠিক কৰা তাৰিখতে কাছাৰীত গৈ বিক্ষোভ কৰিব । চৰকাৰী মাটি, আধি মাটিৰ দখল ৰাইজে এৰি নিদিয়ে ।

অৰূপ আজিয়েই নগৰলৈ যাব–গাঁৱৰ বাতৰি সি ইউনিয়ন কেইখনক জনাব । সেইদিনা যদি শ্ৰমিক সকল আহি সহযোগ কৰে তেন্তে এই মিলিত শক্তিয়ে অসাধ্য সাধন কৰিব পাৰিব ।–সি ভাবিলে । সভাৰ কাম শেষ কৰি দুয়োটা ঘৰলৈ আহিল । অৰূপে তাৰ কাগজ পাতিবোৰ গোটাই ললে । সকলো ঠিক কৰি সি বিছনাতে বহিল । বিনোদ তল মূৰকৈ বহি আছে । সি নিশ্চয় কেতিয়া যাব চিন্তা কৰিছে অৰূপে ভাবিলে ।–তই কেইদিনমান থাক, মই খবৰটো দিম । তই ইয়াত নাথাকিলে আৰু ঘটনা ঘটাৰ সম্ভাৱনা আছে ।

–তই প্ৰেছত খবৰটো দিবি ? পিছে এটা কথা–বিনোদ ৰৈ গ'ল

–বুজিছো, পইছা। মোৰ হাতত অলপ আছে–অৰূপে তাৰ বেগৰ পৰা টকা দুশ উলিয়াই তাৰ জেপত সুমুৱাই দিলে কালিলৈ নিশ্চয় কোনোবা আহিব, তেতিয়া আৰু অলপ যোগাৰ কৰি দি পঠাম।– বিনোদে একো নকৈ তাৰ মুখলৈ চালে। তেন্তে মই যাওঁ–অৰূপৰ মনটো হঠাতে গধুৰ হৈ পৰিল। কাগজৰ পেকেটটো তেতিয়াও একে ঠাইতে পৰি আছে। অৰূপে লাহেকৈ পেকেটটো চুই চালে।

–বিনোদ অৰূপৰ এটা দীঘল হুমুনিয়াহ ওলাই আহিল।

"–মৃত্যুতো নহয় ক্ষয়
সোণৰ কলচী মৃত্যু, জীৱনৰ সি ওখ জয় দৌ'ল।"

বিনোদে বুজিলে অৰূপে তাৰ বুকু ভাঙি যোৱা বেদনাক হেঁচি ৰাখিব খুজিছে।

অদূৰত বিনোদৰ মাক আৰু অমিয়াই থিয় হৈ দুয়োটালৈকে চাই আছে।

–তেন্তে মই যাওঁ বিনোদ–বিনোদ নিমাত–এইবাৰ তেনেহলে মই ভগ্নদূত।–তাৰ চকুদুটা সেমেকি গ'ল। বিনোদে তাৰ মুখলৈ চালে।

–মনত ৰাখিবি বিনোদ, ভাগৰি নপৰো, এইবাৰ বিজয় ডংকা বজাই আহিম, বাটৰ ধূলি উৰুৱাই আহিম–

'সংগ্ৰাম আন এটি নাম জীৱনৰে
ইতিহাসে চিঞৰিব জয়-জনতাৰে।

অৰূপৰ পুৰুষ কণ্ঠই দি সুললিত সুৰত ওলাই অহা গীত ফাকিয়ে মাক আৰু অমিয়াক ওচৰ চপাই আনিলে। বিনোদৰ মাকে তাৰ মুখলৈ চালে অৰূপৰ চকুৰ কোণত দুটোপাল চকুলো তিৰবিৰাই আছে যেন বহু দূৰত জ্বলি থকা দুকুৰা জুইহে। বিনোদৰ মাকে, ওচৰ চাপি আহি হেপা মেলি তাৰ মূৰটো চপাই আনিলে, ৰিহাৰ আঁচলেৰে চকু পানী দুধাৰ মচি দি কপালতে এটা চুমা খালে।–মূৰৰ চুলিৰ সমান আয়ুস দিছো বোপাই।

বিনোদক এৰি অৰূপ গাড়ীত বহিল। দুৰন্ত গতিত আগবাঢ়িল তাৰ গাড়ী।–বিস্তীৰ্ণ ধাননি পথাৰ, গছ গছনিৰে ভৰা গাঁও, মুকলি আকাশ, নৈ জান জুৰি, অনন্ত যৌৱনা সুন্দৰী পৃথিৱী–অৰূপে ভাবিলে–তোমাৰ বুকুত আছে সভ্যতাৰ ৰামানামী কাপোৰ লৈ আদিম বৰ্বৰ যুগ।–দাইটিয়ে কি বিচাৰিছিল–মানুহৰ জীৱন হৰ্যময় কৰি তুলিবলৈ–তেওঁৰ দোষ মানুহক ভাল পাইছিল–তেওঁৰ পাপ, তেওঁ দৰিদ্ৰ। নাই ইয়াৰ শোধ লবই লাগিব। নহলে ইতিহাসে আমাক ক্ষমা নকৰিব।–অৰূপ উত্তেজিত হ'ল–সুদে মূলে আদায় কৰিব লাগিব আমাৰ প্ৰাপ্য।

টাউন সোমোৱাৰ লগে লগে তাৰ মনটো উৰা মাৰিলে ৰূপাৰ ওচৰলৈ, তাৰ পিছত ৰাধাৰ ওচৰলৈ। সি যাব কোন ফালে সময়ো হ'ল যথেষ্ট। সি ইউনিয়নৰ অফিচলৈ গ'ল, তাতেই খবৰ পালে বিক্ৰম আৰু ৰাধা অলকৰ গাড়ীত বিনোদহঁতৰ ঘৰলৈ গৈছে। ঘূৰি আহোতে পলম হ'ব। দেৰি হ'লে নাহিবও পাৰে। ইয়াত কাম শেষ কৰিহে গৈছে।

ইউনিয়নৰ অফিচৰ পৰা অৰূপে বাহিৰে বাহিৰে খবৰটো দি পোনে পোনে মাধুৰীৰ ঘৰলৈ আহিল।

–ইমান হুলস্থূল লগাৰ পিছতো তই কিয় ৰাতিখন আহিলি। কালিলৈ পুৱা অহা হলে কি অসুবিধা হ'লহেঁতেন–মাধুৰীয়ে যেন–সি ভালে ভালে ঘূৰি অহাতহে ভয় খালে। অৰূপে একো নামাতিলে। এনেতে ৰূপা ওলাই আহিল।

–তুমি ফুৰিব পৰা হলাই।–ৰূপাই অৰূপলৈ চাই হাঁহিলে। ওচৰ চাপি আহি গাঁৱৰ সকলো খবৰ ললে।

মুখ হাত ধুই অৰূপে, ৰূপাই আনি দিয়া চাহ কাপ হাতত লৈ তাইৰ মুখলৈ চালে। এই দুদিনতে বেচ্ সুস্থ যেন লগা হৈছে। চাহ কাপ হাতত লৈয়ে সি বাহিৰৰ কোঠালৈ গ'ল। বেগৰ পৰা কাগজবোৰ উলিয়াই টেবুলতে থলে। চাহ খাই সি কিবা এটা চাব খুজি বৈ গ'ল। নিচেই ওচৰতে ৰূপাই তালৈ একান্ত মনে চাই আছে। নাই এইবোৰ পিছত কৰিম সি নিজকে প্ৰবোধ দিলে ৰূপাই নিশ্চয় তাক কিবা কবলৈ বিচাৰি আছে। সিও জানো বিচৰা নাই।–এনেতে দেহজুৰে বাতৰি কাকত দুখন আনি তাৰ হাতত তুলি দিলে। ৰূপাই কাপ-প্লেট জোৰ হাততলৈ ভিতৰলৈ গ'ল।

অৰূপে বাতৰি কাকত কেইখনত চকু ফুৰালে। নাই, কতো ওলোৱা নাই। হঠাতে এটা বাতৰিত তাৰ চকু পৰিল অবৈধ ভাবে মাটি দখল কৰাৰ অভিযোগত দুজন গ্ৰেপ্তাৰ।–দৰিকাক এৰেষ্ট কৰা খবৰটোৱেই নিশ্চয় হ'ব–অৰূপে ভাবিলে। গাঁৱত কৃষকৰ মাটিয়েই জীৱন কি মোহ মাটিৰ প্ৰতি! তাৰ কাৰণে যুঁজ কৰিবলৈ গৈ সেই এচুকীয়া গাওঁ কেইখনৰ মানুহে সমাজখনকে সলনি কৰিবলৈ সাজু হৈছে। অভাৱ নিচেই সামান্য তাকে পূৰাবলৈ গৈ জীৱন দিব লগা হৈছে। অথচ সেইবোৰ খবৰ নহয়। নিৰাকাৰ বিজয়হঁতৰ সাংস্কৃতিক সংঘৰ বাতৰি বিবৃতিয়ে পৃষ্ঠাজুৰি আছে আনফালে সংস্কৃতিৰ স্ৰষ্টা কৃষকৰ তেজেৰে জনপথ, পথাৰৰ পলসুৱা বোকা সিক্ত হৈছে এচাহী মাটিৰ কাৰণে, এমুঠি ভাতৰ কাৰণে সেইবোৰ জাতীয়তাবাদী কাকতত ঠাই নাপায়। কবি তুমি ঠিকেই কৈছিলা–

কুল খুৰা নাই
বাতৰি কাকতত খবৰ নোলাল
আজিৰ বাতৰিত শিৰোনামা নাপাই খুৰাই।
কুল খুৰা সপ্তাহৰ মানুহ যে নহয়
নহয় বছৰৰ
কুল খুৰা শত শতিকাৰ।

দাইটি তোমাৰ মৃত্যু হোৱা নাই, এয়াতো মৃত্যু নহয়, এয়া মাথো সংগ্ৰামৰ আগ্নেয় অংগীকাৰ–অৰূপৰ মনটো ৰোমাঞ্চিত হৈ উঠিল। যুগ যুগ ধৰি অন্যায় অত্যাচাৰৰ বিৰুদ্ধে কৃষকে সংগ্ৰাম কৰি আহিছে, এটা জাতিৰ গৌৰৱ সেই সুমহান ঐতিহ্যৰ নায়কৰ ভূমিকাত অবতীৰ্ণ হৈছে। তথাপি আমাৰ বুদ্ধিজীৱী-চিন্তাশীল সকলৰ দৃষ্টিত সেই মৃত্যুহীন ঐতিহ্য ধৰা পৰা নাই তেওঁলোক ৰজা মহাৰজা আৰু শাসক গোষ্ঠীৰ কুলপঞ্জী ব্যাখ্যা কৰাত ব্যস্ত। সঁচাকৈ জনসাধাৰণ অসাধাৰণ।

–কি ভাবিছে–ৰূপাৰ মাতত অৰূপ চক্ খাই উঠিল।

–ভাবিছো জীয়াই থকাৰ কথা মানে দাইটিৰ কথা তোমালোকৰ কথা–সংগ্ৰামৰ কথা বহুত। তাই তাৰ মুখলৈ চাই থাকিল–ইমান সুন্দৰ,–কিয় বাৰু অঘৰীৰ দৰে ঘূৰি ফুৰে। কি লাভ হ'ব তেওঁৰ নিজৰ–ৰূপাই ভাবিলে। তাতকৈ যে বেছি তাই ভাবিব নোৱাৰে। তাই জানে নিজৰ স্বাৰ্থৰ কাৰণেই মানুহে সকলো কৰে তাই নাজানে যে ব্যক্তি স্বাৰ্থক সামাজিক স্বাৰ্থৰ লগত মিলাই দি সকলো মানুহক মুক্ত কৰাৰ কাৰণেই যে অৰূপ বিনোদহঁত ওলাই আহিছে।

–কিবা কৰা ৰূপা–(দুদিনতে এই মাধুহঁতক আপোন কৰি ললে। ইমান মৰমলগা মুখ খন। বুকুত তাই বহুত বেদনা লুকুৱাই ৰাখিছে।)

–মই ঘৰলৈ যাওঁগে বুলি ভাবিছো।

–কেতিয়া, কিয়–অৰূপে ভৰা নাছিল তাই সেই কথা কব বুলি।

–আপুনি যেতিয়া যাবলৈ কয়। পিতাই পৰহিলৈ আহিব।

–মাধুক কৈছিলা ?

–ওঁ।

–কি কলে।

–এতিয়া যাব নালাগে বুলি কৈছে।

–চিকিৎসা শেষ হোৱা নাই, এতিয়া যাব নালাগে।

–আপুনি জানো ইয়াত থাকিব ? (ছিঃ কি কথাটো সুধিলো ? কি ভাবিছে বাৰু ?)

–মই থাকিলে থাকা যদি থাকিম। মাজে মাজে অৱশ্যে গাঁৱলৈ গৈ থাকিব লাগিব।

–নহয় মানে–তাই কথাষাৰ সলাবলৈ চেষ্টা কৰিলে মোৰ যে ইয়াত চিনাকি মানুহ নাই। (তুমি থাকিলে মই সদায় ইয়াতে থাকিম।)–মই জানো, সদায় ইয়াতে থাকিম ? এদিনতো যাবই লাগিব।–কথাষাৰ কৈ তাই অৰূপলৈ চালে। (কেনেকৈ সৰু ল'ৰাৰ দৰে চাই আছে। নিশ্চয় তোমাৰ বুকুত একুৰা জুই আছে।)

—ৰূপা, বিৰাট এটা পৰিয়ালৰ ভিতৰত মাধুৰ বাহিৰে মোৰ ওচৰত কোনো নাথাকিল। হয়তো এদিন তাইৰ পৰাও আঁতৰি যাম। তেতিয়া মোৰ ওচৰত ময়েই থাকিম, মানুহৰ প্ৰতি থকা এবুকু ভালপোৱালৈ। ভাবিছিলো তুমি কিছু দিন থাকিবা এতিয়া তুমিও যাব খুজিছা।





–মই মইতো যাব খোজা নাই (কিয় কৈছিলো বাৰু) আপুনি মোৰ কাৰণে বহু কষ্ট কৰিছে কিন্তু মইতো একো দিব পৰা নাই!

–কাৰোবাৰ কাৰণে কিবা কৰাৰ শক্তি মোৰ নাই–ইচ্ছা আছে। সেই মাথো তোমাৰ মাজত নিজক বিচাৰি পাইছো, বিচাৰি পাইছো আৰু বহুত। তুমি নুবুজিবা সোণজনী–কব নোৱাৰাকৈয়ে অৰূপে তাইৰ হাত এখন নিজৰ দুই হাতৰ মাজত সুমুৱাই ললে–মানুহক ভাল পাওঁ, ভাল পাওঁ পৃথিৱীখনক, ইমান ধুনীয়া পৃথিৱী খন ঠিক তোমাৰ নিচিনাই–ৰূপাই লাজত আন খন হাতেৰে তাৰ চুলিৰ মাজত কিবা বিচাৰিবলৈ ধৰিলে–মানুহৰ জীৱনবোৰ সুন্দৰ কৰিবলৈ বিচাৰো। যেনেকৈ তুমি বিচৰা এখন সুন্দৰ সংসাৰ মইও দেখিছো এখন সুন্দৰ সমাজৰ স্বপ্ন। তুমি নাজানা সোণজনী, তোমাৰ এবুকু মৰম ভালপোৱাই মোৰ স্বপ্ন দৃষ্টি–ৰূপ দৃষ্টি। এদিন তোমাৰ মোৰ ভালপোৱাই পৃথিৱীখনক আঁকোৱালি লব সমাজৰ ৰূপ সলনি কৰাৰ সংগ্ৰাম আগবাঢ়ি যাব তাৰ পিছত এদিন আমাৰ যৌৱনৰ স্বপ্নই সত্য হৈ ধৰা দিব। আমাৰ সংগ্ৰাম সাৰ্থক কৰাৰ মাজেৰেহে প্ৰেমক অমৰত্ব দান কৰিব পাৰিম। তুমি সুস্থহৈ উঠিবা দুয়ো কান্ধত কান্ধ মিলাই সংগ্ৰামীৰ সহযাত্ৰী হ'ম। তোমাৰ প্ৰেম হ'ব আমাৰ সকলোৰে পাথেয়।–ৰূপা তেতিয়া অৰূপৰ বুকুৰ মাজত–সোণজনী তুমি কান্দিছা, ছিঃ কান্দিব নাপায় আপোনজনে কষ্ট পায়। এবাৰ অন্তৰ্দৃষ্টিৰে ভাবি চোৱাচোন, গাঁৱৰ সেই আশাহত মানুহবোৰ কিমান আশাৰে ব্যাকুল হৈ আমালৈ চাই আছে। যি দিনা আমি সিহঁতৰ হৃদয়ৰ ভাষা বুজি পাম, আমাৰ কণ্ঠত সেই ভাষাই সুৰ হৈ বাজি উঠিব, সেইদিনা তোমাৰ এই চকুলো অনিৰ্বান দীপশিখা হৈ জ্বলি উঠিব। অৰূপে তাইৰ চকুপানী দুধাৰ মচি দিলে–জানা ৰূপা, তোমাৰ মোৰ এই ৰঙীন মন, উজ্জ্বল মুখ আৰু যৌৱনক ধৰি ৰাখিব পাৰিম চাপে চাপে সংগ্ৰাম সাৰ্থক কৰাৰ মাজেৰে। অন্যথাই দুদিন পিছত, যৌৱন শেষ হৈ যোৱাৰ লগে লগে, প্ৰেম ভালপোৱাও এইখন বিযাক্ত সমাজত মৰহি যাব–অসুয়া অপ্ৰীতি আৰু গৃহ কন্দলে আমাৰ প্ৰেমৰ সাম্ৰাজ্য দখল কৰিব। কোৱা পাৰিবা জানো সেইটো হ'বলৈ দিব ?–সি তাইৰ মুখলৈ চালে। একো উত্তৰ নিদি তাই তাৰ বুকুৰ মাজত নিজৰ মুখ খন লুকুৱাবলৈ চেষ্টা কৰিলে।–উত্তৰ নিদিয়া কিয় ?

–মই কি উত্তৰ দিম। আপোনাৰ দৰে কথা কব নাজানো। তাইৰ চকু চল চলীয়া হ'ল

–তুমি যদি যোৱাগৈ মইয়ো যামগৈ ?

-কৈলৈ ? নিদিওঁ তোমাক যাবলৈ । হঠাতে তাই তুমি সম্বোধন কৰি থত মত খালে । তাই তাক সাবটি ধৰিলে ।

-জন সমুদ্ৰত ডুব দিম, তুমি নাথাকিলে এদিন সংগ্ৰামৰ মাজত হেৰাই যাম-হয়তো মানুহে পাহৰি যাব যিটো নিতান্তই স্বাভাৱিক কিন্তু জীয়াই থাকিব আমাৰ এই অমৰ প্ৰেম, আশাহতৰ প্ৰাণত আশাদি মানুহৰ নৱজন্মৰ সংগ্ৰামৰ যোদ্ধাৰ জয়যাত্ৰাৰ পাথেয় হৈ । যি দিনা এই সংগ্ৰাম সাৰ্থক হ'ব, সেইদিনা আমাৰ এই প্ৰেম, নতুন মানুহৰ মুখত হাঁহি হৈ ফুটি ওলাব, জীয়াই থাকিব আমাৰ প্ৰেম । এই আশালৈয়ে মই যামগৈ আৰু তুমিও তাকে লৈ যোৱাগৈ ।

-নাই মই নাযাওঁ তোমাৰ লগতে থাকিম-কিন্তু ইয়াত ৰূপাই মনৰ গোপন বেদনা প্ৰকাশ কৰিব নোৱাৰি অৰূপৰ বুকুত হাত মুখ মোহাৰি মোহাৰি খুচ মুচাই থাকিল মোৰ পৰা তোমাৰ কি উপকাৰ হ'ব কিবা দিয়াৰ শক্তি নাই । মৰম ভালপোৱাৰ বাহিৰে

-তাকেই বিচাৰিছো যি প্ৰেম সংগ্ৰামীৰ পাথেয়, অস্ত্ৰ, শক্তি সকলো ।-ৰূপা ?

-কি ,

-এটা কথা কওঁ,

-কোৱা,

-ঘৰৰ পৰা ওলাই অহাৰ দিনা মায়ে মোক বাধা দিয়া নাছিল । মোৰ গালে মুখে চুমা খাই মোৰ আঙুলিত এই আঙঠিটো পিন্ধাই দি কৈছিল-মোৰ স্মৃতি হিচাপে এইটোকে লগত ৰাখিবি যি দিনা তোৰ জীৱনলৈ কোনোবা এজনী আহিব তাইক তই নিজ হাতে এইটো পিন্ধাই দিবি । মোৰ সকলোখিনি মৰম তাই দিব । অকলশৰে নকটাবি তোৰ পছন্দমতেই এজনী গোটাই লবি । আধৰুৱা জীৱনে মানুহক সম্পূৰ্ণকৈ বুজি নাপায় ।-অৰূপে তাইক আঙঠিটো দেখুৱালে-তাৰ পিছত মায়ে আঁচলেৰে মুখ ঢাকি আঁতৰি গৈছিল । আৰু মই সশব্দে মোৰ কোঠাৰ দুৱাৰ খন বন্ধ কৰি ওলাই আহিছিলো । মুহূৰ্ততে মোৰ বন্ধ দুৱাৰৰ শব্দ প্ৰতিধ্বনিত হৈছিল দেউতা, আৰু বাগানত থকা দাদাৰ কাণত । মোক গুলীয়াই মাৰিবলৈ দাদাই পাগলৰ দৰে বাগানৰ পৰা আহিছিল ।-সেইদিন ধৰি ঘৰ দেখা নাই । মৃত্যুৰ সময়তো মাক দেখা নাপালো খবৰ নিদিলে । মায়ে পিন্ধাই দিয়া আঙঠিটো কোনো দিন খোলা নাই - অৰূপে আঙঠি খুলি তাইৰ কোনটো আঙুলিত খায় চালে । পিন্ধাই দি সি তাইক আঁকোৱালি লৈ গালে মুখে চুমা খাই তাইলৈ চালে ।

-মোৰ সোণ তুমি কান্দিছা, মই আছো সদায় থাকিম, তোমাৰ লগত ছাঁটোৰ দৰে, তোমাৰ পথৰ বাধা মই যদি আঁতৰাই দিব পাৰিলোহেঁতেন ।-ৰূপাই অৰূপৰ মুখখন নিজৰ বুকুৰ মাজত সুমুৱাই মৰম কৰি দিলে । অৰূপেও তাইৰ বুকুত মুখ গুজি অকণমান শান্তি বিচাৰি শান্ত শিশুৰ দৰে তাইৰ মুখলৈ চাই ৰ'ল, যেন এটি অনাথ শিশুৱে অকণমান মাতৃস্নেহ বিচাৰিছে ।

বাঃ কি সুন্দৰ মোৰ সোণটো তাতোকৈ সুন্দৰ তোমাৰ মনটো তাই নিজকে কলে । ৰূপাই তাৰ মূৰটো আলফুলে বুকুত লৈ এটা শিশুক মৰম কৰা দি সাবটি ললে ।

ভাত খাই অৰূপ শুবলৈ গ'ল । অলক বোধহয় আজি নাহিব-সি ভাবিলে । মাজৰ কোঠাত দেহজুৰক শুবলৈ কৈ অৰূপ প্ৰথম কোঠাটোত থকা বিছনা খনতে শুলে । মাধুয়ে তাক ভিতৰৰ কোঠাত শুবলৈ কৈছিল । ৰাতি পুৱা সোনকালে উঠি গোহাৰি এখন লিখি সম্পূৰ্ণ কৰিব লাগিব সেয়ে সি সেই কোঠাটোতে শুলে ।

মাধুৰ ওচৰৰ বিছনা খনতে ৰূপা শুলে । বহু ৰাতিলৈকে তাইৰ টোপনি অহা নাই । গাঁৱত জানো ৰাইজে মানি লব মাধু বাইদেউহঁতে যদি আপত্তি কৰে অৰূপ যে ব্ৰহ্মাণ নাই মই এৰি যাব নোৱাৰো ।-কথাবোৰ ভাবি থাকোতেই তাইৰ চিলমিলকৈ টোপনি আহিল । মাধুৰী কেতিয়াবাই টোপনি গ'ল । বাহিৰত কোনোবাই কথা পতা যেন শুনি ৰূপাই সাৰ পালে । গাৰুৰ পৰা মূৰটো দাঙি তাই কৰ পৰা শব্দবোৰ আহিছে অনুমান কৰিবলৈ চেষ্টা কৰিলে । বোধহয় অলকদা আহিছে সেয়া-ৰূপদাৰ মাত-তাইৰ মনটো এক অজান আশংকাত কঁপি উঠিল । তাই উঠি আহিল এবাৰ মাধুক মাতিলে নাই-তাই টোপনিত লালকাল দেহজুৰৰ নাকৰ শব্দ শুনি তাই বুজিলে সি বাহিৰলৈ যোৱা নাই । ভিতৰৰ দুৱাৰ খন সাধাৰণতে বন্ধ নকৰে । তাই লাহে লাহে গৈ অৰূপৰ কোঠা পালে গৈ । তাই চক্ খাই উঠিল অৰূপৰ কোঠাৰ বাহিৰৰ ফালৰ দুৱাৰখন খোলা ।

-তাইৰ স্পষ্ট কাণত পৰিল বাহিৰত অৰূপে কাৰোবাৰ লগত তৰ্ক কৰিছে ।

-ক, বিক্ষোভ কৰিবি নে নকৰ

-কিয়, আপোনালোকৰতো কোনো ক্ষতি নহয় ।

-চুপ, ক্ষতি নহয়, এইবোৰ চৰকাৰ বিৰোধী কাম ।

-জানো

-জান কাৰণেই কৈছো ৰাইজৰ কথা চৰকাৰে চিন্তা কৰিব । তইঁতে ঠিকা লব নালাগে । এতিয়া আমাৰ কথা তই এমাহ ঘৰৰ পৰা নোলাবি বিক্ষোভত তোৰ সমৰ্থন নাই এইবুলি লিখি দে নহলে-

-নহলে এইখন দেখিছ-আন এটাই এখন দীঘল ছুৰি তাৰ চকুৰ আগত দাঙি ধৰিলে । তিনিওটাই চিনিব নোৱৰাকৈ মুখত কাপোৰ মেৰিয়াই আহিছিল । আপোনালোকে ভয় খুৱালেও মই মোৰ কামৰ পৰা আঁতৰি নাহো । আপোনালোকক কোনোবাই ভুল পথে পৰিচালিত কৰিছে । মই কাৰো শত্ৰু নহওঁ-আপোনালোকৰো । আপোনালোকে ভুল পথেৰে আগবাঢ়িছে । এদিন নিশ্চয় বুজি পাব । বাধা দিলেও মই মোৰ কাম কৰি যামেই ।

-লেকচাৰ বন্ধ কৰ ।

-লৈ বল, একেবাৰে খতম কৰি যাওঁ

-লাভ কি হ'ব-অৰূপৰ কথা শেষ নহলেই দুটাই একেলগে তাৰ মুখখন সোপা মাৰি ধৰি পদূলি মুখলৈ টানি লৈ গ'ল । ৰূপাই তেতিয়াহে বুজিলে কিবা এটা অঘটন ঘটিছে । তাই প্ৰাণৰ কাতৰে মাধুৰীক চিঞৰি মাতি দুৱাৰ খন খুলি পদূলি মুখলৈ দৌৰ মাৰিলে-ৰূপ এৰিদে -উস্- ৰূপা ।-অৰূপদা । ৰূপাই তাক সাৱট মাৰি ধৰিলে ।-এৰিদে-আহ হৈ যাব ।-লৰালৰিকৈ মানুহকেইটা আঁতৰি গ'ল । অদূৰত মটৰ চাইকেল ষ্টাৰ্ট দিয়াৰ শব্দ তাইৰ কাণত পৰিল ।

ৰূপাৰ চিঞৰ শুনি উধাতুখাই মাধু আৰু দেহজুৰ ওলাই আহিল । পদূলি মুখত তেজেৰে লুটুৰি পুতুৰি হৈ অৰূপৰ ৰক্তাক্ত দেহটো মাটিত পৰি আছে ৰূপাই মূৰটো বুকুত সাবটি ধৰি আছে । তেজ-চাৰিও ফালে কেৱল তেজ ।

-ৰূপা-মাধুয়ে এটা বিকট চিঞৰ মাৰিলে ।

-নাকান্দিবি লাভ নাই, উস্ ৰূপা, মই বাচি থাকিম ।-দেহজুৰে লৰালৰিকৈ গৈ পুলিচলৈ ফোন কৰিলে । ইতিমধ্যে অৰূপ অজ্ঞান হৈ পৰিল ।

ৰাতিপুৱা অৰূপৰ চেতনা ঘূৰি আহিল । অৱস্থা তেতিয়াও সংকটজনক । পুৱাৰ লগে লগে হাস্পাতাল মানুহেৰে ভৰি পৰিল । অৰূপৰ সহপাঠী ডাঃ ৰহমান তাৰ লগত মাখিটোৰ দৰে লাগি আছে ।

ন মান বজাত অলক পালেহি । ৰাধা আৰু বিক্ৰম ভাত খাই বাছত আহিব । ইফালে হবিবুৰে তাৰ গাড়ীখন পুৱাই ল'ৰা এটা লগত দি বিনোদৰ ওচৰলৈ পঠালে । দুপৰীয়া নগৰৰ শ্ৰমিকেৰে হাস্পাতাল ভৰি পৰিল । খবৰটো প্ৰচাৰ হোৱাৰ লগে লগে তিনিওটা কাৰখানাৰ শ্ৰমিক ইউনিয়নে ইয়াৰ প্ৰতিবাদ জনাই কৰ্ম বিৰতিৰ কথা ঘোষণা কৰিলে । শান্তি ভংগৰ আশংকা কৰি কাৰখানা শ্ৰমিকবস্তি আৰু হাস্পাতালৰ চাৰিফালে এশ চৰাল্লিশ ধাৰা জাৰি কৰিলে ।

অৰূপক দৰব এটা খুৱাই ডাঃ ৰহমানে দত্তৰ লগত কথা পাতিলে । এনেতে কোনোবা এজনী মাইকী মানুহ দামুৰী হেৰোৱা গাইৰ দৰে ব্যাকুল হৈ দৌৰি আহি ডাক্তৰ ভাইয়া বুলি চিঞৰি দুৱাৰ ঠেলি কেবিনৰ ভিতৰলৈ সোমায় গ'ল ।-ভাইয়া মোৰ, কি হ'ল ৰে তোৰ, কোন কুকুৰে এই কাম কৰিলি ৰে-ৰাধাই অৰূপৰ মূৰটো সাবটি ধৰিলে-'ৰহমান ভাইয়া মোৰ ভাইয়াক বচাই দিয়া । ৰাধাই ৰহমানৰ ভৰি দুখনত সাৱট মাৰি ধৰিলে ।



-উস্-দিদিমনি

-ভাইয়া মোৰ-ৰাধাই উঠি গৈ অৰূপৰ মুখখন দুই হাতে তুলি ধৰিলে । ডাঃ ৰহমান ওচৰ চাপি আহি ৰাধাক আঁতৰত বহুৱাই থৈ আহিল । কি বুলি সান্ত্বনা দিব এতিয়া ।-সকলোকে বাহিৰলৈ ওলাই যাবলৈ কৈ ডাঃ ৰহমানে, নাৰ্চ এজনী মাতি আনিলে ।

-উস্-ৰহমান তই ক'ত

-আছো চিন্তা নকৰিবি-ৰহমানে আৰু কি কব ।

-বিনোদ, ৰাধা কলৈ গ'ল, মাতিদে ।

-তই মনে মনে থাক, মই কিবা এটা পৰীক্ষা কৰি আছো ।

-কিয় বাধা দিছ তই

-মোৰ অসুবিধা হৈছে ।

-মনে মনে থাকিলে তোৰ সুবিধা হ'ব,-বচাব নোৱাৰিলে সিহঁতৰ সুবিধা হ'ব । মোক হত্যা কৰি কি পালি-উস্ বুকুখন বিষাইছে ৰহমান মোৰ হাত হাতদুখন কি হ'ল ।-ৰূপা তুমি কান্দিছা মাধু দিদিমনি ক'ত আছ তহঁত ।-ৰহমান, চাচোন পৃথিৱীখন ইমান সুন্দৰ-ইমান ভাল পাওঁ সুন্দৰী পৃথিৱী তোমাক-কিয় মোক এই ভাল পোৱাৰ পৰা বঞ্চিত কৰিলা-কিয় মোক পৃথিৱীখন নতুন ৰূপত সজাবলৈ নিদিলা-বিনোদ ক'ত আছ তই,- । বিনোদে ভৰিৰ পথানত বহি তন্ময় হৈ তাৰ মুখলৈ চাই আছে । বিক্ৰম তেতিয়াও পোৱাহি নাই । সি ইউনিয়ন অফিচতে নামিল । বিক্ৰমে নাজানে অৰূপে ইমান বেছি আঘাত পাইছে বুলি । তাক কোৱা নাই ।

-উস্ মোৰ উশাহ বন্ধ হৈ যাব খুজিছে ।-বিনোদে মূৰৰফালে আহি লাহে লাহে তাৰ বুকুখনত হাত বুলাই দিলে । ডাঃ ৰহমানে, বেজী এটা দি, অৰূপৰ মুখলৈ চালে ।

-কি চাইছ ৰহমান কথা কব নালাগে তাকেই কবি ।

-নকওঁ অৰূপ । ৰহমানে তাৰ মূৰত হাত বুলাই দিলে । (কলেজত তই কথা নোকোৱাৰ কাৰণে গালি পাৰিছিলো, আজি কথা কবলৈ বাধা দিছো । তোৰ মুখ বন্ধ কৰিব নোৱাৰি বুকুত ছুৰি বহুৱালেও । গাঁৱৰ সৰু স্বাস্থ্য কেন্দ্ৰটোৰ পৰা তইয়ে মোক ইয়ালৈ আনিছিলি, কিছু দিন তোৰ লগত থকাৰ কাৰণে কিন্তু) ৰহমানৰ চকু দুটা চলচলীয়া হ'ল ।

-বিনোদ ৰূপাক চাবি, ৰহমান তই যা, যা গাঁৱৰ ল'ৰা গাঁৱলৈ যা । মানৱতাৰ শত্ৰুবোৰে তোকো হত্যা কৰিব-নাই ৰহমান তই নাযাবি, ৰাধাক কোনে চাব, ৰূপা মোৰ সংগ্ৰামৰ শকতি, তাইক-তাইক মই তোৰ হাততে দি গলো । নাই মই বাচি থাকিম বিনোদ-অৰূপ কিছু সময় নীৰৱ হ'ল । নাৰ্চ গৰাকীক ওচৰতে থাকিবলৈ কৈ ৰহমানে বিনোদক লৈ বাহিৰলৈ ওলাই আহিল । বাহিৰত অৰূপক চাবলৈ মানুহৰ ভিৰ লাহে লাহে বাঢ়ি গ'ল ।

বিক্ৰম সিং উধাতু খাই আহি দুৱাৰ খন ঠেলি সোমাই গ'ল । নাৰ্চৰ বাধা নামানিলে-'কমৰেড্ ভাইয়া' বিক্ৰমৰ ওঁঠ দুটা কঁপিবলৈ ধৰিলে চকু দুটা ৰঙা হৈ উঠিল । হঠাতে সি অৰূপৰ ভৰি দুটাত সাবটি ধৰিলে 'ভাইয়া তোক মৰিবলৈ নিদিওঁ জীয়াই ৰাখিম, চয়তানৰ দল এটা এটাকৈ প্ৰতি শোধ লম কমৰেড্ ।' তাৰ দুইগাল তিতি গ'ল লাহে লাহে শিতানৰ ফালে আহিল । দুৱাৰ খন খোলা দেখি বাহিৰত ৰৈ থকা মানুহবোৰে ঠেলা-ঠেলি কৰি সোমাই গ'ল ।

-কমৰেড্-অৰূপে ওঁঠ দুটা লৰাই হাঁহিব খুজিলে, বিক্ৰমৰ মুখলৈ চাই ৰৈ গ'ল মই বাচি থাকিম কমৰেড্ আমাৰ সংগ্ৰামৰ মাজত ।

-নাই নাই কমৰেড্ তোক জীয়াই ৰাখিম, কোনে মাৰে তোক ।

মানুহবোৰ সোমোৱা দেখি ডাঃ ৰহমান কোৰাকুৰিকৈ আহি মানুহবোৰ উলিয়াই দিলে । বিক্ৰম থাকিল ।

-বুকুখন বিষাইছে ৰহমান-অৰূপে সেহাই সেহাই কলে ।

-ভাল হ'ব-এনেতে ডাঃ দত্ত সোমাই আহিল । ৰহমানে ওচৰলৈ গৈ কিবা এটা কলে ।

ৰহমানে বেজী এটা দি হাত খন মোহাৰি তাৰ ওচৰতে বহিল ।

-কথা এটা কওঁ শুনিবি ।

-ক ।

-তই কিছু সময় মনে মনে থাক, মই বুকুখন পৰীক্ষা কৰি দৰব এটা দিম ।

-ৰহমান মই জানো, তইও জান, মই বাচি নাথাকো

-এইবোৰ কি কৈছ অৰূপ চিষ্টাৰ সেই দৰবটোৰ দুচামুচ খুৱাই দিয়ক । ৰহমানে দেখিলে সি লাহে লাহে হাত খন দাঙি তাৰ হাতৰ ওপৰত ৰাখিলে । দুয়োখন হাতত বাৰুকৈয়ে আঘাত পাইছে ।

-ৰহমান, অৰূপৰ কাতৰ চাৱনিত ৰহমানৰ চকু দুটা চলচলীয়া হ'ল

-দুখ লাগিছে তোৰ । বাচি থকাৰ একাগ্ৰ কামনা কিয় জান-অৰূপে দুৱাৰৰ ফালে চালে-কাকো আহিবলৈ নিদিবি, বুকুখন অলপ ভাল লাগিছে তোক দুটামান কথা কওঁ ৰহমানে চিষ্টাৰক দুৱাৰ খন বন্ধ কৰি দিবলৈ কলে ।

-ক, কিন্তু বেছিকৈ কবলৈ নিদিওঁ ।

-কমেই, তই বাধা নিদিবি বাচি থাকিবলৈ বিচাৰো কিয় জান, তহঁতৰ মৰম ভালপোৱা খিনিৰে মই পৃথিৱী খন নতুনকৈ সজাবলৈ বিচাৰো । গাঁৱৰ, মজিয়াত বহি আকাশ দেখা পঁজা ঘৰৰ ৰজী আলীমৎ মিঞাৰ ল'ৰা তই । আজিও আম্বাজান গাঁৱতে আছে । নাঙলৰ মুঠি এৰি ডাক্তৰ পুতেকৰ লগত থাকিবলৈ অহা নাই ।-অকণমান পানী খাওঁ ।- চিষ্টাৰে দুচামুচ পানী দি, ৰহমানলৈ চালে, দৰব এচামুচ খুৱাই দি মুখ খন টাৱেলেৰে মোহাৰি দিলে । তই নাজান ৰহমান, ঈদৰ বজাৰ কৰিবলৈ আহি আম্বাজানে কঁকালৰ খোচনিত থকা ৰূপ দুকুৰি বিনোদক পৰীক্ষাৰ ফিজ দিবলৈ কৈ হাঁহি মুখে ঘৰলৈ উভতিছিল, আম্বাজান শুদা হাতে ঘূৰি যোৱা নাছিল লৈ গৈছিল নতুন পৃথিৱীৰ বাণী, বিনোদ বলীনহঁতে কঢ়িয়াই অনা নতুন সমাজৰ বাণী বুজিছ । সেই আলীমৎ মিঞাৰ সন্তান ডাঃ তমিজুৰ ৰহমান, বুজিছ হাজাৰ আলীমৎ মিঞাই আমাৰ মুখলৈ চাই আছে । মই কাম আধৰুৱা কৰি নহয়, আৰম্ভ কৰি, যাবলৈ ওলালো,-মোৰ ঠাই তই পূৰাব লাগিব, সমাজৰ চিকিৎসা কৰিব লাগিব ।-অৰূপ ক্ষন্তেক ৰ'ল । ৰহমানে তাৰ মুখলৈ একেথৰে চাই থাকিল ।

-শুন আৰু এটা

-কি

-ৰূপাক চিনি পাৱ, সোণপাহীক ?

-ওঁ

-নাপাৱ মিছা কথা নকবি সিহঁত আমাৰ সংগ্ৰামৰ স্ফুলিংগ । ৰূপা, তাই আজলী ছোৱালী ।-অৰূপে নাজানে ইতিমধ্যে তাইকো হাস্পাতাললৈ অনা হৈছে ।-তাইক গটালো মোৰ অবিহনে তাইৰ ওচৰত তয়েই থাকিবি ৰহমান । অৰূপৰ মাত থোকাথুকি হ'ল ।

-অৰূপ কথা দিলো,

-কি কথা

-তোৰ সেই স্ফুলিংগক এদিন দাবানেলত পৰিণত কৰিম, কিন্তু

-কিন্তু কি, তাইক গটালো ফাকি দি লাভ নাই মোৰ মৃত্যু অৱশ্যম্ভাৱী, জীয়াই আছো আৰু কেই মুহূৰ্তমান । ক, মোৰ কথা ৰাখিবি, মোৰ মৃত্যুৰ পিছত গাঁৱলৈ ঘূৰি যাবি ।

-অৰূপ, তোৰ এই ঘটনাই বহুতৰে মন সংগ্ৰামৰ কাৰণে প্ৰস্তুত কৰিব । তই-ৰহমানে কিবা এটা কব খুজি কব পৰা নাই-তই যদি এৰি যাৱ তেন্তে মই থাকিম অৰূপ-থাকিম ।

-থাকিবি ৰূপাক তোৰ লগতেই ৰাখিবি, জুইয়ে পোৰা সোণ,- সংগ্ৰামৰ শকতি । মই বৰ সুখী ৰহমান, আমি মাথোন কেইজনমান, মই আঁতৰি গলে, বিনোদহঁত অকলশৰীয়া হ'ব, মোৰ ঠাই তই যদি পূৰাৱ তেন্তে,-অৰূপে ৰহমানৰ হাত খনত ধৰি তাৰ মুখলৈ চালে গাঁৱলৈ যা, দেখিবি কি সামান্য অভাৱ, সেইখিনি পালেই কি অপাৰ আনন্দ । অথচ সেই সামান্য অভাৱ পূৰণ নকৰি আজি, কৃষক শ্ৰমিক, এই সাধাৰণ মানুহৰ মুখৰ ভাত কাঢ়ি আনি এমুঠি মানুহক সমৃদ্ধিশালী কৰিছে । সেই মানুহ খিনিৰ প্ৰতি তোৰ কোনো দায় দায়িত্ব নাই ? এমুঠি সম্ভোগ সমৃদ্ধ মানুহৰ তালিকা খন দীঘল কৰাতকৈ গাঁৱলৈ গৈ জীয়াই থকাৰ মানবীয় অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে মানুহক সাজু কৰ, নহলে চয়তান বোৰৰ ছুৰি

তোৰ বুকুলৈও আহিব ।

–তই মনে মনে থাক, এতিয়া এই মুহূৰ্তত মই তোৰ ডাক্তৰ তোক বচাবই লাগিব ।

–মোক জীয়াই ৰাখিব নোৱাৰ, পাৰিবি, আমি আৰম্ভ কৰা সংগ্ৰামক জীয়াই ৰাখিব পাৰিলে তাৰ মাজতে মই জীয়াই থাকিম ৰহমান যা যা গাঁৱলৈ যা, কাৰখানালৈ যা, মোক বচাবলৈ ব্যৰ্থ চেষ্টা কৰি সময় খৰচ নকৰিবি–অৰূপে প্ৰায় উন্মাদৰ দৰে কলে ৰহমানে ভয় খাই চিষ্টাৰক ডাঃ দত্তক মাতিবলৈ পঠালে ।

দুপৰীয়াৰ লগে লগে বিনোদহঁতৰ গাঁৱৰ পৰা ভালে খিনি মানুহ আহি হাস্পাতাল ভৰি পৰিল । ডাক্তৰে কাকো কোঠাৰ ভিতৰলৈ সোমাবলৈ দিয়া নাই । ভিতৰত কেৱল বিনোদ আছে । মাজে মাজে বিক্ৰমসিং সোমায় আকৌ ওলাই আহে । ডঃ দত্তই পৰীক্ষা কৰি আছে । এনেতে দুজন পুলিচ অফিচাৰ লগত মেজিষ্ট্ৰেট্ হৰেণ দুৱৰা–অৰূপৰ কোঠাটোৰ ফালে আহিল । ডাক্তৰৰ অনুমতি লৈ সোমাই গ'ল । ডাঃ দত্তই মূৰ তুলি চালে । পুলিচৰ লগে লগে এদল ছাত্ৰ সোমাই আহিল ।

প্ৰশান্তৰ নেতৃত্বত প্ৰায় এশমান ছাত্ৰই উপায়ুক্তৰ ওচৰত এই ঘটনাৰ এক ন্যায়িক তদন্ত দাবী কৰি এখন স্মাৰক পত্ৰ দিছিল । লগতে সিহঁতে, হাস্পাতালতে আজিয়েই অৰূপৰ জবান বন্দী লবলৈ দাবী কৰিছিল, সেয়ে বোধ হয় পুলিচ আহিছে–বিনোদে ভাবিলে ।

–খুৰা, কেনে আছে ?–প্ৰশান্ত বিনোদৰ ওচৰ চাপি গ'ল–পুৱা এবাৰ আহিছিলো ।

–কিছু ভাল যেন লাগিছে ।

–বেছি প্ৰশ্ন নুসুধিব প্ৰয়োজনীয় কেইটাৰ বাহিৰে এটা শব্দও যেন বেছিকৈ নকয়–ডাঃ দত্তই মেজিষ্ট্ৰেট দুৱৰালৈ চাই কলে । দুৱৰা ৰোগীৰ ওচৰ চাপি গ'ল । ডাক্তৰ বহা সৰু টুল খনতে বহিল । নোটবহী খন কৰঙনৰ ওপৰতে ৰাখি লাহেকৈ মাতিলে বৰঠাকুৰ ।– অৰূপে চকু মেলি দুৱৰাক দেখি আচৰিত হ'ল ।

–পুলিচ দেখোন ৰহমান চিকিৎসা তই কৰিবিনে পুলিচে ?

–মনে মনে থাক অৰূপ ।–ৰহমানে তাৰ হাত এখনত ধৰিলে । দুৱৰাই অৰূপক ঘটনাটো ঘটাৰ আগৰ দুই এটা কথা সুধিলে । অৰূপে এটা এটাকৈ উত্তৰ দি গ'ল । শেষৰ প্ৰশ্নটোত অৰূপ নীৰৱ হ'ল । প্ৰশান্তই উৎকণ্ঠা হেঁচি ৰাখিব নোৱাৰি ওচৰ চাপি আহিল ।

–কওক বৰঠাকুৰ চাৰিজন মানুহৰ ভিতৰত আপুনি চিনি পোৱা মানুহ কোনোবা আছিল নেকি–নে চাৰিওজনকে চিনি পায় ?–হাকিমে ভয়ে ভয়ে সুধিলে । কৈ কি লাভ তথাপি কওঁ, যি তিনিজনে মোক আঘাত কৰিছিল তেওঁলোকৰ কাকো চিনি নাপালো । ওচৰত বৈ যি জনে ইঙ্গিতেৰে নিৰ্দেশ দি আছিল, তেওঁ আছিল–বিজয়–বিজয় বৰুৱা । মুখৰ কাপোৰ খন খহি পৰাত তেওঁৰ মুখ খন মোৰ চকুত পৰিছিল ।

–আমাৰ কথাই ঠিক চাল্লা বদমাইচ্–কোনোবা এটা ল'ৰাই মাত লগালে । প্ৰশান্তই মুখত আঙুলি দি তাক সাৱধান কৰি দিলে ।

–ন' নেভাৰ, হ'ব নোৱাৰে । বিজয় এতিয়াও অফিচত আছে ।, মিটিং পাতি ঘটনাটোক গৰিহণা দি প্ৰস্তাৱ লৈছে । হ'বই নোৱাৰে ।– পুলিচ অফিচাৰ এজনে মুখ বিকটাই অলপ আঁতৰি আহিল

–এইখন থানা বা কাছাৰী নহয় অনুগ্ৰহ কৰি মনে মনে থাকক ডাঃ দত্তই নিৰ্দেশ দিলে । অফিচাৰ জন ওলাই গ'ল । দুৱৰাই মানুহজনৰ কিছু বিৱৰণ লৈ বিদায় ললে । দুৱৰাৰ লগে লগে বিনোদো ওলাই আহিল । বাহিৰত এজনো ছাত্ৰক নেদেখি বিনোদৰ সন্দেহ হ'ল । উত্তেজনাত বিনোদৰ গাটো কঁপিবলৈ ধৰিলে । উস্ বিজয় তই ইমান নীচ, অৰূপে ইমান সময়ে কিয় কোৱা নাছিল–বিনোদে নিজকে কলে । বাহিৰত মানুহ বেছি হৈ যোৱাৰ কাৰণে ডাঃ দত্তই তিনি চাৰি জনকৈ আহি চাই যাবলৈ কলে ।

লৰালৰিকৈ ৰাধা সোমাই গ'ল । ডাক্তৰ বাবু এচামুচ গাখীৰ দিও মোৰ ভাইয়াক ।–ৰহমানে আপত্তি নকৰিলে । ৰাধাই চামুচেৰে দুচামুচ গাখীৰ দিলে । ভাইয়া তোক মৰিবলৈ নিদিওঁ ।–ৰাধাই তাৰ কপালত হাত বুলাই দিলে । এনেতে লখাই সাতোলা, দৰিকা, নবীন সোমাই



গ'ল । সাতোলাক দেখি অৰূপে তেওঁৰ মুখলৈ একেথৰে চাই থাকিল । লখাই ওচৰ চাপি গৈ তাৰ কপালত হাত বুলাই দিলে ।

–হয়তো আৰু দেখা নাপাম । কিবা যদি দোষ কৰিছিলো–অৰূপে সোঁহাত খন বুকুত থলে বাওঁহাত খন লৰাব নোৱাৰে ।

–উস্ উস্ কিয় মোৰ কলিজাত শেল মাৰিছ, প্ৰভু কত আছা, কি চাই আছা,–লখাই সাতোলাই কাপোৰৰ ওপৰতে গোটেই গাত হাত ফুৰাই এচুকত থিয় হৈ হাত দুখন মোহাৰি মোহাৰি কি কৰিম নকৰিম যেন কৰি থাকিল । গাঁৱৰ পৰা অহা মানুহখিনি বাৰান্দাতে যিয়ে যি পায় তাতে বহিল, কিছুমান থিয় হৈ থাকিল ।

কোঠাটোত কোনো নাই । আধা ঘন্টাৰ পিছত খুৱাব লগীয়া দৰবটো বিনোদক দেখুৱাই দি ৰহমান ওলাই গ'ল ।

–বিনোদ, ওচৰলৈ আহ–অৰূপে মাতিলে । বিনোদ তাৰ বিছনাতে বহিল ।–মই নাবাচো, কিন্তু মৰিবলৈ বিচৰা নাছিলো ।–বিনোদে নীৰৱে শুনি গ'ল–দুখ নকৰিবি । ৰূপা ক'ত আছে

–ঘৰতে আছে । তোৰ খবৰ লৈ আছে–বিনোদে ফাকি দিলে ।

–তাইৰ দায়িত্ব ৰহমানকে দিছো । অলক আৰু মাধুক তহঁতে চাবি– । ৰহমান অলক মাধু ৰূপা এইকেইটাকে দি গলো ।–এটা কথা বিনোদ, মোৰ ওপৰত খং নকৰিবি ।

–সেইবোৰ কি কৈছ অৰূপ ।

–ঠিকেই কৈছো, বিজয়ৰ কথা ইমান সময়ে তোক কোৱা নাছিলো, প্ৰশান্তহঁত নহা হলে হয়তো কোনেও নাজানিলে হেতেন ?

–কিয় ?

–এতিয়াই সিহঁতৰ লগত যুঁজ আৰম্ভ কৰিলে আমাৰ আচল কাম পিছ পৰি যাব । হত্যাৰে যুদ্ধ জিকিব নোৱাৰি । সিহঁতৰ পৰাজয় অনিবাৰ্য ।

–তই এতিয়া মনে মনে থাক অৰূপ । পিছতো সকলো কব পাৰিবি ।

–নিশ্চয় পাৰিম । কিন্তু মই বাচি নাথাকো । সেয়ে তোক কৈ যাওঁ । কাকো আহিবলৈ নিদিবি ।

বিনোদে উঠি গৈ দুৱাৰ খন বন্ধ কৰি দিলে ।

–শুন্ বিনোদ । বিজয়ে যশস্যা ক্ষমতা আৰু নাৰীৰ কাৰণে সকলো কৰিব পাৰে । ঘৈণীয়েক জয়াৰ অকাল মৃত্যুৰ বাবে বিজয়েই দায়ী । তাইক মৰিবলৈ বাধ্য কৰোৱা হৈছিল । এইবোৰ খবৰ তোৰ দৰে বহুতৰ কাৰণেই পুৰণি । কিন্তু নতুন খবৰটো হ'ল, জয়াৰ মৃত্যুৰ লগত স্মৃতিৰেখাও জড়িত হৈ আছিল, আৰু সেই সত্য কেৱল ময়েই জানিছিলো ।

বিনোদৰ মনত পৰিল সি চাকৰিটো পাই নগৰলৈ অহাৰ কেইদিনমানৰ পিছতেই জয়াৰ মৃত্যু হৈছিল । বহুতেই কৈছিল আত্মহত্যা কৰিলে, কোনোবাই কৈছিল হত্যা কৰিলে । সুদৰ্শন সম্পদশালী বিজয়ৰ বিভিন্ন নাৰীৰ লগত থকা সম্পৰ্কই জয়াক আত্মহত্যা কৰিবলৈ বাধ্য কৰিছিল, সেইটোকে মানিলৈ মানুহে ঘটনাটোৰ ওপৰত গুৰুত্ব দিবলৈ এৰি দিছিল । স্মৃতিৰেখাৰ কথা সি শুনা নাছিল । অৱশ্যে জয়াৰ মৃত্যুৰ আগতে স্মৃতিৰেখা তাত দুদিনমান আছিল । সেইটো সি প্ৰেছতেই গম পাইছিল ।

–বুজিছ বিনোদ তই সাংবাদিক তই জান বুলিয়েই ধৰি লৈছিলো । তাৰ উপৰি কথাবোৰ ওলালে অযথা স্মৃতি আৰু ক্ষুদ্ৰ কিছুমান খেলি-মেলিৰ মাজত সোমাই পৰিব লাগিব ।

চাওঁ বিনোদ অকণমান পানী দে ।

বিনোদে বুজিলে সি বৰ কষ্ট পাইছে । বাধা দিলেও নামানে । বিনোদে তাক পানী কেইচামুচ মান খুৱাই দিলে ।

–হয়তো স্মৃতিয়েও ভবা নাছিল সিহঁতৰ মাজৰ সম্পৰ্কই জয়াক এনে এটা পৰিণতিলৈ ঠেলি দিব বুলি । মৃত্যুৰ দুদিনৰ আগত জয়াই মোৰ বাগানৰ চেম্বাৰলৈ আহি বহু কথা কৈছিল ।–হাস্পাতাললৈ মইও গৈছিলো জয়া বাইদেউক চাবলৈ । বিজয় স্মৃতি ক্ষুদ্ৰ সকলোৰে আগতে জয়াই কৈছিল–অৰূপ তোক যিবোৰ কৈছিলো সেইবোৰ নাই কোৱা বুলি ধৰি লবি । জীয়াই থাকিবলৈ একেবাৰে ইচ্ছা নাই ।–স্মৃতিয়ে তেতিয়া এবাৰ



বিজয়ৰ মুখলৈ, এবাৰ ক্ষুদ্ৰৰ মুখলৈ চাইছিল । সেই দিনাৰ পৰা বিজয় স্মৃতিয়ে মোক সন্দেহৰ চকুৰে চাবলৈ লৈছিল । তই নাজান, স্মৃতি মোৰ জেঠাইৰ ছোৱালী । ইচ্ছা কৰিয়ে কোৱা নাছিলো ।

–তই মনে মনে থাক অৰূপ ।

–নাথাকো শুন্ আৰু বেছি সময় বাচি নাথাকো । স্মৃতিয়ে মোক হাতত ৰাখিবৰ কাৰণে বহু চেষ্টা কৰিছিল নোৱাৰিলে । আৰু বিজয়, সিও চেষ্টা কৰিছিল । আৰু মই যেতিয়া সিহঁতৰ শ্ৰেণী শত্ৰুৰ শাৰীত পৰিলো, তেতিয়াই সি নেতৃত্ব দখলৰ কাৰণে মোৰ পিছ ললে । ভবা নাছিলো সি ইমান খিনি কৰিব বুলি ।–বিজয়ৰ লগত আৰু বহুত আছে । সাৱধান হবি । বলিয়া কুকুৰৰ আগত মোৰ দৰে ডিঙি পাতি নিদিবি ।–অৰূপ ক্ষন্তেক ৰ'ল ।

এইবোৰ কথা তই আগতে নকলি কিয় অৰূপ–কিয় নকলি,–বিনোদ ভিতৰে ভিতৰে জ্বলিবলৈ ধৰিলে । এতিয়া তাক উত্তেজিত কৰাৰ সময়ো নহয় ।

–শুন বিনোদ,–অৰূপে আকৌ মাত লগালে–ক্ষুদ্ৰদাৰ প্ৰতি লক্ষ্য ৰাখিবি । স্মৃতিয়ে নাজানে, বুজি পোৱা নাই ক্ষুদ্ৰহে আছিল বিজয়হঁতৰ প্ৰধান লক্ষ্য । কিয় জান ?

বিনোদৰ চকু থৰ হ'ল । কি কৈছে অৰূপে এইবোৰ বিনোদে ভাবিলে ।–প্ৰশান্ত, দীপক, ৰাতুলহঁতকলৈ ক্ষুদ্ৰদাই অতি সংগোপনে কিছু কাম কৰি আছে–গাঁৱত । সিহঁত সময়ত আমাৰ ওচৰ চাপিব । আগতীয়াকৈ তোক কৈ থলো । আমাৰ নীতিৰ লগত এক মত পথ সম্পৰ্কে সিহঁত দ্বিধাগ্ৰস্ত । সকলোকে একগোট কৰি সংগ্ৰাম আগবঢ়াই নিয়াৰ কথা ভাবোতেই বিজয়হঁতে মোক আঁতৰাই পঠালে কিন্তু তহঁত আছ, সংগ্ৰাম জীয়াই থাকিব ।–উস্ আন্ধাৰৰ বৰপুত্ৰ বিজয় কিয় তহঁতে মোক এই দশা কৰিলি ।

–অৰূপ তই মনে মনে থাক ।–বিনোদে উঠি গৈ পানীৰ গিলাচটো আনি তাৰ মুখত পানী এচামুচ দিলে ।

–উস্ বিনোদ বুকুখন খু-উ-ব পুৰিছে ।

–হে ভগৱান কি চাই আছা–দুৱাৰ খন ঠেলি লখাই সাতোলা সোমাই আহিল–কিয় কষ্ট দিছা এই নিষ্পাপ ল'ৰাটিক ।–সাতোলাই অৰূপৰ গাত হাত ফুৰাই দিলে ।–মোক নিয়া প্ৰভু দহৰ উপকাৰ কৰিবলৈ যোৱা জনক কিয় নিয়া প্ৰভু ।–সাতোলাই মুখৰ ভিতৰতে কলে । অৰূপে একেথৰে সাতোলাৰ মুখলৈ চাই থাকিল । কাৰো মুখত মাত বোল নাই ।

-বিনোদ–অৰূপে মাতিলে

–কি,–বিনোদ ওচৰ চাপি আহিল

–মনত আছে নে ?

–কি

–আমি যে গাইছিলো, 'সংগ্ৰাম আন এটি নাম জীৱনৰে'

–আছে–বিনোদে লক্ষ্য কৰিলে অৰূপৰ মুখ খন অস্বাভাৱিক ভাবে ৰঙা হৈছে ।

–মই মৰিলে, তহঁতে সেইটোকে গাবি ।

–তই এইবোৰ কি কৈছ অৰূপ ?

–নাপায় বোপাই ভগৱানে ৰক্ষা কৰিব–সাতোলাই হাত দুখন কপালত লগাই কলে ।

–উস্–অৰূপে মূৰটো ইফাল-সিফাল কৰিবলৈ ধৰিলে । বিনোদে উঠি গৈ ডাক্তৰক খবৰ দিলে । ক্ষন্তেক পিছতে ৰহমান উধাতু খাই আহি কোঠাত সোমাল পিছে পিছে দুজনী নাৰ্চ । ৰহমানে বুকুখন পৰীক্ষা কৰি নাৰ্চক চেলাইন দিবলৈ নিৰ্দেশ দিলে ।

কিছু সময় পাৰ হ'ল । অৰূপৰ মুখৰ ৰং কিছু স্বাভাৱিক যেন লাগিল ।

–টোপনি যাব পাৰে ।–ৰহমানে বিনোদলৈ চাই কলে । দুয়োটা বাহিৰলৈ ওলাই আহিল ।

–খবৰ পাইছানে নাই ।–ৰহমানে বিনোদক সুধিলে ।

–কি–বিনোদ চক্ খাই উঠিল ।

–দীপক, প্ৰশান্তহঁতে বিজয় বৰুৱাক ততালিকে গ্ৰেপ্তাৰ কৰিবলৈ উপায়ুক্তৰ ওচৰত দাবী কৰি থাকোতেই এদল ছাত্ৰই 'সাংস্কৃতিক সংঘ'ৰ অফিচ ঘেৰাও কৰি–বিজয় বৰুৱাকে ধৰি তাত থকা সকলোকে মাৰ ধৰ কৰিলে ।

–তাৰ পিছত ।

–তাৰ পিছত, বিজয় বৰুৱাই আঘাত বাৰুকৈয়ে পাইছে । নিৰাকাৰ আৰু স্মৃতিৰেখাকো মৰিয়াইছে বুলি শুনিছো ।

–স্মৃতিৰেখা বৌ–বিনোদৰ মুখৰ পৰা আৰু একো নোলাল ।

–বিজয়ক বচাবলৈ আগবাঢ়ি যাওঁতে স্মৃতিয়ে মূৰত অলপ আঘাত পাইছে বুলি শুনিছো । বিজয় বৰুৱাক হাস্পাতালত ভৰ্ত্তি কৰোৱা হ'ল । সিটো বিল্ডিঙত আছে । ডাঃ দত্ত তাতেই ব্যস্ত আছে । ইতিমধ্যে প্ৰশান্তহঁতৰ কেইজনমানক পুলিচে গ্ৰেপ্তাৰ কৰিছে বুলি খবৰ পাইছো ।

বিনোদে একো নামাতিলে । তাৰ মনত পৰিল অলপ আগতে অৰূপে কোৱা কথাখিনিলৈ । দুয়োটাই তন্ময় হৈ কথাবোৰ ভাবি থাকোতেই ভিতৰত অৰূপে 'উস' বুলি চিঞৰা শুনি লৰা লৰিকৈ সোমাই গ'ল ।– অৰূপৰ মুখ খন আকৌ ৰঙা হৈ পৰিল । ৰহমানে নাৰ্চ এজনী মাতি ডাঃ দত্তক মাতি আনিবলৈ কৈ বুকুখন পৰীক্ষা কৰিবলৈ ধৰিলে অৰূপে মূৰটো ইফাল সিফাল কৰি চট্ ফটাবলৈ ধৰিলে । এনেতে ডাঃ দত্ত সোমাই আহিল । মুখ খন এবাৰ চাই হাত এখন নিজৰ হাতত তুলি ললে । কাৰো মুখত মাত বোল নাই । অৰূপে আগৰ দৰে চট্ফটাই থাকিল, কিবা কব খোজে কব নোৱাৰে । বিনোদে একে থৰে তাৰ মুখলৈ চাই থাকে ।–বুকুত হাত দি তাৰ নিত্য সহচৰ সহযোদ্ধাই অন্তিম মুহূৰ্তৰ কথা ভাবে–সুন্দৰী পৃথিৱী বিদায় । বিনোদ, বিক্ৰম, বলীন, ৰাধা, ৰূপা, মাধুৰী, কান্দিছ লাভ নাই । মৃত্যুলৈ ভয় নকৰিবি । ৰূপা নাকান্দিবা । ইমান তেজ । বিজয় কিয় মাৰিলি মোক । ৰূপাই কান্দিছে । মোক বিচাৰিছে । উস্ মই একো দেখা পোৱা নাই । মই মৰিলো–সৰুকণ দাইটি মৰিল, মনোহৰ মৰিল আৰু বহুত মৰিব বিনোদ তোৰ পিছতহে মানুহে পথ দেখা পাব । 'উস'–ৰহমানে তাৰ হাত এখন নিজৰ হাতত তুলি ললে । বিনোদ ওচৰ চাপি আহি অৰূপৰ মুখৰ আগত চিত্ৰৰ পুতলাৰ দৰে থিয় দি থাকিল ।

–উস্–অৰূপে কিবা এটা কবলৈ মুখ খন লৰালে, মাত নোলাল । হঠাতে মূৰটো বেঁকা হৈ গ'ল । বিনোদে পোনাই দিব খোজোতেই, মুখেদি এজোলোকা তেজ ওলাই আহিল । ৰহমানে অৰূপৰ হাত খন লাহেকৈ থৈ বগা কাপোৰ খনেৰে মুখ ঢাকি দি বিনোদৰ মুখলৈ চালে ।

–অৰূপ, সঁচাকৈ তই মোক এৰি থৈ গলি–বিনোদে তাৰ মূৰটো সাবট মাৰি ধৰিলে । কাপোৰ খন আঁতৰাই তাৰ কপালত এটা চুমা খালে ।

ৰহমানে ৰুমালেৰে মুখ খন ঢাকি ওলাই যোৱাৰ লগে লগে ৰাধাই 'ক'ত গলি ৰে ভাইয়া মোৰ' বুলি চিঞৰি ভিতৰ সোমাই অৰূপৰ দেহটো সাবটি ধৰিলে । 'ভাইয়া তোক মৰিবলৈ নিদিওঁ–নিদিওঁ । ৰাধাই বিছনা খনতে নিজৰ মূৰটো খুন্দিয়াবলৈ ধৰিলে । "অস্ অস্ ভাইয়া তই কিয় আহিছিলি গৰীবৰ মাজলৈ । নিজৰ সকলো এৰি আমাৰ বুকুত সোমাইছিলিহি তোক ধৰি ৰাখিব নোৱাৰিলো ভাইয়া ।" ৰাধাৰ হৃদয় বিদাৰি যোৱা কৰুণ বিননিত সকলো ওচৰ চাপি আহিল । ৰাধাই আকৌ চিঞৰি উঠিল ভাইয়া তোক মৰিবলৈ নিদিওঁ–নিদিওঁ । নাৰী হৃদয়ৰ কৰুণ আৰ্তনাদ পকী দেৱালত ঠেকা খাই প্ৰতিধ্বনিত হ'ল–ভাইয়া তোক মৰিবলৈ নিদিওঁ–নিদিওঁ ।"–যেন সকলোৱে সমস্বৰেহে চিঞৰি উঠিছে ।

–কমৰেড্ তোমাৰ মৃত্যু নাই–বিক্ৰমে অৰূপৰ হাত এখন তুলি লৈ কলে ।

–বিপ্লৱী অঘৰীক কোনে মাৰে তুমি মৃত্যুঞ্জয়ী ।–বিনোদৰ ডিঙিটো শুকাই যোৱা যেন লাগিল ।

মৃতদেহ লৈ সকলো ওলাই আহিল ।

–অৰূপৰ শেষ ইচ্ছা পূৰ্ণ কৰো বন্ধু সকল–বিনোদে বিক্ৰমলৈ চালে 'সংগ্ৰাম আন এটি নাম জীৱনৰে ।'–বিক্ৰমে আৰম্ভ কৰিলে সকলোৱে সমস্বৰে গালে–'ইতিহাসে চিঞৰিব জয় জনতাৰে ।'

❑ ❑ ❑


# ঋষ্যশৃঙ্গ মুনি আৰু দশৰথৰ পুত্ৰ লাভ

## যতীন্দ্ৰ নাথ শইকীয়া

ঋষ্য- হৰিণা, শৃঙ্গ- শিং। জন্মাৱধি হৰিণাৰ দৰে মূৰত এটা শিং থকাৰ হেতু ঋষ্যশৃঙ্গ নামেৰে জনাজাত হ'ল। এই মুনিৰ পিতৃৰ নাম আছিল বিভাণ্ডক মুনি। লোকালয় আৰু লোক সমাগমৰ বহু আঁতৰত এখন ডাঠ হাবিৰ ভিতৰৰ নিৰ্জন আৰু নানা বৃক্ষৰে পৰিবেষ্টিত এডোখৰ মনোৰম ঠাইত এই বিভাণ্ডক মুনিৰ এখন তপোবন আছিল। এই তপোবনতে তেওঁৰ পুত্ৰ ঋষ্যশৃঙ্গক তুলিতালি ডাঙৰ দীঘল কৰিছিল আৰু যথা বয়সত বেদ বেদান্তকে আদি কৰি সকলো শাস্ত্ৰকে অধ্যয়ন কৰাই সৰ্বশাস্ত্ৰ বিশাৰদ কৰি তুলিছিল। ঋষ্যশৃঙ্গই পিতৃৰ তপোবনত একেবাৰে নিঃসঙ্গভাৱে প্ৰতিপালিত হৈছিল আৰু তপোবনত এইদৰে ব্ৰহ্মচৰ্য, তপস্যা আৰু বেদ অধ্যয়নত ৰত থাকি তেওঁ সংসাৰৰ সুখ সম্ভোগ আমোদ-প্ৰমোদ আৰু নাৰী সম্বন্ধে সম্পূৰ্ণ অজ্ঞ আছিল।

এদিন তেওঁৰ পিতৃয়ে তপোবনৰ পৰা অলপ আঁতৰ হৈ গহীন বনত প্ৰবেশ কৰি এটা হ্ৰদ পালেগৈ আৰু তাতে স্নানৰত অৱস্থাত অতুলনীয় সৌন্দৰ্য, ৰূপ-লাবণ্যৰ অধিকাৰী নাৰায়ণৰ উৰু ভেদ কৰি বহিৰ্গতা হোৱা স্বৰ্গৰ অপ্সৰা উৰ্বশীক দেখি কামাবিষ্ট হ'ল আৰু সেই হ্ৰদৰ নিৰ্মল পানীতে তেওঁৰ ৰেতঃপাত হ'ল। ইয়াৰ ক্ষন্তেক পিছতেই এজনী তৃষ্ণাতুৰা হৰিণী সেই হ্ৰদলৈ আহি সেই বিভাণ্ডক মুনিৰ শুক্ৰমিশ্ৰিত জল পান কৰি গৰ্ভ ধাৰণ কৰিলে আৰু যথাসময়ত এই মুনি কুমাৰক জন্ম দিলে। হৰিণীৰ গৰ্ভজাত বুলি তেওঁৰ মূৰত হৰিণাৰ দৰে এটা শিং আছিল আৰু সেয়ে ঋষ্যশৃঙ্গ নামেৰে জনাজাত হৈছিল।

এই কালছোৱাতে অযোধ্যাত শ্ৰীৰামচন্দ্ৰৰ পিতৃ দশৰথ ৰজাই ৰাজত্ব কৰিছিল। দশৰথ এজন সত্যনিষ্ঠ, ধাৰ্মিক আৰু প্ৰজাবৎসল ৰজা আছিল। তেওঁ ৭০০ গৰাকী স্ত্ৰী বিয়া কৰাইছিল। তাৰ ভিতৰত কৌশল্যা, কৈকেয়ী আৰু সুমিত্ৰাই প্ৰধানা মহিষী আছিল। ৰজা বুলিলে লিগিৰা লিগিৰী অনেক থাকে আৰু ৰজা বা ৰাণীয়েই উহ্ বুলি কলেই চকুৰ পচাৰতে বহুত লিগিৰা লিগিৰী আহি ৰজা বা ৰাণীৰ কাষত আদেশ প্ৰাৰ্থী হৈ থিয় দিয়েহি। সেয়ে ৰজাৰ প্ৰতি কৰিবলগীয়া ৰাণীসকলৰ একো নাথাকে। কিন্তু ৰাণী কৈকেয়ীৰ স্বামীৰ প্ৰতি ভাৰ্যাৰ যিখিনি কৰণীয় তাক সৰ্বদা পালন কৰাত কেতিয়াও ত্ৰুটি নহৈছিল। সেয়ে তেওঁ ৰজাৰ অন্তৰৰ এক নিভৃত কোণত কিছু ঠাই



অংকন □ চম্পক বৰুৱা

দখল কৰিব পাৰিছিল। ৰজা দশৰথ বহুত দিন অপুত্ৰক হৈ আছিল। তেওঁ ভাবিছিল যে পুত্ৰ লাভাৰ্থে তেওঁ যিবোৰ শ্ৰাদ্ধ তৰ্পণ কৰিছিল সেই সকলোবোৰ অপুত্ৰক দেখি তেওঁৰ পিতৃ পুৰুষে বিষ্ঠা হেন জ্ঞান কৰি গ্ৰহণ কৰা নাই। সেয়ে তেওঁ সদাই বিষাদগ্ৰস্ত হৈ থাকিছিল।

এইদৰে এদিন ৰজাই চিন্তামগ্ন হৈ থাকোতে তেওঁৰ কুলগুৰু আৰু কুলপুৰোহিত বশিষ্ঠ মুনি আৰু ক্ষন্তেক পিছতে কোপন স্বভাৱী দুৰ্বাসা মুনি আহি ৰজাৰ আগত উপস্থিত হ'লহি। ৰজাই তেওঁবিলাকক যথাযথভাৱে অভ্যৰ্থনা কৰিলে আৰু অপুত্ৰক হেতু মনৰ চিন্তাই যে এক ভয়ঙ্কৰ ক্ষতি সাধন কৰা ব্যাধি তাৰ কথা তেওঁবিলাকৰ আগত সকাতৰে নিবেদন কৰিলে। আৰু তেওঁ কলে যে অন্ধ অন্ধক মুনিৰ পুত্ৰ সিন্ধুক কলহত পানী ভৰাওঁতে হোৱা শব্দক হস্তী বুলি ভ্ৰমবশতঃ শব্দভেদী বাণ নিক্ষেপ কৰি নিহত কৰিলে। পিছত শব্দ অনুসৰণ কৰি গৈ দেখিলে তেওঁৰ বাণত অন্ধমুনিৰ পুত্ৰ হে নিহত হ'ল আৰু দুখ বেজাৰেৰে মৃত সিন্ধুক কান্ধত লৈ অন্ধমুনিৰ আগত উপস্থিত হৈ ভ্ৰমবশতঃ এনে কাৰ্য কৰাত তেওঁৰ যি অক্ষমণীয় অপৰাধ হ'ল তাৰ বাবে যথোচিত দণ্ডৰ প্ৰাৰ্থনা জনালে। অন্ধমুনিয়ে দশৰথক অনুৰূপ পুত্ৰ শোকত প্ৰাণ এৰিব বুলি অভিশাপ দিলে। তেতিয়া দশৰথে কাবৌ কাকূতি কৰি কেনেকৈনো তেওঁৰ পুত্ৰলাভ হব তাক সুধিলত অন্ধমুনিয়ে ঋষ্যশৃঙ্গ মুনিৰ হতুৱাই যজ্ঞ অনুষ্ঠিত কৰিলে পুত্ৰ লাভ হব বুলি কৈ প্ৰাণ ত্যাগ কৰিলে। তেওঁ অন্ধমুনিৰ অভিশাপক আশীৰ্বাদ বুলিহে ভাবিলে কাৰণ পুত্ৰ বিনে পুত্ৰশোকত মৰা কথাটো অৰ্থহীন। আৰু চিন্তামগ্ন হৈ আহি ঘৰ পালেহি।

অঙ্গদেশৰ ৰজা লোমপাদ দশৰথৰ পৰম মিত্ৰ আছিল। সেই ৰজা লোমপাদৰ অনুৰোধক্ৰমে দশৰথে তেওঁৰ কন্যা শান্তাক লোমপাদ ৰজাৰ হাতত পোষ্যপুত্ৰিকা হিচাপে অৰ্পণ কৰিলে। লোমপাদ ৰজাই ব্ৰাহ্মণ আৰু পুৰোহিতসকলক অসৎ ব্যৱহাৰ কৰাৰ ফলত তেওঁৰ ৰাজ্যত অনাবৃষ্টি হ'ল আৰু প্ৰজাসকলৰ মাজত অনাবৃষ্টিৰ হেতু খাদ্য বস্তুৰ উৎপাদন নোহোৱাত হাহাকাৰ অৱস্থাৰ সৃষ্টি হ'ল। লোমপাদ ৰজাই জনৈক মুনিৰ পৰামৰ্শ ক্ৰমে মুনিসকলৰ প্ৰতি কৰা তেওঁৰ পূৰ্বৰ অসৎ কৰ্মৰ প্ৰায়শ্চিত্ত হিচাপে কৰণীয় খিনি কৰি মুনিসকলক সন্তুষ্ট কৰিলে আৰু ৰাজ্যখনত অনাবৃষ্টিৰ ওৰ পেলাই ৰাজ্যত পুনৰ পৰ্যাপ্ত পৰিমাণে যাতে বৰষুণ হয় তাৰ কাৰণে তপস্বী ঋষ্যশৃঙ্গ মুনিক আনি তেওঁৰ হতুৱাই এক যজ্ঞ অনুষ্ঠিত কৰিবলৈ ইচ্ছা কৰি বহুত বাৰাঙ্গনা পঠালে। বাৰাঙ্গনাসকলে সেই মুনিৰ তপোবনত উপস্থিত হৈ মুনিক ধ্যানৰত অৱস্থাত দেখি নানা ৰকমৰ সংগীত গাই আৰু নানা ভাবে অঙ্গ প্ৰত্যঙ্গ প্ৰদৰ্শন কৰি মুনিক প্ৰলোভিত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু মুনি তিলাৰ্দ্ধমানো বিচলিত নোহোৱাত চিত্তোন্মাদক আৰু ইন্দ্ৰিয়ভোগ্য বীৰাঙ্গনাসকল বিফল মনোৰথ হৈ বিষয়ান্তৰ কথা চিন্তা কৰিবলৈ বাধ্য হ'ল। তেওঁবিলাকে তেতিয়া ভাবিলে যে ভগৱন্তৰ গুণগান কৰিহে মুনিক আকৃষ্ট কৰিব পৰা যাব আৰু সেইদৰে ভগৱন্তৰ গুণানুকীৰ্তন কৰি সফল হ'ল। মুনিয়ে বাৰাঙ্গনাসকলক ভগৱন্তৰ ভক্ত জ্ঞান কৰি তেওঁবিলাকৰ মাজলৈ আহিল আৰু সেই সুযোগতে বাৰাঙ্গনাসকলে মুনিক সুললিত সুৰত ভগৱন্তৰ গুণানুকীৰ্তন কৰি মুনিক আনি অঙ্গৰাজ্য পোৱালেহি। তেওঁ অঙ্গৰাজ্যত পদাৰ্পণ কৰাৰ লগে লগেই প্ৰচুৰ বৰষুণ হবলৈ ধৰিলে। তেতিয়া লোমপাদ ৰজাই যথাৰীতি অনুসৰি অৰ্ঘ্যাদি দি মুনিক স্বাগত জনালে। আৰু পিছত ৰজাৰ পালিতা কন্যা শান্তাক মুনিৰ লগত বিয়া দিলে। তেতিয়াৰ পৰা মুনি তাতে থাকিবলৈ ল'লে। দশৰথ ৰজাৰ মন্ত্ৰী সুমন্ত্ৰই ঋষ্যশৃঙ্গ মুনি লোমপাদ ৰজাৰ তাত থকাৰ খবৰ দিয়াত দশৰথে তেতিয়া অকণো বিলম্ব নকৰি বায়ুবেগে আহি লোমপাদ ৰজাৰ ওচৰ পালেহি। লোমপাদ ৰজাই আচম্বিতে দশৰথ ৰজাক দেখা পাই আনন্দ পালে আৰু তেওঁক ৰাজোচিত অভ্যৰ্থনা জনাই অহাৰ কাৰণ সুধিলত দশৰথ ৰজাই [illegible]ৰ মনৰ কথা ব্যক্ত কৰিলে।

তেতিয়া লোমপাদ ৰজাই তৎক্ষণাৎ অভিভাবকৰ ভূমিকা পালন কৰি ঋষ্যশৃঙ্গক তেওঁৰ পত্নীৰ সৈতে দশৰথ ৰজাৰ লগতে অযোধ্যালৈ পঠাই দিলে। অযোধ্যা পায়েই দশৰথ ৰজাই মন্ত্ৰীক যজ্ঞৰ সকলো সম্ভাৰ গোটাই যজ্ঞ যাতে অতি শীঘ্ৰে আৰম্ভ কৰিব পাৰে তাৰ কাৰণে আদেশ দিলে আৰু মন্ত্ৰীয়ে ত্বৰিৎ গতিত সকলো কৰ্ম কৰাত দশৰথে ঋষ্যশৃঙ্গ মুনিৰ হতুৱাই পুত্ৰেষ্টি যজ্ঞ অনুষ্ঠিত কৰালে। যজ্ঞৰ অন্তত যজ্ঞৰ পায়স ৰাণীহঁতক খাবলৈ দিলে আৰু ৰাণী কৌশল্যা আৰু কৈকেয়ীয়ে তেওঁবিলাকৰ ভাগৰ অলপ অলপ পায়স দুয়ো ৰাণীয়ে সুমিত্ৰাক দিলে। এইদৰে পায়স খোৱাৰ পিছত তিনিও ৰাণীয়ে গৰ্ভধাৰণ কৰিলে আৰু যথাসময়ত কৌশল্যাই ৰাম, কৈকেয়ীয়ে ভৰত আৰু সুমিত্ৰাই দুভাগ পায়স খোৱাৰ ফলত দুই যমজ পুত্ৰ লক্ষ্মণ আৰু শত্ৰুঘ্নক জন্ম দিলে আৰু বছৰ বাগৰাৰ লগে লগে এই চাৰি ৰাজকুমাৰ ক্ৰমে ডাঙৰ হবলৈ ধৰিলে।

সৃষ্টিৰ পাতনিৰে পৰা দেৱতা আৰু অসুৰবিলাকৰ মাজত অহি-নকুল সম্বন্ধ বিৰাজ কৰিছিল। অসুৰবিলাক বেছি শক্তিশালী হোৱাত তেওঁবিলাকে আসুৰিক প্ৰবৃত্তিত উদ্বুদ্ধ হৈ দেৱতাসকলৰ ওপৰত নানা অত্যাচাৰ, উৎপীড়ন চলাইছিল আৰু সেয়ে দেৱতাসকল অসুৰৰ সৈতে সঘনে যুদ্ধত লিপ্ত হব লগীয়া হৈছিল। এনে যুদ্ধত দশৰথে দেৱতাসকলৰ পক্ষ অবলম্বন কৰি বৰ সাহসেৰে যুদ্ধ কৰি দেৱতাসকলক জয়ৰ মুকুট পিন্ধাবলৈ সক্ষম হৈছিল আৰু দুবাৰ ৰজা দশৰথ বৰ বেয়া ৰকমে আহত হৈছিল যদিও কৈকেয়ীৰ ঐকান্তিক পৰিচৰ্যাত সোনকালে সুস্থ হৈ উঠিছিল, এবাৰ ৰজাৰ গুহ্যত এটা ব্ৰণ দেখা গ'ল আৰু এই ব্ৰণৰ বিষ যন্ত্ৰণাত ৰজা বৰ অতিষ্ঠ হৈ পৰিল আৰু মৃত্যু তেওঁৰ সমীপত বুলি মৃত্যুৰ ক্ষণ গণিবলৈ ধৰিলে। অনেক পাত্ৰমন্ত্ৰী আৰু নানা বৈদ্যৰ সমাহাৰ চেষ্টাত ৰজাৰ বিষ যন্ত্ৰণা উপশম নোহোৱাত শেষত ৰাজবৈদ্যৰ পৰামৰ্শ ক্ৰমে কৈকেয়ীয়ে গুহ্যত মুখ ভৰাই দাঁতেৰে সেই ব্ৰণ কামুৰি বাহিৰ কৰি দিয়াত ৰজাৰ বিষ যন্ত্ৰণাৰ উপশম ঘটিল আৰু ৰজা লাহেকৈ সুস্থ হৈ উঠিল। ইয়াৰ পিছত ৰজাই কৈকেয়ীক দুটা বৰ লবৰ কাৰণে কলে আৰু কৈকেয়ীয়ে সময়ত বৰ লোৱা হব বুলি ৰজাক জনালে। পুত্ৰ সকলৰ বিয়া হৈ যোৱাত দশৰথে জ্যেষ্ঠ পুত্ৰ ৰামক যৌৱৰাজ্যত অভিষিক্ত কৰিবৰ কাৰণে সমগ্ৰ আয়োজন সম্পূৰ্ণ কৰাত কুমন্ত্ৰণা দানত নিপুণা কুঁজী দাসী মন্থৰাৰ প্ৰৰোচনাত কৈকেয়ীয়ে ৰজাৰ ওচৰলৈ পূৰ্ব প্ৰতিশ্ৰুত দুটা বৰ প্ৰাৰ্থনা কৰিলে। এটা বৰত ভৰতক ৰজা পাতিব লাগে আৰু আনটো বৰত ৰামচন্দ্ৰই চৈধ্য বছৰ বনবাস খাটিব লাগে। কৈকেয়ীৰ কথা শুনি ৰজাৰ মনৰ বৈকল্য ঘটিল আৰু ঔচিত্যকো বিসৰ্জন দি প্ৰতিজ্ঞাবদ্ধ হেতু অনিচ্ছাসত্বেও কৈকেয়ীৰ প্ৰাৰ্থীত বৰত সম্মতি প্ৰদান কৰিলে আৰু তেতিয়া লগে লগে বন জুইৰ দৰে এই খবৰ গোটেই ৰাজ্যত বিয়পি পৰিল। ৰামচন্দ্ৰই এই কথা জানি পিতৃসত্য পালনৰ অৰ্থে বনলৈ যাবলৈ প্ৰস্তুত হ'ল। লগত ওলাল সীতা আৰু লক্ষ্মণ। এইদৰে বনবাসত থকা কিছু কালৰ পিছতেই দশৰথে পুত্ৰশোকত প্ৰাণ এৰিলে। □


পূৰবী প্ৰকাশনৰ পৰা

*অসমৰ সংবাদ জগতত সংযোজন নতুন*
*আৰু বৰ্ণাঢ্য সাপ্তাহিক*

# জনক্ৰান্তি

প্ৰতি দেওবাৰে


সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা-
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)

গল্প

# দুঃসময়

কমলা বৰগোহাঁই



অংকন : চম্পক বৰুৱা

বজাৰৰ পৰা আহি ঘৰ সোমাওঁতেই চকুত পৰিল আগফালৰ চোতালত মটৰ চাইকেল আৰু স্কুটাৰ দুয়োখনেই আছে। দুই পুত্ৰ ঘৰত থকা বুলি জানি মনটো অকাৰণতে ভাল লাগিল। বহুদিন ধৰি নিশাৰ ভাত-সাজ সকলোৱে একেলগে বহি খাবলৈ সুবিধাই পোৱা নাই। তাতে আজি বৰ হেঁপাহেৰে এডোখৰ ৰৌমাছ কিনি আনিছো। লোকেল ৰৌ। কিলোত আশী টকা। সাধাৰণতে মই ইমান দাম দি মাছ নিকিনো। কিন্তু যোৱা কেইবাদিনো ধৰি এনে এচকল মাছ কিনাৰ কথাই ভাবি আছিলো। আজি পেন্সনৰ টকা কেইটা লৈ আহোতেই অৰুণোদয় সংঘৰ ওচৰত ক্ৰিকেট প্ৰেকটিচ কৰি থকা সৰুপোনাক মাতি থৈ আহিছিলো। সি মাথোন ক'লে–

"অঁ, মই যাম বাৰু।"

আধা ঘন্টাৰ মূৰতো সি নহা দেখি মই নিজেই বজাৰলৈ গ'লো। বজাৰত কেউফালে মাছৰ দ'ম। লোকেল মাছ বৰ কম। তথাপি এচকল ডাঙৰ মাছ কিনি আনিছো। অন্ততঃ পো-বোৱাৰীয়ে জানক যে ময়ো আশী টকা দৰৰ মাছ কিনিব পাৰো।

দৰাচলতে কথাষাৰ নিতান্তই সামান্য। সিদিনা দুপৰীয়া ভাত খাওঁতে সৰুপোনাই মাকক প্ৰশংসাৰে কৈছিল–

"আজিনো কোমোৰাৰ তৰকাৰীখন কেনেকৈ ৰান্ধিছা মা? খাবলৈ বৰ সোৱাদ হৈছে।"

"আনদিনাৰ দৰেই ৰান্ধিছো। ঘৰৰ জালি কোমোৰা বাবেই ভাল হৈছে চাগে।"

বিশেষ চিন্তা নকৰাকৈ মই মন্তব্য দিলো – "ইয়াৰ লগত মাছ অকণ থাকিব লাগিছিল, অমৃত লাগিলহেঁতেন।"

মই সেই প্ৰসঙ্গ তাতেই শেষ হ'ল বুলি ভাবিছিলো। ডাঙৰ পোনাক কোনে কি লগালে ক'ব নোৱাৰো। সি মাকক ক্ষোভেৰে কোৱা কথাষাৰহে মই পাছত গম পালো।

"দেউতাই সদায় মাছ খাবলৈ বিচাৰিলে কেনেকৈ হ'ব মা? আজিকালি মাছৰ দৰ কিমান তেওঁ গম পায়নে?"

কথাষাৰ গম পাই মই বৰ বিচলিত হ'লো। ডাঙৰ পোনাই মাছ অকণ অনাৰ দিনাও মাছৰ দামটো সুধি লৈ মই প্ৰায়েই কওঁ–

"ইস্ ইস্ ইমান দাম দি মাছ কেলেই কিনিছ? এসাজ মাছ খোৱাৰ সলনি এইখিনি টকাৰে এসপ্তাহৰ আলু দাইল পালিহেঁতেন।"

তেনেস্থলত ডাঙৰ পোনাই মোক সদায় মাছ খাবলৈ বিচৰা বুলি অযথা দোষাৰোপ কৰিছে। ঠিক আছে আজি একেলগে ভাত খাওঁতে চামচোন মই লোকেল ৰৌমাছ কিনা বাবে তাৰ মনত কেনে প্ৰতিক্ৰিয়া হয়।

পৰিবাৰৰ হাতত মোনাটো দিওঁতেই তেওঁ ক'লে "আপুনি সৰুপোনাকনো কেলেই মাতি থৈ আহিছিল। সি বহুত দেৰি বৈ আছিল।"

"সি আহিব বুলি মই আধা ঘন্টাতকৈ বেছি বাট চালো। সি নহা দেখিহে মই নিজেই বজাৰলৈ গ'লো। বৰ হেঁপাহেৰে ৰৌমাছ এচকল আনিছো। ভালদৰে ৰান্ধিবা।"

"পেন্সনৰ টকা কেইটাৰ আধা শেষ কৰিলে হবলা। চালানী মাছ আনিছে নেকি?"

"নহয়হে, লোকেল মাছ। আজি দেখোন দুয়োটা ঘৰতে আছে কথাটো কি?"

"অকল ডাঙৰ পোনাহে ঘৰত আছে। কলেজৰ পৰা বাহিৰে বাহিৰে ডিব্ৰুগড়লৈ গৈ লগৰ প্ৰফেচাৰণী এগৰাকীৰ বিয়া খালেগৈ। সৰুপোনাই মটৰ চাইকেলখন নিয়া নাই। মিলিটাৰীয়ে চেকিং কৰিছে হেনো।"

"তেন্তে সিনো ওলাই গ'ল কিয়?"

"ইস্, গুণধৰ পুতেকে যেন মোৰ কথা শুনিবহে।" পৰিবাৰ উচাৎ মাৰি ভিতৰলৈ সোমাই গ'ল।

পৰিবাৰৰ শেষৰ কথাষাৰকে মনৰ মাজত পাগুলি পাগুলি মই পাছফালৰ বাৰান্দাত থকা আৰামী বেঞ্চখনত বহিলো।

এৰা আজিকালি কোনে কাৰ কথা শুনে? অথনি ক্ৰিকেট প্ৰেকটিচ কৰি থাকোতে মই নিজে সৰুপোনাক মাতি থৈ আহিছিলো, কিন্তু সি আহিল জানো? তাৰ পৰীক্ষাৰ আগে আগে মোমায়েকৰ জীয়েক ৰাণুৰ বিয়া হৈছিল। ঘৰৰ আটায়ে তাক যাবলৈ বাৰণ কৰিলো। সি কিন্তু নিজৰ কথাত অলৰ অচৰ হৈ ৰ'ল–

"পৰীক্ষা বছৰি বছৰি আহিব। কিন্তু ৰাণুৰ বিয়াখন এইবাৰ গ'লে আকৌ পাম জানো?"

সি ৰাণুৰ বিয়ালৈ গৈ চাৰিদিন থাকিলগৈ। তাৰ পৰা ঘূৰি অহাৰ এপযেকৰ পাছতে তাৰ অনাৰ্চৰ পৰীক্ষা। সি কি পৰীক্ষা দিলে স্বয়ং ভগৱানেও ক'ব নোৱাৰিব চাগে।

ইফালে ডাঙৰটো জানো কম? সি কলেজৰ অধ্যাপক। বিয়া বাৰু কৰাই দস্তুৰমত ভব্যগব্য লোক হৈছে। এতিয়াও সি নিশা দুপৰলৈকে তাছ খেলিবলৈ এৰিছেনে? আমাৰ এই সৰু নগৰখনত আঙুলি মূৰত লেখিবপৰা যি কেইজন গণ্যমান্য লোক আছে সেই আটাইবোৰে মিলি ক্লাবত তাছ খেলে। এই নগৰখনত এটা লাইব্ৰেৰী নাই, অথচ চুবুৰিয়ে চুবুৰিয়ে অসংখ্য ক্লাব।

মোৰ পেন্সনৰ কাগজপত্ৰবোৰ ঠিক কৰি দিবৰ বাবে স্কুল পৰিদৰ্শকৰ অফিচত দুহেজাৰ টকা বিচাৰিলে। অফিচৰ বৰমূৰীয়া বিষয়াজন ডাঙৰ পোনাৰ বন্ধু। ঠিক বন্ধু নহয়, আচলতে তাছ খেলৰ লগৰীয়া। সেইবাবে মই তাক কৈছিলো–

"মোৰ পেন্সনৰ কাগজপত্ৰবোৰৰ কথা আই-এচক তই এবাৰ কবিছোন। অফিচৰ কেৰাণীয়ে দুহেজাৰ টকা বিচাৰিছে।"

"তেওঁক ক'লেনো কি লাভ হ'ব? আজিকালি এনেকৈ টকা লোৱাটো এটা নিয়মেই হৈছে। নহ'লে কামটো নকৰি পেলাই থ'ব।"

"তেওঁৰ তলতীয়া কৰ্মচাৰীজনক তেওঁ কথা এষাৰ ক'লে কিয় নামানিব?"

'নহয় মানে তেওঁৰ অফিচৰ কথাত মই সোমাবলৈ বেয়া পাইছো।"

ডাঙৰপোনাৰ যুক্তিত মই পতিয়ন যাব নোৱাৰিলো। নিজৰ দেউতাকৰ হৈ কথা এষাৰ কলে তাৰ কি সন্মান হানি হ'ব? খঙতে মই কামটো তেনেদৰেই পেলাই থৈছিলো। সৰুপোনাই মটৰ চাইকেল কিনাৰ প্ৰসঙ্গ নোলোৱা হ'লে সেই কামটো কিমানদিন পৰি থাকিলহেঁতেন ঠিক নাই।

কিছুদিনৰ পূৰ্বে সৰুপোনাই মাকৰ ওচৰত আব্দাৰ জুৰিলে – মটৰ চাইকেল কিনিবলৈ তাক টকা লাগে। পৰিবাৰে মোক খাটনি ধৰিলে – "সৰুপোনাই মটৰ চাইকেল এখন কিনিব খুজিছে। তাৰ ওচৰত অলপ টকা আছে বুলি কৈছে। আপোনাৰ পৰাও দহহেজাৰমান বিচাৰিছে। বাগিচাৰ চাপ্লাইৰ কামটো পালে টকাখিনি ঘূৰাই দিব বুলি কৈছে।"

"তাকনো মটৰ চাইকেল কেলেই লাগে?"

"এতিয়া টিউশ্যনলৈ যাবলৈ লাগে। পৰীক্ষাৰ পাছত বাগিচাত চাপ্লাইৰ কামতো মটৰচাইকেলখন বৰ দৰকাৰী হ'ব বুলি কৈছে।"

"তাৰ দৰকাৰ হলে মাজে মাজে ককায়েকৰ স্কুটাৰখনে নিব পাৰে দেখোন।"

"ককায়েকৰ স্কুটাৰখন সি নুচুৱে হেনো।"

"বাঃ বৰ ভীষ্ম প্ৰতিজ্ঞা কৰিছে দেখোন।"

"আপুনি কেৱল তাৰ দোষটোহে দেখে। তাৰ লগৰ ল'ৰা আটাইবোৰৰে মটৰ চাইকেল আছে। সেইবাবেহে সি বিচাৰিছে। সি ক'তো ডকা হকা দি ল'ব খোজা নাই নহয়।"

"অ' তুমিও তাৰ ফলীয়াহে হ'লা। ডাঙৰ পুতেকৰ স্কুটাৰৰ পাছত উঠিবলৈ নাপাই সৰুপুতেকৰ মটৰ চাইকেলৰ পাছত উঠিবৰ মন। ঠিক আছে মোৰ পেন্সন গ্ৰেচুইটিৰ টকাখিনি পালে তাক দহ নালগে বাৰ-হেজাৰেই দিম। এতিয়া মোৰ হাতত কিন্তু টকা নাই।"

মাকৰ মুখে সৰুপোনাই কথাষাৰ শুনি নৰলেই। লগৰ বন্ধু দুজনমান লগত লৈ সি অফিচতে কাৰোবাক কাৰোবাক ধৰিলেগৈ। চাৰিদিনতে কাগজপত্ৰবোৰ ঠিক ঠাক হ'ল। দহদিনৰ মূৰত মই টকাখিনি পালোৱেই।

এই ঘটনাটোৰ বাবে ডাঙৰপোনাই মোকহে দোষাৰোপ কৰিলে। সি মাকক ক'লে–

"মা দেখিছানে দেউতাৰ কাণ্ড! এতিয়া সৰুপোনাৰ লগৰ গুণ্ডা এগাল লগাই নিজৰ পেন্সনৰ কামটো কৰাইছে। এতিয়া আমাৰ নাকটো ক'ত থাকিল? মোৰ কথামতে দেউতাই তেতিয়াই টকা অলপ দিয়া হ'লে কামটো লগে লগে হৈ গ'লহেঁতেন। তাকে নকৰি কৰিলেগৈ এইখন।"

সৰুপোনাক মই টকা দহহেজাৰ দিলো। সি পুৰণি মটৰ চাইকেল এখন কিনিলে। ডাঙৰপোনাই এইবাৰো আওপকীয়াভাবে মোকহে জগৰীয়া কৰিলে–

"দেউতাই তাক মূৰত তুলি লৈছে নহয়, কেতিয়াবা গমটো পাব। সি এনেয়েও ঘূৰি ফুৰা ল'ৰা। এইবাৰ তাক বিচাৰি পোৱাই টান হ'ব। তাৰ বাবে পুলিচৰ ওচৰলৈ বা হস্পিটেললৈ যাবলগীয়া হ'লে মই কিন্তু নাযাওঁ। দেউতাকে যাবলৈ ক'বা।"

কেতিয়াবা মোৰ বৰ অতিষ্ঠ লাগে। ঘৰখনত দুটা মাত্ৰ ল'ৰা। অথচ সিহঁত দুটাৰ মাজত অকণো মিল নাই। সামান্য কথাতে দুয়োটাৰ মাজত মনোমালিন্য ঘটে। বৰ্তমান পৰিস্থিতিৰ বাবে সৰুটোৱে দোষ দিয়ে চৰকাৰক। চৰকাৰে সেনা আনি নিৰিহ লোকক অত্যাচাৰ কৰাইছে বুলি কয়। ডাঙৰপোনাই কয় যে সৰুপোনাৰ দৰে এমখাৰ – উদণ্ডালিৰ বাবেহে সেনাবাহিনী আনিব লগা হৈছে। ইহঁত গালেহে দেশত অশান্তিৰ সৃষ্টি কৰিছে। টিভি-ৰ নিউজ চাওঁতে এই প্ৰসঙ্গ লৈ দুয়োটাৰ মাজত কেইবাদিনো তৰ্ক-বিতৰ্ক হৈছে। পৰাপক্ষত মই সিহঁতৰ তৰ্কৰ মাজত সোমাব নোখোজো। মই বৰ শান্তিপ্ৰিয় মানুহ। কোনোধৰণৰ অশান্তিকে মই সহ্য নকৰো।

এইবোৰ অসংলগ্ন কথা গুণা-গঁথা কৰি থাকোতেই সন্ধ্যা নামি আহিল। পৰিবাৰে আহি বাৰান্দাৰ লাইটটো জ্বলাই দিলেহি।

"আন্ধাৰত বহি কি কৰিছেনো? মুখ হাত ধুই লওক। সবিতাই চাহ বাকিছেই।"

"এনেকৈয়ে চাহ কাপ খাই লওঁ দিয়া। ভাত খোৱাৰ পূৰ্বে মুখ হাতবোৰ ধুম।"

"ভাত হ'বলৈ দেৰি আছে। ইমান হেঁপাহেৰে মাছডোখৰ আনিছে যেতিয়া মইও জুতি লগাই ৰান্ধিছো।"

বোৱাৰীয়ে আহি চাহ একাপ মোৰ সমুখত দি থৈ গ'লহি। পৰিবাৰে এবাৰ তীৰ্যকভাবে চাই পুনৰ ৰান্ধনি ঘৰলৈ সোমাই গ'ল। পৰিবাৰৰ অসন্তোষৰ কাৰণ মই বুজি পাইছো।



অংকন : চম্পক বৰবৰা

তেওঁ মোক কাপ প্লেটত চাহ দিয়াৰ সলনি বাতিত চাহ দিয়াটো বিচাৰে। মোৰ এইবোৰ্ বাছ বিচাৰ নাই।

চাহ কাপ খাই দৈনিক বাতৰি কাকত দুখন মেলি ললো। বাতৰি কাকততো কেৱল অশান্তিৰ বতৰা আৰু নাটনিৰ কথা। অ'ত ত'ত সেনাবাহিনীয়ে চলোৱা অত্যাচাৰৰ কথা, বলপূৰ্বকভাবে টকা দাবী কৰোতে যুৱক গ্ৰেপ্তাৰ, নিবনুৱা অভিযান্ত্ৰিক স্নাতকৰ আত্মহত্যা, মন্ত্ৰীৰ দ্বাৰা ৰাজহুৱা ভৱনৰ আধাৰশিলা স্থাপন, কেৰাচিন আৰু ৰন্ধন গেছ চিলিণ্ডাৰৰ নাটনি। দিনৰ পাছত দিন ধৰি একে ধৰণৰ বাতৰি পঢ়ি পঢ়ি আজিকালি কিবা মানসিক অৱসাদত ভুগিছো। হঠাৎ লাইটবোৰ নুমাই গ'ল। বিদ্যুৎ পৰিষদৰ ওপৰত টিঙিচটৈক খঙটো উঠিল। পৰিষদৰ মইমতালিত সন্ধিয়াৰ সময়কণো মানুহ শান্তিৰে থাকিব নোৱৰা হ'ল। বিদ্যুৎ যোগানৰ কতধৰণৰ খেলিমেলি অথচ বিল দিয়াৰ ক্ষেত্ৰত কি কঠোৰ নিয়ম। মাহৰ নিৰ্দিষ্ট দিনত শাৰী পাতি হলেও টকা আদায় দিব লাগিব।

অলপ পাছতে পুনৰ লাইটবোৰ জ্বলিল। পুনৰ বাতৰি কাকত মেলি লবলৈ ইচ্ছা নহ'ল। কাষৰ কোঠাত সবিতাই টিভিটো অন কৰি দিছে বোধহয়। বাতৰিৰ বাদে বাকীখিনি সময় মই টিভিৰ সমুখত নবহোৱেই। সেয়ে কাপোৰ কানি সলাই টিউবৱেলটোৰ কাষতে মুখ হাত ধুবলৈ গলো।

বাহিৰত গেটখন খোলাৰ শব্দ শুনিছো। আজিকালি সন্ধিয়া মানুহবোৰ ওচৰ চুবুৰীয়াৰ ঘৰলৈ নাযায়। বেছিভাগ মানুহ টিভিলৈ ব্যস্ত থাকে। এই অসময়ত কোন আহিলনো? পাকঘৰত সৰুপোনাৰ মাত শুনা যেন লাগিছে। সি আজি ইমান সোনকালে আহিলনে? ভালেই হ'ল - আজি বাপেক পুতেকহ'তে একেলগে ভাত খাব পাৰিম। সৰুপোনাই আজি মাছৰ প্ৰসঙ্গ উলিয়াব নেকি বাৰু? সি পাকঘৰত মাকৰ লগত উচ্চস্বৰে কথা পাতিছে–

"আজি সোনকালে ঘৰলৈ আহিলো মা। ইমানবোৰ মিলিটেৰী পিয়াপি দি ফুৰিছে। মনটো ভাল নালাগিল।"

তাৰ কথা শুনি মই বৰ আমোদ পালো। ভাল নালাগিল' বুলি নকৈ 'ভয় লাগিল' বুলি নক'ৰ কেলেই?

খন্তেক পাছতে সবিতাই আহি মাত লগালেহি – "দেউতা ভাত বাঢ়িছে, আহক।"

বহুদিনৰ মূৰত ডাঙৰ পোনা, সৰু পোনাৰ একেলগে ভাতৰ টেবুলত বহি মনটো এনেয়ে ভাল লাগিল। আজি লাইটটো নুমাই যোৱা নাই। মাছৰ জোলখনৰ গন্ধ নাকত লগাৰ লগে লগে ভাতখোৱাৰ হেঁপাহটো তীব্ৰতৰ হ'ল।

ভাত এগৰাহ মুখত দিয়েই মই আঁৰ চকুৰে সৰুপোনালৈ চালো। মাছ অকণ মুখত দিয়েই সি কিবা মন্তব্য দিছে নেকি বাৰু? ডাঙৰ পোনাইতো গম পাইছেই আজি মই মাছ কিনি আনিছো বুলি। তাৰ মুখতো কিবা ভাবান্তৰ ঘটিব নেকি বাৰু?

ইহঁত দুটাক সন্তৰ্পণে নিৰীক্ষা কৰি মাছ অকণমান মুখত ভৰাব খোজোতেই এটা বন্দুকৰ গুলিৰ তীব্ৰ শব্দ শুনিলো। লগে লগে কাণত পৰিল এটা তীব্ৰ আৰ্তনাদ। মই প্ৰায় উচপ খাই থিয় হলো। আমাৰ ঘৰৰ সমুখৰ পৰাই শব্দটো অহা যেন লাগিল। ইহঁত দুটাই ইটোৱে সিটোক আঁৰ চকুৰে চালে। হঠাৎ ডাঙৰ পোনাই চিঞৰি কলে–

"আগফালৰ লাইটবোৰ নুমুৱাই দে।" সিহঁত দুটাই নীৰৱে ভাত খাই থকা দেখি মই অস্থিৰ হৈ ক'লো–

"যাচোন ক'ত কি হৈছে চাই আহঁগৈচোন। কাৰোবাক গুলীয়াইছে যেন পাইছো।"

"দৰকাৰ নাই এইবোৰ ঝামেলাত সোমোৱাৰ। এইবোৰ কোনোবা উদণ্ড যুৱকৰ কাম হ'ব পাৰে। ইহঁত গালৰ যে উৎপাত।" – ডাঙৰপোনাই নিৰ্লিপ্তভাবে ক'লে।

"মিলিটেৰীয়েহে গুলীয়াইছে কিজানি। এইকেইদিন মিলিটেৰীৰ উৎপাতহে বাঢ়িছে।" – সৰুপোনাই প্ৰতিবাদৰ সুৰত কলে।

মই চৌপাশৰ ঘৰবোৰলৈ চালো। কেৱল আমাৰ ঘৰতে নহয় সকলোৱে ঘৰৰ সমুখৰ লাইটবোৰ নুমাই গৈছে। মোৰ বুকুখন হাহাকাৰ কৰি উঠিল। ক'ত মানুহে আৰ্তজনক সহায় কৰিব। সকলোৱে নিজক বচাবলৈ চাইছে। ডাঙৰপোনা আৰু সৰুপোনাই বেছ আগ্ৰহেৰে মাছ ভাত খাই আছে। অৱশ হৈ মই পুনৰ চকীখনত বহিলো।

পৰিবাৰে আহি মোৰ অৱস্থালৈ লক্ষ্য কৰি ক'লে–

"আপুনিনো ভাত নাখায় কিয়? ইমান হেঁপাহেৰে মাছচকল আনিছিল। এতিয়ানো কি হ'ল?"

আশ্বস্ত হৈ মই মাছ অকণ মুখৰ ওচৰলৈ নিলো। মোৰ নাকত মাছৰ সুঘ্ৰাণ নালাগি লাগিল কেঁচা তেজৰ কেচেমা কেচেম গোন্ধ। মোৰ অসহ্য লাগিল নাড়ী ভুৰুবোৰ উজাৰ খাই উঠিব খুজিছে। হঠাৎ মোৰ উকালি আহিল–


"ওৱাক – ওৱাক।" ❑




গল্প

# অৱগাহন

মদন শৰ্মা



অংকন : চম্পক বৰবৰা

যেন সাগৰৰ সৈতে মুখামুখিৰ এই অবিস্মৰণীয় মুহূৰ্তৰ বাবেই তেওঁ বাট চাই আছিল গোটেই জীৱন। ফুটপাথত ভৰি থৈয়ে হাজৰিকাই শুনিছিল বৈ বৈ সাগৰৰ উত্তাল ঢৌৰ গৰ্জন; সাগৰ প্ৰশস্ত, গভীৰ বুকুৰ ভিতৰৰ পৰা উঠি অহা অনিৰ্বচনীয় এক গুমগুমনি। হঠাতে যেন ক'ৰবাৰ পৰা তেওঁৰ ভগ্ন শৰীৰলৈ ঘূৰি আহিল নতুন শক্তি। মনলৈ নতুন উদ্যম। পাহৰি গ'ল– তেওঁ এজন মৃত্যুমুখী মানুহ। জীৱনৰ অমিত সম্ভাৱনাই তেওঁক শিহৰিত কৰি তুলিলে। তেওঁ বালিৰ ওপৰেদি কোবেৰে আগবাঢ়ি গ'ল নীল-সেউজৰ থাউনি নোপোৱা বিস্তৃতিৰ ফালে। জোঁৱায়েক হেমন্তই উদ্বিগ্ন হৈ চিঞৰি উঠিল, 'দেউতা, চাব, সাৱধানে'।

বালিয়ে যেন তেওঁৰ ভৰি দুখন খামুচি ধাৰ ৰাখিব খুজিছিল। গালে-মুখে লুণীয়া বতাহৰ হাত বুলনি। ক্লান্ত শৰীৰত বালিত মুখ ঠেকেচা খাই ভাগি যোৱা ঢৌৰ চিটিকনি। সেমেকা বালিত বহি তেওঁ কেৱল চাই ৰ'ল– দূৰ দিগন্তৰ ওচৰত নীলা-ক'লা সাগৰৰ অন্য এক ৰূপ- গহীন গম্ভীৰ, উদাস। পাৰৰ পৰা কিছু দূৰৈত ক্ষণে ক্ষণে জঁপিয়াই উঠা ঢৌৰ সিগাৰে নীলা আৰু সেউজৰ সানমিহলি। ওচৰলৈ লৰি অহা চপল ঢৌৰ ব্যস্ততা, হঠাতে বালি চাকি কজলা মেঘৰ ক্ষন্তেকীয়া ছাঁ, ভৰিত চেঁচা পানীৰ স্পৰ্শ, বালি আৰু শেলাইৰ ৰহণসনা পানীৰ পেলব সেউজীয়া ৰং; কাণৰ ওচৰত, বুকুৰ মাজত ঢৌৰ অশান্ত গৰ্জন– স্তিমিত, কোলাহলময় স্তিমিত– ইমান তন্ময় হৈ তেওঁ বহি আছিল যে হঠাতে তেওঁৰ ভাব হৈছিল মায়া যেন ওচৰতে বহি আছে– নীৰৱে। তেওঁ চকিতে ঘূৰি চালে– চিতাজুইৰ লেলিহান শিখাৰ বুকুত বিলীন হৈ গৈছে মায়াৰ শৰীৰ– খকমককৈ বাওঁফালে চালে– সাগৰৰ বুকুলৈ সোমাই গৈছে ৰঙচুৱা বেলি–।

তিনিবছৰ আগতেই তেওঁ পত্নীক হেৰুৱালে। অথচ এনে মুহূৰ্ততে ভাব হয় মায়া যেন বহি আছে নিচেই কাষত।

'দেউতা, দূৰলৈ নাযাব। মই এইখিনিতে আছো।' হেমন্তই সোঁফালে কিছুদূৰৰ দোকানবোৰলৈ আঙুলিয়াই ক'লে,। চাহ একাপ খাব নেকি?

তেওঁ মূৰ লৰালে।

হেমন্তই কিজানি চাহ-চিগাৰেট খাবলৈ গ'ল আৰু জোঁৱায়েকৰ ওচৰত কৃতজ্ঞ তেওঁ। নিজৰ ল'ৰাইও ইমানখিনি কৰিলেহেঁতেন নে নাই সন্দেহ। ডিব্ৰুগড় আৰু গুৱাহাটীত কেইবাজনো বেচ নামী ডাক্তৰক দেখুওৱাৰ পিছতো হেমন্তৰ জোৰতেই তেওঁ ভেলোৰলৈ আহিছিল। মাজতে এসপ্তাহমান বৰ জী-জোৱাৰেক আৰু সৰু জীয়েক ৰুবী আছিল হি। এই এমাহ দিন হেমন্তই নিজৰ ব্যৱসায়লৈ পিঠি দি তেওঁৰ লগতেই কটাইছে। ৰুবী সন্তান-সম্ভৱা। গতিকে মন কৰিলেও ৰুগীয়া দেউতাকৰ ওচৰত থাকিবহি নোৱাৰে। হেমন্তইও আৰু বেছি দিন তেওঁৰ বাবে নষ্ট কৰিব লগা নহ'ব। তেওঁৰ উভতি যোৱাৰ সময় হৈ আহিছে- উভতি গৈ মৃত্যুৰ বাবে বাট চোৱা।

অসমীয়া মাত কথা শুনি হাজৰিকাই ঘূৰি চালে। তেওঁতকৈ দুই-চাৰি বছৰ সৰু, বয়সস্থ মানুহ এজন আৰু তেওঁৰ ঘৈণীয়েক। দুয়ো আহি তেওঁৰ ওচৰতে বালিত বহি পৰিল, 'উস্ বৰ ভাগৰ লাগিছে।

'মইতো অথনিৰ পৰাই কৈ আছো – বলক হোটেললৈ ঘূৰি যাওঁ–' ঘৈণীয়েকে ক'লে।

'কিন্তু সাগৰৰ ওচৰৰ পৰা যে আঁতৰিবৰ মন নাযায়'–

মানুহজনক ক'ৰবাত দেখা যেন লাগিল। হাজৰিকাই মাত লগালে,

'আপোনালোক বাৰু ডিব্ৰুগড়ৰ নেকি?'

মানুহজনৰ মুখ হাঁহিৰে উজ্জ্বল হৈ পৰিল, 'এৰা কেনেকৈ জানিলে? আপুনিও ডিব্ৰুগড়ৰে নেকি?

'ঠিক ডিব্ৰুগড়ৰ নহয়, পুৰণা ডিব্ৰুগড় জিলাৰে', হাজৰিকাই হাঁহি হাঁহি ক'লে। 'আপোনাক ক'ৰবাত দেখিছো যেন লাগিলে।'

'দেখিবও পাৰে। গোটেই জীৱনতো কোৰ্টতে কাম কৰিলো। আপুনি পিছে'?

'কলেজত কৰিছিলো। চাৰিবছৰ হ'ল অৱসৰ লোৱা। পিছে, মাদ্ৰাজলৈ ফুৰিবলৈ আহিছে নে?'

'ঠিক ফুৰিবলৈ নহয়; মানুহজনে ইতস্ততঃ কৰিলে, আচলতে ভেলোৰলৈ আহিছিলো– ভাবিলো এই সুযোগতে মাদ্ৰাজখনো চাই যাওঁ– আৰু বা আহিব পাৰোনে নোৱাৰো–। আপুনি?

'মোৰো একেই কাহিনী,' হাজৰিকাই ক'লে, 'ভাবিলো মৰাৰ আগতে সাগৰখন চাই যাওঁ। কাইলৈ কন্যাকুমাৰীলৈ যাম। যাব নেকি সেইফালে?'

'এইবাৰ নহ'ব। টিকেট কৰা হৈ গ'ল; কাইলৈ ঘূৰিমেই'।

তেওঁলোক যাবলৈ ওলাল। হাজৰিকা

একে ঠাইতে বহি ৰ'ল– ডিব্ৰুগড়ৰ মানুহজনৰ অৱস্থা নিশ্চয় তেওঁৰ দৰে নহয়– এতিয়াও আশা আছে।

দিনৰ পোহৰ শেষ হৈ আহিছে। সাগৰৰ পিনৰ পৰা বৈছে গা-জুৰোৱা বতাহ। তেওঁৰ এনে লাগিল– তিনিওফালে চাপৰ পাহাৰে আগুৰা অনবৰত বতাহে কোবাই থকা, শৈশৱৰ সেই চিনাকি সেউজীয়া পথাৰখনৰ এচুকত বহি আছে যেন তেওঁ। এঢলীয়াৰ পৰা হাউলি অহা ডালবোৰে, সেউজী পাতবোৰে তেওঁৰ মুখে-গাই ছুই আছে, তেওঁৰ চকুমুদ খাই গৈছে, তেওঁৰ চাৰিওপিনে বৈ বৈ বতাহৰ গৰ্জন–

'দেউতা, বলক, গধূলি হ'ল'।

হেমন্তৰ হাতত ধৰি তেওঁ থিয় হ'ল। আন্ধাৰ, গৰ্জনমুখৰ সাগৰ যেন আগতকৈয়ো চঞ্চল হৈ উঠিছে। তেওঁ পাৰৰ পোহৰলৈ আগবাঢ়িল। • •

• • ধাৰ্মিক তেওঁ কোনোদিন নাছিল। মায়া আছিল একেবাৰে বিপৰীত। মৃত্যুৰ ক্ষণ গণি থকাৰ মুহূৰ্ততো নামঘৰলৈ শৰাই আগবঢ়োৱাৰ কথা মনলৈ আহিছিল মায়াৰ। তিল তিলকৈ মৃত্যুৰ মুখলৈ আগবঢ়াৰ পৰতো মায়াই জীৱনক খামুচি ধৰি ৰ'বলৈ কিমান যে চেষ্টা কৰিছিল। তেওঁৰ দেখি বেয়া লাগিছিল। ধৰ্মৰ অৰ্থহীন আনুষ্ঠানিকতাই তেওঁক বিতুষ্ট কৰি তুলিছিল। কিন্তু বিবেকানন্দ শিলাৰ ওপৰত অৱস্থিত এই ধ্যান মণ্ডপত সোমাই এখন বেলেগ জগতলৈ গুচি অহা যেন লাগিল। গভীৰ মৌন একান্ত পৰিবেশত তেওঁৰ ক্ষত-বিক্ষত সমগ্ৰ সত্তালৈ যেন ঘূৰি আহিল ব্যাখ্যাতীত এক প্ৰশান্তি। পোন্ধৰ-বিছ মিনিটমান তাতে কটাই আকৌ সাগৰৰ পাৰ পালেহি।

ইয়াতে হেনো তিনিখন সাগৰৰ পানী মিলি গৈছে। ঠিক কোনখিনিত কোন সাগৰৰ পানী বৈ আছে, জনা সম্ভৱ নে। চেঁচাপানীলৈ নামি গৈ তেওঁ ভাবিলে সমস্ত নদীৰ পানীয়েইতো ইয়ালৈকে বৈ আহিছে– পৱিত্ৰ-অপৱিত্ৰ সকলো নদী। তেওঁৰ মনত পৰিল, সম্ভৱতঃ বাইবেলতে পঢ়িছিল– 'সকলো নৈ লৰি যায় সাগৰলৈ, সাগৰ তথাপি পৰিপূৰ্ণ নহয়; নৈবোৰ য'ৰ পৰা আহিছে তালৈকে যে উভতি যায়'– কেনেকৈ উভতি যায়!

হেমন্তই সুধিলে, কি কৈছে দেউতা'? ঢৌবোৰ অবিৰাম আচাৰ খাই শিলত পৰিছে। একোকে নুশুনি। দুবাৰমান চিঞৰি সুধিলতহে তেওঁ বুজি পালে। জোঁৱায়েকৰ কান্ধত হাত থৈ হাজৰিকাই ক'লে, 'জোনটিহঁতক সাগৰ দেখুৱাবলৈ আনিবা, অন্ততঃ এবাৰ'। জোনটি ৰুবীহঁতৰ প্ৰথম সন্তান। ৰুবী আহোঁতে তাক মোমায়েকৰ ঘৰতে থৈ আহিছিল।

হেমন্তই একো নুবুজাকৈয়ে শলাগিলে, 'অঁ'।

'সকলো মানুহেই অন্ততঃ এবাৰ সাগৰ চাব লাগে। এই বিস্তৃত, এই ৰহস্যময় গভীৰত অহৰহ ঢৌৰ অশান্ত গৰ্জন– এইবোৰ নেদেখিলে– নুশুনিলে তুচ্ছতাৰ মাজতেই চিৰদিন আৱদ্ধ হৈ ৰ'ব লাগিব। এটাই দুখ থাকি গ'ল–বহু আগতেই সাগৰ চাবলৈ আহিব লাগিছিল– । তেওঁৰ বেছিভাগ কথাই সাগৰৰ গৰ্জনে গিলি থলে। হেমন্তই কেৱল শুনিলে, বুঢ়াই কৈছে আপোনমনে– 'সাগৰলৈ মানুহৰ কিয় ইমান টান? বোধহয় সাগৰৰে, পানীতে প্ৰথম জীৱৰ সৃষ্টি হৈছিল বাবে–'। কি কোৱা, হেমন্ত'? হেমন্তই তেওঁক হাতত ধৰি পাৰলৈ আগুৱাই আহিল, 'বলক, দেউতা। আপোনাৰ দৰৱ খাবৰ সময় হ'ল।'

খোৱা বোৱা শেষ কৰি ওলাই গ'লগৈ। টিকেটৰ ব্যৱস্থা কৰিবলৈ হেনো ত্ৰিবেন্দ্ৰমলৈকে যাব লাগিব। লগত আৰু দুজন মানুহ ওলাইছে; তেওঁলোকো গুৱাহাটীলৈকে যাব। যাবৰ সময়ত হেমন্তই তেওঁৰ বিছনাৰ ওচৰলৈ আহি ক'লে, 'আপুনি অলপ জিৰণি লওক। মোৰ পলম হ'ব পাৰে। দূৰলৈ নাযাব কিন্তু'। জোঁৱায়েকৰ চিন্তা দেখি তেওঁ মিচিকিয়ালে। হেমন্ত ঘূৰি যাবলৈ ব্যস্ত হৈ উঠিছে। স্বাভাৱিক কথা ঘৰ-সংসাৰ-ব্যৱসায় সকলো পেলাই থৈ নিশ্চিত মৃত্যুৰ ফালে আগবঢ়া মানুহ এজনক লৈ ইয়াত পৰি থাকিলে নহ'ব নহয়। তেওঁ বুজি পায় সকলো কথা।

হাজৰিকাৰ নিজৰ ল'ৰা নাই। ককায়েকৰ ল'ৰা জ্যোতিয়ে চোৱা-চিতা কৰে। তাৰ ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী হালেও হাজৰিকাৰ খা-খবৰ লৈ থাকে। সিহঁতো ব্যস্ত। গিৰিয়েক-ঘৈণীয়েক হালেই চাকৰি কৰে। ছুটী নাপায়। ঘৰখনো এৰি থৈ আহিব নোৱাৰে। তেওঁ ঘৰলৈ ঘূৰি গ'লে নিশ্চয় সিহঁতে পাৰ্যমানে তেওঁৰ সেৱা-শুশ্ৰূষা কৰিব। কিন্তু কিমান দিন? কাৰো বোজা হৈ মৰণৰ ক্ষণ গণি থাকিবলৈ তেওঁ নিবিচাৰে। হেমন্তই ভাবিছে তেওঁ এইবোৰ কথা নাজানে। ভেলোৰত তেওঁ ডাক্তৰৰ লগত কথা পাতোতেই ইংগিত পাইছিল- যন্ত্ৰণাৰ দিন বেগেতে শেষ নহ'ব। মৰাৰ আগতে তিনি চাৰি মাহ ধৰি মায়াই কি জীয়াতু ভুগিছিল সেই কথা তেওঁতকৈ ভালকৈ কোনে জানে!

বেলি লহিয়াবলৈ লৈছে। গৰম পিছে কমা নাই। তেওঁ লাহে লাহে হোটেল এৰি সাগৰৰ পাৰলৈ আগুৱাই গ'ল। প্ৰায় আধা ঘণ্টামান খোজকাঢ়ি যোৱাৰ পিছত অপেক্ষাকৃত ভাবে নিৰ্জন ঠাই এডোখৰত বৈ গ'ল তেওঁ। সাৱধানে নামি গৈ শিল এটাৰ ওপৰত বহি ল'লে। ঢৌবোৰে প্ৰচণ্ড শব্দ কৰি শিলটোত খুন্দিয়ায়; লুণীয়া পানী চিটিকি তেওঁৰ গাত পৰেহি। এশ মিটাৰমান দূৰৈত শিল এটাৰ ওপৰত ডেকা-গাভৰু এহাল বহি আছিল। মন গ'লে শিলকেইটাৰ পৰা সাৱধানে নামি অলপ তললৈ যাব পাৰি– অলপ দূৰহে। আগলৈ দ যেন লাগে। ডেকা-গাভৰু হালে একোবাৰ শিলটোৰ পৰা নামি বালিত শামুক বিচাৰে। ডাঙৰ ঢৌ একোটাই তেওঁলোকৰ পিনে চোঁচা ল'লে দুয়ো হাঁহি হাঁহি দৌৰি-জঁপিয়াই শিলটোত উঠেহি। শিলটোৰ তলৰ বালিত খুন্দিয়াই ঢৌবোৰে ঘূৰি যায়। ডেকা-গাভৰু হালৰ ধেমালি চাই থাকোতে তেওঁ মনত পৰিল সম্ভৱতঃ বাইবেলৰ এঠাইত কৈছিল কোনোবাই বালিৰে সীমা বন্ধা হৈছে সাগৰৰ. যদিও ঢৌৱে ইলুটি-সিলুটি কৰে, অবিৰাম গৰজি উঠে, সিহঁতে পাৰ হ'ব নোৱাৰে বালিময় পাৰ–এই অসহায়তাৰ বাবেই ঢৌবোৰে খঙতে মুহুৰ্মুহু পাৰত খুন্দিয়াই মৰে নেকি?

হঠাতে তেওঁ মূৰ তুলি চাই দেখিলে- ডেকা-গাভৰু হাল শিলটো এৰি উঠি গৈছে। হাতত ধৰাধৰিকৈ তেওঁলোকে আগবাঢ়ি গৈছে সাধাৰণতে ভ্ৰমণকাৰীসকলে গা-ধুবলৈ সুচল পোৱা বালিময় পাৰৰ পিনে।

চেণ্ডেলজোৰ খুলি থৈ হাজৰিকা আগুৱাই গৈ ডেকা-গাভৰু হালে এৰি যোৱা শিলটোত বহি কাষৰ অলপ ওখ শিল এচটাৰ গাত আউজি দিলে। আবেলিৰ নিৰ্মেঘ আকাশ তেওঁৰ চকুত পৰিল। এনে নিৰ্মেঘ ঘননীলা আকাশ দক্ষিণতহে দেখা যায়। অচিন চৰাই কেইটামান মূৰৰ ওপৰেদি উৰি গ'ল। তেওঁ চকু জপাই দিলে। সাগৰৰ বতাহে তেওঁক চাৰিওপিনৰ পৰা আগুৰি ধৰিছে। কাইলৈ এই সাগৰ এৰি থৈ যাব লাগিব ঘৰলৈ; ঘৰলৈ নে? বিষাদে মনটো কেনেবা কৰি দিলে।

অলপপৰ নিথৰ হৈ বহি থোৱাৰ পাছত তেওঁ লাহেকৈ পানীলৈ নামি গ'ল। ঢৌৰ পিছত ঢৌ আহি তেওঁক হেঁচি ধৰি ডুবাই দিব খুজিলে। তেওঁ আৰু দ পানীলৈ নামি গ'ল। লুণীয়া চেঁচা পানীত ওপঙি তেওঁ মূৰৰ ওপৰৰ আকাশলৈ চালে। হঠাতে তেওঁৰ এনে লাগিল যেন বতাহে কোবাই থকা তিনিওফালে পাহাৰে আগুৰি থকা সেউজীয়া পথাৰ এখনৰ মাজত তেওঁ বহি আছে; বতাহত দোঁ খোৱা গছৰ লাহি ডালবোৰে, মিহি পাতবোৰে তেওঁৰ চকু-মুখ, তেওঁৰ কান্ধ-বুকু চুই আছে। তেওঁৰ মনত পৰিল এবাৰ শ্বিলঙৰ গল্ফলিংকৰ ডাঠ সেউজীয়া ঘাঁহনিত আকাশলৈ মুখ কৰি থাকোতেও তেওঁৰ ঠিক এনেকুৱাই লাগিছিল। মায়াক কিবা এটা ক'বৰ মন গৈছিল– তেওঁ পাহৰিয়ে গৈছিল যে তাৰ কেইদিনমান আগতে মায়া ঢুকাইছিল– মায়াই বাৰু সাগৰ দেখিছিল নে – সৰুতে! তেওঁ কাহানিও নুসুধিলে।

এতিয়াও তেওঁৰ চকুৰ আগত শৈশৱৰ সেই সেউজী পথাৰ, মুখত লুণীয়া শীতল বতাহ, ওঁঠত সাগৰৰ লুণীয়া স্পৰ্শ, বুকুত ঢৌৰ গৰ্জন আৰু সাগৰৰ গভীৰতাৰ পৰা উঠি অহা অপাৰ্থিৱ শব্দ, জীৱন মৃত্যু একাকাৰ হৈ গ'ল যেন সাগৰৰ স্পৰ্শত–

তেওঁ কেনিও নোচোৱাকৈ আগুৱাই গ'ল সাগৰৰ শীতল, কম্পিত বুকুৰ মাজলৈ। বহুদূৰৰ পৰা ঢপলিয়াই অহা ঢৌবোৰে তেওঁক আঁকোৱালি ধৰিলে। □



# সৰ্বপল্লী ৰাধাকৃষ্ণনৰ বিশ্লেষণত 'মহাভাৰত'

ডাঃ বিজয়প্ৰসাদ বৰা

## আগকথা

*[আমি এই লেখনিৰ দ্বাৰা কোনো ধৰ্মপ্ৰাণ মানুহৰ মনত আঘাত দিবলৈ যোৱা নাই। সৰ্বপল্লী ৰাধাকৃষ্ণননে তেওঁৰ 'ভাৰতৰ দৰ্শন' নামৰ গ্ৰন্থত এক বিভিন্ন দিশত মহাভাৰতখন বিশ্লেষণ কৰিছে। ৰাধাকৃষ্ণননেই যে সত্য আমি কবলৈ বিচৰা নাই। কিন্তু এইটো ঠিক যে হিন্দু ধৰ্ম এক গতিশীল ধৰ্ম। সেইকাৰণে ইয়াৰ আদিও নাই, অন্তও নাই। এই সনাতন ধৰ্ম যুগে যুগে গতি কৰি থাকোতে নানা ৰূপ লোৱাটো স্বাভাৱিক। বেদৰ দিনৰ পৰা মহাভাৰতৰ দিনলৈ ই কেনে ধৰণৰ মূৰ খাইছে তাৰহে এক বিশ্লেষণ সৰ্বপল্লী ৰাধাকৃষ্ণননৰ ভাৱধাৰাৰ ওপৰত ভিত্তি কৰি এই লেখনি আগবঢ়ালো। কাৰোবাৰ ধৰ্মপ্ৰাণ মনত আঘাত দিলে ক্ষমা প্ৰাৰ্থনীয়।]*

আৰ্য্যসকলে ভাৰতলৈ অহাৰ পিছত স্থানীয় জনজাতীয় লোকসকলৰ লগত সঘনাই সংঘৰ্ষ হৈ থকাতো স্বাভাৱিক। তেওঁলোকে এই জনজাতীয় লোকসকলক অসুৰ, ৰাক্ষস, বান্দৰ বুলি বিৱৰণ দি গৈছে। যদিও আৰ্যসকলে এই অনাৰ্য্যসকলক অৱহেলা বা ঘৃণা কৰিছিল; তথাপিও তেওঁলোকৰ বিশ্বাস, কৃষ্টি আৰু সভ্যতাৰ মাজত অজানিতে লীনহৈ গৈছিল। বৈদিক যুগত ব্ৰাহ্মণসকলৰ প্ৰভুত্ব অতি বেছি আছিল যদিও কালক্ৰমত তেওঁলোকে অনাৰ্য্যসকলৰ ধৰ্মবিশ্বাস আদৰি লৈছিল। অনাৰ্য্যসকল শিৱৰ উপাসক আছিল। মহাভাৰতৰ সময়ত আৰ্য্যসকলে এই শিৱক বৈদিক নিয়ম-কানুনৰ মাজত সোমোৱাই পশুপতি হিচাপেও আৰাধনা কৰিবলৈ ললে। ঋকবেদৰ 'ৰুদ্ৰ' মহাভাৰতত পশুপতি হিচাপে উল্লিখিত হলগৈ। অৰ্জুনে এই পশুপতিৰ পৰা পাশুপাত অস্ত্ৰ আহৰণ কৰিছিল।

এই পশুপতিৰ স্থান আছিল হিমালয়ত। উমা, পাৰ্বতী বা দুৰ্গাক তেওঁৰ পত্নী হিচাপে আৰাধনা কৰিছিল। অনাৰ্য্যসকলে মাতৃ পূজা কৰিছিল। উমা দেৱী আছিল মাতৃস্বৰূপা। দ্ৰাবিড় ভাষাত 'আম্মা' মানে আই। এই 'আম্মা' শব্দৰ পৰাই পিছত 'উমা' হ'ল বুলি ভাবিবৰ স্থল আছে। ঠিক তেনেকৈ অনাৰ্য্যসকলৰ তান্ত্ৰিক আৰু ভাগৱতৰ ভাৱধাৰা বৈদিক নিয়মৰ অন্তৰ্ভুক্ত হ'লগৈ। বুদ্ধ জন্মৰ আগতেই এই আৰ্য্য আৰু অনাৰ্য্যৰ ভাৱধাৰা মিশ্ৰণ হ'লগৈ। কালক্ৰমত কোনখিনি আৰ্য্যৰ আৰু কোনখিনি অনাৰ্য্যৰ তাৰ চিন নোহোৱা হ'ল। এনে ধৰণৰ মিশ্ৰণ আৰু আনক আদৰি লব পৰাটোৱেই ভাৰতীয় সভ্যতাৰ বৈশিষ্ট। এই মিশ্ৰণ মহাভাৰতৰ দিনতেই সম্পূৰ্ণ হয় বুলি কব পাৰি। এই সময়ৰ পৰা বেদৰ ধৰ্মৰ ধাৰা ৰূপান্তৰিত হৈ বৰ্তমানৰ হিন্দু ধৰ্মৰ গঠন লয়।

মহাভাৰতৰ কাহিনী বুৰঞ্জীত ভিত্তি কৰি সৃষ্টি হোৱা দাত্ আৰু প্ৰাইচৰ অনুযায়ী এই যুদ্ধ খৃঃপূঃ ১৩০০-ৰ ১৫০০ বছৰৰ ভিতৰত হয়। তেওঁলোকে উল্লেখ কৰে যে কুৰু আৰু পঞ্চল্লান নামৰ দুটা ফৈদৰ মাজত যুদ্ধ হৈ কালক্ৰমত এটা ফৈদ হয়গৈ। মেক্‌ডোনাল্ডে এই যুদ্ধ খৃঃপূঃ ১০০০ বছৰতকৈ আগৰ হব নোৱাৰে বুলি ভাবে। এই দুয়ো জাতি তেওঁলোকে অনাৰ্য্য গোষ্ঠীৰ বুলি ভাবে। ভীমৰ ৰক্তপান, দ্ৰৌপদীৰ বহুপতি, কুন্তীৰ বিভিন্ন পুৰুষৰ পৰা সন্তান লাভ, ব্যাসৰ দ্বাৰা ধৃতৰাষ্ট্ৰ আৰু পাণ্ডৰ জন্ম আদিৰ নীতি অনাৰ্য্যসকলৰ মাজতহে প্ৰচলিত আছিল।

মহাভাৰতৰ যুদ্ধ খৃঃপূঃ ১০০০ বছৰৰ আগতে হৈছিল যদিও মহাভাৰতখন ৰচনা কাল ইয়াৰ বহু শতাব্দীৰ পিছতহে হৈছিল। মেক্‌দলেনে ভাবে যে মহাভাৰতখন খৃঃপূঃ ৫০০ চনৰ ভিতৰতহে প্ৰনয়ণ কৰিছিল। আৰম্ভণিতে মহাভাৰতৰ শ্লোক আছিল ২৪,০০০। নাম আছিল ভাৰত সংহিতা, কালক্ৰমত এই শ্লোকৰ সংখ্যা ৬ লাখ হয়গৈ। বৰ্তমানৰ মহাভাৰতত শ্লোকৰ সংখ্যা ১ লাখহে। মহাভাৰতখন সৃষ্টিৰ আলম আছিল কিছুমান লোকগীতি আৰু লোককাহিনী। মানুহৰ মুখে মুখে এইবোৰ শতাব্দী ধৰি কাল অনুযায়ী আহি আছিল। ব্যাসে এই সকলো থুপাই আৰম্ভ কৰিছিল 'ভাৰত সংহিতা'। এই লোকগীতিবোৰ পৰম্পৰা হিচাপে মানুহৰ মাজত সোমাই আছিল যদিও সময়ৰ লগে লগে এইবোৰ সালসলনি হয়। ইয়াৰ লগতে সংমিশ্ৰণ হয় আৰ্যসকলৰ ভাৱধাৰা। আৰম্ভণিতে মহাভাৰখনত প্ৰভু বা দৰ্শনৰ কথা উল্লেখ নাছিল। মাত্ৰ আছিল বীৰসকলৰ কীৰ্তি-কলাপৰ বিৱৰণ।

বৈদিক যুগৰ ধৰ্মৰ ধাৰা কেইবা পৰ্যায়ত ৰূপান্তৰ হৈ মহাভাৰতৰ সময়ত এক নতুন ৰূপ লয়হি।

প্ৰথম পৰ্যায়ত বেদৰ দেৱতাসকলৰ ক্ষমতা কমি আহে। বেদৰ ইন্দ্ৰ আছিল অতি ক্ষমতাশালী। কিন্তু ইন্দ্ৰৰ সেই ক্ষমতা কমি আহে আৰু তাৰ ঠাই লয়হি বিষ্ণু আৰু শিৱই। বেদৰ বৰুণ, বায়ু, অগ্নিৰ স্থান কমি আহে। যমৰ ক্ষমতা বৃদ্ধি হয়। তেওঁ ধৰ্মৰাজ আৰু ন্যায়পালিকা হলহি। প্ৰজাপতিৰ স্থান একেই থাকিল যদিও সৰ্বশ্ৰেষ্ঠ হলহি শিৱ আৰু বিষ্ণু। বেদত বিষ্ণু আৰু ৰুদ্ৰ আছিল দ্বিতীয় পৰ্যায়ৰ দেৱতা। কিন্তু মহাভাৰতত এওঁলোকৰ স্থান হলহি সৰ্বোচত। বেদৰ ৰুদ্ৰ মহাভাৰতত পশুপতি ৰূপে স্থান পালেহি। সকলো জ্ঞান, বুদ্ধি, গুণ এই পশুপতিৰ অনুগ্ৰহত পোৱা যায় বুলি বিশ্বাস। এওঁৱেই কাৰণ, এওঁৱেই কাৰ্য্য, এওঁৱেই যৌগ, এওঁৱেই বিধি আৰু এওঁৱেই দুখান্ত। এওঁৰ জৰিয়তে সকলো দুখ বিনাশ হৈ জ্ঞান প্ৰাপ্তি হয়।

দ্বিতীয় পৰ্যায়ত আমি পাওঁ ত্ৰিমূৰ্তিৰ ধাৰণা। ব্ৰহ্মা, বিষ্ণু আৰু শিৱ। উপনিষদত এই ত্ৰিমূৰ্তি ঈশ্বৰৰ ৩টা ব্যক্তিত্ব বুলিহে কৈছে। সৃষ্টি কৰে ব্ৰহ্মাই, পালন কৰে বিষ্ণুৱে, আৰু সংহাৰ কৰে শিৱই। বিষ্ণু আৰু শিৱ সমপৰ্যায়ৰ। শিৱক পূজা কৰিলে বিষ্ণুক আৰু বিষ্ণুক পূজা কৰিলে শিৱক পোৱা যায়। ব্ৰহ্মা যদিও সৃষ্টিকৰ্তা তথাপি তেওঁৰ প্ৰতি পূজা ভাগ নাই। এই বিষয়ে নানা মত আছে। ব্ৰহ্মাই গায়ত্ৰীৰ লগত বিবাহ কৰোৱাৰ কাৰণে তেওঁৰ পত্নী সাবিত্ৰীয়ে পূজা নাপাব বুলি অভিশাপ দিয়ে। মহাভাৰত আৰু পুৰাণত সাবিত্ৰী, গায়ত্ৰী, সৰস্বতী আৰু ব্ৰাহ্মণী একেই নাৰী। মনুসংহিতাত আছে যে ব্ৰহ্মাই নিজকে নৰ আৰু নাৰী হিচাপে বিভক্ত কৰে। এই নাৰীয়েই সাবিত্ৰী বা সৰস্বতী। ব্ৰহ্মাই নিজৰ কন্যাৰ ৰূপত মুগ্ধহৈ বিয়া কৰাই আৰু মনুৰ সৃজন কৰে। সৰস্বতী ব্ৰহ্মাৰ কন্যা আৰু পিছলৈ নিজৰ পত্নী হোৱাত দেৱতাসকলে দোষ ধৰে আৰু তেওঁ পূজা পোৱাৰ পৰা বাদ দিয়া হয়।

তৃতীয় পৰ্যায়ত আমি শ্ৰীকৃষ্ণক বিষ্ণুৰ অৱতাৰ হিচাপে পাওঁ। সেই সময়ত জড় উপাসক আৰু বেদৰ নীতিৰ ওপৰত শ্ৰীকৃষ্ণৰ প্ৰভাৱ দেখা যায়। এই প্ৰভাৱত এক নতুন ধাৰাৰ সৃষ্টি হয়। কালক্ৰমত এই ধাৰা ভাগৱত ধৰ্মৰ ৰূপ লয়গৈ। কালীয় দমন, ইন্দ্ৰৰ পৰাজয় কৰি শ্ৰীকৃষ্ণৰ আধিপত্য জড় উপাসক আৰু বেদৰ নীতিৰ ওপৰত বিস্তাৰ হয় বুলি কব পাৰি। ইয়াতেই আৰম্ভ হয় বৈষ্ণৱ ধৰ্মৰ ধাৰা, "ময়েই নাৰায়ণ, ময়েই সৃষ্টি, ময়েই বিষ্ণু,

ময়েই শিৱ, ময়েই ইন্দ্ৰ, কুবেৰ, ব্ৰহ্ম, যম, সোমা আৰু প্ৰজাপতি।"

এই শ্ৰীকৃষ্ণ কোন ? বেদত শ্ৰীকৃষ্ণক অনাৰ্য্যৰ অধিপতি বুলি উল্লেখ আছে। ঋক্‌বেদত এইটোও উল্লেখ আছে যে তেওঁ ইন্দ্ৰৰ লগত যুঁজ দিবলৈ সৰজু নৈৰ পাৰত অপেক্ষা কৰি আছে। বেদৰ আন এটা শ্লোকত আছে যে শ্ৰীকৃষ্ণৰ উপৰিপুৰুষ বাচি আছিল। আৰ, জি ভাণ্ডাৰকাৰে উল্লেখ কৰিছে যে কিছুমান অঘৰী গুৱাল সম্প্ৰদায় লোকে এক বালক ভগৱানক পূজা কৰিছিল। তেওঁৰ অনুযায়ী এই 'বালক ভগৱান' কালক্ৰমত শ্ৰীকৃষ্ণ ৰূপে অভিহিত হয়। মেগেস্থেনিচৰ (খৃঃপূঃ ৩০০) টোকাত মথুৰাত শ্ৰীকৃষ্ণক পূজা কৰে বুলি উল্লেখ আছে। শ্ৰীকৃষ্ণ এক ঐতিহাসিক পুৰুষ। গাৰ্বেৰ অনুযায়ী তেওঁ বুদ্ধ জন্মৰ ২০০ বছৰৰ আগতে জন্ম হৈছিল। তেওঁ বসুদেৱৰ পুত্ৰ দেখিয়েই বাসুদেৱ বুলি জনা যায়। বাসুদেৱ যাদৱ গোষ্ঠীৰ। এওঁলোক ক্ষত্ৰিয় আছিল যদিও অঘৰী হিচাপে যমুনাৰ পাৰত আছিল।

মহাভাৰতৰ ভীষ্ম পৰ্বৰ আৰম্ভণিতে দুৰ্গা পূজাৰ বিষয়ে উল্লেখ আছে। শ্ৰীকৃষ্ণই যুদ্ধৰ আৰম্ভণিতে অৰ্জুনক দুৰ্গাপূজা কৰিবলৈ উপদেশ দিছে। এই দেবীৰ পূজা অনাৰ্য্যসকলৰ মাজত বিভিন্ন ৰূপত পূজা হৈ আহিছিল। বিন্ধ্য পৰ্বতৰ নামনিৰ কিছু জনজাতীয় লোকে "কুমাৰী" পূজা কৰি আহিছিল। আৰ্য্যসকলে কালক্ৰমত এই "কুমাৰীক" উমা হিচাপে আৰাধনা কৰিবলৈ ললে। এই 'উমাই' হ'লগৈ পাৰ্বতী। মাৰ্কেণ্ডয় পুৰাণত তেওঁক চণ্ডী হিচাপে আৰাধনা কৰিছিল। কবলৈ গলে শক্তিৰ পূজা অনাৰ্য্যসকলৰ মাজত প্ৰচলন আছিল আৰু আৰ্য্যসকলে ইয়াক গ্ৰহণ কৰি বেদৰ নিয়ম অনুযায়ী পূজা কৰিবলৈ আৰম্ভ কৰিলে। বেদত তেওঁৰ স্থান আছিল নিম্ন। তেওঁ আছিল ৰুদ্ৰৰ পত্নী ৰুদ্ৰানী হিচাপে। উপনিষদত তেওঁক গোটেই বিশ্ব ব্ৰহ্মাণ্ডৰ শক্তি বুলি অভিহিত কৰে। "কেনা উপনিষদত" দেবী এক মোহময়ী নাৰী 'হৈমৱতী' হিচাপে ইন্দ্ৰৰ সন্মুখত দেখা যায়। অসুৰক পৰাস্ত কৰাৰ পিছত দেৱতাসকলৰ অহঙ্কাৰ বাঢ়ি যোৱাত তেওঁ সেই ৰূপ ধাৰণ কৰি তেওঁলোকৰ ভুলবোৰ দেখুৱাই দিছিল। তেওঁ ব্ৰহ্মাৰ মায়াশক্তি। শক্তিৰ অবিহনে একোৱেই সৃষ্টি হব নোৱাৰে। এই শক্তিক আখ্যা দিছিল "ৱক" হিচাপে। ইয়াক ৰক্ষা কৰে লক্ষ্মীয়ে আৰু ধ্বংসৰ প্ৰয়োজন হলে কৰে দুৰ্গা দেৱীয়ে।

কিন্তু মহাভাৰতৰ আটাইতকৈ উল্লেখনীয় ধৰ্মৰ মতবাদ হৈছে "বাসুদেৱ-কৃষ্ণৰ" ধাৰা। ইয়াৰ প্ৰধান মতবাদ প্ৰকাশ পাইছে ভাগৱত গীতাত। কবলৈ গলে বৈষ্ণৱ ধৰ্মৰ ভেটিয়েই হৈছে এই বাসুদেৱ কৃষ্ণৰ ধাৰা। গাৰ্বেৰ মতেৰে এই "ভাগৱত ধৰ্মৰ" মতবাদ ৪টা বিভি! পৰ্যায়ত সৃষ্টি হৈছে। প্ৰথম পৰ্যায়ত ব্ৰাহ্মণসকল এই ধৰ্মৰ মাজলৈ অহা নাছিল। এই অৱস্থা খৃঃপূঃ ৩০০ বছৰৰ আগৰ। বাসুদেৱ, সাংখ্যযোগক কেন্দ্ৰীভূত হৈয়েই ইয়াৰ সৃষ্টি হৈছিল। ঈশ্বৰত অগাধ ভক্তি ৰখাটোৱেই ইয়াৰ প্ৰধান মূলমন্ত্ৰ। দ্বিতীয় পৰ্যায়ত ব্ৰাহ্মণসকলেও এই ভাৱধাৰা গ্ৰহণ কৰে। এই পৰ্যায়টো খৃঃপূঃ ৩০০ বছৰৰ ভিতৰত সমাধান হয়। তৃতীয় পৰ্যায়ত ভাগৱতৰ ভাৱধাৰা বৈষ্ণৱ ধৰ্মৰ ৰূপলৈ বেদান্ত দৰ্শনৰ অন্তৰ্ভুক্ত হলগৈ। এই সংমিশ্ৰণ খৃষ্টাব্দ ১২০০ চনলৈকে চলি আছিল। ৪ৰ্থ পৰ্যায় আৰম্ভ হয় ৰামানুজমৰ দিনৰ পৰা।

ভাগৱতৰ শ্ৰেষ্ঠ হৈছে বাসুদেৱ। বহুতে কয় যে বাসুদেৱে বেদৰহে অন্তৰ্গত। বেদৰ থাপনাখনক 'ভাগ' বুলি কয়। ই মানুহক আশীৰ্বাদ দিয়ে। 'ভাগ'ৰ অৰ্থ হৈছে 'সাধুতা'। বিষ্ণু পুৰাণত ঐশ্বৰ্য, ধৰ্ম, যষশ্যা, সম্পদ, জ্ঞান হৈছে 'ভাগ' আৰু যি ইয়াক আহৰণ কৰিব পাৰে আৰু তেওঁৱেই 'ভাগৱতা'। এই 'ভাগ'ৰ পৰা কালক্ৰমত বাসুদেৱ বুলি নামকৰণ কৰা হয় বুলি কব খোজে।

মহাভাৰতখন যুগুত কৰোতে সাধাৰণ মানুহৰ বিশ্বাসৰ ওপৰত গুৰুত্ব দিছিল। সেই সময়ত শ্ৰীকৃষ্ণৰ প্ৰাধান্য বেছি আছিল। সেইকাৰণে মহাকাব্যখন যুগুত কৰোতে শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰা হৈছিল। শ্ৰীকৃষ্ণই গোপিনীসকলৰ লগত যি ক্ৰিয়া কৰিছিল সেইবোৰ অৱতাৰ পুৰুষ হৈ কিয় কৰিছিলে ? ইয়াৰ বিষয়ে বিভিন্ন যুক্তি আছে। গোপিনীসকল সাধাৰণ মানুহৰ প্ৰতীক যি ভগৱানক পাব পাৰে কেৱল মাত্ৰ ভক্তিৰ যোগেদি। গোপিনীসকলে ঘৰ-বাৰী সকলো পাহৰি শ্ৰীকৃষ্ণৰ কাষলৈ চাপি অহাটো ভক্তিৰ এটা নিদৰ্শনহে। শ্ৰীকৃষ্ণৰ বাঁহী ভগৱানৰ বাণীৰ প্ৰতীকহে। তেওঁক পাবলৈ হলে নাম, যষশ্যা, সন্মান আদি সকলো বিসৰ্জন দি ভক্তি কৰিব লাগিব। শ্ৰীকৃষ্ণক কাল্পনিক পতি হিচাপে গ্ৰহণ কৰাটো ভগৱানৰ ওচৰত আত্মসমৰ্পণ কৰাৰ এটা প্ৰতীকহে।

যদিও শ্ৰীকৃষ্ণৰ এই কাৰ্যক ভগৱানৰ লীলা বুলি কয়; তথাপি সাধাৰণভাবে চাবলৈ গলে এনেকৈ একাধিক তিৰোতাৰ লগত সংস্পৰ্শ ৰখাটো অনাৰ্য্যসকলৰ মাজতহে গৃহীত আছিল। বলৰামৰ সুৰাৰ প্ৰতি যি আসক্তি; তেনে আসক্তি অনাৰ্য্যসকলৰ মাজতহে প্ৰচলিত আছিল। সৰ্বপল্লী ৰাধাকৃষ্ণনে Epic Philosophy-ত এই বুলি লেখিছে – These incidence together with the story of krisna's childhood and Boloram's weekness to drik clearly indicate the non-argan origin of Krisna. তেওঁ সেই একেই প্ৰৱন্ধৰ আৰু এঠাইত লেখিছে – In the Mahabharata, we have a combination of all traditions about Krisna that survived till then, a non aryan hero a spiritual teacher and a tribal god.

বাসুদেৱ কৃষ্ণৰ লগতে 'নাৰায়ণ' নামটোও জড়িত আছে। এই 'নাৰায়ণ' ভাগৱত ধাৰাৰ এক বেলেগ গোষ্ঠী আছিল নেকি ? নাৰায়ণৰ লগতে নাৰদ মুনিৰ নাম উল্লেখ থাকে। উল্লেখ আছে যে নাৰদে নাৰায়ণৰ বিষয়ে জ্ঞান লভিবলৈ শ্বেতদ্বীপলৈ গৈছিল। এই 'শ্বেতদ্বীপ' কোন ঠাইত আছিল ? আটলাণ্টিক মহাসাগৰৰ ওপৰত থকা সেই প্ৰাচীন 'আটলাণ্টিক' মহাদেশখনৰ কথা কৈছে নেকি ? এই মহাদেশখন অতি সমৃদ্ধিশালী আৰু স্বৰ্গতুল্য আছিল। কিন্তু অস্বাভাৱিক হিচাপে প্লাৱন হৈ এই মহাদেশখন সাগৰৰ তললৈ গ'ল। পুৰাণত উল্লেখ কৰা প্লাৱন আৰু বাইবেলত উল্লেখ কৰা "নোৱা"ৰ কাহিনৰ এই প্লাৱনৰ লগতেই জড়িত নেকি ?

সাংখ্য দৰ্শনৰ সৃষ্টি তত্ত্ব আৰু মহাভাৰতখন গীতাৰ জৰিয়তে প্ৰকাশ কৰা সৃষ্টি তত্ত্ব একেই। 'মহাভাৰত'ত ভাবে যে এই সৃষ্টি শক্তিৰ ওপৰত নিৰ্ভৰ কৰে। শক্তিৰ ক্ৰিয়াৰ বাহিৰে জগতত আৰু একো নাই। বৰ্তমান 'আণৱিক বাদত" (Quantum Theory)। তাকেই প্ৰকাশ কৰিছে। ভাব আৰু শক্তিৰ ক্ৰিয়াক "গুণ" বুলি কৈছে। এই গুণক "সত্ত্ব, ৰজঃ আৰু তমস্" বুলি অভিলেখ কৰিছে। নিউটনৰ সূত্ৰ অনুযায়ী Incrtia, Accelevation আৰু Reation হিচাপে এই গুণক প্ৰকাশ কৰিব পাৰি।

মহাভাৰতত নীতি শাস্ত্ৰৰ ওপৰত অধিক গুৰুত্ব দিছে। আমি সকলোৱে সুখ বিচাৰো আৰু দুখৰ পৰা আঁতৰিবলৈ চেষ্টা কৰো। কিন্তু জীৱনত সুখ আৰু দুখ মিহলি হৈ আছে। জীৱনত সুখ আৰু দুখ আমি কেনেকৈ গ্ৰহণ কৰিব পাৰো তাক নিৰ্ভৰ ধৰ্মৰ ওপৰত। এই ধৰ্মই আমাক সন্তুষ্টি দিয়াৰ লগে লগে মুক্তি, শান্তি আৰু সুখ পোৱা যায়। এই ধৰ্মকেই নীতিজ্ঞান বুলি কৈছে আৰু ইয়েই মোক্ষ্য ধৰ্ম। মহাভাৰতে কৰ্মৰ ওপৰত বিশ্বাস কৰে। উপৰিপুৰুষৰ কৰ্মৰ দ্বাৰা সতি-সন্ততীলৈকে বিয়পি পৰে বুলি ভাবে।

মহাভাৰতত জীৱনৰ শেষ কি তাৰ কোনো ব্যাখ্যা নাই। পূণ্যৰ ফলত স্বৰ্গ আৰু পাপৰ ফলত নৰকত পতিত হয় বুলি বিশ্বাস। ক্ষত্ৰিয়ৰ মৃত্যুৰ পিছত স্বৰ্গপ্ৰাপ্তি হয় বুলি ভাবে। তৰাবোৰ হ'ল পূণ্য অৰ্জন কৰা সন্ন্যাসীৰ। কিন্তু স্বৰ্গত বাস কৰাতকৈ ভগৱানৰ লগত লীন হৈ যোৱাটো অতি উত্তম।

মহাভাৰতখন ভাৰতীয় মানুহৰ অন্তৰৰ কথা। ইয়াৰ নীতি, জ্ঞান, দৰ্শন, ধৰ্ম মানুহৰ মনত সোমাই আছে। ইয়াৰ প্ৰভাৱতেই আমাৰ মন আকৰ্ষিত হয় আৰু অনুপ্ৰেৰণিত হয়। ইয়াৰ মোক্ষ্য ধৰ্ম, ভগৱানৰ ওচৰত অতল বিশ্বাস আদি ভাৱধাৰাই মানুহৰ মনত প্ৰভাৱ পেলাই আহিছে। মহাভাৰতখন প্ৰায় ২৫০০ বছৰৰ আগতে প্ৰনয়ণ কৰিলেও ভাৰতীয়সকলৰ মনত প্ৰভাৱ পেলাই আহিছে। মহাভাৰতৰ নীতিজ্ঞান, ভগৱৎ প্ৰেম, মানুহ হিচাপে সুষ্ঠভাবে জীৱন যাপন কৰা প্ৰণালীবোৰ, উপদেশবোৰ সমাজ গাঁঠনি আৰু মানসিক স্বাস্থ্য আৰু বিধিবোৰ কেৱল বিধিয়েই নহয়; এক সকীয়নিও।




উপন্যাস

# বিষবৃক্ষৰ ফল

গীতাৰ্থ পাঠক

অংকন ০ ৰবীন বৰুৱা



"ত্ৰিশ বছৰ বয়স হ'ল, এতিয়াও সি সৰু হৈ আছে নেকি ? মোৰ অৰ্জনৰ ওপৰত বহি বহি খাবলৈ লাজ নেলাগে। ওলাই নাযাৱ কিয় ঘৰৰ পৰা।"

মদনে সদায়েই এনেদৰে ডাঙৰ পুতেক বীৰেনক গালি পাৰে। গালি পৰাটো মদনৰ স্বভাৱ। গালি নাপাৰিলে মদন থাকিব নোৱাৰে। সৰু পুতেক নৰেণকো গালি পাৰে, কিন্তু সি যিহেতু ঘৰত নাথাকে গতিকে তাৰ ভাগত গালি কম। ঘৈণীয়েক সাবিত্ৰীৰতো কথাই নাই। সাবিত্ৰীয়ে মদন থকা সময়খিনি তাৰ গাত ছাৰ দৰে লাগি থাকে বাবে কাকো নাপালে সাবিত্ৰীৰ ওপৰতেই জাৰি দিয়ে। দিনৰ পিছত দিন ধৰি মদনে ঘৰৰ প্ৰায় আটাইকে গালি পাৰি যায়, কিন্তু মদনৰ সমুখত কোনেও এষাৰো মাত নামাতে মাতিবৰ সাহস ল'ৰাহতঁৰ আগেয়ে নাছিল কিন্তু দিন অতিবাহিত হোৱাৰ লগে লগে সিহঁত দুঃসাহসী হৈ উঠিছে। সহ্যৰ এটা

সীমা থাকে। কিন্তু মদনে সদায় সেই সীমা পাৰ হৈ যায়। বীৰেনে কিন্তু নীৰৱে দেউতাকৰ গালি শুনি যায়। সি যেন দেউতাকৰ গালি শুনাই নাই এনেকুৱা ভাও ধৰি থাকে। খুব বেছি অসহ্য হ'লে সি ঘৰৰ পৰা লাহেকৈ ওলাই যায়। বীৰেনক ওলাই যোৱা দেখিলে মদনৰ গালিও লাহে লাহে বন্ধ হৈ যায়।

বীৰেনক সকলোৱে কয় নিমাখিত প্ৰাণী বুলি। তাৰ ঠাণ্ডা স্বভাৱটোৰ বাবেই সিহঁতে তাক এনেদৰে কয়। তাৰ বন্ধুবোৰে কেতিয়াবা কেতিয়াবা জড়ভৰত বুলি জোকায়। মহাকাব্যৰ সেই জড়ভৰত চৰিত্ৰটোৰ লগত তাক সকলোৱে ৰিজাব খোজে। পিছে বীৰেনক জোকাই কোনো লাভ নাই–সি এক নিৰ্বিকাৰ চিত্তৰ যুৱক। মদনে বীৰেনক ব্যৱসায় শিকাব ওলাইছিল। কিন্তু ব্যৱসায়ত বীৰেন সফল হ'ব নোৱাৰিলে। বীৰেনৰ মতে সি ব্যৱসায়ত সফল হ'ব পাৰিলেহেঁতেন কিন্তু দেউতাকৰ সৈতে সি ব্যৱসায়ত সফল হ'ব নোৱাৰে। বীৰেনে বি, এ, পাছ কৰিব নোৱাৰিলে। এবাৰ পৰীক্ষা দি ফেল কৰাৰ পিচত পৰীক্ষাত বহিবলৈ তাৰ আৰু ইচ্ছা নগ'ল।

মদনে নিজেই মেট্ৰিকো পাছ কৰিব নোৱাৰিলে। নৱমমান শ্ৰেণীত পঢ়ি থাকোতেই গাঁৱৰ ঘৰৰ পৰা গুৱাহাটী পালেগৈ। তাতেই নানান সংঘাতৰ মাজেৰে আৰম্ভ হৈছিল মদনৰ ব্যৱসায়িক জীৱন। ৰমেশ বাজাজক ল'গ নোপোৱাহেঁতেন হয়তো মদন আজি ব্যৱসায়ী নহ'লহেঁতেন। ৰমেশ বাজাজে মদনৰ জীৱন ধাৰা পৰিবৰ্তন কৰি দিলে। খেতিয়কৰ ঘৰৰ ল'ৰা মদন। টকা পইচাও নাই, শিক্ষাদীক্ষাও নাই। গতিকে মদনে হয়তো কৰবাত দিন হাজিৰা কৰা লোক হিচাপে অথবা বৰ জোৰত ক'ৰবাত পিয়নৰ চাকৰিত সোমাব পাৰিলেহেঁতেন।

ঘৰৰ পৰা পলাই আহি গুৱাহাটীত মদনে কিছুদিন অনাই বনাই ঘূৰি ফুৰিছিল। গাঁওৰ পৰা আহোতে জেপত যিখিনি ধন লৈ আহিছিল সেয়া প্ৰায় শেষ হওঁ হওঁ। গুৱাহাটীৰ চৰকাৰী কাৰ্যালয় দুটামানত মদনহঁতৰ গাঁৱৰ সম্পৰ্কীয় লোক দুজনমান বিচাৰিলে ওলাব। হয়তো তেওঁলোকক খাটিলে কিবা উপায় দিব পাৰিব। কিন্তু মদনে তেওঁলোকৰ ওচৰলৈ গলে তেওঁলোকে গৈ গাঁওত মদন গুৱাহাটীত থকা কথা কৈ দিব আৰু সি ধৰা পৰি যাব। সেইবাবে মদনে কাৰো ওচৰলৈ নগৈ ভৱিষ্যতে কি কৰিব সেইটো ভাবি ভাবি খোজকাঢ়ি গৈ থাকোতে হঠাৎ দেখিলে তাৰ আগে আগে খোজকাঢ়ি যোৱা মানুহজন বাগৰি পৰিছে। প্ৰথমতে মানুহজনে উজুটি খাই পৰা বুলি মদনে ভাবিছিল, কিন্তু মানুহজন অলপ পৰ পৰি থকা দেখি মদন আগবাঢ়ি গ'ল। ৰাস্তাত তেতিয়া মানুহ বৰ বেছি নাছিল। মদনে লক্ষ্য কৰিলে যে মানুহজন অচেতন হৈ পৰিছে। মানুহজনৰ উশাহ-নিশাহ ঠিকেই আছে। মদনে মানুহজনক হাতত থকা খবৰৰ কাকতখনেৰে বিচি দিলে। এনেতে ৰাস্তাৰ কাষেৰে যোৱা মানুহ দুজনমান আগবাঢ়ি আহিল। সিহঁতে ভাবিলে মানুহজন মদনৰ লগতেই আহিছে। গতিকে শেষত মদনেই মানুহজনক ৰিক্সা এখনত তুলি পানবজাৰ হাস্পাতাললৈ লৈ গ'ল। হাস্পাতালত মানুহজনৰ চেতনা আহিল। ডাক্তৰে কলে নিম্ন ৰক্তচাপৰ বাবে হেনো তেনে হৈছে, আন একো নহয়। মানুহজনে মদনক অসংখ্য ধন্যবাদ দিলে। এই মানুহজনেই হ'ল ৰমেশ বাজাজ। ৰমেশ বাজাজ বৰ ক্ষীণকায় মানুহ। মাৰোৱাৰী মানুহ সাধাৰণতে শকত হয় যদিও ৰমেশ বাজাজ ব্যতিক্ৰম। মানুহজনৰ শৰীৰটো ক্ষীণ যদিও হৃদয়খন বৰ ডাঙৰ। এই ৰমেশ বাজাজৰ সহায়তাতেই মদনে শিকিছিল ব্যৱসায়। পোনতে বাজাজে মদনক নিজৰ ব্যৱসায়, ঠিকা ঠুকলি আদিৰ কামত খটুৱাইছিল। প্ৰায় দুবছৰমান পিছত বাজাজে মদনক কেই হাজাৰমান টকা মূলধন হিচাপে দি মদনক নিজাকৈ ব্যৱসায় আৰম্ভ কৰিবলৈ লগাই দিছিল।

ব্যৱসায়ত মদন দোপত দোপে উঠি যাব পৰা নাছিল যদিও ব্যৱসায় বেয়া হোৱা নাছিল। অন্ততঃ মদনে দুই চাৰিজনক পোহপাল দি খাই থাকিব পৰা অৱস্থা হৈছিল। গাঁৱৰ পৰা পলাই অহাৰ প্ৰায় ছয়বছৰ পিছত মদন এদিন গাঁও ওলালগৈ। লুইতৰ খহনীয়াই খহাই খহাই পিছলৈ ঠেলি অনা এই বহৰি গাঁওখনৰ ৰাইজৰ শতকৰা নব্বৈ ভাগেই সেই সময়ত খেতিৰ ওপৰত নিৰ্ভৰশীল। শতকৰা দহভাগে সৰু সৰু বেপাৰ কৰিছিল। গতিকে দুখীয়া, নিম্ন মধ্যবিত্ত অধ্যুষিত এই গাঁওখনত সুদীৰ্ঘ পাঁচ বছৰৰ মূৰত সগৰ্বে এই গাওঁখনৰ বুকুত মদনে পদাৰ্পণ কৰিছিল। মদনৰ পৰিয়ালৰ লোকে ইতিমধ্যেই গম পাইছিল যে মদন গুৱাহাটীতেই আছে। গাঁওৰ কেবাজনো লোকে মদনক ৰাস্তাই ঘাটে দেখা পোৱাৰ কথা মদনৰ মাক দেউতাক আৰু ভায়েকহঁতক কৈছিল। মদনৰ সৰু ভায়েক মোহনে এবাৰ গুৱাহাটীলৈ মদনক বিচাৰিও আহিছিল, কিন্তু গুৱাহাটীত মানুহৰ ঠিকনা নাজানিলে বিচাৰি উলিওৱা টান। মোহনে মদনক বিচাৰি উলিয়াব নোৱাৰি গাঁওলৈ উভতি গৈছিল। মদন ঘৰৰ ডাঙৰ ল'ৰা। দেউতাক বুঢ়া হৈ আহিছে। গতিকে মদনে ঘৰখনৰ দায়িত্ব লব লাগিছিল। তাকে নকৰি নিজেই স্বাৰ্থপৰৰ দৰে ঘৰৰ পৰা পলাই যোৱা বাবে মদনৰ দেউতাক খুড়াকহঁতে মদনক গালি পাৰিছিল। মদনৰ মাকে কিন্তু কৈছিল–"বাছা মদন এদিন আহিব, সি মানুহ হৈ আহিব।" এই বহৰি গাঁওৰেই দীনেশ প্ৰায় পোন্ধৰ বছৰৰ আগেয়ে নিৰুদ্দেশ হৈছিল। অষ্টমমান শ্ৰেণীত পঢ়ি থকা কালতেই দীনেশে ঘৰৰ পৰা পলাই যায়। দীনেশৰ মাক দেউতাকে দীনেশ মৰা বুলি ভাবি লৈছিল। কিন্তু পোন্ধৰ বছৰৰ পিছত সেই দীনেশ এজন খ্যাতনামা ডাক্তৰ হৈ গাঁৱলৈ উভতি আহিছিল। অৱশ্যে দীনেশে গাঁও এৰি বৃদ্ধ মাক দেউতাকক লগত লৈ বাংগালোৰলৈ গুচি গৈছিল। কেনেকৈ গৈ দীনেশে পঢ়াশুনা কৰি ডাক্তৰ হ'ল সেই কথা কোনেও নাজানে। দীনেশৰ উদাহৰণ দি মদনৰ মাকে সদায় মদনৰ দেউতাকক কৈছিল–"চাব সিও এদিন দীনেশৰ দৰে উভতি আহিব।"

মদন উভতি আহিছিল ব্যৱসায়ী হিচাপে দীনেশৰ দৰে ডাক্তৰ হিচাপে নহয়। দীনেশে ঘৰৰ পৰা পলাই গলেও ক'ৰবাত পঢ়াশুনা কৰাৰ সুবিধা পাইছিল। মদনে সেই সুবিধা পোৱাও নাছিল আৰু পঢ়াশুনা কৰাৰ ইচ্ছাও মদনৰ নাছিল। মদনে অৱশ্যে অলপ টকা পইচা কৰিছিল। পৰিমাণটো বৰ বেছি নহলেও ফুটাকড়ি এটা ঘৰৰ পৰা নিনিয়াকৈ এই অৱস্থা পোৱাটোও কম ডাঙৰ কথা নহয়। যিসময়ত গাঁৱৰ ৰাইজৰ অৱস্থা দিনক দিনে বেয়া হৈ যাবলৈ ধৰিছে সেই সময়ত মদনৰ সমান উন্নতি কৰাটো মুঠেই সাধাৰণ কথা নহয়। লুইতে গড়াখহাই লৈ যাওঁতে যাওঁতে আধাখন গাওঁ পানীত তল গ'ল। বহুতৰে খেতিমাটি লুইতৰ বুকুত জাহ গ'ল। যিবা আছে তাতো পানীৰ কোবত শইচ পোৱা নোপোৱাৰ নিশ্চয়তা নোহোৱা হ'ল। কিছুমানে ওচৰৰ পমুৱা লোকক বাকী থকা মাটিখিনি আধি দি নিজে দিন হাজিৰা অথবা সাপ্তাহিক বজাৰত সৰু সুৰা বেপাৰ কৰিবলৈ ধৰিলে। অৱশ্যে দুই এজনে ক'ৰবাত ক'ৰবাত চাকৰিতো সোমাল। এনে পৰিস্থিতিৰ মাজতেই জেপত কিছু নগদ টকালৈ গাঁৱলৈ উভতি আহিল মদন। মদন উভতি অহাৰ পিছত মদনহঁতৰ পৰিয়ালত কি আনন্দ! আগেয়ে সি নিৰুদ্দেশ হোৱা বাবে গালি পাৰিলেও এতিয়া পৰিয়ালৰ সকলোৰে মুখত মদনেই মদন। আহোতে অৱশ্যে মদনে পৰিয়ালৰ আটাইৰ বাবে কিবা নহয় কিবা আনিবলৈ পাহৰা নাছিল। ল'ৰাই যেতিয়া উপাৰ্জনৰ মুখ দেখিছে এতিয়া তাক বিয়া কৰাই দিয়াই ভাল, বয়সো হৈছে। এই মত প্ৰকাশ কৰি মদনৰ মাক দেউতাকে মদনৰ ওচৰত বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। মাক দেউতাকে বিয়াৰ কথা উলিয়ালে ইচ্ছা থাকিলেও কোনো পুতেকে প্ৰত্যক্ষভাবে মত নিদিয়ে। পিছে পুতেকে মুখেৰে নালাগে নালাগে বুলি কলেও তাৰ ভাবভঙ্গীতেই মাক দেউতাকে বুজি পায় বিয়াত ল'ৰাৰ মত আছে নে নাই।

মদনে ইমান দিনে বাহিৰে বাহিৰে ঘূৰি ফুৰিলে, কিন্তু ছোৱালীৰ সৈতে তাৰ সম্পৰ্ক কম। এইটো নহয় যে ছোৱালীৰ সমুখত সি বৰ লাজকুৰীয়া, বৰং ছোৱালীৰ সৈতে সহজভাবে কথা-বতৰা পাতিব পৰা গুণ তাৰ আছে। কিন্তু এই কেইবছৰে মদনে ব্যৱসায়ৰ কামত ইমান একাণপতীয়াকৈ লাগিছিল যে সেইটো বিষয়ত মনকাণ দিবলৈ সি আহৰিকে পোৱা নাছিল। তথাপি শৰীৰত যেতিয়া যৌৱন থাকে তেতিয়া তাৰ আমনিও থাকিবই। ইউৰিপিডিজে উল্লেখ কৰাৰ দৰে যৌৱনেই হৈছে ধনী হোৱাৰ বাবে আৰু দুখীয়া হোৱাৰ বাবে উপযুক্ত সময়–কথাষাৰত মদনে বিশ্বাস কৰিছিল বাবে যৌৱন কালতেই ধনী হোৱাৰ বাটেৰেই সি খোজ দিছিল। তথাপি মন চঞ্চল হয়–চেক্সপিয়েৰে কোৱা দৰে যি মানুহৰ তপত তেজ উতলি থাকে (যুৱক) তেওঁ বাৰু কিয় কবৰৰ ওপৰত লেখা এফিজীৰ দৰে স্থিৰ হৈ থাকিব। শেষত মদনে পৰোক্ষভাবে হলেও বিয়াৰ ক্ষেত্ৰত সম্মতি আগবঢ়াইছিল। মদনে যিহেতু নিজেই মেট্ৰিক পাছ কৰা নাছিল গতিকেই বৰ বেছি শিক্ষিতা ছোৱালী পালেও তাৰ বিয়া কৰোৱাৰ ইচ্ছা নাছিল। গতিকেই গাঁৱৰেই ধৰ্ম মাষ্টৰৰ ছোৱালী সাবিত্ৰী গাঁৱৰ ভিতৰতেই ধুনীয়া। ধৰ্ম মাষ্টৰ বুলি মাতিলেও তেওঁ শিক্ষক নাছিল। গাঁৱত যেতিয়া বুনিয়াদী বিদ্যালয় এখন প্ৰথম খুলিছিল তেতিয়া ধৰ্ম মাষ্টৰে দুমাহমান ল'ৰা-ছোৱালীক শিকাইছিল। ধৰ্ম মাষ্টৰ নিজেও মেট্ৰিক পাছ নাছিল। তথাপি সেই দিনত এম, ভি পাছ কৰিলেই গাঁৱত শিক্ষিত লোকৰ শাৰীত পৰিছিল। সাবিত্ৰীয়েও ষষ্ঠমানলৈকে পঢ়িছিল। তাৰ পিছত হঠাৎ মাকৰ মৃত্যু হোৱাত ঘৰৰ সকলো কামকাজ সাবিত্ৰীয়েই কৰিবলগীয়াত পৰে। ফলত তাতেই তাইৰ শিকাৰো অন্ত হয়।

বিয়াৰ পিছত সাবিত্ৰীক গাওঁতেই মদনে এৰি থৈ গুৱাহাটীলৈ গুচি গৈছিল। কিয়নো মদনে যি ধৰণৰ ঠিকা ঠুকলি কৰে সেইবোৰ কৰাৰ যথেষ্ট ক্ষেত্ৰ গাঁৱত বা গাঁৱৰ আশেপাশে নাই। আনহাতে মহকুমাৰ সদৰ হিচাপে ওচৰৰ বৰপেটা চহৰত ঠিকা ঠুকলিৰ সুবিধা থাকিলেও চা-চিনাকি নথকাৰ ফলত গুৱাহাটীতে ভাল বুলি মদনে তাতেই ব্যৱসায়ৰ কেন্দ্ৰ হিচাপে থাকিবলৈ ললে। ইতিমধ্যে মদনৰ ভায়েক মোহনক আই, এ পাছ কৰাৰ পিচত তাকো গুৱাহাটীলৈ বি, এ, পঢ়াবলৈ লৈ গ'ল। মোহনে কেতিয়াবা কেতিয়াবা ককায়েকক ব্যৱসায়ত সহায় কৰি দিছিল। লাহে লাহে মদনে গুৱাহাটীৰ দিচপুৰত এটুকুৰা পথৰুৱা মাটিও কিনিলে। মদনে কিনা মাটিডোখৰ অলপ ভিতৰুৱা ঠাইত হলেও মদনে ভাবিলে এদিন নিশ্চয় দিচপুৰ উন্নত হ'ব আৰু তাত থাকিব পৰা যাব। বহুতেই মদনক মাটিডোখৰ কিনিবলৈ বাধা দিছিল, কিয়নো তেওঁলোকৰ ভাব চহৰৰ বাহিৰত মাটি লৈ কি হ'ব, অহা পঞ্চাশ বছৰ পিছতো এই ঠাইৰ উন্নতি নহয়। মদনে মাটিডোখৰ নোলোৱাৰ কথা ভাবিছিলেই পিছে মোহনে নেৰানেপেৰাকৈ ধৰাতহে মাটিডোখৰ লোৱা হ'ল। প্ৰায় দুবিঘা মাটি। সেই সময়ত পানীৰ দামতেই এই মাটি লোৱা বুলি কব লাগিব।

মদনহঁতে শান্তিপুৰৰ এটা ভাৰাঘৰত থাকে। এনেদৰেই চাৰিটা বছৰ পাৰ হৈ গ'ল। ইতিমধ্যে মদনৰ দুটি পুত্ৰৰ সন্তানৰ জন্ম হ'ল। এই কেইবছৰৰ ভিতৰত গাঁৱত এটি সুন্দৰ পকীঘৰ বান্ধি পেলালে। গাওঁখনত তেতিয়া পকীঘৰ দুই এটাকৈ উঠিবলৈ ধৰিছে। চাকৰি, ব্যৱসায় ইত্যাদি কৰি দুই চাৰিঘৰ মানুহ ঠন ধৰি উঠিছে। গাঁৱৰ সাধাৰণ ৰাইজে এওঁলোককেই ধনী মানুহ বুলি কয়। চহৰৰ হিচাপত তুলনা কৰিলে হয়তো এওঁলোককেই দুখীয়া মানুহ বুলি কব লাগিব। গাওঁখনত এতিয়ালৈকে থকা পকীঘৰ সমূহৰ ভিতৰত মদনৰ পকীঘৰটো অন্য ধৰণৰ। অলপ চহৰীয়া কায়দাৰে সজা; আৰু কোঠাৰ সংখ্যাও বেছি; তদুপৰি ঘৰটোৰ ভিতৰখন সজাইছে বেচ ধুনীয়াকৈ যিটো গাঁৱৰ আইন ঘৰত পোৱা নাযায়। পিছে ঘৰ সজালে কি হ'ব, ঘৰটোত থাকিবলৈ মানুহেই নাই। কিছুদিন পিছত সাবিত্ৰীকো দুই পুত্ৰ সহ মদনে গুৱাহাটীলৈ লৈ আহিল। –গাৱঁৰ ঘৰত থাকিলে বৃদ্ধ মাক দেউতাক। মাক দেউতাকে আকৌ পকীঘৰটোত থাকি ভাল নাপায়। তাত থাকিলে তেওঁলোকৰ টোপনি ভাল নহয় হেনো। কাৰণ পুৱতিনিশা পাৰ চৰায়ে ৰুণ দিয়া শব্দ সেইটো ঘৰত থাকিলে শুনা নাযায়। ৰাতিপুৱাই জলঙাৰে পোহৰ সোমাই নাহে। আৰু সেই ঘৰটোত থাকিলে তেওঁলোকৰ হেনো গাতত সোমাই থকা যেন অনুভৱ হয়। সেই কাৰণে বুঢ়া বুঢ়ী হালে পকীঘৰটোৰ গাতে লাগি থকা আগৰ খেৰীঘৰটোতে থাকে। গতিকেই মদনে বন্ধা ঘৰটো প্ৰায় খালী হৈ পৰি থাকে। মোহনে কৈছিল গাঁৱত ঘৰ বান্ধিব নালাগে গুৱাহাটীৰ মাটিডোখৰতে ঘৰ এটা বান্ধিব লাগে। কাৰণ মদনহঁতে ভৱিষ্যতে গুৱাহাটীতেই থাকিব লাগিব। আনহাতে গুৱাহাটীত নিজৰ ঘৰ থাকিলে বৰ্তমান ভৰি থকা ঘৰভাৰাখিনিয়ে ৰাহি হ'লহেঁতেন। আকৌ গুৱাহাটীত থকা মাটিখিনিত দুটা কোঠা বেছিকৈ সাজি দিলে ওলোটাকৈ লোকক ভাৰা দিব পৰা যাব। দুটা পইচা আয় হ'ব। গাঁওত ঘৰভাৰা দিব খুজিলেও কোনেও ঘৰ ভাৰা নলয়। কিন্তু মোহনৰ এইবোৰ যুক্তি মদনে মানি নললে। যুক্তিতকৈ মদনৰ আবেগ বেছি। "বোপা ককাৰ ভেটিটো এনেদৰে চন পৰি যাবলৈ দিম কিয়? গাঁওখনত আমাৰ এটা ধুনীয়া ঘৰ থাকিব লাগিব। আমি তাত নাথাকিলেও ঘৰ থাকিবই।"

মদনৰ আবেগৰ সমুখত মোহনৰ যুক্তি কৰ্পূৰৰ দৰে উৰি যায়। শেষত ককায়েকৰ ইচ্ছামতেই গাঁৱতেই ঘৰ সজা হ'ল। গুৱাহাটীৰ মাটিডোখৰ এনেয়ে পৰি ৰ'ল।

"গুৱাহাটীৰ মাটিতো ঘৰ বান্ধিম। পিছে অলপ সময় ল'ব। গাঁৱৰ দৰে ঘৰ চহৰত বান্ধিলে নহ'ব তাতে আকৌ এনেধৰণৰ ঘৰ গাঁৱত সাজিলে যিমান টকা পৰিব সেই একেটা ঘৰ চহৰত সাজিলে প্ৰায় ডেৰগুণ বেছি পৰিব। কিয়নো চহৰত শ্ৰমিকৰ দিনহাজিৰা বেছি। তদুপৰি গাঁৱত কাঠ বাঁহ আদিৰ দাম কম, চহৰত বেছি। গতিকেই দুই চাৰিবছৰ পিছত ব্যৱসায় ভাল হ'লে ঘৰ সাজিম।"–এনেদৰে মদনে মোহনক কৈ থয়।

এই যুক্তিৰে মদনে গুৱাহাটীত ঘৰ সজাৰ কাৰ্যসূচী আৰু কেইবছৰ মানলৈ পেলাই থলে। বি, এ পৰীক্ষাত মোহন দুবাৰো ফেল কৰাত ককায়েকৰ ওপৰত কথা কব পৰা তাৰ নৈতিক অধিকাৰ হেৰুৱাই পেলোৱাৰ দৰে অনুভৱ হ'ল। পঢ়াশুনাত মোহন চোকা নাছিল যদিও একেবাৰে গাধও নাছিল। তথাপি কিবাকিবি কাৰণত মোহন দুবাৰো পৰীক্ষাত ফেল হ'ল। এবাৰ পৰীক্ষা দিয়া নহলেই। এনেদৰে মুঠ তিনিবছৰ তাৰ লোকচান হ'ল। যিবাৰ মোহনে প্ৰথম বি, এ, ফাইনেল দিব লাগিছিল সেইবাৰ ঠিক পৰীক্ষাৰ সময়তেই হ'ল তাৰ মেলেৰিয়া জ্বৰ। তাৰ পৰীক্ষা সেইবাৰ দিয়া নহ'ল। এই যে মোহনৰ কেনা লাগিল লাগিলেই। মোহনে ইয়াৰ আগেয়ে কোনো পৰীক্ষাতেই ফেল কৰা নাছিল। হয়তো প্ৰথমবাৰ পৰীক্ষা দিব নোৱৰাৰ ফলত সি পৰীক্ষাৰ ক্ষেত্ৰত মানসিক ভাবে দুৰ্বল হৈ গ'ল। পৰীক্ষাৰ সময়ত এনে এটা ভয় ভাবে তাক আচ্ছন্ন কৰি ৰখাৰ ফলতেই সি দুবাৰো ফেল কৰিলে। শেষত তৃতীয়বাৰত ভালদৰে নহলেও মোহন বি, এ পাছ কৰিবলৈ সক্ষম হ'ল। মদনে বিচাৰিছিল মোহনে তাৰ সৈতে ঠিকাদাৰী কৰক। মোহনৰ কিন্তু ঠিকাদাৰী বা ব্যৱসায়ত ইচ্ছা নাই। বৰং এম, এ পঢ়ো বুলি গুৱাহাটী বিশ্ববিদ্যালয়ত বুৰঞ্জী বিভাগত মোহনে নাম লগালে। মোহনৰ ইচ্ছা এম, এ পাছ কৰি শিক্ষকতা কৰাৰ।

মদনৰ ল'ৰা দুটাৰ মাজত বয়সৰ পাৰ্থক্য মাত্ৰ ডেৰবছৰ মানৰ। লাহে লাহে দুয়ো ডাঙৰ হ'বলৈ ধৰিলে। ডাঙৰটো পুতেকৰ নাম থলে বীৰেন আৰু সৰুটোৰ নৰেণ। বীৰেন স্কুললৈ যাব পৰা হ'ল। মদনৰ ঠিকাদাৰী একপ্ৰকাৰ চলি থাকিল যদিও ব্যৱসায় আগৰ দৰে নোহোৱা হ'ল। আনহাতে মদনৰ খৰচী স্বভাৱটোৱেও তাৰ উন্নতিত বাধাৰ সৃষ্টি কৰিলে। ব্যৱসায়ত উঠা নমা আছেই, গতিকে মদন কেতিয়াও ভাগি পৰা নাই। নিজৰ ওপৰত তাৰ আত্মবিশ্বাস ইমানেই বেছি যে সেই আত্মবিশ্বাসৰ জোৰতেই মদনে ইমান দিনে সাফল্য লাভ কৰি আহিছে। তথাপি হিচাপত নচলিলে আত্মবিশ্বাসেও সময়ত কাম নিদিয়া হয়। একেবাৰে এপইচাও নোহোৱা অৱস্থাৰ পৰা অলপ ধনৰ মুখ দেখাৰ লগে লগে মদনৰ মনৰো বহু সালসলনি হ'বলৈ ধৰিলে। কোনো কামৰ ল'ৰা নহয় বুলি কোৱা মদনক আজিকালি গাঁৱৰ সকলোৱে সমীহ কৰে। এই আটাইবোৰে তাৰ মনৰ ওপৰত গভীৰ প্ৰভাৱ পেলালে।

মদনৰ বিশেষ শিক্ষা দীক্ষা নাই ঠিকেই, কিন্তু সি যে চোকা বুদ্ধিৰ ল'ৰা সেইটো সকলোৱে স্বীকাৰ কৰে। পঢ়াশুনা নকৰিলেও সি তাৰ বুদ্ধিৰ পৰিচয় তাৰ কাৰ্যকলাপেৰে বাৰুকৈয়ে দিছে। তদুপৰি মদনৰ স্মৃতিশক্তিৰ সকলোৱে প্ৰশংসা কৰে। জ্যোতিপ্ৰসাদ, ৰবীন্দ্ৰনাথ, নজৰুল ইত্যাদি কবিসকলৰ প্ৰায়বোৰে কবিতা মদনৰ কণ্ঠস্থ। তদুপৰি দহবছৰ আগেয়ে দুই মিনিটৰ বাবে লগ পোৱা মানুহ এজনক দহবছৰ পিছত চিনি পাবলৈ মদনৰ বৰ বিশেষ সময় নালাগে। সেইফালৰ পৰা চালে মোহনতকৈ মদনৰ বুদ্ধি বহু বেছি। তথাপি মদনৰ উচ্চশিক্ষা নাই সেয়েই তাৰ দুখ। হয়তো সেইবাবেই তাৰ মনত এক নীচাত্মিকা ভাব

গঢ়ি উঠিছে। কেতিয়াবা কেতিয়াবা মদনে মদ খায়। বিশেষকৈ সি ঠিকা কৰা বিভাগৰ বিশেষ বিশেষ ইঞ্জিনিয়াৰ আৰু ঠিকাদাৰৰ সৈতে। অলপ বেছিকৈ খালে সি সদায়েই পাকে প্ৰকাৰে এষাৰ কথা কয়–"উচ্চ শিক্ষিত মানুহ বহু দেখিলো বেকাৰ হৈ পৰি আছে। আমাৰ ওচৰলৈ কেতিয়াবা চাকৰি বিচাৰি আহে। 'ডিগ্ৰী থাকিলে কি হ'ব, বুদ্ধি লাগিব।"

মদ খালে মানুহ ভেদে মদৰ বিভিন্ন প্ৰতিক্ৰিয়া হয়। সাধাৰণতে বহুতেই মদ খাই বকিবলৈ আৰম্ভ কৰে। কিছুমানে আকৌ মদ খাই চুপ হৈ যায়। কিছুমানৰ আকৌ সকলো ঠিকেই থাকে কেৱল খোজ আৰু জিভা থৰক বৰক হয়। কাৰো কাৰো যৌন উত্তেজনা বাঢ়ি যায়। কিছুমানৰ আকৌ একোৱেই নহয়; কেৱল অধিক মদ খালে টোপনি আহে। শেষৰ বিধ লক্ষণ নিশ্চয় আনবোৰতকৈ ভাল। পিছে মদনৰ ক্ষেত্ৰত মদ খালে প্ৰথমটো লক্ষণহে বেছিকৈ ফুটি ওলায়। কথা বেছি কয় আৰু কথাত তাৰ সকলো প্ৰকাৰৰ কমপ্লেক্স প্ৰকাশ পায়। প্ৰকাশ পায় চহকী হোৱাৰ উন্মাদ বাসনা। এনেয়ে মদনে কথা বেছি কয়। তাতে আকৌ সুৰাপান কৰিলে দুটামান পেগ খোৱাৰ পিছত অসহনীয় পৰিস্থিতি হয়গৈ। সেইবাবেই একেলগে সুৰাপান কৰা ঠিকাদাৰ আৰু ইঞ্জিনিয়াৰসকলে লাহে লাহে মদনৰ সৈতে সুৰাপান নকৰাই হৈছে কৰিলেও মদনক দুই পেগতকৈ অধিক সিহঁতে খাবলৈ নিদিয়ে। মদনে কেতিয়াবা ঘৰতো মদ খায়। সাবিত্ৰীয়ে পিছে মদ খোৱাতো পছন্দ নকৰে। মদ নাখাবলৈ সাবিত্ৰীয়ে মদনক প্ৰায়েই কয়, কিন্তু মদনে জানো সাবিত্ৰীৰ কথা শুনে? মদ খোৱাৰ পিছত মদনে যেনেকুৱাখন কৰে সেইটো দেখাৰ পিছত কেতিয়াও মদৰ প্ৰতি সাবিত্ৰীৰ ভাল ধাৰণা হ'বই নোৱাৰে। সৌভাগ্যৰ কথা এয়ে যে মদনে সদায় মদ নাখায়। হলেও সপ্তাহত এদিন বা দুদিন খায়েই। সেই দুদিন মদনৰ বকবকনি নীৰৱে সাবিত্ৰী আৰু মোহনে সহ্য কৰাৰ বাদে আন কোনো উপায় নাই।

কথা বেছি কোৱা আৰু নীচাম্মিকা ভাবৰ বাবেই মদনৰ ব্যৱসায়তো বহু পৰিমাণে ক্ষতি হৈছিল। ঠিকাদাৰী কামটোৱেই লোকক ভালৰি বোলোৱা, মিঠা কথা কোৱা আৰু প্ৰলোভন দিয়াৰ কাম। ঠিকাদাৰী বৃত্তিত নিজেই সময়ত অতি সৰু হ'ব লাগিব। সময়ত ইঞ্জিনিয়াৰ, ওভাৰচিয়াৰৰ কথা শুনিব লাগিব, সময়ত মিস্ত্ৰী যোগালিৰ কথাও শুনিবলগীয়া হ'ব পাৰে। এই সকলো নীৰৱে সহ্য কৰাজনহে সফল ঠিকাদাৰ। এই কথা ৰমেশ বাজাজে মদনক শিকাইছিল। মদনে সকলো জানে। এসময়ত সি এই উপদেশ মানি চলিছিল। কিন্তু এবাৰ ঠিকাদাৰ হিচাপে প্ৰতিষ্ঠিত হোৱাৰ পিছত ৰমেশ বাজাজৰ সেই উপদেশ তাৰ মনত নপৰা হ'ল। মনত পৰিলেও নিজকে নিয়ন্ত্ৰিত কৰিব নোৱাৰা হ'ল। কেতিয়া ক'ত কি কথা কব লাগে সেইটো ভালদৰে জানিব লাগে আৰু জুখি মাখিহে কথা ক'ব লাগে। কিন্তু বহু বক্তী স্বভাৱৰ বাবে বহুতো সময়ত মদনৰ মুখৰ পৰা নকবলগীয়া কথা ওলাই যায়। ফল হয়গৈ ব্যৱসায়ত ক্ষতি। একেবাৰে ফুটাকড়ি নোহোৱা অৱস্থাৰ পৰা মদনক ৰমেশ বাজাজেই জীৱন জীৱিকাৰ বাট মুকলি কৰি দিছিল। সেই ৰমেশ বাজাজে মদনক ব্যৱসায় বেয়া হোৱাৰ সময়ত পুনৰ বচাবলৈ আগবাঢ়ি নাহিলে মদনৰ হয়তো পুনৰ ফুটাকড়ি নোহোৱা অৱস্থা হ'লহেঁতেন।

মদনে ইমানদিনে যিমান যি ভুলেই নকৰক কিয়, অকৃতজ্ঞ হোৱাৰ ভুল কৰা নাছিল। অৰ্থাৎ নিজাকৈ ব্যৱসায় কৰিলেও ৰমেশ বাজাজৰ সৈতে মদনে সম্পৰ্ক বজাই ৰাখি চলিছিল। পূজা বিহু ইত্যাদিত সদায়েই সপৰিয়ালে বাজাজৰ ঘৰলৈ কিবাকিবি লৈ গৈ সাক্ষাৎ কৰিছিল। কেতিয়াবা কেতিয়াবা অৱশ্যে তেতিয়াও ব্যৱসায়ত বাজাজে মদনক সহায় কৰিছিল। মদনৰ অৱস্থা বেয়াৰ ফালে ঢাল খোৱাত মূলধন প্ৰায় এপইচাও নোহোৱা হোৱাত ৰমেশ বাজাজে মদনক টকা পইচাৰে সহায় কৰি ভৰলুমুখত এখন দোকান খুলি দিয়ে। ব্যৱসায় হিচাপে "ঠিকাদাৰী লাভজনক ব্যৱসায়। কিন্তু এই ব্যৱসায়ৰ পৰা নিয়মিতভাৱে ধন নাহে। তদুপৰি এই ব্যৱসায়ত কেতিয়াবা লোকচানও আছে। গতিকেই ঠিকাদাৰীৰ সমান্তৰালভাবে নিয়মিতভাবে আয় হোৱা দোকান এখন থাকিলে নিশ্চিন্ত হ'ব পাৰি। সেই যুক্তি আগবঢ়াই নিজেই টকা পইচা দি বাজাজে মদনক এই বিপদৰ পৰা উদ্ধাৰ কৰিলে। ৰমেশে পিছে এনেয়ে টকা দিয়া নাই ধাৰলৈহে দিছিল।

ভৰলুমুখৰ পৰা এ, টি, ৰোডৰ ফালে যোৱা পথৰ দাঁতিতে মদনে হাৰ্ডৱেৰৰ দোকান এখন দিলে। গজাল বল্টুৰ পৰা আৰম্ভ কৰি ঘৰ বন্ধা সকলো সাঁ-সজুলিৰ উপৰিও বাচন বৰ্তন ইত্যাদি সকলো ৰাখিলে। দোকানত মেনেজাৰ হিচাপে ৰহুৱালে ৰমেশ বাজাজে ঠিক কৰি দিয়া সুভাষ ৰায় নামৰ মানুহ এজনক। পিছে মেনেজাৰৰ ওপৰতে মদনে সকলো এৰি নিদি নিজেও তদাৰক কৰিবলৈ ধৰিলে। মোহনেও মাজে মাজে দোকানৰ কাম চোৱাচিতা কৰে। এসময়ত দোকানখন ভালদৰেই চলিবলৈ আৰম্ভ কৰিলে। প্ৰতিদিনৰ বিক্ৰীৰ উপৰিও চৰকাৰী অৰ্ধ চৰকাৰী বিভাগসমূহত দোকানৰ পৰা বিভিন্ন বয়বস্তু যোগান ধৰাৰ অৰ্ডাৰ পোৱাত দোকানখনৰ পৰা ভালদৰেই আয় হ'ব ধৰিলে। লাহে লাহে মদনৰ অৱস্থা আকৌ উভতি আহিল।

মোহনেও এম, এ পাছ কৰিলে। বি, এৰ, দৰে ৰবলগীয়া নহল। অৱশ্যে তৃতীয় শ্ৰেণীতহে পাছ কৰিলে। যিয়েই নহওক তথাপি এম, এ পাছ। মোহনে শিক্ষকতাৰ চাকৰি বিচাৰিবলৈ ধৰিলে। চাকৰি কেবা ঠাইতো পালে কিন্তু মোহনে তেনেবোৰ ঠাইলৈ যাব নিবিচাৰে। মোহনক চাকৰি লাগে গুৱাহাটীত বা গুৱাহাটীৰ আশে পাশে। কিন্তু গুৱাহাটীত চাকৰিৰ ক্ষেত্ৰত সদায়েই প্ৰতিযোগিতা। তাতে আকৌ কলেজৰ সংখ্যাও নগণ্য। গতিকেই মোহনে মনে বিচৰা ঠাইত চাকৰি নাপালে। আন দূৰৈৰ ঠাইত চাকৰি পালেও নকৰি ককায়েকৰ সৈতে দোকানৰ কামতেই লাগিল। পিছে ব্যৱসায় বাণিজ্যত মোহনৰ আগ্ৰহ কম। তথাপি এনেয়ে থকাতকৈ দোকানতে সহায় কৰি দিয়া ভাল বুলি তাতেই লাগি থাকিল। পিছে মদনৰ সৈতে কাম কৰিবলৈ হ'লে ধৈৰ্যৰ দৰকাৰ। মদনৰ কামবোৰ উশৃংখল আৰু অদূৰদৰ্শী ধৰণৰ। এবাৰ কব এইটো কৰিবলৈ, এবাৰ ক'ব তাৰ ওলোটাটো কৰিবলৈ। মদনৰ এই স্বভাৱটো নথকা হেঁতেন সি আজি অসমৰ ভিতৰতেই ধনী মানুহ হ'লহেঁতেন। ককায়েকৰ কথাত কেতিয়াবা কেতিয়াবা মোহনৰ ঘৰ এৰি গুচি যাওঁ গুচি যাওঁ লাগে। কিন্তু কলৈ যাব। হেজাৰ হলেও এই ককায়েকেই তাক খুৱাই বুৱাই পঢ়াই শুনাই মানুহ কৰিছে। গতিকে নীৰৱে ককায়েকৰ কথা শুনি যায়। অৱশ্যে মোহনৰ এইবাবে সদায়েই অশান্তি লাগি থাকে।

মোহন আৰু সাবিত্ৰীয়ে সদায়েই দিচপুৰৰ মাটি টুকুৰাত ঘৰ এটা বান্ধিবলৈ মদনক কৈ থাকে। স্বচ্ছল অৱস্থাতে ঘৰ বাড়ী বান্ধি লোৱা ভাল, নহলে কোনে জানে কাইলৈ কি হয়। সাবিত্ৰীয়ে দেখিছে কেনেদৰে মদনৰ ঠিকাদাৰী ব্যৱসায় পৰি আহিছিল। আজি পুনৰ অৱস্থা অলপ ভাল হৈছে, কাইলৈতো নাথাকিবও পাৰে। গতিকে ঘৰটো বান্ধিবলৈ মদনক কওঁতে কওঁতে মদন সন্মত হ'ল। কিন্তু ঘৰ বন্ধাৰ আগে আগে মাটি ডোখৰত মাটি পেলাই ওখ কৰি লব লাগিব। কাৰণ মদনে যি ঠাইত মাটি কিনিছিল সেয়া আছিল পথৰুৱা মাটি। আগেয়ে তাত নিয়মিত ভাবে ধান খেতি কৰা হৈছিল। আজি কালি তাত কোনেও খেতি নকৰে। সেই মাটিডোখৰৰ ওচৰত এটা ঘৰ কোনোবাই বান্ধিছে। ঘৰৰ ভেটিটো তুলিবলৈ মাটি পেলাওঁতে মদনে বহু টকা খৰচ কৰিবলগীয়া হ'ল। ভেটিত মাটি পেলোৱাৰ পিছত মদনে ঘৰ বন্ধাৰ কাম পিছ পেলাই থলে। এনেদৰে মাটি পেলোৱাৰ প্ৰায় এবছৰমান পিছত মোহনৰ হেঁচাতহে দিচপুৰত ঘৰ এটি বান্ধিলে। অৱশ্যে এইবাৰ ঘৰবন্ধাত বেছি টকা খৰচ নকৰিলে। আসাম টাইপৰ তিনিটা কোঠাৰ এটা ঘৰ সাজিলে। মোহনে মাটি ডোখৰৰ একাষত এই ঘৰটো সাজিলে আৰু সোঁমাজতে যাতে ভৱিষ্যতে ডাঙৰকৈ তিনিমহলীয়া ঘৰ এটি সাজিব পাৰে সেই আঁচনিৰে মাজডোখৰ মুকলি ৰাখিলে।

মদনহঁতে শান্তিপুৰৰ ভাৰা ঘৰটো এৰি দি দিচপুৰৰ নিজৰ ঘৰলৈ আহিল। দিচপুৰৰ পৰা দোকানলৈ অহা যোৱা দূৰ হলেও ভাৰাঘৰত থকাতকৈ নিজৰ মাটিত থকাটো শ্ৰেয় বুলি সাবিত্ৰীহঁতে তাতে সন্তুষ্টি লভিলে। অৱশেষত সৰুকৈ হলেও গুৱাহাটীত মদনৰ নিজা ঘৰমাটি হ'ল। বছৰৰ পিছত বছৰ ভাৰাঘৰত থকাৰ পিছত গুৱাহাটীত নিজৰ ঘৰ এটি হোৱাত নিজৰ নতুন ঘৰটোত থাকি মদনহঁতে একপ্ৰকাৰৰ স্বস্তি অনুভৱ কৰিব পাৰিলে। ভাৰাঘৰত নিয়মিতভাবে ভাৰা দি থাকিলেও ঘৰৰ মালিকৰ অনুগ্ৰহতেই থকা যেন লাগে। ঘৰৰ চৌহদত নানা প্ৰকাৰৰ গছ গছনিৰ ওপৰিও খালী ঠাইসমূহত নানা প্ৰকাৰৰ পাচলিৰ খেতি লগাই দিলে। মদনহঁত খেতিয়কৰ ঘৰৰ ল'ৰা, ঠিকাদাৰী কৰিলেও মদনৰ খেতিবাতিৰ প্ৰতি বৰ আগ্ৰহ।

মোহনৰ স্বভাৱটো আকৌ ওলোটা। খেতিবাতিৰ প্ৰতি তাৰ সমূলি আগ্ৰহ নাই। আজৰি সময় পালে মোহনে হয় গল্প উপন্যাস পঢ়ি নহয় বন্ধু-বান্ধৱৰ সৈতে গল্প গুজৱ অথবা তাছ বা কেৰম ইত্যাদি খেল খেলি সময় কটায়। মদনৰ পুৱতি নিশাতেই টোপনিৰ পৰা উঠাৰ অভ্যাস। ৰাতিপুৱা শোৱাৰ পৰা উঠিয়েই হাতত খন্তিখন লৈ পাচলি বাৰীত মদন সোমায়। প্ৰায় এঘণ্টা কাম কৰাৰ পিছত গা ধুই চাহ জলপান খাই বাতৰি কাকত কেইখন পঢ়ি মদন ওলাই যায় ভৰলুমুখৰ দোকানলৈ বুলি। নিজা ঘৰত থাকিবলৈ লোৱাৰ পিছত বহুবছৰৰ মূৰত সাবিত্ৰী আকৌ সন্তান সম্ভৱা হ'ল। মদনে পুনৰ সন্তান বিচৰা নাছিল যদিও এইবাৰ মদন-সাবিত্ৰীৰ ছোৱালী এজনী হ'ল। ছোৱালী হোৱাত মদনে পেটে পেটে ভালেই পালে। ল'ৰাহঁতৰ স্বভাৱ চৰিত্ৰ মদন বৰ সন্তুষ্ট নহয়। আনহাতে ছোৱালী এজনী ঘৰত থাকিলে ঘৰটোৰ পৰিবেশেই অন্য ধৰণৰ হয় বুলি মদনৰ ধাৰণা।

'গাঁৱৰ হিচাপত মোহনৰ বিয়াৰ বয়স কেতিয়াবাই পাৰ হৈ গ'ল। চহৰৰ হিচাপতো মোহনৰ বিয়াৰ বয়স পাৰ হওঁ হওঁ। মদনে সাবিত্ৰীক কলে মোহনৰ বিয়া পতা সম্পৰ্কে তাৰ মতামত লবলৈ। সাবিত্ৰীয়ে বিয়াৰ কথা কবলৈহে পালে মোহনে সাবিত্ৰীৰ কথাত প্ৰায় জাঙুৰ খাই উঠিল। 'তোমালোকে মোৰ কথা কিয় চিন্তা কৰিব লাগে। মোৰ ইচ্ছা হ'লে তোমালোকক জনাম নহয়। দুনাই আৰু মোক এইবোৰ কথা নকবা।"– মোহনে বৌৱেকক এনেদৰে কৈ আঁতৰি গ'ল।

বিয়া সম্পৰ্কে মোহনৰ বিৰক্তিৰ কাৰণ আছে। তাৰ যৌৱনৰ উন্মেষত যিগৰাকী নাৰীয়ে মোহনৰ হৃদয়ত জোৱাৰ তুলিছিল সেইগৰাকী নাৰী তাৰ জীৱনলৈ আহিও মৰুকত মৰীচিকাৰ দৰে আঁতৰি গৈছিল। তাই আঁতৰি যোৱা নাছিল, বৰং তাইক এক ষড়যন্ত্ৰৰ মাজেৰে আঁতৰ কৰি লৈ যোৱা হৈছিল। গুৱাহাটীৰ বি, বৰুৱা কলেজত বি, এ পঢ়ি থাকোতেই চিনাকি হৈছিল সন্দিকৈ কলেজৰ আই, এ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী অনিতাৰ সৈতে। লাহে লাহে দুয়োৰো মাজত ভাল পোৱা গভীৰ হৈ উঠিছিল যদিও যিহেতু অনিতা আছিল গোড়া ব্ৰাহ্মণ পৰিয়ালৰ ছোৱালী, গতিকেই মোহনহঁতৰ দৰে শূদ্ৰিৰ পৰিয়ালত তাইক বিয়া দিয়াটো প্ৰায় অসম্ভৱ হৈ উঠিছিল। যেতিয়া অনিতাৰ ঘৰত অনিতা আৰু মোহনৰ সম্পৰ্কৰ কথা জনাজনি হৈছিল তেতিয়া অনিতাৰ মাকে অনিতাক সকীয়াই



দিছিল–"তই যদি ব্ৰাহ্মণ পৰিয়ালৰ ৰান্ধনি ল'ৰা এজনৰ তালৈ যাব় আমাৰ আপত্তি নাই কিন্তু শূদ্ৰিৰৰ ঘৰৰ ধনী জ্ঞানী ল'ৰালৈকো যদি যাব় তেনেহলে যিদিনাই তই যাব় সিদিনাই তই মোৰ মৰাশ দেখা পাবি ।"

অনিতাৰ মাক বনলতা বৰুৱা, বি, এ, সেইকালৰেই শিক্ষিতা ছোৱালী । আনকি বনলতা বৰুৱাই নাৰীমুক্তি আৰু মহিলা শিক্ষাৰ ওপৰত কেবাখনো কিতাপো লিখিছে । সদৌ অসম মহিলা সংস্থাৰ তেওঁ প্ৰতিষ্ঠাপক সভানেত্ৰীও আছিল । তেওঁৰ দৰে শিক্ষিতা আৰু প্ৰতিপত্তিশালী নাৰী গৰাকীয়ে যেতিয়া নিজৰ জীয়েকক আদেশ দিছে, তেতিয়া সেই আদেশ তাই পেলায় কোন সতে । আনহাতে অনিতাই তাইৰ মাকক ভালদৰেই জানে । তাই জানে যে যদি তাই মোহনৰ সৈতে পলাই গৈ বিয়াও হয় তেনেহলে তাইৰ মাকে আত্মহত্যা কৰিবই । মাকৰ জীৱনৰ স্বাৰ্থতেই অনিতাই নিজৰ জীৱনৰ গতিপথ সলনি কৰিছিল, নিজৰ জীৱনৰ প্ৰথম প্ৰেমৰ বলিদান দিছিল । হয়তো অনিতাৰ বাধ্যবাধকতা মোহনে বুজা নাছিল, হয়তো আজিও সি অনিতাকেই দোষী বুলি ভাবে । মোহনৰ অন্তৰত সেইবাবেই ভিতৰ ভিতৰ নাৰীদ্ৰোহী এক মনোবৃত্তিয়ে ঠাই লৈছিল । মদনৰ ইচ্ছা সত্ত্বেও মোহনে অবিবাহিত হৈ থাকিল ।

সৰুৰে পৰাই বীৰেন শান্ত প্ৰকৃতিৰ । তাৰ বয়সত যি যিমান চটপটীয়া হব লাগে বীৰেন তিমান চটপটীয়া নহয় । বীৰেনৰ বিপৰীত স্বভাৱৰ হ'ল মদনৰ দ্বিতীয়- পুত্ৰ নৰেণ । নৰেণ ইমানেই চঞ্চল আৰু উৎপতীয়া স্বভাৱৰ যে নৰেণে ঢুকি পোৱাকৈ কোনো বস্তুই ঘৰটোত ৰাখিব নোৱাৰি । তাৰ বয়স বাঢ়ি অহাৰ লগে লগে চকী বা মেজত উঠি ওপৰত থোৱা বস্তুও নমাই আনে । ঘৰটোৰ ক'ত কি আছে প্ৰতিটো বস্তু সি লিৰিকি চায় । ইতিমধ্যে ঘৰৰ গ্লাছ কাপ প্লেট বয়াম ইত্যাদি বহু বস্তু তাৰ হাতত চূৰমাৰ হৈছে । এই উৎপতীয়া স্বভাৱৰ বাবে সি মাকৰ ঢেৰ মাৰ খাবলগীয়া হৈছে পিছে মাৰি ঠাণ্ডা কৰিব পৰা ল'ৰা নৰেণ নহয় । যিটো কৰিবলৈ তাৰ সত যায় সেইটো কৰিবই, ব্ৰহ্মায়ো তাক বাধা দি ৰাখিব নোৱাৰে । বীৰেনক আকৌ যদি মাকে কয়–'ঐ বীৰেন তই ইয়াতে বহি থাকিবি'–তেনেহলে সি এখোজো লৰচৰ নকৰাকৈ তাতেই বহি থাকে । মাকৰ বাধ্য হোৱা বাবে আৰু হয়তো বৰপুত্ৰ হোৱাৰ বাবেও মাকে বীৰেনক বেছি মৰম কৰে যেন লাগে । অৱশ্যে বীৰেনক ঘৰৰ সকলোৱেই অলপ বেছি মৰম কৰে । কেৱল মদনহঁতৰ মাক অৰ্থাৎ বীৰেন–নৰেণৰ আইতাক ব্যতিক্ৰম । যিমানেই উৎপাত নকৰক আইতাকে বীৰেনতকৈ নৰেণকহে বেছি ভাল পায় । আইতাকে গাঁৱৰ নাম প্ৰসঙ্গলৈ গ'লে তেওঁক চাহৰ সৈতে খাবলৈ দিয়া বিস্কুট বা মিঠাইৰ অলপ আঁচলত বান্ধি নাতিয়েকহঁতলৈ লৈ আহে । আইতাকে নাম প্ৰসঙ্গৰ পৰা উভতি আহি পোনে পোনে নৰেণক বিচাৰিব; নৰেণক মিঠাই বা বিস্কুট কণ দি উঠিহে তাৰ আধা বীৰেনক দিয়ে । নৰেণৰ দৰে বীৰেনৰ খোৱাত বৰ ৰাপ নাই । আইতাকে তালৈ অনা খোৱাবস্তুখিনি খাবলৈ সি ভাল নাপায় আৰু প্ৰায়ে আইতাকক উভতাই দিয়ে । আইতাক কৰবালৈ ওলাই গ'লে কতো একো নেপালেও দোকানৰ পৰা আহোতে নাতিয়েকহঁতৰ বাবে, বিশেষকৈ নৰেণৰ বাবে কিবা এবিধ খাবলৈ কিনি নিবই । আইতাকে তালৈ অনা বস্তুবোৰ সাধাৰণতে নৰেণেও বৰ এটা ভাল নাপায়, কিন্তু আইতাকে যে ইমান যতনাই মৰমেৰে তাৰ বাবে লৈ আহে সেইবাবেই আইতাকে অনা বস্তুবিধ খাই বস্তুটোৰ সোৱাদতকৈ আইতাকৰ মৰমৰ সোৱাদকণহে সি উপভোগ কৰে ।

মদনে যিদিনাই দুই পুত্ৰ সহ সাবিত্ৰীক গুৱাহাটীলৈ লৈ আহিবলৈ ওলাইছিল সিদিনা মদনৰ মাক দেউতাকৰ মনত কি দুখ । নাতিৰ প্ৰতি ককাক আইতাকৰ যি মৰম সেয়া মাক দেউতাকৰ মৰমতকৈও অধিক । নাতি দুজনক সিহঁতৰ পৰা আঁতৰাই লৈ গৈ মদনে বুঢ়া মাক দেউতাকৰ মনত কি কষ্ট দিছিল সেইটো মদনে অনুভৱ কৰিব পৰা নাছিল । কেৱল সাবিত্ৰীয়ে বুঢ়া বুঢ়ী হালৰ কথা অনুভৱ কৰিব পাৰিছিল । শেষত আইতাকৰ অনুৰোধত নৰেণক কিছুদিনৰ বাবে ককাক-আইতাকৰ সৈতে এৰি থৈ আহিছিল । বীৰেন আৰু নৰেণক ইতিমধ্যে গাঁৱৰ স্কুল এখনতেই নাম লগাই দিয়া হৈছিল । বীৰেন তেতিয়া তৃতীয়মান আৰু নৰেণ দ্বিতীয় শ্ৰেণীত পঢ়িছিল । বীৰেনক গুৱাহাটীৰ শান্তিপুৰৰ স্কুল এখনত নাম লগাই দিয়া হ'ল । বীৰেনক লৈ যোৱাৰ পিছত আৰু ডেৰবছৰলৈ নৰেণ গাঁৱতেই ককাক আইতাকৰ সৈতেই গাঁৱৰ স্কুলতেই পঢ়ি থাকিল । তৃতীয় শ্ৰেণীত উত্তীৰ্ণ হোৱাৰ পিছত নৰেণৰ এইবাৰ হাইস্কুললৈ যোৱাৰ পাল । এনে অৱস্থাত খুড়াক মোহনে নৰেণক গুৱাহাটীলৈ লৈ গৈ সোনাৰাম হাইস্কুলতেই নাম লগাই দিলে । ককায়েক বীৰেনো সেই স্কুলতেই পঞ্চম শ্ৰেণীত পঢ়ে । স্কুলত সকলোৱে কয় যে নৰেণৰ বুদ্ধি বৃত্তি বৰ চোকা, কিন্তু দুষ্টামিৰ বাবেই সি পৰীক্ষাত ভাল ফল লাভ কৰিব নোৱাৰে ।

স্কুল বন্ধ থাকিলে মদনে দুয়ো পুতেকক দোকানলৈ লৈ যায় । মদনৰ ধাৰণা পঢ়া শুনা কৰি বিশেষ কোনো লাভ নাই । ৰাজপথত হাজাৰে হাজাৰে বি, এ, এম, এ, এম, এছ, চি ঘূৰি ফুৰিছে চাকৰিৰ বাবে, চাকৰি পাবলৈ নাই । মহানগৰীত বি, এ, বি, এছ, চি পাছ ল'ৰাই ৰিক্সা চলাবলৈ বাধ্য হৈছে । তেনেহলে শিক্ষাৰ মৰ্যাদা কত ? "কতা মই চোন মেট্ৰিক পাছ কৰিবই নোৱাৰিলো তথাপি মই আজি ব্যৱসায়ত প্ৰতিষ্ঠা লাভ কৰিছো; দোকানত দুজন লোকক নিযুক্তি দিব পাৰিছো ।" মদনে পেটে পেটে নিজৰ ভিতৰতেই যুক্তি দৰ্শায় । পুতেকহঁতক সৰুৰ পৰা ব্যৱসায়ত তালিম দি সফল ব্যৱসায়ী কৰিব, মদনৰ সেয়ে বাসনা । মদনে পুতেকহঁতক ৰমেশ বাজাজ আৰু তেওঁৰ দুই চাৰিজন মাৰোৱাৰী বন্ধুৰ উদাহৰণ দি কয় যে বাজাজহঁতে সৰুৰে পৰাই পুতেকহঁতক ব্যৱসায় সম্পৰ্কে তালিম দিয়া ফলতেই তেওঁলোকৰ পুতেকসকলে আজি বিৰাট কাৰবাৰ চলাব পৰা হৈছে । দোকানলৈ লৈ গৈ মদনে পুতেকহঁতক বস্তু ক'ৰ পৰা কিনা হয় আৰু বিক্ৰী কৰা হয়, বিক্ৰীৰ হিচাপ কেনেদৰে ৰাখিব লাগে, ফাইল কেনেদৰে ৰাখিব লাগে ইত্যাদি শিকায় । মদনে ডাঙৰ পুতেক বীৰেনৰ ওপৰত অধিক জোৰ দিয়ে । নৰেণৰ কিন্তু দেউতাকৰ উপদেশ এখন কাণেৰে সোমায় আনখনেৰে ওলাই যায় । দোকানলৈ আহি সি হয় ইলেক্ট্ৰিক মিস্ত্ৰীজনে ফেন, ইস্ত্ৰী ইত্যাদি মেৰামতি কৰি থকা লক্ষ্য কৰি থাকে নহলে ইবিধ সিবিধ বয়বস্তু লাৰিচাৰি থাকে ।

খুড়াক মোহনে বীৰেন আৰু নৰেণৰ পঢ়াশুনাৰ তদাৰক কৰে । মদনে প্ৰায়েই ঠিকাৰ কামত বাহিৰলৈ গৈ থাকিব লাগে গতিকে পুতেকহঁতৰ পঢ়াশুনাৰ প্ৰতি চকু দিবলৈ মদনৰ সময় নহয় । যিকণ সময় মদনে পায় সেই সময়কণ সি পুতেকহঁতক ব্যৱসায়ৰ শিক্ষা দিয়াতহে ব্যৱহাৰ কৰে । মোহনে লক্ষ্য কৰিছে যে বীৰেনৰ যি বুদ্ধি বৃত্তি সেই বুদ্ধি বৃত্তিৰে সি কিমানদূৰ আগুৱাব পাৰিব সন্দেহ আছে । নৰেণৰ ক্ষেত্ৰত কিন্তু মোহন বৰ আশাবাদী । অৱশ্যে সকলোৱে এই কথা স্বীকাৰ কৰে যে নৰেণক ঠিকমতে পৰিচালনা কৰিব পাৰিলে সি এদিন নাম কৰিব পাৰিব । সেইবাবেই মোহনে নৰেণৰ পঢ়া শুনা তদাৰক কৰে, আনকি সময় পালে নিজেই নৰেণক পঢ়ুৱায় । হয়তো সেইবাবেই মোহন খুড়ায়েকৰ প্ৰতি নৰেণৰ বৰ ভয় । মোহনক নিজৰ খুড়াক বুলি ভৱাতকৈ শিক্ষক বুলিহে নৰেণে ভাবে । সেইবাবেই মোহনৰ প্ৰতি নৰেণৰ ভয় । নৰেণে ঘৰৰ কাকোৱেই বৰ ভয় নকৰে, কিন্তু মোহনক বৰ ভয় কৰে । দুষ্টামিৰ বাবে নৰেণে দেউতাকৰ বহু মাৰ খাবলগীয়া হৈছে । মদনে পুতেকহঁতক পিটিলে বৰ বেয়াকৈ পিটে । মদনৰ খঙটো ৰণচণ্ডী খঙ, এবাৰ উঠিলে খুজিলে নামিব নোখোজে । পিছে বীৰেনক কোনোদিনে মাৰপিট কৰিবলগীয়া হোৱা নাই । নৰেণে কেবাবাৰো দেউতাকৰ মাৰ খাবলগীয়া হৈছে । এবাৰ নৰেণে দেউতাকৰ হাতঘড়ীটো খুলি স্ক্ৰু ড্ৰাইভাৰেৰে কিবাকিবি পকাই দিয়াত ঘড়ীটো বেয়া হৈ থাকিল । পিছত দেউতাকে কথাটো জানিব পাৰি নৰেণক ভালদৰে এচাট লগাই দিলে । পিছে নৰেণক মাৰপিট কৰি কোনো লাভ নাই । সেই ঘটনাৰ তিনিদিন পিছতেই ঘৰৰ ৰেডিঅটো খুলি মেলি বেয়া কৰিলে । আকৌ দেউতাকৰ পিটন । নৰেণৰ অবাধ্য স্বভাৱ দেখি পৰিয়ালৰ সকলোৰে চিন্তা ।

বীৰেনৰ লগৰীয়া বুলিবলৈ বিশেষ কোনো নায়েই । পিছে নৰেণৰ লগৰীয়াৰ সংখ্যা কম নহয় । ওচৰতে থকা বিহাৰী ট্ৰাক ড্ৰাইভাৰ মহাদেউ সিঙৰ ল'ৰা হৰিয়া' পাণদোকানী হৰেন কলিতাৰ পুতেক ৰিপু, পৌৰসভাৰ অফিচৰ কেৰাণী- মহেন্দ্ৰ বৰুৱাৰ পুতেক ৰিতু ইত্যাদি হ'ল নৰেণৰ চুবুৰিৰ বন্ধু । এওঁলোকে এজনও কিন্তু নৰেণৰ স্কুলত নপঢ়ে ।



নৰেণৰ স্কুলৰ বন্ধু দুজনমান আছে । কিন্তু নৰেণৰ প্ৰায়বোৰ বন্ধুৱেই তাৰ দৰেই খটাসুৰ প্ৰকৃতিৰ । যদিহে নৰেণৰ একান্ত বন্ধু এজন আছে তেনেহলে সি হ'ল নৰেণৰ স্কুলতেই একেই শ্ৰেণীত পঢ়া তপন । তপনৰো অৱস্থা একেই; ঘৰৰ কোনেও তাক দেখিব নোৱাৰে উৎপতীয়া স্বভাৱৰ বাবে । মাক দেউতাক, ককায়েক, খুড়ায়েক সকলোৱে তাক মাৰপিট কৰে । তপনৰ দেউতাক গড়কাপ্তানি বিভাগৰ চেক্‌চনেল অফিচাৰ । নৰেণৰ দেউতাকতকৈয়ো মেজাজী মানুহ ।

বীৰেনে মেট্ৰিক পৰীক্ষাত তৃতীয় বিভাগত পাছ কৰিলে । অৱশ্যে ঘৰত তাতকৈ বেছি বীৰেনৰ পৰা আশাও কৰা নাছিল । অহাবাৰলৈ নৰেণে মেট্ৰিক পৰীক্ষা দিব । নৰেণৰ ওপৰত ইতিমধ্যে খুড়ায়েক মোহনৰ বিশ্বাস উঠি গৈছে । শ্ৰেণীৰ পৰীক্ষাতো নৰেণে ভাল ফল দেখুৱাব পৰা নাই । আগৰ দৰে মোহনেও নৰেণৰ পঢ়াশুনাৰ প্ৰতি নজৰ দিব নোৱাৰে । দোকানৰ কাম বাঢ়ি গৈছে । ইফালে মদনে নিজে নতুন ঠিকা ঠুকলি লৈয়েই আছে ।

মদনৰ ব্যৱসায় দেখাত ভালদৰেই চলি আছে যেন লাগিলেও মদনৰ কেতবোৰ অদূৰদৰ্শী কামৰ বাবে বহু ধন লোকচান ভৰিবলগীয়া হয় । নীচাত্মিকাভাৱৰ বাবেই হওক বা অন্য কোনো মানসিকতাৰ বাবেই হওক মদনে লোৱা ঠিকাৰ কাম সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত বিভাগীয় নিবিদাত থকা কামতকৈ নিজৰ ইচ্ছামতে অলপ হলেও অধিক কাম কৰে আৰু পিছত অধিককৈ কৰা কামৰ বাবে বিভাগৰ পৰা ধন বিচাৰে । কিন্তু সেই ধন বিভাগে আদায় নিদিয়ে । এনেদৰে বিভাগৰ বিষয়াৰ সৈতেও মদনৰ মনোমালিন্য হয় । কেতিয়াবা মদনক কোনো প্ৰতিপত্তিশালী বিষয়াই মুখে মুখে অৰ্ডাৰ দি কাম কৰিবলৈ দিলে একলাখ টকাৰ কামৰ ঠাইত মদনে তিনিলাখ টকাৰ কাম কৰে, ফলত শেহলৈ নিজৰ তহবিলৰ পৰা ধন ভৰিবলগীয়া হয় । সময় অতিবাহিত হোৱাৰ লগে লগে আৰু অধিককৈ ঘৰৰ বাহিৰত থাকিবলগীয়া হোৱা বাবে মদ খোৱাটো মদনৰ বাঢ়ি যায় । এনেদৰে মদ খোৱাটো মদনৰ নৈমিত্তিক কাৰবাৰ হৈ পৰে । সকলোৱেই জানে মদনে দু পেগতকৈ অধিক মদ খালে নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰে । কাৰোবাৰ নহয় কাৰোবাক সি গালি পাৰিবই লাগিব আৰু অনৰ্গল ভাবে কথা কবই লাগিব । এই স্বভাৱৰ বাবে মদনৰ ঠিকা সংকুচিত হৈ আহিব ধৰিলে । শেষত বাহিৰত ঠিকা কৰা বাদ দি গুৱাহাটীতেই ব্যৱসায় আৰু ঠিকা কৰাৰ বাবে মদনে স্থায়ীভাবে গুৱাহাটীতেই বহি ললে ।

## দ্বিতীয় খণ্ড

ইমান দিনে ভৰলুমুখৰ দোকানখন মূলতঃ মোহনেই চলাই আছিল, কিন্তু স্থায়ীভাবে মদন গুৱাহাটীত থাকিবলৈ লোৱাৰ পিছত মদনে দোকানৰ প্ৰতিটো কথাতেই হস্তক্ষেপ কৰিবলৈ ধৰিলে । মদনৰ পুৰণি বন্ধু-বান্ধৱ আহিলেই তেওঁলোকৰ আগত সদায়েই মোহনে যে দোকানখন ভালদৰে চলাব পৰা নাই সেই কথাটোকে কয় । দোকানৰ বিভিন্ন হিচাপত নানা খুঁত উলিয়ায় । আটাইতকৈ দুৰ্বিসহ কথাটো হ'ল ৰাতি মদ খাই মদনে ঘৰত সদায়েই বকাবকি কৰে । কেতিয়াবা মোহনক, কেতিয়াবা দুয়ো পুতেকক নহলেবা ঘৈণীয়েক সাবিত্ৰীকেই গালি গালাজ পাৰে ।

এদিন দুদিন হলে অন্য কথা, প্ৰায় যেতিয়া একেটা কাণ্ড চলিবলৈ ধৰিলে তেতিয়া মোহনৰ ধৈৰ্যচ্যুতি ঘটিল । এনেদৰে কেইমাহমান অতিবাহিত হোৱাৰ পিছত মোহনে দেখিলে যে তাৰ ককায়েক মদন এতিয়া এক অন্য মানুহত পৰিণত হৈছে । তথাপি বৌৱেক, ভতিজাক কেইজনৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই মোহন নীৰৱে আছিল । এদিন মোহনৰ বন্ধু এজন আহিছিল মোহনহঁতৰ ঘৰলৈ । মদনে বন্ধুজনৰ আগতে নিশা মদ খাই মোহনক গালি পাৰিবলৈ ধৰিলে । "তোক মই পঢ়াই শুনাই শিক্ষিত কৰিছো । তই মোক কি দিছ । দোকানখন চলাব নোৱাৰিলি, তোৰ দৰে এম, এ পাছ বহুত দেখিছো ............ ।"

পিছদিনা ৰাতিপুৱাই মোহনে টালি টোপোলা বান্ধি ঘৰৰ পৰা ওলাই গ'ল । সাবিত্ৰীয়ে মোহনক নাযাবলৈ বহুত অনুৰোধ কৰিলে, কিন্তু মোহন আৰু নৰ'ল । ঘৰৰ পৰা ওলাই যাওঁতে মোহনৰো দুগালেদি দুধাৰি চকুলো ওলাই গৈছিল । মোহনে গুৱাহাটীত নাথাকি পোনে পোনে গাঁও পালে । আৰু ভৱিষ্যতে গাঁৱতেই থাকিব বুলি সিদ্ধান্ত ললে । মোহনৰ মাকে তাক বহু বুজালে–"গুৱাহাটীৰ দৰে ঠাইত ল'ৰা ছোৱালী সহ বৌৱেৰহঁতক এৰি আহিব নালাগিছিল । সাবিত্ৰীয়ে এতিয়া ল'ৰা ছোৱালী কেইটাক চাব কেনেকৈ ?"

তথাপি মোহন আৰু ফিৰি নগ'ল ।

মোহন আঁতৰি যোৱাৰ পিছত গুৰিয়াল নোহোৱা নাওৰ দৰে সাবিত্ৰীৰ পৰিয়ালটো টলং ভটং কৰিবলৈ ধৰিলে । মোহন আঁতৰি যোৱাৰ পিছত প্ৰায় এমাহলৈকে মোহনক মদনে গালি পাৰি আছিল । ইতিমধ্যে মদনৰ মদ খোৱাৰ মাত্ৰা আগতকৈ আৰু বাঢ়িছে । "তই মোক এৰি গলেও মোক কোনেও লৰাব নোৱাৰে । এম, এ পাছ হলে কি হ'ল তই আকৌ খাবলৈ ভাত নেপাই ইয়ালৈ আহিব লাগিব । এম, এ পাছ কৰিলি, তই বৰ ডাঙৰ মানুহ হলি ! "–মদনে এনেদৰে মোহনক গালি পাৰিছিল । পিছে খাবলৈ ভাত নোপোৱা হৈ মোহন আৰু উভতি অহা নাছিল ।

মোহন যোৱাৰ পিছত ডাঙৰ পুতেক বীৰেনকেই মদনে দোকানৰ কামত লগাইছিল । মোহন যোৱাৰ পিছত মদনৰ পৰৱৰ্তী ৰোষৰ কোব পৰিছিল নৰেণৰ ওপৰত । দেউতাকৰ গালিৰ উৎপাতত থাকিব নোৱাৰি লাহে লাহে নৰেণেও নিশা ঘৰলৈ অহাটো বন্ধ কৰিছিল । ইতিমধ্যে নৰেণৰ মেট্ৰিক পৰীক্ষা আহি পাইছিল । নৰেণৰ পঢ়াশুনা হোৱা নাছিল । নিশা নৰেণে দুদিন তপনহঁতৰ ঘৰত, দুদিন ৰিপু, ৰিতুহঁতৰ ঘৰত এনেদৰে কটাইছিল । শেষত তাৰ বন্ধু হাৰিয়াহঁতৰ ঘৰত থাকিয়েই নৰেণে মেট্ৰিক পৰীক্ষা দিছিল । পৰীক্ষা বৰ বিশেষ ভাল নোহোৱাটো স্বাভাৱিক কথা । পৰীক্ষা দি উঠিয়েই নৰেণে বহৰিহাটলৈ গুচি গৈছিল ।

ইতিমধ্যে গাঁৱৰেই একমাত্ৰ ভেঞ্চাৰ স্কুলখনত মোহনে অতি কম পাৰিশ্ৰমিকৰ বিনিময়ত শিক্ষকতাৰ কামত সোমাইছিল আৰু সেই সূত্ৰেই কেইটামান টিউছনও কৰিছিল । গতিকেই স্বচ্ছল অৱস্থা নহলেও গাঁও হোৱা বাবেই মোহনৰ একপ্ৰকাৰে চলি গৈছিল । মোহনে নৰেণক গাঁৱলৈ যোৱা দেখি কলে–"তই পাছেই কৰ বা ফেলেই কৰ গাঁৱতেই থাকিবি, গুৱাহাটীলৈ যাব নেলাগে ।" নৰেণৰো গুৱাহাটীলৈ যোৱাৰ ইচ্ছা নাছিল । নৰেণ গাঁওতেই থাকিব বুলি শুনি আইতাক ককাকৰ কি যে আনন্দ ।

মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষিত হ'ল । খুড়ায়েকে ভবাৰ দৰে নৰেণৰ ফলাফল বৰ বেয়া নহ'ল, পিছে ভালো নহ'ল । নোহোৱাটো স্বাভাৱিক । দ্বিতীয় বিভাগত নৰেণ উত্তীৰ্ণ হ'ল । মোহনে কষ্ট কৰি উপাৰ্জন কৰা ধনেৰে নৰেণক বৰপেটা এম, চি কলেজৰ প্ৰাক বিশ্ববিদ্যালয়ত বিজ্ঞান শাখাত নাম লগাই দিলে । মোহনৰ আয় সীমিত সেই সীমিত আয়ৰ পৰাই মোহনহঁতৰ খোৱা লোৱাৰ ওপৰিও নৰেণৰ পঢ়াশুনাৰ খৰচ চলে । গুৱাহাটীত ককায়েকৰ দোকান চলাওঁতে মোহনে নিয়মিতভাবে বুঢ়া বুঢ়ীহাললৈ চলিবলৈ ধন পঠিয়াইছিল । মোহন গুচি অহাৰ পৰা সেই ধনো বন্ধ হ'ল । এতিয়াৰ পৰা মোহনৰ শিক্ষকতা আৰু টিউচনৰ সামান্য টকা কেইটাৰে বুঢ়াবুঢ়ী সহ গোটেই পৰিয়ালটো চলিব লাগে । কেতিয়াবা মোহনহঁতৰ চলিবলৈ টান পৰি যায় । কিন্তু উপায়নো আছে কি ?

এসময়ত ভেঞ্চাৰ স্কুলটোৱে চৰকাৰী সাহায্যপ্ৰাপ্ত স্কুলৰ স্বীকৃতি পালে । মোহনৰ চাকৰিও পূৰ্ণাঙ্গ চাকৰি হ'ল । দা-দৰমহা বাঢ়ি গ'ল । তেতিয়াহে অৰ্থনৈতিক শ্বাসৰুদ্ধ অৱস্থাৰ পৰা মুকলি ভাবে উশাহ লব পৰা অৱস্থা মোহনৰ হ'ল ।

মোহন গাঁৱলৈ ঘূৰি যোৱাৰ কেইমাহমানতেই মদনে মোহনৰ অনুপস্থিতি অনুভৱ কৰিব পাৰিলে । মোহন উভতি আহিব বুলি মদনে ভাবি লৈছিল । মদনৰ ধাৰণা হৈছিল যে মোহনে অকলে একো কৰিব নোৱাৰে, শেহলৈ সি ককায়েকৰ শৰণাপন্ন হ'বই লাগিব । কিন্তু মাহৰ পিছত মাহ পাৰ হৈ যোৱাৰ পিছত মদনৰ সেই ভাব আঁতৰিল, কিন্তু তাৰ অন্তৰত এক অদমনীয় জেদ ভাব সৃষ্টি হ'ল । "তোক মই পঢ়ালো

শুনালো, এতিয়া তই মোক অথাই সাগৰত থৈ গুচি গলি। এয়ে তোৰ প্ৰতিদান।"–সদায়েই নিশা মদ খাই মদনে এনেদৰে স্বগতোক্তি কৰে।

"মই মদ খাইছো। মদ খাই তোক মই গালি পাৰিছো। মোৰ তোক গালি পৰাৰ অধিকাৰ আছে, তোৰ মই ককায়েৰ সেইবুলি তই একেবাৰে গুচি যাবি কিয় ? তই মোৰ শত্ৰুতা কৰিলি মোহন।"

এনেদৰে মদনে নিশা সদায়েই বকি থাকে। মোহনক ওভোতাই নিবলৈ সাবিত্ৰী বহৰিলৈ দুবাৰো আহিছিল। বৌৱেকে মোহনক বহুত বুজাইছিল কিন্তু মোহনক মান্তি কৰাব নোৱাৰিলে।

আজি কালি ডাঙৰ পুতেক বীৰেনে সৰহ ভাগ সময় দোকানৰ কাম চলায়। ব্যৱসায়ৰ মাজত সোমাই পৰাৰ লগে লগে পঢ়াশুনাত তাৰ মনোযোগ কমি আহিবলৈ ধৰিলে। এনেয়ে বুদ্ধি বৃত্তি বোলা বস্তুটো বীৰেনৰ নায়েই তাতে আকৌ ঘৰখনত পঢ়া পৰিবেশ নোহোৱা হোৱাত বীৰেনৰ পঢ়া ইতি পৰাৰ দৰেই হ'ল। বীৰেনে তৃতীয় বিভাগত প্ৰাক্ বিশ্ববিদ্যালয় কলা শাখাত পাছ কৰিছিল, বি, এত নাম লিখিলেও বীৰেনে জানিছিল যে তাৰ আৰু পঢ়া নহ'ব। দেউতাক মদনেও পঢ়াৰ ক্ষেত্ৰত কোনোদিনেই বীৰেনক একো কোৱা নাছিল। বৰং তাক ব্যৱসায় সম্পৰ্কে নানা অভিজ্ঞতাৰ কথা কৈ পুতেককো ব্যৱসায়ীহে কৰিব বিচাৰিছিল।

ইতিমধ্যে নৰেশেও প্ৰাক বিশ্ববিদ্যালয় (বিজ্ঞান) ফাইনেল পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰিলে। নৰেশৰ ইঞ্জিনিয়াৰিং পঢ়াৰ ইচ্ছা আছিল। কিন্তু ইঞ্জিনিয়াৰিং পঢ়িব লাগিলে নৰেশক পুনৰ গুৱাহাটীলৈ পঠিয়াব লাগিব। গুৱাহাটীলৈ আহিলে পুনৰ দেউতাকৰ সৈতে ঘৰৰ সেই পৰিবেশত পঢ়িব লাগিব বুলিয়েই তাক তাতেই বি, এছ, চি ত অনাৰ্ছ লৈ পঢ়িবলৈ লগাই দিলে। পদাৰ্থ বিজ্ঞানত নৰেশে অনাৰ্ছ ললে। পঢ়া শুনাত চোকা দেখি নৰেশ পদাৰ্থ বিজ্ঞানৰ শিক্ষক অনিৰুদ্ধ বৰুৱাৰ চকুত পৰিল। অনিৰুদ্ধ বৰুৱাই বিশেষ মনোযোগ লৈ নৰেশক পঢ়াশুনাৰ ক্ষেত্ৰত কেতবোৰ উপদেশ দিবলৈ ধৰিলে। দুই এখন কিতাপো বৰুৱাই নৰেশক দিলে। আমাৰ ইয়াত কলেজৰ শিক্ষক মানেই প্ৰফেছাৰ। গতিকে অনিৰুদ্ধ বৰুৱাকো সকলোৱে প্ৰফেছাৰ বৰুৱা বুলিয়েই কয়।

এদিন প্ৰফেছাৰ বৰুৱাই নৰেশক বাহিৰা কিতাপ পঢ়াশুনা কৰেনে নাই সুধিলে। নৰেশে কলে সি যি আগত পায় তাকেই পঢ়ে। পা-ফু চিৰিজৰ পৰা চৈয়দ আব্দুল মালিকলৈকে, ইফালে টলষ্টয়ৰ পৰা শ্বেক্সপিয়েৰ, ডি, এইছ লৰেন্স, ৰবীন্দ্ৰনাথ ঠাকুৰ ইত্যাদি লেখকৰ ভালেমান কিতাপ পঢ়াৰ কথা নৰেশে কলে।

"কিন্তু চকুৰ আগত যি কিতাপ পৰে তাকেই পঢ়াতো ঠিক নহয়, কিয়নো বিশ্বত কিতাপৰ সংখ্যা কম নহয়, আনহাতে আটাইবোৰ কিতাপেই উন্নত মানৰ কিতাপ নহয়। কেঁতবোৰ অতি বাজে অপ্ৰয়োজনীয় কিতাপ আছে, সেইবোৰ পঢ়িব নালাগে। প্ৰথমতে বিশ্বৰ সেইখনমান বিখ্যাত কিতাপ পঢ়ি লোৱাটো বৰ আৱশ্যকীয়।–নৰেশৰ কথাশুনি প্ৰফেছাৰ বৰুৱাই কলে।

"এইখন কিতাপ কেতিয়াবা পঢ়িছানে।–এই বুলি প্ৰফেছাৰ বৰুৱাই সৰু ৰঙা বকলাৰ কিতাপ এখন নৰেশৰ ফালে আগুৱাই দিলে। নৰেশে কিতাপখন চাই দেখিলে সেইখন কাৰ্লমাৰ্ক্সৰ "কম্যিউনিষ্ট পাৰ্টিৰ ইস্তাহাৰ" কাৰ্ল মাৰ্ক্স বিষয়ে আগেয়ে নৰেশে পঢ়িছে কিন্তু এই কিতাপখন পঢ়া নাই, পঢ়িবলৈ ক'তো পোৱাও নাই। নৰেশে কিতাপখন পঢ়িবলৈ লৈ গ'ল।

এনেদৰেই অনিৰুদ্ধ বৰুৱাৰ সৈতে নৰেশৰ ঘনিষ্ঠতা বাঢ়ি গ'ল। অনিৰুদ্ধ বৰুৱাৰ সতে হোৱা ঘনিষ্ঠতাৰ ফলতেই মাৰ্ক্স, লেনিন, ষ্টেলিন, মাও ইত্যাদি মাৰ্ক্সীয় সাহিত্যৰ ওপৰত নৰেশৰ আগ্ৰহ বাঢ়িল। প্ৰায়বোৰ বিখ্যাত মাৰ্ক্সীয় সাহিত্য নৰেশে পঢ়ি পেলালে।

মদনৰ দোকানৰ ব্যৱসায় লাহে লাহে সীমিত হৈ আহিবলৈ ধৰিলে। আগৰ দৰে যোগানৰ তথা স্থাপনৰ ঠিকা ঠুকলি মদনে নোপোৱা হ'ল। ইফালে দোকানখনো চলাব লাগে। আনহাতে মদনৰ মানসিক অৱস্থা বেয়া হোৱাৰ লগে লগে মানুহজন খিটখিটীয়া স্বভাৱৰ হৈ উঠিল। চৰকাৰী বিষয়া ইঞ্জিনিয়াৰ ইত্যাদি বহুতৰে সৈতে এই খিটখিটীয়া স্বভাৱৰ বাবেই সদভাৱ নোহোৱা হোৱাত মদনৰ ব্যৱসায়ত যথেষ্ট ক্ষতি হ'ল। শেষত ঠিকা ঠুকলিৰ কাম প্ৰায় বাদ দি মদন দোকানতেই



ভালদৰে বহি গ'ল। কিন্তু অভাগা যিফালে যায় সাগৰো শুকাই যোৱাৰ দৰে দোকানৰ অৱস্থাও জঁয় পৰি আহিবলৈ ধৰিলে। ইয়াৰ আগেয়ে মদনৰ টকা পইচাৰ ভাণ্ডাৰৰ হিচাপ মোহনেই ৰাখিছিল। আয় আৰু খৰচৰ হিচাপ মোহনে খৰচি মাৰি চাইছিল। মদনে ব্যৱসায় কৰিলেও টকা পইচাৰ হিচাপত বৰ কেঁচা। একপ্ৰকাৰৰ বেহিচাপী মানুহ বুলিও মদনক কব পৰা যায়। সেইবাবেই মোহন গুচি যোৱাৰ পিছত মদনৰ টকা পইচাৰ হিচাপ ৰখা মানুহ নোহোৱা হ'ল।

ব্যৱসায়ত লোকচান ভৰা, ভায়েক মোহনে এৰি থৈ যোৱাৰ পিছত মদনৰ মদ খোৱা বাঢ়ি যাবলৈ ধৰিলে। সন্ধিয়া হ'লেই দোকানখন পুতেক বীৰেন বা কৰ্মচাৰী দুজনৰ হাতত এৰি দি ঘৰলৈ গুচি আহে মদ খোৱাৰ বাবে। আগেয়ে মদনে নিশা দুই বা তিনি পেগ মদ খাই অলপ বকাবকি কৰিয়েই শুই পৰিছিল। এতিয়া পাঁচ পেগৰ কম মদনে নাখায়। আৰু খালেও আগৰ দৰে ইমান সোনকালে শুই নপৰে। আনহাতে নিশা গণ্ডগোল কৰাৰ মাত্ৰা আগতকৈ বাঢ়ি গ'ল। ঘৰত কাম কৰা ল'ৰা নগেনৰ বৰ শাস্তি হয়। প্ৰত্যেক পাঁচ মিনিটৰ মূৰে মূৰে তাক মাতি ইটো সিটো কৰিবলৈ কয়। আজিকালি নিশা বীৰেনক সদায়েই গালি পাৰে। বীৰেনে দোকান চলাব নাজানে, হিচাপ ৰাখিব নাজানে, গ্ৰাহকৰ সৈতে কথা পাতিব নাজানে, শিকিবলৈও যত্ন নকৰে ইত্যাদি ইত্যাদি অভিযোগ তোলে।

এই হুলস্থূলীয়া পৰিবেশৰ মাজতেই মদন-সাবিত্ৰীৰ কনিষ্ঠ সন্তান মাজনী ডাঙৰ হ'বলৈ ধৰিলে। এদিন দুদিন চাওঁতে তাই এঘাৰ বছৰ বয়সত ভৰি দিলে। এদিন তাই গাভৰুও হ'ল। তাই চেন্ট মেৰিজ স্কুলৰ অষ্টম শ্ৰেণীত পঢ়ে। পঢ়াশুনাত মাজনী বৰ চোকা। শ্ৰেণীৰ ভিতৰতেই সদায়েই প্ৰথম হয়। মদনৰ ঘৰৰ দৰে ইমান অশান্তিকৰ পৰিবেশৰ মাজত থাকি পঢ়াশুনা কৰাটো বৰ সহজ কথা নহয়। দেউতাকে কেতিয়াবা দুপৰ নিশালৈকে মদ খাই গণ্ডোগোল কৰি থাকে। কেতিয়াবা চকী মেজ এইবোৰ ভাগে, কেতিয়াবা ভাত দলিয়াই দিয়ে। ফলত মাজনীৰ নিশা প্ৰায়েই টোপনি নহয়। এটা সময়ত নিশাটো নাহিলেই ৰক্ষা পৰে যেন বুলি মাজনী সাবিত্ৰীয়ে ভাবে। সিহঁতৰ বাবে যেন নিশাটো অহা আৰু হাতীটো অহা একেই কথা।

এদিন নিশা দোকান বন্ধ কৰি বন্ধু এজনৰ তালৈ ফুৰিবলৈ গৈ ঘৰ আহি পাওঁতে ডাঙৰ পুতেক বীৰেনৰ পলম হ'ল। বীৰেন কিয় ইমান সময়লৈ আহি পোৱা নাই তাকে লৈ দেউতাকে মাকক গালি পাৰিবলৈ ধৰিছে।

"তোমাৰ কাৰণে পুতেৰাহঁতে লাই পাইছে। ৰাতিলৈকে কত কি কৰে সি ? দোকানখন সি শেষ কৰি পেলালে, কোনো হিচাপ নাই, সি আৰু দোকানলৈ যাব নালাগে।"–মদনে নিৰন্তৰভাবে পুতেকক গালি পাৰি গ'ল। ইমানতো ক্ষান্ত নাথাকি বীৰেনৰ কোঠাত সোমাই মদনে বীৰেনৰ কাপোৰ কানি ঘৰৰ বাহিৰলৈ দলিয়াই পঠিয়ালে।

বীৰেনে ঘৰ পাই দেউতাকৰ কাণ্ড দেখি অবাক হ'ল। ঠিক অবাক হ'ল বুলি কব নোৱাৰি। কিয়নো নিশা যে দেউতাকে এই উপদ্ৰৱখন কৰিবই এই কথা বীৰেনে জানে, কিন্তু তাৰ কাপোৰ কানি দলিয়াই পেলাব বুলি ভবা নাছিল। ঘৰটোৰ ভিতৰতেই আটাইতকৈ ধৈৰ্যবান মানুহ বীৰেন। বীৰেনে তাৰ কাপোৰ কানি বোৰ বুটলি আনি জাৰি জোকাৰি পুনৰ ঘৰৰ ভিতৰলৈ আনিলে।

মদনে যে কেৱল মদ খোৱাৰ পিছতে পুতেকহঁতক গালি পাৰে সেয়া নহয়, পুৰণি বন্ধু- বান্ধৱ দুই-এজন গ'লে তেওঁলোকে মদনৰ ল'ৰা-ছোৱালীৰ খবৰ ললে মদনে কয় যে বৰ্তমান তাৰ ল'ৰা এটা ছোৱালী এজনী। যি সকলে মদনৰ দুটা ল'ৰা থকাৰ কথা জানে তেওঁলোকে সুধিলে কয় যে নৰেশৰ সৈতে মদনৰ কোনো সম্পৰ্ক নাই। খুড়ায়েকৰ সৈতে সি আছে বুলি কৈয়েই মদনে কথা শেষ কৰে। আকৌ বৰপুত্ৰ যে মানুহ নহ'ল সেইটো সকলোৰে আগত কয়। দেউতাকৰ অভিয়োগ যে এলেহুৱা স্বভাৱৰ বাবেই বীৰেনে জীৱনত একো কৰিব পৰা নাই। পঢ়াশুনাও কৰিব নোৱাৰিলে ব্যৱসায়ো শিকিব নোৱাৰিলে।

পৰেশ, বীৰেনহঁতৰ দূৰ সম্পৰ্কীয় মোমায়েক। পৰেশৰ ঘৰ শুৱালকুছিত। পৰেশ বীৰেনহঁতৰ স্কুলতেই পঢ়িছিল অৱশ্যে বীৰেনতকৈ দুবছৰে জ্যেষ্ঠ। বীৰেন যেতিয়া অষ্টম মানত তেতিয়া পৰেশে মেট্ৰিক পৰীক্ষা দিছিল। পৰেশ বীৰেনতকৈ ডাঙৰ হ'লেও বীৰেনৰ সৈতে বন্ধুৰ দৰেই আছিল। পৰেশহঁতৰ গুৱাহাটীৰ পাণবজাৰত কাপোৰৰ দোকান এখন আছে। দোকানখন পৰেশৰ দেউতাকেই চলায়। পৰেশ কেতিয়াবা কেতিয়াবা বীৰেনহঁতৰ ঘৰলৈ আহে। অমায়িক স্বভাৱৰ বাবে সাবিত্ৰীয়েও তাক নিজৰ ভায়েকৰ দৰেই মৰম কৰে। পৰেশে ইতিমধ্যে এম, এছ, চি পাছ কৰিলে। চাকৰিৰ বাবে অত তত চেষ্টা কৰি আছে। বীৰেনহঁতৰ পৰিয়ালটোৰ পৰিবেশ দেখি পৰেশে বীৰেনক বুজায় যে সি কিবাকৈ বি, এ, পৰীক্ষাটো দিব লাগে। এনেদৰে বহি থাকিলে যে নহ'ব সেই কথা সি বীৰেনক প্ৰায়েই কয়।

"কিনো কৰিম, পঢ়ি শুনিনো কি হ'ব ? জীৱনৰ একো অৰ্থয়েই নোহোৱা হৈছে।"–বীৰেনে পৰেশৰ আগত হতাশভাবে কয়। পৰেশে জানে যে বীৰেন বৰ হতাশ হৈ পৰিছে।

মাজনীয়ে প্ৰথম বিভাগত দুটা বিষয়ত ষ্টাৰ পাই মেট্ৰিক পৰীক্ষা পাছ কৰিলে। কিন্তু তাইৰ মনত বৰ দুখ–মেট্ৰিকৰ প্ৰথম দহোটা স্থানৰ ভিতৰত এটা স্থান মাজনীয়ে পাব লাগিছিল। সকলোৱে আশা কৰিছিল মাজনী ষ্টেণ্ড কৰিব; স্কুলতো আশা কৰিছিল। কিন্তু পৰীক্ষাৰ আগে আগে দেউতাক মদনে যি উৎপাত কৰিলে তাৰ ফলত তাই মানসিকভাবে চক্ খোৱাৰ দৰে হ'ল। ভয়তেই নিশা কেতিয়াবা সাৰ পাই উঠে।

মদনে দোকানৰ পৰা নিয়মিতভাবে বয়বস্তু যোগান ধৰা এটা চৰকাৰী বিভাগত বিচৰামতে বস্তু নিদিয়াৰ অভিযোগত কেবাখনো বিল বাতিল কৰিলে। মদনে বিষয়াৰ সৈতে মৌখিকভাবে কাজিয়াই কৰিলে। মদনৰ মতে সি সঠিক মানদণ্ডৰেই বস্তু যোগান ধৰিছিল। বিষয়াই কয় ওলোটাটো। বিবাদটো হয়তো শান্তিপূৰ্ণ ভাবে মিটমাট কৰিব পৰা গ'লহেঁতেন, পিছে মদনৰ ৰুক্ষ স্বভাৱটোৰ বাবে অবাঞ্ছিত ভাবেই বিষয়াজনক বহুতৰে আগত মদনে অপদস্থ কৰিলে। ফলস্বৰূপে বিষয়াই প্ৰতিশোধ পৰায়ণ হৈ দিলে বিল কেইখন বাতিল কৰি। সেই দিনাই নিশা মদনে গাৰ জ্বৰৰ পোতক বেৰৰ ওপৰত ললে। ঘৰলৈ আহি পোনে পোনে বীৰেনক গালি পাৰিবলৈ ধৰিলে। বোলে বীৰেনেহে চৰকাৰী বিভাগটোত আপত্তি কৰা বস্তুখিনিৰ যোগান ধৰিছিল। যদি বীৰেনে বয়বস্তু বুজি লোৱা ষ্টোৰ কিপাৰৰ পৰা ভালদৰে লিখাই ললেহেঁতেন যে ঠিকমতে বস্তুবোৰ পাইছে তেনেহলে আজি ইমান টকা লোকচান ভৰিব লগীয়া নহ'লহেঁতেন। উধাই মুধাই গালি পাৰি থকা দেখি বীৰেনৰ বহুদিনৰ পুঞ্জীভূত ক্ষোভ জড়তা ভাগি বিস্ফোৰিত হ'ল।

"মোক যে গালি পাৰি আছ, মই চোন ষ্টোৰ কিপাৰৰ পৰা চহী কৰাই আনিছো।"–সাধাৰণতে দেউতাকে গালি পাৰি থাকিলে মুখেৰে নমতা বীৰেনে সিদিনা উত্তৰ দিলে।

"কি কলি, মুখৰ মাত ফুটিছে এতিয়া তোৰ। নোচোৱাকৈ চহী কৰি আনিলেই হ'ব নেকি ? কি লিখিছে বস্তুৰ স্পেচিফিকেশ্যন লিখিছে নে নাই সেইবোৰ চাব নেলাগে নেকি ? কিহৰ লেখাপঢ়া শিকিছ।"–মদনে চিঞৰি চিঞৰি কলে।

"আগেয়ে সদায় যেনেদৰে চহী কৰাই আনো তেনেদৰেই আনিছিলো। আগেয়ে কেতিয়াও তো এনেবোৰ আপত্তি উঠা নাই ? মোক বকিলে কি হ'ব সেয়া তোৰ নিজৰেই ভুল।"–বীৰেনে দেউতাকৰ কথাৰ উত্তৰ দিলে।

বীৰেনে দেউতাকৰ 'ভুল হোৱা বুলি কোৱাৰ লগে লগে মদন জাঙুৰ খাই উঠিল। গ্লাছ, চকী, মেজ ভাগিবলৈ ধৰিলে। শেষত খঙৰ কোবত ৰব নোৱাৰি কেৰাচিন ঢালি ঘৰটোতে জুই লগাই দিলে।

"চব শেষ হৈ যা, নালাগে মোক এই ঘৰ সকলো ধ্বংস হওক। মোৰ ঘৰ, মই জুই লগাইছো মোক কোনে কি কৰিব পাৰে।" ......এনেদৰে মদনে অনৰ্গল বকি গ'ল। ইফালে সাবিত্ৰী বীৰেনহঁতে 'জুই' 'জুই' বুলি চিঞৰিবলৈ ধৰিলে। ওচৰৰ মানুহবোৰ ওলাই আহি পানী বালি মাৰি জুই নুমুৱালে, কিন্তু ঘৰটোৰ এটা কোঠালি আধাপোৰা হ'ল। ওচৰ চুবুৰীয়াই মদনক বুজালে, কিন্তু মদনক কোনেও বুজাব নোৱাৰে। শেষত ওচৰৰে প্ৰায় সত্তৰ বছৰ বয়সীয়া তিলক বৰুৱাই হাতত লাঠিডাল লৈ মদনৰ ফালে লাঠি টোঁৱাই কলে–"বৰ গৰম তেজ দেখুৱাইছা মদন বুঢ়া হ'লেও আমাৰো তেজ আছে বুজিছা, তোমাৰ লাজ নেলাগেনে এই পাপকাম কৰিবলৈ। ঘৰটো নিজেই বনালা বুলি জুই লগাই দিবা। তোমাৰ ল'ৰা ছোৱালী তিৰোতাৰ কি হ'ব ? বৰ প্ৰতাপ দেখুৱাই আছা। যদি তুমি আজিৰ পৰা আৰু কিবা গণ্ডগোল কৰা এই লাঠিৰ কোবত তোমাৰ প্ৰতাপ উলিয়াই দিম।"

তিলক বৰুৱা একাচেকা লোক। বুঢ়া হ'লেও এতিয়াও দপদপাই থাকে। বৰুৱা বৰ নিয়মমতে চলা লোক। সকলোৱে বুঢ়াক ভয় কৰে। বুঢ়াৰ কথা শুনি মদন চুপচাপকৈ ঘৰৰ ভিতৰলৈ সোমাই গৈছিল। এই ঘটনাৰ পিছদিনা দোকমোকালিতেই মদন দোকানলৈ গুচি গৈছিল যাওঁতে লগত মদনে বিছনাৰ কাপোৰ কানি লৈ গৈছিল। দোকানৰ পিছফালে এটা সৰু কোঠা আছে এই কোঠাটো সাধাৰণতে গুদাম ঘৰ হিচাপে ব্যৱহাৰ কৰা হয়। তাতেই অলপ ঠাই উলিয়াই মদন থাকিবলৈ ললে। দোকানত কাম কৰা ল'ৰাজনকো ৰাখিলে। সাবিত্ৰীয়ে কেইদিনমান টিফিন কেৰিয়াৰ এটাত ভাত পঠিয়াইছিল। প্ৰথম দিনা টিফিন কেৰিয়াৰটো ঘূৰাই পঠাইছিল আৰু তাৰ পৰা একো খোৱা নাছিল, দ্বিতীয় দিনা কিন্তু খাইছিল। দিচপুৰৰ পৰা দুবেলা মানুহ পঠিয়াই সদায়েই ভাত পঠোৱা সম্ভৱ নহয়। ফলত দুদিনমান পিছত দোকানৰ সেই কোঠাটোৰ ভিতৰতেই দোকানৰ ল'ৰাটোৰ হতুৱাই ভাত চাহ ৰন্ধাৰ ব্যৱস্থা কৰা

হ'ল। প্ৰায় এমাহমান মদন দোকানতেই আছিল। পিছত সাবিত্ৰীৰ অনুৰোধত এমাহমান পিচত মদন ঘৰলৈ উভতিল। ঘৰত মদন নথকা মাহটোত ঘৰলৈ বজাৰ কৰিবলৈ এপইচাও পঠিওৱা নাছিল। সাবিত্ৰীয়ে আটোম টোকাৰিকৈ অ'ৰ ত'ৰ পৰা বচাই জমা কৰা টকাৰে এমাহে ঘৰখন চলাইছিল। এই অৱস্থাতেই মাজনীয়ে মেট্ৰিক পৰীক্ষা দিবলগীয়া হৈছিল। মেট্ৰিক পৰীক্ষা আৰম্ভ হোৱাৰ দুদিন আগতেই ঘৰ জ্বলোৱা কাণ্ডটো হোৱাত মাজনীয়ে মনত শ্বক পাইছিল আৰু হয়তো তাৰেই ফলস্বৰূপেই তাই পৰীক্ষা মনপুতি দিব নোৱাৰিলে। পৰীক্ষাৰ ফলাফল ওলোৱাৰ পিছত মাজনীয়ে মনত আৰু বেছি আঘাত পালে। যি কেইজনী ছাত্ৰী তাইতকৈ স্কুলত পঢ়াশুনাত বহু পিছপৰা সিহঁতৰ ভিতৰৰ এজনীয়ে পৰীক্ষাত ষ্টেণ্ড কৰিলে। সেইবাবে মাজনীৰ মনটো আৰু মৰা।

এই ঘটনাটো ঘটাৰ পিছত বীৰেন আৰু দোকানলৈ যোৱা নাছিল। মদনেও প্ৰায় তিনিমাহ মান বৰ বেছি গণ্ডগোল কৰা নাছিল। লাহে লাহে মদনৰ পুনৰ আগৰ অৱস্থা ঘূৰি আহিবলৈ ধৰিলে। আগেয়ে মাজনীক মদনে কেতিয়াও গালি পৰা নাছিল। আজিকালি নিশা মদ খালে তাইক গালি নাপাৰিলেও তাইৰ কথা উল্লেখ কৰে। "ভাবিছিলো ছোৱালীজনীয়ে মোৰ মুখ উজলাব নাই তায়ো নোৱাৰিলে। কি যে মোৰ ভাগ্য হ'ল।"–মদনে মৃদুভাবে কয়।

কোনোদিনে দেউতাকৰ কথা নুশুনা মাজনী দেউতাকৰ সমালোচনাৰ সমুখীন হোৱাত তাইৰ মনটো একেবাৰে মৰি গ'ল। তাই জানে যে দেউতাকৰ বাবেই তাইৰ এই অৱস্থা। ঘৰটোৰ পৰিবেশ দেখি ঘৰত তাইৰ এক মিনিটো সময় থাকিবলৈ ইচ্ছা নাযায়। কিন্তু কি উপায় ল'ৰা মানুহ হ'লে অলপ চলপ বাহিৰলৈ গৈ মনটো পাতলাই আহিব পাৰি কিন্তু ছোৱালী হোৱা বাবে তাৰো উপায় নাই। পৰেশ বীৰেনহঁত ঘৰলৈ আহিলে সদায়েই পোনতে মাজনীৰ খবৰ কৰে। পৰীক্ষাৰ ফলাফল মনে বিচৰাৰ দৰে নোহোৱাৰ বাবে পৰেশে মাজনীক সান্ত্বনা দিয়ে। মাজনীয়ে পৰেশৰ আগত কান্দি কান্দি তাইৰ মনৰ অৱস্থাৰ কথা কয়।

লাহে লাহে পৰেশৰ মাজনীৰ প্ৰতি দুৰ্বলতা আহি পৰিছিল। সি জানে মাজনী তাৰ বয়সৰ তুলনাত বহু সৰু, গতিকেই পৰেশে সদায় তাৰ মানসিক দুৰ্বলতাৰ পৰা নিজকে মুক্ত কৰিবলৈ চেষ্টা কৰে। কাৰো আগত ঘূণাক্ষৰেও তাৰ এই দুৰ্বলতাৰ কথা পৰেশে প্ৰকাশ কৰা নাই। প্ৰকাশ কৰাৰ প্ৰশ্নও নাহে। আনহাতে পৰেশে জানে যে মাজনীয়ে তাক এনেয়ে বৰ ভাল পায়। কিন্তু তাইৰ সেই ভালপোৱা এক প্ৰকাৰৰ স্নেহ মাত্ৰ পৰেশৰ দৰে দুৰ্বলতা তাইৰ নাই। খুউব সম্ভৱ তেনেদৰে দুৰ্বল হোৱাৰ বয়সো তাইৰ হোৱা নাই। গতিকেই পৰেশৰ মনৰ দুৰ্বলতা বনফুলৰ দৰেই মনৰ হাবিতেই সুবাস বিলাই মৰহি গৈছিল।

আজিকালি বীৰেন প্ৰায় ঘৰতেই সোমাই থাকে। আবেলি কেতিয়াবা ওলাই যায় কেতিয়াবা নাযায়। এনেদৰেই দিনৰ পিছত দিন অতিবাহিত হয়। ৰাতিপুৱা সি সদায় দেৰিকৈ উঠে। অৰ্থাৎ দেউতাক মদন ওলাই যোৱাৰ পিছত। নিশা শোৱে দেউতাক শোৱাৰ পিছত। ৰাতিপুৱা শুই উঠিয়েই বীৰেনে ঘৰৰ চৌহদতেই খেতি-বাতিৰ কাম কৰে। ক'ৰবাত দুডাল ফুল, কৰবাত দুডাল জিকা, ভেন্দিৰ গছ লগাই গছবোৰৰ পিছতেই লাগি থাকি ৰাতিপুৱাটো অতিবাহিত কৰে। দেউতাকে ঘৰ জ্বলাই দিয়া ঘটনাৰ পিছৰ পৰা নিশা দেউতাকে যিমান যি গালি নাপাৰিলেও বীৰেন চুপচাপ হৈ থাকে। দেউতাকৰ সৈতে মুখে মুখে তৰ্ক কৰি পুনৰ অশান্তিকৰ পৰিস্থিতি এটিৰ সৃষ্টি কৰিব সি নোখোজে। মাক সাবিত্ৰীৰ পৰাই বীৰেনে দিনে চাৰি পাঁচ টকা লৈ যায়। সাবিত্ৰীৰ হাততো পইচা নাথাকে কিয়নো মদনে সাবিত্ৰীৰ হাতত এটা টকাও নথয়। টকা যি থাকে, হয় দোকান নহ'লে বেংকত। বাকী প্ৰতিদিনৰ খৰচৰ বাবে লাগতিয়াল টকা মদনৰ জেপতেই থাকে। সাবিত্ৰীয়ে প্ৰতি নিশা মদনৰ জেপৰ পৰা পাঁচ-দহ টকা উলিয়াই ৰাখে। তাৰ পৰাই সাবিত্ৰীয়ে পুতেকক পইচা দিয়ে। বীৰেনে আজিকালি সন্ধিয়া ওলাই গলে ক'ৰবাত চুলাই মদ খাই আহে। আগেয়ে সি কেতিয়াও মদ নাখাইছিল। মদৰ প্ৰতি তাৰ ঘৃণা আছিল। কাৰণ মদ খালেই দেউতাকৰ দৰে মাতাল অৱস্থা হয় বুলি সি ভাবিছিল। কিন্তু বীৰেনে প্ৰথম মদ সিদিনা খাইছিল যিদিনা দেউতাকে ঘৰত জুই লগাই দিছিল। ঘৰৰ জুই নুমোৱাৰ পিছত বীৰেন সন্তৰ্পণে ঘৰৰ পৰা ওলাই গৈছিল। মনতে সি ভাবিছিল যে দেউতাকে ঘৰত জুই লগোৱা বাবে বীৰেনেই দোষী। যদিহে বীৰেনে দেউতাকৰ মুখৰ ওপৰত কথা নকলেহেঁতেন তেনেহ'লে নিশ্চয় সেই কাণ্ড দেউতাকে নকৰিলেহেঁতেন। আনহাতে ওচৰ চুবুৰীয়া সকলোৱে ঘটনাটো গম পোৱা দেখি তাৰ বৰ লাজ লাগিছিল। সমগ্ৰ ঘটনাটো সাধাৰণ ঘটনা বুলি সি হজম কৰিব পৰা নাছিল। তাৰ মূৰটো আচন্দ্ৰাই গৈছিল। সেই মানসিক অৱস্থাৰ পৰা মুক্তি পাবৰ বাবে ওচৰৰ বস্তি এটাৰ চুলাইমদৰ দোকানলৈ সি গৈছিল। ইয়াৰ পিছৰ পৰাই কেতিয়াবা কেতিয়াবা বীৰেনে মনে মনে মদ খাই আহিছিল। কথাটো সাবিত্ৰীয়ে গম পোৱা নাছিল। এদিন সাবিত্ৰীয়ে ভাত দিবলৈ গৈ বীৰেনৰ মুখৰ পৰা মদৰ গোন্ধ পাই গোটেই নিশা উচুপি কান্দিছিল। সাবিত্ৰীয়ে ভাবিছিল যে দেউতাকক দেখি পুতেকহঁতে কেতিয়াও মদ নাখাব, কিন্তু বীৰেনও দেউতাকৰ পদাংক অনুসৰণ কৰা দেখি সাবিত্ৰীয়ে বৰ মনোকষ্ট পাইছিল। ৰাতিপুৱা মদন দোকানলৈ যোৱাৰ পিছত সাবিত্ৰীয়ে বীৰেনক কৈছিল ঃ

"অৱশেষত তয়ো দেউতাৰৰ লাইনটোকে ললি। ভাবিছিলো ভাল হবি, নাই হ'ব নোৱাৰিলি।"

মাকে কি কৈছে পোনতে বীৰেনে বুজা নাছিল। সেই বাবে বীৰেনে মাকৰ ফালে হতভম্ভ হৈ চাই কৈছিল ঃ

"তই কি কব বিচাৰিছ, মই বুজা নাই। তই এইবোৰ কি বকি আছ ?"

"মোক ফাকি নিদিবি বীৰেন। ৰাতি তই কি খাই আহিছিলি। ভাবিছ নেকি মই একো নাজানো।"–মাকে অলপ ধমকিৰ সুৰেৰে কথাষাৰ কলে।

মাকৰ কথা শুনি বীৰেনৰ সকলো মনত পৰি গ'ল। মাকৰ কথাৰ কোনো উত্তৰ নিদি সাজ পাৰ পিন্ধি বীৰেন সাউৎকৰে ওলাই গ'ল। মদ খোৱা কথা জনাত মাকে দুখ কৰা দেখি বীৰেনৰ মনত অপৰাধবোধ হ'ল। মাকৰ প্ৰতি তাৰ নিজৰেই সহানুভূতি জাগিল। সাবিত্ৰীয়েনো জীৱনত কি পালে, কেৱল দুখেই দুখ। তাইক পুনৰ দুখ দিয়াৰ অধিকাৰ পুতেকহঁতৰ আছে জানো ? বীৰেনে মনৰ ভিতৰতেই কথাষাৰ গমি চালে। সিদিনাৰ পিছৰ পৰাই বীৰেনে মদ খোৱা বাদ দিলে। মদ খোৱা বাদ দিলে সঁচা, কিন্তু বীৰেনৰ প্ৰায়েই নিশা টোপনি নাহে। ডাক্তৰক দেখুওঁৱাত ডাক্তৰে কেইটামান টোপনি অহা দৰৱ দিলে। টোপনিৰ দৰৱ খালে টোপনি আহে কিন্তু নেখাবৰ দিনা টোপনি নাহেই। শেষত চিনাকি ফাৰ্মাছী এখনৰ পৰা বীৰেনে প্ৰায়েই ডায়জেপাম টেব্লেট কিনি খাবলৈ ধৰিলে।

আহি আহি মদনৰ প্ৰায় ত্ৰিশ বছৰ বয়স হ'ল। কৰিবলৈ একো নাই ভৱিষ্যত বোলা তাৰ একো নাই। পঢ়াশুনা কৰিবও নোৱাৰিলে, ব্যৱসায় কৰাও নহ'ল। যেনেদৰে ডাঙৰ দীঘল হৈছে এতিয়া যি কোনো কাম কৰিবও নোৱাৰে বীৰেনে। অথচ প্ৰতিনিশাই দেউতাকৰ গালি। বহি বহি দেউতাকৰ আয়ৰ ওপৰত খাই থকা বাবেই দেউতাকে প্ৰতিনিশাই ঘৰৰ পৰা ওলাই যাবলৈ কয়। বীৰেনৰ ক'ৰবালৈ গুচি যাবলৈ মন যায়। কিন্তু কলৈ যাব, ক'ৰবালৈ গলেই সি তাত কি কৰিব, কোনে কাম দিব। তাতে সি ইমান চালু ল'ৰা নহয় যে কাম উলিয়াই ল'ব পাৰিব। বীৰেনে ভাবে ইমান বেদনা সহ্য কৰাৰ বাবে সি পৃথিৱীত জন্ম পালে কিয় ? দেউতাকৰ ঘৰত থকাৰ বাবে দেউতাকৰ আয়ৰ পৰা খাই থকা বাবে প্ৰতিদিনে গালি শুনিব লগীয়া হৈছে। বীৰেনে জানো পৃথিৱীত জন্ম লবৰ বাবে দেউতাকৰ ওচৰত দৰখাস্ত দিছিল, নে অনুনয় বিনয় কৰিছিল ? তেনেহলে দেউতাকে তাক এই শাস্তি দিছে কিয় ?

শেষত বীৰেনে এদিন সিদ্ধান্ত ললে যে এইঘৰ সি এৰি যাবই লাগিব। শান্তি সি বিচাৰি উলিয়াবই লাগিব। এনেদৰে প্ৰতিদিনে অবুজ যন্ত্ৰণা সি সহ্য কৰি থাকিব নোৱাৰে। নহলে আন উপায় আৰু নাই তাৰ। মুক্তিৰ সন্ধানত বীৰেন উত্ৰাৱল হৈ উঠিল। কথামতেই কাম।

নিশা বীৰেনৰ কোঠাত ভাত দিবলৈ গৈ দেখে বীৰেনৰ কোঠা বন্ধ। সাধাৰণতে দেউতাক শোৱাৰ পিছতেই বীৰেনে ভাত খায়। ইমানবোৰ গালি শপনি শুনি ভাত খাব নোৱাৰি। এই ভাত কেইটা খোৱাৰ বাবেই বীৰেনক মদনে গালি পাৰে। গতিকে ইমান কষ্ট সহ্য কৰি খোৱা ভাত কেইটা শান্তিত খাবলৈ বীৰেনে দেউতাক শোৱাৰ পিছতহে ভাত খায়, লাগিলে যিমান ৰাতি নহওক কিয়। এনেয়ে নিশা বীৰেনৰ টোপনি নাহেই। দুৱাৰখন বন্ধ দেখি মাকে কেবাবাৰো দুৱাৰত টুকুৰিয়ালে। বেছি জোৰকৈ শব্দ কৰিলে জানোছা মদনৰ টোপনি ভাগে সেই ভয়তে সাবিত্ৰীয়ে লাহে লাহে কেবাবাৰো দুৱাৰত টুকুৰিয়ালে। পিছে বীৰেনৰ কাণসাৰ নাই। ভিতৰত লাইটো জ্বলি আছে। তেনেহলে বীৰেনে বাৰু আজিও মদকে খাই আহিছে নেকি ? মাকে গালি দিয়াৰ পিছত সিতো মদ খাই অহা মাকে গম পোৱা নাই। তেনেহলে সি শুই গ'ল নেকি ? মাক সাবিত্ৰীয়ে ভাবে। অৱশেষত কোঠাটোৰ ভিতৰত সি শুই আছে নে ইচ্ছাকৈয়ে মাতবোল দিয়া নাই সেইটো চাবলৈ বুলি কোঠাটোৰ পিছফাললৈ গৈ খিৰিকিৰ ফাঁকেৰে চাবলৈ গৈ দেখে পৰ্দাবোৰ টানি থোৱা আছে, আটাইকেইখন খিৰিকি বন্ধ। শেষত চকী এখন আনি তাৰ ওপৰত টুল এখন জোৰা দি ভেণ্টিলেশ্যনেৰে কোঠাটোৰ ভিতৰলৈ চাবলৈ বুলি মাজনীক পাচিলে। মাজনীয়ে ভেণ্টিলেশ্যনেৰে জুমি চায়েই বিকট চিঞৰ মাৰি টুলখনৰ পৰা জঁপিয়াই নামি পৰিল। কি হ'ল বুলি কেবাবাৰো সোধা সত্ত্বেও মাজনীয়ে প্ৰায় বহু সময় খোনাই থাকি শেষত কিবাকৈ কলে–"দাদা ওলমি আছে।"

মাক-জীয়েকৰ চিঞৰ শুনি ওচৰৰ মানুহবোৰ দৌৰি আহি দুৱাৰ ভাগি চিলিঙৰ পৰা বীৰেনক নমালে। ওচৰত থকা ডাক্তৰ এজনক লগে লগে মাতি আনিলে। ডাক্তৰে বীৰেনক পৰীক্ষা কৰি চাই কলে যে বীৰেনৰ নহলেও আধাঘণ্টা আগেয়ে মৃত্যু হৈছে। ইতিমধ্যে ঘৰখনত হুৱা দুৱা লাগিল। ইমান হুৱাদুৱাৰ মাজতো মদন বহু পৰলৈকে সাৰ পোৱা নাছিল। মদনে সাৰ পাই হুৱাদুৱা শুনি আৰু ঘৰৰ ভিতৰত মানুহ ভৰি পৰা দেখি আচৰিত হ'ল। চুবুৰীয়াৰ দুজনমান মদনৰ ওচৰলৈ আগবাঢ়ি গ'ল। "কি হৈছে, মই একো বুজিব পৰা নাই।"–মদনে কলে।

মানুহ দুজনে কি কব কি নকব ভাবিকে নাপালে কেৱল মদনক গাত ধৰি বিছনাত বহুৱাই দিলে।

"মোৰ ঘৰখনত কি হৈছে মোক আপোনালোকে নকয় কেলেই ? মই জানো অঘটন ঘটিছে, মই যি কোনো অঘটন চম্ভালিব পাৰো, আপোনালোকে মোক কওক।"–মদনে উত্ৰাৱল হৈ কলে।

"বীৰেনে চিপজৰি লগাই আত্মহত্যা কৰিলে।"–এজন চুবুৰীয়াই নিৰ্মম ভাবে ঘোষণা কৰিলে। মদন থৰ পৰি ৰ'ল। মদনে মনৰ প্ৰতিক্ৰিয়া মনতে মাৰ খেদাই স্বাভাৱিক হৈ থাকিবলৈ চেষ্টা কৰিলে। সম্ভৱত মদন দেখাত স্বাভাৱিক হৈয়ো আছিল। মদনে চুবুৰীয়া লোকসকলক বহিবলৈ কৈ উঠিব বিচাৰিলে। ওচৰত বহি থকা মানুহজনে মদনক টানি ৰাখিলে।"

"আপুনি বহি থাকক একো চিন্তা কৰিব নালাগে। মাকহঁতক ওচৰৰ মানুহ কেইজনীমানে সান্ত্বনা দি আছে। সাবিত্ৰী আৰু মাজনীয়ে তেতিয়াও বৈ বৈ চিঞৰি চিঞৰি কান্দি আছিল। পিছদিনা পুৱা পুলিচ থানাত ৰিপোৰ্ট দি বিধিমতে পোষ্টমৰ্টেম কৰা হ'ল আৰু দুপৰীয়া বীৰেনৰ সৎকাৰ সম্পন্ন হৈ গ'ল। নিশাতেই খবৰ পাই পৰেশ মদনহঁতৰ ঘৰ ওলাল। নিশাতেই গাঁৱলৈ গাড়ী ভাৰা কৰি মোহনহঁতক খবৰ দিবলৈ মানুহ পঠিয়ালে। খবৰ পাই মোহন বুঢ়া-বুঢ়ী আৰু নৰেণ সৎকাৰৰ আগে আগে গুৱাহাটী আহি পালে। গুৱাহাটীৰ ঘৰ পায়েই বুঢ়া-বুঢ়ী মোহন আটায়ে হুৰাহুৰে কান্দিবলৈ ধৰিলে। ব্যতিক্ৰম কেৱল নৰেণ। নৰেণ বাস্তৱবাদী মানুহ। সি ইমান সহজতে ভাগি নপৰে। সৎকাৰলৈ লৈ যোৱা সময়ত আনকি মদনৰ দুগালেদি নীৰৱে চকু পানী ওলাইছিল; অৱশ্যে নিঃশব্দে। নৰেণে সকলোকে সান্ত্বনা দিছিল। বীৰেনৰ সৎকাৰ কৰি ঘৰলৈ ওভতাৰ পথত নৰেণৰ মনটোৱে হাহাকাৰ কৰি উঠিছিল। তথাপি বাহিৰত সেই হেন্দোলনি প্ৰকাশ পোৱা নাছিল।

বীৰেনৰ মৃত্যুৰ পিছদিনা পোনপ্ৰথমবাৰৰ বাবে মদনৰ ঘৰত ঘৰৰ আটাইবোৰ মানুহ সুদীৰ্ঘ কেবাবছৰৰ মূৰত লগ খাইছিল। বীৰেনৰ মৃত্যুৱেই এই মিলন ঘটাইছিল।

নৰেণে জানিছিল ককায়েক বীৰেনৰ মৃত্যুৰ কাৰণ। সি এবাৰ বহুদিন আগেয়ে ককাকক কৈছিল–যে দেউতাকৰ সৈতে তেনেদৰে থাকিলে বীৰেন এদিন আত্মঘাতী হ'ব লাগিব। নৰেণৰ কথাত ককাকে ধমকি দিছিল এনে অমঙ্গলীয়া কথা কব পায় নেকি বুলি। বীৰেনৰ মৃত্যুত বৃদ্ধ ককাকে নীৰৱে চকুলো টুকি সিদিনা নৰেণে কোৱা কথাষাৰ সুৱৰিছিল। নৰেণহঁতৰ সৰল আইতাকে এই কথা শুনি নৰেণক কৈছিল–'তই যদি জানিছিলিয়েই এনে হ'ব বুলি কিয় আগতীয়াকৈ নকলি ? আইতাকৰ কথা শুনি দুখৰ মাজতো নৰেণৰ মুখত বিদ্ৰূপাত্মক হাঁহি এটি বিৰিঙি উঠিছিল।–"কাক কম কোনে পতিয়াব। মইতো ককাক কৈছিলোৱেই। ককাই অমঙ্গলীয়া কথা বুলি মোৰ মুখত সোপা দিলে। জানিলেই বা কোনেনো বীৰেনদাক এই পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰিলেহেঁতেন।"–এইবুলি কৈ হুমুনিয়াহ কাঢ়ি নৰেণ আঁতৰি গৈছিল। নৰেণৰ মনত এনেভাব হৈছিল সি যেন কুৰুক্ষেত্ৰ যুদ্ধৰ কৃষ্ণৰ দৰে, কি হ'ব সি জানে কিন্তু যি হ'ব তাক ৰোধ কৰিব নোৱাৰে। বীৰেনে নিজেও হয়তো জানিছিল যে তাৰ শেষ পথ হ'ব মৃত্যুৱেই। আমি জানো ভৱিষ্যত কোনফালে গতি কৰিছে, কিন্তু আমি জনাটোৱেই ভৱিষ্যতক ৰোধ কৰিব নোৱাৰে। কলিন মেককুলাগ নামৰ ইংৰাজ ঔপন্যাসিক গৰাকীয়ে 'দ্য থৰ্ন বাৰ্ড' নামৰ উপন্যাসত উপন্যাসখনৰ নামটো সম্পৰ্কত উপন্যাসখনত উল্লেখ কৰিছে যে কেল্টিক ৰূপকথাত উল্লিখিত বুকুত কাঁইট থকা চৰাইটোৱে গান গাই গাই হৃদযন্ত্ৰটো বুকুৰ কাঁইটতে বিন্ধি নিজেই মৃত্যু সাবটি লয়। চৰাইজনীয়ে জানে তাই মৰিবই তথাপি তাই গান গাবই। বীৰেন যেন কেল্টিক ৰূপকথাৰ সেই বুকুত কাঁইট থকা চৰাইজনীৰ দৰে যাক এই সমাজখনে চিঞৰি চিঞৰি গাবলৈ বাধ্য কৰাইছে, বাধ্য কৰাইছে আত্মহত্যা কৰিবলৈ।

বীৰেনৰ বাবে মৃত্যুতকৈ তাৰ জীৱনটো অধিক ভয়াবহ হৈ উঠিল। সেইবাবেই সি চিৰশান্তিৰ তিৰুস্থত পথটো বাছি ললে। কবি চুইনবাৰ্নৰ ভাষাত ঃ

......"জীৱনৰ দুৱাৰডলিত
শ্বাস প্ৰশ্বাসৰ নঙলামুখত
খাপ লৈ ৰৈ থাকে
মৃত্যুতকৈও ভয়ানক দুৰ্যোগ।"......

সেয়েহে এনেদৰেই বীৰেনে তাৰ মুক্তিৰ পথ উলিয়াই লৈছিল।

## তৃতীয় খণ্ড

বহু বছৰৰ মূৰত মোহন আৰু মদনৰ মুখামুখী হৈছিল। মদনে মনে মনে ভাবিছিল যে মোহন যদি এতিয়া গাঁৱৰ পৰা গুচি আহি আগৰ দৰেই তাক ব্যৱসায়ত সহায় কৰিলেহেঁতেন নিশ্চয় ঘৰখন অলপ থানথিত লাগিলহেঁতেন। মোহনক মদনে স্পষ্টভাবে তাৰ মনৰ ভাব খুলি নকলেও মোহনে ককায়েকৰ মনোভাব বুজিব পাৰিছিল। কিন্তু ইমান বছৰৰ মূৰত বিশেষকৈ গাঁৱত মোহন প্ৰতিষ্ঠা হোৱাৰ পিছত পুনৰ চহৰলৈ আহিব নোৱাৰে। শিক্ষক হিচাপে মোহনৰ যথেষ্ট কৃতিত্ব হৈছে। যোৱা মাহত স্কুলৰ প্ৰধান শিক্ষকজন অৱসৰ লোৱাত মোহনে প্ৰধান শিক্ষকৰ দায়িত্বও পাইছে। গতিকে এনে অৱস্থাত স্কুলখন এৰি আহিব নোৱাৰি। ককায়েকক সি সহায় কৰিব খোজে কিন্তু উপদেশ আৰু দূৰৈৰ পৰা চোৱাচিতাৰ কৰাৰ বাদে অন্য ধৰণে মোহনে ককায়েকক সহায় কৰাৰ উপায় নাই। অৱশ্যে মোহনে নৰেণক কৈ চাব পাৰে, যদি সি গুৱাহাটীলৈ দেউতাকক সহায় কৰাৰ বাবে আহে তেনেহলে তাৰ আপত্তি নাই।

নৰেণ এতিয়া এক পূৰঠ অন্য ধাতুৰে গঢ়া যুৱক। বি, এছ, চি পাছ কৰাৰ পিছত তাৰ ইচ্ছা অনুযায়ী আইন কলেজত নাম লগালে। এল, এল, বি পৰীক্ষাতো প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লৈ পাছ কৰি সকলোকে আচৰিত কৰিলে। এতিয়া সি আইনৰ স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি আছে। মোহনে জানে যে পঢ়াশুনা এৰি নৰেন গুৱাহাটীলৈ আহিবলৈ নিবিচাৰিব!

অৱশ্যে ইচ্ছা কৰিলে সি গুৱাহাটীতো পঢ়িব পাৰিব। কিন্তু দেউতাকৰ সৈতে কিমানদূৰ সি চলিব পাৰিব সেইটো মোহনৰ সন্দেহ। বীৰেনৰ শেষকৃত্য হৈ যোৱাৰ পিছত গুৱাহাটীত থাকোতেই মোহনে নৰেণক গুৱাহাটীলৈ আহি দেউতাকক ব্যৱসায়ৰ কামত সহায় কৰাৰ কথা কলে। নৰেণে একেচাটেই গুৱাহাটীলৈ আহি ব্যৱসায় নকৰো বুলি কলে। মানুহে সদায়েই দুখ কৰি নাথাকে। দুখ যেন ক্ষন্তেকীয়াহে। নহলে মানুহৰ অতি প্ৰিয়জন ঢুকালেও কেইদিনমানৰ ভিতৰতেই মানুহ পুনৰ স্বাভাৱিক হৈ দৈনন্দিন জীৱন যাপন কৰে কিয়? চাৰিদিন পিছত বুঢ়া বুঢ়ী মোহন নৰেণ আটায়ে গাঁৱলৈ উভতিল। মদনেও কেইদিনমানৰ ভিতৰতেই স্বাভাৱিকভাবে ব্যৱসায়ৰ কামত নামি পৰিল। ব্যৱসায় বুলিবলৈ মদনৰ এতিয়া দোকানখনহে আছে। অন্যান্য ঠিকাদাৰী চাপ্লাই ইত্যাদি কাৰবাৰ সি প্ৰায় বাদ দিছে। আগৰ দৰে দোকানৰ বিক্ৰীও নাই। দোকানৰ মূলধনো লাহে লাহে কমি আহিছে। এই অৱস্থাত মোহন নাহিলেও নৰেণে দেউতাকৰ সৈতে আহিব বুলি মদনে আশা কৰিছিল। সাবিত্ৰীয়েও সৰুপুতেক নৰেণক বৰকৈ কৈছিল। গুৱাহাটীলৈ আহি দেউতাকৰ ব্যৱসায় চলোৱাৰ বাবে। নৰেণে কিন্তু কলে যে ব্যৱসায় তাৰ বস্তু নহয়, সি ব্যৱসায় কৰিব নোৱাৰে। আইনত স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পিছতহে সি অন্য কথা চিন্তা কৰিব। সাবিত্ৰীৰ মুখৰ পৰা মদনে নৰেণৰ মনোভাবৰ কথা গম পাইছিল আৰু মনে মনে নিজকে বৰ পৰিত্যক্ত অনুভৱ কৰিছিল। মোহন, বুঢ়াবুঢ়ী আৰু নৰেণে মদনক মাত লগাই গাঁৱলৈ উভতি যাবৰ দিনা নওলামুখলৈ সিহঁতক আগবঢ়াই দি মদনে হতাশভাবে কৈ উঠিছিল–

"এই পৃথিৱীত সকলোৱে অকলে আহে আৰু অকলে যায়।"

মদনৰ কথাষাৰৰ ভিতৰত নিহিত হৈ থকা আক্ষেপৰ কথা মোহন আৰু নৰেণেও বুজি পাইছিল কিন্তু কাৰো একো উপায় নাই। দেউতাকৰ কথা শুনি নৰেণৰ কবৰ মন গৈছিল–"তোৰ কথাষাৰ সঁচা দেউতা, কিন্তু তই বৰ বেছি অকলশৰীয়া হলি, নিজৰ বাদে আনৰ কথা উপলব্ধি কৰিবলৈ পৰাহেঁতেন তই আজি ইমান অকলশৰীয়া নহলিহেঁতেন।" কিন্তু নৰেণে মুখ ফুটাই একো নকলে।

নৰেণ এতিয়া এজন কমিউনিষ্ট, অন্ততঃ তাক সমগ্ৰ অঞ্চলটোত সেই বুলিয়েই জানে। প্ৰফেছাৰ অনিৰুদ্ধ বৰুৱাই নৰেণৰ মূৰটো খালে বুলি সকলোৱে কয়। বৰুৱা অৱশ্যে কোনো দলৰ সদস্য নহয়, কিন্তু বিভিন্ন সময়ত বিভিন্ন কমিউনিষ্ট দলক সমৰ্থন কৰে, মাজে মাজে মিটিঙলৈও যায়। প্ৰফেছাৰ অনিৰুদ্ধ বৰুৱাৰ সৈতে কমিউনিষ্ট পাৰ্টিৰ মেল মিটিঙলৈ নৰেণো যায় কেতিয়াবা কেতিয়াবা। কেবাখনো মিটিঙত নৰেণে বক্তব্যও ৰাখিছে। বক্তা হিচাপেও যে নৰেণৰ তুলনা নাই সেই কথা ইতিমধ্যে প্ৰমাণিত হৈ গৈছে। খুড়াক মোহনে প্ৰথমতে নৰেণক এইদৰে মেল মিটিঙলৈ গৈ ৰাজনীতিৰ সৈতে জড়িত নহবলৈ কৈছিল। নৰেণে কৈছিল যে ৰাজনীতি পৰিহাৰ কৰি চলা মানেই এচাম সুবিধাবাদীৰ ৰাজনীতি নীৰৱে সহি যোৱা। নৰেণৰ মতে সি কোনো ৰাজনৈতিক দলৰ সৈতে প্ৰত্যক্ষভাবে তেতিয়াও জড়িত হোৱা নাই, কিন্তু তাৰ আদৰ্শ সাম্যবাদ আৰু প্ৰয়োজন হলে কোনো ৰাজনৈতিক দলত সি যোগ দিবও পাৰে। খুড়াক মোহনে জানে যে যুক্তি তৰ্কৰে নৰেণক আজিকালি সেও মনোৱা টান। তথাপি সতৰ্ক কৰা প্ৰয়োজন বুলিয়েই নৰেণক সতৰ্ক কৰি দিছিল।

ডাঙৰ পুতেকৰ মৃত্যু হোৱাৰ পিছত মদনে বহুদিন গণ্ডগোল নকৰাকৈ তাপ মাৰি আছিল। ইফালে দোকানখনৰ অৱস্থা লাহে লাহে অৱনতি হোৱাত মদনৰ ওপৰত মানসিক চাপ পৰিছিল। টকা পইচা নাথাকিলেও মদনৰ পৰিকল্পনা অশেষ। গুৱাহাটীৰ মাটি ডোখৰত এখন ডাঙৰ পাঁচতাৰকাযুক্ত হোটেল কৰাৰ আঁচনি মদনৰ আছে। ইতিমধ্যে হোটেল খোলাৰ ক্ষেত্ৰত চৰকাৰে কিমান পৰিমানে ঋণ দিয়ে, বা অন্যান্য কি কি সা-সুবিধা আগবঢ়াব সেইবোৰৰ খবৰ মদনে লৈ থৈছে। আনহাতে মদনৰ চিমেন্ট কাৰখানা এটা খোলাৰো মন। মন বহু, কিন্তু ধন আৰু জন মদনৰ নাই। মদনে কেতিয়াবা পুৰণি বন্ধু বান্ধৱ দুই এজনক লগ পালে কয়,–

"মই বহু কিবাকিবি কৰিব পাৰিলোহেঁতেন কিন্তু মোৰ নিজা মানুহ নাই।"

মদনৰ মদ খোৱাটো বঢ়া নাই যদিও আগৰ দৰেই আছে। বীৰেনৰ মৃত্যুৰ পিছত এমাহমানলৈকে মদনে মদ খাই গণ্ডগোল কৰা নাছিল। দিন যোৱাৰ লগে লগে মদনে গালি গালাজ পাৰিবলৈ আৰম্ভ কৰিলেও আগৰ দৰে উজ্ৰওালি নাই। ঘৰত গালি পাৰিবলৈ মানুহ ক'ত? সাবিত্ৰী আৰু কাম কৰা ল'ৰা নগেন। কাকো নাপালে সিহঁত দুইটাকে গালি পাৰে। নৰেণৰ ওপৰত দেউতাকৰ ক্ষোভ বেছি। মদনে ভাবিছিল নৰেণ গাঁও এৰি দেউতাকক সহায় কৰিবলৈ গুৱাহাটীলৈ আহিব, কিন্তু নৰেণে নহা দেখি আজিকালি নিশা মাজে মাজে নৰেণকেই গালি পাৰে।

"নৰেণ কমিউনিষ্ট বৰ ডাঙৰ মানুহ হৈছে। উকিল হৈছে। তই ডাঙৰ মানুহ হলি মোৰ কি হ'ল। মই তোৰ খাইছো নে পিন্ধিছো।"– মদনে এনেদৰে অকলে অকলে বকি থাকিলে সাবিত্ৰীয়ে আহি কেতিয়াবা কয়–ঘৰত নথকা ল'ৰাটোক গালি পাৰি কি লাভ, আপুনি মনে মনে থাকক চোন।"

"ও তোমাৰ পুতেৰক গালি পাৰিলে তোমাৰ গাত লাগে। লাগিবতো, কিয় নালাগিব।" মদনে সাবিত্ৰীক বিদ্ৰূপেৰে এনেদৰে কয়।

আগৰ উজ্ৰওালি নাথাকিলেও মদনৰ বকা স্বভাৱটো আছেই। ভালদৰে কাকো গালি পাৰিব নোৱাৰিলে যেন মদনৰ শান্তিত টোপনিয়েই নহয়। গালি পৰাটো যেন মদনৰ প্ৰতিদিনৰ মানসিক খাদ্য। লাহে লাহে মদনে কাকো গালি পাৰিব নাপালে মাজনীকো গালি পাৰে, অৱশ্যে নৰম সুৰত। গালি পাৰিবলৈ মদনৰ অজুহাতৰ অভাৱ নহয়। মেজৰ ওপৰত কিয় ধূলি পৰি আছে, ভালদৰে কিয় মুচিব পৰা নাই তাকো লৈও মদনে মাজনী বা সাবিত্ৰীক গালি পাৰে।

বীৰেনৰ মৃত্যুৰ পিছত মাজনীয়ে চক খোৱাৰ দৰে হ'ল। জন্মৰে পৰা তাই নিজৰ ঘৰৰ মানুহৰ মৃত্যুৰ অভিজ্ঞতা পোৱা নাই। আনকি তাই ইমানদিনে মৰা মানুহ দেখা নাই। জীৱনত তাইৰ প্ৰথম মৰা মানুহ দেখাৰ অভিজ্ঞতা হ'ল, সিও নিজৰ ককায়েকৰ মৃতদেহ চায়েই তাই সেই নিৰ্মম অভিজ্ঞতা আহৰণ কৰিবলগীয়া হ'ল। ঘৰখনৰ পৰা ওলাই ক'ৰবালৈ যাবলৈ তাইৰ ইচ্ছা যায়। কিন্তু ছোৱালী এজনী অকলে অকলে কলৈ ওলাই যাব পাৰে। তাই ভাবে তাই যদি ল'ৰা হ'লহেতেন তেনেহলে প্ৰতিদিনে ককায়েকৰ দৰে এই পৰিবেশত চকুমুদি নাথাকিলেহেঁতেন মাজনীৰ মনত ভয় সোমাবলৈ ধৰিলে। নে তায়ো এদিন ককায়েকৰ পথ বাছি লবলৈ বাধ্য হ'ব। আগৰ দৰে তাইৰ স্বাস্থ্যৰ উজ্জ্বলতা নোহোৱা হ'ল। আটাইতকৈ ডাঙৰ ভয় যদিহে তাই পৰীক্ষাত ভাল কৰিব নোৱাৰে যদিহে এইবাৰো মেট্ৰিক পৰীক্ষাৰ দৰে তাইতকৈ কম চোকা ছোৱালীবোৰে তাইক পিছ পেলাই আগবাঢ়ি যায় তেনেহলে তাই কোন সতে নাক উলিয়াব। মাজনী নিশ্চিত হৈছে আৰু তাইৰ মনত এনে এটি বদ্ধমূল ধাৰণাই ঠাই লৈছে যে এইখন ঘৰত থাকিলে পৰীক্ষাত কেতিয়াও তাই ভাল ফল পাব নোৱাৰে। পৰীক্ষাতেই যদি তাইৰ ভাল নহয় তেনেহলে জীয়াই থাকি তাইৰ লাভ কি?

বীৰেনৰ মৃত্যুৰ পিছত পৰেশ কেইদিনমান সঘনাই বীৰেনহঁতৰ ঘৰলৈ অহা যোৱা কৰিছিল। সাবিত্ৰীহঁতেও পৰেশক ঘৰুৱা লোক বুলিয়েই গণ্য কৰিছিল। পৰেশে মাজনীৰ মনৰ কথা বুজি পাইছিল। সেয়েহে ইটো সিটো সোধাৰ ছলেৰে মাজনীৰ মনৰ বতৰা পাবলৈ চেষ্টা কৰিছিল। মাজনীয়েও মনৰ কথা কাকো কবলৈ নেপাই উকমুকাই আছিল। পৰেশৰ পৰা অনুপ্ৰেৰণা পাই তাই পৰেশক তাইৰ মানসিক অৱস্থা-আৰু শংকাৰ কথা কলে। তাই পৰেশক কিবা এটা উপায় দিবলৈ কলে।


"তুমি কাৰোবাৰ সৈতে বিয়া হৈ যোৱা।"–পৰেশে কলে।

"কি পাগলৰ দৰে কথা কৈছে আপুনি পৰেশদা?"–মাজনীয়ে পৰেশৰ কথাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কলে।

"ছোৱালী মানুহ ঘৰৰ পৰা বাহিৰত অকলে কেনেকৈ থাকিবা।"– পৰেশে কলে।

"সেইবুলি এই বয়সত বিয়া হ'ব পাৰি জানো?"–মাজনীয়ে সুধিলে।

"বিয়া হ'ব কিয় নোৱাৰি পাৰি। অৱশ্যে হোৱা উচিত নিশ্চয় নহয়। পিছে এদিনতো হ'বই লাগিব।" পৰেশে উত্তৰ দিলে।



"বি, এছ, চি পাছ নকৰালৈকে মইতো কলেজ হোষ্টেলতো থাকিব পাৰো, আপুনি মোক হোষ্টেলৰ চীট এটাৰ ব্যৱস্থা কৰি দিয়ক না।"– মাজনীয়ে কলে।

"কিন্তু ঘৰত তোমাক হোষ্টেলত থাকিব দিব জানো?" পৰেশে সুধিলে।

"আপত্তি কৰিব পাৰে, কিন্তু মই কিবাকৈ অনুমতি আদায় কৰি লম, আপুনি হোষ্টেল চীটৰ ব্যৱস্থা কৰক।"–মাজনীয়ে কলে।

"মই চেষ্টা কৰি চাওঁ।"–এইবুলি কৈ পৰেশ গ'লগৈ।

প্ৰথমৰে পৰা হোষ্টেল চীট বিচাৰিলে নিশ্চয় পোৱা হ'লহেঁতেন কিন্তু এতিয়া আৰু হোষ্টেল চীট খালী সাধাৰণতে নাথাকে। তথাপি পৰেশে খবৰ ললে। ইফালে মাজনীয়ে হোষ্টেলত থাকিবলৈ ইচ্ছা কৰিছে বুলি শুনি সাবিত্ৰীয়ে সেই কথাত শান্তি নহ'ল যদিও জীয়েকৰ কাতৰ অনুৰোধত মাকৰ হিয়া গলিল। কিন্তু মদনে কোনোপধ্যে মাজনীক হোষ্টেলত থাকিবলৈ নিদিয়ে। হোষ্টেলত থাকিব বুলি শুনি মদন গুজৰি উঠিল।

"নিজৰ ঘৰ থাকোতে কিয়, হোষ্টেলত থাকিব লাগে। তাই ইয়াত কি অসুবিধা পাইছে। মোৰ পৰা সকলোৱে আঁতৰত থাকিলেহে আনন্দ পায়।"

মাজনীয়ে দেখিলে যে দেউতাকৰ অনুমতি অবিহনে তাই হোষ্টেললৈ যাব নোৱাৰে। যদিহে হোষ্টেললৈ যাব নোৱাৰে তাইৰ শিক্ষা দীক্ষা আৰু কেতিয়াও নহয় আৰু এনেদৰেই ঘৰখনতে পচি মৰিব লাগিব। ইফালে শিক্ষা দীক্ষা নাথাকক আনফালে দেউতাকৰ বাবে ঘৰখনৰ বদনাম, গতিকে শেষত মাজনীক বিয়া কৰাবলৈকো কোনো ভাল মানুহ আগবাঢ়ি নাহিব। মাজনীৰ এনেদৰে প্ৰতিদিনে চিন্তা বাঢ়ি আহে। তাই ভাবিলে যে পৰেশে কোৱা মতে এতিয়াই ভাল মানুহ কোনোবা পালে বিয়া হৈ যোৱাই ভাল। কিন্তু ঘৰততো বিয়া নিদিয়ে। ছোৱালী হ'লে কেউফালে লেঠা, প্ৰতিটো কামতেই ঘৰৰ অনুমোদন লাগে। হঠাৎ তাইৰ মনলৈ আহিল পৰেশৰ কথা। মনতে তাই ভাবিলে পৰেশদাতো ভাল মানুহ, তেওঁ মোক নিব জানো?

মাজনীৰ মনৰ ভাব পৰেশে ধৰিব পাৰিলে। প্ৰকৃততে পৰেশেও বিচাৰিছিল সেইটোৱেই। শেষত এদিন সকলো খোলাচাকৈ আলোচনা কৰা হ'ল। আৰু সেইমতে পৰিকল্পনা কৰা হ'ল।

মাজনী কলেজলৈ গৈ সাধাৰণতে চাৰিটা মান বজাত ওভতে। সিদিনা ছয় বজালৈকে মাজনী ওভতি নহা দেখি সাবিত্ৰীৰ চিন্তা হ'ল। এনেতে এজন ল'ৰা আহি চিঠি এখন সাবিত্ৰীক দি গ'লহে। চিঠিখন খুলি চাই দেখে সেইখন মাজনীৰ চিঠি।

"মৰমৰ মা"

মই জানো তহঁতে মনত দুখ পাবি, কিন্তু মোৰ কোনো উপায় নাছিল। গতিকেই আজি পৰেশদাৰ সৈতে মোৰ বিয়া সম্পন্ন হৈ গ'ল কামাখ্যা মন্দিৰত। চিন্তা নকৰিবি মই কুশলে থাকিম। আমাক আশীৰ্বাদ দিবি।

ইতি
তোৰ
মাজনী

চিঠিখন পঢ়ি সাবিত্ৰীৰ মুৰ ঘূৰাই যোৱা যেন অনুভৱ হ'ল। সাবিত্ৰীয়ে কেতিয়াও ভবা নাছিল মাজনীয়ে এনে কাণ্ড কৰিব বুলি। পৰেশেও ঘৰৰ ল'ৰাটোৰ দৰে আহি শেষত ঘৰৰ ছোৱালী লৈ যাব বুলি ভবা নাছিল। মাজনীতকৈ পৰেশ যথেষ্ট ডাঙৰ সি কেতিয়াও মাজনীক তেনে চকুৰে চাব নালাগিছিল। ভাবি ভাবি মাকৰ মূৰ আচন্ত্ৰাই গ'ল। সাবিত্ৰীয়ে মাজনীৰ চিঠিখন কামকৰা ল'ৰা নগেনৰ হাতত মদনলৈ বুলি পঠিয়াই দিলে। চিঠিখন পোৱাৰ লগে লগে দোকান বন্ধ কৰি মদনং ঘৰত উপস্থিত। সাবিত্ৰীয়ে ভাবিছিল মদনে আহি উৎপাত লগাব। পুলিচত গোচৰ দিব। কিন্তু মদনে সেইবোৰ একো নকৰি চুপচাপ হৈ হেলনীয়া আৰাম চকীখনত বহি থাকিল। সিদিনা প্ৰায় আধা বটল মদ মদনে এঘণ্টাৰ ভিতৰতে খাই পেলালে। কিন্তু আনদিনাৰ বিপৰীতে মদনে সিদিনা এটা কথাও উচ্চাৰণ নকৰিলে। মাথোন দুগালেৰে দুধাৰি চকুলো বাগৰি যোৱা সাবিত্ৰীয়ে দেখিলে। সাবিত্ৰীয়েও উচুপি উচুপি কান্দিলে। সাবিত্ৰীয়ে ভাবে শেষত ছোৱালীজনীও গ'লগৈ। মদন-সাবিত্ৰী অকলশৰীয়া হ'ল।

পৰেশৰ ঘৰত পৰেশক হঠাৎ তেনেদৰে বিয়া পতাত আপত্তি কৰিছিল যদিও মাজনীক পাই পৰেশৰ মাক দেউতাকৰ আপত্তি ক'ৰবালৈ উৰি গ'ল। পৰেশে মাজনীক প্ৰতিশ্ৰুতি দিলে যে তাইক সি পঢ়িবলৈ সকলো সা-সুবিধা দিব।

মাজনী পৰেশলৈ যোৱাৰ খবৰটো পোৱাত গাঁৱত মোহনহঁত হতবিস্মিত হ'ল। তাই এনেদৰে গুচি যোৱা ছোৱালীতো নহয়, নিশ্চয় পৰেশে ফুচুলাই তাইক নিলে। নৰেণৰ মতে পৰেশে ছোৱালী ফুচুলাই নিয়া বিধৰ মানুহ নহয়। এনেয়ে শিক্ষা দীক্ষা থকা ভাল ঘৰৰ ল'ৰা হিচাপে পৰেশৰ সৈতে বিয়া হোৱাত ঘৰৰ মানুহৰ আপত্তি নাই যদিও এনেদৰে পলাই যোৱাৰ বাবে সকলো ৰুষ্ট। পৰেশৰ বয়স অলপ বেছি হোৱাতো আপত্তি সকলোৱে ভাবিছিল পৰিয়ালৰ একমাত্ৰ ছোৱালীজনী ধূমধামেৰে বিয়া দিব। সিহঁতৰ আশা পূৰণ নহ'ল।

কেইমাহমানৰ ভিতৰতে মদনে দু'টা আঘাত পালে। এক বৰপুত্ৰৰ অকাল বিয়োগ, দুই একমাত্ৰ কন্যাৰ গৃহত্যাগ। প্ৰথমটো ধাক্কা চম্ভালি নৌ উঠোতেই দ্বিতীয়টো আঘাতে মদনক কাবু কৰি পেলালে। মদনো তেজ মঙহৰেই মানুহ, আঘাত সহ্য কৰিব পৰা ক্ষমতাৰো এটা সীমা তাৰ বাবেও আছে। মদনে অনুভৱ কৰিছে যেন তাৰ আঘাত প্ৰতিৰোধৰ ক্ষমতা টুটি আহিছে। মাজনী গুচি যোৱাৰ পিছত মদনে এসপ্তাহ দোকানেই খোলা নাছিল। দিনৰ দিনটো ঘৰতে থাকে। দিনৰ বেলা প্ৰায়েই পুৰণি ৰেকৰ্ড প্লেয়াৰ এটাত ৰবীন্দ্ৰ সঙ্গীত শুনে। সূৰুয ডুবাৰ লগে লগে আৰম্ভ কৰে মদ খাবলৈ। এহাতে মদ আনহাতে ৰবীন্দ্ৰ সঙ্গীত অদ্ভূতভাৱে মানুহজনে নীৰৱ হৈ গ'ল। আগতে দুপেগ মদ খালে সহস্ৰ শব্দ তাৰ মুখেৰে ওলাই আহিছিল, যাকে তাকে গালি পাৰিছিল। বীৰেনৰ মৃত্যুৰ পিছত অলপ কমিলেও মদনৰ সেই অভ্যাস শেষ হোৱা নাছিল। কিন্তু মাজনী গুচি যোৱাৰ পিছত মদন একেবাৰে চুপ হৈ গ'ল। আগতকৈ অধিক মদ খায় কিন্তু মুখত টু শব্দ নাই। লাইটটো নুমাই দি অন্ধকাৰ কোঠাটোৰ আৰমি. চকীখনত হাউলি লৈ প্ৰায়েই গান শুনি থাকে–

"ক্লান্তি আমায় ক্ষমা কৰো প্ৰভু
পথে যদি পিছিয়ে পিছিয়ে পৰি প্ৰভু
এই যে হিয়া থৰথৰ কাঁপে আজি এমন তৰ
এই বেদনা ক্ষমা কৰো ক্ষমা কৰো
ক্ষমা কৰো প্ৰভু" ........

সঁচাকৈয়ে অৱসাদ আৰু ক্লান্তিয়ে মদনক আচ্ছন্ন কৰি পেলায়।

দুখ সদায় নাথাকে সঁচা কিন্তু প্ৰতিটো দুখেই মানুহৰ অন্তৰত তথা দেহত এক চিৰস্থায়ী আঁচোৰ দি থৈ যায়। বীৰেনৰ মৃত্যু আৰু মাজনীৰ গৃহত্যাগে মদনক যেন অধিক বুঢ়া কৰি পেলাইছিল। মদনৰ স্বাস্থ্যৰ দ্ৰুত অবনতি হ'বলৈ ধৰিলে। স্বাস্থ্যৰ অবনতিৰ বাবেই হওক বা মনত আঘাত পোৱাৰ বাবেই হওক সকলোকে আচৰিত কৰি মদনে মদ খাবলৈ এৰি দিলে। বছৰৰ পিছত বছৰ মদ খাই মানুহজনে হঠাৎ মদ এৰি দিব বুলি বহুতেই ভাবিব পৰা নাছিল। মদনে মদ এৰি দিয়া শুনি ঘৰৰ সকলোৱে ভাল পাইছিল। বহুতৰে ধাৰণা হৈছিল মদ খোৱাৰ বাবেই মদনৰ স্বভাৱ খিটখিটীয়া হৈ গৈছিল। যিসকলে এই ধাৰণা কৰিছিল তেওঁলোকে ভাবিছিল মদন এতিয়া ভাল মানুহ হ'ব। কিন্তু মদ খোৱা বাবেই মদনৰ স্বভাৱ খিটখিটীয়া কলহপ্ৰিয় আছিল বুলি অন্ততঃ নৰেণে নাভাবে। যদি মদেই মদনৰ ৰুক্ষ স্বভাৱৰ কাৰণ তেনেহলে মাজনীয়ে ঘৰ এৰি গুচি যোৱাৰ পিছত মদ অধিককৈ খায়ো মদনে এষাৰো মাত মতা নাছিল কিয়? মদে হয়তো মদ খোৱা সময়খিনিত মদনৰ চিন্তাৰ বহিঃপ্ৰকাশৰ বাবে শক্তি যোগাইছিল; কিন্তু মদন যি সামাজিক পাৰিপাশ্বিৰ্কতাৰ মাজত ডাঙৰ দীঘল হৈছিল সেই সামাজিক ব্যাধিৰেই এক বিষাক্ত ফল মদনৰ এই স্বভাৱটো।

আইন পঢ়ি থকাৰ ফাঁকে ফাঁকে নৰেণে বিজনেছ মেনেজমেণ্টৰ ডিপ্লোমাও আহৰণ কৰিলে। ইফালে স্বাভাৱিকভাৱেই এল, এল, এম পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাই নৰেণে পাছ কৰিলে। আইন কলেজখনৰ বাবে নৰেণৰ এই সাফল্য গৰ্বৰ কথা হ'ল। নৰেণক ইমানদিনে খুড়ায়েকেহে ভৰণ পোষণ দি আহিছে। পৰীক্ষাত পাছ কৰাৰ পিছত নৰেণে ভাবিলে যে খুড়ায়েকৰ ওপৰত এই বয়সলৈ খাই থকাটো ঠিক কথা নহয় আৰু নিজকে প্ৰতিষ্ঠা কৰা বয়সত সি ইতিমধ্যে উপনীত হৈছে বুলি নৰেণে উপলব্ধি কৰিলে। আৰম্ভ হ'ল নিযুক্তিৰ সন্ধান। প্ৰথমতে ভাবিলে যে কোনোবা আইন কলেজত শিক্ষকতাকেই কৰিব, কিন্তু নৰেণৰ শিক্ষক হোৱাৰ কোনো মানসিকতা নাই। ওকালতি কৰাৰো ইচ্ছা নাই। চৰকাৰী খণ্ডৰ এটা কোম্পানীত লিগেল চেক্ৰেটাৰী এটাৰ চাকৰিত আবেদন কৰাত চাকৰিটো হওঁ হওঁ হোৱা সত্ত্বেও নৰেণৰ কমিউনিষ্ট বেকগ্ৰাউণ্ডৰ বাবে চাকৰিটো অৱশেষত নহ'ল।

মদনৰ অসুখ প্ৰতিদিনে বাঢ়ি যাবলৈ ধৰিলে। মদনৰ খবৰ লবলৈ মোহন আৰু নৰেণ সঘনাই গুৱাহাটীলৈ আহিবলৈ ধৰিলে। শেষত ঘৰ আৰু দোকান চাবলৈ মানুহ নোহোৱাত নৰেণ গুৱাহাটীতেই থাকিব লগীয়া হ'ল। পোনতে মদনৰ যক্ষ্মা হোৱা বুলি সন্দেহ কৰা গৈছিল। গুৱাহাটীৰ জনৈক ডাক্তৰে যক্ষ্মাৰ চিকিৎসা কৰাত ৰোগ কমিব চাৰি বাঢ়িবহে ধৰিলে। শেষত সকলোৱে দিহা দিলে যে গুৱাহাটীত চিকিৎসা কৰাতকৈ দিল্লী বা মাদ্ৰাজত চিকিৎসা কৰাই ভাল। শেষত আটায়ে আলোচনা কৰি দিল্লীৰ অল ইণ্ডিয়া মেডিকেল ইনষ্টিটিউটলৈ মদনক চিকিৎসাৰ বাবে নিয়াৰ সিদ্ধান্ত কৰিলে। মদনক লৈ যোৱাৰ ভাৰ পৰিল নৰেণৰ ওপৰত। স্কুলখনৰ সকলো ভাৰ মোহনৰ ওপৰত থকা বাবে মোহনৰ দিল্লীলৈ যোৱা সম্ভৱ নহ'ল। এদিন মদনক লৈ মাক সাবিত্ৰী সহ নৰেণে দিল্লীলৈ বুলি যাত্ৰা কৰিলে। অল ইণ্ডিয়া মেডিকেল ইনষ্টিটিউটত চিকিৎসা আৰম্ভ কৰা হ'ল। শেষত ডাক্তৰে নৰেণক কলে যে মদন লাং কেন্সাৰ ৰোগত আক্ৰান্ত। গতিকে চিকিৎসা দীঘলীয়া হ'ব। দিল্লীত ডাক্তৰে প্ৰাথমিক চিকিৎসা দি এমাহৰ পিছত আৰু আহিবলৈ কলে। তেনেদৰে কোৱাত মদনক লৈ নৰেণে মাক সহ গুৱাহাটীলৈ উভতিল। ইতিমধ্যে মদনৰ বেমাৰ হোৱাৰ দিন ধৰি দোকান খন বন্ধ আছে, দিল্লীত চিকিৎসাৰ বাবে যাওঁতে যথেষ্ট খৰচ হ'ল। ইফালে মদনৰ জমা টকা নায়েই। মদনৰ অসুখটোৰ কথা ঘৰৰ সকলোৱে জনাৰ পিছত ঘৰখনত শোকাকুল পৰিৱেশৰ সৃষ্টি হ'ল। নৰেণে দিল্লীত মাকক দেউতাকৰ কি অসুখ হৈছে সেই বিষয়ে একো কোৱা নাছিল, গুৱাহাটীলৈ আহি মাকক কথাটো কলে। শুনিয়েই সাবিত্ৰীয়ে কান্দিবলৈ ধৰিলে। তেতিয়া নৰেণে মাকক বুজালে যে কেন্সাৰ হলেই যে মৃত্যু অনিবাৰ্য তেনে কথা আজিকালি আৰু কব নোৱাৰি। আজিকালি বহু কেন্সাৰ ৰোগ আৰোগ্য হোৱা দেখা যায়। গুৱাহাটীৰ বন্ধু-বান্ধৱ আৰু ডাক্তৰসকলে নৰেণক পৰামৰ্শ দিলে যে যদি তাৰ দেউতাকৰ কেন্সাৰেই হৈছে তেনেহলে ভাল চিকিৎসা পাবলৈ হ'লে হয় বোম্বেৰ টাটা মেমোৰিয়েল নহলেবা ভেলোৰৰ খৃষ্টিয়ান হাস্পাতাললৈ যোৱাই ভাল। এমাহ পিছত সকলোৰে উপদেশ মানি মদনক বোম্বেলৈ চিকিৎসাৰ বাবে নিবলৈ সিদ্ধান্ত লোৱা হ'ল। এইবাৰ চিকিৎসাৰ বাবে যাবতীয় টকা মোহনে যোগান ধৰিলে। এইবাৰো নৰেণে দেউতাকক লৈ গ'ল, মাকো লগতে গ'ল। বোম্বেত পৰীক্ষা কৰি হাওফাওৰ অপাৰেশ্যন কথা কলে। অৱশেষত সফলতাৰে মোহনৰ হাওফাওৰ অপাৰেশ্যনৰ কৰা হ'ল। ডাক্তৰে কলে যে ৰোগী আৰোগ্য হোৱাৰ সম্ভাৱনাই বেছি। এনেদৰে প্ৰায় আঢ়ৈমাহ বোম্বাইত থাকিবলগীয়া হ'ল। শেষত মদনক সম্পূৰ্ণ সুস্থ বুলি ঘোষণা কৰি ডাক্তৰে তিনিমাহ পিছত চেক আপৰ বাবে পুনৰ বোম্বেলৈ আহিবলৈ দিলে। যোৱা আঢ়ৈ মাহত থকা-মেলা চিকিৎসা সহ প্ৰায় ৪০ হাজাৰ টকা খৰচ হ'ল।

গুৱাহাটীলৈ উভতি আহি প্ৰথমতে কেইদিনমান ঘৰতেই বিশ্ৰাম লৈছিল যদিও লাহে লাহে এদেও দুদেওকৈ মদন বাহিৰলৈ ওলাবলৈ ধৰিলে। দেউতাকক চোৱা চিতাৰ বাবেই নৰেণো গুৱাহাটীতেই থাকিবলগীয়া হ'ল। মাজনীও পৰেশৰ সৈতে দেউতাকৰ খবৰ লবলৈ আহে। দেউতাকক কষ্ট দি মাজনী গুচি গলেও মদনে যেন সিহঁতক ক্ষমা কৰি দিছে।

ইতিমধ্যে মদনে গম পাইছিল যে তাৰ কেন্সাৰ হৈছিল। কিন্তু মদনৰ মনৰ বল অটুট থকা বাবেই সি ভাগি পৰা নাই। ডাক্তৰে মদনক সুস্থ বুলি কোৱাৰ পিছত মদনৰ আত্মবিশ্বাস আৰু বাঢ়িছিল। মদনৰ একান্ত বন্ধু ৰমেশ বাজাজৰো ডিঙিত কেন্সাৰ হৈছিল পাঁচবছৰ মান আগেয়ে, বাজাজ আজিও সুস্থ হৈ আছে।

মদনৰ দোকানখন পুনৰ খুলিবলৈ লৈছে। মদন পুৱাবেলা দোকানলৈ যায় আৰু আবেলি উভতি আহে। বাকী সময়খিনি নৰেণেই দোকান চলায়। মদন এতিয়া এজন সম্পূৰ্ণ অন্য মানুহ। বিশেষকৈ তাৰ খিটখিটীয়া আৰু গালি পৰা স্বভাৱ আজি কালি নাই। এতিয়া মদনৰ নৰেণৰ ওপৰতেই ভৰসা অধিক। কেনেকৈ বিভিন্ন চৰকাৰী বিভাগত ব্যৱসায় কৰিব পাৰি সেইবোৰ কথা নৰেণক বুজায়। নৰেণে সকলো কথা শুনি থাকে, কিন্তু দেউতাকৰ কথাত তাৰ অলপো আগ্ৰহ নজন্মে। নৰেণে জানে যে সি কেতিয়াও ব্যৱসায় কৰিব নোৱাৰে। উপায় নাপাইহে দোকানদাৰী কৰিবলগীয়া হৈছে। মদনে নৰেণক কাষত পাই যেন হৃত বল পুনৰ ঘূৰাই পাইছে। মদনে পুনৰ বিভিন্ন বিভাগত টেণ্ডাৰ দি কাম লবলৈ যত্ন কৰিবলৈ ধৰিলে। এই সম্পৰ্কে নৰেণকো কামত লগাইছে। অনিচ্ছা সত্ত্বেও নৰেণে দেউতাকক সহায় কৰিব লগীয়া হৈছে। দেউতাকে ভাবিছিল যে নৰেণে যিহেতু বিজনেছ মেনেজমেণ্ট পঢ়িছে গতিকে নিশ্চয় এইবোৰ ব্যৱসায়ত সি আগ্ৰহী হ'ব। কিন্তু মদনে নাজানে যে তাৰ পুতেকৰ দেউতাকৰ দৰে ব্যৱসায়ৰ প্ৰতি বিশেষ ধাউতি নাই।

বোম্বেৰ পৰা অহাৰ দুমাহমান পিছতেই লাহে লাহে মদনে পুনৰ বুকুত অস্বস্তি অনুভৱ কৰিবলৈ ধৰে, শুকান কাহ আৰম্ভ হয়। গুৱাহাটীৰ ডাক্তৰক দেখুওৱাত তৎক্ষণাৎ বোম্বেলৈ মদনক লৈ যাবলৈ দিহা দিয়ে। ইতিমধ্যে মদনৰ চিকিৎসাৰ নামত ৬০ হাজাৰ মান টকা খৰচ হৈছে। এইবাৰ দোকানৰ তলি উদং কৰি নৰেণে টকা খিনি হাতত ললে; খুড়াক মোহনেও ধাৰ কৰি ২৫ হাজাৰ টকা নৰেণৰ হাতত দিয়ে ককায়েকৰ চিকিৎসাৰ বাবে। বোম্বেলৈ লৈ যোৱাত এইবাৰ ডাক্তৰে পৰীক্ষা নিৰীক্ষা কৰি কলে যে হঠাৎ কেন্সাৰ কোষ বাঢ়ি গৈছে, গতিকে লক্ষণ বৰ ভাল নহয় তথাপি তেওঁলোকে চেষ্টা কৰি চাওঁ বুলি কৈ 'কেমোথেৰাপি' আৰম্ভ কৰিলে। কিন্তু কেমোথেৰাপিত কোনো ধৰণৰ সুফল নেদেখি শেষত নৰেণক কলে যে তেওঁলোক বৰ দুঃখিত, ৰোগী এতিয়া আয়ত্তৰ বাহিৰত। এতিয়া পেলিটেটিভ চিকিৎসা কৰাৰ বাদে অন্য কোনো চিকিৎসা কৰি লাভ নাই। ডাক্তৰে ৰোগীক ঘৰলৈ লৈ যাবলৈ উপদেশ দিলে।

এইবাৰ নৰেণে দেউতাকক কথাটো নকলে। নৰেণে দেউতাকৰ ভৱিষ্যত কি হ'ব পাৰে অনুমান কৰিলে। বুজাই বঢ়াই মাককো নৰেণে কথাটো কলে। ইতিমধ্যে ইমানদিনৰ অহা যোৱাই সাবিত্ৰীকো সেই চৰম কথাষাৰ শুনিবলৈ সাজু কৰি পেলাইছিল। নৰেণে দেউতাকক কলে যে ডাক্তৰে আৰু দুমাহ পিছত আমাক আহিবলৈ কৈছে।

"কিন্তু মোৰ কাহটো চোন ভালেই হোৱা নাই আৰু কাহৰ সৈতেতো সদায় তেজ গৈয়ে থাকে।"–দেউতাকে নৰেণক সোধে।

"সেইটোৰেতো চিকিৎসা কৰিছে, লাহে লাহে ভাল হৈ যাব বুলি ডাক্তৰে কৈছে, ডাক্তৰে ঔষধ দিছে।"

নৰেণে মদনক এনেদৰে ফাকি দিলে।

গুৱাহাটীলৈ লৈ অনাৰ পিছত মদনৰ অৱস্থাৰ দ্ৰুত অবনতি ঘটে। মদনে ভালদৰে কথা কব নোৱৰা হয়। গাৰ শক্তি কমি আহে। তথাপি মদনে সেহাই গোহাই কয়ঃ "ডাক্তৰে এইবাৰ আধা চিকিৎসা কৰি পঠালে, মোৰ ভাল হ'ব ক'ত সদায় বাঢ়ি যাবলৈ ধৰিছে দেখোন।"

মদনৰ কথা শুনিলে সাবিত্ৰীৰ চকুপানী ওলাই আহে। কেতিয়াবা কেতিয়াবা মদনৰ নাকে মুখেৰে হোলোকা হোলোকে তেজ ওলাবলৈ ধৰে। চকুৰ আগত কোনো চিকিৎসা নকৰাকৈ দেউতাকক নৰেণে চাই থাকে কেনেকৈ? ওচৰৰে নাৰ্চিং হোম এটাত মদনক ভৰ্ত্তি কৰি দিয়া হয়। তেজ গলে তেজ বন্ধ হোৱাৰ ঔষধ, বিষালে বিষৰ ঔষধ, কাহ হ'লে কাহৰ ঔষধ, এয়েই হৈছে চিকিৎসা। আনহাতে খাব নোৱৰা বাবে দিনে নিশাই চেলাইন দিয়া। তথাপি মদনে সান্ত্বনা পায় যে পুতেকে তাক বচাবলৈ আপ্ৰাণ চেষ্টা কৰিছে, ডাক্তৰ নাৰ্চ সকলোৰে যত্ন কৰাটো সি প্ৰত্যক্ষ কৰে। এই পৰিচৰ্যাত ক্ষন্তেকৰ বাবে সান্ত্বনা পালেও বিষটো উঠিলে মদনৰ পৃথিৱীখন অসাৰ অসাৰ লাগে। প্ৰতিটো কাহত সমগ্ৰ শৰীৰত শত শত বেজীয়ে খুঁচি দিয়া যেন লাগে। লাহে লাহে ডাক্তৰ দেখিলে মদনৰ খং উঠা হ'ল। যদিহে এক বিন্দুও সকাহ দিব নোৱাৰা তেনেহলে তোমালোকে মোক কিহৰ চিকিৎসা কৰি আছা বুলি মদনে ডাক্তৰসকলক কব খোজে, কিন্তু নকয়। মদনে মনে মনে ধৰি লৈছিল যে সি মৃত্যু পথৰেই যাত্ৰী। তথাপি একোবাৰ সি ভাবিছিল সি এদিন নিশ্চয় আৰোগ্য হ'ব। কিন্তু দিন যোৱাৰ লগে লগে তাৰ হতাশা বাঢ়ি আহে।

তিলে তিলে মৃত্যুৰ ক্ষণ গণিলেও মদনে নৰেণক সেহাই সেহাই দোকানখন ভালদৰে চলাই থাকিবলৈ কয়।

"দোকানৰ টেবুলৰ ড্ৰয়াৰত কেতবোৰ কাগজ আছে সেইবোৰ বান্ধি থৈ দিবি, গুৰুত্বপূৰ্ণ কিছুমান কাকত আছে, পিছত মোক সেইবোৰ লাগিব।"

নৰেণে জানে যে মদনে কোনোদিন সেই কাকতবোৰ চুবলৈ আৰু নাপায়। তথাপি দেউতাকৰ মনত আশাৰ সঞ্চাৰ দেখি তাৰ ভাব হয় যেন সঁচাকৈয়ে মানুহে পৃথিৱিখন ইমান সহজেই এৰি যাব নেখোজে। নিজৰ বৰপুত্ৰৰ মৃত্যু আৰু একমাত্ৰ কন্যাৰ গৃহত্যাগৰ পিছতো নিজে দুৰাৰোগ্য কৰ্কটৰোগত ৰোগাক্ৰান্ত হোৱা বুলি জনা সত্ত্বেও মদনৰ জীয়াই থকাৰ বাসনা দেখি নৰেণৰ একপ্ৰকাৰ দাৰ্শনিক অনুভূতিৰ সৃষ্টি হয়। যদি সকলো মানুহেই পৃথিৱীখন এৰিবই নোখোজে তেনেহলে বীৰেনে কিয় আত্মহত্যা কৰিলে? সি ইমান সহজে পৃথিৱীখন এৰি থৈ যাব পাৰিলে কেনেকৈ? বীৰেনৰ দেউতাক মাক ভায়েক সকলো আছিল, সি সম্পূৰ্ণ সুস্থও আছিল তথাপি সি পৃথিৱীৰ অৰ্থ একো কিয় বিচাৰি নাপালে? আৰু মদনে পুত্ৰ কণ্যা ভ্ৰাতৃ সকলো হেৰুৱায়ো মৰণৰ মুখত বহি জীৱনৰ বাবে ইমান কামনা কৰিবলৈ পৃথিৱীত কি অৰ্থ বিচাৰি পাইছে বাৰু? মদনে হয়তো ভাবিছিল তাৰ কেউ কিছু নাথাকিলেও সি নিজেই এক স্বয়ংসম্পূৰ্ণ ব্যক্তি, সি নিজেই তাৰ চালিকা শক্তি। বীৰেনে ভাবিছিল তাৰ সকলো থাকিও একোৱেই নাই; সি ভাবিছিল যদি তাৰ কোনোৱেই নাই তেনেহলে তাৰ জীৱন পূৰ্ণ হ'ব কেনেকৈ? বীৰেনে কেতিয়াও নিজকে পূৰ্ণ মানৱ বুলি ভাবিব নোৱাৰিলে, সি জানে মৰমৰ আলমতহে সি বগাই ওপৰলৈ উঠিব পাৰিব, নহলে মুখথেকেছা খাই পৰি থাকিব লাগিব। এনে স্থবিৰ জীৱনৰ অৰ্থ কি? হয়তো এই ধাৰণাৰ বাবেই বীৰেনে হেলাৰঙে পৃথিৱীৰ মায়া এৰি গুচি গৈছিল। এই হৰিৎ পৃথিৱীৰ ত্ৰিশ বছৰৰ অভিজ্ঞতাই বীৰেনলৈ তিক্ততাহে আনি দিছিল।

মদনক যদি দুদিন নাৰ্চিংহোমত থোৱা হয় তেনেহলে তৃতীয় দিনা ঘৰলৈ অনা হয়। ঘৰত পাঁচ ছয় দিন থকাৰ পিছত পুনৰ তেজ যোৱা, কাহ আৰু বমি আৰম্ভ হ'লে পুনৰ নাচিং হোমত ভৰ্ত্তি কৰোৱা হয়। শেষত এগৰাকী নাৰ্চক অহৰহ ঘৰতেই দেউতাকক চোৱাচিতাৰ বাবে নিযুক্ত কৰা হ'ল। ডাক্তৰৰ আৰু এতিয়া প্ৰয়োজন নায়েই। কিয়নো ঔষধ বুলিবলৈ নতুনকৈ একো দিবলগীয়া নাই। কেৱল চেলাইন দিয়া

আৰু বেজী দিয়াৰ বাবে নাৰ্চ এগৰাকী হলেই হয়।

ইতিমধ্যে নৰেণে বহৰিতো খবৰ দিছে যে মদনৰ বেছিদিন আৰু নাই। বহৰিৰ পৰা বুঢ়া-বুঢ়ী আৰু মোহন গুৱাহাটীলৈ আহিল। ইতিমধ্যে সকলোৱে ধৰি লৈছিল যে মদনৰ মৃত্যু অনিবাৰ্য। মোহনহঁত কেৱল শেষকৃত্য কৰিবলৈকেহে যেন গুৱাহাটীলৈ আহিছে। মোহনহঁতে ৰাতিপুৱা বহৰিৰ পৰা গুৱাহাটীলৈ যাত্ৰা কৰিছে। কিন্তু ইতিমধ্যে আগদিনা পুৱতি নিশাতেই মদনৰ মৃত্যু হৈছিল।

সেই কেইদিন সাবিত্ৰীৰ চকুত টোপনি নাছিল। তাই মাথো মদনৰ হাতে ভৰিয়ে তেল পিহি দিছিল। মূৰটো পিটিকি দিছিল। অসহায়ভাৱে সাবিত্ৰীয়ে মদনৰ দেহটো পৰিচাৰ্য কৰিয়েই আৰোগ্য কৰি তুলিব খুজিছিল। তাই জানে যি কোনো মুহূৰ্ততে মদনৰ মৃত্যু হ'ব, তথাপি তাই যেন বিশ্বাস কৰিব পৰা নাই যে মদনৰ এদিন মৃত্যু হ'ব ৩২ বছৰৰ সিহঁতৰ দীঘলীয়া যুগ্ম জীৱনৰ অন্ত পৰিব!

ঘৰৰ মানুহ এজন ঢুকালে সাধাৰণতে যিটো হয় সেইটোৱেই হৈছিল মদনৰ ঘৰত। সকলোৱে মদনৰ মৃত্যু হব বুলি যোৱা কেইমাহমান আগৰ পৰা জানিলেও মদনৰ মৃত্যুৰ পিছত সকলোৱে এনেদৰে কান্দিছিল যেন আকস্মিক ভাবেহে মদনৰ মৃত্যু হ'ল। সকলোৰে ঘৰতেই এনেকুৱা হয়। আকস্মিকেই হওক বা আগৰ পৰা জানিব পৰাই হওক মৃত্যুত শোকৰ কম বেছি নাই। একমাত্ৰ ব্যতিক্ৰম আছিল নৰেণ। নৰেণে কন্দা নাছিল। দুখ নিশ্চয় তাৰো কম লগা নাছিল। সাধাৰণতে সকলোৰে সৈতে সমানে নৰেণৰ প্ৰতিক্ৰিয়া নহয়। নৰেণৰো চকুপানী ওলাইছিল কিন্তু সকলোৰে সৈতে একেলগে নহয়। সকলোৱে যেতিয়া কান্দোন সংযত কৰি মদনৰ শেষকৃত্য সমাপন কৰিছিল তাৰ পিছত অকলে কোনেও গম নোপোৱাকৈ নৰেণে দুটোপাল চকুপানী পেলাইছিল। নৰেণৰ সেই দুটোপাল দুখৰ চকুপানী যেন আনৰ কান্দোনৰ চোতাল ভহোৱা চকুপানীতকৈ অধিক সংবেদনশীল আৰু মূল্যবান–যেন দুটি দুখৰ মুকুতা।

মদনৰ মৃতদেহটো বিছনা পত্ৰ সহ বাহিৰলৈ উলিয়াই আনোতে মদনৰ শেতেলী তলত চাৰিভাজ কৰা এখন কাকত পোৱা গ'ল। সেই সময়ত কাকতখন চোৱাৰ কাৰো ধৈৰ্য নাছিল আৰু পৰিস্থিতিও নাছিল। নৰেণে কাকতখিলা তাৰ জেপত সুমুৱাই থৈছিল। নবগ্ৰহৰ পৰা দেউতাকৰ শেষকৃত্য কৰি উভতি অহাৰ পিছত কাকতখিলা উলিয়াই মেলি চালে। কাকতখিলাত স্বয়ং দেউতাকৰ হাতৰ আখৰ। সেয়া এটি কবিতা। মদনে কেতিয়াবা এটা দুটা কবিতা লিখিছিল, নৰেণে সেই কথা জানে। এই কবিতাটোও যে দেউতাকৰ স্বৰচিত কবিতা সেইটো বুজিবলৈ নৰেণৰ বাকী নেথাকিল। কবিতাটো পঢ়ি নৰেণৰ চকুহাল সেমেকি গ'ল। কবিতাটো যেনেই নহওক কিয় এক দুৰাৰোগ্য ব্যাধিৰ দ্বাৰা আক্ৰান্ত ব্যক্তিয়ে অদূৰত নিশ্চিত মৃত্যুৰ কথা জানিও নিয়তিৰ বিধাৰ মানি লৈ আবেগেৰে লিখা এইটো কবিতা। পৃথিৱীখন এৰি কালমৃত্যুত বিলীন হৈ যোৱাৰ বেদনা কিমান গভীৰ তাকে নৰেণৰ দেউতাকৰ কবিতাটোত প্ৰকাশ পাইছে–উচ্চ মানৰ কবিতা নহলেও নিশ্চয় ই এক উচ্চ আবেগৰ কবিতা। কবিতাটোৰ নাম সংকল্প।'

### 'সংকল্প'

"মোৰ হৃদয় বেদীত শাৰী শাৰী সজালো পলাশ
আৰতি পাত্ৰ ৰক্ত-প্ৰদীপে ভৰা
প্ৰাণ সূৰ্যশক্তিৰ সৃষ্টিময় প্ৰেৰণা।
আহে মহাকাল ছদ্মবেশে গোটেই জীৱন আমনি কৰি
হঠাৎ তীব্ৰ হৈ উঠে মৃত্যু দৈত্যৰ বৰ্বৰ কামনা।
অতৃপ্ত নিয়তিৰ বুকুভৰা কঠোৰ বিধান
হে মৃত্যু! উন্মত্ত তুমি নিত্য নিঠুৰ।
কাৰ অদৃশ্য আঙুলিৰ পৰশত
মৰণ বীনাৰ ঝংকাৰত আজি মৃত্যুসুৰ বাজে–
বুজিছো এয়ে মৃত্যুপথ
এয়ে শেষ যাত্ৰা–
মিলি যাব আজি পৃথিৱীৰ ধূলিত
মোৰ জীৱন সৌন্দৰ্যৰ ঐশ্বৰ্য সম্ভাৰ
অগ্নিৰথত উদ্ভাসি উঠিব আজি
অঙ্গে অঙ্গে বহ্নিৰ মিনা কৰা অপৰূপ জ্যোতি–
ছিন্ন ৰক্তিম মৃত্যু-পূজাৰ শেষ আৰতি
মুক্ত বিদ্ৰোহৰ ধোঁৱাত উঠি দূৰলৈ মেলিলো ঢাপলি।"

এই কবিতাটোত নৰেণৰ দেউতাকে অকাল মৃত্যু গহ্বৰত বিলীন হওঁতে বিদ্ৰোহ কৰিছে বুলি কৈছে। নৰেণৰ দেউতাকে মৃত্যুক যেন বিদ্ৰোহৰ দ্বাৰা ইতিকিং কৰিছে। আমেৰিকান কবি এলান চিগাৰে "মৃত্যুৰ সৈতে মোৰ সাক্ষাৎ হোৱাৰ কথা, কোনো বিতৰ্কিত ক্ষেত্ৰত" বুলি মৃত্যুলৈ কৰা বিদ্ৰূপৰ দৰেই নৰেণৰ দেউতাকে মৃত্যুক বিদ্ৰোহৰ দ্বাৰা কবিতাটোত যেন বিদ্ৰূপ কৰিছে।

নিশ্চিত মৃত্যুৰ কথা জানিলে মানুহৰ মনত কেনে অনুভূতি বা কেনে প্ৰতিক্ৰিয়া হয় তাৰেই চানেকি মদনৰ এই কবিতা। কবিতাটোত মদনৰ বুকুৰ হুমুনিয়াহ প্ৰকাশ পাইছে। পঢ়াৰ পিছত কবিতাটো নৰেণে মোহনৰ হাতত দিছিল। মাজনী আৰু সাবিত্ৰীয়েও পঢ়িছিল–আটায়ে আৰু এবাৰ উচুপি উঠিছিল। যি মোহন, নৰেণ আৰু মাজনী মদনৰ বাবে এই ঘৰ এৰি গুচি গৈছিল সিহঁতে আটায়ে আজি এই ঘৰখনতে ৰহি এই ঘৰখনত তাল আফাল লগাই থকা দুৰ্দান্ত মানুহজন চিৰকালৰ বাবে পৃথিৱীৰ পৰা আঁতৰি যোৱাৰ বাবে কান্দিছে! কি যে বিচিত্ৰ এই পৃথিৱী।

## চতুৰ্থ খণ্ড


অনিচ্ছা সত্বেও দেউতাকৰ মৃত্যুৰ পিছত নৰেণে দেউতাকৰ ব্যৱসায় চম্ভালিবলগীয়া হৈছিল। ইতিমধ্যে মাজনীয়ে প্ৰাক বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম স্থান পাই উত্তীৰ্ণ হৈছিল। সেই বছৰেই মাজনীৰ এটি পুত্ৰ সন্তান হ'ল। নাতিয়েক পাই সাবিত্ৰীৰ কি আনন্দ। তাতোকৈ আনন্দ নৰেণৰ ককাক আইতাকৰ। সাবিত্ৰীয়ে প্ৰায়ে আজিকালি পৰেশহঁতৰ ঘৰলৈ যায় নাতিয়েকক চোৱাৰ মোহত। ব্যস্ততাৰ মাজতো গাঁৱৰ পৰা মোহন আজিকালি প্ৰায়েই আহে সাবিত্ৰীহঁতৰ খবৰ লবলৈ। মদনৰ মৃত্যুৰ পিছত চিৰকুমাৰ মোহন যেন সাবিত্ৰীহঁতৰ পৰিয়ালটোৰ মুৰব্বী হৈ পৰিছে।

নৰেণে মনে প্ৰাণে ব্যৱসায় ভাল নাপায় যদিও দেউতাকৰ মৃত্যুৰ পিছত দোকানখন সিয়েই চম্ভালিবলগীয়া হ'ল। নৰেণে দোকানখন বন্ধ কৰি দিলেও তাৰ আৰু অকলশৰীয়া মাকৰ চলিবলৈ একো অসুবিধা নহয়। কিন্তু মাক সাবিত্ৰীয়ে বিচাৰে অন্ততঃ দেউতাকৰ স্মৃতি জীয়াই ৰখাৰ বাবেই নৰেণে ব্যৱসায়টো চলাই থাকক নৰেণে ইচ্ছা নাথাকিলেও ব্যৱসায় সম্পৰ্কে তাৰ ভাল ধাৰণা আছে তাতে আকৌ বিজনেছ মেনেজমেণ্টো সি পঢ়ি থৈছে। নৰেণৰ জীৱনৰ মূলমন্ত্ৰ এটাই–সকলো কাম জধে মধে হাতত নলবা, ললে আগলৈ ভাবি চাবা এবাৰ যদি কামটো হাতত লোৱা তেনেহলে পূৰ্ণগতিত সম্পূৰ্ণতাৰে কামটো কৰিবা, এলাহ আৰু এৰাধৰা নীতি নলবা। এই নীতি মানি চলা বাবেই নৰেণে জীৱনত যতেই হাত দিছে তাতেই ভালদৰে সাফল্য অৰ্জন কৰিব পাৰিছে। আনকি মাৰ্ক্সবাদ-লেলিনবাদ পঢ়িবলৈ হাতত লওঁতে সি একাগ্ৰতাৰে সৈতে সেই দৰ্শন অধ্যয়ন কৰিলে আৰু হাতেকামেও লাগি গ'ল, যিটো কাৰণত নৰেণে ৰাজনীতি কৰা বুলি কৈ বহুতে তাক সমালোচনা কৰিব খোজে। নৰেণ খোলা মানুহ। যিসকলে ৰাজনীতি কৰাৰ অভিযোগ তোলে তেওঁলোকক মুখৰ আগতেই নৰেণে কৈ দিয়ে– "ৰাজনীতি কোনে নকৰে, প্ৰত্যক্ষ আৰু পৰোক্ষভাবে সকলোৱে কৰে; যিসকলে ৰাজনীতি নকৰো বুলি নিৰপেক্ষতাৰ মুখা পিন্ধে সেই সকলে প্ৰচলিত ৰাজনীতিক নীৰৱে সমৰ্থন কৰে। মই প্ৰচলিত ৰাজনীতি সমৰ্থন নকৰো বাবেই এক বিকল্প ৰাজনীতি ৰাইজৰ সমুখত মোৰ সাধ্য অনুসাৰে দাঙি ধৰিছো।" নৰেণৰ সৈতে মুখামুখীকৈ তৰ্ক কৰি লাভ নাই, সকলোৱে জানে, কোনেও তাৰ সৈতে তৰ্ক কৰিবলৈ নাহে; কাৰণ নৰেণৰ



পানী নসৰকা যুক্তিৰ আগত এনেবোৰ উতনুৱা সমালোচনা ক'ৰবাত বৈ যায়। যিহেতু নৰেণে ব্যৱসায় কামত হাত দিবলৈ বাধ্য হ'ল গতিকেই সি ভালদৰে ব্যৱসায়ত লাগি গ'ল। প্ৰায় এবছৰৰ ভিতৰতেই দেউতাকৰ ব্যৱসায়ৰ ৰেহৰূপ নৰেণে পৰিবৰ্তন কৰি দিলে। নৰেণে জানে যে চৰকাৰী বিভাগবোৰত চাপ্লাই বা অন্য ব্যৱসায় বিচাৰি সি কাকো তোষামোদ কৰি ঘূৰি ফুৰিব নোৱাৰে'। নৈতিকতাৰ দিশৰ পৰা সি সেইবোৰ নকৰেও। গতিকেই নৰেণে বেচৰকাৰী গ্ৰাহকৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱসায়ৰ ধৰণ পৰিবৰ্তন কৰিলে। যিহেতু নৰেণহঁতৰ দোকানখন গুৱাহাটীৰ মাজমজিয়াত ব্যৱসায়িক অঞ্চলত অৱস্থিত গতিকে সেই সুবিধা লৈয়েই নৰেণে দোকানৰ হাৰ্ডৱেৰ বয়বস্তু ব্যৱসায় কিছু সংকুচিত কৰি দোকানৰ আধাভাগত নতুন ব্যৱসায় আৰম্ভ কৰিলে। নৰেণে গুড়ি পাউডাৰ আৰু ফাষ্টফুড তৈয়াৰ কৰা সৰ্বভাৰতীয় জনপ্ৰিয় কোম্পানী এটাৰ গুৱাহাটীৰ পৰিবেশক তথা বিতাৰকৰ ভাৰ ললে। সাধাৰণতে কোম্পানীবোৰে যাকে তাকে-অন্ততঃ মূলধন যথেষ্ট নথকা লোকক পৰিবেশক অথবা বিতাৰক নাপাতে। কিন্তু নৰেণৰ দোকানৰ ভাল অৱস্থান আৰু নৰেণৰ ব্যৱহাৰলৈ চাই কোম্পানীটোৱে নৰেণৰ প্ৰতিস্থানটোক পৰিবেশক আৰু বিতাৰক পাতিলে। পৰিবেশক নিযুক্তি পোৱাৰ পিছঁত সেই সুবাদতেই নৰেণে বেংকৰ পৰা ঋণ ললে। এতিয়া নৰেণে কেৱল গুড়ি পাউডাৰ আৰু ফাষ্ট ফুডৰ ব্যৱসায়ৰ পৰা মাহে পঁচিশৰ পৰা ত্ৰিশ হাজাৰ টকা সকলো খৰচ বাদ দি আয় কৰে।

ব্যৱসায়ত সফল হোৱা সত্বেও নৰেণৰ মনত শান্তি নাই। নিজে ব্যৱসায়ী হ'ব বুলি সি জীৱনত কল্পনাও কৰা নাছিল। তাৰ জীৱনৰ উদ্দেশ্য ব্যৱসায় নাছিল। নৰেণৰ ইচ্ছা আছিল দেশখনৰ ভিতৰতেই এক বিখ্যাত আইনজীৱী হোৱাৰ ইচ্ছা আছিল ইয়াৰ ফাঁকে ফাঁকে অধ্যয়ন কৰা আৰু দেশৰ প্ৰচলিত জন বিৰোধী ৰাজনীতিৰ বিৰুদ্ধে এক বিকল্প ৰাজনীতিত অংশগ্ৰহণ কৰাৰ। নৰেণে যে সেই আশা এতিয়াও এৰি পেলাইছে সেইটো একেবাৰে নহয়। অপূৰ্ণ বাসনাই তাৰ বুকুৰ মাজত সুপ্ত



এক আগ্নেয়গিৰি দৰে খাপ লৈ বহি থাকিল সুবৰ্ণ সুযোগৰ অপেক্ষাত। ইতিমধ্যে ব্যৱসায়ৰ ফাঁকে ফাঁকে নৰেণে গুৱাহাটী উচ্চ ন্যায়লয়ত ওকালতি আৰম্ভ কৰিলে। অতি কমদিনৰ ভিতৰতে গুৱাহাটী উচ্চ ন্যায়লয়ৰ উকিল মহলত নৰেণৰ যথেষ্ট নাম হ'ল।

এইবাৰ নৰেণৰ বিয়াৰ কথা পৰিয়ালত চলিবলৈ ধৰিলে। এই ক্ষেত্ৰত মোহনে আগভাগ ললে। মোহনৰ মতে নৰেণৰ যথেষ্ট বয়স হৈছে; গতিকে বিয়া পাতিব লাগে। সাবিত্ৰীৰো মত সেয়েই। নৰেণৰ ইচ্ছা আছিল তাৰ আশা পৰিপূৰ্ণ হোৱাৰ পিছতহে সি বিয়া কৰাব। পিছে খুড়ায়েক আৰু মাকহঁতে নামানে। বুঢ়া-বুঢ়ী ককাক আইতাকৰতো কথাই নাই। বুঢ়া-বুঢ়ী হালৰ অৱস্থা আগৰ দৰে নাই, স্বাস্থ্য পৰি আহিছে। অৱশ্যে স্বাস্থ্য ভাগিলেও অসুখ বুলিবলৈ সাংঘাতিক একো নাই, কেৱল বাৰ্ধক্যই অসুখ। নৰেণহঁতৰ পৰিয়ালত হেনো আয়ুস বৰ বেছি। মোহনহঁতৰ ককাদেউতাক হেনো ১০৭ বছৰলৈকে জীয়াই আছিল, আইতাক জীয়াই আছিল ১১০ বছৰলৈ আজিকালি কোনেও এই কথা বিশ্বাস নকৰে। বুঢ়া বুঢ়ীৰ ইচ্ছা যে মৰাৰ আগতে আৰু এজন নাতি বা নাতিনীৰ মুখ চাই যাব। মোহনৰ মতে দেৰিলৈকে অবিবাহিত হৈ থকাৰ যথেষ্ট অসুবিধা আছে। চিৰকুমাৰ মোহনতকৈ এই কথা আৰু ভালদৰে উপলব্ধি কৰিব কেনেকৈ। শেষত অনিচ্ছা সত্বেও নৰেণে বিয়া পাতিবলৈ বাধ্য হ'ল। অনিচ্ছা মানে সাংঘাতিক অনিচ্ছা নৰেণৰ নাই কিন্তু নিজৰ জীৱনৰ লক্ষ্য পূৰ্ণ হোৱাৰ পিছত বিয়াখন হ'লে ভাল আছিল। কিন্তু নৰেণৰতো আৰু কোনো ভায়েক বা আন কোনো নাই যে ব্যৱসায় চম্ভালিব পাৰিব। ব্যৱসায়ত লাগি থাকিলে নৰেণে কেতিয়াও তাৰ আশা পূৰণ কৰিব নোৱাৰে সেই কথা সি জানে। খুড়াক মোহনে নৰেণৰ মনৰ কথা উপলব্ধি কৰিব পাৰিছিল। মোহনে জানিছিল যে নৰেণ বহু ওপৰলৈ যাব খোজে কিন্তু পৰিস্থিতিয়ে তাক পঙ্গু কৰি ৰাখিছে। শেষত মোহনে নৰেণক প্ৰস্তাৱ দিলে যে আৰু এবছৰৰ ভিতৰত মোহনে স্কুলৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিব। অৱসৰ লোৱাৰ পিছত মোহনে গুৱাহাটীৰ ব্যৱসায়ত পূৰাদমে মনোনিবেশ কৰিব, তেতিয়া নৰেণক ব্যৱসায় দায়িত্বৰ পৰা মুক্ত কৰি দিয়া হ'ব আৰু সি যি ইচ্ছা তাকে কৰিব পাৰিব। খুড়াকৰ প্ৰস্তাৱ শুনি নৰেণ উৎসাহিত হ'ল। শেষত নৰেণৰ বিয়াৰ আয়োজন কৰা হ'ল। ছোৱালী গুৱাহাটীৰেই। একালৰ ডিব্ৰুগড়ৰ পৰিয়াল। দেউতাক ডাক্তৰ। ছোৱালী বৰ গুণী। এম, এ পাছ, গান গায় নাচেও ভাল। নাম আশা। ৰবীন্দ্ৰনাথে গঢ়া পশ্চিমবংগৰ শান্তি নিকেতনৰ পৰা পাছ কৰা ছোৱালী। ছোৱালী ঠিক কৰিছে খুড়াক মোহনে এক বন্ধুৰ জৰিয়তে। নৰেণৰ বন্ধু-বান্ধৱ সকলৰ প্ৰত্যেকৰেই প্ৰেমিকা আছে। পিছে সৰুৰে পৰা নৰেণ ছোৱালীৰ ক্ষেত্ৰত অলপ লাজুক আৰু সেয়েহে ছোৱালীৰ সান্নিধ্য প্ৰায়েই এৰাই চলে। সেই গতিকেই নৰেণে নিজেই ছোৱালী ঠিক কৰিব নোৱাৰিলে। মোহনে ছোৱালী ঠিক কৰাৰ আগে আগে নৰেণক কিন্তু সুধিছিল।

"ক'ৰবাত ছোৱালী ঠিক কৰি থৈছ যদি ক'। সেইজনীকেই ঠিক কৰি দিওঁ।"

খুড়াকৰ আগত নৰেণে লাজ লাজকৈ কৈছিল–"সেইবোৰ মোৰ নাই। তহঁতে ছোৱালী চাবি।"

এদিন ধূমধামেৰে নৰেণ আৰু আশাৰ বিয়া হৈ গ'ল। নৰেণ-আশাৰ যুগ্মজীৱন সফলভাবেই অতিবাহিত হ'বলৈ ধৰে। নৰেণ লাহে লাহে প্ৰস্তুত হ'বলৈ ধৰে এবছৰৰ ভিতৰত তাৰ ব্যৱসায়ৰ সকলো দায়িত্ব অৱসৰপ্ৰাপ্ত খুড়াকৰ ওপৰত জাপি দি তাৰ ইচ্ছা পূৰণৰ বাবে। নৰেণৰ ইচ্ছা দিল্লীলৈ যোৱাৰ। তাতেই গৈ নিজকে সংস্থাপন কৰা নৰেণৰ ধাৰণা যে দিল্লীত সি নিজকে মেলি ধৰাৰ যথেষ্ট সুবিধা পাব। দিল্লীত যিকোনো উপায়ে এটি চাকৰি লোৱাৰ বাবে নৰেণে চেষ্টা চলাবলৈ ধৰিলে। মোহন অৱসৰ লোৱাৰ আগে আগে নৰেণে দিল্লীৰ কোম্পানী এটাত চেলছ এক্সিকিউটিভ পদৰ বাবে সাক্ষাৎকাৰৰ নিমন্ত্ৰণ পত্ৰ পালে। দিল্লীলৈ গৈ সাক্ষাৎকাৰ দিয়াৰ পিছত নৰেণৰ চাকৰিটো হৈয়েই গ'ল। নৰেণৰ বাবে চাকৰিটো বৰ ভাল নহয় যদিও দিল্লীত খোপনি লোৱাৰ বাবে সেই চাকৰিটোতেই সি যোগদান কৰিলে।

আৰম্ভ হ'ল নৰেণৰ জীৱনৰ সংগ্ৰামৰ আন এক অধ্যায়। প্ৰথমে কিছুদিনলৈ ঘৈণীয়েক আশাক নৰেণে দিল্লীলৈ লৈ যোৱা নাছিল। পিছত যেতিয়া দেখিলে যে দিল্লীত তাৰ সমস্যা নহ'ব। গতিকে নৰেণে আশাক এদিন লৈ গ'লহি। আশাক লৈ অহাত ঘৰখনত মাক সাবিত্ৰী অকলশৰীয়া হোৱাৰ বাবে দুখ লাগিল সঁচা। কিন্তু নৰেণৰ উপায়তো নাই। চাকৰিৰ ফাঁকে ফাঁকে নৰেণে দিল্লীৰ বিভিন্ন আদালতত ওকালতি কৰিবলৈ ধৰিলে। চেলছৰ চাকৰি কৰি ওকালতিৰ বাবে সময় উলিওৱা টান বাবে কিছুদিনৰ পিছত যেতিয়া নৰেণে দেখিলে যে সি ওকালতিৰে চলি যাব পাৰিব তেতিয়া সি চেল্চৰ চাকৰিটোও বাদ দিলে। নৰেণে জীৱনত যি কামকেই আৰম্ভ নকৰক কিয় সি কেতিয়াও পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাই।

অচিৰেই নৰেণ দেশৰ এজন খ্যাতনামা বাওঁপন্থী আইনজীৱীত পৰিণত হ'ল। নৰেণে মাজে মাজে কাকত সমূহত দেশৰ আইন আৰু প্ৰচলিত ৰাজনীতিৰ ওপৰত প্ৰবন্ধ লিখে। নৰেণে মাজে মাজে বিভিন্ন সভা সমিতিলৈ যায়। নৰেণৰ প্ৰগাঢ় অধ্যয়ন আৰু কথা ক'ব পৰা বিশেষ পাৰদৰ্শিতাৰ বাবেও নৰেণৰ খ্যাতি বাঢ়িছিল। গণতান্ত্ৰিক আৰু বাওঁপন্থী দলসমূহে নৰেণক বাওঁপন্থী বুদ্ধিজীৱী বুলিয়েই জানিছিল, তেওঁলোকৰ সম্মিলিত সভাসমূহত নৰেণে মাজে মাজে বক্তৃতাও দিছিল।

অসমত বহুতেই নৰেণক সমালোচনা কৰি কৈছিল যে সি নিজকে প্ৰতিষ্ঠা কৰাৰ বাবে ৰাজ্যখনৰ ৰাইজক নেওচা দি দিল্লী পাইছেগৈ। সিহঁতৰ উত্তৰত নৰেণে কয়, নিজকে প্ৰতিষ্ঠা কৰাটো বিপ্লৱ বিৰোধী কাম নহয়। দিল্লীলৈ যোৱা মানেই নিজৰ ৰাজ্যখনক নেওচা দিয়া হয় জানো? নৰেণেতো সুবিধা পালে অসমৰ ৰাইজৰ অভাৱ অভিযোগবোৰ দিল্লীৰ দৰবাৰে শুনাকৈ দাঙি ধৰে, তেনেহলে তাৰ বিৰুদ্ধে এই অভিযোগ জানো বাস্তৱ?

নিজৰ গতিপথত নৰেণে আগবাঢ়ি থাকে। ইতিমধ্যে নৰেণ আৰু আশাৰ এজনী ছোৱালীৰ জন্ম হৈছিল। আশায়ো নতুন দিল্লীত ঘৰবোৱাৰী হৈ বহি থকা নাছিল; নৰেণৰ প্ৰচেষ্টাতে দিল্লীৰ সংগীত নৃত্য একাডেমিত শিক্ষকতাৰ চাকৰি এটি আশাই পাইছিল। আশাই ভাবিছিল বিয়াৰ পিছত তাইৰ সকলো সংগীত তথা নৃত্য চৰ্চা শেষ হৈ যাব, কিন্তু আশাই তাইৰ মনে বিচৰা বস্তুটো বিয়াৰ পিছত পোৱাত অত্যন্ত সুখী হৈছিল। নৰেণ ছোৱালীজনী হোৱাৰ পিছত নৰেণহঁত এবাৰ পূজাৰ বন্ধত গুৱাহাটীলৈ আহিল। আজি কালি খুড়াক মোহনে গাঁৱৰ পৰা বৃদ্ধ মাক-দেউতাককো গুৱাহাটীলৈ লৈ আহিছিল। গাঁৱৰ ঘৰটো সম্পৰ্কীয় ভায়েক এজনক চাবলৈ এৰি দিছিল। বুঢ়া-বুঢ়ী হালে গাওঁ এৰি আহিব বিচৰা নাছিল, সিহঁতে নিজৰ ঘৰৰ ভেটিটোতেই মৰিব বিচাৰিছিল। কিন্তু মৰাৰ সময়ত নিজৰ পুতেক বোৱাৰীয়েক যদি কোনেও নাথাকে মুখত এটোপা পানী দিবলৈকে, তেনেহলে ভেটিটোতে খামোচ মাৰি থাকি কি লাভ। এইবুলি বুঢ়া-বুঢ়ী দুয়ো গুৱাহাটীলৈ আহিছিল। নৰেণৰ ছোৱালী জনীক পাই বুঢ়া বুঢ়ীহালৰ অপাৰ আনন্দ। "আমি কৈছিলো নহয় যে দুজন আজোনাতি নাতিনীৰ মুখ নেদেখাকৈ নমৰো। ভগবানে আমাৰ মনোবাঞ্ছা পূৰণ কৰিলে।"–বুঢ়াই আজোনাতিনীজনীক কোলাত তুলি লৈ এনেদৰে কৈছিল। পিতৃ হোৱাৰ পিছত নৰেণৰ মনত পৰিছিল নিজৰ শৈশৱ। কি এক অসুস্থ পৰিবেশৰ মাজত সি তাৰ শৈশৱ কটাবলগীয়া হৈছিল। নৰেণে নিজৰ শৈশৱক ঘৃণা কৰে। বিখ্যাত লেখক আঁদ্ৰে মলিৰোঁই কৈছিল যে তেওঁ জনা সকলো লেখকে নিজৰ শৈশৱৰ স্মৃতি ভাল পায়। কিন্তু তেওঁ নিজৰ শৈশৱকালটোক বৰ ঘৃণা কৰে। নৰেণে বিখ্যাত শিশুবিদ ডাঃ বেঞ্জামিন স্পোকৰ পৰা আৰম্ভ কৰি শিশুমনস্তত্ত্বৰ ভালেমান কিতাপ অধ্যয়ন কৰিছিল যাতে তাৰ ছোৱালীজনীক সুস্থ ভাবে ডাঙৰ দীঘল কৰিব পাৰে।

হাজাৰ ব্যস্ততাৰ মাজতো নিজৰ সন্তানৰ বাবে নৰেণে সময় উলিয়াই লৈছিল। নিজৰ আহত শৈশৱৰ অভিজ্ঞতাৰ বাবেই নৰেণে বৰ সজাগ হৈ পৰিছিল নিজৰ কন্যাৰ ক্ষেত্ৰত।

অসমৰ সামাজিক আৰু ৰাজনৈতিক আকাশত মধ্যবিত্তীয় সংকীৰ্ণতা গা কৰি উঠিছিল। এই সংকীৰ্ণতা অসমৰ আৰ্থ সামাজিক পটভূমিৰ বাবেই গঢ়ি উঠা এই পৰিবেশ যে দেশৰ অবক্ষয়ী ৰাজনীতিৰেই ফচল সেই কথা নৰেণৰ বুজিবলৈ বাকী নাছিল। নৰেণহঁতকতো একালত এই মধ্যবিত্তীয় সুলভপন্থী সকলে দেশদ্ৰোহীয়েই আখ্যা দিছিল পিছে আজিকালি ওলাই পৰিছে দেশদ্ৰোহী কোন আছিল। এতিয়া চলিছে সাম্যবাদৰ নামত স্বাধীনতাৰ নামত বিকৃত ৰাজনীতি। এই ৰাজনীতিৰ বিৰোধিতা কৰাৰ বাবে নৰেণক সেইসকলে বৰকৈ সমালোচনা কৰিছিল। সৰ্বভাৰতীয় স্তৰত সিহঁতৰ কুৎসিত ৰাজনীতিৰ মুখাখন নৰেণে খুলি দিয়াৰ বাবেই নৰেণক বেয়া পাইছিল। কিন্তু যি সকল যুক্তিবাদী সচেতন লোক সেইসকলৰ মনত নৰেণ আছিল এক আদৰ্শ। অসমত চলি থকা ভয়াবহ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বাওঁ আৰু গণতান্ত্ৰিক দলসমূহে একত্ৰিত হৈ শান্তিৰ পৰিবেশ ঘূৰাই অনাৰ বাবে বিভেদকামী ৰাজনীতিৰ প্ৰতিবাদত গুৱাহাটীৰ জজখেল পথাৰত ২৫ জুলাই তাৰিখে ৰাজহুৱা সভা আহ্বান কৰা হৈছিল।

হঠাৎ ককাদেউতাকৰ মৃত্যুৰ খবৰ পোৱাত সপৰিয়ালে নৰেণ গুৱাহাটীলৈ আহিল। নৰেণৰ জীৱনত ককাকৰ এক ভূমিকা আছে। সৰুৱে পৰাই ককাক-আইতাকে নৰেণক বৰ মৰম কৰিছিল। ককাকে নৰেণক কোৱা মহাভাৰত ৰামায়ণ আৰু অন্যান্য আখ্যানৰ উপৰিও ককাকে পঢ়া নানান গল্প শুনাইছিল যিবোৰে নৰেণৰ জীৱনৰ সাফল্যত এক বিশেষ অৰিহণা যোগাইছিল। ককাকৰ মৃত্যুত নৰেণ বৰ ম্ৰিয়মান হৈ আছিল। নৰেণৰ পৰিয়ালৰ আটাইবোৰৰ একেই অৱস্থা। শোচনীয় অৱস্থা নৰেণৰ আইতাকৰ। সুদীৰ্ঘ সত্তৰ বছৰ যুগ্মজীৱন যাপন কৰাৰ পিছত গিৰিয়েকৰ বিয়োগে পত্নীৰ মনত যি আঘাত দিয়ে সেই আঘাত নৰেণৰ আইতাকেও অনুভব কৰিছিল। সকলোৱে বুঢ়ীক প্ৰবোধ দিছিল যে এই বয়সত মৰাটো স্বাভাৱিক কথা। অৱশ্যে ককাকৰ মৃত্যু বুঢ়া হোৱা বাবে হোৱা নাছিল ডাক্তৰে কোৱা মতে হঠাৎ ৰক্তচাপ বাঢ়ি যোৱাত হৃদৰোগত আক্ৰান্ত হৈহে বুঢ়াৰ মৃত্যু হৈছিল।

নৰেণ গুৱাহাটীলৈ অহাৰ খবৰ পাই ২৫ জুলাইৰ ৰাজহুৱা সভাৰ উদ্যোক্তাসকলে নৰেণক মুখ্য বক্তা হ'বলৈ অনুৰোধ কৰিলে। নৰেণে কলে যে এই মানসিক পৰিস্থিতিত তেওঁ কি বক্তৃতা দিব? অগত্যা উপায় নাই নৰেণ মান্তি হ'ল। ভিতৰি ভিতৰি নৰেণৰ মন আছিল অসমৰ এই ভয়াবহ পৰিস্থিতি শাম কটাবলৈ ভূমিকা লবলৈ। সেইবাবেই বিশেষ বাধা নিদি নৰেণে মুখ্য বক্তা হিচাপে ২৫ জুলাইৰ সভাত যোগদান কৰিবলৈ সন্মত হ'ল। বাওঁ পন্থী তথা গণতান্ত্ৰিক দলৰ সভা বুলিলে তাত মানুহ একেবাৰে নোহোৱা নহয়। বিশেষকৈ এই পৰিস্থিতিত কিবা এটা কৰাটো অসমৰ সকলো শান্তিকামী ৰাইজেই বিচাৰিছে। গতিকেই সভাত যথেষ্ট সংখ্যক ৰাইজৰ উপস্থিতি দেখা গ'ল। বাওঁপন্থী দলসমূহে আগৰে পৰা সংগঠিত কৰি গাওঁ অঞ্চলৰ পৰা বাছেৰে ৰাইজ সভাৰ বাবে লৈ আহিছিল। এনেদৰে সংগঠিত আৰু স্বতঃস্ফূৰ্ত্ত যোগদানৰ ফলত সভাত ৰাইজ ভৰি পৰিছিল।

সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছত দহমিনিট মানৰ বাবে ভাৰতীয় গণতান্ত্ৰিক দলৰ সভাপতি নীহাৰেন্দ্ৰ হাজৰিকাই বক্তব্য দাঙি ধৰে। ইয়াৰ পিছতে মুখ্য অতিথি হিচাপে আৰম্ভ হয় নৰেণৰ বক্তব্য। নৰেণে তাৰ স্বভাৱসুলভ ভঙ্গীৰে আৰম্ভ কৰে তাৰ বক্তব্যঃ

শ্ৰদ্ধেয় ৰাইজ,

কওকচোন আপোনালোকে–দোষ কাৰ? এই ভয়াবহ পৰিস্থিতিৰ বাবে, ইজনে সিজনক বিশ্বাস নকৰা ৰাজনীতিৰ বাবে দোষ কাৰ? প্ৰতিদিনে গুলি, বোমা, হত্যা, হত্যাৰ ৰাজনীতিয়ে কৰা স্বাৰ্থ পূৰণ কৰিছে? .........

এনেদৰে বক্তৃতা আৰম্ভ কৰাৰ ঠিক পাঁচ মিনিট পিছতেই শব্দ। হঠাৎ মঞ্চত থিয় হৈ থকা নিৰাপত্তাৰক্ষী এজনে নৰেণক ঠেলি দিলে। নৰেণ একাষৰীয়া হৈ যোৱাৰ লগে লগে নিৰাপত্তাৰক্ষী ঢলি পৰিল। উপস্থিত ৰাইজে তৰ্কিব পৰাৰ আগেয়ে পুলিচে মঞ্চৰ পশ্চিমফালে হাতত কাৰ্বাইন লৈ দৌৰি যোৱা যুৱক এজনৰ ফালে লক্ষ্য কৰি গুলি চলালে। যুৱকজনেও গুলিৰে প্ৰত্যুত্তৰ দিলে। দুই মিনিট পিছত গুলীয়াগুলি শেষ হ'ল। ৰাইজৰ মাজত হুৱাদুৱা লাগিল। হাতত কাৰ্বাইন লোৱা যুৱকজন পুলিচৰ গুলিত নিহত হ'ল। ৰাজহুৱা সভাৰ আগে আগে প্ৰশাসনে নিৰাপত্তাৰ খাতিৰত জজখেল পথাৰত পুলিচ দিছিল। যুৱকজনৰ মৃতদেহ আৰু নৰেণক ঠেলি দি নিজে গুলি খোৱা নিৰাপত্তাৰক্ষীগৰাকীৰ দেহ পুলিচে লৈ গ'ল। ডাক্তৰে হাস্পাতালত দুয়োকে নিহত ঘোষণা কৰিলে। সকলোৱে গম পালে যে কোনোবাই নৰেণক হত্যা কৰাৰ বাবে বক্তৃতা মঞ্চলৈ গুলি চলাইছিল, কিন্তু মঞ্চৰ পিছত সাধাৰণ পোছাকত থিয় হৈ থকা নিৰাপত্তা ৰক্ষীজনে নৰেণক ঠেলি দিয়াত গুলি নৰেণৰ গাত নালাগি নিৰাপত্তাৰক্ষী জনৰ গাত লাগিল। ৰাজহুৱা সভাত উপস্থিত ৰাইজৰ আধা কেউদিশে পলাল। উপস্থিত থকা আধা লোক সন্ত্ৰস্ত হৈ ঘৰাঘৰি যাবলৈ ওলালে। এনেতে নৰেণে পুনৰ বক্তৃতা মঞ্চত থিয় হৈ চিঞৰিব ধৰিলেঃ

সন্ত্ৰস্ত নহ'ব ৰাইজ! সিহঁতৰ উদ্দেশ্য আন একো নহয় সন্ত্ৰাস বিয়পাই দিয়া। সিহঁতে আমাৰ কণ্ঠ ৰোধ কৰিব খুজিছে আমি আমাৰ কণ্ঠৰোধ হ'বলৈ নিদিওঁ। আপোনালোকে ধৈৰ্য ধৰক ৰাইজ, আমি ইয়াত সভা পাতিবই লাগিব আমাৰ প্ৰত্যেকৰে মতামত দাঙি ধৰিবই লাগিব। আপোনালোক যদি ঐক্যবদ্ধ হৈ থাকে তেনেহলে কোনো সন্ত্ৰাসেই আপোনালোকক দমন কৰিব নোৱাৰে।"......

নৰেণে দাড়ি কমা নোহোৱাকৈ প্ৰচণ্ড আবেগেৰে বক্তৃতা দি গ'ল। ছত্ৰভঙ্গ হোৱা ৰাইজ এজন দুজনকৈ পুনৰ গোট খালে। আবেগৰ তাড়নাত নৰেণে কি কলে নিজেই ক'ব নোৱাৰে। নৰেণৰ বক্তৃতাৰ শক্তিশালী প্ৰভাৱত উপস্থিত ৰাইজ সকলোৱে ধ্বনি দিবলৈ ধৰিলে– 'সন্ত্ৰাসবাদ বন্ধ কৰক' 'হত্যাৰ ৰাজনীতি বন্ধ কৰক' 'হত্যাৰ ৰাজনীতি বন্ধ কৰক' 'ৰাইজৰ ঐক্য জিন্দাবাদ'। 'নৰেণ, তালুকদাৰ জিন্দাবাদ ইত্যাদি।

সভাৰ শেষত নৰেণ পোনে পোনে হাস্পাতাললৈ গ'ল। হাস্পাতালত খবৰ পালে যে নৰেণলৈ যিজন যুৱকে গুলীয়াইছিল সেইজন যুৱকৰ থিতাতে মৃত্যু হৈছে আৰু নৰেণক বচোৱা নিৰাপত্তা ৰক্ষকজনৰ হাস্পাতালত মৃত্যু হৈছে। নৰেণক হত্যা কৰিব খোজা যুৱক জনক চিনাক্তও কৰা হৈছে ইতিমধ্যে। এই আঠাইশ বছৰীয়া যুৱকজন অবিনাশ বৰুৱা। গুৱাহাটীৰেই দিচপুৰ সচিবালয়ত কাম কৰা এজন চতুৰ্থ শ্ৰেণী কৰ্মচাৰী মহানন্দ বৰুৱা চাৰিজন পুতেকৰ ভিতৰৰ ডাঙৰজন। যোৱা দুবছৰ ধৰি অবিনাশ ঘৰত নায়েই। সকলোৱে জানে অবিনাশ সন্ত্ৰাসবাদী হ'ল। মৃত নিৰাপত্তাৰক্ষীজনৰ খবৰ লোৱাৰ পিছত অবিনাশৰ মৃতদেহৰ কাষত থিয় হৈ নৰেণে একেথৰে তাৰ মুখলৈ চাইছিল। দাড়িয়ে চুলিয়ে নৰেণে অবিনাশৰ চেহেৰাৰ সৈতে তাৰ নিজৰ মৃত ককায়েক বীৰেনৰ চেহেৰাৰ সামঞ্জস্য বিচাৰি পাইছিল। নৰেণ যেতিয়া ভাৱত মগ্ন তেতিয়া এজন বয়সস্থ লোকে নৰেণক সাবটি ধৰি হুকহুকাই কান্দি কান্দি কলেঃ

"মই অবিনাশৰ দেউতাক, আপুনি তাক ক্ষমা কৰিব। বেচেৰাক মই পঢ়াশুনা কৰিবলৈ দিব নোৱাৰিলো, বিচাৰি বিচাৰি চাকৰি এটাও নাপালে সি। মোৰ সীমিত আয়েৰে ঘৰখন চলাবও নোৱাৰো। শেষত সি এই পথটোকে ললে। আমি বাধা দিছিলো সি নুশুনিলে। সিহঁতৰ সৈতে সি এদিন গুচি গ'ল। আপুনি মোৰ দুৰ্ভগীয়া ল'ৰাটোক ক্ষমা কৰিব ছাৰ। ঘৰত থাকোতে সি পৰুৱা এটা গছকি মাৰিব নোৱাৰিছিল ছাৰ, তাক সিহঁতে নি কিবা কৰিলে ছাৰ–নহলে সি কেতিয়াও মানুহ মাৰিব নোৱাৰে। তাক ক্ষমা কৰিব ছাৰ। .........


"আপুনি নেকান্দিব। মই তাক ক্ষমা কৰিছো বৰুৱা।"–নৰেণে এনেদৰে কোৱাত মহানন্দ বৰুৱাৰ কান্দোন কমি আহিল।

হাস্পতালৰ পৰা ঘৰলৈ উভতি আহোতে নৰেণৰ কেৱল ককায়েক বীৰেণৰ কথাই মনত পৰিছিল। অবিনাশ আৰু বীৰেণৰ কাহিনী যেন একেই। বৈষম্যপূৰ্ণ সমাজ ব্যৱস্থাৰ ফল অবিনাশ আৰু বীৰেন। অবিনাশে আনক হত্যা কৰি নিজৰ ক্ষোভ আৰু হতাশাৰ জ্বালা পূৰাব বিচাৰিলে। বিপথে যাবলৈ সুবিধা নোপোৱা বীৰেনে নিজৰ ভিতৰতে গুজৰি গুমৰি নিজকেই হত্যা কৰি এই সমাজৰ ওপৰত যেন পোতক তুলিলে। বীৰেন আৰু অবিনাশ যেন সামাজিক বৃষবৃক্ষৰ দুটি ফল।

এহাতে ককাকৰ মৃত্যু আনহাতে তাক বচাবলৈ যোৱা নিৰাপত্তা ৰক্ষীজনৰ মৃত্যু আৰু তাক হত্যা কৰিবলৈ উদ্যত হোৱা অবিনাশৰ মৃত্যু– আনহাতে ককায়েক বীৰেনৰ মৃত্যুৰ স্মৃতিয়ে নৰেণক জীৱনত পোন প্ৰথমবাৰৰ বাবে সিদিনা অতি বিমৰ্ষ কৰি তুলিছিল। ❑ ❑

# আন্তৰিক

প্ৰফুল্ল চন্দ্ৰ বৰা



অংকন ঃ চম্পক বৰবৰা

আজি আকৌ আদিত্য গোস্বামী আহিছিল। সেই যে কিতাপৰ দোকান আছে, এসময়ত ক্ৰিকেট খেলিছিল–সেই আদিত্য গোস্বামী। সেইযে নিতৌ একোটা মোক কাহিনী কয়হি, সেই আদিত্য গোস্বামী।

আজিও সেই একেই গতানুগতিক আৰম্ভণি।

প্ৰথমতে ক'লে ঃ বুইছে বৰা, কথাটো অন্ততঃ কোনোবা এজন ৰসজ্ঞ ব্যক্তিকেই ক'ব লাগিব। অৱশ্যে হঠাতে লগ পোৱা যি কোনো এজনকে কথাটো কৈ দিব পৰাহেঁতেন মই অনায়েসে নিষ্কৃতি পালোহেঁতেন। কিন্তু মই কোনো দিনেই কোনো পৰিস্থিতিতেই সেইটো কৰিব বিচৰা নাই। এসময়ত এই ভুলটো কৰিছিলো, কিন্তু আজি কালি পাত্ৰ-অপাত্ৰ বিচাৰ কৰিহে কথা কওঁ। আটায়ে এইবোৰ এপ্ৰিচিয়েট কৰিব নাজানে। অক্ষম। কিছুমানতো অপদাৰ্থ। অৱশেষত বৰা, আপোনাকেই দিগদাৰি কৰিব লগা হয়।......

মোৰ কেতিয়াবা খং উঠিছিল। কেতিয়াবা চৰম ঔদাসীন্যও দেখুৱাইছিলো, কেতিয়াবা অৱজ্ঞাও কৰিছিলো। কিন্তু তাৰ মাজতো যে তেওঁৰ বচন-ভংগী আৰু কাহিনীবোৰৰ প্ৰতি মোৰ ঔৎসুক্য নাছিল এনে নহয়। মই ঠিক বুজাব নোৱাৰিলেও তাৰ মাজত কিবা এটা পাইছিলো।

মই গোস্বামীৰ ব্যৱহাৰ, কথা-বতৰাৰ ধৰণ-কৰণ, তেওঁৰ খেয়ালি মনোভাবৰ লগত ভালকৈয়ে পৰিচিত। সেইবাবে তেওঁৰ সমস্যাবোৰ বুজি পোৱাত মোৰ অসুবিধা প্ৰায়েই নহৈছিল। কিন্তু এক শ্ৰেণীৰ মানুহে তেওঁক পাগল বুলি কোৱা মই নিজ কাণেৰে শুনিছো। কোনো কোনোৱে ক'ব খোজে তেওঁৰ চেক্সছুৱেল পাৰ্ভাৰশ্যন, কোনোৱে কয় মানুহটো আচলতে বৰ ইনট্ৰ'ভাট, কোনোৱে কয় ভোলানাথ। মই এনেকুৱা দুই এক ভদ্ৰলোকো পাইছো যি সকলে কবলৈ প্ৰয়াস কৰে যে গোস্বামী এক নম্বৰ মুখা পিন্ধা ভণ্ড–যি ইনটেলেকচুৱেলৰ ভাও দিবলৈ বৃথা চেষ্টা কৰে। কিন্তু ইমান নিবিড় ভাৱে লগ পায়ো মই আদিত্য গোস্বামীৰ সম্পৰ্কে আজিও এটা স্পষ্ট আৰু নিৰ্দিষ্ট ধাৰণা ল'ব পৰা নাই।

কিন্তু গোস্বামীয়ে মোক চিৰদিনেই ৰসজ্ঞ ব্যক্তি বুলিয়েই ভাবি আহিছে। ভাবি অহাই নহয় এই কথা তেওঁ প্ৰকাশ্যে মোৰ আগত আৰু আন দহজনৰ আগতো ব্যক্ত কৰা মই নিজ কাণেৰে শুনিছো। তেওঁৰ ভাষাত মই এজন চমজদাৰ শ্ৰোতা আৰু মোৰ মাজত তেওঁ দেখা পায় এজন 'চেনজিবল' মানুহ।

আজি আকৌ গোস্বামী আহিছিল। তেওঁ মোক কলেহি ঃ এটা খবৰ লৈ আহিছো।

বিগত বছৰ কেইটাত মই তেওঁক লগ পোৱাৰ আৰু চিনাকি হোৱাৰ দিন ধৰি তেওঁ মোক কৈ অহা বিভিন্ন ঘটনাবোৰৰ বিৱৰণ মোৰ মনত পৰিল। সেই ঘটনাবোৰৰ ভিতৰতে কেইটামানক লৈ তেওঁ মোক গল্প লিখিবলৈকো সকীয়াই দিছিল। তাৰ ভিতৰৰে মোৰ মনত পৰা দুটামান হ'ল এনে ধৰণৰ।

এদিন দুপৰীয়া গৰমত ঘামি জামি গোস্বামী ঘপহকৈ ওলালহি। পোন চাটেই কোনো পাতনি নোহোৱাকৈ কলে ঃ বুইছে বৰা, লিখক লিখক এইটো মজাৰ প্লট। মই আজি পুৱা নিজ চকুৰে দেখি আহিছো। হায়াৰ চেকেণ্ডেৰীৰ ৰিজাল্ট ওলোৱাৰ এমাহ আগতে ল'ৰাটো ঢুকাল। এনেকেফেলাইটিছ হৈছিল বুলি ডাক্তৰে কৈছিল। ৰিজাল্ট ওলাল। ফাৰ্ষ্ট ডিভিজনত পাছ কৰিছিল। চোকা ল'ৰাতো। কি কম মোৰ বুকুখন ভাগি ডোখৰ ডোখৰ হৈ গ'ল। কিন্তু মই আপোনাক ক'ব খোজা কথাটো তাতকৈও বেছি হৃদয় বিদাৰক। বাপেকটোৱে মৰি যোৱা ল'ৰাটোৰ মাৰ্ক চিট খনৰ তিনিটা কপি জেৰ'ক্স কৰাই আনি মানুহক বাটে-ঘাটে য'তেই লগ পাইছে দেখুৱাই ফুৰিছে। তাকে দেখি মানুহে সমবেদনা জনোৱা নাই, কৈ ফুৰিছে বোলে মানুহটোৰ মগজৰ গণ্ডগোল হৈছে। কিন্তু কথাটো কি জানে ? অপত্য স্নেহটো কি নুবুজা মানুহে তেনেকৈয়ে ক'ব। আৰু নিজৰ সন্তান যাৰ মৰা নাই সিও এইবোৰ কথাৰ গুৰুত্ব বুজি নাপায়। মটৰ এক্সিডেণ্ট হৈ মৰা মোৰ ল'ৰাটোৰ মেট্ৰিক পৰীক্ষাৰ চাৰ্টিফিকেটখন মই এতিয়াও উলিয়াই মনে মনে চাওঁ জানে ? কিন্তু কিয় চাওঁ বুলি আপুনি মোক সুধিলে মই তাৰ উত্তৰ দিব নোৱাৰো। লিখক বুইছে, এইবোৰ কথাক লৈ গল্প লিখক।

আন এদিন–

ঃ হেৰি বৰা, হৰিচৰণ মাষ্টৰৰ বিধৱা ঘৈণীয়েকজনী–মাষ্টৰণী যে–নামটো কি আছিল ? ৰ'ব ৰ'ব মনত পৰিব, বাৰু নামটো বাদ দিয়ক। তাইৰ বয়স খুব বেছি হৈছে যদি সাতাইশ-আঠাইশ। সতি-সন্ততিতো নায়েই। এতিয়া মানুহে ক'বলৈ লৈছে তাই হেনো চৰিত্ৰহীনা। মই কিন্তু কৈছো, কেনেকৈ চৰিত্ৰহীনা বুজাই কোৱা আৰু তাৰ প্ৰমাণ দিয়া, নহ'লে মই নেৰিছো। মই মানুহক ভেচ্‌ভেচীয়া কৰি পঠাইছো। জবাব বন্ধ কৰি দিছো। হেৰি চাওক, গাভৰু তিৰোতা, তাইৰ নাই যি নাই, মতাটোৱেই নাই, ল'ৰা-ছোৱালী হ'বলৈকে নাপালে, আশ্ৰয় বুলিবলৈ কোনো নাই। মানুহে কথাবোৰ দকৈ ভাবি নাচাই ফট্‌কৈ ৰিমাৰ্ক একোটা পাছ কৰি দিয়ে। ইৰ্‌ৰেচপন্‌চিবোল। মই মাজে মাজে তাইৰ ওচৰলৈ যাওঁ। মই তাইক কৈছো, নিগাজীকৈ কোনোবা এটা মানুহ লোৱা। ওলাব, মানুহ ওলাব। মোৰ নিচিনা মানুহেই ওলাব। কি কয় আপুনি ? লিখক লিখক, মজাৰ গল্প হ'ব।

আৰু এদিন–

ঃ বুইছে বৰা, পৰহি বুধবাৰে ঘপহকৈ যাওঁ বুলিয়েই চাইকেল খন লৈ গুচি গ'লো। কʼলৈ ক'ব পাৰে হ'বলা ? আপুনি কিজানি তালৈ কোনো কালেই যোৱা নাই। আপোনালোক এলিটতো। মানে বৰসুঁতি মিচিং গাঁৱৈ গ'লো। তাত তাহানি আমাৰ লগত পঢ়া চাকিৰাম দলৈ আছিল। সি মৰিল। ককাই-ভাইবোৰ আছে। গ'লো আৰু। এঘাৰনে বাৰ কিলোমিটাৰ। চাইকেল মাৰিয়েই গ'লো। গৈ পোৱা মাত্ৰকে চাকিৰামৰ ভায়েক চেনিৰামে বোলে ককাইদেউ, আনে মৰম চেনেহ এৰিলে এৰক। আপুনি কিন্তু এৰিব নালাগিছিল। ককাইদেউ মৰিল, আপুনিতো আছে। ককাইদেউৰ ডাঙৰ ল'ৰা মদনৰ বিয়ালৈতো আপুনি আহিব লাগিছিল।–কি কম বৰা, মোৰ সেই পিনেই মুখৰ মাত হৰিল। চাকিৰামৰ ল'ৰা মদন বৰসুঁতি হাইস্কুলৰ চায়েন্স টিছাৰ। লক্ষীমপুৰৰ ধেমাজিৰ ছোৱালী এজনী বিয়া কৰাই আনিলে অলপতে। বোৱাৰীজনীয়ে দিয়া এই গামোছা খন চাওক। ফুলটো দেখিছে। তাই নিজে বোৱা। লগতে তাই কেইটামান কাঁৱৈ মাছ বঢ়িয়াকৈ ফ্ৰাই কৰি এগিলাছ আপঙৰ লগত দিলে। খাই অপূৰ্ব তৃপ্তি পালো। মই আৰু এগিলাছ খুজি খালো। মোৰ চাইকেল মাৰি যোৱা-ভাগৰ ক'লৈ পলাল ঠিকনা নাই। চাকিৰামৰ আৰু চম্পা নামৰ ছোৱালী এজনী আছিল। ছোৱালীজনীৰ চেহেৰাওযে কি সুন্দৰ। আমাৰ বামুণ-গোসাঁইৰ ছোৱালীয়ে তাইৰ জোৰ ল'ব নোৱাৰে। ভিতৰত গুণগুণাই কিবা এটা গাই আছিল। এনে অপূৰ্ব মইনা চৰাইৰ যেন মাত। মই কলো বোলো হেৰ' ৰেডিঅ'ত অডিশ্যন-তডিশ্যন দেচোন। কিবা ঐনিতম-চৈনিতম গাবলৈ পাবই কিজানি। তাই মোক কি ক'লে ক'ব পাৰে ? তাই অডিশ্যন দি এতিয়া বৰগীত গাবলৈ চান্স পাইছে। দেখিলে ? মই মূৰ্খই ভাবি আছিলো মিৰি ছোৱালী যেতিয়া ঐনিতমহে গাব পৰিব। বুইছে বৰা, এইটোকে লৈ গল্প এটা লিখক হে। পাৰিব পাৰিব, ভাল গল্প হ'ব। এইবোৰ কথা আপোনালোকৰ চকুত নপৰেতো।......

...... ঠিক সেইদৰে এবাৰ গোস্বামীয়ে ক'লেহি ঃ অপাত্ৰত অৰ্থাৎ অল্পজ্ঞানী, বেৰসিকৰ ওচৰত কথা কোৱাই অনুচিত। দাম্ভিকৰ ওচৰতো ক'ব নাপায়। মই নিজৰ এক্সপিৰিয়েন্সৰ পৰাহে কৈছো। মই চব মানুহকে চিনি পালো বুইছে। আৰু ঘৰে পৰে এই মানুহবোৰক সদায় পায়েই আছো। সিদিনা অলপতে মানে যোৱা ঐকেশ তাৰিখ বুধবাৰে আবেলি ৰবীন্দ্ৰ দাসক এই কথাটোকে কলোগৈ। বুইছে দাস, এইযে আমাৰ ৰমেশ্বৰ গোস্বামীৰ ল'ৰা সেই ইঞ্জিনিয়াৰটোৱে বলীন দত্তৰ ছোৱালীজনী আনিছে, মই কথাটো সমৰ্থন কৰা নাই। কিয় জানে ? সিতো সামাজিক বিপ্লৱ এটা সৃষ্টি কৰিবলৈ বা কিবা আদৰ্শ এটা দেখুৱাবলৈ কোঁচ মানুহৰ ছোৱালীজনী অনা নাই। প্ৰেমত পৰি, ব্যভিচাৰ কৰি শেষত বাধ্যত পৰি ছোৱালীজনী আনিব লগা হ'ল। গতিকে তেনেকৈ ৰম গোসাঁইৰ ল'ৰাই সেই ছোৱালীজনী অনাটো সমৰ্থন কৰা নাই। বুইছে বৰা, দাসে মোৰ কথাটোৰ স্পিৰিটটো বুজিব নোৱাৰিলে। মোক চিধাই ক'লে বোলে আপোনালোকৰ বামুণ-গোসাঁইবোৰে এই সামাজিক পৰিবৰ্ত্তনবোৰ অন্তৰেৰে মানি ল'ব পৰা নাই। গোঁসাইৰ ল'ৰাই কিনো বেয়া ছোৱালীজনী নিছে। তায়োতো হাইলি কোৱালিফাইদ ছোৱালী। দেখিলে দাসে কি বুজিলে ? লিখক, এইবাৰ আপুনি মোকে লৈ লিখক। মাত্ৰ মোৰ উদ্দেশ্যটো, স্পিৰিটটো বুজিব পৰাকৈ লিখিব।......

তাৰ পিছত যোৱা দেওবাৰে মোক বাটত ধৰি, কথা নাই, বতৰা নাই এজাউৰি গালি পাৰিলে ঃ কিহৰ প্ৰফেছৰ ওলাইছেহে ? লগৰ প্ৰফেছৰে কি কাণ্ড কৰিছে দেখা নাই ? বাতৰি কাকত পঢ়া নাই ? এজন প্ৰফেছৰে, যদি ঘৰত বন কৰা বাৰ-তেৰ বছৰীয়া ছোৱালী এজনীক এনেদৰে কৰুণ শাস্তি দি আধা মৰা কৰিব পাৰে, তেতিয়া হ'লে এইখন পৃথিৱীত আমি কাৰ মুখলৈ চাই জীয়াই থাকিম ? কিয় আপোনালোকে তেওঁক শাস্তি নিদিয়ে ? কিয় মনে মনে বহি আছে ? কিয় আপুনি এই বিষয়ে ক'তো এটা প্ৰতিবাদৰ শব্দ লিখা নাই ? আমি কৈফিয়ৎ বিচাৰিম। আপোনালোক কোনো সাৰি যাব নোৱাৰে। মানুহৰ জীৱনক লৈ খেলা খেলিবলৈ আহিছে ?

আদিত্য গোস্বামীয়ে মোক ৰঙা চকু দেখুৱাই ভোঁ ভোঁ কৈ আঁতৰি গুছি গ'ল। মই একো উত্তৰ-প্ৰত্যুত্তৰ দিবলৈ সময় নাপালো। কেউফালে চালো, দুই এক বাটৰ মানুহেও বোধকৰো পৰিস্থিতিটো লক্ষ্য কৰি গৈছে। মই অনুভৱ কৰিলো, গোস্বামী লাহে লাহে পাগল হৈ গৈ আছে। ......

......আজি আকৌ আদিত্য গোস্বামী আহিছিল।

আহিছিল ঠিক দুপৰীয়া বাৰ ছাৰে বাৰ মান বজাত। এইবাৰ জানিবা গতানুগতিক ৰসিক, বেৰসিক, পাত্ৰ-অপাত্ৰৰ পাতনি নাই। আজি আন দিনাৰ দৰে তেওঁৰ মুখতো ৰুক্ষতাৰ আভাস নাই।

তেওঁক দেখিয়েই মোৰ খং উঠিছিল, কিছু সন্ত্ৰস্তও হৈছিলো। স্বাভাৱিক কাৰণতেই। কিন্তু আজি তেওঁৰ প্ৰথম মাত আষাৰতেই তেওঁৰ প্ৰতি কিবা এটা অজান কাৰণত মোৰ মনটো হঠাতেই সহানুভূতিশীল হৈ উঠিল।

ঃ সেইখন কি কিতাপ পালে ? পঢ়ক পঢ়ক। অকণমান দিগদাৰি কৰিবলৈ আহিলো, বেয়া নাপাব।

ঃ বহক, ক'ৰ পৰা আহিলে ?

ঃ বৰাদেউ, কেতিয়াবা মোৰ হাতত ভাল খবৰো থাকে বুইছে। বিয়া এখন পাতিছো।

ঃ হয়নেকি ? মানে আপোনাৰ অৰ্থাৎ ......

ঃ এহ্ ৰ'বচোন। হুলস্থুল নকৰিব। মোৰ বিয়া হ'লে কিবা মহাভাৰতখন অশুদ্ধ হ'ব নেকি ?

ঃ নহয়, মানে মই ঠিক সেইটো ক'ব খোজা নাই। মই মানে কথাটো ধৰিব পৰা নাই।

ঃ হৰিচৰণ মাষ্টৰৰ বিধৱা মানুহজনীৰ কথাটো মনত আছেতো। অ' তাইৰ নামটো কালিহে ভালকৈ জানিছো বাসন্তী দেই, বাসন্তী বৰুৱা। তাইৰ লগতেই ......

ঃ মানে আপুনি বিয়া পাতিছে–আপোনাৰ ?

ঃ শুনকচোন। তাইৰ দেধাৰ বদনামতো। আপোনাক বোধকৰো কৈছোৱেই কেতিয়াবা। মই তাইক জোকাই থকোতো। বোলো সেইবোৰ কৰাতকৈ ল'ৰা-ছোৱালীও নাই যেতিয়া কাৰোবাৰ লগত পকা বন্দৱস্ত এটা কৰি নেপেলাৱ কিয় ? পিছে কি হ'ল ক'ব পাৰে ? তাই এতিয়া মোৰ ডিঙিত ওলমিল।

মই দস্তুৰমতে অপ্ৰস্তুত হ'লো।

ঃ মানে ?

ঃ ভয় নাখাবচোন। পৃথিৱীখনত ক'ত ঘটনা নিতৌ ঘটি আছে। তাৰ ভিতৰৰে জানিবা ইও এটা মামুলি ঘটনা।

ঃ আজি আকৌ আপুনি দীঘলীয়া পাতনি মেলিবলৈ আহিল। কথাটো বুজাই নকয় কিয় ?–মই কিছু টান সুৰত কলো।

ঃ মই দাং বৰলা হ'লেও মোৰ ডিঙিত সেইধাৰ ৰুদ্ৰাক্ষৰ মালা আঁৰিব খোজা নাই। মানুহ এটা পালো। তাইৰে নিচিনা। কিন্তু তাৰ লগতো মোৰ বহুত দিন যোগাযোগ নাছিল। ঘৰ লক্ষীমপুৰৰ ফালে আছিল। নামটো দেহেশ্বৰ শইকীয়া। তাহানি আমাৰ লগত ফুটবল খেলিছিল। চেণ্টাৰ হাফৰ বৰ ভাল প্লেয়াৰ আছিল। সি কিবা এটা কৰি থাকে। বেচেৰাৰ বিয়া বাৰু নহলেই। মোৰ নিচিনাই অৱশ্যে। মোৰ জানিবা তিৰোতা জনী মৰি থাকিল। পাৰ্থক্য সিমানেই। বৰ বেয়া লাগেহে বৰা। মানুহজনী নহ'লে মানুহৰ কি দুৰ্গতি কি বুজাম। আপুনি ক'ত বুজিব ? নিজৰ গাভৰু তিৰোতা থকা মানুহতো।

ঃ এতিয়া আপুনি কি কৰিব খুজিছে ?

ঃ সি সিদিনা মোৰ ওচৰত ওলালহি। বয়স বাৰন নে তেৰান। বোলে বিয়া কৰায় হেনো। বাসন্তীকে দেখুৱালো। সি ক'লে, পছন্দ হৈছে। বাসন্তীয়েও ক'লে বোলে হ'ব। এতিয়া কিং হ'ল জানে ? অকল বাসন্তীয়েই নহয়, দেহেশ্বৰটো মোৰ ডিঙিত ওলমিল। পাতি দিওঁ বিয়াখন কি কয় ? দিন-বাৰ ঠিক কৰি পেলালো। পৰহিলৈ শুকুৰবাৰে। যাব আক' চাহ একাপ খাবলৈ। মানে গধূলি আমাৰ ঘৰলৈকে এপাক ওলাই যাব। চাহ একাপ খাব আৰু। দিনত লগ নাপাব। আমি কটলৈ যাম–ৰেজিষ্ট্ৰেশ্যনৰ কাৰণে।......

তাৰ পিছত ভো ভো কৈ গুচি গ'ল আদিত্য গোস্বামী।

গেট পাৰহৈ গৈ আকৌ ঘূৰি আহি কলে ঃ হেৰি নহয় বৰাদেউ, এইবোৰ জীৱনত ঘটি থকা সৰু সুৰা ঘটনা। সিহঁত সুখী হ'ব পাৰিলেই হ'ল, নহয় জানো বাৰু ? আপুনি আক' ইয়াকে লৈ গল্প লিখিব নালাগে।...... ❑

# নোৱাই তোলনি বিয়া

(এটি লোকাচাৰ)

## স্বৰ্ণ গোস্বামী

লোক পৰম্পৰা বা লোকাচাৰৰ মণি-মুকুতাই সমাজক সজাই পৰাই তোলে। গাঁৱৰ সহজ সৰল সমাজখনৰ বিৰামহীন কৰ্ম ব্যস্ততাৰ মাজতো কিছুমান লোকাচাৰ নিৰবচ্ছিন্ন ভাবে পালন কৰি থকা হয়। নিঃসন্দেহে কব পাৰি যে এই লোকাচাৰ সমূহৰ নিবিড় সম্পৰ্ক জীৱনৰ লগত। কোনো ঠাইৰ লোক সংস্কৃতিৰ বিষয়ে সম্পূৰ্ণকৈ জানিবৰ হ'লে সেই ঠাইৰ লোকাচাৰ বা লোক পৰম্পৰাসমূহৰ মূল্যায়নৰ প্ৰয়োজন—কাৰণ লোক পৰম্পৰাত জাতীয় জীৱনৰ ছবি সুন্দৰভাবে প্ৰতিফলিত হয়। নোৱাই তোলনি বিয়া অসমৰ প্ৰচলিত লোকাচাৰসমূহৰ এটি অপৰিহাৰ্য অংগ। অৱশ্যে আধুনিক যুগত এই লোকাচাৰটি প্ৰায় লুপ্ত হ'ব ধৰিছে। ইয়াৰ নীতি-নিয়ম, গীত মাত আদি অশ্লীল আৰু অবান্তৰ বুলি পালন কৰিবলৈ এৰিছে। কিন্তু প্ৰাচীন ঐতিহ্যসমূহ জাতিৰ মেৰুদণ্ড স্বৰূপ। ইয়াক উলাই নকৰি যুগৰ লগত মিলা ঠাঁচত গঢ় দি সংৰক্ষণৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰা আৱশ্যক। প্ৰচলিত পৰম্পৰাৰ লগত জড়িত যি সমলতেই একোটা জাতিৰ সত্ত বা পৰিচয় পোৱা যায়—তাকেই ৰক্ষা কৰা কৰ্তব্য। প্ৰতিটো লোকাচাৰৰে একোটা বিজ্ঞান ভিত্তিক কাৰণো নোহোৱা নহয়।

নোৱাই তোলনি বিয়া ছোৱালী প্ৰথম ঋতুমতী বা যৌৱন প্ৰাপ্ত হওঁতে পালন কৰা এটি উৎসৱ। দহৰ পৰা বাৰ তেৰ বছৰ বয়সৰ ভিতৰত ছোৱালী সাধাৰণতে ঋতুমতী হয়। ইয়াকে কন্যাকাল হোৱা, শান্তি হোৱা, পুষ্পিতা হোৱা, মানুহ হোৱা, পাগৰ বাহিৰ হোৱা, আদ্য ঋতুস্নান হোৱা, ডাঙৰ হোৱা বা তোলনি হোৱা বুলি কয়। শিশুকাল এৰি বয়ঃপ্ৰাপ্ত অৰ্থাৎ ডাঙৰ হয় প্ৰকৃত অৰ্থত মানুহ হয়—সেইবাবেই সম্ভৱ 'মানুহ হোৱা' বুলি কয়। নোৱাই তোলনি বিয়াৰ কিছুমান প্ৰচলিত নিয়ম আছে। নিয়ম বিলাক ঠাই বিশেষে বেলেগ বেলেগ। উজনি অসমৰ লগত নামনি অসমৰ নিয়মৰ মিল নাই। আনকি একেখন ঠাইৰে এটা সম্প্ৰদায়ৰ লগত আন এটা সম্প্ৰদায়ৰ ৰীতি-নীতিৰ অমিল আছে।

ৰজোদৰ্শনৰ লগে লগে তিনি, পাঁচ বা সাতগৰাকী আয়তীয়ে উৰুলি দি ঘৰৰ ভিতৰৰ এডোখৰ নিভৃত স্থানত ছোৱালীজনী বহুৱায়। বহুওৱাৰ আগতে ঠাইডোখৰ পৰিষ্কাৰ কৰি আৰৈ চাউল এমুঠি চতিয়াই লয়। ফটাফুটা কাপোৰ পিন্ধি থাকিলে তৎক্ষণাৎ সলোৱাই নতুন কাপোৰ পিন্ধায়। বয়ঃসন্ধিৰ এই সময়ছোৱাত মাতৃসকল অতি সতৰ্ক থাকে। নফটা নুফুটা কাপোৰ পিন্ধাই পৰিষ্কাৰ পৰিছন্ন কৰি থাকিবলৈ দিয়ে। ফটা মলিয়ন কাপোৰ পিন্ধি থাকোতে ঋতুমতী হোৱাটো অশুভ ভৱিষ্যতৰ লক্ষণ বুলি ধাৰণা।

ছোৱালীজনী বহুৱাৰ পাছত পূৰ্ব বা দক্ষিণফালে এখন থাপনা পাতে। লোটা, ঘটি বা ঘট এটাত পানী ভৰাই আমপাত তিনিটা, তুলসীৰ ডাল তিনিটা আৰু আধলি বা টকা এটা ৰাখে। এবাতি চাউল, তাৰ ওপৰত আঙনি নিচিগা ডিমৰুগুটি তিনিটা, নাই নসৰা কলৰ ঠোৰ তিনিটা (ৰঙা কেঁচা সূতাৰে বান্ধে), তামোল পাণ এযোৰ আৰু টকা এটা ৰাখে। ওচৰতে এগচ মিঠাতেলৰ বন্তি জ্বলায়—এই বন্তিগচ নিতৌ সন্ধ্যা জ্বলায়।

ৰাতিপুৱা হলেও সন্ধ্যা আকাশত তৰা নেদেখা পৰ্যন্ত একো খাবলৈ নিদিয়ে। সাত দিনলৈ ফলাহাৰ, গাখীৰ আৰু মিঠাবস্তুহে খাব পাৰিব। নিমখ খোৱা নিষেধ। ৰাতিপুৱা হলে পদুমপাতত, দুপৰীয়া হলে মালভোগ কলৰ পাত বা দোৰোলাত, আবেলি আৰু ৰাতি হ'লে শিলৰ পাত্ৰত খাবলৈ দিয়া হয়। আগৰ দিনত কিছুমান নিয়ম বৰ কঠোৰ আছিল। শুবলৈ মাত্ৰ এখন কাপোৰ দিয়ে তলত পাৰি লবলৈ তিনিটা বা পাঁচটা মালভোগ বা জাতিকলৰ পাত বা কল মধুৱা দিয়ে। সেইকাৰণে গায়—

শালতে এৰিলা অ' তৃণতৰু
শালৰ বৰে কাপোৰ ॥
যঁতৰত এৰিলা পাজি তৃণতৰু মাৰাৰ
ভাত চৰু এৰিলা গাভৰু।
এইনো সাতে দিনে অ' তৃনতৰু
ক'তে আছিলা ॥
কপৌ বাহ এখনি সাজি তৃণতৰু মাৰাৰ
ভাত চৰু এৰিলা গাভৰু।
এইনো সাতে দিনে অ' তৃণ তৰু
ক'তে আছিলা ॥
কপৌ বাহ এখনি সাজি তৃণতৰু মাৰাৰ
ভাত চৰু এৰিলা গাভৰু।
সাদিনৰ মূৰতে অ' তৃণতৰু
ওলালা আইদেউ ॥



বুকুত পানী ল'ৰা বান্ধি তৃণতৰু মাৰাৰ
ভাত চৰু এৰিলা গাভৰু।

সাত দিনলৈ কোনো পুৰুষৰ লগত ছোৱালীজনীক দেখা সাক্ষাৎ কৰিবলৈ দিয়া নহয়—আনকি নিজৰ ভাই-ককাই, পিতা-খুৰা কাকো দেখা কৰা বা কথা পতাৰ পৰা বিৰত থাকিব লাগিব। সাতদিনলৈ মূৰ ফণিওৱা, আৰ্চীচোৱা, নখকটা, তেলঘঁহা নিষেধ। ডাঙৰৰৈকে কথাকোৱা বা হঁহাও নিষেধ। প্ৰকৃতিক কাৰণত বাহিৰলৈ যাব লগা হ'লে আঁৰ কাপোৰৰ মাজেদিহে যাব পাৰিব। তলৰ নাম ফাকিত তাৰ প্ৰতিবিম্ব দেখা যায়—

ৰামকৃষ্ণ চন্দ্ৰই নেদেখে, ৰামকৃষ্ণ
সূৰ্যই নেদেখে
হৰি মোৰ ঐ নেদেখে সৰগৰ তৰা,
ৰামকৃষ্ণ সাদিনৰ মূৰতে ৰামকৃষ্ণ ওলাল
আইদেউ
হৰি মোৰ ঐ মাতৃ গৰভৰে পৰা।

সাত দিনলৈ ফলাহাৰ খাই ব্ৰত পালন কৰিবলগীয়া হোৱাত কিছুমান কম বয়সীয়া আৰু লেহুকা ছোৱালীৰ গা ৰাইজাই কৰে, ভোকত গা-ৰহীয়া দিয়ে। নামতীয়ে নামৰ জৰিয়তে তাৰো বৰ্ণনা দিয়ে—

লাই হালে জালে, চাত মাৰে বিজুলী
আবেলি বতাহে ॥
লফা হালে জালে পাতে হে, চাত মাৰে
বিজুলী
ঘনাই পৰে উৰুলি, আজিৰ পৰা
আইদেউ তোমাৰ ভৰিত লাগিল
শিকলি ॥
আমাৰে আইদেউ, চাত মাৰে বিজুলী
হালিছে জালিছে ॥
সাদিনৰ আগৰে ভাতে হে চাত মাৰে
বিজুলী
ঘনাই পৰে উৰুলি, আজিৰ পৰা
আইদেউ তোমাৰ ভৰিত লাগিল
শিকলি ॥
ধান দিলে আখৈ ফুটে অ'মইনা চৰুৰে
বুকুত,
আজুৰি চিঙিলা চুলি পেটৰে ভোকত ॥
এইনো সাতে দিনে নোলালা গাভৰু
পিৰালিত গজিলে ঘিলা
অবয়স কালতে হ'লাযে কন্যাকাল কিনো
ঈশ্বৰৰ লীলা ॥

কন্যাকাল হোৱাৰ পাছত চাৰিদিনলৈকে গা নুধুৱায়—চাৰিদিনৰ দিনা আয়তীসকলৰ উপস্থিতিত মাহ-হালধি সানি ইকৰা বা কুঁহিয়াৰৰ বেইৰ তলত গা ধুব। গা ধোৱাৰ আগতে নামৰ জৰিয়তে ছোৱালীজনীক বাহিৰলৈ আহিবলৈ দিয়া নিৰ্দেশ চমৎকাৰ—

জয় হেন্দেলত কাপোৰ থৈ
জয় ওলাই আহা তৰাদৈ
জয় লগৰ সমনীয়াই মাতে হে।
জয় লগৰ সমনীয়া জয় থাকিল পাছে
পৰি
জয় অবোধত কন্যাকাল হ'লা হে।
জয় হ'লাযে কন্যাকাল, জয় ৰামৰো
কপালভাল
জয় নথয় সৰহদিনে ৰাখিহে।
জয় মাৰা দেউতাৰাই জয় কান্দিব
লাগিছে
জয় পৰুৱাৰ গজিলে পাখিহে ॥
ওলাই আহা আইদেউ এ দুৱাৰ ডলিৰ
বাজ,
ডাঙৰ হ'লা দীঘল হ'লা চকুত কিহৰ
লাজ ॥
ওলাই আহা আইদেউ এ আঙুলিকে
লেখি,
আইসকল বৈ আছে তোমাকে
নেদেখি ॥

গা ধোৱাৰ অন্তত ভৰুণ তামোল বা নাৰিকলৰ ঠোক চাবলৈ দিয়ে। তাৰ পাছত নতুন কাপোৰ সলাই ভিতৰলৈ নি বহুৱায়। আগৰ দৰে ব্ৰত-উপবাস কৰি সাতদিনৰ দিনলৈকে ৰাখে।

সাত দিনৰ দিনা পুৱা চাৰিদিনৰ দৰে মাহ হালধিৰে নোৱাই গা ধুৱায়। আবেলি আকৌ নোৱাই-ধুৱাই সমাজ পাতি বহুৱায়। নতুন কাপোৰ পিন্ধায়। কোনো কোনো ঠাইত সাত সাজ নতুন কাপোৰ সলাবলৈ দিয়ে। তাৰ পাছত বিয়াৰ কন্যা সজোৱাদি সজাই পৰাই কোলাত দুটা বা তিনিটা সৰু ল'ৰা-ছোৱালী বহুৱাই কইনাৰ হতুৱাই সিহঁতৰ হাতত লাৰু দিয়ায়। ছোৱালী বহুৱা ঠাইত কলপুলি পুতি পৱিত্ৰ মৰল আঁকে, এশৰাই আখৈ আৰু এশৰাই পিঠাগুৰি সজাই থয়। পাছত সেই আখৈ আৰু পিঠাগুৰিখিনি আগতে ৰুই থোৱা জাতিকল বা মালভোগকলৰ পুলিটোৰ ওচৰত বাকি দি সেৱা জনায়। আয়তী সকলে আশীৰ্বাদ দিয়ে।

প্ৰথম দিনা ভোজনীত থোৱা ডিমৰুগুটি কেইটা 'কানাই' বুলি কয়। ছোৱালী নোওৱা-ধুওৱাৰ লগতে সেই 'কানাই'কো নোৱাই-ধুৱাই এখন হাচটিৰে বান্ধি ছোৱালীজনীৰ কোলাত থোৱা হয়। সজোৱা-পৰোৱাৰ পাছত ছোৱালীৰ মাকে টকা-পইচা দি 'কানাই'ক চুমা খাই মাকৰ কোলাত অৰ্থাৎ ছোৱালীজনীৰ কোলাত দিব লাগে। ভৱিষ্যৎ সন্তানৱতী হোৱাৰ কামনাই ইয়াৰ উদ্দেশ্য। আনন্দতে বহুতে কানাই কোলাত লওঁতে বুঢ়ীমাক অৰ্থাৎ ছোৱালীৰ মাকৰ কাপোৰত পানী ঢালি দিয়ে। মুখে-গায়ে নানাধৰণৰ ৰংসানি মাকক নচুৱাই ৰং-তামাচা কৰে। তেতিয়া গায়—

ৰামকৃষ্ণ, ই বোলে ল'ৰাৰ মাক
ৰামকৃষ্ণ সি বোলে ল'ৰাৰ মাক
হৰি মোৰ ঐ, ল'ৰাৰ মাক কেনেকৈ
হ'লা ?
ৰামকৃষ্ণ, বাৰীতে আছিলে
ৰামকৃষ্ণ খহটা ডিমৰু
হৰি মোৰ ঐ, তাকে লৈ ল'ৰাৰ মাক
হ'লা।
ৰামকৃষ্ণ, পিঠিয়া পিঠিকৈ ৰামকৃষ্ণ,
শুলা যে গাভৰু
হৰি মোৰ ঐ, ল'ৰাৰ লগালা পঁয়া।
ৰামকৃষ্ণ, ককাৱেক গৈছেগৈ, ৰামকৃষ্ণ,
শিহুতেল বিচাৰি
হৰি মোৰ ঐ, ল'ৰাৰ ভাঙিব পঁয়া ॥
ৰামকৃষ্ণ, দেওবাৰৰ দিনা ৰামকৃষ্ণ,



©DISCD

ল'ৰা জনমিলে
হৰি মোৰ ঐ, তাৰ নাম দিলে
ভোলা;
ৰামকৃষ্ণ, মোমায়েক গৈছেগৈ ৰামকৃষ্ণ,
ডিব্ৰুগড় জিলালৈ
হৰি মোৰ ঐ, ভোলালৈ আনিব
চোলা ।
ৰামকৃষ্ণ, সোমবাৰৰ দিনা ৰামকৃষ্ণ,
ল'ৰা জনমিলে
হৰি মোৰ ঐ, বাপেকৰ নগজিল দাড়ি
ৰামকৃষ্ণ, আইদেউ বিয়ালৈ ৰামকৃষ্ণ,
আখৈ ভাজিবলৈ
হৰি মোৰ ঐ আনাগৈ ভোগদৈৰ
বালি ।
ৰামকৃষ্ণ, বাৰী চুৰুকিয়াই ৰামকৃষ্ণ,
বাৰী চুৰুকিলে
হৰি মোৰ ঐ, কোঁচত লৈ সিঁচিলে
যনী
ৰামকৃষ্ণ, আইদেউৰ ল'ৰাই ৰামকৃষ্ণ,
আমাক আই বুলিব
হৰিমোৰ ঐ গলৰে চিঙি দিম মণি ।
শুনা শুনা কানাইৰ ককাক কৈ থলো
আগে
কানাইক নোৱাবলৈ আমাক ডুগি তাবলা
লাগে ॥
ডুগি দিলে তাবলা দিলে দিলে খুঁটি
তাল,
দলিচাতে বহি গাব ৰাইজে বোলে
ভাল ॥
কানাই বোলে আইতা ঐ পিয়াহতে
মৰো,
আজু ককাৰ লোটা ঘটি দাঙিব
নোৱাৰো ॥
কানাইক দিলে পীৰা পানী আমাক দ্বিলে
মাটি,
বহিবলৈ দলিচা নাই আনা ঢকুৱা
কাটি ॥
চোতালৰ আগলৈ কানাই নুলিয়াবা
চিলাই থাপে মাৰি নিব,
চিলাই থাপে মাৰি মদাৰত তুলিব
বুঢ়ীমাক বাউলী হ'ব ॥
এজনী বুঢ়ীমাক বগী ঢকেঢকী এজনী
বুঢ়ীমাক কলী,
এজনী বুঢ়ীমাক লেৰেলী-চেপেটী
পেলাইছে সিকি-আধলি ॥
আইদেউৰ গভুৰা প্ৰথমৰে ল'ৰা তাৰে
নাম থলে ভোলা,
খৰকৈ যোৱাগৈ ককাকক কোৱাগৈ
ভোলালৈ লাগিব চোলা ॥
কানাই কোলা লৱতী থপৰাই বহতী
কানাইলৈ আনিছা কি ?
আনিছো আনিছো জালিকটা চোলা
বাপেকক বন্ধকী দি ॥
ছোৱালী কন্যাকাল হ'লে নক্ষত্ৰ অনুসৰি যোগ চোৱা হয় । জ্যোতিষীয়ে যোগ চাই বিধান দিয়ে । পতিহিতা, কান্তা, সুভগা, দুৰ্ভগা, দুঃশীলা, বেশ্যা আৰু পতিহীনা নামে সাতোটা যোগ আছে । প্ৰথম তিনিটা যোগ ভাল বুলি কয়–এইকেইটা যোগত সাতদিনৰ পাছত ব্ৰত কৰিব নালাগে । কিন্তু পাছৰ কেইটা যোগত সাত দিনৰ উপৰিও যোগ অনুসাৰে ব্ৰত পালন কৰিব লাগে । দুৰ্ভগা যোগত বাৰ দিন, বেশ্যা যোগত যোল্লদিন, পতিহীনা যোগত তিনিমাহ আৰু দুঃশীলা যোগত ত্ৰি পক্ষ ব্ৰত পালন কৰিব লাগে । তাৰ পাছতহে দান-দক্ষিণা দি শুচি হয় ।

তোলনি বিয়াত আনুষ্ঠানিক ভাবে নোৱাই-ধুৱাই গোৱা গীতবোৰক তোলনি বিয়াৰ গীত বা বিয়া নাম বুলি কয় । জনজীৱনৰ পৰিচয়ৰ কাৰণে লোকগীতবোৰ অপৰিহাৰ্য অঙ্গ । এই গীতবোৰত জন জীৱনৰ মাতকথা, ভাব-ভাষা, ধৰ্ম বিশ্বাস, আচাৰ ব্যৱহাৰ, জন সংস্কাৰ আদিৰ বিভিন্ন প্ৰতিচ্ছবি প্ৰতিফলিত হয় । সেয়ে এই গীতবোৰক বাৰ্ত্তা-বহনকাৰী লোকগীত বুলিও কোৱা হয় । এই গীতবোৰৰ সংগ্ৰহ কাৰ্য ভাষা সাহিত্যৰ বাবে মঙ্গলদায়ক । মুখ বাগৰি অহা এই গীতবোৰ সংগ্ৰহ আৰু সংৰক্ষণ নকৰিলে একালত ই লুপ্ত হৈ যাব । বিষয়বস্তুৰ ফালৰ পৰা তোলনি বিয়াৰ গীতসমূহক জন্ম-সংস্কাৰ বিষয়ক লোকগীত আখ্যা দিব পাৰি । এনে ধৰণৰ লোকগীত সমূহ বিচাৰি-খোচৰি, গোটাই-পিতাই লিপিবদ্ধ কৰি ৰাখি ভাষা সাহিত্যৰ ধ্বজাবাহক সকলে জনসাধাৰণৰ জন্মৰ পৰা মৃত্যুলৈকে অনুষ্ঠিত বিভিন্ন ধৰ্মকাৰ্য, আচাৰ-অনুষ্ঠান আৰু ব্যৱহাৰিক জীৱনৰ লগত নিবিড় সম্বন্ধ স্থাপন কৰি জনমানসৰ ওপৰত অসীম প্ৰভাৱ বিস্তাৰ কৰি আহিছে ।

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰৰ লগে লগে মানুহৰ ধ্যান-ধাৰণা, ৰুচিবোধ আৰু চিন্তা-চৰ্চাৰ পৰিবৰ্তন আনিছে । আধুনিক শিক্ষাই স্বাভাৱিকভাবেই পৰম্পৰাক অতিক্ৰমি বহুবোৰ লোক বিশ্বাসৰ অপমৃত্যু ঘটাইছে । তথাপি লোকজীৱনৰ মূল্যবোধ কেতিয়াও শেষ হৈ নাযায় । পৰিবৰ্তনবোৰ অনুকৰণৰ দ্বাৰা প্ৰভাৱান্বিত নহৈ প্ৰয়োজনৰ ফালৰ পৰা প্ৰভাৱান্বিত হলে লোক সংস্কৃতিৰ মৃত্যু কেতিয়াও হ'ব নোৱাৰে–ক্ৰম পৰিবৰ্তন নহলেহে কৃষ্টিৰ মৃত্যু ঘটিব পাৰে । তোলনি বিয়াৰ তলৰ গীত কেইটি উল্লেখনীয়–

চাউল চাতি ফুলাম পাটি কদম
কানাই পাৰি থৈছে দৈ,
ৰোহে পাতি নাহে আইটি কদম কানাই
ৰোহে পাতি নাহে আইটি কদম কানাই
মাতি আনাগৈ
অলপ বয়সতে তুলা হৈলে কন্যাকাল ।
আৰু একবাৰ তুলা গুচিব জঞ্জাল ॥
বাৰীৰ পাছে ফালে বোলো হৰি হৰি
বাৰীৰ পাছে ফালে বোলো ।
আইদেউৰ কোঁচতে গভুৰা ল'ৰাটি
বোপাই বুলিবলৈ চেলো ॥
সিৰৰে সেন্দুৰে নোগোলে নিপিহে
অ'সোণ পৰুৱা, মেলায়ো নাবান্ধে কেশ,
শিশুপাল ৰজাত বিবাহ নোসোমায়
অ'সোণ পৰুৱা নধৰে কন্যাৰ বেশ ॥
দ্বাৰকাৰ কৃষ্ণই বিবাহ সোমাব
অ' সোণ পৰুৱা, ধৰিব কন্যাৰ বেশ,
সিৰৰে সেন্দুৰো গুলিব পিহিব
অ'সোণ পৰুৱা, মেলায়ো বান্ধিব কেশ ॥
নাকান্দা নাকান্দা অ' নাহৰ কলি
ভীষ্মক নন্দিনী অ' নাহৰ কলি
মনে নকৰিবা দুখ নাহৰকলি কোনোবা
পুৰুষৰ কপাল হ'ল মুকলি
পাইবা বৰদান অ' নাহৰ কলি
গুচিব জঞ্জাল অ' নাহৰ কলি
দেখিবা স্বামীৰ মুখ নাহৰ কলি
কোনোবা পুৰুষৰ কপাল হ'ল মুকলি
আধুনিকতাৰ পৰশ পোৱা ধেমেলীয়া
গীতো আছে । যেনেঃ–
আইদেউ ল'ৰা, জিকা ফুলে সন্ধিয়া
এবুৰি দহঅৰা, জিকা ফুলে সন্ধিয়া
চোতালত পেলাইলৈ লেখে হে জিকা
ফুলে সন্ধিয়া
শান্তি হ'লা যেতিয়া, বাটে পথে ল'ৰা
পালে নোজোকাবা এতিয়া ।
তাৰে এটা ধৰি, জিকা ফুলে সন্ধিয়া
চিলাই লৈয়ে গ'লে, জিকা ফুলে সন্ধিয়া
তাকেহে ভাল যেন দেখে হে জিকা
ফুলে সন্ধিয়া
শান্তি হ'লা যেতিয়া বাটে পথে ল'ৰা
পালে নোজোকাবা এতিয়া ।

এই গীতবোৰ সূক্ষ্মভাবে বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰতিটো গীতৰে সাহিত্যিক সৌন্দৰ্য আৰু অন্তৰ্নিহিত অৰ্থ আছে । ভৱিষ্যৎ জীৱনৰ বাবে সাজু হোৱাৰ সংকেত আছে ।

তোলনি বিয়া লোকাচাৰটিৰ মূলতে প্ৰথম কন্যাকালৰ আৰম্ভণিৰে পৰা বিজ্ঞান সম্মত বিধিব্যৱস্থাৰে খোৱা-শোৱা, চলা-ফুৰা কৰি স্বাস্থ্য ৰক্ষা, ব্ৰহ্মচাৰ্য পালন আৰু নিয়ম সংযমৰ মাজৰে ভৱিষ্যৎ জীৱন সুচাৰুৰূপে চলাই নিবলৈ শিকোৱাৰ সংকেত । ইয়াৰ আনুষঙ্গিক ৰংৰহইচ আৰু আনুষ্ঠানিক কাৰ্যকলাপেও তাৰেই স্বাক্ষৰ বহণ কৰে । গতিকে গতিশীল জগতৰ পৰিবৰ্তনশীলতাৰ মাজেদিও এনে লোকাচাৰ সমূহ নিঃচিহ্ন হৈ নোযোৱাকৈ ৰাখিবলৈ যত্ন কৰাটো সমাজৰ প্ৰত্যেক দায়িত্বশীল ব্যক্তিৰে কৰ্তব্য ।


*[উদ্ধৃত গীত কেইটা মাধতাৰি গাঁৱৰ শ্ৰীযুতা আইদেউ মহন্ত আৰু সোনাৰী গাঁৱৰ শ্ৰীযুতা পদুমী হাজৰিকাৰ পৰা সংগ্ৰহ কৰা হৈছে ।–লেখিকা]* □



গল্প

# ৰূপান্তৰ

অমৰজ্যোতি দাস



অংকন □ চম্পক বৰবৰা

ডায়েৰীখন এতিয়াও মেজৰ ওপৰতে পৰি আছে । কাষতে বেটাৰী চাৰ্জাৰটো । চাৰ্জাৰত পাঁচটা বেটাৰী চাৰ্জ হ'বলৈ দিয়া আছে । জ্বলি থকা সেউজীয়া লাইটবোৰে বেটাৰীবোৰ ট্ৰিক্‌ল চাৰ্জ হোৱাৰ সঙ্কেত দিছে । কাষতে ফোনটো ক্ৰেডেলডালৰ পৰা নমাই থোৱা আছে । এচট্ৰেটোত এটাও চিগাৰেটৰ টুকুৰা নাই । ৰূমবয়টোৱে এইমাত্ৰ পৰিষ্কাৰ কৰি থৈ গৈছে যেন পাওঁ ।

ডায়েৰীখন আকাশৰ । আকাশ আৰু মই একেলগে কাম কৰো । আকাশৰ ঘৰ যোৰহাটত । যোৰহাটৰ পৰা আকাশে অন্‌–অফ্‌ কৰে । অন্‌– অফ্‌ মানে চৈধ্যদিন কাম আৰু তাৰ পিছত চৈধ্যদিন ছুটী । ক'ৰ যোৰহাটৰ পৰা আহি মানুহে বোম্বাইত কাম কৰি আছে, মোৰ ভাবিলে কেতিয়াবা আচৰিত লাগে । বোম্বাইৰ পৰা দুশ কিল'মিটাৰ দূৰৈত আৰব সাগৰত আমাৰ প্লেটফৰ্ম খন । হেলিকপ্টাৰে লৈ আনে চৈধ্যদিনৰ বাবে ; আকৌ লৈ যায় চৈধ্যদিনৰ ছুটীৰ কাৰণে । মোৰ জন্ম গুৱাহাটীত যদিও দুবছৰ বয়সৰ পৰাই মই বোম্বাইত আছো । মই, মা আৰু দেউতা । আকাশৰ লগত কাম কৰিবলৈ পাই ভালেই লাগিছে ।

আকাশৰ ডায়েৰীখনে মোক বহু কথাই নতুনকৈ শিকাই পেলাইছে, কথাবোৰ নতুনকৈ ভাবিবলৈ বাধ্য কৰাইছে । মোৰ মনলৈ হয়তো এইবিলাক কথা কোনোদিনেই নাহিলহেঁতেন । আকাশ আৰু মই সমবয়সীয়া । দুয়ো ৰাতিপুৱা ওলাই যাওঁ কামলৈ । হেলিকপ্টাৰে আমাক লৈ যায় মানুহ নথকা প্লেটফৰ্ম বোৰলৈ । আবেলি আকৌ লৈ আহে । দিনটো কাম কৰি আমি গোটেই পৰিবেশটোকেই উপভোগ কৰো । আমাৰ চাৰিওফালে কেৱল সীমাহীন পানী । সাগৰৰ লুণীয়া পানী । তথাপি কাম কৰি আনন্দ আছে । তাতেই আকাশ আছে মোৰ লগত ।

দুবছৰ বয়সৰ পৰাই মই বোম্বাইত । বোম্বাইত মই ডাঙৰ হৈছো । মোৰ নিজস্ব এটা গতি আছে । যেনেদৰে– বোম্বাইখনৰ এটা নিজস্ব গতি আছে । এই গতিৰ দ্ৰুতি দুৰ্বাৰ । বাৰ বছৰমান বয়সৰ পৰাই লোকেল ট্ৰেইনত অহা যোৱা কৰিছো । মোৰ গতিৰ লগত আকাশৰ গতিৰ অমিল । তথাপি দুয়োৰে মনৰ পৰিধিটোত মিল আছে । তাৰবাবেই হয়তো দুয়োৰো একেলগে কাম কৰি ভাল লাগে । আকাশে সাগৰৰ লুণীয়া পানীৰ ৰংটো ভাল পায় । সাগৰৰ পানীৰ গাঢ় নীলা ৰংটো হেনো আকাশৰ সকলোতকৈ প্ৰিয় ৰং । ৰংটো মোৰো ভাল লাগে, তথাপি তাৰ দৰে মই পানীবোৰ দেখি নষ্টালজিক আকৰ্ষণ অনুভব নকৰো । তাৰ হয়তো ওপৰঞ্চি কিবা এটা আছে, যিটো মোৰ নাই ।

কামৰ পৰা উভতিবৰ সময়ত কেতিয়াবা পলম হয় । তেতিয়াই আমাৰ কেতিয়াবা কেতিয়াবা সৌভাগ্য হয় আৰব সাগৰত সূৰ্যাস্ত দেখাৰ । সূৰ্যাস্ত মই জুহু বীচ্‌ৰ পৰা বহুবাৰ দেখিছো । ইয়াতো সেই একেই ; কোনো নতুনত্ব নাই মোৰ বাবে । কিন্তু আকাশে বহুসময় ধৰি সূৰ্যাস্ত নিৰীক্ষণ কৰে । সি হেনো কন্যাকুমাৰীলৈ গৈছিল । তাতো সি সূৰ্যাস্ত দেখিছে, কিন্তু ইয়াৰ সূৰ্যাস্তত মাদকতা আছে– সি কয় ।

কেইদিন মান আগতে আমি সমুদ্ৰ জ্যোতি নামৰ ৰিগটোলৈ গৈছিলো । চিগাল চৰাইবোৰে ৰিগৰ ওচৰতে পানীত মাছ ধৰি আছিল । পৰিভ্ৰমী চৰাইবোৰ দেখি আমাৰ ভাল লাগে । আকাশৰ লগত থাকি থাকি মোৰ বহুতো ভাল নলগা বস্তুও ভাল লগা হৈ আহিছে । সাগৰৰ লুণীয়া পানীৰ গাঢ় নীলা ৰংটো মোৰ বাবেও এতিয়া প্ৰিয় ৰং হৈ পৰিছে ।

মোৰ মা-দেউতা অসমৰ মানুহ । অসমীয়া । মোৰ কিন্তু নিজক অসমীয়া যেন নালাগে । নালাগে মানে আকাশক লগ পোৱাৰ আগলৈকে লগা নাছিল । অসমলৈ কেতিয়াও মই যোৱা নাই । সুদীৰ্ঘ পঁচিশ বছৰ মই বোম্বাইত । মোৰ শৈশৱ, কৈশোৰ, যৌৱনৰ সকলোখিনি সময়েই মই বোম্বাইত কটাইছো । অসমীয়া ক'ব পাৰো, পঢ়িব–লিখিবও পাৰো অলপ অলপ । কিন্তু অসমৰ প্ৰতি বৰ এটা আকৰ্ষণ নাই মোৰ । আকাশ আৰু মোৰ এই কথাত মিল নাই । বোম্বাইত আমি কেতিয়াবা আন অসমীয়া মানুহৰ ঘৰলৈ যাওঁ বা আন কোনোবা অসমীয়া পৰিয়াল আমাৰ ঘৰলৈ আহে । গোটেই সময়খিনি অসমীয়াতে কথা-বতৰা হয় । আমাৰ মা-দেউতা সকলে সময়খিনি, কথা-বতৰাবোৰ বৰ উপভোগ কৰে, আমি কিন্তু ল'ৰা ছোৱালীবোৰে বৰ এটা ভাল নাপাওঁ । সেয়েহে আকাশে কেতিয়াবা বহু সময় ধৰি অসম-চসম কৰি থাকিলে বৰ খং উঠে । আকাশ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ল'ৰা । মোৰ দেউতাও একেখন বিশ্ববিদ্যালয়ৰ পৰাই উত্তীৰ্ণ হোৱা । মই গুৱাহাটী বিশ্ববিদ্যালয় দেখা

নাই। কিন্তু দেউতাই যেতিয়া ককাদেউতাৰ লগত বিশ্ববিদ্যালয়খন চাবলৈ গৈছিল তেতিয়া হেনো দেউতাৰ খুব ভয় লাগিছিল। ডাঙৰ ডাঙৰ গছবোৰেৰে ঠাইখিনি জয়াল হৈ আছিল। দেউতাই হেনো ভাবিছিল ৰাতি এইবোৰ ঠাইত ভূত ওলায় নেকি বাৰু! এতিয়া পিছে কেতিয়াবা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা ওলালে দেউতাৰ চকুত মই অতীত ৰোমন্থনৰ ভাব এটা দেখা পাওঁ। এই উপলব্ধিটোৱে মোক আকাশৰ আৰু ওচৰলৈ লৈ যায়। অসমৰ কথা ওলালে আকাশৰ চকুতো মই দেউতাৰ নিচিনা একেই ভাব এটা দেখা পাওঁ। ইয়াৰ আগৰবাৰ অহাৰ সময়ত আকাশে দুটা মূৰ্তিৰ দুখন ছবি লৈ আহিছিল। এজনা চিলাৰায় আৰু আনজনা লাচিত আছিল। দুয়োৰে কাহিনী মোক আকাশে শুনাইছিল। মই বুজিছিলো যে প্ৰথমতে ধৰিব নোৱাৰিলেও আকাশৰ মনতো মোৰ নিচিনা গতি এটা আছে।

আজিকালি ৰাতিপুৱা এয়াৰ কণ্ডিচন কোঠাৰ পৰা ওলাই কিছু সময় সাগৰখনলৈ চাই থাকো। চাপ্লাই ভেচেল বিলাকে ইফালে সিফালে অহা যোৱা কৰি থাকে। আজি হঠাতে মোৰ চকু এটা নিৰ্দিষ্ট দিশত থৰ হৈ গ'ল। জেক্ আপ ৰিগ এটাক তিনিখন চাপ্লাই ভেচেলে এটা নিৰ্দিষ্ট দিশত টানি লৈ গৈ আছে। এই ৰিগ মুভমেণ্টৰ দৃশ্যটো মোৰ খুব ভাল লাগে। আকাশো তেনেতে বাহিৰলৈ ওলাই আহিল। দুয়োকো একেলগে বহি দৃশ্যটো চাই থকা দেখি খানে আহি ক'লে, "দোনো আচামী একসাথ ক্যা কৰ ৰহে হো?" – তাৰ পিছৰ পৰাই 'আচামী' শব্দটোৱে মোৰ মনলৈ মাজে মাজে আহি থাকিল।

এটা নেকি সময় আছিল যেতিয়া আন ঠাইৰ মানুহে অসমলৈ যাবলৈ প্ৰচণ্ড আগ্ৰহ কৰিছিল। ত্ৰিবান্দ্ৰমৰ প্ৰসন্ননে এদিন কথা পাতি থাকোতে এনেদৰে ক'লে। মালয়ালাম ভাষাৰ পুৰণি কথাছবি এখনত এনেকুৱা ভাবৰ গীত এটা আছে। প্ৰেমিকৰ হাতত সৰহকৈ পইছা-পাতি নাই। সেয়েহে প্ৰেমিকৰ ইচ্ছা অসম দেশলৈ আহি সৰহকৈ ধন ঘটাৰ আৰু তাৰ পিছত প্ৰেমিকাক বিয়া কৰোৱাৰ ইচ্ছা। কলিকতাৰ চৌধুৰীয়েতো স্বপন সেনৰ (?) গীতেই আৰম্ভ কৰিলে "চল বিহু আচাম যাব– – – –।"

অসমখন চাই অহাৰ ইচ্ছা কেতিয়াবা কেতিয়াবা হয়। ইতিমধ্যে অসমৰ বিষয়ে মই ভালেখিনি জানিছো। চিভিল চাৰ্ভিচ পৰীক্ষাৰ বাবে 'এনথ্ৰপল'জি বিষয়টো লৈছো। আকাশেও মোক বিভিন্ন কিতাপ আদি আনি দি সহায় কৰি দিছে। সুযোগ বুজি অসমৰ ইতিহাসৰ কিতাপো পঢ়ি পেলাইছো। এতিয়া মই ক'ব পাৰো যে অসমৰ অতীত আৰু বৰ্তমান সম্বন্ধে মোৰ সম্যক ধাৰণা এটা হৈ গৈছে। আকাশৰ লগত অসমৰ কথা এতিয়া আলোচনাও কৰিব পাৰো।

বহুতো নতুন ল'ৰাই চাকৰিত নতুনকৈ সোমাইছে। তেওঁলোকক সাগৰৰ মাজলৈ পঠিয়াই দিয়া হৈছে। তেওঁলোকে কাম শিকিবলৈ আৰম্ভ কৰিছে। মোৰ নিজৰে কথাবোৰ ভাবি হাঁহি উঠি গ'ল। সেই যে পোন প্ৰথমবাৰৰ বাবে হেলিকপ্টাৰত উঠি ইয়ালৈ আহোতে মোৰ যে কি হৈছিল। হেলিকপ্টাৰৰ প্ৰচণ্ড শব্দই মোৰ কাণ দুখন কলা কৰি পেলাইছিল। কোনোবাই কিবা কলেও মই একো শুনা পোৱা নাছিলো। গধূলি ডাক্তৰৰ ওচৰলৈ গৈ কৈছিলো যে হেলিকপ্টাৰত উঠি মোৰ কাণ দুখন কলা হৈ গৈছে। ভৱিষ্যতে কাণ দুখনেৰে ভালকৈ শুনা নাপাম বুলি বৰ ভয় হৈছিল। অৱশ্যে ডাক্তৰে কোৱা মতেই পিছদিনা কাণ দুখন ঠিক হৈছিল।

আজি পিছে ৰাতিটো আমি মানুহ নথকা প্লেটফৰ্ম খনতে কটাব লাগিব। প্লেটফৰ্ম খনত নতুন পাইপ লাইনৰ সংযোগ দিয়া কাম চলি আছে। কাম প্ৰায় শেষ হৈছিলেই। অলপ আগতে শেষ হোৱা হলে আমি আমাৰ নিজৰ প্লেটফৰ্মখনলৈ উভতি যাব পাৰিলোহেঁতেন। ৰাতিৰ আহাৰ আমাক হেলিকপ্টাৰ খনেই দি থৈ গৈছিল। মই ৰাতিৰ আহাৰ হেলিডেকত বহি কৰাৰ প্ৰস্তাৱ আকাশলৈ আগবঢ়ালো। আমাৰ লগত আৰু দুজন মানুহ আছিল। সিহঁতে ইতিমধ্যে খাই বৈ শুই পৰিছে। খোৱা বস্তুৰ টোপোলাটো লৈ দুয়ো হেলিডেকলৈ বুলি চিৰিৰে উঠি গলো। হেলিডেকত বতাহৰ গতি অনুভৱ হ'ল, হলেও সিমান তীব্ৰ নহয়। দুয়ো হেলিডেকৰ মাজডোখৰতে বহি ললো। আমাৰ চাৰিওফালে বিভিন্ন ৰিগ আৰু প্ৰচেচ প্লেটফৰ্মবোৰ। লাইটৰ পোহৰে সিবিলাকক অতীব সুন্দৰ কৰি তুলিছে। আমি থকা মানুহ নথকা প্লেটফৰ্মখনৰ চাৰিওকোণত থকা চাৰিটা উজ্জ্বল লাইটে এবাৰ জ্বলি এবাৰ নুমুওৱা কৰি থাকি বাকীবোৰক তাৰ উপস্থিতিৰ কথা কৈ আছে। প্ৰতিদিনে পঁচিশ হাজাৰ বেৰেল তেল উৎপাদন কৰা প্লেটফৰ্ম এইখন। কোনোবা জাহাজ, নাও আদিয়ে খুন্দিয়ালে ডাঙৰ পয়মাল এখনৰ সৃষ্টি হ'ব পাৰে। মাত্ৰ এটা ওৱাকী টকীয়েই বৰ্তমান আমাৰ বাকী পৃথিৱীখনৰ লগত থকা সংযোজক। ওৱাকী টকীৰ বেটাৰী শেষ হৈ গ'লে ...... কথাটো ভাবি ভাল নালাগিল। ৰিগ আৰু প্ৰচেচ প্লেটফৰ্মৰ বিজুলী চাকিবোৰ দেখি আকাশৰ বোলে শৰাইঘাট দলঙৰ কথা মনত পৰিল। ৰাতি ৰেলেৰে গ'লে শৰাইঘাট দলঙৰ পৰা গুৱাহাটীৰ বিজুলী চাকিবোৰৰ দৃশ্যটো এনেকুৱাই দেখি বোলে।

মাজতে এদিন নন্দিন নামৰ ছোৱালী এজনী আমাৰ প্লেটফৰ্মলৈ আহিছিল। নন্দিনী নামটোকেই সৰ্বসাধাৰণৰ পৰা বেলেগ কৰিবৰ বাবেই নন্দিন কৰিছে যেন পাওঁ। আকাশৰ পৰা গম পালো নন্দিন অসমীয়া ছোৱালী। বোধহয় নন্দিনেই সাগৰৰ মাজৰ তেলৰ দেশখন দেখা পোৱা প্ৰথম অসমীয়া ছোৱালী। নন্দিনেও আকাশক এই আৰব সাগৰৰ মাজত দেখা পাই আশ্বৰ্য প্ৰকাশ কৰিছিল। নন্দিনে চৰকাৰী তথ্যচিত্ৰ এখনৰ বাবে খবৰ সংগ্ৰহ কৰিবলৈ আহিছিল। নন্দিনক তথ্যচিত্ৰই সাগৰৰ মাজলৈ টানি অনাৰ দৰে; মোকো অসমখনে আকাশৰ জৰিয়তে আকৰ্ষণ কৰিবলৈ ধৰিছে। আৰব সাগৰত মোৰ আৰু আকাশৰ চৈধ্যদিনৰ কাম শেষ হবলৈ আৰু তিনিদিন বাকী।

ইয়াৰ আগৰবাৰ ঘৰলৈ যাওঁতে মই কথাটো মা- দেউতাৰ আগত উলিয়াইছিলো। মা-দেউতাই হা-না একো কোৱা নাছিল। যিমান দূৰ সম্ভৱ অসমখন এবাৰ চাই আহো বুলি ক'লে তেওঁলোকে একো বেয়া নাপায়। সেইদিনা ৰাতিৰ আহাৰৰ পিছত দেউতাই মোক মঙ্গলদৈ নামৰ ঠাইখনত থকা আমাৰ সম্বন্ধীয়া মানুহৰ ঠিকনা কেইটামান দিছিল। সম্বন্ধীয়া মানুহৰ ঘৰলৈ যাবৰ মোৰ বৰ এটা ইচ্ছা আৰু আগ্ৰহ নাই। পঁচিশ বছৰৰ পিছত সম্বন্ধীয়া মানুহৰ ওচৰত সম্বন্ধবোৰ কেনেকুৱা হৈ আছে মই ঠিক ধৰিব নোৱাৰিলো। এইবোৰ বিষয়ত আকাশে খুব সঠিক সিদ্ধান্ত লব পাৰে। আকাশৰ কোঠালৈ বুলি খোজ ললো।

আৰু এয়া ডায়েৰীখন মেজৰ ওপৰত পৰি আছে। এনেয়ে এবাৰ লুটিয়াই চাওঁতে এটা শব্দত চকু পৰিল। কাঞ্চন। আকাশো সেইখিনি সময়তে কোঠাত সোমাল।

"ইস, ডায়েৰীখন টেবুলতে পৰি আছে, চালি নেকি বাৰু?"

"গোটেই খন নাচালেও 'কাঞ্চন' নামটো দেখা পাইছো।"

আমি দুয়ো একেবাৰেই মুকলি। কোনো কথা আনজনৰ আগত লুকুৱাই ৰখাৰ প্ৰয়োজন নাই।

কাঞ্চনৰ পিছৰখিনি আকাশেই মোক শুনালে। কাঞ্চন এজনী ছোৱালীৰ নাম। কোনোবা এখন গাঁৱৰ এজনী ধুনীয়া ছোৱালী। আকাশহঁতক লৈ যোৱা এম্বেচাদৰ খন চাবলৈ গাঁৱৰ সৰু সৰু ল'ৰা ছোৱালীবোৰ দৌৰি আহিছিল। গাড়ীখন চিৰিয়াখানাৰ জন্তু এটাক চোৱাৰ নিচিনাকৈ সিহঁতে চাবলৈ ধৰিছিল। কাঞ্চনে অলপ আঁতৰত থিয় হৈ এটা লাজ লাজ ভাবেৰে ভৰিৰ বুঢ়া আঙুলিটোৰে মাটি খুচৰি আছিল। বয়সত তাই সৰু ল'ৰা-ছোৱালীবোৰতকৈ অলপ ডাঙৰ আছিল।

"কিন্তু কাঞ্চনৰ কথা ডায়েৰীত লিখিব লগা হ'ল কিয়?"


"আচলতে কি জান? ছোৱালীজনীৰ নামটো কি মই নাজানো। 'কাঞ্চন' নামটো মই নিজে দি লোৱা নামহে," আকাশে কৈছিল আৰু আজি মই চৈধ্য দিন সাগৰৰ মাজত কাম কৰি হেলিকপ্টাৰেৰে উভতি অহাৰ পথত। মোৰ কাষত আকাশ বহি আছে। সকলোৰে পিন্ধনত লাইফ জেকেট। আকাশৰ সৈতে মই এইবাৰ অসমলৈ যাম। অসমলৈ যোৱাত আকাশ মোৰ সাৰথিৰ নিচিনাই হ'ব। মোৰ ভাব হ'ল ময়ো যেন এজন আকাশ হ'বলৈ আৰম্ভ কৰিছো। ❑





# 'ফাউষ্ট'নাটৰ গীত

অনুবাদ ঃ নৱকান্ত বৰুৱা



গ্যেটে

*উনবিংশ শতিকাৰ জাৰ্মান যুগনায়ক কবি গেটে'ৰ কাব্যনাট 'ফাউষ্ট' বিভিন্ন ৰসৰ সমাহাৰ। হৃদয়ৰ করুণতম অনুভূতিৰ পৰা অনিৰ্বান জ্ঞান তৃষ্ণা, দেহ আৰু মনৰ তাড়না, শুভ-অশুভৰ দ্বন্দ্ব, স্বাভাৱিক মানুহ ডাইনী আৰু অতিপ্ৰাকৃত দেওভূতৰ লীলামলা, যুক্তি, আবেগ আৰু বিশ্বাসৰ অমীমাংসিত সংঘাত...... এইবোৰ মিহলি হৈ আছে নাটখনৰ কেন্দ্ৰীয় ভূমা-বাসনাত।*

*নাটখনৰ গীত বিলাকো তাৰ অঙ্গীভূত ......বিভিন্ন পৰিস্থিতি আৰু বিভিন্ন জনৰ। অশৰীৰী সত্তাৰ পৰা উদ্দাম মদ্যপায়ীৰ গানলৈকো। কেতিয়াব শোকাৰ্ত লীৰিক...... কেতিয়াবা গ্ৰাম্য জীৱনৰ লোক সংগীত, কেতিয়াবা সামাজিক ব্যঙ্গৰ চিত্ৰণ......*

*গেটে'ৰ নাটৰ গীত বিলাকো গীতি-কবিতা হিচাপে গৃহীত আৰু গীত হয়। বিশেষকৈ চৰম ট্ৰেজেডিৰ অব্যৱহিত পূৰ্বে গ্ৰেৎচেনে (নাটৰ প্ৰথম খণ্ডৰ নায়িকা বুলিব পাৰি) যঁতৰ ঘূৰাই ঘূৰাই গোৱা গীতটো জাৰ্মান গীতি কবিতাৰ এটা উল্লেখনীয় নিদেৰ্শন। (জাৰ্মান ভাষাৰ নামৰ ক্ষেত্ৰত মাৰ্গাৰেট আৰু গ্ৰেৎচেন প্ৰায় বিকল্প ৰূপে ব্যৱহাৰ হয়।)*

*ইয়াত থকা আনটো গান 'লিপজিগত আত্তৰ বাখৰ পান শালাত উদ্দাম মদ্যপায়ীয় দলৰ গান। হাস্যৰস নে করুণ নে বীভৎস–কি ৰস, নাটখনতহে গম পোৱা যায়।*

## মাৰ্গাৰিটাৰ কোঠা


*[যঁতৰ ঘূৰাই মাৰ্গাৰিটা]*

মোৰ শান্তি হেৰাই গ'ল
বুকু ভাঙি থৈ,
আৰু তো নাপাওঁ, গ'ল
চিৰকাললৈ।

তেওঁ য'ত নাই
সেয়েই মৰিশালি,
মিঠা পৃথিৱীয়ে
দিয়ে বিহ ঢালি।

মোৰ মূৰ হ'ল একো
ভাবিব নোৱৰা,
মোৰ দুৰ্ভগীয়া চিত
হতাশা ভৰা।

মোৰ শান্তি হেৰাই গ'ল
বুকু ভাঙি থৈ,
আৰু তো নাপাওঁ, গ'ল
চিৰ কাললৈ।



খিৰিকি কাষত বহি
তেওঁক বাট চাওঁ,
তেওঁৰে লগ বিচাৰি
বাটলৈ ওলাওঁ ।

তেওঁৰ খোজ গহীন
মহান আৰু জ্ঞানী
কি তেওঁৰ ওঁঠৰ হাঁহি
জিলিকা চকুৰ চাৱনি ।

তেওঁৰ কথাৰ সোঁতত
যাদুকৰী সুখ,
তেওঁৰ মুঠিত মোৰ হাত,
কি অপূৰ্ব সুখ !

মোৰ শান্তি হেৰাই গ'ল
বুকু ভাঙি থৈ
আৰু তো নাপাওঁ, গ'ল
চিৰকাললৈ ।

হিয়া মোৰ বিয়াকুল
তেওঁৰ কাষ পাবলৈ
তেওঁক আঁকোৱালি ঘেৰি
সাবটিবলৈ !

ভাল পাই চুমা দিবলৈ
গুণ গুণ নিশাহেৰে,
তেওঁৰ চুমাৰ তলত
গ'লি মৰি যাবলৈ ।

## নিগনিৰ ট্ৰেজেডি

*[আত্তৰ বাখৰ পানশালা দৃশ্যৰ পৰা]*

**ব্ৰাণ্ডেৰৰ গানঃ**

এসময়ত ভঁৰাল এটাত আছিল এটা নিগনি,
সি ভাল পাইছিল মাখন আৰু চেনি ।
খাওঁতে খাওঁতে পেটটো তাৰ ইমান বাঢ়ি গ'ল,
মাৰ্টিন লুথাৰ মহোদয়ৰ পেটটোৰ দৰে হ'ল ।
ঘৰত আছিল যি জনী ৰান্ধনী
তাই থলে চেনিত বিহ সানি,
খাই উঠি নিগনি বাপু মৰে ছটফটাই,
যেন প্ৰেমহে তাৰ পেটত আছে সোমাই !
সমবেত । (সহৰ্ষে) । যেন প্ৰেমহে তাৰ পেটত আছে সোমাই ।

ইফালে যায় সি সিফালে যায়,
দেহাটোত তাৰ তৰণি নাই,
এঢোক দুঢোক পানী খাঁয়,
তথাপিও সি শান্তি নাপায়
যেন প্ৰেমহে তাৰ পেটত আছে সোমাই !
সমবেত । যেন প্ৰেমহে তাৰ পেটত আছে সোমাই ।

........................ ❑

ছবি ❑ চম্পক বৰবৰা





# প্ৰেমৰ ছবি 'একত্ৰিছ জুন'

উৎপল দত্ত

প্ৰেমৰ ছবি বা কাহিনী বুলি ক'লেই বহুতৰ মনলৈ নাক কোঁচাবলগীয়া ভাব এটিহে আহে । ইয়াৰ কাৰণ আছে । আমি ৰূপালী পৰ্দাত দেখা অধিকাংশ প্ৰেম-কাহিনীয়েই হয় অতি সাধাৰণ, স্থূল আৰু আবেদনহীন । প্ৰেমিক-প্ৰেমিকাযুগলক পৰ্দাত দেখাৰ দুইমিনিট পিছতেই ৰসবান দৰ্শকে নিৰ্ভুলভাবে ভৱিষ্যতবাণী কৰিব পাৰে এই 'লাভ-বাৰ্ড' হালৰ দশা কি হ'ব ।

নিৰ্মিয়মান অসমীয়া ছবি 'একত্ৰিছ জুন'–এ প্ৰেমৰ ছবিৰ এই ধাৰণাৰ বিৰোধিতা কৰি আত্মপ্ৰকাশ কৰিব । ছবিখনৰ কাহিনীভাগ সংক্ষেপতে এনে ধৰণৰ ।

কিতাপৰ মাজত বুৰ গৈ থাকি সময় অতিবাহিত কৰা প্ৰায় দুকুৰি বছৰীয়া অধ্যাপক মহৎ শইকীয়াই এদিন উপলব্ধি কৰিলে যে তেওঁৰ জীৱনলৈ প্ৰেম নাহিল, প্ৰেম অবিহনে তেওঁৰ জীৱন বৃথা । সহকৰ্মী বন্ধু এগৰাকীক তেওঁ কথাটো ক'লে । সহকৰ্মী বন্ধু 'প্ৰেক্টিকেল' বুদ্ধি সম্পন্ন । তেওঁ মহৎ শইকীয়াক লৈ গ'ল আন এগৰাকী সহকৰ্মী অধ্যাপিকাৰ তালৈ– তেওঁ



'একত্ৰিশ জুন' ছবিত মণিতা কাকতি আৰু পংকজ মহন্ত



OKDISCD



ছবি 'একত্ৰিছ জুন' শিল্পী–মণিতা কাকতি প্ৰাঞ্জল শইকীয়া

অবিবাহিতা। দুয়োকে প্ৰেম কৰিবলৈ উৎসাহ যোগাই মহৎ শইকীয়াৰ বন্ধু গ'লগৈ।

এই ব্যৱস্থা কিন্তু মহৎ শইকীয়াৰ পছন্দ নহ'ল। কাৰণ অধ্যাপিকা অতি হিচাপী তেওঁৰ মতে প্ৰেম মানেই বিবাহ-সংসাৰ. ইত্যাদি। কিন্তু মহৎ শইকীয়াৰ দুচকুত কৈশোৰৰ চৰ্তহীন প্ৰেমৰ সপোন। কি কৰা যায়! মহৎ শইকীয়াই ভাবিলে। এনেতে হঠাৎ এদিন ৰাতি মদ্যপান কৰি অস্থিৰ খোজেৰে ঘৰলৈ উভতি আহোতে ৰাস্তাত লগ পালে প্ৰেমৰ দেৱতা 'কাম দেৱ'ক। কামদেৱে মহৎ শইকীয়াৰ সমস্যা বুজি পালে আৰু এটি উপায় দিলে।

এই উপায় মতে মহৎ শইকীয়াই লগ ধৰিলে এগৰাকী বাবাজীক। বাবাজীয়ে মহৎ শইকীয়াক কলেজীয়া যুৱকলৈ ৰূপান্তৰিত কৰি দিলে আৰু চৰ্তহীন কৈশোৰ প্ৰেমৰ আনন্দ উপভোগ কৰিবলৈ দিলে। এই সুবিধা বাহাল থাকিল তিনি মাহৰ বাবে।

এই মতেই কাম। মহৎ শইকীয়াই কলেজীয়া ছাত্ৰৰ ৰূপ ধৰিলে, প্ৰেমত পৰিল। তিনিমাহ পাৰ হৈ গ'ল। তেওঁ পুনৰ মহৎ শইকীয়াৰ ৰূপ পালে। বিপদ আহিল এই বাৰহে। ইতিমধ্যে প্ৰেমে তেওঁৰ হৃদয়ৰ গভীৰতম অংশ অধিকাৰ কৰি লৈছে। এই যুৱতীৰ অবিহনে তেওঁৰ জীৱন বৃথা। এই সমস্যাৰ সমাধানতেই ছবিৰ সামৰণি।

এই সংক্ষিপ্ত কাহিনীভাগ পঢ়িয়েই পাঠকে নিশ্চয় অনুমান কৰিব পাৰিছে যে কাহিনীভাগ অগতানুগতিক আৰু কৌতূহলউদ্দীপক। 'চৰ্তহীন প্ৰেম সম্ভৱ নে'– এই প্ৰশ্নটোকে পৰিচালকে ছবিৰ আৰম্ভণিৰ পৰা শেষলৈকে নানান ধৰণে উপস্থাপন কৰিছে, উত্তৰ বিচাৰিছে।

একত্ৰিছ জুন সম্পূৰ্ণৰূপে বিনোদনধৰ্মী ছবি। কিন্তু বিনোদনধৰ্মী ছবিয়ো যে আচলতে ছবি, স্থূল কাহিনী আৰু খহটা উপস্থাপন নোহোৱাকৈয়ো যে বিনোদনধৰ্মী ছবি নিৰ্মাণ কৰিব পাৰি, একত্ৰিছ জুনৰ পৰিচালক ভাস্কৰ বৰাই তাকেই প্ৰমাণ কৰিব বিচাৰিছে।

জ্যোতি চিত্ৰবনৰ সম্পাদনা কক্ষত বহি ছবিখনৰ কিছু অংশ চাইছিলো। কাহিনীৰ কথাটো আগতে কলোৱেই, ছবিখনৰ আৰু দুটিমান দিশে আমাক আকৰ্ষিত কৰিছিল– তাৰে দৃশ্যগ্ৰহণৰ কৌশল। কৌশল মানে কাৰিকৰী জাগলাৰিৰ কথা কোৱা নাই, কেমেৰাটোক নান্দনিক দিশেৰে ব্যৱহাৰ কৰাৰ প্ৰয়াস। চিত্ৰনাট্যত লেখা আছে– মহৎ শইকীয়া কিতাপৰ মাজত বুৰ গৈ আছিল। পৰিচালক ভাস্কৰ বৰাই এই তথ্য কেমেৰাৰে এনেদৰে প্ৰকাশ কৰিছে– শ্বটটো আৰম্ভ হৈছে ঠাক ঠাককৈ থৈ দিয়া কিতাপ এদমৰ পৰা। লাহে লাহে কেমেৰা পিছুৱাই যোৱাত দেখা গ'ল সেয়া এখন টেবিলৰ সমুখৰ অংশ– কিতাপেৰে ভৰ্তি। কেমেৰা লাহে লাহে ওপৰলৈ উঠিল– লাহে লাহে দৃশ্যমান হ'ল টেবিলত, টেবিলৰ ওচৰৰ বুক চেলফত অলেখ কিতাপ আৰু সেই কিতাপবোৰৰ মাজত চকী এখনত বহি লৈ টেবিলৰ ওচৰত বহি পঢ়ি আছে মহৎ শইকীয়াই। এইটো এটা সামান্য উদাহৰণ। এনেকুৱা অলেখ উদাহৰণ ছবিখন বিয়পি আছে। ছবিখনৰ বিষয়ে এতিয়াই একো মন্তব্য নকৰিলেও এটা মন্তব্য কৰাৰ লোভ সম্বৰণ কৰিব নোৱাৰিলো। দৃশ্যৰচনা, দৃশ্যসৌন্দৰ্য আৰু কেমেৰাৰ ব্যৱহাৰৰ দিশৰ পৰা এই ছবিখনে প্ৰথম শাৰীত স্থান পাবই।

আন এটি উল্লেখনীয় দিশ হ'ল– অভিনেতা-নেত্ৰীসকলৰ অভিনয়। প্ৰতিগৰাকী শিল্পীৰ পৰা সুঅভিনয় আদায় কৰি তাক দক্ষতাৰে কেমেৰাৰে ধৰি ৰখাত তৰুণ পৰিচালক ভাস্কৰ বৰাই যি দক্ষতা দেখুৱাইছে সেয়া অসমীয়া ছবিত বিৰল।

অভিনৱ কাহিনী, ৰসোত্তীৰ্ণ চিত্ৰগ্ৰহণ, সুশ্ৰাব্য গীত, ভাল অভিনয় আদিৰ সমন্বয়েৰে পুষ্ট 'একত্ৰিছ জুন' ছবিখন চাই দৰ্শকে তৃপ্তি লাভ কৰিব। □



# কানন দেৱী আৰু নাই

মালবিকা পাঠক

*কৈসা হো জোৰা*
*সমন সুখী কা*
*কৈসা নসীবা*
*তুত গয়া'* ......

এই কণ্ঠ চিৰদিনৰ বাবে ৰুদ্ধ হৈ গ'ল ১৭ জুলাইৰ নিশা। শূন্য হৈ পৰিল 'শ্ৰীময়ী পিকচাৰ্চ'ৰ বৃহৎ প্ৰতিষ্ঠান। 'নিউ থিয়েটাৰ' এৰাৰ পাছত 'শ্ৰীময়ী পিকচাৰ্চ'ৰ লগতেই প্ৰত্যক্ষ ভাবে জড়িত আছিল কানন দেৱী। অভিনয় আৰু গীত গাবলৈ এৰাৰ পাছত একমাত্ৰ এই প্ৰতিষ্ঠানটোৰ মাজেদি তেওঁ কলা শৈলীক জীয়াই ৰাখিছিল। আজি তাৰ চাৰিদিশ উকা উকা। একালৰ সু-গায়িকা আৰু অভিনেত্ৰী কানন দেৱীয়ে ইতিমধ্যে মৃত্যুক সাবটি লৈছে। কানন বালাৰ জীৱনেই আছিল এক আদৰ্শ। ৰূপ, কণ্ঠ, অভিনয়শৈলীয়ে মুগ্ধ কৰিছিল কলাপ্ৰেমী ৰাইজক, মুগ্ধ কৰিছিল চিত্ৰপ্ৰেমী দৰ্শকক। ৭৬ বছৰীয়া জীৱনটোত তেওঁ দেশ আৰু দহৰ বাবে যিখিনি দি গ'ল সি সোণালী অতীত হৈ জিলিকি থাকিব চিৰদিন।

কানন বালাই পৰিশ্ৰম কৰিছিল। অক্লান্ত পৰিশ্ৰম। যিটো সময়ত নাৰীৰ বাবে চাৰিবেৰৰ বাহিৰ হোৱা নিষেধ আছিল সেইখিনি সময়তেই কাননবালা ওলাই আহিল গীত গাবলৈ, অভিনয় কৰিবলৈ।

কানন বালাৰ জন্ম হয় ১৯১৬ চনত। পিতৃ ৰতন চন্দ্ৰ দাস। ৰতন দাসৰ জীয়েকক সু-গায়িকা কৰাৰ স্বপ্ন। কাননবালাৰো সংগীত জগত খনৰ প্ৰতি অধিক ধাউতি আছিল। কানন বালাই পিতৃৰ স্বপ্নক সফল ৰূপ দিব পাৰিলে। কিন্তু পিতৃৰ ভাগ্যত সেই দিনটো নাহিল। কাননবালাৰ মাত্ৰ ৭ বছৰ বয়সতেই ৰতন দাস পৰলোকগামী হয়। মাকৰ লগত হাওড়াৰ ঘোলাদাঙাত কাননদেৱী ডাঙৰ দীঘল হয়। মাত্ৰ ১০ বছৰ বয়সতেই কানন দেৱীয়ে ছবি জগতত প্ৰবেশ কৰে। জ্যোতিষ বন্দোপাধ্যায়ৰ পৰিচালনাত 'জয়দেৱে'ই হৈছে তেওঁৰ অভিনীত প্ৰথম ছবি। এই ছবিত অভিনয়ৰ বাবে ৫ টকা পুৰস্কাৰো লাভ কৰে। ১৯৩১ চনত 'ঋষিৰ প্ৰেম' ছবিত নায়িকাৰ ভূমিকা লয়। এই ছবিৰ উপৰিও 'জোৰ বৰাত' 'প্ৰহলাদ' 'বিষ্ণুমায়' 'শংকৰাচাৰ্য' 'কংসবধ' আদি ছবিত অভিনয় কৰে। ১৯৩৩ চনত প্ৰদৰ্শিত 'শ্ৰীগৌৰাঙ্গ ছবিত অভিনয় কৰাৰ লগতে তেওঁ কথাছবিত গীতো গোৱাৰ সুযোগ পায়। গীতেই আছিল কাননদেৱীৰ প্ৰথম প্ৰেম। গতিকে ১৯৩৬ চনত 'বিদ্যাপতি' 'মুক্তি' ছবি দুখন মুক্তি পোৱাৰ লগে লগে দেশৰ প্ৰতি কোণতেই কাননবালাৰ কণ্ঠ বিয়পি পৰিল–

*আয়ে বশোবনোৱাৰী*
*হমাৰী নগৰীয়া যে*
*ঘাট ঘাট যে ফুল খিলেৰে*

এই সময়ছোৱাত কলিকতাৰ বঙালী ছবিৰ বাহিৰেও হিন্দী ছবিতো কাননবালাই আত্মপ্ৰকাশ কৰে। ছবি আৰু গীত এই দুয়োটা দিশত ব্যস্ত থকা সময়ছোৱাত তেওঁ 'নিউ থিয়েটাৰ'ৰ লগত ওত-প্ৰোতভাৱে জড়িত আছিল। ১৯৪৩ চনত 'হস্‌পিটাল ছবিখনত অভিনয় লগতে কণ্ঠদানো কৰে। ছবিখনৰ সংগীত পৰিচালনা কৰিছিল কমল দাস গুপ্তাই। ছবিখনৰ এই ভজনটি সেই সময়ত অতি জনপ্ৰিয় হৈ পৰিছিল– 'প্ৰভু জী তুম *ৰাখো না হমাৰী'*

১৯৪২ চনতেই তেওঁ কেইবাখনো বঙালী ছবি কৰাৰ সুবিধা পায়। লাহে লাহে তেওঁ 'নিউ থিয়েটাৰ' এৰে আৰু 'শ্ৰীময়ী পিকচাৰ্চ'



কানন দেৱী

নামেৰে এক প্ৰতিষ্ঠান খোলে। মৃত্যুৰ সময়লৈকে এই প্ৰতিষ্ঠানৰ লগতেই তেওঁ জড়িত হৈছিল। তেওঁৰ ছবি জীৱন আছিল বৰ দীঘলীয়া। বহু ছবিত অভিনয় কৰিছিল তেওঁ। আৰু সম্ভৱ সৰ্বাধিক ছবিত অভিনয় কৰিছিল ১৯৪৯ ৰ পৰা ১৯৫৯ চনলৈ। এই ছবিসমূহত প্ৰাণ ঢালি কণ্ঠদানো কৰিছিল।

*'দোলে ৰে হিঁয়ে নৈয়া*
*ক্যা য়ুহী হোতী হ্যায় উলফত*
*ক্যা য়ুহী আতা হ্যায় দিল*
*দেখতে হী উনকী চুৰত'*

মুক্তি ছবিখনত অসমৰ প্ৰমথেশ বৰুৱাৰ বিপৰীতে অভিনয় কৰিছিল। প্ৰমথেশ বৰুৱাৰ বিপৰীতে অভিনয় কৰা আন এখন চলচ্চিত্ৰ আছিল 'শেষ উত্তৰ'। ১৯৪২ চনত মুক্তি লাভ কৰা 'শেষ উত্তৰ' হিন্দী ডাব কৰা হৈছিল 'জবাব' নামেৰে। কমল দাস গুপ্তাৰ সঙ্গীত পৰিচালনাৰ 'জবাব' ছবিখনত কানন দেৱীয়ে যি স্বীকৃতি পাইছিল আন কোনো ছবিতেই পোৱা নাছিল। ছবিখনৰ বাবে বি এফ জে এৰ শ্ৰেষ্ঠ অভিনেত্ৰীৰ পুৰস্কাৰো তেওঁ লাভ কৰিছিল।

তেওঁ নিজে কণ্ঠদান কৰা ছবিখনৰ এটা জনপ্ৰিয় গীত–

*তু হা কৰ যা য়া*
*না কৰ যা। ভুল সকে তো ভুল হী জানা*
*ক্যা ভুলে হো ভুল বতানা,*
*ভুল সকে তো ভুল হী জানা*
*ক্যা ভুলে হো ভুল বতানা'*

এই সময়ছোৱাত কলিকতাৰ বঙালী ছবিৰ বাহিৰে হিন্দী ছবিতো আত্মপ্ৰকাশ তেওঁ কৰে। ১৯৪৩ চনত 'হছপিটাল' ছবিত কমল দাস গুপ্তাৰ সংগীত পৰিচালনাত গাইছিল–

*'প্ৰভু জী তুম ৰাখো না হমাৰী'*

১৯৪২ চনতেই তেওঁ ইমান দিনে জড়িত হৈ থকা 'নিউ থিয়েটাৰ' এৰে। এই সময়ছোৱাত কেইবাখনো উল্লেখ যোগ্য বঙালী ছবিত অভিনয় কৰে। আৰু লগে লগে তেওঁ নিজাকৈ 'শ্ৰীময়ী পিকচাৰ্চ' নামেৰে এক প্ৰতিষ্ঠান খোলে। মৃত্যুৰ আগ মুহূৰ্তলৈকে এই প্ৰতিষ্ঠানৰ লগতেই তেওঁ জড়িত আছিল। ১৯৪৯–ৰ পৰা ১৯৫৯ চনলৈ এই সময়ছোৱাত তেওঁ যথেষ্ট সংখ্যক ছবিত অভিনয় কৰে। 'মেজদিদি', 'দেবত্ৰ', 'আশা', ইন্দ্ৰকান্ত', 'শ্ৰীকান্ত আৰু 'অন্নদাদি' আদি ছবি। এই 'আশা' ছবিখনেই তেওঁ প্লে বেক চিঙ্গাৰ হিচাপে গোৱা শেষ ছবি



কানন দেৱী আৰু প্ৰমথেশ বৰুৱা 'শেষ উত্তৰ' কথাছবিত

আছিল। কানন দেৱী আছিল বহু প্ৰতিভাশালী গায়িকা তথা অভিনেত্ৰী। চলচ্চিত্ৰৰ অভিনেত্ৰী হোৱাৰ সপোন তেওঁ সৰুৰে পৰা দেখা নাছিল যদিও গান গোৱাৰ তেওঁৰ বৰ চখ আছিল। ওস্তাদ আল্লাৰাখাৰ, পংকজ মল্লিকৰ পৰা তেওঁ উচ্চাঙ্গ সংগীত আয়ত্ত কৰিছিল। তেওঁৰ পিতৃ ৰতন দাসেও নিজ কন্যাক গান শিকাবলৈ বৰ মন কৰিছিল। যদিও অভিনয়কে বেছি গুৰুত্ব সহকাৰে নিৰ্বাচন কৰিছিল তথাপিও গান গাবলৈ তেওঁ এৰা নাছিল। যিহেতুকে প্লে বেক গায়ক গায়িকাৰ ব্যৱস্থা তেতিয়া হোৱা নাছিল গতিকে গান চৰ্চাতো সিমানেই মনোনিবেশ কৰিব লগীয়া হৈছিল। এখন গোড়া ৰক্ষণশীল সমাজৰ পৰা পিতৃহাৰা ছোৱালী এজনীয়ে নিজেই কিদৰে নিজ ব্যক্তিত্ব গঢ়ি তুলিছিল তাৰেই জ্বলন্ত প্ৰমাণ হৈ আছে কাননদেৱী। ৰূপহী অথচ শান্ত সৌম্য চেহেৰাৰে বিশাল ব্যক্তিত্ব সম্পন্ন এই গৰাকী নাৰী মাথো ভাৰতবৰ্ষৰ এগৰাকী সুগায়িকা বা সু অভিনেত্ৰী নহয়। তেওঁ ভাৰতৰ বাবে এক নিদৰ্শন। ছবিজগতত তেওঁৰ অৱদানৰ বাবে ১৯৭৬ চনতেই 'দাদা চাহেব ফালকে পুৰস্কাৰেৰে বিভূষিত কৰা হৈছে। কানন দেৱী আজি আমাৰ মাজত নাই। কিন্তু শিল্পীৰ কেতিয়াও মৃত্যু হ'ব নোৱাৰে। নলিন চাহনীৰ ভাষাত ঃ *'কলাকাৰ' কী সাজ চলতাই ৰহতা হ্যায় কই শুনে য়া না শুনে।* ❑



বাসবদত্তা' ছবিত কানন দেৱী




ডিটেক্‌টিভ উপন্যাস

# মোজাৰ্টৰ স্বৰলিপি

উৎপল দত্ত

অংকন ▫ চম্পক বৰবৰা



(এক)

টুৰিষ্ট গাইড এখনৰ পাতত চকু ফুৰাই আছিল দীপক শইকীয়াই। বছৰেকত এবাৰকৈ বাহিৰলৈ ফুৰিবলৈ যোৱাটো দীপক শইকীয়াৰ অভ্যাসতে পৰিণত হৈছে। কেইদিনমানৰ আগতে এটা কেচ সমাপ্ত কৰি মোটা অঙ্কৰ চেক্ এখন বেঙ্কত জমা দিছে, এতিয়া হাতত কেচো নাই, আহিলেও লোৱাৰ ইচ্ছা নাই – গতিকেই এপাক ফুৰি অহাই ভাল।

টুৰিষ্ট গাইডৰ 'চিকিম'ৰ পৃষ্ঠাকেইটাত চকু ফুৰাবলৈ লওঁতেই কলিং বেলটো বাজি উঠিল। দুৱাৰখন খুলি দিয়াৰ বাবে দ্বিতীয় এজন মানুহ ঘৰত নাই। দীপক শইকীয়া অকলশৰীয়া অবিবাহিত যুৱক, ৰবীন তেওঁৰ লগতেই থাকে। ক্লাচ নাইনলৈ পঢ়া ৰবীন দীপক শইকীয়াৰ ৰান্ধনি, কেয়াৰ টেকাৰ আৰু প্ৰাইভেট চেক্ৰেটাৰি। সিও এতিয়া বজাৰলৈ গৈছে। বাধ্য হৈ দীপক শইকীয়াই নিজেই দুৱাৰখন খুলি দিলে।

দুৱাৰমুখতে থিয় হৈ আছিল খাকী ৰঙৰ পুলিচৰ ইউনিফৰ্মৰ দৰে পোছাক পিন্ধা এজন আদহীয়া মানুহ। বয়স প্ৰায় পঞ্চাশ বছৰমান হ'ব। চুটিকৈ কটা চুলি, নিয়মিত ব্যায়াম কৰা চেহেৰা – 'এক্স আৰ্মি মেন হ'ব' – দীপক শইকীয়াই ভাবিলে। 'এতিয়া নিশ্চয় কোনোবা প্ৰাইভেট ফাৰ্মত ড্ৰাইভাৰ বা চকিদাৰ জাতীয় কাম কৰে।'

– চাৰ !

– কওক।

– দীপক শইকীয়া.................

– হয়, ময়েই।

– আপোনাক আমাৰ চাৰে লগ পাব বিচাৰিছে।

– কি নাম আপোনাৰ চাৰৰ ?

– সুশান্ত বৰুৱা।

– কি কৰে ?

– টি গাৰ্ডেন আছে চাৰ।

– কিয় লগ পাব বিচাৰিছে ?

– মই নাজানো চাৰ।

– ঠিক আছে। আহিবলৈ ক'ব। কেৱল অহাৰ আগতে মোলৈ এবাৰ ফোন কৰি লবলৈ দিব।

– চাৰ আহিছেই। ৰাস্তাতে গাড়ীত বৈ আছে। আপুনি আছে নে নাই মোক চাবলৈ দিলে। আপুনি আছে যেতিয়া তেখেতক মাতি আনোনে ? নে অইন সময়ত আহিম।

– ঠিক আছে। মাতক বাৰু।

প্ৰকাণ্ড চৌহদ এটাৰ এচুকত দীপক শইকীয়াৰ ঘৰ। বিশাল আকাৰৰ সেউজীয়া লন, দেৱালৰ চাৰিও কাষে ওখ ওখ জবা ফুলৰ জোপোহা, এই জোপোহাবোৰৰ বাবেই ৰাস্তাৰ পৰা ঘৰটোৰ টিনপাত কেইচলাহে দেখা পায়। দুৱাৰ খিৰিকিবোৰ বন্ধ নে খোলা ধৰিবই নোৱাৰি। ঘৰটো আচাম টাইপৰ, টিনত সেউজীয়া ৰং, ঘৰৰ বেৰত ক্লিডিং হাৰ্ট আৰু বগেন ভেলিয়াবোৰে বেৰ পাৰ হৈ গৈ টিনপাত পাইছেগৈ। বাৰান্দাৰ টাবত অলেখ ফাৰ্ণ আৰু কেকটাচ। এইবোৰৰ মাজত থিয় হৈ একত্ৰিছ বছৰীয়া প্ৰাইভেট ডিটেক্‌টিভ দীপক শইকীয়াই চৌহদৰ মূল দুৱাৰখনৰ পিনে চাই আছিল।

খাকী পোছাক পিন্ধা মানুহজনে খুলি থৈ যোৱা দুৱাৰখনেৰে সুশান্ত বৰুৱা সোমাই আহিল। চৰ্বিৰ ভৰত তেওঁৰ দেহৰ আকৃতি প্ৰায় ঘূৰণীয়া হৈছে। পিন্ধনত ক্ৰিম ৰঙৰ পেন্ট-চাৰ্ট, ভৰিত ক'লা ৰঙৰ চেন্দেল, মূৰৰ চুলিবোৰ চুটিকৈ কটা, চকুত সোণালী ফ্ৰেমৰ চছমা। মানুহজনৰ বয়স প্ৰায় সত্তৰ। ঐশ্বৰ্য আৰু আৰামৰ চিন তেওঁৰ দেহত বিদ্যমান।

গেটখনেৰে ভিতৰত সোমোৱাৰ লগে লগেই খাকী পোছাক পিন্ধা মানুহজনে গেটখন বন্ধ কৰি দিলে।

ড্ৰইং ৰুমত বহিয়েই প্ৰথমে সুশান্ত বৰুৱাইয়ে মুখ খুলিলে – দুৱাৰখন জপাই দিব নেকি ?

– কিয় ?

– মোৰ কথাটো বৰ গোপন। কোনো তৃতীয় মানুহে নুশুনাই ভাল বুলি মোৰ ধাৰণা হয়।

– ইয়ালৈ কোনো তৃতীয়া মানুহ নাহে। তথাপি আপুনি কৈছে যেতিয়া–

দীপক শইকীয়া উঠি গৈ দুৱাৰখন বন্ধ কৰি দিলে।

– চিগাৰেট ?

– না, মই নাখাওঁ।

– মই হুপিলে আপোনাৰ অসুবিধা হ'ব নেকি ?

– নহয়। আপুনি জ্বলাওক।

দীপক শইকীয়াই এচট্ৰেটো সুশান্ত বৰুৱাৰ ওচৰৰ টিপয়খনত থলে। চিগাৰেট এটা জ্বলাই, লাহে লাহে ধোঁৱাখিনি এৰি দি সুশান্ত বৰুৱাই চকীত আউজি থকাৰ পৰা পোন হ'ল, সমুখৰ চকীত বহি থকা দীপক শইকীয়াৰ পিনে অলপ হাউলি যোৱাদি গ'ল, আৰু গোপন কথা এটা কোৱাদি ক'লে – মই বৰ বিপদত পৰিছো। আপুনি সহায় কৰিব লাগে। তাৰ বাবে আপোনাক যি পাৰিশ্ৰমিক লাগে মই দিম। আপুনি মাত্ৰ মোক সহায় কৰিব বুলি কথা দিয়ক।

পুলিচৰ এডিচনেল এচ পি-ৰ চাকৰি বাদ দি প্ৰাইভেট ডিটেক্‌টিভৰ ৰূপত আত্মপ্ৰকাশ কৰাৰে পৰা আজি দুটা বছৰে দীপক শইকীয়াই এনে ধৰণৰ কথা বহুবাৰ শুনি আহিছে। কেচ লৈ অহা প্ৰতিজন মানুহেই এনেদৰেই কথা আৰম্ভ কৰে। এই কথাখিনি দীপক শইকীয়াৰ বাবে গুৰুত্বপূৰ্ণ নহয়, গুৰুত্বপূৰ্ণ হ'ল মানুহজনৰ কণ্ঠস্বৰ, বহি থকা ভঙ্গীমা আৰু মুখৰ অংগীভঙ্গীৰ প্ৰকাশ।

দীপক শইকীয়াই সুশান্ত বৰুৱাৰ পিনে চালে। ৰাতিপুৱা ন-বজাতেই মানুহজনে যেতিয়া দাড়ি খুৰাই, গা-পা ধুই, দেহত কল'ন ছটিয়াই, ইস্ত্ৰি কৰা কাপোৰ পিন্ধি আহি দীপক শইকীয়াৰ ঘৰ পাইছে, প্ৰথম বাৰত লগ নাপালে পিছত আহিব বিচাৰিছে, দেহত ক্লান্তি বা চকুৰ গুৰিত দুচিন্তাৰ ছাপ নাই – তাৰমানে মানুহজন বেছি বিপদত পৰা নাই। বেছি বিপদ হলে অইন নহলেও মুখত চিন্তাৰ ছাপ থকাটো উচিত আছিল। কিছুমান মানুহে কথাটো অধিক গুৰুত্বপূৰ্ণ কৰি বুজাবলৈ ফুচফুচাই কোৱাদি কয়। সুশান্ত বৰুৱাইও সেই একেটি কায়দাকে অৱলম্বন কৰিছে – দীপক শইকীয়াই ভাবিলে।

– কওকচোন বাৰু।

– মোৰ ঘৰৰ পৰা মূল্যবান বস্তু এবিধ নোহোৱা হৈছে। চুৰি হৈছে নে হেৰাল মই ধৰিব পৰা নাই। আপুনি বস্তুবিধ উদ্ধাৰ কৰি দিব লাগে।

– এই কামটো পুলিচৰহে আছিল।

– পুলিচৰ তালৈ যোৱাত অসুবিধা আছে।

– কিয় ?

– প্ৰথম কথা, মোৰ ঘৰলৈ পুলিচ আহিব, এনকুৱাৰি কৰিব, কথাটো জনাজনি হৈ যাব দেখাত বেয়া হয়। কাৰণ বস্তুটো নোহোৱা হোৱা সময়ত মোৰ ঘৰত আছিল কেৱল মোৰ পৰিয়ালৰ মানুহকেইজনহে। আৰু দ্বিতীয় কথা, বস্তুটো মোৰ বাবেহে মূল্যবান, পুলিচৰ বাবে বস্তুটোৰ মূল্য একো নাথাকিবও পাৰে। মই ভাবিছোহে বস্তুটো মূল্যবান বুলি; আচলতে ময়ো নাজানো বস্তুটোৰ মূল্য কিমান।

– তেন্তে ?

– বস্তুটো মোৰ দেউতাৰ বৰ মৰমৰ আছিল। সেইবাবেই বস্তুটো মই হেৰুৱাব বা চুৰি হবলৈ দিব নোৱাৰো।

– বস্তুটো কি বাৰু ?

– নোটেচন অৰ্থাৎ স্বৰলিপি লিখা কাগজ এখন।

– কাৰ স্বৰলিপি ?

– মোজাৰ্টৰ। মোজাৰ্টৰ স্বৰলিপি।

## (দুই)

মোজাৰ্ট। ১৭৫৬ চনত অষ্ট্ৰিয়াত জন্ম গ্ৰহণ কৰা মোজাৰ্ট পৃথিৱীৰ শ্ৰেষ্ঠ সংগীত শিল্পীসকলৰ এজন। মাত্ৰ পঁয়ত্ৰিছ বছৰ বয়সতেই মোজাৰ্টে পৃথিৱী এৰি গুচি যায়। তেওঁৰ জীৱন অতিবাহিত হৈছিল দাৰিদ্ৰ্যৰ মাজত, অথচ মাত্ৰ পঁয়ত্ৰিছটা বছৰতেই তেওঁ যিখিনি সৃষ্টি কৰি থৈ গ'ল সেয়া মানৱ সভ্যতাৰ অতুল বৈভৱ।

মৃত্যুৰ ঠিক আগমুহূৰ্তত ৰোগশয্যাত শুই শুই তেওঁ ৰচনা কৰিছিল 'ৰিকুয়াম'। মৃত্যু শোকৰ সংগীত 'ৰিকুয়াম'। ৰোগ শয্যাত পৰি থাকোতেই হেনো শুকুলা ঘোঁৰাৰ ৰথত উঠি এজন ডিউক আহিছিল মোজাৰ্টৰ ওচৰলৈ। অনুৰোধ কৰিছিল মৃত্যু শোক প্ৰকাশক সংগীত ৰচনাৰ বাবে। বয়স্ক ডিউকৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰিয়েই শয্যাগত মোজাৰ্টে ৰচনা কৰিছিল 'ৰিকুয়াম'। শিষ্যবৰ্গক তেওঁ অনুৰোধ কৰিছিল – তেওঁৰ মৃত্যুৰ সময়তো যাতে ৰিকুয়ামকেই বজোৱা হয়। 'ৰিকুয়াম' ৰচনা কৰা শেষ হোৱাৰ লগে লগেই মোজাৰ্টৰো মৃত্যু হয়। মোজাৰ্ট প্ৰেমী সকলে বিশ্বাস কৰে, শুকুলা ঘোঁৰাৰ ৰথত উঠি অহা সেই ডিউক আন কোনো নহয় – তেওঁ আছিল স্বয়ং মৃত্যু দেৱতা।

এইজন মোজাৰ্টৰ ৰিকুয়ামৰ স্বৰলিপিৰ এখিলা কাগজ চাহ বাগিচাৰ মালিক সুশান্ত বৰুৱাৰ হাতত। আৰু সেইখনো হেৰাই থাকিল ? দীপক শইকীয়াৰ বাবে কথাটো আচৰিত যেন লাগিল।

– স্বৰলিপিৰ এই কাগজখনৰ মূল্য কিমান হ'ব পাৰে বুলি আপুনি ভাবে ? সুশান্ত বৰুৱাই প্ৰশ্ন কৰিলে।

– পাউণ্ড, ডলাৰ বা টকাৰ হিচাপেৰে আপুনি এই স্বৰলিপিৰ দাম নিৰ্দ্ধাৰণ কৰিব নোৱাৰে। দুশবছৰ আগৰ এজন অমৰ সংগীতজ্ঞৰ শেষ সংগীত ৰচনাৰ স্বৰলিপি, তাকো শিল্পীগৰাকীৰ নিজৰ হাতৰ আখৰৰ – এক কথাত ই অমূল্য। ভাৰতৰ কথা নাজানো, বিদেশৰ সংগ্ৰাহকে এনে দুষ্প্ৰাপ্য বস্তুৰ বাবে কেবা কোটি পাউণ্ড হাঁহিমুখে আগবঢ়াব। অৱশ্যে, যদিহে ই আচল হয়।

– আচল মানে ?

– এনেকুৱা দুষ্প্ৰাপ্য বস্তুবোৰ জাল কৰাটো এটা আন্তৰ্জাতিক ব্যৱসায়। অৱশ্যেই অবৈধ ব্যৱসায়। দুষ্প্ৰাপ্য বস্তুৰ প্ৰতি মানুহৰ আগ্ৰহ থাকেই। ৰুচিবান আৰু অৰ্থবান মানুহে এনে দুষ্প্ৰাপ্য বস্তু বহু মূল্যৰ বিনিময়ত কিনি লয়। 'জাল পেইন্টিং' 'জাল মূৰ্ত্তি' ইত্যাদিয়ে প্ৰায়েই 'নিউজ হেডলাইন' কেপচাৰ কৰে। আপোনাৰ চকুত পৰেই নিশ্চয়। 'কপি' অৰ্থাৎ 'নকল' বস্তু এবিধো বিক্ৰী হয়। জাল আৰু নকলৰ পাৰ্থক্য এটাই – নকলটোক নকল বুলিয়েই বিক্ৰী কৰা হয় আৰু জালটোক আচল বুলি। আপোনাৰ এই স্বৰলিপিখন আচল, জাল নে নকল। যদি জাল বা নকল হয়, তেন্তে চিন্তাৰ বিশেষ কাৰণ নাই।

– মইতো আচল বুলিয়েই বিশ্বাস কৰো, কৰি আহিছো। এতিয়া আচল নকল জনাটো মোৰ বাবে প্ৰয়োজনীয় নহয়। মোৰ এটাই কথা – স্বৰলিপিখন মোক উদ্ধাৰ কৰি দিব লাগে। আপুনি কেচটো লওক।

সুশান্ত বৰুৱাই চেকবুকখন উলিয়ালে। চেকত দীপক শইকীয়াৰ নামটো লেখি চহী কৰিলে।

– এমাউন্টটো কিমান লেখো ?

– মই এতিয়াও কেচটো লম বুলি ঠিৰাং কৰা নাই।

– যদি বেয়া নাপায় এটা প্ৰশ্ন সোধো ?

– সোধক।

– কিয় নলয় ?

দীপক শইকীয়াই প্ৰশ্নটোৰ উত্তৰ লগে লগে নিদিলে। অভিজ্ঞতাই তেওঁক শিকাইছে – কিছুমান চতুৰ অপৰাধীয়ে এটা বৃহৎ অপৰাধ কৰাৰ আগতে এটি কল্পিত অপৰাধৰ কথা কৈ পুলিচ বা ডিটেক্‌টিভৰ সহায় বিচাৰে। আৰু সহায়ৰ বাবে আগবাঢ়ি অহা পুলিচ বা ডিটেক্‌টিভকেই চিল্ড হিচাপে লৈ অপৰাধত লিপ্ত হয়। সুশান্ত বৰুৱা ব্যৱসায়ী মানুহ, অৰ্থনৈতিক অপৰাধত লিপ্ত হোৱা তেওঁৰ বাবে অতি স্বাভাৱিক। মানুহজনৰ বিষয়ে ভালদৰে নজনাকৈ কেচটো লোৱা ঠিক নহ'ব বুলি দীপক শইকীয়াৰ ভাব হ'ল। কিন্তু এই কথাটোতো সুশান্ত বৰুৱাক ক'ব নোৱাৰি।

– মই কেইদিনমানৰ বাবে বাহিৰলৈ যোৱাৰ কথা আছে।

– কিবা কামত নে এনেয়ে ?

– ৰেষ্ট লোৱাৰ বাবে।

– ক'লৈ যাব ?

– চিকিমলৈ।

– ঠিক আছে। মোৰ এই কামটো শেষ কৰি দিয়ক। তাৰ পিছত চিকিমলৈ যাব। গেংটকত এখন হোটেলৰ মই পাৰ্টনাৰ। আপুনি তাত থাকিব। বেষ্ট চুটটোত থাকিব আৰু মোৰ গেষ্ট হিচাপে থাকিব। সুশান্ত বৰুৱাই কলমটো দাঙিলে – আৰু ক'লে – কওক কিমান লেখো ?

– মই প্ৰথমে কেচটোৰ মেৰিট চাই লম। যদি পছন্দ হয়, কেচটো ল'ম।

বৰুৱাই পেনটো বন্ধ কৰি চেকবুকটোৰ মাজত থলে।

– কওক। কি সুধিব।

– স্বৰলিপিখন আপোনাৰ হাতলৈ আহিল কেনেকৈ ?

– প্ৰশ্নটোৰ উত্তৰ অলপ দীঘল হ'ব। মই কিছু বহলাই ক'ব লাগিব। মোৰ দেউতা প্ৰশান্ত বৰুৱা আছিল পাঁচখন চাহ বাগিচাৰ মালিক। দেউতাৰ টকা-পইছা আছিল যথেষ্ট বেছি। দেউতাৰ চখ আছিল দুটা। বছৰত এবাৰকৈ বিদেশ ভ্ৰমণ কৰা আৰু এন্টিক অৰ্থাৎ প্ৰাচীন বস্তু সংগ্ৰহ কৰা। এবাৰ দেউতা গৈছিল ভিয়েনালৈ। ভিয়েনাৰ এখন এন্টিক চপৰ পৰা দেউতাই সেই স্বৰলিপিৰ কাগজখন কিনিছিল। মৃত্যুৰ আগে আগে দেউতাই আমাৰ পাঁচজন ভাই-ককাইক প্ৰত্যেককে এখনকৈ বাগিচা আৰু দুবিধকৈ এন্টিক বস্তু ভগাই দিয়ে।

– আপোনাৰ হাতত থকা আনবিধ এন্টিক কি ?

– চেভেনটিন চেন্দুৰিৰ ভায়োলিন এখন।

– আপুনি মিউজিকত ইন্টাৰেষ্টেড নেকি ?

– নহয়।

– সংগীতৰ লগত সম্পৰ্ক থকা বস্তুকেই দেখোন আপোনাক দিছিল ?

– কিয় দিছিল মই নাজানো; কিন্তু দেউতাৰ মৰমৰ বস্তু বুলিয়েই মই ৰাখি থৈছিলো। পুৰণি বস্তু কিন্তু দামী হ'ব, এইটো ধাৰণা মোৰ আছিল; কিন্তু ইমান বেছি দামী যে হ'ব পাৰে, তাক মই কল্পনাই কৰা নাছিলো।

– এই বস্তু দুবিধ যে আপোনাৰ হাতত আছে – মানে আছিল – তাক কিমান মানুহে জানে ?

– সুশান্ত বৰুৱাই ক্ষন্তেক ভাবিলে, তাৰ পিছত ক'লে – আঠ-দহজনমানে জানিব পাৰে।

– তেওঁলোক কোন কোন ?

– মোৰ চাৰি ভাই, মোৰ দুই পুত্ৰ, দুই বোৱাৰী আৰু ছোৱালীজনী।

– মুঠ নজন হ'ল।

– হয়, সিমানেই হ'ব।

– আপুনি দহজনমান বুলি কৈছিল।

– নাই, নজনেই হ'ব।

– আপোনাৰ পত্নীয়ে ?

– হয় জানিছিল। তেওঁ এতিয়া নাই।

– অহ্ চৰি, মই নাজানিছিলো। আৰু কোনেও নাজানে ?

– মই জনাত এই কেইজনেই। সিহঁতে যদি আৰু কাৰোবাক কৈছে মই নাজানো।

– আপোনাৰ ভাই-বোৱাৰীসকলে ?

– তেওঁলোকে জানিব লাগিলে মোৰ ভাই-কেইটাই ক'ব লাগিব। সিহঁতে কৈছে নে নাই মই নাজানো। কবও পাৰে নকবও পাৰে। এইটো মোৰ অনুমানহে হ'ব।

– স্বৰলিপিৰ কাগজখন আপুনি ক'ত ৰাখিছিল ?

– মোৰ লাইব্ৰেৰিৰ কিতাপৰ মাজত। 'ডিক্সনাৰি অৱ মিউজিক' নামৰ ডাঙৰ কিতাপ এখন আছে, তাৰ মাজত থৈছিলো।

– কিতাপৰ আলমাৰিত তলা লগোৱা থাকে ?

– তলা লগোৱা থাকে, কিন্তু চাবিপাটো সেই তলাটোতে ওলমি থাকে।

– কিয় তেনেদৰে ৰাখে ?

– অভ্যাস।

– আপোনাৰ কিতাপৰ আলমাৰিবোৰ কোনে কোনে খোলে ?

– একমাত্ৰ মই। মোৰ ল'ৰা-ছোৱালী কাৰো কিতাপৰ প্ৰতি আগ্ৰহ নাই। দে আৰ ইন্টাৰেষ্টেড অনলি ইন ব্লান বুক। দ্যাট ইজ চেক বুক।

– আপোনাৰ নিজৰ ইন্টাৰেষ্ট কিমান ?

– মোৰ ইন্টাৰেষ্ট খুব এটা নাই। দেউতাৰ দিনৰ লাইব্ৰেৰি – ভাইকেইটাৰ কোনেও নললে, বৰপুত্ৰ হিচাপে মোৰ লগতেই থাকিল। মাজে মাজে মই দুই এখন কিতাপ লুটিয়াই চাওঁ। তেতিয়াই আলমাৰিটো খোলা হয়।

– স্বৰলিপিখন যে নাই আপুনি কেতিয়া গম পালে ?

OKDISCD

– যোৱা নিশা।

– কেনেকৈ ?

– বহু নিশালৈ মোৰ টোপনি অহা নাছিল। ৰাতি এনেয়ে কিতাপ এখন চাওঁ বুলি ডিক্সনাৰি অব মিউজিকখনত হাত দিলো। কিতাপখন মেলি দেখো, স্বৰলিপিখন নাই।

– তেতিয়া ?

– আলমাৰিটোৰ আন কিতাপবোৰৰ মাজত খুচৰিলো– যদি ভুলতে আন কিবা কিতাপৰ মাজত থৈছিলো। নাই। নাপালো। কোনে চুৰ কৰিব পাৰে ভাবিলো, কাকো দেখোন সন্দেহ কৰিব নোৱাৰি। গতিকে পুৱাই আপোনাক লগ ধৰিম বুলি ঠিক কৰি শুই থাকিলো।

– আপোনাৰ টোপনি আহিছিলনে ?

– আহিছিল। কাৰণ মই স্লিপিং টেবলেট খাই শুবলৈ গৈছিলো।

– যোৱা নিশা আপুনি গম পালে যে স্বৰলিপিৰ কাগজখন নাই। শেষবাৰৰ বাবে কাগজখন আপুনি কেতিয়া দেখিছিল ?

– সাতদিনৰ আগতে।

– কিয় চাইছিল।

– আলমাৰিৰ কিতাপৰ মাজত দেউতাৰ ফটো এখন আছিল। সেই ফটোখন উলিয়াবলৈ আলমাৰিটো খুলিছিলো। তেতিয়াই স্বৰলিপিখন এবাৰ চাইছিলো।

– দেউতাকৰ ফটো আপুনি কি কৰে ?

– দেউতাৰ নামত হাইস্কুল এখন আছে। সেই হাইস্কুলৰ ৰূপালী জয়ন্তী পাতিব অহা মাহত। সেইবাবে দেউতাৰ ফটো এখন হেনো ৰিচেপচন কমিটিৰ প্ৰয়োজন। দেউতাৰ ফটোৰ নিগেটিভটো আৰু নাই। সেই ফটোখনৰ পৰা কপি কৰি দিম বুলি ঠিক কৰিছিলো।

– অৰ্থাৎ যোৱা সাতদিনৰ ভিতৰতেই আপোনাৰ স্বৰলিপি হেৰাইছে। এই সাতদিনত আপোনাৰ ঘৰলৈ কোন কোন আহিছিল বা ধৰক এই সাতদিন কোন কোন আছিল ?

– মই । আৰু মোৰ কাম কৰা মানুহ দুজন। ড্ৰাইভাৰজন। পৰহি আহিছে মোৰ দুই পুত্ৰ আৰু ছোৱালীজনী। বাচ – এইকেইজনেই।

– আপোনাৰ ল'ৰা-ছোৱালী ক'ত থাকে ?

– দিল্লীত। ছোৱালীজনী থাকে সৰু ল'ৰাটোৰ লগত।

– স্বৰলিপিখন হেৰোৱা কথাটো এখেতসকলে জানে নে ?

– মই এতিয়ালৈকে কোৱা নাই।

– এখেতসকল একেলগে কিয় আহিছে।

– মই মতাই আনিছিলো।

– কিয় ?

– মই এখন উইল কৰিম বুলি ঠিৰাং কৰিলো। সেয়ে আটাইকেজনকে মাতি পঠিয়ালো। সম্পত্তিবোৰ ভগাই দিয়াৰ আগতে প্ৰত্যেককে এবাৰকৈ সুধি লওঁ।

– আপোনাৰ উইল কৰা হৈ গ'ল ?

– ড্ৰাফটো কৰি সকলোকে শুনালো। এয়া কালি সন্ধিয়াৰ কথা। আজি সিহঁতে নিজৰ নিজৰ মতামত মোৰ আগত দিব। কাইলৈ ফাইনেল উইলখন কৰাৰ কথা।

– উইলখন প্ৰত্যেকজনে ভাল পাইছে বুলি আপুনি ভাবেনে ?

– এইটো খুব ব্যক্তিগত প্ৰশ্ন হ'ল নেকি ?

– হয় হৈছে। মোৰ উপায় নাই। কাৰণ উইলখন জড়িত আছে আপোনাৰ সম্পত্তিৰ লগত আৰু আপোনাৰ হেৰোৱা বস্তুটো অতি মূল্যবান সম্পত্তি।

– আপোনাৰ প্ৰশ্নটোৰ উত্তৰ মই এতিয়া দিব নোৱাৰিম। সন্ধিয়াহে মই সিহঁতৰ লগত কথা পাতিম। তেতিয়াহে মই গম পাম কোন কিমান সন্তুষ্ট।

– মই প্ৰত্যেকজনকে এবাৰকৈ লগ পাব লাগিব।

– কেতিয়া লগ পাব ?

– আজি আবেলি।



– অৰ্থাৎ আপুনি মোৰ কেচটো ললে। কওক কিমান লেখো ? – সুশান্ত বৰুৱাই চেকবুকখন মেলি ললে।

– টেন থাউজেণ্ড অনলি।

বৰুৱাই চেকখন লেখি লেখি সুধিলে – আপুনি বাৰু কাক সন্দেহ কৰে ?

– কোনোজনেই মোৰ সন্দেহৰ বাহিৰত নহয়। আনকি আপুনিও।

চেক লেখি থকা অৱস্থাতেই বৰুৱা ৰৈ গ'ল। কিবা সোধাৰ আগতেই কলিং বেলটো বাজি উঠিল। 'এক মিনিট' বুলি কৈ শইকীয়া উঠি গ'ল দুৱাৰখনৰ পিনে। বৰুৱাই দুৱাৰখনৰ পিনে চাই ৰ'ল। শইকীয়াই দুৱাৰখন খুলি দিলে। দুৱাৰৰ ফাঁকটোৰে বৰুৱাই দেখা পালে বাৰান্দাত এজনী গাভৰু। নীলা জিনচ, বগা চাৰ্ট আৰু কান্ধত ওলোমাই লোৱা বেগটোৰে এজনী আধুনিকা গাভৰু।

## (তিনি)

শইকীয়াৰ ৰঙা মাৰুতিখনে জু-ৰোডৰ পৰা নাৰেংগী ৰোডত সোমাল। অলপ দূৰ গৈ সোঁহাতৰ বাইলেন এটাৰে ঘূৰিল।

– আমি ঠিকেই আহিছোতো !

– আহিছো যেনেই লাগিছে।

– তুমি চাই যাবা। গেটতে লেখা আছে 'বৰুৱা ভিলা'।

ঠিক 'বৰুৱা ভিলা'ৰ সমুখতেই মাৰুতিখন ৰ'ল। শইকীয়াই দুবাৰ হৰ্ণ বজালে। খাকী পোছাক পিন্ধা মানুহ এজন আহি লোৰ বিৰাট দুৱাৰখন খুলি দিলে। শইকীয়াই দেখিয়েই চিনি পালে – ৰাতিপুৱাৰ মানুহজন।

বিশাল লনখনৰ মাজেৰে গৈ প'ৰ্চত গাড়ী ৰ'ল। এখন দুৱাৰেৰে শইকীয়া নামিল, আনখনেৰে গাভৰু গৰাকী। ইতিমধ্যে খাকী পোছাক পিন্ধা মানুহজন আহি ওচৰ পাইছেহি।

– চেলাম চাৰ।

শইকীয়াই নমস্কাৰৰ ভংগীত সোঁহাতখন দাঙিলে।

– কি নাম তোমাৰ ?

– ৰতন চেতিয়া চাৰ।

— আগতে আৰ্মিত আছিলা নেকি ?

– হয় চাৰ।

– কি কৰিছিলা ?

– কুক চাৰ।

– বৰুৱা আছে ?

– আছে। আহক।

ৰতনৰ পিছে পিছে গৈ দুয়ো ড্ৰয়িং ৰুমত সোমাল। বিশাল আকৃতিৰ ড্ৰয়িং ৰুম। বগা ৰঙৰ বেৰ কেইখনৰ এখনত ডাঙৰ পেইন্টিং এখন। এম এফ হুচেইনৰ পেইন্টিং এখনৰ কপি। কোঠাৰ মাজত ঘন সেউজীয়া ৰঙৰ কাৰ্পেট। কাৰ্পেটৰ ওপৰত মুখামুখিকৈ ছয়খন বেতৰ চকী। বগা ৰং কৰা। চাহ গছৰ মূঢ়াৰ পৰা কৰা সৰু সৰু টেবিল। কোঠাৰ একাষেৰে ওপৰ মহলালৈ চিৰি এটা উঠি গৈছে। চিৰিৰ ওচৰতে টাব এটাত ডাঙৰ পাতৰ গছ এডাল।

– আপোনালোক বহক। মই চাৰক খবৰ দিছো।

শইকীয়াই কোঠাটোত এবাৰ চকু ফুৰালে। বাহিৰৰ পিনৰ বেৰখন সম্পূৰ্ণ আয়নাৰ। দুৱাৰ খোলাৰ দৰে খুলি থব পাৰি। তাৰ ঠিক বিপৰীত ফালৰ বেৰখনতেই ওপৰলৈ যোৱা চিৰিটো। বাকী দুখন বেৰত দুখনকৈ দুৱাৰ – আন কোঠাৰ বাবে।

– আপুনি আহি পালে।

– হয়। নমস্কাৰ। এওঁ মোৰ এচিষ্টেন্ট – কাবেৰী দুৱৰা।

– নমস্কাৰ।

– নমস্কাৰ।

বৰুৱাই ভালদৰে চাই গম পালে এইজনীকেই তেওঁ ৰাতিপুৱা শইকীয়াৰ বাৰান্দাত দেখিছিল।

– কওক – চাহ নে কফি।

– চাহ হলেই হ'ব।

– ৰতন।

– চাৰ।

শইকীয়াই এইবাৰহে মন কৰিলে যে ৰতন আহি চিৰিৰ ওচৰতে ৰৈ আছিল। বৰুৱাই ৰতনৰ পিনে চালে। ইংগিত বুজি ৰতন তলৰ মহলাৰে এটা কোঠালৈ সোমাই গ'ল।

– কওক। ঠিক কওক নহয়, সোধক। চকী এখনত বহি লৈ বৰুৱাই ক'লে।

– প্ৰথমে চাওঁ। তাৰ পিছতহে সুধিম।

– কি চাব ?

– আপোনাৰ লাইব্ৰেৰিটো।

– আহক। বৰুৱা লগে লগে বহাৰ পৰা উঠিল আৰু শইকীয়াৰ ওচৰ পালেহি। প্ৰায় ফুচফুচাই কোৱাদি তেওঁ কলে – 'কথাটো মই ঘৰৰ কাকো কোৱা নাই। বুজিছেই নহয়।'

– বুজিছো। কিন্তু কথাটো আপুনি লুকাই ৰাখিব বিচৰাৰ কাৰণ ? শইকীয়াৰ মনত সন্দেহ উপজিল। বৰুৱাই কথাটো গোপনে ৰাখিব বিচৰাৰ কাৰণ কি ? বৰুৱাই নিজে বস্তুটো লুকুৱাই ৰাখি এখন জটিল ৰহস্য নাটকৰ পাতৰি মেলিব বিচৰা নাইতো !

– কাৰণ এটাই। কথাটোৱে প্ৰচাৰ লাভ কৰিব নালাগে। মই বিচাৰিছো কামটো যেনেদৰে গোপনে কৰা হৈছিল, তাৰ সমাধানো প্ৰায় গোপনেই হওক। আহক এতিয়া–

বৰুৱা চিৰিৰ পিনে আগবাঢ়িল। তেওঁৰ পিছে পিছে শইকীয়া আৰু শইকীয়াৰ পিছত কাবেৰী দুৱৰা।

– চাৰ।

হঠাতে মাতটো শুনি তিনিও ঘূৰি চালে। হাতত চাহৰ ট্ৰে লৈ ৰতন সোমাই আহিছে। তিনিও চাহ খাবলৈ লৈছে মাত্ৰ, কোঠাটোৰ আনখন দুৱাৰ খোল খালে। দুৱাৰ খুলি ওলাই আহিছে প্ৰায় চল্লিছ বছৰীয়া এক সুপুৰুষ। পালিচ কৰা চিকচিকীয়া জোতা, ক্ৰিম কালাৰৰ পেন্ট, নেভী ব্লু কালাৰৰ পাইলট চাৰ্ট, চাৰ্টৰ পকেটত চিগাৰেটৰ পেকেট – বাহিৰৰ পৰাই অনুমান কৰিব পাৰি, মোটা গোঁফ আৰু বেকব্ৰাছ কৰা চুলিৰ এই পুৰুষজনক প্ৰথম দৃষ্টিতেই চৌখিন যেন লাগে। মেদহীন দেহে তেওঁৰ দেহৰ সৌন্দৰ্য প্ৰকাশত সহায় কৰিছে।

– এখেত দীপক শইকীয়া। প্ৰাইভেট ডিটেক্টিভ। এখেত মিছ দুৱৰা, শইকীয়াৰ এচিষ্টেন্ট। আৰু ই মোৰ ডাঙৰ ল'ৰা প্ৰদীপ।

প্ৰদীপে আগবাঢ়ি আহি শইকীয়াৰ লগত হেণ্ডচেক কৰিলে, কাবেৰীক নমস্কাৰ জনালে। হেণ্ডচেক কৰোতে হাতৰ গ্ৰিপটোৰ পৰাই শইকীয়াই অনুমান কৰিলে ভদ্ৰলোকৰ মনৰ জোৰ বৰ বেছি।

– আপোনালোকৰ লগত চিনাকি হৈ বৰ ভাল লাগিল।

প্ৰদীপে জেপৰ পৰা কাৰ্ড এখন উলিয়াই শইকীয়াৰ পিনে আগবঢ়াই দিলে – দিল্লীলৈ আহিলে মোৰ তাত সোমাব। আপোনালোক বহক। মই আহো।

শইকীয়াই কাৰ্ডখন লৈ প্ৰদীপ বৰুৱাৰ পিনে চাই লাহে লাহে ক'লে – আপুনি অলপ পিছত ওলাই গলে নহয় নেকি ?

– জৰুৰী কাম এটা আছিল, মই যাবই লাগে। তথাপি কওকচোন – কিয় বাৰু ?

– আপোনাৰ লগত........ হঠাৎ শইকীয়া ৰৈ গ'ল। তেওঁ দেখিলে ৰতন ওচৰতে থিয় হৈ আছে। শইকীয়াই বৰুৱাৰ পিনে চাই চকুৰে ৰতনৰ প্ৰতি ইংগিত দিলে। বৰুৱাৰ হাতৰ ইংগিতত ৰতন আন এটা কোঠালৈ গুচি গ'ল। শইকীয়াই মন কৰিলে, যিটো কোঠাৰ পৰা প্ৰদীপ ওলাইছিল, ৰতন সেই কোঠাটোত সোমাল।

– মোৰ অলপ কথা আছিল। শইকীয়াই বাক্যটো সম্পূৰ্ণ কৰিলে।

– কিমান সময় লাগিব বাৰু ? – হাত ঘড়ীটো এবাৰ চালে প্ৰদীপে।

– ধৰক আধাঘণ্টা বা এঘণ্টা।

– এটা কাম নকৰো কিয় ? আপুনি দেউতাৰ লগত এঘণ্টামান বহক। মই আহি যাম।

– আপোনাৰ কামটো বৰ জৰুৰী নেকি ?

– হয়।

– আপুনি পৰহি আহি পাইছে। আপোনাৰ সকলো কাম-কাজ দিল্লীত। ইয়াতনো ইমান কি জৰুৰী কাম ওলাল যে আপুনি এতিয়াই যাব লাগে ?

– সেইটো মোৰ ব্যক্তিগত কথা। – বৰ কোমল সুৰত প্ৰদীপে কলে যদিও তাত খঙৰ আভাস আছে।

– আৰু আপোনালোকৰ ব্যক্তিগত কথাৰ বাবেই মোক মাতি অনা হৈছে। আপোনাৰ দেউতাকৰ মানে আপোনালোকৰ পৰিয়ালৰ মূল্যবান সম্পত্তি এটি হেৰাইছে বা কোনোবাই চুৰ কৰিছে।

– সম্পত্তি ? কি সম্পত্তি ? – প্ৰদীপ বৰুৱাৰ চকুত বিস্ময়।

– আপুনি সঁচাকৈয়ে নাজানে ?

– নাজানো। মোকতো কোনেও কোৱা নাই।

– এতিয়া মই কলো।

– কি সম্পত্তি ?

– প্ৰশ্নটো আপুনি মোকেই কৰিছেনে ?

– দেউতা। কি হেৰাল ?

– শইকীয়াই ক'ব।

– শুনক। বস্তুটো বিচৰা কামটো মোৰ। কিন্তু আপুনি যদি সহযোগ নকৰে–

– মই কি কৰিব পাৰো ?

– মোৰ প্ৰশ্ন কেইটামানৰ উত্তৰ দিব পাৰে।

– আপুনি মোক সন্দেহ কৰিছে ? কি বস্তু হেৰাল মই নাজানোৱেই।

– আপোনাক এতিয়ালৈকে সন্দেহ কৰা নাই। কিন্তু আপুনি সন্দেহৰ বাহিৰত নহয়। কি বস্তু হেৰাইছে আপুনি জানে কিন্তু নজনাৰ ভাও ধৰা বুলি মই যদি কওঁ–

– মোৰ ঘৰৰ সম্পত্তি আৰু আপুনি মোকেই চোৰ সজাইছে ?

– আপোনাৰ ঘৰৰ সম্পত্তি আৰু আপুনি নেজানে হেৰাল নে হেৰোৱা নাই।

– ঠিক আছে সোধক কি সোধে। – প্ৰদীপ বৰুৱাৰ কণ্ঠত খং আৰু বিৰক্তি।

– আপুনি অলপ সময় অপেক্ষা কৰিব লাগিব। প্ৰথমতে মই এটি সৰু কাম কৰি লওঁ। বলক বৰুৱা, আপোনাৰ লাইব্ৰেৰিটো চাওঁ – কথাখিনি কৈয়েই শইকীয়াই একে সোহাই চাহকাপ খাই শেষ কৰিলে আৰু থিয় হ'ল।

❑ ❑ ❑

লাইব্ৰেৰিটো ওপৰ মহলাত। প্ৰথমে বৰুৱাৰ বেড ৰুম আৰু বেড ৰুমৰ লগত লাগি থকা ৰুমটোৱেই লাইব্ৰেৰি। লাইব্ৰেৰি মানে কিতাপ ভৰ্তি পাঁচটা আলমাৰি। কাঠৰ। কাঠৰ টেবিল-চকী এযোৰ। টেবিলত টেবিল লেম্প। কোঠাটোলৈ সোমোৱা দুৱাৰ এখনেই। অৰ্থাৎ বৰুৱাৰ বেড ৰুমৰ পৰা সোমাব পৰা দুৱাৰখনেই।

শইকীয়াৰ চকুৱে প্ৰথমেই কিতাপবোৰৰ মাজত 'ডিক্সনাৰি অৱ মিউজিক'খন বিচাৰিলে। পাঁচটা খলপৰ এটা আলমাৰিৰ ওপৰৰ পৰা দ্বিতীয় খলপটোত বিচৰা কিতাপখন দেখা পালে। তাৰ দুয়োকাষে ৰিডাৰ্চ ডাইজেষ্ট পাব্লিকেচনৰ কেইখনমান কিতাপ। আন এটা খলপত এনচাইক্ল'পেডিয়া ব্ৰিটানিকাৰ চেট এটা। শইকীয়াৰ চকু ৰৈ গ'ল। চেটটোৰ এখন কিতাপ নাই। 'এম' আখৰৰ ভলিউমটি। এম এম মোজাৰ্ট ..... এই ভলিউমটি নাই। বাকীবোৰ কিতাপ ঠিকেই আছে। আলমাৰিৰ দৰ্জাত তলা লগোৱা, চাবিপাটো তলাটোতে ওলমি আছে।

– আপোনাৰ ঘৰৰ আটাইবোৰ ফাৰ্নিচাৰেই নতুন ডিজাইনৰ। কিন্তু

এই আলমাৰিবোৰ পুৰণি ডিজাইনৰ ।

– হয় । - ৰুৱাই উত্তৰ দিলে – এই আলমাৰিবোৰ দেউতাৰ দিনৰেই । মই আগতে বাগিচাৰ ঘৰত আছিলো । এইটো নতুন ঘৰ । ফাৰ্নিচাৰবোৰো নতুন । মাথোন লাইব্ৰেৰিটোহে পুৰণি আলমাৰিৰে হৈ থাকিল । দেউতাৰ মৰমৰ আছিল বাবেই এইকেইটাক বিদায় নিদিলো ।

– এই ৰুমটোত কোন কোন সোমায় ?

– কোন কোন মানে অকল ময়েই সোমাওঁ । আৰু ৰতন সোমায় ৰুমটোত ঝাড়ু দিয়াৰ বাবে ?

– ৰতনে কি কি কাম কৰে ?

– সি মোৰ ড্ৰাইভাৰ । আৰু অন্য কামবোৰো কৰে । কৰবালৈ যোৱা, ভিজিটৰ ৰিচিভ কৰা ইত্যাদি ।

– ঘৰ ঝাড়ু দিয়া ?

– সেইবোৰ কাম কৰাৰ বাবে বেলেগ মানুহ আছে । সিহঁত কিন্তু এই দুটা ৰুমত নোসোমায় । এই দুটা ৰুমত প্ৰৱেশ অধিকাৰ অকল ৰতনৰহে ।

– আপোনাৰ টকা-পইছা আদিৰ দৰে মূল্যবান বস্তুবোৰ ক'ত থাকে ।

– সৌ তাত – বৰুৱাই সিটো কোঠাৰ ষ্টিল আলমাৰি এটালৈ আঙুলিয়ালে ।

– চাবি ?

– মোৰ লগত ।

– ৰুমটোৰ চাবি ?

– এপাত মোৰ লগত । আনপাত ৰতনৰ লগত ।

– আপুনি তাক ইমানেই বিশ্বাস কৰে ?

– কৰাৰ সুবিধা আছে । টকা-পইছা থকা আলমাৰিৰ চাবি মোৰ লগত । কিতাপ-পত্ৰবোৰ যে তাৰ বাবে মূল্যবান হ'ব পাৰে মই নাভাবো । আমাৰ বিদ্বান মানুহেই কিতাপৰ মূল্য নুবুজে আৰু ৰতনতো ক্লাচ ফোৰলৈহে পঢ়া ।

– এইটো ৰুমত ৰতন আৰু আপোনাৰ বাহিৰে কোন কোন সোমাইছিল ? যোৱা সাদিনত ?

বৰুৱাই ক্ষন্তেক ভাবিলে, তাৰ পিছত কলে – কালি ৰাতি মোৰ ছোৱালীজনী সোমাইছিল ।

– কেতিয়া ?

– মই শুবলৈ অহা সময়ত । ডিনাৰ কৰি উঠি – আমাৰ ডাইনিং ৰুম গ্ৰাউণ্ড ফ্লোৰত – তাই মোৰ কোঠালৈ আহিল, মোৰ বিছনা-পাতি ঠিক কৰি দিলে, আমি কথা-বতৰা পাতিলো, তাৰ পিছত মই শুলো – তাই লাইব্ৰেৰিত সোমাই কিবা চালে আৰু অলপ পিছত গুচি গ'ল ।

– ৰুমৰ দুৱাৰ ?

– বাহিৰৰ পৰা জপাই থৈ গৈছিল ।

– দুৱাৰৰ হুক কোনে লগালে ?

– মই বুঢ়া হৈ আহিছোতো, দুৱাৰৰ হুক নলগোৱাকৈ থৈ দিওঁ । ৰাতি কিবা হলে ৰতন যাতে দৌৰ মাৰি আহিব পাৰে ।

– আপোনাৰ ছোৱালীয়ে ৰুমৰ পৰা ওলাই যাওঁতে হাতত কিবা লৈ গৈছিল নেকি ?

– মই মন নকৰিলো ।

– আৰু অইন কোনোবা এই ৰুমত সোমাইছিল ?

– মই জনাত – নাই ।

হঠাৎ শইকীয়াই বেডৰুমৰ দুৱাৰমুখত প্ৰদীপ বৰুৱাক দেখা পালে । প্ৰদীপ বৰুৱাৰ মুখত উৎকণ্ঠা ।

– আহক ।

– মোক কিবা সুধিম বুলি কৈছিল নহয় ।

– হয় । এতিয়া সোধো ।

– পৰহি আপুনি দিল্লীৰ পৰা আহি পাইছেহি । তেতিয়াৰ পৰা এতিয়ালৈকে আপুনি ঘৰতেই আছে নে ?

– উ । পৰহি সন্ধিয়া আহি পাইছো । সিদিনা ৰাতিটো ক'লৈকো ওলাই নগলো । কালি ৰাতিপুৱা বন্ধু এজনৰ তালৈ গলো, দুপৰীয়া ঘৰতে আছো । সন্ধিয়া বন্ধুজনৰ তালৈ পুনৰ গলো । ৰাতি আহিলো । আৰু আজি, এইমাত্ৰ ওলাই যাবলৈ ধৰোতে আপুনি ধৰিলেই নহয় ।

– এতিয়া কলৈ যাব খুজিছিল ?

– বন্ধুজনৰ তালৈ ।

– বন্ধুজনে কি কৰে ?

– কলেজৰ লেকচাৰাৰ ।

– বন্ধুজনৰ কি নাম ?

– প্ৰশান্ত গোহাঁই ।

– তেখেত ক'ত থাকে ?

– ফ'ৰ বি, নাওজান ৰোড, উজানবজাৰ । ফোন নাম্বাৰ লাগে নেকি ? টু ফ'ৰ ডবল থ্ৰি ফাইভ ।

শইকীয়াই কাবেৰীৰ পিনে চালে । ইতিমধ্যে কাবেৰীয়ে এড্ৰেচ আৰু ফোন নাম্বাৰ নোট কৰিছেই ।

– আপোনাৰ দেউতাকৰ কোঠাত আপুনি কেতিয়া সোমাইছিল বাৰু ?

– কালি সন্ধিয়া ।

– কিয় ?

– এনেয়ে । দেউতাক বিচাৰি ।

– সন্ধিয়া আপুনি ওলাই যোৱাৰ আগতে ?

– হয় ।

– ৰুমত আপুনি দেউতাকক লগ পোৱা নাছিল ?

– নাছিলো ।

– লাইব্ৰেৰিত ?

প্ৰদীপ বৰুৱাই ক্ষন্তেক ভাবিলে, তাৰ পিছত ক'লে – সোমাইছিলো ।

– কিবা কিতাপ বিচাৰিছিল ?

– নাই ।

– এনেয়ে এখন দুখন কিতাপ চুই চাইছিল ?

–নাই । টেবিলৰ ওপৰত নিউজ পেপাৰ দুখনমান আছিল । সেইকেইখন এনেয়ে চাইছিলো ।

– বেডৰুমত কিমান সময় আছিল ?

– খুব বেছি দুই মিনিট । এইবাৰ মই আপোনাক প্ৰশ্ন এটা কৰো ?

– হয়, কৰক ।

– ঘৰটো মোৰ দেউতাৰ ?

– হয় ।

– পুত্ৰ হিচাপে মই যেতিয়া দেউতাৰ ৰুমত সোমাওঁ তেতিয়া ইমান কথা ভাবি নোসোমাওঁ । এনেকৈ প্ৰশ্নৰ উত্তৰ দিবলগীয়া হ'ব বুলি জানিলে মই নোসোমালোহেঁতেন ।

– হয় । প্ৰশ্নবোৰ সুধিবলৈ নোপোৱা হলে মানে সুধিব লগীয়া নহলে মোৰো ভাল লাগিলহেঁতেন । কিয় সুধিছো কাৰণটোতো আপুনি জানেই । আপোনাক আৰু দুটিমান প্ৰশ্ন কৰিম । বলক, তললৈ যাওঁ ।

কাবেৰী আৰু সুশান্ত বৰুৱা লাইব্ৰেৰিতেই বৈ গ'ল । প্ৰদীপ বৰুৱা আৰু শইকীয়া তলৰ মহলালৈ নামি গ'ল । শইকীয়াৰ পিছে পিছে গৈ প্ৰদীপ লন পালেগৈ ।

– কওক ।

– আপোনাৰ দেউতাকে এখন উইল কৰিছে, তাৰ ড্ৰাফটো আপুনি শুনিছে । আপোনাৰ ভাগটোত আপুনি সন্তুষ্টনে ?

– এই প্ৰশ্নটোৰ উত্তৰ মই দিবই লাগিব নেকি ?

– সেইবাবেই মই প্ৰশ্নটো কৰিছো । আপোনাৰ দেউতাকৰ মূল্যবান সম্পত্তি এটা উদ্ধাৰৰ কামত মই নিযুক্ত ।

– মই চেটিচফাইড । টুবি ভেৰি ফ্ৰেংক – দেউতাৰ সম্পত্তিৰ ওপৰত মোৰ অকণো চকু নাই । মোৰ নিজৰ বিজনেচ আছে । ইনকাম কোৱাইট গুড । গতিকে ?

– উইলখনত আপুনি চেটিচফাইড । যিটো মূল্যবান সম্পত্তি হেৰাইছে, তাৰ ভাগ আপুনিও পালেহেঁতেন ।







– এতিয়া নাপাওঁ । সিমানেই । এতিয়া মই যাব পাৰোনে ?

– হয় । আপোনাক কিন্তু পুনৰ লগ পাম ।

– নিশ্চয় ।

প্ৰদীপ বৰুৱা গৈ নিজৰ মাৰুতিত উঠিল । দীপক শইকীয়া আহি পুনৰ ড্ৰয়িং ৰুম পালে ।

শইকীয়াই ড্ৰয়িং ৰুমত সোমাইছে মাত্ৰ, তেতিয়াই চিৰিৰে ওপৰৰ পৰা নামি আহিল এক সুন্দৰী যুৱতী । শুধ বগা ৰঙৰ চেলোৱাৰ-কুৰ্তা, ৰঙা উৰণা আৰু মেলা চুলিৰ যুৱতী গৰাকীয়েই শইকীয়াক সম্ভাষণ জনালে –

– আহক মিঃ শইকীয়া ।

– আপুনি ?

– প্ৰবাসী । সুশান্ত বৰুৱা মোৰ দেউতা ।

শইকীয়াই হাঁহিলে ।

– মই আপোনাক চিনি পাইছো । মানে দেউতাই কৈছে ।

– তেখেত ক'ত ?

– লাইব্ৰেৰিতেই আছে । আপোনাৰ লগত অহা মিচ দুৱৰাও আছে ।

– আপোনাৰ লগত অকণমান কথা পাতো ?

– নিশ্চয় । ইয়াত বহিব নে মোৰ কোঠাত ?

– বলক আপোনাৰ কোঠাতেই বহো ।

❏ ❏ ❏

দীপক শইকীয়াই প্ৰবাসী বৰুৱাৰ ৰুচিবোধৰ প্ৰশংসা নকৰি নোৱাৰিলে । চল্লিছ বাই বিছ ফুট ৰুমটোৰ একাষত বিছনাখন, লাইচেমফিৰে ঢাকি থোৱা, তাৰ ঠিক বিপৰীতেই বেতৰ বগা ৰং কৰা চকী কেইখনমান, কোঠাটোৰ বহু ঠাইত ষ্টেণ্ডত লেম্প, এখন বেৰত লগোৱা আলমাৰি, কেইটামান আলমাৰিৰ দুৱাৰবোৰ কাঠৰ, কেইটামানৰ আয়নাৰ, আয়নাৰ ফাঁকেৰে বিভিন্ন কিতাপ-পত্ৰ দেখা যায়, কাঠৰ দুৱাৰ লগোৱাবোৰত নিশ্চয় কাপোৰ-কানি; বেৰত ডাঙৰ পেইন্টিং আৰু বিছনাৰ ওচৰতে ষ্টেণ্ডত টিভি এটা, ভিচিপি এটা আৰু বিছনাত ভিডিঅ' কেছেট ।

সাধাৰণ কথা-বতৰাৰে শইকীয়াই প্ৰবাসীৰ পৰিচয় ললে । কটন কলেজত ডিগ্ৰি পঢ়ি উঠি প্ৰবাসীয়ে নতুন দিল্লীৰ জামিয়া মিলিয়া ইউনিৰ্ভাচিটিত মাছ কমুনিকেচন পঢ়িছিল । এতিয়া দিল্লীৰে ভিডিঅ' ফিল্ম নিৰ্মাণ কৰা কোম্পানী এটাত কাম কৰে, সৰু ককায়েক সুদীপ বৰুৱাৰ লগত থাকে । এইবাৰ ঘৰলৈ আহিছে কিছুদিন থকাকৈ । অসমৰ চাহ শিল্পৰ বিষয়ে ডকুমেন্টৰি এখন কৰিব, তাৰ বাবে মেটেৰিয়েল গোটাব । হায়াৰ ষ্টাডিজৰ বাবে আমেৰিকালৈ যোৱাৰ চেষ্টা চলাই আছে । সপোন দেখি আছে আমেৰিকাত চেটেল কৰাৰ । আমেৰিকাত খুৰাক এজন থাকে, তেওঁ সহায় কৰি দিব ।

এইখিনি তথ্য যোগাৰ কৰাৰ পিছত দীপক শইকীয়াই প্ৰথম জৰুৰী প্ৰশ্নটো কৰিলে উইলখনত আপুনি সন্তুষ্টনে ?

– হয় ।

– আপুনি বিদেশলৈ যাবলৈ ওলাইছে, আপোনাৰ ভাগত আৰু বেছি 



OKDISCD

সম্পত্তি পৰিলে আপোনাৰ ভাল হ'লহেঁতেন নেকি ?

– সেইটো অৱশ্যে হয়। কিন্তু……… প্ৰবাসীয়ে বাক্যটো সম্পূৰ্ণ নকৰিলে।

– কিন্তু কি ?

– মই খুজিলে দেউতাই দিৱই। মোক যিমান লাগে সিমান দিব। দাদাইঁতেও দিব। গতিকে মই উইলখনৰ কথা বিশেষ ভবা নাই।

– আপোনাৰ দেউতাৰ এটা মূল্যবান বস্তু হেৰাইছে। আপুনি জানে নিশ্চয়।

– উহু, দেউতাইতো মোক কোৱা নাই।

– মই কিয় আহিছো আপুনি নাজানে ?

– দেউতাৰ কিবা কামত অহা বুলি ভাবিছো। দেউতাৰ কি বস্তু হেৰাইছেনো ?

– মই এতিয়া কোৱা অসুবিধা।

– কিয় ?

– আপোনাৰ প্ৰশ্নটোৰ উত্তৰ অলপ পিছত দিম। তাৰ আগতে মোৰ দুটামান প্ৰশ্নৰ উত্তৰ দিব নেকি ?

– আপুনি মোক সন্দেহ কৰিছে ?

– মই এতিয়ালৈকে কাকোৱেই স্পষ্টকৈ সন্দেহ কৰা নাই, কিন্তু এইখন ঘৰত থকা কোনোজনেই সন্দেহৰ বাহিৰত হ'ব নোৱাৰে। মোৰ প্ৰশ্নটো হ'ল – পৰহি আপুনি আহি পাইছে। তেতিয়াৰে পৰা এতিয়ালৈকে এই সময়খিনিৰ ভিতৰত আপুনি আপোনাৰ দেউতাৰ কোঠাত কিমান বাৰ সোমাইছিল ?

– মোৰ মনত নাই। মনত ৰখাটো মই প্ৰয়োজনীয় বুলিও ভবা নাই।

– মনত পেলাবলৈ চেষ্টা কৰকচোন।

– মোৰ দেউতাৰ ৰুমত মই সোমাম, কেইবাৰ সোমাম কিয় সোমাম তাৰ কৈফিয়ৎ কাৰোবাক দিব লাগিব !

– নলগা হলেই ভাল আছিল। কিন্তু মিঃ বৰুৱাৰ কপাল বেয়া, তেখেতৰ ৰুমত সোমোৱা বাবে তেখেতৰ পুত্ৰ-কন্যাই কৈফিয়ৎ দিবলগীয়া হৈছে। হয়, সম্পত্তিৰ লোভ এনেকুৱাই।

– আপুনি কি মিন কৰিছে ?

– মই কি মিন কৰিছো মই নকওঁ, মই আপোনাক ঘটনাটো কওঁ। আপোনাৰ দেউতাকৰ ৰুমৰ পৰা মূল্যবান বস্তু এটা হেৰাইছে। আৰু কালি নিশা সেই বস্তুটো হেৰোৱা বুলি তেখেতে অনুমান কৰিছে। এতিয়া আপুনি বুজি পাইছে নিশ্চয় কিয় আপুনি কৈফিয়ৎ দিবলগীয়া হ'ল।

– বস্তুটো কি ?

– আপুনি সঁচাকৈয়ে নাজানে নে ?

– নাই, নাজানো।

– নে জানে, কিন্তু নাজানে বুলি কৈছে ?

– উহু, নাজানো।

– আপোনাৰ বিছনাত এনচাইক্ল'পিডিয়া ব্ৰিটেনিকাৰ ভলিউম এটা মই দেখা পাইছো। 'এম' আখৰটো থকা ভলিউমটি। আপুনি দেউতাকৰ আলমাৰিৰ পৰা এইখন আনিছে।

– হয়।

– কিয় ?

– চাবলৈ।

– কি চালে ?

– এনেয়ে, লুটিয়াই বগৰাই চালো।

– আপোনাৰ বিছনাত থকা ভিডিঅ' কেছেট কেইটা ইংৰাজী চিনেমাৰ কেছেট। তাৰে এটা কেছেটত 'এমেডিউচ' নামৰ ছবিখন আছে।

– অ'। এইখন মই এতিয়াও চোৱা নাই। কালি আনিছোহে।

– ছবিখনৰ বিষয়বস্তু কি জানেনে ?

– নাজানো।

– মোজাৰ্ট নামৰ সংগীতজ্ঞ এজনৰ জীৱনৰ কাহিনী।

– হয় নেকি ?

– হয়। আৰু ব্ৰিটেনিকাৰ 'এম' ভলিউমটিতো মোজাৰ্টৰ কথা নিশ্চয় আছে। নহয় জানো ?

– আপুনি কি বুজাব খুজিছে মই বুজা নাই।

– ময়ো ঠিক বুজা নাই, বুজিম যেন লাগিছেহে। ঠিক আছে। আজিলৈ উঠিছো। আকৌ লগ পাম নিশ্চয়।

যাবলৈ বুলি শইকীয়া থিয় হ'ল। প্ৰবাসীও লগে লগে থিয় হ'ল আৰু ক'লে – আপুনি মোৰ এটা প্ৰশ্নৰ উত্তৰ নিদিলে।

– প্ৰশ্নটো কি ? – শইকীয়াৰ ওঁঠত সামান্য হাঁহি।

– দেউতাৰ কি বস্তু হেৰাইছে ?

– আপুনি সঁচাকৈয়ে নাজানে ?

– নাজানো।

– অনুমান কৰকচোন।

– মাৰ অৰ্ণামেন্টৰ চেট এটা – হয়নে ?

– তাৰ মূল্য কিমান হ'ব ?

– ধৰক দুই-তিনিলাখ টকা।

– হেৰোৱা বুলি আপুনি কিয় অনুমান কৰিলে ?

– কাৰণ দেউতাৰ উইলৰ ড্ৰাফটটোত তাৰ উল্লেখ নাই।

এই নতুন কথাটো শুনি শইকীয়াৰ কৌতূহল বাঢ়িল। তেওঁ বিচাৰি থকা বস্তুটোৰ লগত এই অৰ্ণামেন্টৰ চেটটোৰ সম্পৰ্ক নাই। কিন্তু, কিবা সম্পৰ্ক ওলাই যাবও পাৰে – এই আশাতেই তেওঁ কথাটো দীঘলীয়া কৰাৰ চেষ্টা চলালে।

– চেটটোৰ প্ৰতি আপোনাৰ আগ্ৰহ আছিল ?

– হয়, আছিল।

– আপুনি বৰুৱাক কথাটো কৈছিল ?

– কোৱা নাই। আজি কম বুলি ভাবিছিলো।

– আপুনি কৈ চাওক। কিজানিবা সেই চেটটো আপোনাৰ বাবে তেখেতে বেলেগে ৰাখিছেই।

– তাৰ মানে চেটটো আছে ?

– মই কেনেকৈ জানিম ?

– আপুনি জানো সেইটো বিচাৰি থকা নাই ?

– আপোনাৰ এই প্ৰশ্নটোৰ উত্তৰ মই এতিয়া নিদিওঁ। মই বেলেগ প্ৰশ্ন এটাহে আপোনাক কৰো। এই চেটটোৰ কথা আপোনাৰ দুই ককায়েকে জানেনে ?

– সিহঁতে জানে বুলিয়েই মোৰ ধাৰণা।

– চেটটো কোনে নিয়া বা নিব পাৰে বুলি আপোনাৰ সন্দেহ হয় ?

– সন্দেহনো কাক কৰিম !

– তথাপি ?

– ৰতনক সন্দেহ কৰিব পাৰি। ৰতনেই দেউতাৰ ৰুমলৈ অহা-যোৱা কৰি থাকে।

– আপোনাৰ দুই দাদা।

– ডাঙৰ দাদা অলপ গ্ৰিডি। দাদায়ো নিব পাৰে। কিন্তু দাদাই মনে মনে নিব জানো ?

– সৰুজন দাদা।

– সৰু দাদা অলপ বেলেগ ধৰণৰ। সম্পত্তিৰ প্ৰতি খুব আগ্ৰহ তেওঁৰ নাই। আৰু অহাৰ দিনাৰে পৰা দাদা ফাৰ্ষ্ট ফ্লোৰলৈ উঠাই নাই। নিজৰ ৰুমতে আছে।

– আপুনি প্ৰত্যেকটো মুহূৰ্ততে আপোনাৰ দাদা বা দেউতাকৰ ৰুমৰ ওপত নজৰ দি আছে নেকি ?

– নাই, থকা নাই।

– আপোনাৰ চকু নথকা সময়তেইতো আপোনাৰ সৰু দাদা দেউতাকৰ ৰুমলৈ যাব পাৰে ?

– হয় যাব পাৰে।

– আপোনাৰ ডাঙৰ দাদা দেউতাকৰ ৰুমত সোমাইছিল, আপুনিও সোমাইছিল। নহয় জানো। আপুনি দিয়া খবৰৰ বাবে ধন্যবাদ। মই এতিয়া আহো।

❑ ❑ ❑

শইকীয়াই এইবাৰ লগ পাব বিচাৰিলে বৰুৱাৰ দ্বিতীয় পুত্ৰক। প্ৰবাসীয়েই শইকীয়াক দ্বিতীয় পুত্ৰ বিকাশ বৰুৱাৰ ৰুমলৈ লৈ গ'ল, চিনাকি কৰাই দিলে। মেনেজমেন্টৰ মেগাজিন এখন বিকাশ বৰুৱাই পঢ়ি আছিল। বাওঁহাতত সেইখন লৈয়েই তেওঁ উঠি আহিল, হেণ্ডচেক কৰিলে, বহিবলৈ অনুৰোধ কৰিলে, প্ৰবাসীৰ পিনে চাই ক'লে – দুকাপ চাহ পঠিয়াই দিবি – প্ৰবাসী ওলাই গ'ল, ৰুমটোৰ দুৱাৰখন বন্ধ কৰি বিকাশ বৰুৱাই ক'লে – মই ড্ৰেচটো চেঞ্জ কৰি লওঁ, আপুনি একমিনিট বহক।

হাতত দুটামান কাপোৰ লৈ বিকাশ বৰুৱা বাথৰুমত সোমাল। শইকীয়াই কোঠাটোৰ চাৰিও পিনে এবাৰ চকু ফুৰালে। টকা-পইছা থকা মানুহৰ ঘৰৰ এটি কোঠা। আন ৰুমকেইটাৰ দৰেই সুন্দৰকৈ সজোৱা। বিশেষ একো বস্তু শইকীয়াৰ চকুত নপৰিল। বৰুৱাৰ বিছনাত বুক চাইজৰ কম্পিউটাৰ এটা, এটা পোৰ্টেবল টাইপ ৰাইটাৰ, টাইপৰাইটাৰত লেটাৰহেডৰ কাগজ লগোৱা আছে, ওচৰতে লেটাৰহেড, এনভেলাপ, প্লাষ্টিকৰ ফাইল এটা আৰু কেইখনমান ভিজিটিং কাৰ্ড। বৰুৱাই কাৰ্ডকেইখন চালে। দিল্লী, বোম্বাই আদি ঠাইৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ কাৰ্ড। টাইপ ৰাইটাৰত লগাই থোৱা লেটাৰহেডটো পঢ়ি চালে – বি এম চি বৰুৱা মেনেজমেন্ট কনচালটেন্ট ৬০৫/এ/থ্ৰি প্ৰভাকিৰণ ৰামেন্দ্ৰ পেলেচ, নিউ দেলহী-১১০০০৮, টেলিফোন-৫৭১২৮৮৯ লেটাৰহেডটোত টাইপ মৰা হোৱা নাই। প্লাষ্টিকৰ ট্ৰেন্সপাৰেন্ট ফাইলটোত কেইখনমান টাইপ মৰা চিঠি শইকীয়াই দেখা পালে। বৰুৱাই ঘৰলৈ আহিও বহি থকা নাই, নিজৰ ব্যৱসায়ৰ কামকেই কৰি আছে।

ৰঙা প্ৰিন্ট থকা কুৰ্তা আৰু লাইট ব্লু ফেডেড জিন্স পিন্ধি বৰুৱা ওলাই আহিল। বৰুৱায়ে প্ৰথমে আৰম্ভ কৰিলে – 'আপোনাৰ বিষয়ে মই ইতিমধ্যে জানিছোৱেই। মাত্ৰ এটা কথাহে নাজানো।'

– কি কথা ?

– আপুনি কেলেই আহিছে ?

শইকীয়াই সংক্ষেপতে কথাটো বুজাই দিলে। স্বৰলিপিখনৰ কথা নোকোৱাকৈ মূল্যবান বস্তু বুলিয়েই কথাটো সামৰি থলে। বৰুৱাই মন কৰিলে যে প্ৰবাসী বা প্ৰদীপ বৰুৱাতকৈ বিকাশ বৰুৱাই যথেষ্ট মনযোগেৰে কথাটো শুনিলে।

– বস্তুটো কি আপুনি নকয় নেকি ?

– কম, তাৰ আগতে আপোনাৰ পৰা মই দুটামান কথা জানি ল'ব বিচাৰো।

– হয়, সোধক।

– আপোনাৰ দেউতাকে যিখন উইলৰ ড্ৰাফট আপোনালোকক শুনাইছিল, তাত আপুনি সন্তুষ্টনে ?

– এইটো খুব ব্যক্তিগত কথা।

– হয়। আপোনালোকৰ ভালৰ বাবেই মই আপোনালোকৰ কিছু ব্যক্তিগত কথা জনাটো অতি প্ৰয়োজনীয় হৈ পৰিছে।

– এই প্ৰশ্নটোৰ উত্তৰ নাপালে আপোনাৰ অসুবিধা হ'ব নেকি ?

– হ'ব। কিন্তু সাময়িক। উত্তৰ মই পামেই। আৰু হয়তো কষ্ট কৰি উত্তৰ উলিয়াবলৈ যাওঁতে আৰু বহু কথা মই জানিম অতি ব্যক্তিগত কথা, যিবোৰ কথা পৰিয়ালৰ বাহিৰৰ মানুহে নজনাটো আপোনালোকে ভাল পাব। মোৰ প্ৰশ্নটো আছিল উইলখনত আপুনি সন্তুষ্টনে ?

– উত্তৰটো এতিয়াই দিয়া টান বা অনুচিত। কাৰণ, আমি উইলখনৰ ড্ৰাফটোহে শুনিলো। মোৰ যি আপত্তি আছে আজি সন্ধিয়া দেউতাক ক'ম। তাৰ পিছতহে ফাইনেল ড্ৰাফটো হ'ব আৰু তেতিয়াহে সন্তুষ্টিৰ কথাটো আহিব।

– ড্ৰাফটোত ?

– মই সন্তুষ্ট নহয়।

– কাৰণ ?

– দেউতাৰ দুটি মূল্যবান সম্পত্তিৰ উল্লেখ ড্ৰাফটোত নাই।

– কি সম্পত্তি ?

– কম জানো ?

– হয় কওক।

– এখন ভায়োলিন আৰু স্বৰলিপিৰ কাগজ এখন।

– এই দুবিধ বস্তু আপোনাক লাগে ?

– হয়।

– কিয় ?

– কিয় মানে ? – এইবুলি প্ৰশ্ন কৰি বিকাশ বৰুৱাই ক্ষন্তেক সময়ৰ বাবে শইকীয়ালৈ চালে আৰু তাৰ পিছতেই বস্তু দুবিধৰ মূল্যৰ বিষয়ে দীঘল বক্তৃতা এটাৰ আৰম্ভণি কৰিলে। বক্তৃতাৰ শেষত দীপক শইকীয়াই সুধিলে – এই বস্তু দুবিধ ক'ত আছে ?

– ভায়োলিনখন আছে দেউতাৰ আলমাৰিত আৰু স্বৰলিপিখন দেউতাৰ লাইব্ৰেৰিৰ কিতাপ এখনৰ মাজত।

– কি কিতাপ ?

– কিতাপখন হ'ল – হঠাৎ বৰুৱাই বাক্যটো সম্পূৰ্ণ নকৰিলে আৰু অলপ পিছত কলে – কি কিতাপ আছিল জানো……… নামটো পাহৰিলো।

– মনত পেলাবলৈ চেষ্টা কৰকচোন………

–উহু, নাই, মনত নাই।

– ফৰ ইয়'ৰ ইনফৰমেচন, স্বৰলিপি লিখা কাগজখন নাই।

– নাই মানে ?

– হেৰাল, আচলতে কাগজখনটো নিজে নিজে এঠাইৰ পৰা আন ঠাইলৈ যাব নোৱাৰে। কোনোবাই নিছে।

– কোনে ? - বৰুৱাৰ কণ্ঠত উত্তেজনা।

– সেই প্ৰশ্নটোৰ উত্তৰৰ বাবেই মই ইয়াত।

শইকীয়াই আৰু কিবা কোৱাৰ আগতেই দুৱাৰ এখন খোলাৰ শব্দ হ'ল আৰু দুৱাৰেৰে সোমাই আছিল প্ৰবাসী বৰুৱা। হাতত ট্ৰে, ট্ৰেত দুকাপ চাহ। বাকৰুদ্ধ হৈ যোৱা মানুহ দুজনৰ পিনে চাই প্ৰবাসীয়ে কলে – মই ডিচটাৰ্ব কৰা নাইতো !

– নাই, নাই – দুয়োজনে একেলগে কৈ উঠিল।

– চাহ লওক।

প্ৰবাসীয়ে চাহৰ ট্ৰেখন চেন্টাৰ টেবিলখনত থলে আৰু 'আহিছো' বুলি কৈ ওলাই গ'ল। বৰুৱাই প্ৰবাসী ওলাই যোৱাৰ পিনে চাই আছিল। দুৱাৰখন বন্ধ কৰা শব্দটো মাৰ যোৱাৰ কিছু পিছত বৰুৱাই ক'লে – শইকীয়া, স্বৰলিপিখন মোক লাগে। এট এনি কোষ্ট। মই আপোনাক মোৰ পিনৰ পৰা ফিজ এটা দিম।

– কিয় ?

– স্বৰলিপিখন মোক লাগেই। মই ভাবি আছিলো, সকলো সম্পত্তিৰ বিনিময়ত হলেও ভায়োলিনখন আৰু স্বৰলিপিখন মই ল'ম। মই কথাটো আজি দেউতাক কম বুলি ভাবি আছিলো। কিন্তু এতিয়া কি হ'ব ?

– আপোনাৰ কোৱা কাম আপুনি ক'ব। স্বৰলিপিখন হেৰোৱা কথাটোতো আপুনি নাজানে।

– সেই হ'ব প্ৰিটেনচন। আচল কথা স্বৰলিপিখন নাই, আৰু নোহোৱা বস্তুটো দেউতাই মোক কেনেকৈ দিব ?

– আপুনি কাৰোবাক সন্দেহ কৰিব খোজে নেকি ?

শইকীয়াৰ প্ৰশ্নত বৰুৱাই অলপ ভাবিলে। তাৰ পিছত ক'লে – কাকনো সন্দেহ কৰিম।

– মই আপোনাৰ পৰিয়ালৰ মানুহৰ কথা কোৱা নাই। পৰিয়ালৰ বাহিৰৰ মানুহৰ কথা কৈছো। এনেকুৱা কোনোবা মানুহ আছে নেকি ? যিয়ে স্বৰলিপিখনৰ কথা জানে ?

– এজন আছে।

– কোন ?

– সত্যেন পাঠক। সাংবাদিক।

শইকীয়াই সত্যেন পাঠকক চিনি পায়। কলেজ এখনৰ ডেকা অধ্যাপক, নিউজ এজেন্সি এটাৰ বাবে প্ৰবন্ধ লেখে।

– পাঠকে কেনেদৰে গম পালে ?

– তেওঁ দেউতাৰ বিষয়ে প্ৰবন্ধ এটা লেখিছিল। তেতিয়া দেউতাৰ ইন্টাৰভিউ কৰিছিল। দেউতাই তেওঁক কৈছিল, দেখুৱাইছিল।

– এয়া কিমান দিন আগৰ কথা ?

– ধৰক, তিনিমাহমান হ'ব।

– আপুনিতো দিল্লীত থাকে। কথাটো আপুনি কেনেদৰে গম পালে ?

– পাঠকে ইন্টাৰভিউটো লোৱাৰ সময়ত কিছু ফটো তুলিছিল। ইন্টাৰভিউটো ওলোৱাৰ পিছত ফটোবোৰৰ কপি আৰু ইন্টাৰভিউটো পাবলিচড হোৱা পেপাৰখন দিবলৈ আহিছিল। জানেইতো, অসমীয়া পেপাৰ-মেগাজিনৰ লগত আমাৰ সম্বন্ধ নাই। সেই সময়ত মই ইয়াতে আছিলো। দেউতা নাছিল, ময়ে পাঠকৰ লগত কথা-বতৰা পাতিলো। তেতিয়াই গম পাইছিলো যে মানুহজন সংগীতৰ প্ৰতি অনুৰক্ত। মোজাৰ্টৰ স্বৰলিপিখন পালে তেওঁ সংগ্ৰহ কৰিবলৈ বেয়া নাপাব।

– তেওঁ নিব কেনেকৈ ?

– মোৰ অনুমানহে। আপুনি ভাবি চাওক। ৰতনক তেওঁ ইউটিলাইজ কৰিব পাৰে। দেউতাৰ সাক্ষাৎকাৰৰ বাবে বহুবাৰ তেওঁ আমাৰ ইয়ালৈ আহিছিল, ৰতনৰ লগত ভাল সম্বন্ধ হোৱাটো স্বভাৱিক। স্বাভাৱিক নহয়, হ'বই, মই খাটাং।

– কিয় ?

– ইন্টাৰভিউটোৰ লগত দেউতাৰ বহু ফটো ছপা হৈছিল। তাৰে এখন আছিল দেউতাই লাইব্ৰেৰিত পঢ়ি থকা। ওচৰতে ৰতন থিয় হৈ আছিল। পেপাৰত ফটো উলিয়াই দিছে, মানুহজনক সি বেয়া পাবনে ?

– ৰতন জানো বিশ্বাসী মানুহ নহয় ?

– বিশ্বাসী নিশ্চয় হয়; কিন্তু মোজাৰ্টৰ স্বৰলিপিৰ কথা বুজি পাব পৰা লেভেলৰ মানুহ ৰতন নহয়।

– আপুনি দিয়া খবৰৰ বাবে ধন্যবাদ। মই আজিলৈ উঠো। দুই-এদিনতে আকৌ আহিম। আহি যাতে আপোনাক লগ পাওঁ অকল আপোনাকেই নহয়, আপোনাৰ পৰিয়ালৰ আটাইকেইজনকেই লগ পাব লাগিব।

– যিমান দিনলৈ প্ৰয়োজন হয়, মই ইয়াত থাকিম। মই যোৱাৰ সময়ত বস্তু দুবিধ লগত লৈ যাম – ভায়োলিনখন আৰু স্বৰলিপিখন।

## (চাৰি)

বৰুৱাৰ ঘৰৰ পৰা আহি শইকীয়াই প্ৰথমে কাবেৰীক ঘৰত নমাই দিলে। তাৰ পিছত নিজৰ ঘৰৰ পিনে আগবাঢ়িল। হঠাৎ তেওঁৰ ভাব হ'ল প্ৰশান্ত গোহাঁইৰ ঘৰত এবাৰ সোমাই যোৱাটো ভাল হ'ব। হাতৰ ঘড়ীটো চালে – ছয় বাজি তেৰ মিনিট। প্ৰশান্ত গোহাঁই ঘৰত থাকিব পাৰে।

শইকীয়াৰ গাড়ী নাওজান ৰোডৰ পিনে ঘূৰিল। শইকীয়াই ভাবিলে যদিহে প্ৰশান্ত গোহাঁইৰ ঘৰৰ সমুখত প্ৰদীপ বৰুৱাৰ গাড়ীখন দেখা পায় তেতিয়া তেওঁ গোহাঁইৰ ঘৰত নোসোমায়। প্ৰদীপ বৰুৱাক আৰু এটি চমক নিদিয়াটোৱেই ভাল হ'ব।

প্ৰশান্ত গোহাঁইক দীপক শইকীয়াই আগৰে পৰা চিনি পায়। গোহাঁই কলেজ এখনৰ ইংৰাজীৰ অধ্যাপক, প্ৰচুৰ টকা-পইছা থকা বাপেকৰ একমাত্ৰ পুত্ৰ। নিজে নাগায় বা নানাচে কিন্তু সংগীত-নৃত্য আদিৰ স্বয়ম্ভূ প্ৰোমোটাৰ। বছৰত নাচ-গানৰ ফাংচন এখন পাতে – তিনিমাহ মান ৰিহাৰ্চেল কৰে আৰু ফাংচনৰ পিছত দুমাহমান তাৰ বিষয়ে আলোচনা কৰি থাকে। অৱশ্যে নিজৰ গ্ৰুপৰ ভিতৰতে। গ্ৰুপৰ অধিকাংশই ধনী ঘৰৰ বোৱাৰী, জীয়ৰী আৰু টকা-পইছা থকা ঘৰৰ যুৱক বা পুৰুষ। সংগীত আৰু সুন্দৰী য'ত থাকে, তালৈ সুৰাৰ আগমন হ'বই। প্ৰশান্ত গোহাঁই এই মধুচক্ৰৰ প্ৰাণপুৰুষ।

গোহাঁই ক'ৰবালৈ যাবলৈ বুলি ওলাই আহিছিল, বাৰান্দাত থিয় হৈয়েই দেখা পালে দীপক শইকীয়া সোমাই আহিছে। গোহাঁয়ে কথাটো বৰ ভাল নাপালে। তথাপিতো – কি খবৰ শইকীয়া, আহক আহক বুলি গোহাঁই আগবাঢ়ি গ'ল।

– আপুনি কেনিবা যাবলৈ ওলাইছিল ?

– নাই, নাই। এনেয়ে। ডেন্স প্ৰগ্ৰাম এটিৰ ৰিহাৰ্চেল আছিল। আহক, ভিতৰতে বহো।

– নাই, নালাগে। কথা এটাৰ বাবেহে আপোনাৰ তালৈ আহিলো। খবৰ এটা লাগে।

– কওকচোন কি খবৰ দিব পাৰো। আৰু খবৰৰ বাবেহে আপুনি আহিব, এনেয়েতো নাহে আৰু.........

– মই বৰকৈ অহাটো মানুহে ভাল নাপায় নে কি কয় ?

– কি যে কয়! চোৰ-ডকাইত-ক্ৰিমিনেলৰ পিছে পিছে ঘূৰি ফুৰিলে বুলিয়েই জানো আপুনি ডেন্স-মিউজিক বেয়া পাব ? অহা মাহত আমাৰ গ্ৰুপৰ ডেন্স পাৰফৰমেন্স এটা আছে, আপুনি আহিবই কিন্তু। মই কাৰ্ড পঠিয়াম।

শইকীয়াই জানে, গোহাঁয়ে কেতিয়াও কাৰ্ড নপঠায়। তথাপিতো কলে – আহিম আহিম যদিহে চোৰ-ডকাইত-ক্ৰিমিনেলবোৰে অলপ ৰেষ্ট দিয়ে। আপুনি কেনিবা যাবলৈ ওলাইছিল – কিহত যাব ?

– মই লাইব্ৰেৰীলৈকেহে যাম। খোজকাঢ়িয়েই যাম। সন্ধিয়া খোজকঢ়াটো অলপ ভাল বোলে!

– বলক, গৈ থাকো। মই আপোনাক লাইব্ৰেৰিত ড্ৰপ কৰিম।

যোৰ পুখুৰীৰ মাজৰ ৰাস্তাটোৰে শইকীয়াৰ গাড়ী আগবাঢ়িল। গাড়ীৰ স্পিড অলপ কমাই দি শইকীয়াই ক'লে – প্ৰদীপ বৰুৱাক আপুনি জানে ?

– হয়। মোৰ কলেজৰ দিনৰ বন্ধু। আপুনি তাক কি কৰে ?

– এতিয়ালৈকে একো নকৰো, কিন্তু প্ৰয়োজন হ'ব পাৰে।

– কেনেকুৱা প্ৰয়োজন ? কিবা স্কেণ্ডেল নেকি ? মোক তাৰ বিষয়ে সোধাৰ কাৰণ কি ?

– শুনক গোহাঁই, কথাটো মই স্পষ্টকৈ কওঁ। আপোনাৰ মুখেৰে স্কেণ্ডেল শব্দটো ওলাইছে। তাৰ মানে আপুনি অনুমান কৰিব পাৰিছে বা আপুনি জানে যে প্ৰদীপ বৰুৱা কিবা স্কেণ্ডেলত গোপনে জড়িত! আপুনি তেখেতৰ কলেজৰ দিনৰে বন্ধু। কিন্তু কলেজত একেলগে পঢ়া বহু বন্ধু তেওঁৰ আছিল, এইখন গুৱাহাটীৰে বহু বন্ধু আছিল, কিন্তু এতিয়া সম্পৰ্ক আছে আপোনাৰ লগতহে। গতিকে বুজিছেই, মই কিয় আপোনাৰ ওচৰ পাইছো। আজি অলপ সময়ৰ আগতে তেখেতে আপোনাক লগ পাই গৈছে।

– মোক তেওঁ লগ পোৱাটো অপৰাধ নেকি ?

– নহয়। আৰু নোহোৱাটোৱেই ভাল। নে কি কয় ?

– মানে ?

– ধৰক, ধৰিহে ল'ব দেই – কিবা এটা অপৰাধমূলক কামত তেখেত জড়িত হ'ল, গতিকে সেই কেইদিনত তেখেতে যিমানবোৰ মানুহক লগ ধৰিছিল – প্ৰত্যেককেই পুলিচে বা মোৰ দৰে ডিটেক্‌টিভে লগ ধৰিবই।

– প্লীজ, গাড়ীখন ৰখাওক।

শইকীয়াই বুজি পালে গোহাঁয়ে অলপ ভয় খাইছে। একাষৰীয়া কৰি গাড়ীখন তেওঁ ৰাখিলে। গোহাঁয়ে চিগাৰেট এটা জ্বলাই ধোঁৱাখিনি এৰি দি ক'লে – কথাটো মই বুজা নাই। অলপ এক্সপ্লেইন কৰিবনে ?

– কথাটো বুজি পাবলৈ একো নাই। কিবা এটা অনুসন্ধানৰ বাবে মোক এটা খবৰ লাগে। খবৰটো হ'ল যোৱা দুদিনত প্ৰদীপ বৰুৱাই কাক কাক লগ পাইছিল। মই পোৱা খবৰ মতে আপোনাক কেইবাবাৰো লগ পাইছিল। এতিয়া মোৰ প্ৰয়োজনীয় তথ্যটো হ'ল – আপোনাক কি কামৰ বাবে লগ পাবলগীয়া হ'ল।

– কাৰণ প্ৰদীপ মোৰ বন্ধু।

– এইটো হ'ল দুয়োৰে সম্বন্ধ। কিন্তু কাৰণটো কি ?

– মই যদি আপোনাক মিছা কথা এটা কওঁ ?

– বিপদ আপোনাৰ। আপোনাৰ বন্ধুক বচাবলৈ মিছা কৈ আপুনি যদি বিপদ চপাব খোজে মোৰ আপত্তি নাই।

– কাৰণটো অতি ব্যক্তিগত।

– স্কেণ্ডেলৰ গোন্ধ আছে নিশ্চয়।

– কেনেকৈ গম পালে ?

– মই কেনেকৈ গম পালো – এটা সূত্ৰ হ'ল আপুনি। আপুনিয়েই প্ৰথমে এই শব্দটো কৈছিল।

– মই সঁচাটোকে কওঁ। মোৰ গ্ৰুপত ডেন্সাৰ এজনী আছে। প্ৰদীপৰ লগত তেওঁৰ অলপ সম্পৰ্ক আছে।

– কেনেকুৱা সম্পৰ্ক ?

– ভাল।

– ভাল মানে ?

– প্ৰদীপ গুৱাহাটীলৈ আহিলে দুয়ো একেলগে থাকে। ভদ্ৰমহিলাও মাজে সময়ে বাহিৰলৈ যায় – প্ৰদীপে আহি লগ ধৰে। ডিটেলচ নকলেও হ'ব কিজানি।

– ভদ্ৰমহিলা। অৰ্থাৎ বিবাহিতা।

– হয়।

– গিৰিয়েকে কি কৰে ?

– ব্যৱসায় আছে। অল্পশিক্ষিত গিৰিয়েক। ক্ষীণদেহী। দুৰ্বল।

– গিৰিয়েকে কথাটো নাজানে ?

– বাহিৰৰ বহুতেই জানে, গিৰিয়েকে নাজানিবনো কিয় ?

– গিৰিয়েকে একো নকয় ?

– মই কেনেকৈ জানিম। ভদ্ৰমহিলাই বিভিন্ন ঠাইত নাচিবৰ বাবেহে যায়। প্ৰদীপৰ লগত স্ফূৰ্তি কৰিবলৈতো নাযায়। আৰু এটা কথা আছে। প্ৰদীপে এক্সপ'ৰ্টৰ ব্যৱসায় কৰে। ভদ্ৰমহিলাৰ গিৰিয়েকে অসমৰ হেণ্ডিক্ৰাফটৰ বস্তু এক্সপ'ৰ্ট কৰে প্ৰদীপৰ ফাৰ্মৰ থ্ৰোৰে। এই ধৰণৰ সম্বন্ধ এটাও থাকিব পাৰে।

– ভদ্ৰমহিলাৰ সম্বন্ধ অকল প্ৰদীপৰ লগতেই নে ?

– এখন টিভি চিৰিয়েলত তেওঁ অভিনয় কৰিছে। তাৰ প্ৰডিউচাৰৰ লগতো হেনো তেওঁ এনিশা নোহোৱা হৈছিল। এনেকুৱা টুকটাক ঘটনা ঘটি থাকেই।

– এইটো কামত প্ৰদীপ বৰুৱাই আপোনাৰ লগ লোৱাৰ কাৰণ কি ?

– কাৰণ একো নাই।

– যোৱা দুদিনত তেওঁ আপোনাক কাৰণ নোহোৱাকৈয়ে বিচাৰি আছেনে ?

– কাৰণ এটা আছে অৱশ্যে। ভদ্ৰমহিলা আমেৰিকালৈ যাব, মাদ্ৰাজৰ এটা গ্ৰুপৰ লগত। কিবা ডেন্স প্ৰগ্ৰাম আছে। কেনেকৈ মেনেজ কৰিলে মই নাজানো। দুদিন মানৰ ভিতৰতে ভদ্ৰমহিলা মাদ্ৰাজলৈ যাব, তাত কেইদিনমান থাকি ট্ৰুপটোৰ লগত আমেৰিকালৈ যাব। প্ৰদীপৰ কথা হ'ল ভদ্ৰমহিলা আৰু দুদিনমান ইয়াতে থাকি তাৰ পিছত দিল্লী হৈ মাদ্ৰাজ যাব লাগে। প্ৰদীপৰ হেনো কিবা কাম আছে। ভদ্ৰমহিলা মান্তি হোৱা নাই।

– কিয় ?

– ট্ৰুপৰ ডিচিপ্লিনৰ কথা আছে। ফিক্সড তাৰিখত মাদ্ৰাজ পাবই লাগিব।

– আপোনাক প্ৰদীপ বৰুৱাই লগ ধৰিছে কিয় ?

– মই ভদ্ৰমহিলাক প্ৰদীপৰ হৈ কথাটো বুজাব লাগে।

– কাৰণটো নজনাকৈয়ে ?

– প্ৰদীপে কাৰণ এটা কৈছে অৱশ্যে।

– কি কাৰণ ?

– প্ৰদীপৰ ফেমিলিত কিবা টেনচন এটা চলি আছে। গতিকে মুকলি মনেৰে সি ভদ্ৰমহিলাক লগ পাব পৰা নাই। টেনচনটো পাৰ হলেই সি ভালদৰে লগ পাব। সেইটোৱেই কাৰণ।

– ভদ্ৰমহিলা মান্তি হ'বনে ?

– হ'ব যেনেই লাগে।

– কিয় ?

– প্ৰদীপ বহু টকাৰ মালিক আৰু সি হাতখুলি টকা খৰচ কৰিব পাৰে। ভদ্ৰমহিলাই কথাটো জানে।

## (পাঁচ)

নিশা নমান বজাত গুৱাহাটীৰ ৰাজপথবোৰ প্ৰায় শূন্য হৈ পৰে। যি কমসংখ্যক গাড়ী-মটৰ ৰাজপথত থাকে সেইবোৰৰ স্পিড দিনৰ তুলনাত বৃদ্ধি পায়। দীপক শইকীয়াই কিন্তু উদং ৰাস্তা পায়ো লাহে লাহেই গাড়ীখন চলাই নিজৰ ঘৰৰ পিনে আগবাঢ়িছে।

ব্যস্ততা ভৰা দিনটোৰ শেষ মানুহজনক লগ পাই তেওঁ উভতি আহিছে। মানুহজন নহয়, মানুহ গৰাকী। প্ৰশান্ত গোহাঁইৰ পৰা এড্ৰেছ লৈ সেই নৃত্যপটিয়সী গৰাকীক তেওঁ লগ পাবলৈ গ'ল। আৰু লগ পোৱাৰ পিছত সুশান্ত বৰুৱাৰ হেৰোৱা স্বৰলিপিৰ কেচটোৰ কথাবোৰ ভাবি ভাবিয়েই তেওঁ ঘৰৰ পিনে আগবাঢ়িছে।

ভদ্ৰমহিলাৰ নাম মৃদুলা চৌধুৰী। পঁয়ত্ৰিছ বছৰমান বয়সীয়া সন্তানহীনা মহিলা গৰাকীৰ দেহ-সৌষ্ঠৱ সঁচাকৈয়ে দৰ্শনীয়। সযত্ন পালিত মসৃণ দেহত্বক, দেহৰ বিভিন্ন অংশত সামান্য মেদ আৰু দুচকুৰ বিৰল আমন্ত্ৰণ এই আটাইবোৰেই মহিলাক আবেদনময়ী কৰি তুলিছে। কিছুমান দেহ থাকে যিবোৰৰ দৰ্শনে প্ৰেমৰ নহয় কামনাৰ ভাবহে জগাই তুলিব পাৰে – ভদ্ৰমহিলাও তেনেকুৱা। শইকীয়াক তেওঁ ভদ্ৰভাবেই আমন্ত্ৰণ জনালে। শইকীয়াই তেওঁক আমেৰিকা যাত্ৰাৰ বাবে অভিনন্দন-শুভেচ্ছা জনালে – তেওঁৰ নৃত্যৰ গুণমুগ্ধ এজন হিচাপে। কথা প্ৰসংগত প্ৰদীপ বৰুৱাৰ কথা ওলাল। 'মিঃ বৰুৱা মোৰ ফেন, ৱেলউইচাৰ আৰু ফেমিলি ফ্ৰেণ্ড' – ভদ্ৰমহিলাই প্ৰদীপ বৰুৱাৰ বিষয়ে ইমানকে জনালে।

শইকীয়াৰ ধাৰণা আছিল – প্ৰদীপ বৰুৱাই মৃদুলা চৌধুৰীক এটি বিশেষ কামৰ বাবে ব্যৱহাৰ কৰিব পাৰে। কামটো হ'ল যদি প্ৰদীপ বৰুৱাই স্বৰলিপিখন আত্মসাৎ কৰিছে, তেন্তে সেইখন বিদেশলৈ পঠাবৰ বাবে মৃদুলা চৌধুৰীৰ সহায় ল'ব পাৰে। মৃদুলা চৌধুৰীৰ হাতত স্বৰলিপিখন বিদেশলৈ সহজেই পঠাই দিব পাৰে; প্ৰদীপ বৰুৱাৰ আমেৰিকান এজেন্টে স্বৰলিপিখন মৃদুলা চৌধুৰিৰ পৰা কালেক্ট কৰিব। কিন্তু এইধৰণৰ কোনো গোন্ধেই মৃদুলাৰ পৰা দীপক শইকীয়াই নাপালে। ভদ্ৰমহিলাই বাৰে বাৰে প্ৰদীপ বৰুৱা সংক্ৰান্তীয় কথাবোৰ এভইড কৰি গ'ল গতিকে দীপক শইকীয়াই কথা-বতৰাৰ কোমল সুৰ সলনি কৰি অলপ কঠোৰ হ'ল।

– 'আপুনি মাদ্ৰাজলৈ যোৱাৰ আগতে দিল্লীলৈ যোৱাৰ কথা আৰু তাকো প্ৰদীপ বৰুৱাৰ লগত। কথাটো নিশ্চয় মিছা নহয়।'

– 'এইটো মোৰ ব্যক্তিগত কথা। উত্তৰ দিব নালাগিলে মই ভাল পাম।'

– হয়, কথাটো সুধিব নালাগিলে মই বেছি ভাল পালোহেঁতেন।' কিন্তু মই এটা অপৰাধৰ অনুসন্ধানৰ কামত ব্যস্ত। সেইবাবেই সুধিবলগীয়া হ'ল।

এইবাৰ ভদ্ৰমহিলাই অলপ ভয় খালে।

– কি অপৰাধ ? কোনে কৰিছে ? যিয়েই নকৰক কিয় তাৰ লগত মোৰ কি সম্পৰ্ক ? প্ৰদীপ বৰুৱাৰ কি সম্পৰ্ক ?

– আপোনাৰ কি সম্পৰ্ক থাকিব পাৰে তাকেই জনাৰ বাবে আপোনাক কথাটো সুধিছিলো। কিন্তু আপুনি কবলৈ অস্বীকাৰ কৰিলে যেতিয়া......... নাটকীয় ভংগীমাৰে শইকীয়া ৰ'ল, পুনৰ কলে – এতিয়া মই উঠো – বুলি কৈ শইকীয়া বহাৰ পৰা উঠিল।

– প্লিজ মিঃ শইকীয়া, অকণমান বহকচোন। কথাটো মোক বুজাই কওক। প্ৰদীপ বৰুৱা আমাৰ ফেমিলিৰ বন্ধু, সম্পৰ্ক সিমানেই। ইয়াৰ মাজত অপৰাধৰ কথা কি আহিব পাৰে ?

– ময়ো তাকেই চিন্তা কৰিছো। এটা অপৰাধ ঘটি গৈছে। সম্ভাব্য



OKDISCD

অপৰাধীসকলৰ ভিতৰত প্ৰদীপ বৰুৱাকো সন্দেহ কৰা হৈছে। গতিকে প্ৰদীপ বৰুৱাৰ লগত সম্পৰ্ক থকা প্ৰতিজনকেই সন্দেহৰ চকুৰে আমি চোৱাটো স্বাভাৱিক।

– প্ৰদীপ বৰুৱাৰ লগততো বহুতৰে সম্পৰ্ক থাকিব পাৰে!

– হয়। পাৰে। এইবাৰ প্ৰদীপ বৰুৱা আহি পোৱাৰ পিছতেই ঘটনাটো ঘটিছে আৰু এইকেইদিনত প্ৰদীপ বৰুৱাই বাৰে বাৰে আপোনাক লগ ধৰিছে। আৰু বেছিকৈ বুজাই ক'ম নেকি?

দীপক শইকীয়াৰ এই ফাকি কথাই কাম দিছিল। মৃদুলা চৌধুৰীয়ে কিছু দ্বিধাগ্ৰস্ত কণ্ঠেৰে স্বীকাৰ কৰিছিল যে প্ৰদীপ বৰুৱাৰ লগত তেওঁৰ শাৰীৰিক সম্পৰ্ক আছে আৰু ইয়াৰ বাবেই তেওঁক প্ৰদীপ বৰুৱাই বাৰে বাৰে বিচাৰি আহিল।

দীপক শইকীয়া ইমানতে সন্তুষ্ট হৈ ওলাই আহিছিল। অৱশ্যে কৈ আহিছিল – 'আপুনি গুৱাহাটী এৰি যোৱাৰ আগতে মোক এবাৰ লগ পাই যাব।' মৃদুলা চৌধুৰীয়ে প্ৰতিশ্ৰুতি দিছিল যে তেওঁ প্ৰদীপ বৰুৱা লগত দিল্লীলৈ নাযায়, পোনে পোনে মাদ্ৰাজলৈকে যাব। আৰু যোৱাৰ আগতে শইকীয়াক লগ ধৰি যাব।

দীপক শইকীয়া মৃদুলা চৌধুৰীৰ ঘৰৰ পৰা ওলাই আহিছিল। তেওঁ গাড়ীখন মৃদুলা চৌধুৰীৰ ঘৰৰ ঠিক সমুখতে নাৰাখি অলপ দূৰৈত ৰাখিছিল। গাড়ীত বহি ঠিক ষ্টাৰ্ট দিব বিচাৰিছে মাত্ৰ, এনেতে দেখা পালে এখন মাৰুতি আহি মৃদুলা চৌধুৰীৰ ঘৰৰ সমুখত ৰ'ল। শইকীয়াই ক্ষন্তেক অপেক্ষা কৰিলে। গাড়ীৰ পৰা মানুহ এজন নামিল, দুৱাৰ বন্ধ কৰিলে আৰু মৃদুলা চৌধুৰীৰ ঘৰৰ পিনে খোজ ললে। আন্ধাৰত তেওঁ মানুহজনক চিনি পোৱা নাছিল। লগে লগে গাড়ীৰ হেডলাইট জ্বলাই দিলে। মানুহজনে লগে লগে পোহৰৰ উৎসৰ পিনে ঘূৰি চালে আৰু দ্ৰুতবেগে মৃদুলাৰ ঘৰলৈ সোমাই গ'ল। লাইটৰ পোহৰত শইকীয়াই স্পষ্টকৈ দেখা পাইছিল, জিনচ পেন্ট আৰু টি চাৰ্ট পিন্ধা সেই মানুহজন আছিল প্ৰবাসী বৰুৱা।

এইবোৰ কথা ভাবি ভাবিয়েই দীপক শইকীয়া ৰাতিৰ ৰাজপথেৰে আগবাঢ়িছিল। এক নৃত্যশিল্পী এটা পৰিয়ালৰ বোৱাৰী, তেওঁ আকৌ আন এজনৰ উপপত্নী। মাত্ৰ অৰ্থৰ লালসা অথবা তথাকথিত চৌখিন জীৱনৰ বাবেই উপপত্নী হৈ আছে এক বিবাহিত পুৰুষৰ! তেওঁৰ ঘৰলৈ আগমন ঘটিল সেই পুৰুষ বন্ধুৰ ভনীয়েকৰ। দীপক শইকীয়াই ভাবিলে প্ৰবাসী বৰুৱাৰ লগত মৃদুলা চৌধুৰীৰ কি সম্পৰ্ক থাকিব পাৰে। ককায়েকৰ লগত থকা সম্পৰ্ক তেওঁ জানে নেকি যাৰ বাবে তেওঁ ভদ্ৰমহিলাক সাৱধান কৰি দিবলৈ আহিছে! নে এই সম্বন্ধটোৰ কথা গম পাই ভদ্ৰমহিলাক সাৱধান কৰি দি স্বৰলিপিখন ভদ্ৰমহিলাৰ হাতেৰে বিদেশলৈ পঠোৱাৰ চেষ্টা কৰিছে প্ৰবাসী বৰুৱাই। একো আচৰিত নহয় এইটো পৰিয়ালত। প্ৰতিজন মানুহেই নিজক লৈয়ে ব্যস্ত। 'তথাপি কাইলৈ প্ৰবাসী বৰুৱাক এবাৰ লগ পাব লাগিব' – শইকীয়াই ভাবিলে।

মাৰুতি আহি ফ্লাইওভাৰৰ ওপৰ উঠোতেই শইকীয়াৰ মনত পৰিল এটা নাম। সত্যেন পাঠক। সাংবাদিক সত্যেন পাঠক। এই মানুহজনে বৰুৱা ফেমিলিৰ কিছু কথা জানে। গতিকে, শইকীয়াই হাত ঘড়ীটো চালে – ন বাজি পোন্ধৰ মিনিট – পাঠকক এবাৰ লগ পাই যাব পাৰি – শইকীয়াই ভাবিলে।

পাঠক পূব-শৰণীয়াত থাকে। শইকীয়াৰ মাৰুতি জি এন বি ৰোডৰ পৰা পূব শৰণীয়াৰ পিনে সোমাই গ'ল।

## (ছয়)

আচলতে ফেমিলিটো কি জানে – বাহিৰত ৰং চং – ভিতৰত ফোপোলা। টকা আছে। বাপেকৰ দিনৰ বাগানে দিয়া টকা তাকে লৈ গৌৰৱ। নাই, আৰু একো নাই। সত্যেন পাঠকে বিৰক্তিৰে ক'লে। তাৰ পিছত চিগাৰেটটোত দুহোপা মান মাৰি ক'লে – চাহ একাপ নাখাব জানো। খাব নিশ্চয়। এক মিনিট দেই, মই ভিতৰৰ পৰা আহিছো। পঁয়ত্ৰিছ বছৰীয়া মাংসল দেহটোৰ অধিকাৰী পাঠক ভিতৰলৈ গ'ল। নিশ্চয় চাহৰ কথা কবলৈ।

শইকীয়া প্ৰথমবাৰৰ বাবে পাঠকৰ ঘৰলৈ আহিছে। পাঠকৰ কোঠাটোত তেওঁ এবাৰ চকু ফুৰালে। পাঠকৰ পঢ়া কোঠা। চাৰিওফালে কিতাপৰ আলমাৰি, চেলফত বিভিন্ন মেগাজিন, নিউজ পেপাৰ, কোঠাটোৰ মাজত এখন চেক্ৰেটেৰিয়েট টেবিল, এই টেবিলখনতে পাঠকে নিশ্চয় লিখা-পঢ়া কাম কৰে। পাঠকৰ চকীৰ মুখামুখিকৈ আৰু দুখনমান চকী। তাৰে এখনত বহি শইকীয়াই পাঠকৰ লগত কথা পাতি আছে বৰুৱা পৰিয়ালৰ বিষয়ে।

ট্ৰে এখনত দুকাপ চাহ আৰু বিস্কিটৰ প্লেট এখন লৈ পাঠক সোমাই আহিল। 'লওক, চাহ। সুদা চাহহে দিলো। ঘৰত কোনো নাই। আপুনিও আহিল এনে এটা দিনত–' পাঠকে চাহৰ কাপটো আগবঢ়াই দিলে। পাঠকৰ অতিথিপৰায়ণতা দেখি শইকীয়াৰ ভাল লাগিল। চাহৰ কাপত শোহা এটা মৰাৰ পিছতহে শইকীয়াৰ মনত পৰিল যে একাপ চাহ সঁচাকৈয়ে তেওঁৰ বাবে প্ৰয়োজনীয় হৈ পৰিছিল।

সত্যেন পাঠকে সুশান্ত বৰুৱাৰ যিটো ইন্টাৰভিউ লৈছিল, সেইটো শইকীয়াই পঢ়ি শেষ কৰিলে। তেওঁৰ প্ৰয়োজনীয় বিশেষ খবৰ তাত নাছিল। 'মই ইন্টাৰভিউটো লবলৈ যাওঁতে বৰুৱাই বৰ ভাল পাইছিল। পেপাৰত নাম – ফটো ওলাবতো! এদিন ইন্টাৰভিউ দিলে। তাৰ পিছত আৰু এদিন মতাই নিলে। কিবাকিবি কথা মনত পৰা নাছিল বোলে – সেইবিলাক ক'লে। ইন্টাৰেষ্টিং কথা কি জানে – মই বৰুৱাক পাৰ্চনেল কথা দুটামান সুধিছিলো ধৰক হ'বি কি? টিভি চাই নে নাই ইত্যাদি। প্ৰথমতে বৰুৱাই হবি কৈছিল ভ্ৰমণ বুলি। আৰু ফটো তোলাৰ দিনা ক'লে হবি অধ্যয়ন বুলি। ফটোও উঠিলে লাইব্ৰেৰিত। হাতত কিতাপ এখন লৈ। – পাঠকে ফটো এখন দেখুৱালে – এইখন ফটো।

শইকীয়াই ফটোখন চালে। বৰুৱাই লাইব্ৰেৰিত আলমাৰিৰ ওচৰত থিয় হৈ কিতাপ এখন পঢ়ি আছে – কোভাৰটো দেখা পোৱাকৈ। কিতাপখন দা ডিক্সনাৰি অব মিউজিক। ওচৰতে থিয় হৈ আছে ৰতন।

'বৰুৱাই মোক এখন কাগজ দেখুৱাইছিল। কিবা স্বৰলিপি বোলে। মূল্যবান হেনো। মই একো বুজি নাপালো। স্বৰলিপিখন কিয় মূল্যবান। তেনেকুৱা অলেখ স্বৰলিপি বজাৰত কিনিবলৈ পোৱা যায়।

পাঠকৰ কথাত শইকীয়াৰ সন্দেহ হ'ল। বিকাশ বৰুৱাই কৈছিল – পাঠক মিউজিকৰ প্ৰতি ইন্টাৰেষ্টেড আৰু পাঠকে মোজাৰ্টৰ স্বৰলিপিখনৰ প্ৰতি অকণো আগ্ৰহ দেখুওৱা নাই। সত্যটো কি?

– স্বৰলিপিখন ক'ত আছিল আপোনাৰ মনত আছেনে?

– হয়, আছে। বৰুৱাই যে লৈ আছে, সেই কিতাপখনৰ মাজত।

– আপুনি ফটোবোৰৰ কপি বৰুৱাক দিছিল?

– দিছিলো। বৰুৱাক নহয়। ৰতনক। ৰতনে খুজিছিল – সি থকা ফটোবোৰ লাগে।

– বৰুৱাৰ পুতেক-জীয়েকক আপুনি চিনি পায়।

– দ্বিতীয় পুত্ৰক পাওঁ। মানে ফটোকেইখন দিবলৈ যাওঁতে তেওঁক লগ পাইছিলো। কথা-বতৰা পাতি ভাল লাগিল। কালচাৰ্ড মানুহ। তেওঁ সুধিছিল এই স্বৰলিপিখনৰ কথা।

– কি সুধিছিল?

– স্বৰলিপিখন মই দেখা পাইছিলো নে নাই। মানে দেউতাকে মোক দেখুৱাইছিল নে নাই। তেতিয়া কথাটো মোৰ মনত ষ্ট্ৰাইক কৰা নাছিল – এতিয়া কৰিছে। স্বৰলিপিখন তেওঁলোকৰ ফেমিলিৰ বস্তু। ক'ত আছে পুতেকে নাজানে? মোৰ দৰে বাহিৰৰ মানুহ এজনক সুধিছে। কি আচৰিত?

– আপুনিতো সাংবাদিক মানুহ। মৃদুলা চৌধুৰীক জানে কিজানি?

– তেওঁক কোনে নাজানে? চবেই জানে।

– মইতো নাজানো?

– জানিব, জানিব।

– তথাপি আপোনাৰ মুখৰ পৰা শুনো?

– মই এটা শব্দেৰে ক'ম। অৱশ্যে শব্দটো বেয়া – নটী।

– নটী, মানে নৃত্যপটিয়সী।

– সেয়া ভাল অৰ্থত। আপুনি ব্যৱহাৰিক অৰ্থত লওক। 'নটী' শব্দটো গালি-শপনিত ব্যৱহাৰ হয়। আমাৰ বৰুৱা চাহাবৰ বৰপুত্ৰৰ লগত হেনো বৰ হলিগলি আছে। শুনা কথা। অৱশ্যে ৰিলায়েবল চোৰ্চ।

হঠাৎ শইকীয়াৰ চকু বৈ গ'ল মোজাৰ্টৰ ছবি এখনৰ ওপৰত। বৰুৱাৰ টেবিলত থকা মেগাজিন এখনৰ কোভাৰত মোজাৰ্টৰ ছবি। মেগাজিনখনৰ নাম লণ্ডন কলিং। শইকীয়াৰ সন্দেহ হ'ল – যিজন মানুহে মোজাৰ্টৰ স্বৰলিপিখনক গুৰুত্ব দিয়া নাই, তেওঁৰ টেবিলত মোজাৰ্টৰ বিষয়ে কোভাৰষ্টৰি থকা মেগাজিন।

– এইখন।

– অ এইখন, এইবোৰ আহি থাকে। ফ্ৰি। এম্বাচিবোৰে পঠিয়ায়। প্ৰোপোগাণ্ডা মেগাজিন।

পাঠকে কথাটো এৰাই যাব খোজা যেন লাগিল শইকীয়াৰ।

– এইখন মোজাৰ্টৰ ফটো। এওঁৰ স্বৰলিপিকেই আপুনি বৰুৱাৰ তাত দেখিছিল।

– অ' হয় নেকি? – উৎসাহহীন ভাবেৰে পাঠকে মেগাজিনখন চালে।


শইকীয়াই অনুমান কৰিব নোৱাৰিলে পাঠকৰ এই উৎসাহহীনতা অভিনয় নে অজ্ঞতা।

## (সাত)

– কাবেৰী।

– চাৰ।

– চোৱা। স্বৰলিপি হেৰোৱা কেচটোৰ বাবে মই সংগ্ৰহ কৰা আটাইবোৰ ইনফৰমেচন তোমাক কলো। এতিয়া কোৱা, তুমি কাক সন্দেহ কৰা।



OKDISCD

– বৰপুত্ৰ প্ৰদীপ বৰুৱাক ।

– কিয় ?

– তেওঁ নিশা বৰুৱাৰ লাইব্ৰেৰিত সোমাইছিল । গতিকে স্বৰলিপিখন নিয়াৰ সুবিধা তেওঁৰ আছে। তেওঁ এক্সপোৰ্টৰ ব্যৱসায় কৰে । স্বৰলিপিখন বিক্ৰী কৰা সুবিধা তেওঁৰেই বেছি ।

– দুই ?

– প্ৰবাসীক ।

– কিয় ?

– তেঁৱো লাইব্ৰেৰিত সোমাইছিল । স্বৰলিপিখন তেঁৱো নিব পাৰে । দুদিনমান পিছত তেঁৱো বিদেশলৈ যাব ।

– কিন্তু দুয়োৰে মুখত স্বৰলিপিখনৰ বিষয়ে শব্দ এটাও শুনা নাই ।

– এয়া অভিনয়ো হ'ব পাৰে ।

– দুয়ো একে অভিনয়কেই কৰিবনে ?

– কৰিব পাৰে । দুয়ো লগ হৈ কামটো কৰিব পাৰে ।

– তিনি ?

– সত্যেন পাঠক ।

– কিয় ?

– তেওঁ মিউজিকৰ বিষয়ে নাজানে বুলি কৈছে, অথচ বিকাশ বৰুৱাই কয় পাঠক মিউজিকৰ প্ৰতি ইন্টাৰেষ্টেড । আৰু তেওঁৰ টেবিলত মোজাৰ্টৰ ছবি থকা আলোচনী ।

– তেওঁ কেনেকৈ নিব পাৰে ?

– ৰতনৰ যোগে । ৰতনক তেওঁ ফটো দিছে ৰতনে ভাল পাইছে । ৰতনে দেখিছে পাঠক তেওঁলোকৰ তালৈ গৈ থাকে, মালিকৰ লগত ভাল । তেওঁ সুযোগ বুজি ৰতনক ক'ব পাৰে – ৰতন ডিক্সনাৰি অব মিউজিকখন আনি দিয়া, মই কিবা এটা চাওঁ । ৰতনে আনি দিলে, তেওঁ নিজৰ কামটো কৰি ল'লে ।

– ৰতনেতো ইমান পঢ়িব নাজানে ?

– ফটোখনত দেখুৱাই দিব পাৰে ।

– বিকাশ বৰুৱা ?

– তেওঁতো উইলৰ থ্ৰোৰে স্বৰলিপিখন পাব বুলি ভাবিয়েই আছিল । নাপালে । মানে উইলত কথাটো নাই । গতিকে তেওঁৰ চান্স এটা আছেই । তাৰ পিছতহে তেওঁ গম পাইছে স্বৰলিপিখন নাই বুলি ।

– প্ৰদীপ বৰুৱা আৰু প্ৰবাসীয়েতো স্বৰলিপিখনৰ কথা নাজানেই ।

– নজনাটো অতি অস্বাভাৱিক ।

– ঠিক আছে । এইবোৰ অনুমানহে । মোক প্ৰমাণ লাগে । মই যেন গম পাইছো, কাৰ হাতত স্বৰলিপিখন আছে। মাথোন তেওঁৰ হাতলৈ স্বৰলিপিখন যোৱা ৰাস্তাটো বিচাৰি পোৱা নাই । আজি পাম । তথাপি, সত্যেন পাঠকৰ কথাটো এবাৰ ভালদৰে চাই লওঁ । কালি ৰতনক লগ নধৰিলো । আজি এবাৰ লগ পাই আহো । তুমি বৰুৱাক ফোন কৰি কৈ দিয়া, মই গৈ আছো, ৰতন যেন ঘৰতেই থাকে ।

## (আঠ)

ৰতনক লগ ধৰিবলৈ বুলি দীপক শইকীয়া ওলাল । অভ্যাসমতেই হাতঘড়ীটো চালে । দিনৰ দহ বাজি বাৰ মিনিট । মাৰুতিখন উলিয়াই ৰাস্তাত গৈ নামি আহি গেটখন জপাই উঠি দেখে – তেওঁৰ গাড়ীৰ ওচৰতে আৰু এখন মাৰুতি আহি ৰৈছেহি । শইকীয়াই গাড়ীখন চিনি পালে ।

গাড়ীৰ পৰা নামি আহিল প্ৰদীপ বৰুৱা । গেটৰ ওচৰৰ পৰাই শইকীয়াই মাত লগালে – আহক বৰুৱা ।

বৰুৱাই একো নকলে । শইকীয়াৰ ওচৰলৈ আহিল আৰু কিঞ্চিৎ উত্তপ্ত সুৰত ক'লে – আপুনি মোৰ পিছত ইমানকৈ লাগিছে কিয় ? মোৰ শান্তি নোহোৱা কৰি দিছে ।

– মইনো আপোনাক কি কৰিলো ! কালি অকণমান সময় কথা পাতিছিলো, তাকো আপোনাৰ ফেমিলিৰ কামতেই ।



– আপুনি সিমানতে থাকিলে ভাল আছিল । আপুনি প্ৰশান্তক বিচাৰি গৈছে, মৃদুলাৰ ঘৰ ওলাইছে ।

– এই দুজনৰ ঘৰলৈ একমাত্ৰ আপুনিহে যাব পাৰে নেকি ?

– আপুনিও যাওক, আপত্তি নাই । মোৰ আপত্তি এটা কথাত – প্ৰতি ঠাইতে আপুনি মোৰ ৰেফাৰেন্স দিছে, প্ৰত্যেককে আপুনি কৈছে – মই কিবা ক্ৰাইমৰ লগত ইনভলভড্ ।

– মই ইনভলভড্ বুলি কোৱা নাই । কৈছো ইনভলভড্ হ'ব পাৰে । নহবও পাৰে ।

– আপুনি প্ৰমাণ কৰিব পাৰিব ?

– যদি আপুনি ইনভলভড্ হয় – নিশ্চয় প্ৰমাণ হ'ব ।

– যদি ইনভলভড্ হওঁ তেন্তে । নহয় জানো । আপুনি আপোনাৰ কাম কৰি থাকক । কিন্তু পৰহি মই দেলহীলৈ যাম । আপোনাৰ যি কৰিবলগীয়া আছে তাৰ আগতেই কৰি লওক । মোৰ বহু জৰুৰী কাম পৰি আছে – দেলহীত । আমাৰ ঘৰৰ কিবা হেৰোৱা বস্তু আপুনি বিচাৰি আছিল নহয় – পালে জানো ?

– পাম । আজি ।

– পালে ভালেই । আপুনিতো ঘৰত বিচৰাৰ সলনি বাহিৰতে বিচাৰি আছে । – প্ৰদীপ বৰুৱাৰ কণ্ঠত তীৰ্যক ব্যঙ্গ ।

– কাৰণ বাহিৰৰ মানুহবোৰেইতো ভিতৰৰ মানুহ যেন লাগিছে । কি কয় ? – দীপক শইকীয়াৰ ঠাট্টা প্ৰদীপ বৰুৱাই বুজি পালে ।

– ঠিক আছে । মই আহো । আজি আপোনাৰ কাম শেষ কৰক, পৰহিলৈ মই যাম ।

গাড়ী চলাই প্ৰদীপ বৰুৱা গুচি গ'ল । গাড়ীখন যোৱাৰ পিনে চাই চাই শইকীয়াই অলপ ভাবিলে আৰু তেওঁ গাড়ীত উঠিল ।

❑ ❑ ❑

হোম ভিডিঅ' কেমেৰা এটাৰে প্ৰবাসী বৰুৱাই শ্বুটিং কৰি আছিল – বাগিচাত । গেটৰ সমুখত গাড়ী এখন ৰোৱা শব্দ শুনি ঘূৰি চালে । দীপক শইকীয়াৰ গাড়ী । তেওঁ আগবাঢ়ি গ'ল আৰু গেটখন খুলি দিলে । গেটৰ ভিতৰ সোমাইয়ে শইকীয়াই গাড়ী ৰাখিলে আৰু নামি আহিল ।

– কওক কিমান আগবাঢ়িছে ? – হাঁহি মুখেৰে প্ৰবাসীয়ে প্ৰশ্ন কৰিলে ।

– ফাইনেল ষ্টেজ ।

– মই কথা এটা কওঁ ।

– নিশ্চয় ।

– মই যে অৰ্ণামেন্ট চেট এটাৰ কথা কৈছিলো, সেইটো হেৰোৱা নাই । মই মিছাতেই চিন্তা কৰিছিলো ।

– কিনো হৈছিল চেটটোৰ ?

– দেউতাক সুধিলো । দেউতাই কলে – উইলত তেওঁ উল্লেখ কৰা নাই । মোক দিয়াৰ বাবেই হেনো বেলেগে থৈ দিছিল ।

– উইলখনত এতিয়া আপুনি চেটিচফাইড ?

– চিওৰ । অ' দেউতাই আপোনাক লগ পাব বিচাৰিছে । মোক ফোন কৰিব দিছিল, মই পাহৰিয়েই আছিলো ।

– ন' প্ৰব্লেম । মইতো আহি পালোৱেই । তেখেত ক'ত আছে ।

– ৰুমতেই আছে । বলক ।

– মই ৰতনকো লগ পাম, তেওঁৰ ৰুমত ।

– প্ৰথমে কাক লগ ধৰিব ?

– বলক বৰুৱাকেই ধৰো ।

## (ন)

আহক শইকীয়া । বহক । মা, তুমি চাহ একাপ পঠিয়াই দিবা । প্ৰবাসী কোঠাৰ পৰা ওলাই গ'ল ।

– শইকীয়া, কিমান আগবাঢ়িল ?



– প্ৰায় শেষ । মোক মাত্ৰ এটা প্ৰশ্নৰ উত্তৰ লাগে । তাৰ বাবে ৰতনক লগ পাম ।

– স্বৰলিপিখন নিশ্চয় আমাৰ চিনাকি মানুহেই নিছে ?

– হয় ।

– মোক স্বৰলিপিখনহে লাগে । কোনে নিছে তাক জনাৰ ইচ্ছা মোৰ নাই ।

– মই আপোনাক সুধিব পাৰোনে – কিয় ?

– চাওক শইকীয়া, মই এতিয়া জীৱনৰ প্ৰায় শেষ অৱস্থাত উপনীত হৈছো । লোভ-মোহ-প্ৰৱঞ্চনা, টকা-পইছাৰ খেল, সম্পত্তি সকলো দেখা পালো । ল'ৰা-ছোৱালীক পঢ়াই শুনাই ডাঙৰ-দীঘল কৰিলো । সিহঁত প্ৰত্যেকেই এচটাব্লিছড্ । মোৰ পত্নী ঢুকোৱা পোন্ধৰ বছৰ হ'ল । মোৰ জীৱনটো সুখেৰেই পাৰ হ'ল । জীৱনৰ পৰা মই এতিয়া একো পাবলগীয়া নাই । কিন্তু অলাগতিয়াল বস্তু এটা মই পাব নিবিচাৰো ।

কথাখিনি কৈ বৰুৱা অলপ সময়ৰ বাবে ৰ'ল । শইকীয়াৰ প্ৰশ্নবোধক চাৱনিৰ বাবে তেওঁ পুনৰ কবলৈ আৰম্ভ কৰিলে – স্বৰলিপিখন মোৰ কোনোবা আপোন মানুহেই নিছে । এয়া বিশ্বাসঘাতকতা নহয় জানো ?

– হয় ।

– মোৰ আপোন মানুহ এজনক বিশ্বাসঘাতকৰ ৰূপত চোৱাৰ ইচ্ছা এই বয়সত মোৰ নাই । জানি কষ্ট পোৱাতকৈ নাজানি শান্তিত থকাই ভাল ।

## (দহ)

বৰুৱাৰ কোঠাৰ পৰা ওলাই শইকীয়াই ৰতনৰ কোঠাত সোমাল । ৰতনৰ কোঠাৰ বিভিন্ন বস্তু চালে, ৰতনক দুই এটা কথা সুধি তেওঁ বিকাশ বৰুৱাৰ ৰুমত সোমাল ।

– আহক শইকীয়া । প্ৰগ্ৰেছ কিমান ?

– প্ৰগ্ৰেছ ভাল । কিন্তু আজি আপোনাৰ দেউতাই নতুন চৰ্ত এটাহে দিলে ।

– কি ?

– তেখেতক স্বৰলিপিখনহে লাগে । কোনে নিছে তাক জানিব নিবিচাৰে ।

বিকাশ বৰুৱা আচৰিত হ'ল ।

– কিয় ?

– এইটো পৰিয়ালৰ ভিতৰৰ কথা । বাহিৰৰ মানুহে নজনাটো ভাল । ময়ো কোনো চতুৰ্থ ব্যক্তিক নক'বলৈ প্ৰতিশ্ৰুতিবদ্ধ ।

– তৃতীয় ব্যক্তি আপোনাৰ সহকাৰী । চতুৰ্থ ব্যক্তি বুজি পালো । কিন্তু দ্বিতীয় ব্যক্তি ?

– স্বৰলিপি নিয়া মানুহজন । প্ৰথম ব্যক্তি মই । স্বৰলিপিখন মই লম আৰু বৰুৱাক দিমগৈ । অৰ্থাৎ স্বৰলিপিখন কাৰ হাতত আছে, আমি দুজনেহে জানিম মাত্ৰ ।

– স্বৰলিপিখন দেউতাৰ হাতত পৰিব ঠিকেই, কিন্তু স্বৰলিপিখন মোকহে লাগে ।

– আপুনি দেউতাকক খুজি ল'ব । সেইখনৰ কথা উইলত নাই যেতিয়া আপোনাক দিয়াত কি আপত্তি থাকিব পাৰে ! মিচ বৰুৱাক অৰ্ণামেন্টৰ চেট এটা দিছে, যিটো উইলত নাই ।

– স্বৰলিপিখন দাদা বা প্ৰবাসীয়েও বিচাৰিব পাৰে ?

– নিবিচৰাই স্বাভাৱিক । কাৰণ দুয়ো এতিয়ালৈকে এই স্বৰলিপিখনৰ প্ৰতি কোনো আগ্ৰহ দেখুওৱা নাই ।

– হয় নেকি ? তেনেহলে মই এতিয়াই দেউতাক স্বৰলিপিখনৰ কথা কৈ থওঁ ।

– হয়, কৈ থোৱাটো ভাল হ'ব । কিন্তু তাৰ আগতে স্বৰলিপিখন মোৰ হাতত দিয়ক ।

বৰুৱা অপ্ৰস্তুত হ'ল । শইকীয়াৰ মুখৰ পিনে চালে । শইকীয়াৰ মুখত স্থিৰ অভিব্যক্তি ।

– আপুনি কি ক'ব বিচাৰিছে ?

– স্বৰলিপিখন আপোনাক লাগে । গতিকে আপুনি আনি আপোনাৰ হাতত থৈ দিছিল । তাৰ পিছতেই আচল মালিকে বিচৰা বাবেহে ঝামেলা হ'ল । এতিয়া আপুনি ঘূৰাই দিয়ক আৰু মালিকক কৈ লৈ লওক ।

– স্বৰলিপিখন যে মোৰ হাতত আছে কি প্ৰমাণ ?

– মোৰ মুখৰ কথাত আপুনি ঘূৰাই নিদিলে মই পুলিচৰ যোগেৰে আহিবলগীয়া হ'ব । সেইটো আপোনাৰ বাবে ভাল নহ'ব । কি কয় ?

## (এঘাৰ)

– চাৰ ?

– কোৱা কাবেৰী ।

– স্বৰলিপিখন বিকাশ বৰুৱাই নিয়া বুলি কেনেকৈ অনুমান কৰিলে ?

– কথা-বতৰাৰ পৰা । প্ৰবাসী আৰু প্ৰদীপ বৰুৱা স্বৰলিপিখনৰ প্ৰতি অকণো আগ্ৰহী নহয় । প্ৰবাসীৰ ইন্টৰেষ্ট অৰ্ণামেন্টৰ প্ৰতি, প্ৰদীপ বৰুৱাৰ গাৰ্ডেনৰ প্ৰতি । দুয়ো বিচৰামতেই পালে । তিনিওটা সন্তানৰ ভিতৰত অকল বিকাশ বৰুৱাহে স্বৰলিপিখনৰ প্ৰতি আগ্ৰহী । তেওঁ এইবাৰ আহিয়েই স্বৰলিপিখন নিজৰ হাতলৈ অনাৰ চেষ্টা কৰিলে । সেয়ে সন্দেহমুক্ত হৈ থকাৰ বাবে তেওঁ এবাৰো লাইব্ৰেৰিলৈ যোৱা নাই । তেওঁ দেউতাকৰ কোঠালৈ নোযোৱাটোতেই মোৰ প্ৰথমে সন্দেহ হ'ল । দ্বিতীয়তে, তেওঁ মোক ইংগিত দিছিল কোনে স্বৰলিপিখন নিয়াৰ সুবিধা আছে । কৌশলী অপৰাধীয়ে নিজকে অপৰাধৰ পৰা দূৰৈত ৰাখে । বিকাশ বৰুৱাইও এনে পন্থাকেই লৈছিল ।

– স্বৰলিপিখন তেওঁৰ হাতলৈ আহিল কেনেকৈ ?

– ৰতন আছিল মিডিয়াম । অৱশ্যে ৰতনে কথাটো নাজানে । বিকাশ বৰুৱাই ৰুমতে সোমাই আছিল আৰু প্ৰতিটো বস্তু ৰতনৰ হাতেৰে অনাইছিল । তেওঁ বাৰে বাৰে ৰতনৰ হতুৱাই লাইব্ৰেৰিৰ কিতাপ অনাইছিল আৰু ওভোতাই দিছিল । তাৰ মাজতে এবাৰ অনাইছিল 'ডিক্সনাৰি অব মিউজিকখন' ।

– ৰতনেতো কিতাপখন চিনি নোপোৱাৰ সম্ভাৱনাই বেছি ।

– সেই চান্সটো বিকাশ বৰুৱাই লৈছিল । ৰতনৰ তাত কেইকপিমান ফটো আছিল – সত্যেন পাঠকে তোলা ফটো । তাৰে একপিত বৰুৱাৰ হাতত ডিক্সনাৰি অব মিউজিকখন আছে – কোভাৰটো স্পষ্টকৈ দেখা পোৱা যায় । ফটোখন কিতাপখনত য়েলো মাৰ্কাৰেৰে মাৰ্ক কৰা আছে । প্ৰথমদিনা মই বিকাশ বৰুৱাৰ ৰুমত সোমাওঁতে তেওঁৰ বিছনাত চিঠিকেইখনমান আছিল টাইপ কৰা । তাত সেই য়েলো মাৰ্কাৰেৰে মাৰ্ক কৰা আছিল । ৰতনক মই সোধোতে সি কিতাপ অনা-নিয়া কৰা কথাটো কৈছিল, কিন্তু কিতাপ কেইখন মনত পেলাব পৰা নাছিল । ফটোখনত মাৰ্ক কৰা কিতাপখন দেখুৱাওঁতে ঠিকেই মনত পৰিছিল ।

– ৰতনক আপুনি প্ৰথমেই মিডিয়াম হিচাপে সন্দেহ কৰা নাছিল ?

– ৰতনে কেনেকৈ পাৰ্টিকুলাৰ কিতাপখন বিচাৰি উলিয়াব, সেই পইন্টটো মই পোৱা নাছিলো । সত্যেন পাঠকৰ ফটোকেইখনেহে মোক ৰাস্তাটো দিলে । সত্যেন পাঠক আৰু ফটোৰ কথা মোক বিকাশ বৰুৱাইয়ে কৈ দিলে । অপৰাধীয়েই সদায় অনুসন্ধানকাৰীক সহায় কৰে ।

– তেওঁ স্বৰলিপিখন দিলে ?

– নিদি উপায় কি ?

– সুশান্ত বৰুৱাই কি কয় ?

– বৰুৱাই কয় – 'শইকীয়া, এইখন পালো, ভালেই হ'ল । বিকাশে মোৰ পৰা টকা-পইছা, গাৰ্ডেন-অৰ্ণামেন্ট একো বিচৰা নাই, মাত্ৰ এইখন বিচাৰিছে । দিব নোৱাৰিলে বেয়া লাগিলহেঁতেন ।'

❑ ❑ ❑

গল্প

# কাংকানৰ পৃথিৱীত

## যতীন মিপুন



অংকন ঃ ত্ৰ্যম্বক বৰুৱা

*[গল্পটোত কেইবাটাও সঁচা ঘটনাৰ প্ৰভাৱ থাকিলেও চৰিত্ৰসমূহ সম্পূৰ্ণ কাল্পনিক। কাৰোবাৰ জীৱন বৃতান্তৰ লগত মিলিলে লেখক তাৰ বাবে দুঃখিত।]*

গুজবটো শুনি কাংকানে প্ৰথমে বিশ্বাস কৰিবলৈ টান পাইছিল।

বিশ্বাস কৰিবলৈ টান পাবৰে কথা। কাৰণ যোৱা প্ৰায় সাতটা বছৰ ইমান ত্যাগ স্বীকাৰ কৰি তাই মেডিকেল পঢ়া গিৰিয়েকৰ পঢ়াৰ খৰচ-পাতি পঠিয়াই থকাৰ পিছত দুবাৰকৈ পৰীক্ষা দি কোনোৰকম ডাক্তৰ হোৱা গিৰিয়েকে চাকৰিত যোগদান কৰি এনে কাণ্ড কৰি পেলাব পাৰে বুলি কাংকানৰ কল্পনাৰো অতীত আছিল।

কাংকানৰ গিৰিয়েক মনেশ্বৰ কামান ডিব্ৰুগড়ৰ মেডিকেল কলেজত প্ৰথম বাৰ্ষিকৰ ছাত্ৰ হৈ থাকোতেই গাঁৱতে পতা আলিয়াই লৃগাং উৎসৱত কাংকানৰ গোমৰাগ নৃত্য দেখি প্ৰেমত পৰিছিল। ডাক্তৰী পঢ়া চফল ডেকা মনেশ্বৰ কামানৰ হাতত কাংকানে সহজেই ধৰা দিছিল। ফলত আৰু এটা লৃগাং উৎসৱ আহি পোৱাৰ আগতেই মনেশ্বৰ কামানৰ লগত কাংকানৰ বিবাহ হৈছিল।

গিৰিয়েকে মনেশ্বৰ কামান মেডিকেল কলেজত পঢ়া কালৰ ছটা বছৰত পাঁচোটাকৈ সন্তানৰ জননী হোৱা কাংকান অকালতে বুঢ়ী হোৱাৰ দৰে হৈছিল। কাৰণ গিৰিয়েকৰ স্বচ্ছল ঘৰুৱা অৱস্থা সোৱণশিৰিৰ বানপানী আৰু খহনীয়াই নিঃশেষ কৰি পেলোৱাত কাংকানে গাঁৱৰে অৱস্থাপন্ন পৰিয়ালৰ বাবে মিবু গাছৰ, মেখেলা-চাদৰ আদি বৈ দি, ধান ৰোৱা-কটা আদিত সহায় কৰি দি, পোহনীয়া গাহৰি-মুৰ্গী বিক্ৰী কৰি সন্তান কেইটাৰ বাবে আহাৰ যোগোৱাৰ উপৰিও গিৰিয়েকলৈ পঢ়াৰ খৰচৰ টকা তাই পঠাইছিল। পুৱাৰ পৰা গধূলিলৈকে অকণো সময় জিৰণি নলৈ সূতা কটা, তাঁত বোৱা, উৰালত ধান বনা, ল'ৰা-ছোৱালীকেইটাক খোওৱা-বোওৱা, ঘৰৰ গাহৰি-মুৰ্গীক চম্ভালা, গিৰিয়েকৰ বাবে আগতীয়াকৈ টকা লোৱা গাঁৱৰে অৱস্থাপন্ন মানুহৰ ঘৰত ঘৰুৱা কামত সহায় কৰি দিয়া ইত্যাদি কামত যোৱা সাতটা বছৰ কাংকান ভীষণ ব্যস্ততাৰে কটালে।

কাংকানৰ একমাত্ৰ উদ্দেশ্য আছিল গিৰিয়েক মনেশ্বৰ কামান ডাক্তৰ হৈহে যেন ঘৰলৈ ঘূৰি আহে। গিৰিয়েকক ডাক্তৰ কৰিবৰ বাবে যিমান কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিব লাগে সিমান কৰি যাবলৈ তাই প্ৰতিজ্ঞাৱদ্ধ আছিল। তাই আশা কৰিছিল গিৰিয়েক ডাক্তৰ হৈ ওলাই আহিলে, চৰকাৰী ডাক্তৰ হ'লে, এই সকলো দুখৰ ওৰ পৰিব। গাঁৱৰ স্কুলত পঢ়া ল'ৰা-ছোৱালী কেইটা টাউনৰ ভাল স্কুলত পঢ়িব পাৰিব। বাপেকৰ দৰে তাহাঁতিও ডাক্তৰ হ'ব!

ইমান কষ্ট আৰু ত্যাগ স্বীকাৰৰ শেহত অন্তৰৰ গভীৰতম কোণৰ এনে সৰল আশাত গিৰিয়েক মনেশ্বৰ কামানে কেতিয়াও চেঁচা পানী ঢালিব নোৱাৰে বুলি কাংকানে বিশ্বাস কৰিছিল। গিৰিয়েকে পঢ়া ডিব্ৰুগড়ৰ মেডিকেল কলেজ কেতিয়াও দেখি নোপোৱা, এনেকি সোৱণশিৰি ঘাটৰ সিপাৰে যাবলৈ সময় নোপোৱা কাংকানৰ গিৰিয়েক মনেশ্বৰ কামান মেডিকেল পঢ়ি থকা অৱস্থাত মাজে সময়ে ঘৰলৈ আহিলে তাই ওচৰৰ বিললৈ খৰখেদাকৈ গৈ চালনিৰে মাছ মাৰি আনি ঔটেঙা দি ৰন্ধা মাছৰ তৰকাৰিৰে ভাত খুৱাইছিল। যেন কোনোবা দূৰণিবটীয়া আলহী নতুবা ঘৰৰ মৰমৰ বৰ পুত্ৰইহে বহু দিনৰ মূৰত ঘৰ ওলাইছেহি! গিৰিয়েক মনেশ্বৰ কামানক কেতিয়াও ভুলতেও টকা-পইছাৰ অভাৱৰ কথা, সন্তানকেইটাক লৈ হোৱা কষ্টৰ কথা কাংকানে কোৱা নাছিল। এনেকি মেডিকেল কলেজৰ পৰা দুদিনমানৰ বাবে ঘৰলৈ অহা গিৰিয়েকৰ ধুনীয়া লংপেন্ট-চাৰ্ট চাঙত বহিলে লেতেৰা হ'ব পাৰে বুলি ডাঙৰ চাই এটা পীৰা গিৰিয়েকৰ বাবে তাই মজুত ৰাখিছিল। ডিব্ৰুগড়ৰ পৰা আহি চাংঘৰত বহিব বিচাৰিলে পীৰাটো সদায় কাংকানে গিৰিয়েকলৈ আগবঢ়াইছিল যাতে বাঁহৰ চাঙত বহি কাপোৰ-কানি লেতেৰা নহয়! এনেকি ল'ৰা-ছোৱালী কেইটাকো বাপেকে কাপোৰ-কানি নসলোৱা পৰ্যন্ত বাপেকৰ গাত জঁপিয়াই উঠি বাপেকৰ কাপোৰ লেতেৰা নকৰিবলৈ সাৱধান কৰি দিছিল। পুৱাৰ পৰা গধূলিলৈকে নিজৰ দেহাৰ কথা ভাবিবলৈ সময় নোপোৱা কাংকানে গিৰিয়েক অহা দিনা বেৰত গুজি থোৱা ম'হৰ শিঙৰ ফনীৰে চুলি আঁচুৰি বিয়াৰ আগতেই দিয়া চেণ্টৰ বটলৰ পৰা গাত অকণমান চেণ্ট সানি লৈছিল!

এনেক্ষেত্ৰত নিজৰ প্ৰাণতকৈও বেছি ভাল পোৱা গিৰিয়েক মনেশ্বৰ কামানে ডাক্তৰ হোৱাৰ পিছত তাইক বিশ্বাসঘাতকতা কৰিছে বোলা গুজবটো কাংকানে সহজে মানি লবলৈ টান পাইছিল।

ডিব্ৰুগড়ত গিৰিয়েক মেডিকেল পঢ়ি থাকোতে ক'ত দিন ক'ত ৰাতি সন্তান কেইটাক লৈ তাই অকলে পাৰ কৰি দিছে! প্ৰথম সন্তানটো জন্মৰ সময়তহে গিৰিয়েক মনেশ্বৰ কামান কলেজৰ পৰা আহি ঘৰত আছিলহি। বাকী চাৰিটা সন্তান গাঁৱৰ মুনিহ-তিৰোতাৰ সহায়ত গিৰিয়েক নথকা অৱস্থাত তাই বহু কষ্টত জন্ম দিব লগা হৈছিল। তৃতীয় সন্তানটো প্ৰসৱৰ সময়ত ভৰ বাৰিষা। চাং ঘৰৰ তলেদি সোঁ-সোঁৱাই বৈ যোৱা বানপানী, ঘৰত খাবলৈ এমুঠি চাউল আৰু এটুপি পৰিষ্কাৰ পানী নথকা অৱস্থাত প্ৰথম দুটা সন্তানক চম্ভালি গাঁৱৰ মানুহৰ সহায়ত তৃতীয় সন্তানৰ প্ৰসৱৰ সময়ত কাংকানে কিমানেই যে কষ্ট পোৱা নাছিল! বছৰৰ মূৰত দুবাৰমান ঘৰলৈ অহা মেডিকেল কলেজত পঢ়ি থকা গিৰিয়েক মনেশ্বৰ কামানক এনেবোৰ কথাৰ বাবে তাই কিন্তু কেতিয়াও দোষ দিয়া নাছিল। কাংকানে কেতিয়াও গিৰিয়েকৰ ওপৰত খং বা অভিমান কৰা নাছিল। তাইৰ এটাই ইচ্ছা আছিল গিৰিয়েক যেন সোনকালে ডাক্তৰ হৈ ওলাই আহে।

পঞ্চম আৰু শেষ সন্তানটো কাংকানৰ গৰ্ভত থিতাপি লওঁতে গিৰিয়েক মনেশ্বৰ কামানে ডাক্তৰী পৰীক্ষাৰ ফাইনেলত এবাৰ বেয়া কৰিছিল। সেইবাৰৰ আলিয়াই লৃগাঙত গিৰিয়েক ঘৰলৈ আহি বৰ উদাস মনে থকা কাংকানে লক্ষ্য কৰিছিল। প্ৰথম চাৰিটা সন্তানক খোৱাই-বোৱাই শুৱাই দিয়াৰ পিছত লৃগাঙৰ নিশা কাংকানে গিৰিয়েক মনেশ্বৰ কামানক শোৱা পাটীত মিচিং ভাষাত সুধিছিল, "তোৰ মনটো এইবাৰ বৰ মৰা যেন পাইছো, কি হ'লনো? তই হেনো ডাক্তৰী পৰীক্ষা বেয়া কৰিলি!"

"অঁ, এইবাৰ পৰীক্ষা বেয়া হ'ল। মোৰ আৰু ডাক্তৰ হ'বৰ মন নাই কাংকান। ইমান বছৰে তোক কষ্ট দি এতিয়া পৰীক্ষা বেয়া হোৱাত তোক আৰু কষ্ট দিবৰ মন নাই। ঘৰতে খেতি কৰি খামাহি বুলি ভাবিছো।"

গিৰিয়েক মনেশ্বৰ কামানৰ কথা শুনি সচকিত হোৱা দৰে হৈ কাংকানে গিৰিয়েকৰ বুকুত মুখ গুজি কৈছিল, "তেনৈকে ক'ব নাপায়, এবাৰ পৰীক্ষা বেয়া হলেও আকৌ দিলে ভাল হ'ব। আমাৰ খেতি দেখোন কোনোবা বছৰত বানপানীয়ে মাৰে, পিছৰ বছৰ আকৌ খেতি হয়! তই আকৌ পৰীক্ষা দিব লাগিব।"

"মোৰ হ'লে আৰু পঢ়া-শুনা কৰিবৰ মন নাই। তই দিয়া টকাৰে এই বুঢ়া বয়সত কিমাননো আৰু পঢ়িম।"

গিৰিয়েকৰ কথাত কাংকানে গিৰিয়েকৰ হাত এখন তাইৰ সন্তান সম্ভৱা হোৱা পেটত চুই চাবলৈ দি ক'লে, "ক'ত বুঢ়া হ'লিনো! চাচোন আমাৰ আৰু এটা সন্তান এই পৃথিৱীলৈ আহো আহো! সিহঁতক মানুহ কৰিবলৈ হ'লে তই ডাক্তৰ হ'বই লাগিব। টকা-পইছাৰ কথা চিন্তা নকৰিবি, ইমান বছৰে দিব পাৰিছো যেতিয়া এতিয়াও পাৰিম। ঘৰত এতিয়া তিনিজনী দঁতাল গাহৰি আছে, সাতজনীমান মুৰ্গী আছে, গাদু গাছৰ আৰু মুগাৰ চাদৰ পাঁচখনমানো বৈ থোৱা আছে। এইবোৰ বেচিলেই তোৰ অহাবাৰৰ পৰীক্ষাৰ বাবে খৰচ ওলাই যাব।"

কাংকানৰ কথা শুনি সেইদিনা ৰাতি গিৰিয়েক মনেশ্বৰ কামানে তাইৰ বুকুত মুখ গুজি উচুপিছিল। কাংকানে আলফুলে গিৰিয়েকৰ চুলিত হাত বুলাই মৰম কৰি দিছিল। গিৰিয়েক শান্ত হোৱা যেন পাই কাংকানে প্ৰতিশ্ৰুতি বিচাৰি কৈছিল, "এতিয়া ক', তই ডাক্তৰ হ'মেই বুলি!"

"হ'ম, মই ডাক্তৰ হ'মেই। একমাত্ৰ তোৰ বাবেই মই ডাক্তৰ হ'ব লাগিব।"

গিৰিয়েক মনেশ্বৰ কামানৰ প্ৰতিশ্ৰুতি পাই সেই নিশা তাই ক'ব নোৱৰাকৈয়ে নিদ্ৰাৰ কোলাত আশ্ৰয় লৈছিল।

সেইজন গিৰিয়েক মনেশ্বৰ কামানেই যে আজি তাইক বিশ্বাসঘাতকতা কৰিব এই কথা কাংকানৰ সপোনৰো অগোচৰ আছিল।

পঞ্চম আৰু শেষ সন্তানটো জন্মৰ পিছত এদিন কাংকানে গম পাইছিল গিৰিয়েক মনেশ্বৰ কামান ডাক্তৰ হ'ল বুলি। গিৰিয়েক ডাক্তৰ হ'ল যেতিয়া তাইৰ জীৱনৰ সকলো আশা পূৰ্ণ হ'ল বুলি ভাবি খবৰটো পোৱাৰ দিনা আলিয়াই লৃগাঙত গোমৰাগ নৃত্য নচাৰ দৰে কাংকানৰ এপাক নাচি দিবৰ মন গৈছিল!

ডাক্তৰ হৈ গিৰিয়েক মনেশ্বৰ কামান চৰকাৰী চাকৰিত যোগদান কৰা বাবে ঘৰলৈ আহিবলৈ সময় নোপোৱাৰ খবৰো তাই পালে। জীৱনৰ সকলো আশা পূৰ্ণ হ'ল যেতিয়া চাকৰিৰ পৰা লাহে ধীৰে ছুটী লৈ আহিলেও হ'ব বুলি ভাবি কাংকানে গিৰিয়েকলৈ অপেক্ষা কৰি থাকোতে থাকোতে দুটা বছৰ বাগৰিল। ল'ৰা-ছোৱালী পাঁচোটাক লৈ গিৰিয়েকে চাকৰি কৰা ঠাই চিলা পথাৰলৈ যোৱাৰ কথাও এবাৰ কাংকানে চিন্তা কৰিছিল। জীৱনত গাঁৱৰ চাৰি সীমা পাৰ হৈ নোপোৱা কাংকানে পাঁচোটা সন্তানক লৈ অকলে যোৱাৰ সাহস নকৰিলে। গিৰিয়েক এদিন নিজেই ওলাবহি বুলি তাই বুকুত আশা বান্ধি বৈ থাকিল।

কোনোবা এদিন গিৰিয়েক ঘৰলৈ আহি তাইক আৰু ল'ৰা-ছোৱালী কেইটাক লৈ যাবহি, ল'ৰা-ছোৱালী কেইটাই নতুন চোলা-কাপোৰ পিন্ধি টাউনৰ স্কুলত যাব, তাই আৰু কেতিয়াও পুৱাৰ পৰা গধূলিলৈকে টাকুৰি ঘূৰাদি ঘূৰি কাম-বন কৰিব নালাগিব, জীৱনত প্ৰথমবাৰৰ বাবে নিজৰ নহলেও পকা ঘৰত থাকিবলৈ পাব ইত্যাদিকৈ বহু আশা বুকুত বান্ধি গিৰিয়েকলৈ বাট চাই থাকোতেই কাংকানে গুজবটো শুনিবলৈ পালে গাঁৱৰ ইটো-সিটোৰ মুখে।

গুজবটো হ'ল গিৰিয়েক ডাক্তৰ মনেশ্বৰ কামানে হেনো চাকৰিত যোগদান কৰিয়েই বি এ পাছ এজনীক নতুনকৈ বিয়া কৰোৱাই চিলা পথাৰত নতুন ঘৰ-সংসাৰ পাতি আছেগৈ। গুজবটো শুনি কাংকানে বিশ্বাস কৰিবলৈ টান পালেও মনত ভীষণ আঘাত পালে। তই বুঢ়ী হৈছে বুলি ভাবি যদি গিৰিয়েকৰ এম এ অৰ্থাৎ দ্বিতীয় এগৰাকী তিৰোতাক বিয়া কৰাবৰ মনেই আছিল তাইকতো অন্ততঃ কথাটো জনাব লাগিছিল! তাই কেতিয়াও হ'কা-বাধা নিদিলেহেঁতেন। গোটেই জীৱন জুৰি পুহি ৰখা আশাবোৰ এনেদৰে চূৰমাৰ হৈ যাব বুলি কাংকানে কেতিয়াও ভবা নাছিল। এতিয়া তাই অকলে পাঁচোটা সন্তানক লৈ কৰে কি! কথাবোৰ ভাবি বহু আশা-আকাংক্ষাৰ ভৱিষ্যতটো অন্ধকাৰে আৱৰি পেলোৱা দেখি কাংকানৰ গা শিঁয়ৰি উঠিছিল।

মনৰ দোমোজাত, বিশ্বাস অবিশ্বাসৰ মাজত পাঁচোটা সন্তানক লৈ এদিন কাংকান ওলাল গিৰিয়েক ডাক্তৰ মনেশ্বৰ কামানে চাকৰি কৰা ঠাই চিলাপথাৰলৈ বুলি। সোৱণশিৰিৰ পৰা বাট কুৰি বাই বহু কষ্টত পাঁচোট সন্তানক লৈ চিলাপথাৰৰ নতুনকৈ পতা হস্পিতালৰ বৃহৎ চৌহদত ভৰি দিওঁতে কাংকানৰ মন দুৰু দুৰু কঁপিছিল। ইটো-সিটোক সুধি গিৰিয়েক ডাক্তৰ মনেশ্বৰ কামানৰ চৰকাৰী বাসভৱনত ভয়-শঙ্কাৰে তাই ভৰি দিলেগৈ।

সেই সময়ত গিৰিয়েক ডাক্তৰ মনেশ্বৰ কামান ঘৰতে আছিল। কাংকান আৰু পাঁচোটা সন্তানক দেখি তৎক্ষণাৎ ডাক্তৰ কামান ঘৰৰ ভিতৰলৈ গ'ল। ঘৰৰ কাম কৰা ল'ৰাটো বাহিৰলৈ পঠিয়াই কাংকান আৰু ল'ৰা-ছোৱালী কেইটা বাৰান্দাত বহিবলৈ দিবলৈ ক'লে। কাম কৰা ল'ৰাটোৰ কথা মতে ভাগৰত একো নাই হোৱা কাংকান আৰু ল'ৰা-ছোৱালী কেইটা বাৰান্দাতে বহি পৰিল।

গিৰিয়েক আহি আথে-বেথে ঘৰৰ ভিতৰলৈ নিব বুলি অপেক্ষা কৰি বহি থকা কাংকানে ঘৰৰ ভিতৰত ডাঙৰকৈ চিঞৰি কথা-বতৰা হোৱা পুৰুষ-নাৰীৰ মাত শুনা পালে। উচ্চস্বৰে কোৱা নাৰী কণ্ঠৰ মাত কাংকানে ভালকৈয়ে শুনিলে।

"মই যি সন্দেহ কৰিছিলো সেইটোৱেই নহয়তো? আপোনাৰ আগৰজনীয়ে ল'ৰা-ছোৱালীবোৰক লগত লৈ ইয়াত ওলোৱাহি নাইতো! মই হ'লে—"

"ওহ্ নাহে নাহে কোৱাচোন! মোৰ আগৰ বুলিবলৈ ক'ত আছে? এইজনী মোৰ মৃত দাদাৰ আৰু ল'ৰা-ছোৱালীবোৰ মোৰ—"

গিৰিয়েক ডাক্তৰ মনেশ্বৰ কামানৰ কথাবোৰ কাংকানে স্পষ্টকৈ শুনিলে। তাইৰ মূৰ আঁচম্ভ্ৰাই যোৱা দৰে হ'ল। ইমান বছৰে কৰি অহা তাইৰ কষ্ট আৰু ত্যাগৰ পৰিণাম এইয়াই হ'ল! এনে কষ্ট আৰু ত্যাগৰ পুৰস্কাৰ গিৰিয়েকে তাইক এনেদৰেই দিলে! কাংকানে আৰু ভাবিব নোৱাৰিলে। তথাপিও আৰুনো কি কয় বুলি তাই কাণ থিয় কৰি ৰ'ল।

নাৰী কণ্ঠৰ মাত এইবাৰ কাংকানে শুনিলে। "অ' আপোনাৰ মৃত দাদাৰহে! মোৰ ভুলেই হ'ল। ৰ'ব ময়েই ভিতৰলৈ মাতি আনো। বেচেৰি ইমান দূৰৰ পৰ ল'ৰা-ছোৱালী কেইটা লগত লৈ আহিছে!"

কাংকানৰ এইবাৰ আৰু সহ্য নহ'ল। ঘপহকৈ বহাৰ পৰা উঠি ল'ৰা-ছোৱালী পাঁচোটাক লৈ তাই ডাক্তৰ মনেশ্বৰ কামানৰ চৰকাৰী বাসভৱনৰ পৰা ওলাই আহিল।


"বহি ক'ত গৈছনো? চাই এটোপাকে!"

পিছফালৰ পৰা অহা নাৰীৰ কণ্ঠলৈ ভ্ৰুক্ষেপ নকৰি কাংকানে দুবছৰীয়া সন্তানটো বুকুত সাৱটি ধৰি ডাক্তৰ মনেশ্বৰ কামানৰ চৰকাৰী বাসভৱনৰ চৌহদৰ পৰা খৰখেদাকৈ ওলাই আহিল। কি হ'লনো ধৰিব নোৱাৰি ভোকে-লঘোনে থকা তাইৰ বাকী চাৰিটা সন্তান ইফালে সিফালে চাই মাকৰ পিছে পিছে দৌৰি আহিল। খৰধৰকৈ হস্পিতালৰ চৌহদৰ পৰা ওলাই আহোতে কাংকানৰ এনে লাগিল — সৰুকালতে আইতাকৰ মুখে শুনা সীতাজনী হোৱা হ'লে তাই যেন আই ধৰিত্ৰীৰ বুকুত এতিয়াই সোমাই গ'লহেঁতেন! দুবছৰীয়া সন্তানটো জোৰেৰে বুকুত সাৱটি ধৰি ৰাতিটো কটাবৰ বাবে চিলাপথাৰত থকা মিতিৰ-কুটুম্বৰ ঘৰ বিচাৰিবগৈ লাগিব বুলি কাংকানে খৰধৰকৈ খোজ পেলালে। ☐

গল্প

# সত্য

আৰতি দাস



অংকন : চম্পক বৰবৰা

ভৱগিৰী পাঠক। কোন এইজন লেখক? তেওঁ লিখা উপন্যাসিকাখন মঞ্জৰীয়ে একে উশাহে পঢ়ি শেষ কৰিলে। বহুত দিন তাই এনেদৰে কাৰো উপন্যাস ইমান আগ্ৰহেৰে পঢ়া মনত নপৰে। কৈশোৰ আৰু যৌৱনতহে কিতাপখনৰ একোটা কাহিনীয়ে তাইক এইদৰে কল্পনাৰ জগতত মোহাবিষ্ট কৰি ৰাখিব পাৰিছিল। পিছৰ বয়সত মঞ্জৰীয়ে বহুত বিখ্যাত লেখকৰ বহুত কিতাপ পঢ়িলে, ভাল লাগিল কিন্তু ভৱগিৰী পাঠকৰ উপন্যাসিকাখনত যিবোৰ কথা লিখা আছে সেইবোৰৰ মাজত তাই যেন নিজৰ আপোন সত্তাক আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হৈছে। সেয়া যেন তাইৰেই মনৰ ভাব –উপন্যাসিকাখনৰ কথাবোৰ বাৰে বাৰে পঢ়িছে, বাৰে বাৰে কথাবোৰে তাইৰ অন্তৰাত্মা আলোড়িত কৰি তুলিছে– মঞ্জৰীৰ এনে লাগিছে তাই যেন ভৱগিৰী পাঠকক বিচাৰি যাব, তেওঁক লগ পাব নিবিড়ভাৱে আৰু তাইৰো জীৱনৰ লুকাই ৰখা সত্যবোৰ এটা এটাকৈ উদ্ভাসিত কৰিব।

ভৱগিৰী পাঠকে নায়ক ৰোহিতাশ্বৰ মাজেদি সত্যৰ সন্ধানত আগবাঢ়িছে– ৰোহিতাশ্বই সেই সত্য আৱিষ্কাৰ কৰিবই– হওক সেই সত্য অতি কুৎসিত আৰু জঘন্য। ৰোহিতাশ্বৰ বিশ্বাস সত্য সদায় সুন্দৰ, সত্যই পৰম আনন্দ। সত্যই প্ৰকৃত জ্ঞান, সত্যই পোহৰ। সত্যৰ উপলব্ধিয়ে ঈশ্বৰ। আজিৰ মানুহে পাৰ্থিৱ সুখ-শান্তিৰ বিনিময়ত সত্যক বিচাৰি যাব নোখোজে, সত্যক স্বীকাৰ কৰিব নোখোজে। সত্যক প্ৰতিজনে নিজৰ মনৰ নিভৃত কোণত গোপনে লুকুৱাই ৰাখে।

জীৱনত সুখ-শান্তি সকলো ত্যাগ কৰিব লগা হলেও হেনো ভৱগিৰী পাঠকে সত্যকে আঁকোৱালি ল'ব। লেখকৰ ওচৰলৈ মঞ্জৰী কলিতাৰ মন উৰি যায়– "আপুনি মোকো আপোনাৰ দৰে সত্যক আঁকোৱালি লবলৈ সাহস দিয়ক। ময়ো আপুনি খোজ পেলোৱা পথত একেলগে হাতত ধৰাধৰি কৰি অগ্ৰসৰ হ'ব খোজো। মোৰ জীৱনৰ চৰম সত্য মই আপোনাৰ আগত মুক্ত মনেৰে দ্বিধাহীনভাৱে ব্যক্ত কৰিম। মোক আপুনি ভালদৰে পৰ্যবেক্ষণ কৰক, মোৰ মনৰ প্ৰতিটো কোঁহ আপোনাৰ মানস চকুৰে ফঁহিয়াই চাওক– ওৰে জীৱন কিছুমান বিশেষ ভাবে মোৰ মনক বান্ধি ৰাখিছে। সেই বিশেষ ভাববোৰত মোৰ চাৰিওফালে থকা সামাজিক পৰিবেশে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰিছে। মই সেই বিশেষ ভাববোৰত বন্দী। মই পৰাধীন। স্বাধীন হোৱাৰ কথা কল্পনা কৰিবলৈকো মোৰ ভয় লাগে। মই ভীষণ ভয়াতুৰ আৰু দুৰ্বল। আপুনি মোৰ কাষ চাপি আহক। মোৰ হাতত ধৰক। মোক উদ্ধাৰ কৰক।"

"আপুনি উপন্যাসিকাখনত নায়ক ৰোহিতাশ্বৰ মাজেদি প্ৰকৃততে নিজৰ মনক প্ৰতিফলন কৰিছেনে? নে ৰোহিতাশ্ব কেৱল কল্পনাৰ? বাস্তৱত বাৰু আপোনাৰ লগত ৰোহিতাশ্বৰ কিবা সম্বন্ধ আছেনে? বাস্তৱত হয়তো আপুনি মোৰ দৰেই এটা পৰাধীন জীৱন কটাইছে। আন দহজনৰ সুখ-দুখৰ কথা ভাবি প্ৰকৃত সত্যক মোৰ দৰে নিজৰ অন্তৰত চেপি ৰাখিছে– উপন্যাসিকাত ৰোহিতাশ্বৰ মাজেদি নিজৰ মনৰ সংঘাতবোৰ বৰ্ণাইছে। ৰোহিতাশ্বৰ ৰূপতে আপুনি মোৰ ওচৰলৈ আহক। আপোনাৰ উপন্যাসিকাত কল্পনাৰ নায়িকা হৈছে মধুমিতা। মোৰো আপুনি এটা কাল্পনিক নাম দিয়ক, এখন নতুন উপন্যাসিকা লিখক। পাৰিবনে মোৰ অনুৰোধ ৰাখিবলৈ? মোৰ বাবে কিন্তু নায়ক ৰোহিতাশ্বই হ'ব লাগিব, কাৰণ মই ৰোহিতাশ্বৰ প্ৰেমত পৰিছো। এয়া মই ক'বলৈ আৰম্ভ কৰা সত্যবোৰৰ প্ৰথম চৰম সত্য। আপুনি লিখক।"

মঞ্জৰীৰ বুকুখন কঁপি উঠে। তাই এগৰাকী বিবাহিতা পত্নী। তিনিটা ল'ৰা-ছোৱালীৰ মাক। বিগত যৌৱনা। ৰোহিতাশ্ব যুৱক। তাইতকৈ বয়সত সৰু। তাৰ নিজৰ প্ৰেয়সী মধুমিতা আছে। ৰোহিতাশ্বৰ লগত প্ৰেমত পৰা কথা ভবাটোও তাইৰ বাবে ব্যভিচাৰ বুলি এইখন সমাজত পৰিগণিত হ'ব।

আকৌ সমাজ? আকৌ সামাজিক– নিয়ম-নীতি মূল্যবোধৰ বান্ধোন? নিজৰ ইচ্ছা অনিচ্ছা চেপি ৰাখি জীয়াই থকা? নাই নাই তাই মুক্ত হ'ব লাগিব। কেৱল কিছুমান দিনৰ বাবে হ'লেও মঞ্জৰী কলিতা বোলা পৰাধীন নাৰী গৰাকীৰ পৰা মুক্ত হৈ ভৱগিৰী পাঠকৰ নতুন এখন উপন্যাসিকাৰ কল্পনাৰ নায়িকা হ'ব নোৱাৰিবনে?

ভৱগিৰী পাঠকক বিচাৰি মঞ্জৰী যাবই লাগিব। তেওঁ আন এখন চহৰত থাকে। তেওঁ বিবাহিত। বয়স বত্ৰিশ। তেওঁৰ জীৱনৰ বিষয়ে কিছু কথা মঞ্জৰীয়ে আনৰ মুখৰ পৰা সংগ্ৰহ কৰিছে কৌশলেৰে। বিদেশৰ বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা লাভ কৰিও তেওঁ সেই দেশৰ শকত দৰমহাৰ চাকৰিৰ মোহ এৰি স্বদেশলৈ ঘূৰি আহিছে– সৰু চহৰখনৰ অখ্যাত কলেজখনৰ অধ্যাপক। পত্নীৰ নাম জ্যোতিস্নাতা, ভৱগিৰী পাঠকৰ কোনোবা এখন বিখ্যাত উপন্যাস পঢ়িয়ে হেনো লেখকজনৰ লগত পৰিচিত হ'বলৈ মঞ্জৰীৰ দৰে আকুল হৈ উঠিছিল। ভৱগিৰী পাঠকৰ লগত চিনাকি হৈছিল– জ্যোতিস্নাতা যুৱতী, ভৱগিৰী যুৱক– দুয়ো অবিবাহিত। প্ৰথম চিনাকিতে দুয়ো দুয়োৰে প্ৰতি আকৰ্ষিত হ'ল। দুয়োৰে মিলনৰ বাটত কোনো সামাজিক প্ৰাচীৰ নাছিল। প্ৰেমৰ পৰিণতি বিবাহ। এতিয়া তেওঁলোক এগৰাকী দুবছৰীয়া কন্যাৰ পিতৃ-মাতৃ। সুন্দৰ সুখী পাৰিবাৰিক জীৱন। জ্যোতিস্নাতাইও সেইখন কলেজত অধ্যাপিকাৰ চাকৰি ললে। এতিয়া ভৱগিৰী পাঠকে জানো বাস্তৱত পাৰিবাৰিক সীমাবদ্ধ গতানুগতিক স্বাভাৱিক জীৱনত নিশ্চয় প্ৰকৃত সত্য কিছুমানক নিজৰ অন্তৰত গোপন কৰিবলৈ শিকিছে। গতিকে হয়তো সৃষ্টি হৈছে ৰোহিতাশ্ব বোলা কল্পনাৰ নায়কজনৰ। ৰোহিতাশ্বই সত্যক বিচাৰি যোৱাৰ পথত লগ পাইছে কল্পনাৰ নায়িকা মধুমিতাক। এটাৰ পিছত এটা সত্য ক্ৰমান্বয়ে উদ্ভাসিত হৈছে– সকলো সংকোচ, এন্ধাৰ, আতংক অতিক্ৰম কৰি নায়ক-নায়িকাৰ পুনৰ্মিলন ঘটিছে।

এদিন মৰসাহ গোটাই আত্মীয়ৰ ঘৰলৈ ফুৰিবলৈ যাওঁ বুলি মঞ্জৰী অকলশৰে ভৱগিৰী পাঠক থকা চহৰখনলৈ গ'ল। মঞ্জৰীৰ স্বামী সৰ্বানন্দ কেবাদিনৰ বাবে আন এখন ৰাজ্যলৈ টুৰত গৈছে। সৰ্বানন্দক তাইৰ মনৰ গোপন অভিলাষৰ কথা নকলে। সৰ্বানন্দক মনৰ প্ৰকৃত ভাববোৰ মঞ্জৰীয়ে ক'ব নোৱাৰে। বিয়াৰ পিছত যেতিয়া সৰ্বানন্দক মনৰ কথা ক'বলৈ গৈছিল– সৰ্বানন্দই সেইবোৰ বুজিবলৈ অক্ষম হৈছিল। সত্যক সকলোৱে গ্ৰহণ কৰিব নোৱাৰে, আদৰিব নেজানে। সৰ্বানন্দই মঞ্জৰীক শিকালে– বাস্তৱ জীৱনত সত্যৰ সন্ধান বিচৰা আৰু সত্য উন্মেষ কৰা মানে বলিয়ালি। পিছৰ জীৱনত স্বাধীন ভাবে নিজৰ কথা চিন্তা কৰিব পৰা ল'ৰা-ছোৱালীয়েও মাকক বলিয়া বুলি কিছুমান কথাত উপহাস কৰা হ'ল। মঞ্জৰী সাৱধান হ''ল।' সত্যক মনতে চেপি সৰ্বানন্দৰ মতে নিজকে গঢ়িবলৈ ধৰিলে। মঞ্জৰী বাহিৰত সকলোৰে বাবে সুখী, কিন্তু অন্তৰত ভীষণ অসুখী। তাই যে অন্তৰত এবুকু চেপা বিদ্ৰোহ লৈ অসুখী– এই সত্যক সমাজত সকলোৰে পৰা লুকুৱাই জীৱনত অসত্যৰ আশ্ৰয় ললে। অসত্যত আশ্ৰয় লোৱা দিনৰে পৰা তাই অনুভৱ কৰিলে যে তাই এখন অন্ধকাৰ অজান কাৰাগাৰত বন্দী। সেই কাৰাগাৰৰ সকলো দুৱাৰ ৰুদ্ধ। মুক্তি লাভ কৰাৰ কোনো উপায় নাই। কেৱল উশাহ লৈ জীয়াই থকাৰ নামত জীয়াই থাকিবলৈ বেৰত কিছুমান সৰু সৰু সুৰুঙা। সেই সুৰুঙাবোৰৰ মাজেদি বাহিৰৰ মুক্ত পৃথিৱীৰ পৰা অলপ অচৰপ সূৰ্যৰ পোহৰ আহে। তেনেকুৱা অলপ অচৰপ পোহৰতে মঞ্জৰীয়ে ভৱগিৰী পাঠকৰ উপন্যাসিকাখন পঢ়ি শেষ কৰিছিল। উপন্যাসিকাখনে তাইক নিজৰ মুক্তিৰ বাবে আকুল কৰি তুলিছে। সেয়ে অহৰ্নিশে চেষ্টা কৰে তাই এটা বিশেষ সুৰুঙাৰ পৰা কোনেও ক'ব নোৱৰাকৈ মুক্তিৰ বাবে পথ মুকলি কৰিবলৈ অতি কষ্ট আৰু পৰিশ্ৰমেৰে এচপৰা এচপৰাকৈ প্ৰতিবন্ধকৰূপী ইটাবোৰ আঁতৰালে। তাই ভৱগিৰী পাঠকৰ মাজত থকা ৰোহিতাশ্বৰ সন্ধানত ওলাই গ'ল।

ভৱগিৰী পাঠকৰ ঘৰৰ সমুখৰ দুৱাৰখন এগৰাকী মহিলাই খুলি মঞ্জৰীক দেখি প্ৰশ্ন কৰিলে–

–কাক বিচাৰিছে?

–এইটো ভৱগিৰী পাঠকৰ ঘৰনে?

–হয়।

–তেখেত ঘৰত আছেনে?

–আপোনাক মই চিনিব পৰা নাই। ক'ৰবাত দেখিছো নেকি বাৰু? কোনে বিচৰা বুলি কম?

মঞ্জৰী সচকিত হৈ উঠিল নিমিষৰ বাবে। কি পৰিচয় দিব?

–মোৰ নাম মঞ্জৰী কলিতা।

মানুহগৰাকী নিশ্চয় জ্যোতিস্নাতাই হ'ব। ভৱগিৰী পাঠকৰ পত্নী। সাধাৰণ কপাহী শাৰী পৰিহিতা মৰম লগা গৌৰবৰ্ণা। মানুহগৰাকীৰ চকুহাল সকলোতকৈ আকৰ্ষণীয়। কপালত আৰু শিৰত ৰঙা সেন্দুৰ জিলিকিছে। মঞ্জৰীক চোফাত বহিবলৈ দি ফেনখন চলাই মানুহগৰাকী ভিতৰলৈ সোমাই গ'ল।

মঞ্জৰীৰ খুব ভয় লাগিছে। ভৱগিৰী পাঠকৰ লগত তাই কি কথা পাতিব? মানুহ গৰাকীৰ আগত তাইৰ পৰিচয় দিব লাগিছিল– "মই ভৱগিৰী পাঠকৰ নতুন উপন্যাসিকাৰ নায়িকা। এইবাৰ তেওঁ মোক লৈ কাহিনী লিখিব। মোৰ নাম তেওঁহে জানিব।" এইদৰে পৰিচয় দিয়া হ'লে মানুহ গৰাকীয়ে মঞ্জৰীক বলিয়া বুলিয়ে ভাবিলেহেঁতেন।

ভৱগিৰী পাঠক তাইৰ সমুখলৈ আহিলে তাই ক'ব– "মই আপোনাৰ অলিখিত নতুন উপন্যাসিকাৰ নায়িকা। মোৰ কাহিনী শুনক। আপুনি মোৰ ওচৰলৈ আহক, ৰোহিতাশ্ব বোলা আপোনাৰ কল্পনাৰ নায়কজনলৈ নিজক আকৌ পৰিবৰ্তন কৰক। মোৰ বুকুত কাণ-পাতি শুনিবলৈ আৰু বুজিবলৈ চেষ্টা কৰক মোৰ অন্তৰৰ অসহনীয় যাতনাবোৰ। আপোনাৰ অন্তৰ ভৰা প্ৰেমৰ পৰশেৰে এই যাতনাৰ উপশম কৰক।"

মঞ্জৰীৰ খুব ভয় লাগিল। এয়া যে আচল সত্য। তাই নিজকে মুক্ত কৰিবলৈ আহিছে। পাৰিবনে? অতবছৰে অন্তৰত চেপি ৰখা সত্যবোৰ এটা এটাকৈ উন্মুক্ত কৰিবলৈ?

ভৱগিৰী পাঠকৰ বহা কোঠা সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ যিকোনো মানুহৰ কোঠাৰ দৰেই সজ্জিত। একো নতুনত্ব নাই। আন অধ্যাপকৰ দৰেই শ্ৰেণী নেথাকিলে ঘৰলৈ গুচি আহি সময় কটোৱা মানুহ। হয়তো এইবোৰ সময়তে তেওঁ সাহিত্য চৰ্চা কৰিবলৈ সুবিধা পায়। মঞ্জৰীয়ে ভৱগিৰীক বিচাৰি কলেজখনলৈ গৈছিল। যোৱা নিশা নৈশ বাছেৰে তাই এইখন চহৰলৈ আহিছে। ভৱগিৰী পাঠকক লগ পাই পুনৰ নিশা ঘৰলৈ ঘূৰি যোৱা কথা। উপন্যাসৰ নায়িকাৰ দৰেই মঞ্জৰীয়ে জীৱনত নকৰা কাম কৰিছে। আজি তাই প্ৰথম স্বাধীন হ'ব খুজিছে।

ভৱগিৰী পাঠক ওলাই আহি তাইক নমস্কাৰ দিলে। বগা পায়জামা পাঞ্জাবী পিন্ধা চুটি-চাপৰ মানুহজনৰ চকুত চছমা, ওঁঠৰ ওপৰত পাতল গোঁফ। মঞ্জৰীৰ বুকুৰ ধপধপনি তীব্ৰ হ'ল। কেইটামান বছৰৰ আগতে এই

মানুহজনৰ ওচৰলৈ এইদৰেই জ্যোতিস্নাতা আহিছিল। তেওঁ বাৰু অচিনাক্ত মঞ্জৰীৰ এই অপ্রত্যাশিত আগমনৰ লগত সেই ঘটনাৰ কিবা সাদৃশ্য অনুভৱ কৰিছে নেকি ? এই মুহূৰ্তত তেওঁৰ মনত আহযাহ কৰা ভাববোৰক জ্যোতিস্নাতাৰ পৰা লুকুৱাব নেকি ? আৰু এগৰাকী জ্যোতিস্নাতা ? এই গৰাকীয়েও নিশ্চয় তেওঁৰ ওচৰলৈ সত্যক বিচাৰি আহিছে। কিন্তু তেওঁ এতিয়া এই মুহূৰ্তত ভৱগিৰী পাঠক। অধ্যাপিকা জ্যোতিস্নাতাৰ স্বামী আৰু এগৰাকী দুবছৰীয়া কন্যাৰ পিতৃ। বাস্তৱত এই মুহূৰ্তত কল্পনাৰ ৰোহিতাশ্ব তেওঁ নিশ্চয় হ'ব নোৱাৰে।

মঞ্জৰীয়ে নিজকে অলপ সুস্থিৰ আৰু সহজ কৰিবলৈ চেষ্টা কৰি ক'লে– "মই আপোনাৰ নতুন উপন্যাসিকাখন পঢ়ি অভিভূত হৈছো। মই কেবাবাৰো সেইখন পঢ়িলো, বহুত দিনৰ মূৰত এখন উপন্যাসিকাৰ কাহিনীয়ে মোক এইদৰে ভৱাই তুলিছে। এই চহৰলৈ মই এটা বিশেষ কামৰ বাবে আহিছিলো (বিশেষ কাম আপোনাৰ মাজত ৰোহিতাশ্বক আৱিষ্কাৰ কৰা) আপোনাৰ লগত চিনাকি হৈ উপন্যাসিকাখনৰ লেখক হিচাপে মোৰ আন্তৰিক ওলগ আৰু ধন্যবাদ জনাবলৈ আহিলো।"

মঞ্জৰীৰ ভাব হ'ল মানুহজনে নিশ্চয় এতিয়া জ্যোতিস্নাতাৰ লগত হোৱা প্ৰথম চিনাকিৰ কথা সুঁৰৰিছে। পাৰ্থক্য জ্যোতিস্নাতা যুৱতী, মঞ্জৰী বিগত যৌৱনা।

ইতিমধ্যে জ্যোতিস্নাতাও ভিতৰৰ পৰা ওলাই আহিল। পৰিচয় বিনিময়ৰ পিছত সাধাৰণ ধৰণৰ কথা-বতৰা কিছুমান হ'ল। গোটেই জীৱন সেই একেবোৰ 'ভাতখোৱা শাকখোৱা' কথাকে বহুত মানুহৰ লগত পতা হৈছে। নতুনত্ব নাই। সেইবোৰ কথা-বতৰা আৰু ভাব-বিনিময়ৰ আঁৰত মঞ্জৰীৰ মনটো অস্থিৰ হৈ উঠিছে। ভৱগিৰী পাঠকৰ ওচৰলৈ অহাৰ প্ৰকৃত উদ্দেশ্যৰ কাৰণ ব্যাখ্যা কৰিবলৈ তাই সাহস গোটাব পৰা নাই। ভৱগিৰী পাঠকৰ মাজত ৰোহিতাশ্বক তাই আৱিষ্কাৰ কৰিব পৰা নাই। মনৰ মাজত অসহ্য যাতনা– বিদায়ৰ সময় ওচৰ চাপি আহিছে ?

অসহ্য যাত্ৰণাত মঞ্জৰী আৰ্তনাদ কৰি উঠিব খুজিলে। তাই যেন সেই বিশেষ ইংৰাজী চিনেমাৰ নায়িকা নিজৰ মনৰ উৎকণ্ঠাবোৰ ৰেলৰ ইঞ্জিনৰ শব্দৰ লগত সামঞ্জস্য ৰাখি খুব জোৰে চিঞৰি মুক্ত কৰি দিব। মঞ্জৰীয়ে পুনৰ উপলব্ধি কৰিও তাই অন্ধকাৰ অজান কাৰাগাৰত বন্দী। সৰু সৰু পোহৰ অহা ছিদ্ৰবোৰ ভাঙি অসীম, অনন্ত জ্যোতিপ্ৰপাতলৈ ঢাপলি মেলিবলৈ তাইৰ শক্তি নাই। তাই দুৰ্বল, তাই পঙ্গু। কাৰণ তাইৰ অন্তৰত বছৰৰ পিছত বছৰ জুৰি অসত্যক গ্ৰহণ কৰা ঘোৰ তমসা। মুক্তি লাভ কৰিবলৈ কৰা শেষ প্ৰয়াসৰ পিছত গভীৰ ক্লান্তিত তাইৰ পুনৰ অনুভৱ কৰিছে। সত্যহে প্ৰকৃত শক্তি। "ৰোহিতাশ্ব তুমি ক'ত ? তুমি শুনিছানে মোৰ আৰ্তনাদ ? মই তোমাৰ প্ৰেমত পৰিছো। মোক তোমাৰ প্ৰেমৰ আলিঙ্গনৰ প্ৰয়োজন।"

বাস্তৱত মঞ্জৰীয়ে ভৱগিৰী পাঠকক বিচাৰি যাবলৈ সক্ষম নহ'ল। এটা গল্পৰ মাজেদি তাই ভৱগিৰী পাঠকক বিচাৰি গ'ল আৰু তেওঁক লগ পালে। এদিন মঞ্জৰীয়ে সৰ্বানন্দক ক'লে– "মই এটা নতুন গল্প লিখিছো। অগতানুগতিক গল্প হয়নে নহয় সেয়াও নেজানো, তুমি শুনিবানে ? তোমাৰ কেনেকুৱা অনুভৱ হ'ল জনাবা।" মঞ্জৰীয়ে গল্পটো পঢ়ি শুনালে। সৰ্বানন্দই মন দি শুনিলে। গল্পটো শেষ কৰি মঞ্জৰীয়ে সৰ্বানন্দৰ মনৰ ভাবৰ প্ৰতিক্ৰিয়া তেওঁৰ মুখমণ্ডলত গঢ়িবলৈ চেষ্টা কৰিলে। "কোন এই ভৱগিৰী পাঠক ? তোমাৰ গল্প পঢ়ি মানুহে তোমাক উপলুণ্ডা কৰিব– কিছুমান নাৰী বিগত যৌৱনা হৈ প্ৰেমত পৰে। তুমিও সেইদৰে ভৱগিৰী পাঠকৰ প্ৰেমত পৰিছা বুলি ভাবিব তোমাৰ এই অগতানুগতিক গল্পই বা কোনে প্ৰকাশ কৰিব ? তোমাৰ নিচিনা কল্পনাবিলাসী সাহিত্যিক সম্পাদক দুজনমানে হয়তো গল্পটোৰ সাৰমৰ্ম বুজি পাব আৰু সেইটোকে গল্প বুলি স্বীকৃতি দিব। হয়তো নিজৰ সুকীয়া খেয়ালী মনৰ হেঁচাত প্ৰকাশ কৰিবও পাৰে।"

মঞ্জৰীৰ মনৰ সকলো উদ্যম আৰু উত্তেজনা নিৰ্বাপিত হ'ল। গল্পটো সৰ্বানন্দক পঢ়ি শুনাওঁতে তাইৰ কণ্ঠস্বৰ আবেগত কঁপিছিল। মঞ্জৰীৰ মনৰ বিদ্ৰোহখিনি গল্পটোৰ মাজত প্ৰকাশ কৰিব খুজিছিল। সৰ্বানন্দই কোনো দিনে তাইৰ মনৰ ভাবধাৰা নুবুজিলে। তথাপিও তাই সুদীৰ্ঘ কাল সৰ্বানন্দৰ লগত কটালে। সৰ্বানন্দক তাই ইয়াৰ বাবে দোষীও কৰিব নোৱাৰে। তেওঁ কেতিয়াবাই তাইক স্বাধীন হ'বলৈ কৈছিল। "মোক ভাল নেলাগিলে তুমি মোৰ লগত থাকিব নেলাগে। আঁতৰি যোৱা, মনৰ মানুহ বিচাৰি লোৱা। জোৰ কৰি মই তোমাক মোৰ জীৱনৰ সুখ-দুখৰ লগত সাঙুৰি থব নিবিচাৰো। সঁচা কথা কৈছো– মই নিজকেই সকলোতকৈ বেছি ভালপাওঁ। কোনো বস্তু বা ব্যক্তিৰ প্ৰতি মোৰ আসক্তি নাই। মোৰ অতি ভাললগা বস্তুও প্ৰয়োজন হ'লে মই অনায়াসে ত্যাগ কৰিব পাৰো। তাৰ বাবে মোৰ কোনো অনুশোচনা নহ'ব। "বিচাৰকৰ মুখত অপৰাধীয়ে (দোষী হওক বা নহওক) শুনা মৃত্যুদণ্ডৰ আদেশৰ দৰে মঞ্জৰীক সৰ্বানন্দৰ সেই বাক্যই জীৱন জুৰি থকা-সৰকা কৰি ৰাখিছে। সৰ্বানন্দ তাইৰ দৰে কল্পনাবিলাসী নহয় অথচ নিজৰ মনৰ সত্যক দ্বিধাহীন ভাৱে মুক্ত কৰিছে। মঞ্জৰীৰ হ'ব পৰা মানসিক প্ৰক্ৰিয়ালৈ তেওঁৰ ভ্ৰূক্ষেপ নাই। মঞ্জৰীৰ সৰ্বানন্দক সুধিবৰ মন গৈছিল– "তুমি কোৱা এই সত্য বলিয়ালি হয়নে নহয় ?" কিন্তু মঞ্জৰীয়ে সেই প্ৰশ্ন কৰি পৰিবেশ আৰু তিক্ত কৰিব নুখুজিলে। এটা বিশেষ পৰিস্থিতিত নিয়ন্ত্ৰণহীন ক্ৰোধৰ বশৱৰ্তী হৈ বিশেষ একো চিন্তা নকৰাকৈয়ে সৰ্বানন্দই সেই কথাষাৰ ক'লে– প্ৰকৃততে সেয়া তেওঁৰ অন্তৰৰ চিৰস্থায়ী ভাব নহয়। বুলি মঞ্জৰীয়ে সান্ত্বনা লবলৈ চেষ্টা কৰিলে। মঞ্জৰীয়ে প্ৰায়ে অনুভৱ কৰিছে তাইৰ তিলমানো আত্ম মৰ্যাদা নাই– কিছুমান সামাজিক মূল্যবোধে তাইৰ মনৰ অদৃশ্য শিকলিৰে বান্ধি ৰাখিছে। তাই কেৱল বৈষয়িক সুখ-শান্তি প্ৰাপ্য কৰিব পৰা সেই সামাজিক পৰম্পৰা আৰু মূল্যবোধক অন্ধৰ দৰে অনুসৰণ কৰি গৈছে। ত্যাগ আৰু ধৈৰ্যৰ মাজত প্ৰেম, প্ৰেমৰ মাজত সত্য আৰু সত্যৰ মাজত নিজক আৰু নিজৰ জীৱনক বুজিবলৈ প্ৰয়াস কৰিছিল। বহুবোৰ চেপি ৰখা সত্যৰ মাজত এয়াও এক সত্য– ৰোহিতাশ্বৰ আগত স্বীকাৰ কৰিবলগীয়া সত্যৰ এটা।

মঞ্জৰীৰ গল্প প্ৰকাশ হ'ল। ভৱগিৰী পাঠকেও সেই গল্প পঢ়িলে। 'কোন এই মঞ্জৰী মোৰ সন্ধানত ?" মঞ্জৰীক লগ পাবলৈ তেওঁৰ মন আকুল হৈ উঠিল। "মঞ্জৰী মই তোমাক বিচাৰি যাম। তোমাৰ অন্তৰাত্মাৰ গভীৰ অনুভূতিসিক্ত সত্যবোৰ মোৰ আগত উন্মুক্ত কৰা। মই বুজি পাইছো তোমাৰ মনৰ অপ্ৰকাশিত পুঞ্জীভূত বেদনাৰাশিক । মই এখন নতুন উপন্যাসিকা লিখিম। সেই উপন্যাসিকাৰ নায়িকা হবা তুমি।"

ভৱগিৰী পাঠকেও এতিয়া বুজিব পাৰিছে– মঞ্জৰী নামৰ মানুহগৰাকী তেজ মঙহৰ বাস্তৱৰ মানুহ যদিও তেওঁ তাইক কেতিয়াও লগ পাবলৈ সক্ষম নহ'ব। গল্পৰ মাজেদি মঞ্জৰীয়ে তেওঁক বিচাৰি আহি জানো বিচাৰি পালে ? বাস্তৱত তেওঁ ভৱগিৰী পাঠক, এগৰাকী দুবছৰীয়া কন্যা সন্তানৰ পিতৃ, অধ্যাপক, আহৰি সময়ত সত্যৰ সন্ধানত গল্প, উপন্যাস লিখে, তেওঁ সৰ্বসাধাৰণ মানুহৰ এজন। বাস্তৱত মঞ্জৰীও এগৰাকী হয়তো সু-গৃহিণী, সৰ্বানন্দৰ পত্নী, তিনিগৰাকী উপযুক্ত নাগৰিক হিচাপে গঢ়ি উঠা সুযোগ্য সন্তানৰ মাতৃ। সৰ্বসাধাৰণৰে এজন সেই মঞ্জৰীৰ মাজত নিশ্চয় তেওঁ তেওঁৰ কল্পনাৰ নায়িকাক বিচাৰি পাব নোৱাৰে–এয়াও সত্য। কল্পনাৰ নায়িকাৰ দৰেই জ্যোতিস্নাতা তেওঁৰ জীৱনলৈ আহিছিল– কিন্তু প্ৰতিদিনৰ সৰু সৰু বৈষয়িক ঘটনা আৰু সাধাৰণ কিছুমান ঘৰুৱা কথাবতৰাৰে তেওঁৰ পত্নী জ্যোতিস্নাতাৰে মাজত যে তেওঁৰ কল্পনাৰ জ্যোতিস্নাতা জনী হেৰাই গ'ল, তেওঁ সেই জ্যোতিস্নাতাক বিচাৰি নেপায়– সেই সত্য জানে: অধ্যাপিকা জ্যোতিস্নাতা, তেওঁৰ সন্তানৰ মাতৃ আৰু তেওঁৰ শৰ্যাশায়িনীৰ আগত অকপটে স্বীকাৰ কৰিবলৈ তেওঁৰ সাহস হ'ব ? এনেধৰণৰ সত্যবোৰ কেৱল কল্পনাবিলাসী কিছুমান মানুহে হয়তো কল্পনাজগতত বিচৰণ কৰি অনুভৱ কৰিব পাৰে–ভৱগিৰী পাঠক, মঞ্জৰী কলিতা আৰু মঞ্জৰীৰ গল্প প্ৰকাশ কৰা সম্পাদকজন নিশ্চয় সেই কিছুমান মানুহৰ হিচাপৰ ভিতৰত গণ্য ইও এক সত্য। ❑



গল্প

# হিপোক্ৰিটৰ শপত

দ্বিজেন শৰ্মা



অংকন : চম্পক বৰুৱা

"ভেল্লোৰৈলৈ গৈছিলো", কেইমাহমানৰ মূৰত লগ পোৱা বন্ধুৱে ক'লে। "মোৰ ভৰিৰ ছালৰ বেমাৰটোৰ কথা জানই। আক-তাক-সকলোকে দেখুৱালো; ইটো-সিটো পৰীক্ষা কৰালো; দৰৱ খালো; মলম লগালো; বেজীও ললো। ভাল নহয় হে নহয়। অসুখটো অৱশ্যে ভদ্ৰ। ৰস নোলায়, নখজুৱায়, নাফাটে, তেনেকৈ নাবাঢ়েও। পেন্ট পিন্ধো কাৰণে কোনোৱে নেদেখেও। সেয়ে দাৰ্শনিক হৈ পৰিছিলো। 'লগত যোৱা ৰোগ। মূৰ ঘমাবলৈ কিটো আছে ?' কিন্তু মাজতে অ'ত-ত'ত ছালৰ কৰ্কট ৰোগৰ কথা পঢ়ি ভয় খালো, এইটো পুহি ৰাখি ভাল কৰা নাই। সেয়ে ভেল্লোৰে বুলি বৰঝাৰ পালোগৈ।"

"চা", বন্ধুৱে পেন্টটো খাৰগাঁঠিৰ পৰা অলপ ওপৰলৈ কোঁচালে। মই বিস্মিত। "মেজিক দেখোন !"

"ভুল দেখিলি। নেগুৰত এতিয়াও বিষ আছে। ডাক্তৰৰ মতে আৰু দুমাহমান মলম লগাব লাগিব। কোনো মেজিক দৰৱ নহয়। সাধাৰণ, সস্তা মলম। কাণ্ডটো কি শুনচোন।"

বন্ধু ডেকা; ওখ-পাখ; অসমীয়া, ইংৰাজী, হিন্দী, বঙালী শুদ্ধকৈ অনৰ্গল ক'ব পাৰে; সকলোৰে লগত সহজেই ঘনিষ্ঠতা কৰিব পাৰে; । চৌদিশৰ পৰিস্থিতিৰ প্ৰতি তাৰ চকু-কাণ সদায় সজাগ; আৰু তাৰ আছে বুদ্ধি-শক্তি-সাহ-গাম্ভীৰ্য ভৰা ব্যক্তিত্ব। তাৰ ৰসাল কাহিনী শুনিবলৈ মই আৰামেৰে বহি ললো।

ভেল্লোৰে ডাক্তৰখানাৰ ছালবিভাগৰ মুৰব্বী হ'ল অধ্যাপিকা শ্ৰীমতী জাকাৰিয়া। তেওঁ জ্যেষ্ঠতম আৰু দক্ষ প্ৰশাসক বুলি ডাক্তৰখানাটোৰ অধ্যক্ষও। দয়ালু কিন্তু ঢিলা নহয়। ভেল্লোৰে মেডিকেল কলেজৰ অধ্যাপনা, ডাক্তৰখানাৰ ডাক্তৰি কৰাৰ লগতে ডাক্তৰখানাটো চলায়; তাৰ সকলো কামতে চোকা চকু ৰাখে; কলেজৰ আৰু ডাক্তৰখানাৰ সকলোৱে তেওঁক সমীহ কৰে। সেই ডাক্তৰ জাকাৰিয়াই বন্ধুক চালে। শুদা চকুৰে। ইটো-সিটো প্ৰশ্ন কৰিলে। বন্ধুৰ পুৰণি কাগজ-পত্ৰত চকু ফুৰালে।

"কেনে যেন দেখিছে ?" বন্ধুৱে সুধিলে।

"বিশ্বাস কৰিবা জানো ?" ডঃ জাকাৰিয়াই ওভোতাই প্ৰশ্ন কৰিলে। এটা অনানুষ্ঠানিক কথা-বতৰাৰ পৰিবেশৰ সৃষ্টি হ'ল। "চোৱা, তোমাৰ ৰোগটো অতি সাধাৰণ। তেজ-ছাল আদি পৰীক্ষা কৰা প্ৰয়োজন নাই। নে কৰাবা ?"

"আপুনি যি দিহা দিয়ে।"

"তোমাৰ এইবিধ পানীলগাৰ দৰে সাধাৰণ কথা। ইমান দূৰলৈ এই কাৰণে অহাৰ দৰকাৰেই নাছিল। আহিছাও পলমকৈ। সেইবুলি জটিলতা বঢ়া নাই। ভাল হওঁতেহে সময় লাগিব। তুমি ধাৰ্মিক নিষ্ঠাৰে দিনৰ পিছত দিন ছমাহমান মলম এটা লগাব লাগিব। দিনত দুবাৰকৈ। সাধাৰণ মলম। দামো সামান্য। ইয়াত তুমি এমাহমান থাকিব পাৰিবানে ?"

"পাৰিম। কিন্তু কিয় ?"

"দৰৱৰ প্ৰতিক্ৰিয়া চাব খোজো। প্ৰয়োজন হলে তোমাৰ ছালে-দৰৱে ৰাহি-যোৱা অহাকৈ মলমটোৰ গুণাগুণ আৰু ডোজ বদলাই দিম। প্ৰথমতে দিনৌ দেখুৱাই যাবা। পিছত মাজে মাজে আহিলেও হ'ব। মান্তি ?"

বন্ধুৱে মূৰ দুপিয়ালে। মলম লগোৱা আৰম্ভ হ'ল। বন্ধুৰ মনত খু-দুৱনি ৰৈ গ'ল। পৰীক্ষা-চৰীক্ষা কৰা হলেই ভাল হ'লহেঁতেন কিজানি ? ইমান দূৰ আহিলো অথচ তেখেতে আন নালাগে টেবুলতে থকা মেগনিফায়িং গ্লাছখনো নললে। যদি ভুল কৰিছে ?

"ইমানদিনে পুহি ৰখা বেমাৰটোৱে হঠাতে নিশ্চয় বিশ্বাসঘাতকতা নকৰে। মলমটো লগায়েই চাওঁ দুদিনমান", বন্ধুৱে ঠিৰাং কৰিলে। ইপিনে পৰি থাকিবলগীয়া বেমাৰ নহয় যেতিয়া বন্ধুৱে ঘূৰা-পকা কৰিবলৈ আৰম্ভ কৰিলে। দেশী-বিদেশী, অধ্যাপক-ছাত্ৰ, ডাক্তৰ-নাৰ্চ, পিয়ন-চকীদাৰ, বয়সত সৰু-সমনীয়া-জ্যেষ্ঠ বন্ধু-বান্ধৱী বহুত হ'ল। মাজতে স্থানীয় ৰোটাৰি ক্লাবত অসমৰ বানপানীৰ বিষয়ে ভাষণো দিলে। 'মনোগ্ৰাহী ভাষণ, বুজিছ। সকলোৱে ধন্য ধন্য বুলিলে।"

"ডাঃ জাকাৰিয়াই চাইছেনে ?" মোৰ ভাষণৰ দুদিনমান পাছত আন এটা বিভাগৰ মুৰব্বী অধ্যাপক এজনে সুধিলে। "তেন্তে নিশ্চিন্ত হোৱা। তেওঁ চকু মুদি দৰৱ দিলেও ঠিকেই লাগিব।" ডাক্তৰখানাটোৰ ছালবিভাগত ছমাহমান কাম কৰিবলৈ অহা ডেকেৰী আমেৰিকান ডাক্তৰনীজনীয়ে বন্ধুৰ ভৰিখন চাই কলে, "ডাক্তৰ জাকাৰিয়াই কৈছে যেতিয়া সন্দেহ নাই। তেওঁ আমাৰ শ্ৰেষ্ঠ বিশেষজ্ঞবিলাকৰ যুৰীয়া।"

বন্ধুৱে আচৰিত হৈ লক্ষ্য কৰিলে, প্ৰথম সপ্তাহতেই ইমানদিনীয়া মৰা, বিকৃত ছালবোৰ যেন এৰাবলৈ আৰম্ভ কৰিছে। দুসপ্তাহমানত ঠায়ে ঠায়ে যেন সুস্থ ছালে ভুমুকি মাৰিছে। নে চকুৰ ভ্ৰম ? "চোৱাই য'ক আগলৈ কি হয়", বন্ধুৱে ভাবিলে।

"আপুনি যদি অলপ অনুগ্ৰহ কৰে", এদিন পুৱা ডাক্তৰখানাৰ চৌহদত ৰ'দ লৈ থাকোতে বন্ধুক কোনোবাই পাছফালৰ পৰা অসমীয়াত মাত দিলে। বন্ধুৱে ঘূৰি দেখিলে, এখন ভৰি নোহোৱা, পেং এডালত ভৰ দি ৰোৱা এজন সাধাৰণ অসমীয়া মানুহ। "মই পৰহি পালোহি। আজি ভৰ্তি হ'ম। যোৱা বছৰ যিটোৰ বাবে তাৰ মেডিকেল কলেজত এইখন গ'ল, ঠিক সেই একেটা বেমাৰেই এইবাৰ ইখনত হৈছে। ভয়ে ভয়ে আহিছো। কি বা হয় ? এইখন গলে নিগমে মৰিলো।" মানুহজনে নিজকে কোৱাৰ দৰে খৰ্খৰকৈ কিন্তু ভয় ভয়কৈ কৈ গ'ল।

বন্ধু আচৰিত। মানুহজনৰ দুৰ্ভাগ্যৰ কাৰণে নহয়। একেবাৰে অচিনাকি মানুহ এজনে কিয় মাত দিছে ধৰিব নোৱৰা কাৰণেহে। বন্ধুও এজন ৰোগীহে। বন্ধুৱে লক্ষ্য কৰিলে, মানুহজন বিবৰ্ণ; গাল সোমাবলৈ আৰু চুলি পকিবলৈ আৰম্ভ কৰিছে; দেহাতকৈ মনটো যেন বেছি ভঙা। বন্ধুৰ সন্দেহ হ'ল, গাল সোমাবলগীয়া বয়স হোৱা নাই মানুহজনৰ। বন্ধুৱে নিৰাসক্ত উত্তৰ দিলে, "ভয়ৰ কথা নাই। ইয়াৰ ডাক্তৰ ভাল, ডাক্তৰখানা ভাল, আপুনি ভালে-ভালে ওভতিব পাৰিব নিশ্চয়।"

"মোক দুজনমানে কৈছে, আপোনাৰ লগত ডাক্তৰবোৰৰ ভাল বোলে। আপুনি যদি এযাৰ কৈ দিয়ে।"

বন্ধুৰ কাণত সেই কাতৰ অনুনয়খিনি পানীত ডুবিব ধৰা মানুহৰ আৰ্তস্বৰ যেন লাগিল। কিন্তু বন্ধু বিৰক্তও হ'ল। কাৰোবাক কৈ-মেলি কাম হাচিল কৰিব খোজা স্বভাৱটো ভেল্লোৰলৈ আহিও নগ'ল। বন্ধুৱে অলপ কঢ়াকৈয়ে কলে, "আপুনি এইখন আমাৰ

ডাক্তৰখানা পাইছেনে ? ইয়াত ৰোগীৰ চিনাকি ৰোগী বুলিহে; ধনী-দুখীয়া বুলি নহয়; ডাক্তৰক চিনি পোৱা-নোপোৱা বুলি নহয়; ফিজৰ পৰিমাণ কম-বেছি বুলি নহয়। আপুনি চিন্তা নকৰিব।"

ৰোগীজন আশ্বস্ত হ'ব খুজিও যেন হ'ব নোৱাৰিলে। বন্ধুৱে বেয়া পোৱা বুলি গম পাই বিব্ৰতো হৈ পৰিল। বন্ধুৱে কলে, হঠাতে এখন ঠেং নোহোৱা, ভয়তে পেঁপুৱা লগা সেই সাধাৰণ মানুহজনলৈ কৰুণা আৰু সমবেদনাই বন্ধুক আচ্ছন্ন কৰি পেলালে। এজন আদহীয়া মানুহ। বোধহয় কৰবাত তামোল-পাণৰ গুমটি এটা আছে বা কোনোবা গুদামৰ চকীদাৰ বা তেনে কিবা সৰু কাম কৰে। কোনোমতে ধাৰ-ঋণ কৰি মুক্তি বিচাৰি আহিছে। পৰিয়ালটোৰ হয়তো এৱেঁই একমাত্ৰ অন্নদাতা। ঘৰত হয়তো মাকজনী আৰু তিৰোতাজনী; ডাঙৰ হ'ব ধৰা তিনিটা ল'ৰা-ছোৱালী; বিয়াৰ বয়স হোৱা ভনীয়েক এজনী। এওঁ ঠিকেই কৈছে, এইখন ভৰিও গলে পৰিয়ালটো নিগমে মৰিব। বন্ধুৱে মানুহজনলৈ আকৌ চালে। পানীত ডুবিব ধৰা মানুহে খেৰতো খামোচ মাৰি ধৰাৰ দৰে এজন অসহায় মানুহে গভীৰ প্ৰত্যাশাৰে বন্ধুৰ মুখলৈ চাই আছে। বন্ধু আকাশৰ পৰা মাটিত পৰিলহি। ৰোগীজনৰ নাম-ঠিকনা সুধিলে। (সাধাৰণ নাম ঃ ৰমেশ কলিতা।) বেমাৰটোৰ বিতং বতৰা ললে। পুৰণা কাগজ-পত্ৰ চালে। কোনটো ৱাৰ্ডৰ কিমান নম্বৰ বিছনা দিছে খবৰ ললে। "আপুনি চিন্তা নকৰিব।" বন্ধুৱে কলে। "ইখনো যাব লাগিলে ইমান কষ্ট কৰি ইমান দূৰলৈ নহা হলেই হ'লহেঁতেন। ইয়াৰ ডাক্তৰক বিশ্বাস কৰিব পাৰে। মই খবৰ লৈ থাকিম বাৰু।"

বন্ধুৱে লক্ষ্য কৰিলে, ভয় আৰু হতাশাত মুজুৰা পৰি থকা মানুহজনৰ মনত যেন অলপ আশাৰ সঞ্চাৰ হ'ল।

পাছদিনা ডাঃ জাকাৰিয়াক দেখুৱাবলৈ যাওঁতে বন্ধুৱে কথাটো উলিয়ালে। "আপুনি অতি-ব্যস্ত নহয় যদি কথা এটা কওঁনে ?" ডাক্তৰণীয়ে চকুৰে সুধিলে, কি কথা ?

"অমুক ৱাৰ্ডৰ অমুক নং বিছনাত অসমৰ ৰোগী এজন ভৰ্তি হৈছে", বন্ধুৱে আৰম্ভ কৰিলে। "ঘৰৰ তেৱেঁই একমাত্ৰ অন্নদাতা। একেটা কাৰণতেই যোৱাবেলি তেওঁৰ ভৰি এখন গ'ল। ইখনো যাব লাগিলে সৰ্বনাশ হ'ব।"

"কি হৈছে ?"

বন্ধুৱে ৰোগীৰ কথাখিনি চমুৱাই ক'লে। তাৰ পাছত নিজৰ মন্তব্য দিলে। "কালি মই সেই মাৰাত্মক ঘাটুকুৰা চাইছিলো। সৌভৰিৰ আঠুটোৰ অলপ তলত। দেখি মোৰ নিজৰ চকুৰ ওপৰত বিশ্বাস নোহোৱা হৈছে।"

ডাঃ জাকাৰিয়া মনে মনে থাকিল। বন্ধুৰ পৰা আৰু শুনিবলৈ বাট চালে।

"মাফ কৰিব। বহুত ডাক্তৰে মাৰাত্মক বুলি চাৰ্টিফিকেট দিয়া ঘাটুকুৰা মোৰ নিতান্তই সাধাৰণ ঘা যেনহে লাগিল। সেয়ে কথাটো আপোনাৰ কাণ চুৱাই থলো।"

ডাঃ জাকাৰিয়াই তলমূৱা হৈ কিবা ভাবিলে। কাণ্ডটো কি হ'ব পাৰে হয়তো তলকি চালে। হয়তো অসমৰ পৰা অহা এনে বহুত ৰোগী আগতে পাইছে। "আজি আবেলি মই যাম বাৰু", তেখেতে কলে।

বন্ধুৱে তেখেতক দুদিনমান পাছতহে লগ পালে। নিজৰ ভৰিখন দেখুৱাই উঠি বন্ধুৱে ডাক্তৰৰ মুখলৈ চালে। চকুত প্ৰশ্ন, মুখেৰে একো নামাতিলে। ক'ব খুজিলে ডাক্তৰে নিজেই ক'ব জোৰ কৰি লাভ নাই। বন্ধুৱে লক্ষ্য কৰিলে, ৰোগীজনৰ কথা ভাবিয়েই চাগৈ ডাক্তৰৰ মুখমণ্ডলত বিষাদ বিয়পি পৰিল। বন্ধুৱে ভুল দেখিছে নেকি ? পেঞ্চন পাবৰ হৈ অহা ডাঃ জাকাৰিয়া সৰু ছোৱালী নহয়, অথচ তেওঁৰ চকুযোৰ যেন সেমেকিবলৈ আৰম্ভ কৰিছে। ডাক্তৰৰ ওঁঠ লৰিল, মাতটো নিজৰ অজ্ঞাতে সৰু হৈ গ'ল।

"তুমি ঠিকেই কৈছিলা। তেওঁৰ নিতান্তই সাধাৰণ ঘা। পৃথিৱীৰ যি কোনো মানুহৰ যেতিয়াই তেতিয়াই হ'ব পৰা ঘা।"

বন্ধু হতবাক। যদি সাধাৰণ ঘায়েই, ভৰিখন নোহোৱা হ'ল কিয় ? এটা পৰিয়ালৰ জীৱন লৈ এয়া কি ল'ৰা-ধেমালি ?

"আচল কথা", ডাঃ জাকাৰিয়াৰ মাতত বন্ধু উচাপ খাই উঠিল। 'মানুহজনৰ বহুমূত্ৰ আছে। সেয়ে ঘাটুকুৰা শুকোৱা নাছিল। উচিত চিকিৎসাৰ অভাৱত ঘা বাঢ়িল। দেহাৰ স্বাভাৱিক গতিত গেংগ্ৰিণো হ'ল। সেয়ে ভৰিখন নাকাটি নোৱাৰিলে।"

বহুমূত্ৰ ? বন্ধুৱে বিশ্বাস কৰিবলৈ টান পালে। মেডিকেল কলেজত দুবাৰো পৰীক্ষা কৰিছে। বাহিৰৰ নাম কৰা ক্লিনিক এটাটো পৰীক্ষা কৰিছে। ৰিপোৰ্ট একেই, বহুমূত্ৰ নাই। বন্ধুৱে ডাঃ জাকাৰিয়াক কথাটো সোঁৱৰাই দিলে।

"ৰিপোৰ্টবোৰ আমাৰ ডাক্তৰেও দেখিছে। কিন্তু তেওঁৰ বহুমূত্ৰ নহৈ নোৱাৰে। সেয়ে আমাৰ ইয়াত আকৌ পৰীক্ষা কৰা হ'ল। আচল বেমাৰ ধৰা পৰিল।"

"তেন্তে অসমৰ ৰিপোৰ্টবোৰ ?"

ডাঃ জাকাৰিয়া যেন অলপ অপ্ৰস্তুত হ'ল। কিবা এটা কবলৈ ওলায়ো তেওঁ যেন ৰৈ গ'ল। সেই কেইদিন তাত থাকিয়েই বন্ধুৱে তাৰ সংস্কৃতিৰ কথা গম পাইছে। আমাৰবোৰৰ তুলনাত ডাঃ জাকাৰিয়াহঁত আওপুৰণি হৈয়েই আছে। তেওঁলোকে মেডিকেল কলেজত যিসকল চাহাব অধ্যাপকৰ তলত পঢ়িছিল, তেখেতসকল উৎকৃষ্ট ডাক্তৰ মাত্ৰ নাছিল; আছিল নিষ্ঠাবান মিছনাৰি; তেওঁলোকৰ আছিল ৰাইজৰ সেৱাত উৎসৰ্গীকৃত জীৱন। প্ৰেছক্ৰিপচন লিখাৰ আগতে হিপোক্ৰিটৰ শপতৰ চানেকি আঁকাটো তেওঁলোকৰ বাবে অৰ্থহীন লোকাচাৰ নাছিল; আছিল গভীৰ বিশ্বাসেৰে দৈনন্দিন জীৱনত মানি চলা জীৱন্ত, মৌলিক মূল্যবোধ। সেইচাম মানুহৰ দ্বাৰা অনুপ্ৰাণিত ডাঃ জাকাৰিয়াহ'তে পাইছে একে মূল্যবোধ। ভেল্লোৰে মেডিকেল কলেজত পঢ়াইছে; ডাক্তৰখানাত কাম কৰিছে দিনৌ ১৪-১৫ ঘন্টাকৈ; বেমাৰীৰ অৱস্থা চাই মাত্ৰ চাহ খায়েই ৰাতিটো সাৰে আছে। অথচ দৰ্মহা পায় কিমান ? মিছনাৰি ডাক্তৰখানাই ৰোগীক লুট নকৰে যেতিয়া ডাক্তৰক এগাল দৰ্মহা দিব কৰ পৰা ? ফলত জীৱনটো কাম কৰি মাদ্ৰাজত তলাতল ঘৰ বা দুই-তিনিটা ঘৰ কৰা দূৰত থাকক, ৰঙিয়া যেন ঠাইতো চাগৈ মাটি এচমকা ল'ব পৰা নাই। পইছা নাই পোৱা কিন্তু পাইছে ৰাইজৰ পৰা শ্ৰদ্ধা, ভক্তি, ভালপোৱা, সম্মান; পাইছে ভাল কাম ভালকৈ কৰিব পৰা দৈৰিক সন্তুষ্টি; পাইছে সৃষ্টিৰ আনন্দ। হিপোক্ৰিটৰ শপত ডাঃ জাকাৰিয়াৰ বাবে জীৱন্ত বিশ্বাস, মজ্জাগত ধৰ্ম। তেনে হেন মানুহজনীয়ে সকলোতে নীতি-নিয়ম মানি চলাৰেই কথা। ডাক্তৰ সকলৰ মাজত, প্ৰচলিত বৃত্তিগত শিষ্টাচাৰ হ'ল, 'সহকৰ্মীৰ অপবাদ বৰ্জনীয়'। অসমৰ ডাক্তৰবোৰ দূৰৰ হ'ব পাৰে, অচিনাকি হ'ব পাৰে, তথাপিও ডাক্তৰহে। বন্ধুৱে আন্দাজ কৰিলে, ঠিক এই কাৰণেই নিশ্চয় ৰমেশ কলিতাৰ আগৰ চিকিৎসা সম্পৰ্কে মন্তব্য দিবলৈ ডাঃ জাকাৰিয়া দ্বিধাগ্ৰস্ত হৈছে। অসমত নীতি-নিয়ম বেলেগ, কথা বেলেগ। অসমত সহকৰ্মী ডাক্তৰৰ বিৰুদ্ধে হকে-বিহকে মাত মাতিবলৈ সকলো সদায় সক্ষম। ডাঃ জাকাৰিয়া ভাল ডাক্তৰ মাথোন নহয়, ভাল মানুহো। চাহাবৰ পৰা শিকা ভাল কথাবোৰ ভেল্লোৰেই এতিয়াও পাহৰা নাই। ইয়াৰ সকলো ডাক্তৰ সকলোৰে সহকৰ্মী। ডাক্তৰখানাৰ ৰোগীজন যি কোনো ৱাৰ্ডত, যি কোনো বিছনাত থাকক, তেওঁ সকলোৰে উমৈহতীয়া ৰোগী; তেওঁক নিৰোগী কৰা ডাক্তৰখানাটোৰ সকলো ডাক্তৰৰ উমৈহতীয়া দায়িত্ব। ডাক্তৰৰ বৃত্তিগত শিষ্টাচাৰ ভেল্লোৰেত স্বাভাৱিক ঘটনা।

"আপুনি যদি বেয়া নাপায়", বন্ধুৱে কথাযাৰ আৰম্ভ কৰি ৰৈ গ'ল। ডাক্তৰে বন্ধুলৈ মূৰ তুলি চালে। চাৱনিত নিৰ্ভয় বাণী। বন্ধু আগবাঢ়িল। "আপুনি যদি বেয়া নাপায়, ৰহস্যটোনো কি কবনে ? তাৰ লেবৰেটৰিবোৰ ইমান বেয়ানে যে তেজ-পেচ্ছাপত চেনিৰ পৰিমাণো উলিয়াব নোৱাৰে ?"

"কিছুমান ক্ষেত্ৰত নোৱাৰে", ডাঃ জাকাৰিয়াৰ কণ্ঠত জ্যেষ্ঠ অধ্যাপকৰ জ্ঞানগম্ভীৰ মাত শুনা গ'ল।

"সাধাৰণ পৰীক্ষা দুটাত যদি বহুমূত্ৰ থকা বুলি নোলায় কিন্তু বহুমূত্ৰ থকা বুলি ডাক্তৰ নিশ্চিত, তেন্তে তৃতীয়টো পৰীক্ষা কৰিব লাগে। ইয়াতো প্ৰথম পৰীক্ষা দুটাত ধৰা পৰা নাছিল, তৃতীয়টোত ধৰা পৰিল।" তেওঁ পৰীক্ষাটো কি বুজাই দিলে।



বন্ধুৱে স্বস্তিৰ উশাহ ললে। সি অলপ আগতে ভবাৰ দৰে আমাৰ লেবৰেটৰিবোৰ তেন্তে অলগৰ্ধ নহয়। তাত ৰমেশ কলিতাৰ বহুমূত্ৰ ধৰা নপৰাটো নিন্দনীয় অকৃতকাৰ্যতা নহয়। প্ৰথম পৰীক্ষা দুটাত এওঁলোকেও পোৱা নাছিল। তৃতীয়বিধ পৰীক্ষাৰ কথা নজনাতো অসমৰ বাবে অক্ষমনীয় অপৰাধ নহয়। বিশ্বৰ ভাল ভাল মেডিকেল কলেজ আৰু ডাক্তৰৰ লগত ভেল্লোৰেৰ যোগাযোগ আছে, আহ-যাহ আছে। আনঠাইত আৱিষ্কৃত নিত্য-নতুন পৰীক্ষা-প্ৰণালী ভেল্লোৰেত ব্যৱহাৰ হোৱা স্বাভাৱিক। তদুপৰি ইয়াৰ গ্ৰন্থাগাৰত আছে সকলোধৰণৰ ডাক্তৰি কিতাপ আৰু আলোচনী। সেইবোৰ অধ্যাপকে পঢ়ে; ছাত্ৰ-ছাত্ৰীয়ে পঢ়ে; শ্ৰেণীৰ ভিতৰে-বাহিৰে সেইবোৰৰ আলোচনা চলে। অসমত এনে সুবিধা ক'ত ? গতিকে ৰমেশ কলিতাৰ ৰোগৰ শুদ্ধ ডায়েগনছিছ কৰিব নোৱৰাটো লাজৰ কথা বুলিব নোৱাৰি চাগৈ। নোৱাৰিনে আচলতে ?

নিজৰ সন্দেহ নিৰসন কৰিবলৈ আৰু ডাঃ জাকাৰিয়াৰ আগত অসমৰ সম্মান অটুট ৰাখিবলৈ বন্ধুৱে আওপাকে কথাটো উলিয়ালে। "এই তৃতীয় পৰীক্ষাটো নতুনকৈ আৱিষ্কৃত প্ৰণালী চাগৈ ?"

"ওহোঁ", ডাঃ জাকাৰিয়াৰ মাতটো আকৌ অনুচ্চ হৈ গ'ল। "আমি পঢ়া দিনৰ পৰা, নহয়, তাতকৈও আগৰ পৰা আছে। বাকী দুটাৰ লগতে ডাক্তৰিৰ কিতাপত এইটোৰ কথাও থাকে। সাধাৰণতে প্ৰথম দুটা পৰীক্ষাতে প্ৰায় সকলোৰে ৰোগ ধৰা পৰে। এইজনৰ দৰে ৰোগী ব্যতিক্ৰম। সেয়ে তৃতীয়টোৰ ব্যৱহাৰো কম।"

বন্ধুৰ মুখৰ মাত হৰিল। তাৰ মানে, ৰোগীৰ জীৱন মৰণৰ বাবে ইমান দৰকাৰী কথা এটা আমাৰ ডাক্তৰবোৰে নাজানে; অধ্যাপকে নপঢ়ুৱায় ছাত্ৰয়ো নপঢ়ে ! পৰীক্ষাত নাহে কাৰণেই নিশ্চয়। ডাঃ জাকাৰিয়াৰ মুখলৈ বন্ধুৱে চাব নোৱৰা হ'ল। বন্ধুৱে কেনেকৈ স্বীকাৰ কৰে চিকিৎসাবিদ্যাৰ ক্ষেত্ৰত অসমৰ সীমাহীন দৈন্য আৰু অৰাজকতা; ধনৰ টোপোলা গধুৰ কৰিবলৈ ডাক্তৰৰ মাজত লেতেৰা প্ৰতিদ্বন্দ্বিতা। কলিতাই কৈছে, মেডিকেল কলেজৰ একাধিক ডাক্তৰে তেওঁক চাইছে; দলে দলে ছাত্ৰ-ছাত্ৰীবোৰ আহি তেওঁৰ ভৰি চাইছে, জিভা চাইছে, পেটত হেঁচিছে। কলেজৰ বাহিৰৰ নাম কৰা দুজনমান ডাক্তৰকো দেখুৱাইছে। সকলোৱে দক্ষিণা লৈছে ঠিকেই কিন্তু চিকিৎসা ? অজ্ঞানতাতকৈও ভয়ঙ্কৰ কথা, মানুহ এজনক পঙ্গু কৰি পেলোৱাটো ভাত-পানী খোৱাৰ দৰে সাধাৰণ কথা বুলি ললে কিয় ? লেবৰেটৰিয়ে বহুমূত্ৰ নাই বুলি কলেও ডাঃ জাকাৰিয়াহঁতৰ দৰে 'বহুমূত্ৰ নহৈ নোৱাৰে' বুলি খোপনি পুতি নধৰিলে কিয় ? কিয় বেমাৰটোৰ উহ বিচাৰি হাবাথুৰি নাখালে ? কিয় গেংগ্ৰিন হবলৈ দিলে ? পৃথিৱীৰ ভাল ডাক্তৰখানাবোৰৰ নিয়ম মানি বিভিন্ন বিভাগীয় বিশেষজ্ঞসকলক লৈ Brain-storming চেছন নাপাতিলে কিয় ? দিল্লী, বোম্বাই ভেল্লোৰেৰে প্ৰকৃত বিশেষজ্ঞৰ লগত সময় থাকোতেই যোগাযোগ নকৰিলে কিয় ? কিয় এজনো ডাক্তৰে, এজন ছাত্ৰই, এজনী ছাত্ৰীয়ে পাঠ্যপুথিৰ বহুমূত্ৰ সংক্ৰান্ত পৃষ্ঠা দুটামান লুটিয়াই নাচালে ? কিয় ? কিয় ? কিয় ?

বন্ধুৱে কলে, ডাঃ জাকাৰিয়াৰ সৰু কোঠাটোৰ সাধাৰণ চকীখনত বহি থাকোতে মোৰ উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল। হঠাতে কাৰোবাৰ হাত এখন মোৰ কান্ধত। মূৰ তুলি চাওঁ, ডাঃ জাকাৰিয়া। চকুৰ স্মিত হাঁহি আৰু কান্ধত মৃদু চেপাৰে তেওঁ যেন মোক কলে, "সাহস গোটোৱা, নিজকে নিয়ন্ত্ৰণ কৰা।" কণামুনা হৈ বাহিৰলৈ ওলাই আহিলো। জাৰকালিও দাক্ষিণাত্যৰ চোকা ৰ'দ। কি কৰো নকৰো ঠিক কৰিব নোৱাৰি কলিতাৰ ৱাৰ্ড বুলিয়েই খোজ ললো। মোক দেখি তেওঁ উঠি বহিল। চকুত হাজাৰটা প্ৰশ্ন, হাজাৰটা আশা। কায পালোঁগৈ।

"ডাক্তৰণী বাইদেউ আহিছিল নহয় ?"

"হয়, বৰ মৰমিয়াল ডাক্তৰণী", কলিতাই উত্তৰ দিলে।

মৰমিয়াল ? বন্ধু বিস্মিত। অতি-ব্যস্ত ডাঃ জাকাৰিয়া নিশ্চয় কলিতাৰ বিছনাৰ কাযত বেছি সময় ৰোৱা নাছিল; তেখেতে নিশ্চয় ভৰিখন চাইছিল; দুই-এটা কথা সুধিছিল; কাগজ-পত্ৰবোৰত চকু ফুৰাইছিল; নাৰ্চজনীৰ পৰা কিবা স্পষ্টীকৰণ লৈছিল; তাইক কিবা নিৰ্দেশ দিছিল; তাৰ পিছত আহিবলৈ ওলাই ৰোগীলৈ চাই হাঁহিছিল সেই স্মিত হাঁহিটো - ওঁঠ অলপকৈ মেল খোৱা যিটো নিশব্দ হাঁহি তিনিদশক আগৰ ছিলঙৰ ৰবাৰ্টছ হস্পিটেলৰ ডাঃ হিউজৰ মুখত-চকুত দেখি বেমাৰীৰ নিৰাময়-প্ৰক্ৰিয়া আৰম্ভ হৈ গৈছিল, আধামৰা বেমাৰীৰো আশাৰ সঞ্চাৰ হৈছিল। বন্ধুৱে ভাবিলে, বোধহয় ডাক্তৰৰ চাল-চলন, আও-ভাও, কথা-বতৰাৰ পৰাই ৰোগীয়ে উমান পায়, এইজন পইচাৰ লোভত পাল মাৰিবলৈ অহা ভুৱা ডাক্তৰ নহয়; আহিছে ৰোগীক নিৰাময় কৰিবলৈ ভগৱানৰ আশীৰ্বাদ লৈ।

"তেখেতক লগ পালো। আপোনালৈ ভাল খবৰ আনিছো", বন্ধুৱে কলে।

কলিতাৰ দেহালৈ হঠাতে যেন প্ৰাণ আহিল। জীৱনৰ জয়গান গাবলৈ হাড়-মাংসৰ পিঞ্জৰা ভাঙি তেওঁৰ কলিজা যেন বাহিৰলৈ ওলাই আহিল।

"আপোনাৰ ভৰি কটা নাযায়। সোনকালেই ভাল হৈ ওভতিব পাৰিব।"

"হয়নে ?" কলিতাৰ গোটেই দেহাতে স্ফূৰ্তি ওপচি পৰিল। কিন্তু খন্তেকলৈহে। সন্দেহৰ ক'লা ছাঁ নিমিষতে তেওঁৰ মুখ-মণ্ডলত বিয়পি পৰিল। "হয়নে ?" সেই একেটা প্ৰশ্নই তেওঁ পুনৰায় কৰিলে কিন্তু নতুন ধৰণে, হাজাৰটা সন্দেহ আৰু আশঙ্কালৈ। ইমান ভাল খবৰটো তেওঁ বিশ্বাস কৰিবলৈ টান পালে যেন লাগিল। ইমানদিনেও যিহৰ কাৰণে তেওঁৰ মাক আৰু তিৰোতাজনীৰ চকুপানী মচ খোৱা নাই; যিহৰ কাৰণে ল'ৰা-ছোৱালী কেইটাৰ ভৱিষ্যতৰ কথা ভাবি তেওঁৰ দিন-ৰাতি সমান হ'ল; গাল সোমাল; চুলি পকিল; সেই ভয়াবহ বেমাৰটো ইমান সহজে, দুই-এদিনতে ভাল হবনে ? তেওঁ বন্ধুলৈ এনেকৈ চালে, বন্ধুৱে উমান কৰিলে, কলিতাই ভাবিছে মই ফাকি দিয়া বুলি। মৰিব ওলোৱা গিৰিহঁতৰ বিষয়ে সঁচা কথাটো ঘৰৰ তিৰোতাজনীৰ আগত ডাক্তৰে নোকোৱাৰ দৰে, ময়ো কিজানি তেওঁক মিছা সান্ত্বনা দিবলৈ চেষ্টা কৰিছো। বন্ধু মনে মনে থকা দেখি কলিতাৰ সন্দেহ দৃঢ়তৰ হ'ল।

"সঁচাকৈয়ে ভাল হমনে ?" কলিতাৰ প্ৰশ্ন আকৌ এবাৰ শুনি বন্ধুৰ মূৰত খেলাল, মৰা মানুহে কথা কলে কিজানি এনে মাতেৰেই ক'ব।

বন্ধুৱে ঠিক কৰিলে, সঁচা কথাটো কৈ পেলাওঁ। লগতে ভাবিলে; কওঁ কেনেকৈ ? আৰম্ভ কৰো কি বুলি ? যিটো মানুহে সদায় ভগৱানক বিশ্বাস কৰি আহিছে; যিটো মানুহে জানি-শুনি কেতিয়াও কাৰো অন্যায় কৰা নাই; যিটো মানুহে দিনৰ শেহত কামৰ গ্লানি গুচাবলৈ নাম ধৰা পাৰ্টিত যোগ দিছে; সেইজন মানুহক নিজৰ কোনো দোষ নথকাতো ইমান ডাঙৰ শাস্তি ভুগাৰ কথাটো কেনেকৈ কওঁ ? কাৰ পাপত তেওঁৰ, তেওঁৰ পৰিয়ালটোৰ ইমান যন্ত্ৰণা ?

কিন্তু নকলে জানো হ'ব ? বন্ধুৱে কলিতালৈ চালে। এজন মাটি-ফুটি ওলোৱা সাধাৰণ মানুহ। ধুমুহাই কোবোৱা বেতৰ দৰে হালিব কিন্তু নাভাঙে; আকৌ উঠিব। আচল কথাটো কোনো পাতনি নেমেলাকৈ পোনপটীয়াকৈ কোৱাই ভাল। বন্ধু নিজেও আশ্বস্ত হ'ল।

"তেখেতে কৈছে, আপোনাৰ ঘাটুকুৰা অতি সাধাৰণ। আচল বেমাৰটো বহুমূত্ৰহে। সেইটো এওঁলোকে সহজেই নিয়ন্ত্ৰণ কৰিব। ঘাও শুকাব।"

কলিতা হতভম্ব হৈ গ'ল। কিন্তু খন্তেক পিছতে যেন সম্বিত পালে। লগে লগে স্বয়ংক্ৰিয় চকুহাল নোহোৱা ভৰিখনত পৰিলগৈ। তেওঁৰ মুখৰ পৰা বিকৃত মাত এটা ওলাল আৰু অলপ আগৰ জীৱনোচ্ছল দেহাটো হঠাতে ফুটা বেলুনৰ দৰে লেতুসেতু হৈ বিছনাত বাগৰি পৰিল। লগে লগে স্পন্দনহীন দেহাটোৰ চকুপতা ফালি ওলাই আহিল চকুলোৰ ঢল; অসহনীয় বোবা যন্ত্ৰণাৰ মূৰ্তিমান মহা-প্লাৱন।


আৰু সেই মহা-প্লাৱনৰ নিশব্দ আৰ্তনাদত বন্ধু বধিৰ হৈ গ'ল।

*এটা মাৰাঠী গল্পৰ ছাঁ লৈ যথাযথ সালসলনি কৰি লেখা - লেখক। ❑

গল্প

# সি তাইৰ কাৰণে

ৰবীন মজুমদাৰ



তাৰ বৈ বৈ আমনি লাগিছিল, লগে লগে উৎকণ্ঠাও বাঢ়িছিল। কাষৰ নৰ্দমাৰ পৰা অহা দুৰ্গন্ধ, দুৱাৰ নথকা উদং প্ৰস্ৰাৱাগাৰৰ পৰা অহা প্ৰস্ৰাৱ, থু, খেকাৰৰ মিশ্ৰিত দুৰ্গন্ধৰ কাৰণে তাত বৈ থকা সময়ৰ প্ৰতিটো চেকেণ্ড একোটা মিনিট যেন বোধ হৈছিল। ঘনাই ঘনাই থুৱাই তাৰ মুখ শুকাই গৈছিল। তাৰ পিছে আচৰিত লাগিছিল ওচৰৰ মানুহবিলাক, নলা-নৰ্দমাৰ ওপৰত আৰু কাষত দোকান পাতি গোটেই দিনটো তাত বহি ব্যৱসায় কৰা মানুহবিলাকক দেখি–সিহঁতে বাৰু ইয়াত কেনেকৈ থাকিব পাৰিছে? সিহঁতক দেখিলেতো নাকত গোন্ধলগা বা বিৰক্তি পোৱা যেন নেলাগে। হয়তো আৰম্ভণিতে সিহঁতৰ অৱস্থাও তাৰ নিচিনাই হৈছিল, এতিয়া থাকি থাকি অভ্যাস হৈ গ'ল, কোনো দুৰ্গন্ধই আমনি নকৰা হ'ল। আৰু কৰিলেনো কি কৰিব, পেটৰ দায়তহে ইয়াত বহি ব্যৱসায় কৰিছে? সিওতো পেটৰ কাৰণেই এই লেতেৰা, ওকালি আহিব খোজা পৰিবেশত এঘণ্টা ধৰি বৈ আছে। অৱশ্যে সিহঁতৰ লগত তাৰ পাৰ্থক্য এইখিনিতেই যে সিহঁতৰ নাকত যেতিয়া আৰম্ভণিতে গোন্ধ লাগিছিল, তেতিয়া হয়তো সিহঁতে ব্যৱসায় আৰম্ভ কৰিছিল আজিৰ দৰে নিগাজি হ'বৰ কাৰণে আৰু সি কোনো ব্যৱসায়ৰ আৰম্ভণি কৰাৰ পৰিবৰ্তে এটা চাকৰি পাবৰ কাৰণে একপ্ৰকাৰ ল'টাৰি কৰিবলৈকে ইয়াত বৈ এই দুৰ্গন্ধ সেৱন কৰিছেহি। সেইফালৰ পৰা চাবলৈ গলে সিহঁতৰ লগত তাৰ যোগসূত্ৰ একেবাৰে নথকাও নহয়। কথাটো ভাবি তাৰ নিজৰে হাঁহি উঠি গ'ল।

সি কেউফালে চালে। অকলে অকলে তেনেকৈ ইঁহা কোনেও দেখা নাইতো? অথনিৰে পৰা সি যে ইয়াত বৈ আছে এনেকৈ, তাক কোনোবাই লক্ষ্য কৰি আছে নেকি? তেনেকৈ বৈ থকা দেখি তাক চিনেমাৰ টিকটৰ ব্লেকাৰ–চেকাৰ বুলি নেভাবেতো? ভাবিলেও ভাবক। কিনো বেয়া কথা? বৰং ব্লেকাৰৰ অৱস্থা কিজানি তাৰ দৰে এটা বেকাৰতকৈ ভালহে। এৰা, ব্লেকাৰবিলাকৰতো বেয়া উপাৰ্জন নহয়। তিনি-চাৰি টকাৰ টিকট দহ-বাৰ-পোন্ধৰ আনকি চিনেমা বুজি কুৰি টকালৈকে উঠে বোলে। তেনেহ'লে দিনে দহটা টিকট



বিক্ৰী কৰিব পাৰিলেও আৰু পুলিচক দি মেলিও চোন পঞ্চাছ-ষাঠি টকা, তাৰ মানে মাহে পোন্ধৰৰ পৰা ওঠৰশ টকা। ইফালে ইমান কাৰচাজি কৰি সি যিটো চাকৰিৰ চেষ্টাত ইয়াত এঘণ্টা ধৰি থু, খেকাৰ প্ৰস্ৰাৱ, নলা-নৰ্দমাৰ গেলা পানীৰ দুৰ্গন্ধ লৈ আছে সেইটো চাকৰিৰ দৰমহা এহেজাৰো নহয়। তথাপিও সি ব্লেকাৰ হ'ব নোৱাৰে। তাৰ এই চেহেৰা আৰু সাহেৰে তেনে কাম কৰিব নোৱাৰে। তাৰ কাৰণে অফিছৰ কেৰাণী মহৰীৰ কামেই উপযুক্ত, পইচা পাতি কমেই হওক লাগিলে।

ছিঃ কি অসহ্য দুৰ্গন্ধ। ইয়াৰ পৰা আঁতৰি সি অলপ আগুৱাই যাব নেকি? পিছে আঁতৰি গলে যদি কেনেবাকৈ তাই আহি বিচাৰি নেপায়, তেনেহ'লে সৰ্বনাশ হ'ব। ঠাইখিনি বেয়া হলেও ইয়াৰ পৰা কেউটা ৰাস্তা ভালেমান আঁতৰলৈকে দেখা পাই থাকি। গতিকে তাই ৰিক্সাত আহিলে যিফালৰ পৰাই নাহক লাগিলে সি দেখা পাবই। একে ঠাইতে বৈ থকাৰ সিদ্ধান্ত লৈ সি কাষৰ পাণ দোকানৰ পৰা তামোল এখন লৈ মুখত ভৰালে। পেটাল বিহাৰী দোকানীটোৱে তাক লক্ষ্য কৰি আছিল হ'বলা–টকাটো ৰাখি বাকী পঞ্চাছ পইচা ঘূৰাই দি সুধিলে–'কিচিকা ইন্তেজাৰ হ্যায় ক্যা?'

দোকানীৰ প্ৰশ্নত থতমত খালে সি, তথাপিও নিজকে চম্ভালি লৈ কলে–'হা, এইচা হি সমঝ'।

কথা বাঢ়ে বুলি দোকানৰ ওচৰত বৈ নেথাকি অলপ ৰাস্তাৰ ফালে আগুৱাই গ'ল। ইখনৰ পিছত সিখনকৈ ৰিক্সা আহিছে, গৈছে, মানুহ নামিছে, আকৌ উঠিছে কিন্তু তাইৰ এতিয়ালৈকে দেখা দেখি নাই। শেষত গৈ তাই তাক ডুবাব নেকি? কিন্তু তাৰ ধাৰণামতে তাইতো তেনেকুৱা, ইমান পাতল ছোৱালী হ'ব নেলাগে। অন্ততঃ যিমানদিনৰ পৰা চিনাকি আৰু যিমানবাৰ লগ পাইছে তাইকতো তেনে যেন বুলি তাৰ লগা নাই। পিছে তাই যেনেকুৱাই নহওক আজি সময়মতে আহি নোলাব লাগিলে তাৰ গোটেই আঁচনি মাটি হ'ব, চাকৰিটো পোৱাৰ মুদা মৰিব। কত কষ্ট কৰি সকলো ব্যৱস্থা কৰিছিল! মানুহটো এইমাত্ৰ আহি পাইছে, ওচৰৰ হোটেলখনত কফিৰ অৰ্ডাৰ দি বহুৱাই থৈ আহিছে। তাই আহিলে কি কৰিব সকলো আগতীয়াকৈ ঠিক কৰি থোৱা আছে।

মানুহটোৰ মুখখন আকৌ এবাৰ মনত পেলাবলৈ চেষ্টা কৰিলে সি। মুখৰ ভাবভঙ্গী একেবাৰে সত্ৰৰ কেৱলীয়া ভকতৰ দৰে, মাইকী মানুহ দেখিলে যেন সাত হাত আঁতৰেদি যাব। কিন্তু ইফালে তলে তলে .......... কলেও আনকি কোনেও বিশ্বাস নকৰিব। আনকি সিও নকৰিলেহেঁতেন এতিয়া নিজৰ স্বাৰ্থত জড়িত হৈ পৰিছে বুলিহে।

চাকৰিটোৰ সন্ধান কলেজত পঢ়োতে সিহঁতৰ লগত মেছ কৰি থকা 'দাদা' এজনে দিছিল। তেওঁ আকৌ সেই একে কোম্পানীৰ অন্য এটা শাখাত কাম কৰে। ইণ্টাৰভিউ তাৰ ভালেই হৈছিল। প্ৰাইভেট কোম্পানী হলেও সুবিধাপাতি ভাল, প্ৰভিডেণ্ড ফাণ্ড আদিও আছে। মহৰীৰ পৰা গৈ কেৰাণী আৰু কামত দক্ষতা, একাগ্ৰতা দেখুৱাব পাৰিলে আৰু ওপৰলৈ যোৱাৰ নজিৰ আছে এইবোৰ কোম্পানীত। কিন্তু ইণ্টাৰভিউ ভালদৰে হৈ যোৱাৰ এমাহৰ পিছতো যেতিয়া কোনো খবৰ নেপালে তেতিয়াহে সেই দাদাজনে কেনা কত আৰু সেই কেনা ভঙাৰ উপায়ৰ কথা কলে। কথা শুনি সি যেন আকাশৰ পৰাহে পৰিল।

"দাদা, মোৰ লগত আপুনি ধেমালি কৰিছে। মানুহটোক দেখিলেতো তেনে যেন নেলাগে।"

"একেবাৰে তপস্বী বিড়াল বুইছা, অফিচৰ বৰমুৰীয়া হলে কি হ'ব? আনৰ দৰে তাৰ টকা পইচাৰ প্ৰতি মোহ নাই, কিন্তু দুৰ্বলতা সেই এটাই।"

দাদাই ৰহস্যপূৰ্ণ হাঁহি মাৰি কৈছিল।

"কিন্তু মানুহটো বিবাহিত নহয়-জানো? বয়সো–"

"বয়স পঞ্চাছৰ উৰ্দ্ধত। ঘৰত ঘৈণীয়েক থাকিলে কি হ'ব, চিৰৰুগীয়া। সেইকাৰণেই কিজানি বুঢ়াৰ এই খক। কিন্তু ধৰাৰ উপায় নাই, মই ভাগ্যক্ৰমে এবাৰ গম পালো। পিছে এতিয়া অফিছৰ সবেই জানে। তুমি সোনকালে কিবা এটা কৰা চাকৰি লাগে যদি, নহলে তোমাৰ পিছৰ কেণ্ডিডেটে আগতেই বুঢ়াক পূজা দি তোমাক ওফৰাই দিব। পূজা মানে কি বুজিছাইতো?"

"মোৰ অৱস্থাৰ কথাতো আপুনি জানেই। পাৰিলে কাৰোবাক হত্যা কৰি হলেও চাকৰি এটা মানে উপাৰ্জনৰ বাট এটা এতিয়াই লাগে। কিন্তু সেইবুলি ইমান ইস্মৰেল কাম এটা জানি শুনি–"

"কেনেকৈ কৰিবা নহয় জানো? কিন্তু লোকে কৰিয়েই আছে আৰু তেনেকৈ কাম 'হাচিল' কৰি তোমাৰ আগেদিয়েই গাড়ী মটৰ দৌৰাই বৰ মানুহ, ধনী মানুহ বোলাই আছে। এতিয়া তুমি যদি মৰেলিটি, অনেষ্টি লৈ চাই থাকা–"

"হাতত টকা-পইচা থকা হ'লে শগুণটোক কোনোবা হোটেলতে ঠিক কৰি দিলোহেঁতেন। পিছে সেই জোৰো নাই–"

"ওহো, তেনে কথা মুঠেই নেভাবিবা। সেইবোৰলৈ তাৰ বৰ ভয়। ভি, ডি আদি নানা সোঁচৰা ৰোগ থাকে নহয় সেইবোৰৰ?"

মুঠৰ ওপৰত সি চাকৰি পোৱাৰ আশা এৰি দিছিল, কাৰণ তেনে নীচকাম তাৰ দ্বাৰা সম্ভৱ নহয়। পিছে সেইদিনাই টিউশ্যনৰ পৰা উভতি আহি ভায়েকৰ চিঠিখন পাইছিল। তাক কলেজত পঢ়াওঁতে বাপেকে ধাৰ লোৱা টকা পাঁচশৰ বিনিময়ত খেতিৰ মাটি ডৰা যায়। গতিকে টকা পাঁচ শ যেনে তেনে লাগেই। ইফালে বাপেকৰ কঁকালৰ বিষো বাঢ়ি একেবাৰে উঠিব নোৱৰা অৱস্থা, ডাক্তৰে গুৱাহাটীৰ মেডিকেললৈ অনাৰ কথা কৈছে। গতিকে এতিয়া সিয়েই যি ভৰসা, সকলোৱে তাৰ মুখলৈকে চাই আছে। অৱশ্যে চোৱাৰ কথাও–বাপেকে কিমান কষ্ট কৰি পঢ়াত ভাল বুলি তাক গুৱাহাটীত ৰাখি পঢ়ুৱালে, আৰু সি বি, এটো ভালদৰে পাছ কৰিও আজি ডেৰ-দুবছৰে চাকৰি এটাকে পাছ কৰিও আজি ডেৰ-দুবছৰে চাকৰি এটাকে যোগাৰ কৰিব পৰা নাই। পোষ্টেল অৰ্ডাৰ কিনি, ট্ৰেজাৰী চালান দি দৰ্খাস্ত কৰি কৰি তাৰ আমনি লাগিল। আৰম্ভণিতে ইণ্টাৰভিউ দিওঁতে যেনেকৈ কথাবোৰ সোধে, সি যেনেকৈ উত্তৰবোৰ দিয়ে তাৰ এনে লাগিছিল যেন চাকৰি হ'বই, নোহোৱাৰ কথাই নাই। কিন্তু পিছলৈ গম পোৱা হ'লগৈ চাকৰিৰ চাবি-কাঠি অকল ইণ্টাৰভিউ ভাল হোৱা বা মাৰ্কশ্বিটৰ ভাল নম্বৰ কেইটাই নহয়, আৰু আন কিবাকিবিহে, যিবোৰৰ এটাও তাৰ নাই।

চিঠিখন পঢ়ি উঠি সেইদিনা টিউশ্যন কৰি পোৱা টকা কেইটা গণি চালে। তিনি শ আশী টকা। তাৰে মেছত দিব লাগিব আঢ়ৈশ টকা, মাহটোৰ নিজৰ খৰচৰ বাবে অতি কমেও ত্ৰিশ টকা, বাকী থাকিলেগৈ ঘৰলৈ পঠিয়াবলৈ এশ টকা। অথচ মাটিখিনিৰ বাবেই লাগে পাঁচশ টকা। আকৌ চাকৰিটোৰ কথা মনত পৰিল। লগে লগে মনত পৰিল সেই শুভাকাঙ্খী দাদাজনে কোৱা কৌশলটোও। সেই চাকৰিটো তাক যেনে তেনে লাগেই, এই সুযোগ এৰি দিয়াটো মূৰ্খামি হ'ব। আৰু সতকাই এনে সুযোগ ক'ত পাব? কিন্তু সেই বুঢ়া শগুণক সন্তুষ্ট কৰাৰ ব্যৱস্থাটো? সেইটো সি কেনেকৈ কৰিব?

হঠাৎ চিটিবাছত সেইদিনাই আকৌ তাইক লগ পাই গ'ল। কি আচৰিত যোগাযোগ! তাইক দেখা পাই সিয়েই প্ৰথমতে মাত লগালে। তাইতো তাক লগ পাই একেবাৰে আনন্দত উৎফুল্লিত। অকল সেয়ে নহয় তাক নমা দেখি কথা পাতি তায়ো নামিল বাছৰ পৰা দুয়ো কথা পাতি ফুটপাথেৰে আগবাঢ়িল। তাই বাদামৱালা এটাৰ পৰা বাদাম লৈ হাতখন মেলি তালৈ আগবঢ়াই দিলে। সিহঁত গৈ কাষৰ পাৰ্কৰ ঘাঁহনিত বহিলগৈ।

তাই তাৰ খবৰ সুধিলে। যোৱা প্ৰায় দুবছৰেও চাকৰি এটাৰ যোগাৰ কৰিব নোৱাৰি প্ৰাইভেট টিউশ্যন কৰি টানিটুনি চলিছে বুলি কবলৈ তাৰ আত্মসম্মানত লাগিল; সেয়ে চাকৰি কৰাৰ কথাই ফটকৈ মুখেৰে ওলাই আহিল।

"আমাৰ তাত থাকি কলেজ পাছ কৰিলে, এতিয়া চাকৰি কৰিছে, তথাপিও আমাক গৈ মাত এষাৰ লগোৱা নাই। দেউতাই যেনিবা ঘৰৰ ভাড়া লৈছিলেই সেইবুলি ঘৰৰ আশ্ৰয়কণতো পাইছিল আৰু মা-দেউতাই কম জানো মৰম-চেনেহ কৰিছিল। আমাৰ অৱস্থাই

বাধ্য নকৰা হলে আপোনালোক কলেজত পঢ়া ল'ৰা কেইজনৰ পৰা ভাড়াই নললেহেঁতেন দেউতাই, তেখেত নিজেওতো শিক্ষক আছিল।"

তাইৰ কথাত অভিমানৰ সুৰ স্পষ্ট। তাইৰ কথা মিছা নহয়। সিহঁত ঘৰভাড়া কৰি মেছ কৰি থকা ল'ৰাকেইটাক তাইৰ মাক-দেউতাকে সঁচাই ছাত্ৰ জ্ঞান কৰি অনবৰত খবৰ খাতি লৈ আছিল। তেতিয়াও অৱশ্যে নিজৰ আধা আধি খৰচ ল'ৰা পঢ়ায়েই সি উপাৰ্জন কৰিছিল।

"মা-দেউতাৰাইহে মৰম কৰিছিল, তোমালোকতো পাষাণ প্ৰতিমা হৈয়ে আছিলা-"

সি জোকাইছিল তাইক।

"পাষাণ প্ৰতিমা ? নিজে কৰিব পৰা অঙ্কটো, ক্লাছত বুজোৱা ইংৰাজীৰ কবিতাটো বুজি লোৱাৰ চল কৰি মই তেনেহলে মাৰ পৰা খুজিগালি খাবলৈহে কাৰোবাৰ ওচৰলৈ গৈছিলো। অন্তৰত যদি আপোনাৰ অলপো মৰম থাকিলহেঁতেন! সেইবোৰ পিছলৈ কাৰোবালৈ সাঁচি থবও পাৰে অৱশ্যে। এতিয়া কওকচোন কোন সেইগৰাকী ভাগ্যৱতী ?"

তাই অলপো বঢ়াই কোৱা নাছিল। তাৰ প্ৰতি তাইৰ দুৰ্বলতা সি লক্ষ্য নকৰাকৈ থকা নাছিল। সি পিছে বিশেষ উৎসাহ দেখুৱাবলৈ ভৰসা পোৱা নাছিল। মেছৰ আন বৰ্ডাৰ কেইজনৰ কাৰণে কথা-বতৰা পতাও সম্ভৱ নাছিল। এদিন কলেজৰ পৰা ওভতাৰ বাটত লগ পাই তাইক ফুৰিবলৈ যোৱাৰ প্ৰস্তাৱ দিয়াত মাক-বাপেকৰ ভয়ত নোৱাৰিব বুলি কোৱাৰ পিছত তাৰো আগ্ৰহ একেবাৰে কমি গ'ল।

"কি যে কথা কৈছা ? ভাগ্যৱতীয়েই বোলা বা হতভাগিনীয়েই বোলা-কোনো নাই। মই এতিয়াও একেবাৰে অকলশৰীয়া-"

সি হাঁহি হাঁহি কৈছিল তাইক পতিয়ন নিয়াবলৈ।

"সচাঁই ? শপত ?"

সি শপত নেখালেও তাইৰ চকুমুখ আনন্দত উজ্জ্বলি উঠিছিল। তাই কব খোজা কথাষাৰ নকলেও তাইৰ চকুৰ পৰাই সি বুজি পাইছিল।

সন্ধিয়া হোৱাৰ আগে আগে তাইক আকৌ বাছত উঠাই দি সি মেছলৈ উভতিছিল। তাৰ মনটো ঠিক কেনেকুৱা লাগিছিল সি নিজেই কব পৰা নাছিল। সঁচাকৈ চাকৰি এটা থকা হ'লে নিশ্চয় খুব ভাল লাগিলহেঁতেন, মনটো কি জানি উৰো উৰো লাগিলহেঁতেন, সি সঠিক ক'ব নোৱাৰে, যিহেতু তাৰ চাকৰি নাছিল।'

"মই মা-দেউতাক আপোনাৰ কথা কমগৈ। অহা দেওবাৰেতো আপোনাৰ অফিচ নাই, সেইদিনা আমি আপোনালৈ বাট চাই থাকিম। আহিব দেই-"

হাঁহি হাঁহি তাই বিদায় লৈছিল। সি 'বাৰু' বুলি মাথো শলাগিছিল।

সেইদিনাই মেছলৈ উভতি গৈ ভায়েকৰ চিঠিখন দেখি আকৌ চাকৰিটোৰ কথা মনত পৰিল। লগে লগে তাইৰ মুখখন ভাহি উঠিল। তাৰ এনে অৱস্থাত চাকৰিটো যেনেতেনে, যিকোনো মূল্যৰ বিনিময়ত তাক লাগেই। তেনেহলেচোন তাইকেই কামত লগাব পাৰি। অলপমান অভিনয়, অলপমান মৰমেৰে যদি তাইক তাৰ ওচৰলৈ এদিন লৈ আহিব পাৰে, বাকীখিনি চম্ভালাটো বিশেষ টান নহব। আবেলি লগ পাওঁতে তালৈ তাইৰ যি আগ্ৰহ আৰু উৎসাহ দেখিলে, তালৈ চাই কামটো সিমান টান হ'ব যেন নেলাগিল। তেন্তে এবাৰ চেষ্টা কৰি চোৱাতনো আপত্তি কি ? নহ'লে নাই, তাৰতো একো হেৰুৱাব লগীয়া নাই। যোৱা প্ৰায় দুবছৰে তাইৰ কথা সি একো নেজানে, একেবাৰে সেই আগৰ মাক দেউতাকে ল'ৰাৰ লগত দেখিলে খং কৰিব, বেয়া বুলিব বুলি ভবা ছোৱালীজনী হৈ আছে বুলিনো সি কেনেকৈ দাঠি কব ? আজি তাইৰ ৰেহৰূপ দেখিতো সেই একেজনী ছোৱালী হৈ থকা যেন তাৰ লগা নাই। কিজানি কামটো তাই ভালেই পায়। আজিকালি কিমান কলেজীয়া ছোৱালীয়ে এইবিলাক কৰে বুলি শুনা যায়। কিন্তু তাই যদি ৰাজি নহয় তাক লগ ধৰিবলৈ আহিবলৈ, বা কেনেবাকৈ তাৰ ষড়যন্ত্ৰৰ বিষয়ে আগতীয়াকৈ গম পায় যায় অথবা কামটো হৈ যোৱাৰ পিছত যদি বিশ্বাসঘাতকতাৰ অপৰাধত তাক জগৰীয়া কৰে ? চাকৰিটো পালে তাৰ আৰ্থিক অনাটন দূৰ হ'লেও সি যে তাইৰ ওচৰত, তাক ইমান মৰম চেনেহ কৰা তাইৰ মাক দেউতাকৰ ওচৰত সদায় অপৰাধী আৰু সততাৰ দৰিদ্ৰ হৈ থাকি যাব। তেনেহলে সি কি কৰিব ? কোনটো পথ বাছি লব ? গোটেই ৰাতি অন্তৰ্দ্বন্দ্বত ভুগি একো সিদ্ধান্ত কৰিব নোৱাৰি পিছদিনাই সেই শুভকাংক্ষী দাদাজনৰ ওচৰ পালেগৈ। সিদ্ধান্ত তেঁৱেই কৰিলে-

"চোৱা, যদি তুমি কথাটো তেনেকৈ ইমান চিৰিয়াচলি লৈছা, তেনেহলে এটা কাম কৰা। চাকৰিত যোগ দিয়েই অন্য চহৰত থকা কোম্পানীৰ অন্য শাখালৈ বদলি হৈ লোৱা ঘৰুৱা অসুবিধা বা অন্য কিবা অজুহাত দেখুৱাই। বুঢ়া সন্তুষ্ট হলে সেইটো একো টান কাম নহব। তেনে কৰিলে কেতিয়াও আৰু তুমি তাইৰ সমুখীন হ'বলগীয়া নহয়। মুঠৰ ওপৰত এনে সোণালী সুযোগ তুমি এৰাৰ কথা নেভাবিবাই।"

হয়, লাগিলে সি তাইৰ সমুখৰ পৰা পলাব। তাইৰ মুখামুখি হোৱাতকৈ ইয়াৰ পৰা চিৰদিনৰ বাবে পলাই যোৱাই বৰং সহজ হ'ব। তাক মুঠতে চাকৰিটো যেনে তেনে লাগেই।

আৰু কোনো চিন্তা মনলৈ আহিবলৈ নিদিয়াকৈ যোৱা দুদিনত সি গোটেই আঁচনি সম্পূৰ্ণ কৰি পেলালে। অৱশ্যে তাইযে ইমান সহজতে তাৰ কথাত ৰাজি হৈ যাব সি ভবাই নাছিল। তাৰ চাকৰি প্ৰাপ্তি আৰু তাইক আকৌ লগ পোৱা উপলক্ষে চিনেমা চোৱা আৰু সন্ধিয়া ফুৰাৰ প্ৰস্তাৱ পৰহি দিওঁতে তাইতো একেবাৰে আনন্দত আত্মহাৰা।

সি তাইক বিচাৰি ঘৰলৈকে ওলাইছিল, কিন্তু তাৰেই ভাগ্য ভাল-তাইক কলেজৰ পৰা উভতি অহাৰ বাটতে লগ পাই গ'ল। ফলত অন্ততঃ মাক-দেউতাকৰ মুখা মুখি হোৱাৰ পৰা সি বাচি গ'ল। তাই তাকতো একপ্ৰকাৰ টানি-হেঁচুকি ঘৰলৈ নিয়েই। সিহে দেওবাৰে যেনে তেনে যাব বুলি কৈ কোনোমতে এৰাই আহিছে। তাৰ কামটো কোনোমতে 'হাচিল' হলেই হ'ল। এইটো দেওবাৰে কিয়, আৰু কোনো দেওবাৰেই তাই যে তাক আৰু লগ নেপাব সেয়াতো তাই নেজানে! তাৰ মনটো গধুৰ হৈ পৰিছিল যদিও সেয়া ক্ষন্তেকৰ বাবেহে।

কিন্তু কিবা কাৰণত যদি তাই নাহে ? মাকক যদি বিশ্বাস যোগ্য ভাবে ফাকি দিব নোৱাৰে ?

-"কি ভাবি আছে ইমানকৈ ? মই কেইবাৰ মাতিলো- আপোনাৰ চোন খিয়ালেই নাই।"

হঠাতে এইমুহূৰ্তত পৰম বাঞ্ছিত মাতটো ওচৰতে শুনি সি একপ্ৰকাৰ চক্ খাই উঠিল। ছিঃ মিছাই সি অদৰকাৰী চিন্তাবোৰ কৰি আছিল! আন মানুহেও লক্ষ্য কৰিছে নেকি বাৰু সি এনেকৈ বেঙাৰ দৰে ৰৈ থকা ?

"কি ভাবিম আৰু, তোমাৰ কথাই ভাবি আছিলো। পলম হোৱা দেখি মোৰতো চিন্তাই হৈছিল তুমি নাহা বুলি-"

অথাই পানীত পৰি পাৰ পাবলৈ কক্‌বকাই থকা মানুহে পাৰ পালে যেনে হয়, তাৰো তাইক দেখি এতিয়া তেনে অৱস্থা। তাৰ এনে লাগিছে যেন সি পাৰ পাই গ'ল, বহু আকাংক্ষিত চাকৰিটো যেন তাৰ হোৱাৰ বাটত।

"এইকণ বিশ্বাসো নাইনে মোৰ ওপৰত ? আচলতে পলম হোৱাৰ মূলতে হ'ল আমাৰ ৰিক্সাখন, সেইখন যেনিবা ভাড়া মাৰিবলৈ গুচি গৈছিল।"

"ঠিক আছে বাৰু মোৰ কথা উঠাই লৈছো। বলা এতিয়া বেগাই, চিনেমা আৰম্ভ হ'বই।"

সিহঁত চিনেমা হলটোৰ ফালে খোজ দিলে। ওচৰৰে হোটেলৰ মুখ পাওঁতেই মানুহজন ওলাই আহিল; বোধহয় ভিতৰৰ পৰাই সিহঁতক দেখা পাইছিল।

তাইক দেখিয়েই মানুহজনৰ মুখখন পোহৰ হৈ উঠিল, বহু প্ৰতীক্ষাৰ মূৰত চিকাৰ দেখি চিকাৰীৰ হোৱাৰ দৰে। মুখত সেই কেৰলীয়া ভকতৰ ছাপটো পিছে লাগিয়েই আছে।

টুৰলৈ অহা সিহঁতৰ হেড অফিছাৰ বুলি চিনাকি কৰাই দিলে তাইৰ লগত। চিনেমা চাবলৈ লগ ধৰাত তেওঁৰ গাটো অলপ বেয়া লাগিছে, হোটেললৈ গৈ জিৰণি লব বুলি কৈ সিহঁতৰ পৰা বিদায় ললে। অৱশ্যে যোৱাৰ সময়ত তেওঁৰ হোটেলত সোমাই অফিছৰ কাগজ পত্ৰ কিছুমান তাক্ লৈ যোৱাৰ কথা তাইক শুনাই কবলৈ নেপাহৰিলে। সিহঁত দুয়ো বেগাৰেগীকৈ গৈ হলৰ ভিতৰত সোমাল।

এন্ধাৰতে খেপিয়াই ছীট বিচাৰি বহিল দুয়ো।

"উস্ ৰক্ষা তেও, মানুহটোৰ গা বেয়া লাগিল বুলিহে! ভাল বুঢ়াটোক লগ ধৰিছিল চিনেমা চাবলৈ, গোটেই আনন্দখিনিয়েই মাটি কৰিলেহেঁতেন! মানুহটোৰ চাৱনিটোও যিহে, একেবাৰে যেন গিলিহে পেলাব।"


তাই যিমান পাৰে সিমান তাৰ কাষ চাপি বহি লৈ কলে।

"মই ভদ্ৰতাৰ খাতিৰত কৈহে চাইছিলো, তাক লগত আনিবলৈ মোক ইমান বুৰ্বক বুলি ভাবিছা নেকি ? আচলতে চাকৰিৰ প্ৰমোচন আদি এই মানুহটোৰ বুলিহে-"

সি তাইক পতিয়ন নিয়াবলৈকে তেনেকৈ কলে।

চিনেমা ইতিমধ্যে আৰম্ভ হৈছিলেই। পৰ্দাৰ পোহৰত তাইৰ মুখখন সি স্পষ্ট দেখিছিল। তাইক আন দিনাতকৈ আগেয়ে সিহঁতৰ ভাড়াঘৰত থাকোতে দেখাতকৈ আজি ধুনীয়া দেখাইছে, নিশ্চয় সাজি কাচি অহাৰ কাৰণে। তাইতো মনৰ উলাহতে, তাৰ লগত চিনেমা চাবলৈ পোৱাৰ আনন্দতে এনেকৈ সাজি কাচি আহিছে। কিন্তু তাইতো অনুমানেই কৰিব পৰা নাই কিজানি এই আয়োজন সি কাৰ বাবে কৰাইছে! অৱশ্যে চাবলৈ গলে এই আয়োজন আওপকীয়াকৈ হলেও তাৰ বাবেই, কাৰণ এই আয়োজনেৰেই তাৰ চাকৰিৰ বাটটো মুকলি হ'ব। তাৰ চাকৰিটো তাইৰ কাৰণেই সম্ভৱ হ'ব। তাৰ যে চাকৰিটোৰ বৰ প্ৰয়োজন। তাইক মানুহজনৰ পছন্দ হৈছে, তেওঁৰ মুখ দেখিয়েই সেইটো সি বুজিব পাৰিছে। গতিকে চাকৰিটো নোহোৱাৰ কোনো কাৰণ নাই। তাইৰ যাতে কোনো ধৰণৰ সন্দেহ নহয়, সেই কাৰণেই এইখন নাটক কৰিবলগীয়া হ'ল। এতিয়া মাথো কিছুসময়ৰ পিছত হোটেললৈ নি তাইক গটাই দিব পাৰিলেই হ'ল। ইমানখিনিলৈকে হ'ল যেতিয়া বাকীখিনিও হৈ যাব। তাৰহে এইবোৰৰ অভিজ্ঞতা নাই, মানুহজনতো এই বিষয়ত অভিজ্ঞ। গতিকে সি নিশ্চিন্তে থাকিব পাৰে।

চিনেমাৰ পৰ্দাৰ চকামকা পোহৰত সি আকৌ এবাৰ তাইৰ মুখলৈ চালে। কিমান নিশ্চিন্ত আৰু নিৰ্ভয়মনে তাই তাৰ কাষ চাপি চিনেমা চাইছে! তাৰ মনত কি আছে, সি মনে মনে কি পাঙি থৈছে তাইতো লেশমানো গম পোৱা নাই! সি আৰু তাইৰ মুখলৈ চাই থাকিব নোৱাৰিলে। তাইৰ সান্নিধ্যও তাৰ লাহে লাহে অসহ্য লাগিল। এনেকৈ থাকিব লাগিলে চিনেমাৰ মধ্যান্তৰলৈকে তাৰ বহি থকাই টান হ'ব। তাইক দেখিয়েই আৰম্ভ হোৱা উত্তেজনা আৰু বুকুৰ ঢপ ঢপনি কমাই নাই, বৰং সময়



গৈছে মানে বাঢ়িছেহে।

"অলপ ভালদৰে পোন হৈ বহাচোন, মানুহে দেখিলে কি কব ?"

সি অগত্যা তাইক অলপ ঠেলি দি কলে। তাই তালৈ ঘোপাকৈ চাই পোন হৈ বহিল যদিও তাৰ গাৰ কাষৰ পৰা বিশেষ আঁতৰি নগ'ল। তাই বেয়া পাব পাৰে বুলি সি আকৌ লাহেকৈ সুধিলে-

"ঘৰৰ পৰা কেনেকৈ ওলাই আহিলা ? চিনেমা চাম বুলি নে বান্ধৱীৰ তালৈ যাম বুলি ? দিলেনে আহিবলৈ ?"

"সেই দুবছৰৰ আগৰ সৰু ছোৱালীজনী হৈ আছো বুলি ভাবিছে নেকি এতিয়াও ? মাহঁতে এতিয়া সিমান হকা-বধা নকৰে। ছোৱালী যে ডাঙৰ হৈছে আৰু একো দায়িত্বজ্ঞানহীন কাম নকৰে সেইটো বুজিব পৰা হৈছে। তাৰ পিছত মাৰ মন বুজি যেতিয়া আপোনাৰ কথা কলো তেতিয়া আৰু বিশেষ আপত্তি নকৰিলে। তথাপিও ৰিক্সাৱালাক কৈ পঠিয়াইছে কেনেবাকৈ যদি আপোনাক লগ নেপাওঁ অহা বাটেৰেই ওভতাই লৈ যাবলৈ।"

"পিছে দুৰ্ভাগ্যক্ৰমে মোক পালা যেতিয়া ওভতাই নিবলগীয়া নহ'ল, কি কোৱা ?"

সি তাইৰ মনটো ভাল লগাবলৈকে তেনেকৈ কলে। কব নোৱৰাকৈ তাৰ হাতএখন তাইৰ হাতত লাগিল। তাই হাতখন আঁতৰাই নিয়াৰ কোনো প্ৰয়াস নকৰি কলে-

"দুৰ্ভাগ্য নে সৌভাগ্য ? মইতো আপোনাক আৰু কোনোদিন লগ নেপাম বুলিয়েই ভাবিছিলো। ঘৰৰ পৰা বাহিৰলৈ ওলালেই ৰাস্তাত, বজাৰত সদায় চকু সতৰ্ক কৰি ৰাখো-কৰবাত আপোনাক দেখা পাই যাওঁ বুলি। শেষলৈ ভাবিবলৈ বাধ্য হ'লো যে আপুনি বোধহয় চাকৰি-বাকৰি লৈ আন কোনোবা ঠাইলৈ গ'লগৈ। অথচ চাওকচোন, সিদিনা হঠাৎ কেনেকৈ লগ পাই গলো! একেবাৰে চিনেমাত ঘটাৰ দৰে-"

"এৰা চিনেমাতহে এনেকুৱা সংযোগ ঘটে।"

হয় সংযোগেই বুলিব লাগিব। নহলে এনে এটা সময়ত তাইক কেলেই লগ পাই যাব লাগে সি ? সিওতো ইমানদিন এই মহানগৰীত টাকুৰি ঘূৰাদি ঘূৰি ফুৰিছে, তথাপিতো কতো এদিনো তাইক লগ পোৱা নাই। অৱশ্যে ঘৰলৈ বিচাৰি গলে নিশ্চয় লগ পালেহেঁতেন, কিন্তু তাৰ কোনো প্ৰয়োজন বোধ কৰা নাই। তাৰ জীৱনত তাইৰ কিবা স্থান আছে বুলি সি কেতিয়াও দকৈ ভাবিও চোৱা নাই।

"ইস্, আপুনি মোৰ কথা শুনাই নাই, একেবাৰে চিনেমাতে মগ্ন-"

তাৰ হাতখন এইবাৰ তাইৰ হাতত। তাই অনৰ্গল কথা কৈয়ে আছে। ইমান দিনৰ মূৰত, এনে এটা পৰিৱেশত তাক লগ পাই তাইৰ কথাৰ ভঁৰাল যেন খুলি দিছে।

"মগ্ন মানে ? পইচা ভাঙি চিনেমা চাম বুলিয়েইতো হলত সোমাইছোহি। চোৱাচোন চিনেমা চোৱা, ক'ৰ পৰা কি ঘটে চাই থাকা-"

সি উপায় নেপাই কলে।

"আপোনাৰ লগত বহি চিনেমা চাবলৈ পাইছো, মোৰ কাৰণে সেইটোৱে ডাঙৰ কথা, স্মৰণীয় ঘটনা-চিনেমাত যি ঘটে ঘটি থাওক। এটা কথা পিছে, চিনেমাৰ পিছত আপোনাক





OKDISCD

যেনে তেনে আমাৰ তালৈ লৈ যাবলৈ মা-দেউতাই কৈ পঠিয়াইছে। চিনেমা ভাঙে মানেতো সন্ধিয়া হ'ব। এই ৰাতিখন মই অকলে ঘৰলৈ যাব নোৱাৰো, আপুনি মোক থৈ আহিবই লাগিব। আপুনি আছে বুলি জানিহে মাই মোক আহিবলৈ দিছে।"

উৱা, কি কথা কয় এইজনীয়ে ? সি বুলিহে মাকহঁতে আহিবলৈ দিছে তাইক ? চিনেমা চাই তাইক ঘৰত থৈ আহিব লাগিব ? সি সিহঁতৰ ঘৰলৈ যাব লাগিব ? সি থৈ আহিব বুলিহে তাইক পঠিয়াই দিছে ? কিন্তু সিতো একেবাৰে অন্য আঁচনি কৰি থৈছে। সেই আঁচনিমতে অলপ পিছতেই তাইৰ লগত তাৰ সম্পৰ্ক শেষ হ'ব। তাইক নিৰাপদে ঘৰত থৈ অহাৰ কথাতো তাৰ আঁচনিত নাই! সেই আঁচনি অকল তাৰ চাকৰিৰ চাবিকাঠি হস্তগত কৰিবলৈহে।

"আপুনিচোন হা না একো নোকোৱা হ'ল ? নে মোৰ লগত ৰিক্সাত একেলগে গলে মানুহে দেখিব বুলি ভয় কৰিছে ? নে মা-দেউতাইঁতৰ আগত ইমানদিনৰ মূৰত ওলাবলৈ আপোনাৰ লাজ লাগিব ? মই পিছে আপোনাৰ কোনো আপত্তি নুশুনো আজি। মোৰ লগত আমাৰ ঘৰলৈ যাবই লাগিব, নহলে মাইঁতে মই ফাকি দিয়া বুলি ভাবিব।"

উত্তৰত সি কি কব ? সিহঁতৰ দুয়োটাৰ আঁচনিৰ ইমান পাৰ্থক্য। একেবাৰে যেন সুমেৰু-কুমেৰু। তাইৰ মুখ বন্ধ কৰিবলৈকে সি মিছা মাতিলে, তাই কোৱা মতেই হ'ব বুলি কলে।

"মই জানো নহয়, আপুনি মোক লাজত নেপেলায় বুলি। আপোনাৰ ওপৰত মাইঁতৰ সেইকণ বিশ্বাস আছে বুলিয়েইতো মোক আহিবলৈ দিছে।"

তাইৰ কথা শেষ হৈয়ো যেন শেষ হ'ব নোখোজে।

ওহো, এইৰ কথাত আৰু কাণ দিব নোৱাৰি। সকলো খেলিমেলি হৈ যাব। তাইক চিনেমাত মনোনিবেশ কৰাই ভাল। তাৰ হাতখন লৈ থকা তাইৰ হাতৰ মুঠিটোও ইমান টান যেন লাগিছে! ইচ্ছা কৰা সত্ত্বেও তাৰ হাতখন সি এৰুৱাই আনিব পৰা নাই।

সি চিনেমাৰ পৰ্দাত চকু দিলে। ......অফিছৰ টকাৰ হিচাপৰ গণ্ডগোলৰ কাৰণে, চাকৰি যোৱা নায়ক অফিছৰ 'বছৰ ঘৰত হাত যোৰকৈ উপস্থিত বোধহয় চাকৰিটো ৰখাৰ কাৰণে অনুৰোধ–'বছে'–মূৰ দুপিয়াই কিবা এটা কলে– হয়তো কিবা আশ্বাস দিলে। তাৰ পিছত 'বছ' নায়কৰ ঘৰত, নায়ক আৰু গাভৰু ঘৈণীয়েকৰ আদৰ-আপ্যায়ন। এনেতে কিবা আনিবলৈ নায়ক ওলাই গ'ল হঠাতে ঘৰৰ পৰা, ঘৈণীয়েকে কিবা এটা বিচাৰি বেডৰুমলৈ সোমাই যাওঁতেই 'বছে'ও তাইৰ পিছ ললে আৰু ৰুমত সোমাই ......

–আৰু অলপ সময়ৰ পিছতে সিও মূৰ বিষাইছে বুলি চিনেমা হলৰ পৰা তাইক লৈ ওলাই যাব। অফিছাৰ জনৰ খবৰ লোৱা আৰু অফিছৰ কাগজ-পত্ৰ অনাৰ অজুহাতত তাইক লৈ সেই নিৰ্দিষ্ট হোটেলৰ নিৰ্দিষ্ট কোঠাত উপস্থিত হবগৈ। মানুহটোৱে সিহঁতলৈ চাহ-কফি জাতীয় পানীয় অনাব। ক্ষন্তেক পিছতে সি তেওঁলৈ চিগাৰেট অনাৰ অজুহাতত ওলাই আহিব। লগে লগে মানুহটোৱে দুৱাৰ বন্ধ কৰি হুক লগাই দিব ......

"উস্ মানুহটোৱে ভিতৰত সোমাই দুৱাৰৰ হুক মাৰিলেই। কি হ'ব এতিয়া মানুহজনীৰ ?"

হঠাৎ তাইৰ মাতত চক্ খাই উঠিল সি। তায়োযে পৰ্দাত চকু দিছে সি কবই পৰা নাছিল।

"গিৰিয়েকটোৱেও এনেকৈ অকলে এৰি থৈ এই সময়তহে যাব লাগে নে ? সেয়া সি হুক মাৰি ঘূৰিলেই। তাৰ মানে আৰু কেইমুহূৰ্তমানৰ পিছতেই–"

...... হয় আৰু কিছুসময়ৰ পিছতেই বুঢ়া শগুণৰ মুখৰ কেৰলীয়া ভকতৰ-ছাপ নিমিষতে নাইকিয়া হৈ চিকাৰী বাঘৰ ৰূপ লব। হোটেলৰ চাউণ্ডপ্ৰুফ কোঠাত এই তাৰ কাষত বহি থকা, তাক ইমান বিশ্বাস কৰি তাৰ একেষাৰ কথাতে তাৰ লগত চিনেমা চাবলৈ আহি আনন্দৰ আতিশয্যাত অনৰ্গল কলকলাই থকা ছোৱালীজনীৰ কান্দোনৰ ৰোল উঠিব, তাইৰ সৰ্বশক্তিৰে নিজক এটা কামাতুৰ প্ৰৌঢ় পশুৰ পৰা ৰক্ষা কৰিবলৈ যুঁজি যুঁজি এসময়ত ভাগৰি পৰিব আৰু তেতিয়াই ......

"–ইস্ গিৰিয়েকটো এতিয়াও আহি ওলোৱা হ'লে–এতিয়াও সময় আছিল, সকলো শেষ হৈ যোৱা নাই–ইস ইস–"

তাৰ নিচেই কাষত, তাৰ হাতখন মুঠিত লৈ থকা ছোৱালীজনীৰ মাতত সেই চাউণ্ডপ্ৰুফ ৰুমৰ করুণ আৰ্তনাদৰ প্ৰতিধ্বনি সি যেন শুনিবলৈ পালে।

নাই, সি আৰু চাই থাকিব নোৱাৰিলে। মূৰ বিষোৱাৰ ভাও ধৰিব বুলি সি ভাবিছিলহে, এতিয়া সঁচাকৈ তাৰ মূৰটো টিংটিঙাইছে, ঘূৰাইছেও। ওহো, ইয়াত আৰু বহি থাকিব নোৱাৰি।

সি হঠাৎ থিয় হ'ল আৰু যাবলৈ ওলাল।

"বলা ইয়াৰ পৰা ওলাই যাওঁ–"

"কেলেই, হঠাতে কি হ'ল ?–"তাই আচৰিত হৈ বহি থাকিয়ে সুধিলে।

"মোৰ মূৰটো বৰকৈ বিষাইছে, বমি বমিও লাগিছে–উঠা যাওঁ–"

সি তাইক হাতত ধৰি একপ্ৰকাৰ জোৰ কৰি বহাৰ পৰা উঠাই আনিলে।

"এই চিনটো অন্তত চাই যাওঁ, মানুহটো ঘৈণীয়েকক বচাবলৈ আহি পায় নে নেপায়–"

দুৱাৰৰ ওচৰ পাই তাই আকৌ কলে।

"নেপায়হি, সি নেপায়হি বুইছা। সি কেতিয়াও ঘৈণীয়েকক বচাব নোৱাৰিব–"

সি উত্তেজিত ভাবে কলে।

"আপুনি কেনেকৈ জানিলে ? আগতে চাইছিল নেকি ?"

"নাই চোৱা, কিন্তু মই জানো। এনে পৰিস্থিতিত এনেকুৱাই হয়। চাকৰি নোহোৱা, উপাৰ্জন নথকা মানুহৰ পেটৰ ভোকৰ জ্বালাই সিহঁতক পশু, লম্পট কৰি তোলে, সিহঁতৰ মনুষ্যত্ব নাইকিয়া কৰি পেলায়। ব'লা, ব'লা বাহিৰলৈ–ইয়াত মোৰ উশাহ বন্ধ হৈ যাব এতিয়া।"

সি তাইক আৰু কোনো কথা কোৱাৰ সুযোগ নিদি হাতত ধৰি টানিয়েই বাহিৰলৈ উলিয়াই আনিলে। বাহিৰলৈ আহি দীঘলকৈ উশাহ লৈ আবেলিৰ ৰংচুৱা বেলিৰ পোহৰত তাইলৈ ভালদৰে চালে, একেবাৰে চকুত চকু থৈ। সঁচাকৈ তাইক বৰ ধুনীয়া দেখাইছে। অথচ তাইকেই সি এটা চাকৰিৰ কাৰণে এক চৰিত্ৰহীন, প্ৰেঠঢ় লম্পটৰ হাতত ......

'বলা ইয়াৰ পৰা সোনকালে আঁতৰি যাওঁ, ইয়াত আৰু এক্ষন্তেকো থাকিব নোৱাৰি।"

সি হলৰ চোতালৰ পৰা আহি ৰাস্তাত উঠিলহি। নিৰুপায় হৈ তায়ো লগে লগে আহিল। তাৰ তেনে আচৰণত তাই আচৰিত হ'ল। হঠাৎ কি হ'ল মানুহটোৰ ? এই অলপ আগলৈকে মূৰ বিষোৱাৰ, গা বেয়া লগাৰ নাম গোন্ধেই নাই। তাই ভাবি পোৱা নাই ক'ত কেনা লাগিল। তাই বাৰু কিবা নকবলগীয়া কথা কলে নেকি ? কিন্তু তাকো সুধিবলৈকো তাইৰ সাহ নহ'ল।

সি আকৌ এবাৰ তাইলৈ চালে কেৰাহিকৈ আৰু ৰিক্সা এখন ওচৰলৈ মাতিলে।

"উঠা–"

"কিন্তু কলৈ ?"

তাই জানিব বিচাৰিলে।

"কেলেই তোমালোকৰ ঘৰলৈ ? তোমাক ঘৰত থৈ আহিবলৈ ?"

সি হাঁহি মাৰি কলে।

"কিন্তু আপোনাৰ অফিছাৰ জনৰ খবৰ লোৱাৰ কথা যে আছিল–গা বেয়া লগা বুলি যে কৈছিল–"

আকৌ সেই শিশুৰ সৰলতা তাইৰ কথাত।

"নেলাগে ব'লা, দৰকাৰ নাই–"

"অফিছৰ কিবা কাগজ পত্ৰ অনাৰ কথা আছিলে যে ? আপোনাৰ চিনিয়ৰ অফিছাৰ–যদি আপোনাৰ চাকৰিৰ কিবা ক্ষতি হয়–"

তাই ৰিক্সাত উঠি আকৌ সুধিলে।

"নাই, নাই–একো নহয় ব'লা। সি এতিয়া আমাৰ আৰু একো ক্ষতি কৰিব নোৱাৰে।"

কৈয়েই সি ৰিক্সাত উঠি বহিল আৰু ৰিক্সাৱালাক গন্তব্যস্থানৰ নিৰ্দেশ দিলে। মোৰ বুলি কোৱাৰ সলনি কেলেই সি আমাৰ বুলি কলে তাই বুজি নেপালেও তাক নুসুধিলে। তাই তাৰ কাষ চাপি বহিল আৰু তাক ৰিক্সাৰ হুডখন উঠাই দিবলৈ কলে। □



# চৰাই বাহৰ চুপ

## ডিম্বেশ্বৰ চলিহা

চৰাইৰ মঙহৰ চুপ আমাৰ দৰে সৌভাগ্যবান দুই একে হয়তো কেতিয়াবা কৰবাত জুতি লোৱাৰ সুযোগ পাইছো। সৌভাগ্যবান বুলি এইবাবেই কৈছো যে আমাৰ অসমীয়া বা ভাৰতীয় ভাত সাজৰ আগে আগে চুপ যোগান ধৰা নহয়। চুপ হ'ল মূলতে বিলাতী খাদ্য। পাছে বহুতো বিলাতী বস্তু বিলাতী খাদ্য চুচুক চামাকৈকে আমাৰ ঘৰঘৰ, ৰান্ধনি ঘৰত সোমাইছেহি। চুপৰ আৱিৰ্ভাৱো ঠিক তেনেদৰেই হৈছে। টেঙা-টোকোচা, কাহুদী খাৰলিৰ সলনি দুই এবিধ বিলাতী খাদ্য পৰিবেশন কৰিব পৰাটো কোনো কোনোৱে গৌৰৱৰ কথা বুলিও ভাবে। পশ্চিমীয়া কায়দাৰে গঢ়ি উঠা ক্লাব, সংঘ আদিৰ ডিনাৰ পাৰ্টিবোৰত চুপৰ পৰিবেশন প্ৰায় বাধ্যতামূলক হোৱাৰ দৰেই হৈছে।

পাছে চুপ বুলিলে সাধাৰণতে দাইলৰ চুপ, মাংসৰ চুপ বা শাক-পাচলিৰ চুপৰ কথাহে মনলৈ আহে। কিন্তু শুনি আচৰিত হ'ব যে চৰাইৰ বাহৰ পৰা তৈয়াৰ কৰা চুপো আছে। দেখাত আকৰ্ষণীয় হ'লেও মল মূত্ৰৰে ভৰা চৰাইৰ বাহ একোটাৰ পৰা চুপ তৈয়াৰ কৰা আৰু তাকো মানুহে তৃপ্তিৰে খোৱাৰ কথা ভাবিবই নোৱাৰি। কিন্তু তেনে চুপ খাই টকালি পৰা লোকো দুই এখন দেশত আছে। চীন দেশত এইবিধ খাদ্য হেনো আমাৰ মাছ মঙহৰ দৰে। মানুহে খেদি খেদি খায়। আমাৰ ভাৰততো বহুতো হোটেলত চীনা খাদ্য পৰিবেশন কৰা হয়। সেইবিলাকত অৱশ্যে চৰাই বাহৰ চুপ পৰিবেশন কৰা হয়নে নহয়, জনা নাযায়।

চৰাই বাহৰ চুপ বনোৱাৰ পদ্ধতিটো হ'ল এনেধৰণৰঃ চৰাইৰ বাহ কেইটামান ভালদৰে চাফ চিকুণ কৰি ল'ব লাগে। তাৰ পাছত বাহ কেইটা কেৰাহি এখনত লৈ তাতে কিছু পৰিমাণৰ কুকুৰাৰ মাংসৰ জোল মিলাওক। এইবাৰ কেৰাহিখন জুইত দি গৰম কৰক। চৰাইৰ বাহ টুকুৰা-টুকুৰ হৈ মাংসৰ জোলৰ লগত মিহলি হৈ পৰিব। সম্পূৰ্ণকৈ উতলিবলৈ দিয়ক। জোলখিনি ডাঠ নোহোৱালৈকে লৰাই থাকক। তাতে অলপ গৰম মছলা মিহলাই পৰিবেশন কৰক। পদ্ধতিটো বৰ জটিল নহয়। তথাপি চৰাই বাহৰ চুপৰ দাম কম নহয়। হংকঙত ডাঙৰ বাতি এটাৰ (Bowl) চৰাই বাহৰ চুপৰ দাম এহেজাৰ টকা।

বহুতো চীনালোকেই ঘৰতে চৰাই বাহৰ চুপ তৈয়াৰ কৰি খায়। ই তেওঁলোকৰ বৰ প্ৰিয় খাদ্য। তেওঁলোকে সাধাৰণতে বতাহী চৰাইৰ দৰে চৰাইবোৰৰ বাহ সংগ্ৰহ কৰে। এই চৰাইবোৰে বাহ বনাওঁতে নিজৰ মুখৰ লালটিকে এঠাৰ দৰে ব্যৱহাৰ কৰে। পাছত এই লালটিখিনি শুকাই বাহত লাগি ধৰে। সেইকাৰণেই হেনো এই বাহবিলাক সুস্বাদু হৈ পৰে। অৱশ্যে মা-মছলা মিহলালেহে এই চুপ অধিক জুতি লগা হয়। চীনা সকলে বমি, মূৰঘূৰণি আদি হ'লে ঔষধ হিচাপেও এইবিধ চুপ ব্যৱহাৰ কৰে।

চৰাইৰ বাহ একোটাৰ মূল্যও বৰ বেছি। বাহ একোটাৰ ওজনৰ সমান ৰূপৰ যিমান দাম হ'ব, তাতকৈ বাহটোৰ দাম বেছি। বগা বতাহী চৰাই একোটাৰ বাহৰ দাম হংকং বজাৰত ৩৬,০০০ টকালৈকে হয়। চীন দেশৰ পৰা বছৰি বহুতো চৰাইৰ বাহ বিদেশলৈও ৰপ্তানি কৰা হয়। কেৱল হংকঙেই শতকৰা ৬০ ভাগ মান চৰাইৰ বাহ চীনদেশৰ পৰা আমদানি কৰে। ১৯৮৯ চনত হংকং চহৰত ২৬ নিযুত চৰাইৰ বাহ চুপ বনোৱাৰ কামতে ব্যৱহাৰ কৰা হৈছিল। চীনদেশে নিজেই ইয়াৰ দহভাগ মানৰ এভাগহে চুপ বনোৱা কামত ব্যৱহাৰ কৰে। উত্তৰ আমেৰিকাত থকা চীনা সম্প্ৰদায় লোকসকলেও বছৰি ত্ৰিশটন মান ওজনৰ চৰাই বাহ আমদানি কৰি আনে। অৱশ্যে তালৈ চৰাই বাহ নিয়াৰো সমস্যা এটা আছে। তালৈ নিয়াৰ আগতে চৰাই বাহবোৰ ভালকৈ ধুই পখালি আৰু বীজাণু নাশক দ্ৰৱত ডুবাই বীজাণু বিহীন কৰি নিব লাগে। তাকে নকৰিলে চৰাই বাহ আমেৰিকাৰ বিমান বন্দৰত নমাবলৈ দিয়া নহয়।



অংকন □ চম্পক বৰবৰা

চুপত ব্যৱহাৰ কৰা চৰাই বাহৰ সংখ্যা কমি যোৱাৰ লগে লগে বাহৰ দামো বাঢ়ি গৈছে। বেছিভাগ বাহেই ব্ৰহ্মদেশ, থাইলেণ্ড, মালয়েচিয়া, ইন্দোনেচিয়া, ভিয়েটনাম আৰু ফিলিপাইনচত সংগ্ৰহ কৰা হয়।, সেই দেশসমূহত কিছুমান লোকে চৰাই বাহৰ ব্যৱসায়েই কৰে। বতাহী চৰাই বহুতো জাতৰ থাকিলেও ক'লা আৰু বগা বতাহী চৰাই দুজাতৰ বাহকে সাধাৰণতে চুপ বনোৱাত ব্যৱহাৰ কৰা হয়।

প্ৰায় সকলো বতাহী চৰায়েই নিজৰ মুখৰ লালটিখিনিকে চিমেণ্টৰ দৰে ব্যৱহাৰ কৰি ঘাঁহ শেলুৱে পাখি আদি লগাই বাতিৰ আকৃতিৰ বাহবোৰ সাজে। বগা বতাহীজাতে বাহটোত অধিক পৰিমাণৰ লালটি ব্যৱহাৰ কৰে আৰু সেইকাৰণেই ইহঁতৰ বাহবোৰ অধিক সুস্বাদু আৰু দামো বেছি। যোৰ পতাৰ সময়ত ইহঁতৰ লালটি গ্ৰন্থিবোৰ অস্বাভাৱিক ভাবে ডাঙৰ হৈ পৰে। পৰিত্যক্ত ঘৰৰ থিয় বেৰ বা গুহাৰ সুৰংগৰ ওপৰফালে ইহঁতে বাহ সাজে।

সকলো চৰাইৰে বাহৰ পৰা চুপ বনোৱা বুলি ভাবিলেও ভুল হ'ব। বতাহী চৰাইৰ এটা গোত্ৰৰ নাম কল্লাকালিয়া। এই গোত্ৰটোৰ অন্তৰ্গত এৰেকশটা প্ৰজাতি আছে। ইয়াৰ কেৱল কেইটামান প্ৰজাতিৰ চৰাইৰ বাহহে চুপ বনোৱাত ব্যৱহাৰ কৰা হয়। আমাৰ ভাৰতৰো আন্দামান নিকোবৰ দ্বীপপুঞ্জত এজাত বাহ খাব পৰা বতাহী চৰাই আছে। তাত সিহঁতে মাৰ্চ এপ্ৰিল মাহত বাহ সাজে। বাহ খাব পৰা আন এজাত বতাহী চৰাই অৰুণাচল আৰু ভূটানৰ পূব অংশতো পোৱা যায়।

পশ্চিমঘাট পৰ্বতৰ পৰা গোৱালৈকে পশ্চিম কৰ্ণাটক, পশ্চিম তামিলনাদু আৰু কেৰেলালৈকে পাহাৰীয়া অঞ্চলত গুহা, গহ্বৰ বিলাকতো এজাত বতাহী চৰায়ে বাহ সাজে। এই জাত চৰাইৰ বাহৰ চুপো খাব পাৰি। কিন্তু ব্ৰহ্মদেশৰ ফালৰ



শাৰদীয় সূত্ৰধাৰ ০ ১–১৫ অক্টোবৰ, ১৯৯২

বতাহী চৰাই জাতৰ চুপ অধিক জুতি লগা। ভাৰতত থকা এই বতাহী চৰাইজাত শ্ৰীলংকাতো পোৱা যায়। ভাৰতত ইহঁতৰ বাহ সজাৰ সময় মাৰ্চৰ পৰা জুন। শ্ৰীলংকাত অৱশ্যে চেপ্তেম্বৰ মাহলৈকে বাহ সাজে।

ব্ৰহ্মদেশকে ধৰি পূবৰ দেশসমূহত চৰাই বাহৰ ব্যৱসায় এক উৎকৃষ্ট ব্যৱসায় হৈ পৰিছে। ইন্দোনেচিয়াই বছৰি কেৱল হংকঙলৈকে পঁয়ত্ৰিশ কোটি টকাৰ মূল্যৰ চৰাই বাহ চালান দিয়ে। থাইলেণ্ডৰ এজন স্থানীয় ঠিকাদাৰে চৰাই বাহ সংগ্ৰহ কৰিবলৈকে চৰকাৰক পাঁচ বছৰৰ কাৰণে ২'৭ কোটি টকা কৰ হিচাপে দিছে। এই কৰৰ বিনিময়ত তেওঁ থাইলেণ্ডৰ ষাঠিটা উপকূল অঞ্চলৰ দ্বীপত চৰাই বাহ সংগ্ৰহ কৰিবলৈ পাৰ্মিট পাইছে। ঠিকাদাৰজনে এই দ্বীপ সমূহত প্ৰায় এশজন মান লোকক বাহ সংগ্ৰহ কৰাৰ কামত লগায়। বতাহী চৰায়ে বাহ বনোৱাৰ সময়ত এই লোকসকলে প্ৰায় চাৰিমাহ মান কাল এই দ্বীপ সমূহত কেম্প পাতি থাকে। একোটা ঋতুত তিনিবাৰ মানকৈ বাহ সংগ্ৰহ কৰা হয়। প্ৰতিটো চৰায়েই এবাৰ বাহটো লৈ যোৱাৰ পাছত আকৌ এটা বাহ সাজে। সেইটোও লৈ গলে তৃতীয় বাৰ আকৌ এটা বাহ সাজে। প্ৰথমটো বাহ ফেব্ৰুৱাৰী মাহত দ্বিতীয়তো মাৰ্চ মাহত অনা হয়। তৃতীয়টো বাহ হঠাতে নানে। তাত কণী পাৰি পোৱালি ডাঙৰ হৈ উৰি যোৱাৰ পাছতহে সেইবাহ সংগ্ৰহ কৰা হয়। বছৰৰ বাকীখিনি সময় বাহ সংগ্ৰহ কৰোতা সকলে নিজ নিজ ঘৰলৈ গৈ আন কামত ধৰেগৈ।

বতাহী চৰাইৰ বাহ সংগ্ৰহ কৰাটোও কম দুঃসাহসৰ কথা নহয়। বাহ সংগ্ৰহ কৰিবলৈ চৰকাৰী পাৰ্মিট পোৱা সকলেও কেতিয়াবা চোৰাং চিকাৰীৰ মুখা মুখি হ'ব লগাত পৰে। বাহ সংগ্ৰহকাৰী সকলে সাধাৰণতে নিজ নিজ এলেকাত কিছুমান সংকেত দিয়া ফলক ওলোমাই থয় যাতে তেনে ফলক দেখিয়েই আন বাহ সংগ্ৰহকাৰী আঁতৰি যায়। দ্বিতীয়তে গুহাবোৰৰ সমুখত কিছুমান বোমা পুতি থয় যাতে আন সংগ্ৰহকাৰী তেনে গুহাত সোমাবলৈ গলে বিস্ফোৰিত হৈ মৃত্যু মুখত পৰে। কেতিয়াবা বাহবোৰৰ জাহাজেদি আন দেশলৈ নিওঁতেও জলদস্যুৱে ডকাইতি কৰি আদবাটত কাঢ়ি নিয়ে। ক'লা বজাৰত এক কিলোগ্ৰাম চৰাই বাহৰ দাম ২২,০০০ টকালৈকে উঠে। অৰ্থাৎ একোখন জাহাজত কোটি টকাৰ চৰাই বাহ যায়। গতিকে বাটত ডকাইতি হোৱাটো একো অস্বাভাৱিক নহয়। চৰাই বাহৰ ব্যৱসায়ী সকলো জাহাজত শুদা হাতেৰে নাযায়। তেওঁলোকে লগত বন্দুক বাৰুদ লৈ যুঁজ কৰিবৰ কাৰণে সাজু হৈ যায়।

পাছে আটাইতকৈ ডাঙৰ সমস্যা হ'ল–চৰাই বাহ সংগ্ৰহ কৰাটোৱেই। কাৰণ বতাহী চৰায়ে বাহবোৰ এনেকুৱা ঠাইত বনায় যে তালৈ যোৱাটোৱেই সমস্যা। বাহ সংগ্ৰহকাৰী সকল মৰণত শৰণ লৈ একোটা থিয় শিলৰ পাহাৰত থিয়ে থিয়ে এশ মিটাৰলৈকে উঠিব লগা হয়। তাৰ কাৰণে তেওঁলোকে দীঘল দীঘল বাঁহ যোৰা দি জখলাৰ দৰে কৰি লয়। কেতিয়াবা এনে জখলা ভাগি উঠাজন ঘূণীয়া হয় আৰু দুই এজন মৃত্যুৰ মুখতো পৰে। একোজন লোকে গড় হিচাপত দিনে দহঘণ্টা মানকৈ এনেকৈ বগাই ফুৰে। তিনিটা জোং থকা লোৰ বেঁকা হাতোৰা এখনৰ সহায়ত সংগ্ৰহকাৰীয়ে চৰাইৰ বাহবোৰ গাতৰ ভিতৰৰ পৰা উলিয়াই আনে। এই হাতোৰা খনক ৰাদা (Rada) বুলি কোৱা হয়। সংগ্ৰহকাৰীসকলে এই ৰাদাখনক ভগৱানৰ দান বুলিয়েই ক'ব খোজে। তেওঁলোকৰ ধাৰণা যে ৰাদাখন হাতত থাকিলে চৰাই বাহ পাবই।

বতাহী চৰায়ে ওচৰা ওচৰিকৈ বাহ সাজে কেতিয়াবা কোনোটো থূপত দুই চাৰিটা আৰু কোনোটো থূপত কেইবাশলৈকে চৰাইৰ বাহ দেখা যায়। শিলাময় পাহাৰৰ ভিতৰৰ বহুত দীঘল সুৰংগৰ মূৰলৈকে ইহঁতে বাহ সাজে।

বতাহী চৰাই সদায় জাক পাতি থাকে ইহঁতে বাদুলীৰ দৰে ওখ ঠাইলৈ বগুৱা বাই যাব পাৰে। সন্ধ্যা লগাৰ পাছতেই ইহঁতে নিজ নিজ গহ্বৰৰ সমুখত থূপ পাতেহি। কোনোবা এটা মুহূৰ্তত গোটেই জাকটোৱেই গহ্বৰৰ ভিতৰলৈ সোমাই যায়। ঠিক তেনেকৈ ৰাতি নৌ পুৱাওঁতেই ইহঁতে জাক পাতি গহ্বৰৰ পৰা ওলাই দূৰ দূৰণিত চৰিবলৈ যায়। গতিকে দিনৰ ছোৱাত ইহঁতক গহ্বৰৰ ওচৰত দেখা পোৱা নাযায়। অৱশ্যে কণী পাৰি পোৱালি তোলাৰ সময়ত ইহঁত দিনটো গহ্বৰৰ ওচৰ পাঁজৰেই থাকে।

বতাহী চৰাইৰ প্ৰধান খাদ্য পতংগ। বতাহী চৰাইৰ আন এক বৈশিষ্ট্য হ'ল যে ইহঁতে উৰি ফুৰা অৱস্থাত থপিয়াই থপিয়াই পোক-পতংগ খাব পাৰে। ইহঁতে শস্য আৰু ফলৰ অপকাৰী দুই এজাত পতংগ খাই আমাৰ উপকাৰো কৰে।

বতাহী চৰাইৰ বাহ যে কেৱল মানুহে চুপ কৰিহে খায়, তেনেও নহয়। আন আন কামতো এই বাহ ব্যৱহাৰ কৰা হয়। চীনা সকলে হাওঁ ফাওঁৰ অসুখ আৰু ছালৰ বেমাৰৰ কাৰণে এই বাহ ব্যৱহাৰ কৰে। শক্তিকাৰক ঔষধ হিচাপেও ল'ৰা-ছোৱালী, দুৰ্বল লোক আৰু বয়সীয়া লোকক চৰাই বাহৰ চুপ খাবলৈ দিয়া হয়। হংকঙৰ এদল বিজ্ঞানীয়ে এনে বাহৰ পৰা পানীত দ্ৰবীভূত হোৱা এবিধ গ্লাইক' প্ৰটিন উদ্ধাৰ কৰিবলৈ চেষ্টা চলাই আছে। এই গ্লাইক' প্ৰটিনে কোষ বিভাজনত সহায় কৰিব। যদি এইটো সম্ভৱ হৈ উঠে, ইয়াৰ সহায়ত এইদ্চ ৰোগৰ ঔষধ তৈয়াৰ কৰিব পৰা হ'ব।

যোৱা শতিকাত বোম্বাই চৰকাৰে মালাবাৰ উপকূল অঞ্চলৰ কেইটামান দ্বীপৰ পৰা বতাহী চৰাইৰ বাহ সংগ্ৰহ কৰি চীনলৈ পঠোৱাৰ দিহা কৰিছিল। সেই বাহবিলাক ঘাইকৈ নেৰ্‌টি আৰু নেত্ৰানি নামৰ দ্বীপ দুটাৰ পৰাই আনিছিল। কিন্তু পৰ্যাপ্ত পৰিমাণৰ বাহ নোপোৱাত সেই ব্যৱসায় আৰম্ভণিতেই বন্ধ হৈ পৰিল। কিন্তু এতিয়া জানিব পৰা হৈছে যে সেই অঞ্চলৰ দ্বীপ সমূহত লুকাই চুৰকৈ বাহ সংগ্ৰহৰ কাম দুই একে চলায়েই আছে। সেই অঞ্চলৰ লাইট হাউচত থকা কৰ্মচাৰী সকলে কোৱা মতে যোৱা কেইবছৰমান সেই দ্বীপ সমূহত উত্তৰ কানাৰ আৰু গোৱাৰ পৰা যোৱা বাহ সংগ্ৰহকাৰী সকলক তেওঁলোকে দেখা পাইছে। এওঁলোক এপ্ৰিল মাহত তালৈ যায়। আৰু বতাহী চৰায়ে থিয় শিলৰ পাহাৰত বাহ সজাৰ সময়ত তাতেই থাকে। বাহ সংগ্ৰহ কৰাৰ পাছতহে নিজ নিজ ঠাইলৈ যায়। অৱশ্যে এনে সংগ্ৰহকাৰীৰ সংখ্যা বৰ বেছি নহয়। কিন্তু তেওঁলোকৰ সংখ্যা বাঢ়ি গলে সেই দ্বীপ সমূহত যে চৰাইজাত নিঃশেষ হৈ পৰিব–ই ধ্ৰুপ।

চিংগাপুৰৰ ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ কেইগৰাকীমান গৱেষকে বতাহী চৰাইৰ বাহ সংগ্ৰহ সম্পৰ্কে কেইটিমান সুন্দৰ পৰামৰ্শ আগবঢ়াইছে। এই পৰামৰ্শ সমূহ গ্ৰহণ কৰিলে মিতিৰো ৰ'ব, চাউলো সিজিব। অৰ্থাৎ নিয়মিত ভাবে বাহো সংগ্ৰহ কৰিব পৰা হ'ব অথচ বতাহীৰ সংখ্যাও নকমিব। তাৰে প্ৰথম পৰামৰ্শটো হ'ল যে বতাহীয়ে বছৰৰ প্ৰথমবাৰ বাহ সাজি শেষ কৰাৰ লগে লগে কণী পৰাৰ আগতেই বাহটো সংগ্ৰহ কৰিব লাগে। তেনে অৱস্থাত বতাহীয়ে দ্বিতীয় এটা বাহ নিশ্চয় সাজিব। এইবাৰ কণী পাৰি পোৱালি তুলিবলৈ বাট চাব লাগে। পোৱালিবোৰ উৰিব পৰা হ'লেহে দ্বিতীয়টো বাহ সংগ্ৰহ কৰিব লাগে। কিছুমান বতাহীয়ে পুনৰ তৃতীয় বাহ এটাও সাজিব পাৰে। এইবোৰ কণী পাৰি পোৱালি ডাঙৰ হোৱাৰ পাছতহে সেই বাহ সংগ্ৰহ কৰিব লাগে। গৱেষক সকলৰ মতে এই নিয়ম মানি চলিলে বতাহীৰ সংখ্যা কেতিয়াও কমি নাযায়। কিন্তু এই ক্ষেত্ৰত আটাইতকৈ বেছি সহযোগিতা আহিব লাগিব সংগ্ৰহকাৰী সকলৰ পৰা। গৱেষক সকলৰ আন এক পৰামৰ্শ হ'ল যে একোজন লোকক বাহ সংগ্ৰহ পাৰ্মিট একেলেথাৰিয়ে কেইবাবছৰলৈ দিব লাগে। তেতিয়াহে তেওঁ পাছৰ বছৰত যাতে বতাহীৰ সংখ্যা নকমে-তালৈ চকু দিব। এবছৰীয়া পাৰ্মিট পালে তেওঁ বতাহীয়ে বাহত পোৱালি তোলা নোতোলাৰ কথা নাভাবিব।

দুখৰ কথা এয়ে চাতক আৰু বতাহী–এই চৰাই দুজাত এতিয়াও ভাৰতীয় সংৰক্ষিত প্ৰাণীৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই। সেই কথা বাহ সংগ্ৰহ–কাৰী সকলেও জানে গতিকে আন্দামানতে হওক বা ভাৰতৰ পশ্চিম উপকূলতে হওক-বতাহী চৰাইৰ বাহ সংগ্ৰহকাৰী সকলক বাধা দিওঁতা কোনো নাই। কিন্তু এই ব্যৱস্থা চলি থাকিলে বতাহীৰ বাহহে নালাগে, চৰাই জাতেই হয়তো একেবাৰে নিঃশেষ হৈ পৰিব। ❑



